GPH S6 03(M)
EXAM CODE: S E PHM6C

চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰম

(চি.বি.চি.এচ; এন. ই.পি ২০২০ অনুসৰি)

ষষ্ঠ ষাণ্মাষিক

দৰ্শনৰ মৌলিক ধাৰণা

দৰ্শন

সূর্য কুমাৰ ভূঞা সমাজ বিজ্ঞান অধ্যয়ন সত্র
কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপক সৌৰভপ্ৰাণ গোস্বামী (অবসৰপ্ৰাপ্ত), দর্শন বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
ড° (অবসাৰপ্ৰাপ্ত) সহযোগী অধ্যাপক, দর্শন বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
ড° নৱ প্ৰসাদ নাথ, সহযোগী অধ্যাপক, দর্শন বিভাগ, কটন বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড° ভাস্কৰ ভট্টাচার্য্য, সহকাৰী অধ্যাপক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্ৰস্তুতি গোটৰ সদস্য

অধ্যায়	অৰিহণা য়োগাইছে	ভাষান্তৰকাৰী
১	অধ্যাপক (অবসৰপ্ৰাপ্ত) শিৱনাথ শর্মা, গুৱাহাটী বিশ্ববিদ্যালয়	সান্তনা কটকী
২	ড° পল্লবী শর্মা, N E F College	মাইনু দেবী বৰুৱা
৩	ড° শকুন্তলা বৰা, গুৱাহাটী বিশ্ববিদ্যালয়	ড° তনুজা কলিতা
৪,৫	ড° পৰান বৰঠাকুৰ, হাফলং চৰকাৰী কলেজ	ড° কীর্তিনাথ কলিতা
৬, ১৪,১৫	ড° ভাস্কৰ ভট্টাচার্য্য, কৃ.কা.স.ৰা.মু.বি.	ড° ভাস্কৰ ভট্টাচার্য্য
৭	ড° ৰাজলক্ষ্মী কলিতা,	গিতাঞ্জলী মেধি
৮	ড° অঞ্জনা নেওঁগ, প্ৰাগজ্যোতিষ কলেজ	গিতাঞ্জলী মেধি
৯	ড° ভাস্কৰ ভট্টাচার্য্য, কৃ.কা.স.ৰা.মু.বি.	নাজিমা হুচেইন বৰবৰা
১০	ড° কমলা শর্মা, নগাওঁ বিশ্ববিদ্যালয়	মাইনু দেবী বৰুৱা
১১	অধ্যাপক (অবসৰপ্ৰাপ্ত)সৌৰভপ্ৰাণ গোস্বামী, গু.বিশ্ববিদ্যালয	ড° তনুজা কলিতা
১২	অধ্যাপক (অবসৰপ্ৰাপ্ত)সৌৰভপ্ৰাণ গোস্বামী, গু.বিশ্ববিদ্যালয	ড° কীর্তিনাথ কলিতা
১৩	ড° মিনাক্ষী শর্মা পাঠক, সন্দিকৈ ছোৱালী মহাবিদ্যালয়	ড° তনুজা কলিতা

সম্পাদনা ঃ বিষয়বস্তু সম্পাদনা ঃ ড° ভাস্কৰ ভট্টাচার্য্য,
ভাষা সম্পাদনা ঃ ড° তেজসা কলিতা

গাঁথনিক সম্পাদনা ঃ ড° ভাস্কৰ ভট্টাচার্য্য, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

© কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ দ্বাৰা সর্বস্বত্ব সংৰক্ষিত,
কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ লিখিত অনুমতি অবিহনে গ্ৰন্থস্বত্ব জাননীৰ দ্বাৰা সুৰক্ষিত এই মুদ্ৰণ বা ইয়াৰ যিকোনো অংশ প্ৰতিলিপিকৰণ, স্কেনিং, বাণীবদ্ধকৰণ তথা তথ্য সংৰক্ষণ নাইবা পুনৰুদ্ধাৰ পদ্ধতিৰ লগতে বর্তমানে জ্ঞাত বা ভৱিষ্যতে উদ্ভাৱন-সম্ভৱ যিকোনো বৈদ্যুতিক, ডিজিটেল বা যান্ত্রিক উপায়েৰে প্ৰকাশ, প্ৰেৰণ, হস্তান্তৰ বা সংৰক্ষণ কৰিব নোৱাৰিব।

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্ৰকাশিত।

মার্চ, ২০২৬

মূখ্য কার্যালয় ঃ পাটগাঁও, ৰাণীগেট, গুৱাহাটী-৭৮১০১৭
নগৰ কার্যালয় ঃ ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী-৭৮১০২২ Web : www.kkhsou.in

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
দূৰ শিক্ষা ব্যুৰো, বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

বিষয়সূচী

অধ্যায় **পৃষ্ঠা**

অধ্যায় ১ ঃ দর্শনৰ প্ৰকৃতি, পৰিসৰ আৰু উপযোগিতা ৯-২৩

দর্শনৰ সংজ্ঞা, দর্শনৰ প্রকৃতি, দর্শন আৰু বিজ্ঞান দর্শন আৰু সাধাৰণ
জ্ঞান, দর্শনৰ পৰিসৰ, দার্শনিক অধ্যয়নৰ উপযোগিতা

অধ্যায় ২ ঃ জ্ঞানৰ স্বৰূপ আৰু প্ৰকাৰঃ পৰিচয়মূলক জ্ঞান আৰু বর্ণনামূলক জ্ঞান ২৪-৩১

পৰিচয়মূলক জ্ঞান, বর্ণনামূলক জ্ঞান, পৰিচয়মূলক জ্ঞান আৰু বর্ণনামূলক
জ্ঞানৰ মাজত পার্থক্য

অধ্যায় ৩ ঃ জ্ঞানতত্ত্ব ৩২-৪৫

জ্ঞানৰ মূল আৰু উৎপত্তি, জ্ঞানতত্ত্ব, বুদ্ধিবাদ, বিভিন্ন দার্শনিকৰ মতামত,
অভিজ্ঞতাবাদ, বিভিন্ন দার্শনিকৰ মতামত, বিচাৰবাদ, বিভিন্ন দার্শনিকৰ মতামত

অধ্যায় ৪ ঃ কাণ্টৰ বিচাৰবাদ ৪৬-৬১

বিচাৰবাদ কি, জ্ঞানৰ প্রকাৰ আৰু অৱধাৰণাৰ প্রকাৰৰ সম্বন্ধে কাণ্টৰ প্রাথমিক
স্বীকাৰোক্তি, জ্ঞানৰ প্রকাৰ, অভিজ্ঞতাপূর্ব জ্ঞান, অভিৎতাপ্রসৃত জ্ঞান বা প্রত্যক্ষোত্তৰ
জ্ঞান অৱধাৰণৰ প্রকাৰ, বিশ্লেষক অৱধাৰণা, সংশ্লেষক অৱধাৰণা, সংশ্লেষক
অভিজ্ঞতাপূর্ব, সংশ্লেষক অভিজ্ঞতাপ্রসূত, সংশ্লেষক অভিজ্ঞতাপূর্ব অৱধাৰণাৰ
সম্ভাৱনীয়তা, কপাৰ নিকাছৰ বিপ্লৱ।

অধ্যায় ৫ ঃ সন্দেহবাদ ঃ হিউম ৬২-৭৪

সন্দেহবাদ কি ? সন্দেহবাদৰ বিভিন্ন প্রসাৰ, Phrrhonian সন্দেহবাদ,
কার্টেচিয়ান সন্দেহবাদ, হিউমৰ সন্দেহবাদ

অধ্যায় ৬ ঃ সত্যৰ তত্ত্বসমূহ ৭৫-৮৬

দর্শনৰ সত্যতা, সত্যতাৰ অনুৰূপতাবাদ তত্ত্ব, সত্যতাৰ সংগতিবাদতত্ত্ব,
সত্যতাৰ মাত্রা, সত্যতাৰ উপযোগিতাবাদ তত্ত্ব

অধ্যায় ৭ ঃ বাস্তৱবাদঃ সৰল আৰু বৈজ্ঞানিক ৮৭-৯৫

বাস্তৱবাদৰ শ্রেণীবিভাজন, সৰল বাস্তৱবাদ, বৈজ্ঞানিক বাস্তৱবাদ, সৰল
আৰু বৈজ্ঞানিক বাস্তৱবাদৰ মাজৰ প্রভেদ, সামৰণি।

অধ্যায় ৮ ঃ ভাববাদঃ আত্মগত ভাববাদ আৰু বস্তুগত ভাববাদ ৯৬-১০৬

ভাববাদৰ সংজ্ঞা, ভাববাদৰ বিভিন্ন প্ৰকাৰ, আত্মগত ভাববাদৰ সংজ্ঞা, আত্মগত ভাববাদৰ সমৰ্থক সকল, আত্মগত ভাববদ সম্পৰ্কে মতামত, বস্তুগত ভাববাদৰ সংজ্ঞা, বস্তুগত ভাববাদৰ সমৰ্থকসকল, বস্তুগত ভাববাদ সম্পৰ্কে মতামত।

অধ্যায় ৯ ঃ দেহ-মনৰ সম্পৰ্কঃ ১০৭-১২৩

ডেকার্ট আৰু স্পি'নোজা দেহ-মন সম্পৰ্কে ডেকার্টৰ ধাৰণা, পাৰস্পৰিক ক্ৰিয়াবাদ, দেহ-মন সম্পৰ্কে স্পিনোজাৰ ধাৰণা, সমান্তৰালবাদ, দেহ-মন সম্পৰ্কে লাইব্ৰনিভজৰ ধাৰণা, লাইব্ৰনিভজৰ দেহ-মনৰ ধাৰণাৰ বিষয়ে ৰাছেলৰ মতামত।

অধ্যায় ১০ ঃ সামান্যঃ বস্তুবাদ আৰু নামবাদ সমান্য ১২৪-১৪৪

ইয়াৰ প্ৰকৃতি আৰু মতবাদসমূহ, বস্তুবাদ, প্লেটোৰ বস্তুবাদ, এৰিষ্টটলৰ বস্তুবাদ, নামবাদ, হ'বচৰ মতবাদ, হিউমৰ মতবাদ।

অধ্যায় ১১ ঃতৰ্কীয় প্ৰত্যক্ষবাদ ১৪৫-১৫৫

তৰ্কীয় প্ৰত্যক্ষবাদৰ সমৰ্থকসকল অৰ্থৰ প্ৰমানীকৰণ তত্ত্ব, অধিবিদ্যাৰ অপসৰণ, বিচাৰমূলক গুণ নিৰূপন।

অধ্যায় ১২ ঃ অস্তিত্ববাদ ১৫৬-১৬৭

অস্তিত্ববাদৰ সমৰ্থকসকল, অস্তিত্ববাদৰ বৈশিষ্ট্যসমূহ, অস্তিত্ববাদৰ আস্তিক অস্তিত্ববাদ আৰু নাস্তিক অস্তিত্ববাদ, অস্তিত্বসাৰ সত্ত্বাৰ পূৰ্বৱৰ্ত্তী, বিচাৰমূলক মূল্যাংকণ।

অধ্যায় ১৩ ঃষ্ট'ছনৰ ব্যক্তিৰ ধাৰণা ১৬৭-১৮১

ব্যক্তিৰ ধাৰণা কি? কৰ্তৃত্ব বিহীন মতবাদ সম্বন্ধে ষ্ট'ছনৰ অভিমত, ডেকার্ট পন্থী মতবাদ সম্বন্ধে ষ্ট'ছনৰ অভিমত, P আৰু M বিধেয় সম্বন্ধে ষ্ট'ছনৰ ধাৰণা, P বিধেয় সম্বন্ধে ষ্ট'ছনৰ ধাৰণা, ষ্ট'ছনৰ P বিধেয়ৰ ধাৰণা সম্বন্ধে বাৰ্ণাড উইলিয়ামছৰ অভিমত।

অধ্যায় ১৪ ঃ শাস্তিতত্ত্ব **১৮২-১৯৩**

অপৰাধ আৰু শাস্তিৰ ধাৰণা, শাস্তি সম্পৰ্কীয় মতবাদ, প্ৰতিষেধকমূলক মতবাদ, সংশোধনমূলক মতবাদ, প্ৰতিযোগিতামূলক মতবাদ, প্ৰাণদণ্ড শাস্তিতত্ত্ব।

অধ্যায় ১৫ ঃব্যক্তি আৰু সমাজ **১৯৪-২০৭**

সামাজিক চুক্তিতত্ত্ব, সামাজিক চুক্তিতত্ত্বৰ সমালোচনা, জৈৱিক তত্ত্ব, জৈৱিক তত্ত্বৰ সমালোচনা, দলীয় মনৰ তত্ত্ব, দলীয়মনৰ তত্ত্বৰ সমালোচনা, ব্যক্তি আৰু সমাজঃ সাম্প্ৰতিক বিতৰ্ক।

পাঠ্যবিষয়ৰ পৰিচয় ঃ

এই পাঠ্যবিষয়টিয়ে আপোনাক দর্শনৰ মৌলিক ধাৰণাবোৰৰ লগত পৰিচয় কৰি দিব। এই পাঠ্যবিষয়টিয়ে দর্শনৰ পৰাবিদ্যা আৰু জ্ঞানবিদ্যাবিষয়ক ধাৰণাক বিশেষভাৱে গুৰুত্ব প্রদান কৰিছে। শিক্ষার্থীসকলে এই পাঠ্যবিষয়টি অধ্যয়ন কৰিলে দর্শনৰ মৌলিক ধাৰণা সম্পর্কে সম্যক জ্ঞান আহৰণ কৰিবলৈ সক্ষম হ'ব।

প্রথম অধ্যায়টো হ'ল 'দর্শনৰ প্রকৃতি, পৰিসৰ আৰু উপযোগিতা'।এই অধ্যায়ত সন্নিবিষ্ট বিষয়বোৰ হ'ল - দর্শনৰ সংজ্ঞা, দর্শনৰ প্রকৃতি, দর্শন আৰু বিজ্ঞান, দর্শন আৰু সাধাৰণ জ্ঞান, দর্শনৰ পৰিসৰ আৰু দার্শনিক অধ্যয়নৰ উপযোগিতা।

দ্বিতীয় অধ্যায়টো হ'ল জ্ঞানৰ স্বৰূপ আৰু প্রকাৰঃ পৰিচয়মূলক জ্ঞান আৰু বর্ণনামূলক জ্ঞান'। এই অধ্যায়ত থকা বিষয়বোৰ হ'ল - পৰিচয়মূলক জ্ঞান, বর্ণনামূলক জ্ঞান, পৰিচয়মূলক জ্ঞান আৰু বর্ণনামূলক জ্ঞানৰ মাজত পার্থক্য।

তৃতীয় অধ্যায়টো হ'ল 'জ্ঞানতত্ত্ব'। এই অধ্যায়টোত আলোচনা কৰা বিষয়বোৰ হ'ল জ্ঞানৰ মূল আৰু উৎপত্তি, জ্ঞানতত্ত্ব, বুদ্ধিবাদ, বিভিন্ন দার্শনিকৰ মতামত, অভিজ্ঞতাবাদ, বিভিন্ন দার্শনিকৰ মতামত, বিচাৰবাদ, বিভিন্ন দার্শনিকৰ মতামত।

চতুর্থ অধ্যায়টো হ'ল 'কাণ্টৰ বিচাৰবাদ'। **এই** অধ্যায়ত থকা ভিন্ন বিষয়সমূহ হ'ল বিচাৰবাদ কি, জ্ঞানৰ প্রসাৰ আৰু অৱধাৰণাৰ প্রকাৰৰ সম্বন্ধে কাণ্টৰ প্রাথমিক স্বীকাৰোক্তি, জ্ঞানৰ প্রকাৰ, অভিজ্ঞতাপূর্ব জ্ঞান, অভিজ্ঞতাভ্রমূত জ্ঞান বা প্রত্যক্ষোত্রৰ জ্ঞান, অবধাৰণাৰ প্রকাৰ, বিত্রেৰক আৰু সংশ্লেষক অৱধাৰণা, সংশ্লেষক অভিজ্ঞতাপূর্ব, সংশ্লেষক অভিজ্ঞতাপ্রসূত, সংশ্লেষক অভিজ্ঞতাপূর্ব অৱধাৰণাৰ সম্ভাৱনীয়তা, কপাৰনিকাছৰ বিপ্লৱ।

পঞ্চম অধ্যায়টো হ'ল''সন্দেহবাদ ঃ হিউম'। এই অধ্যায়ত আলোচিত প্রধান বিষয়বোৰ হ'ল - সন্দেহবাদ কি? সন্দেহবাদৰ বিভিন্ন প্রকাৰ, Phrrhonian সন্দেহবাদ, কাটেচিয়ান সন্দেহবাদ, হিউমৰ সন্দেহবাদ।

ষষ্ঠ অধ্যায়টো হ'ল 'সত্যৰ তত্ত্বসমূহ'। এই অধ্যায়ত আলোচিত বিষয়সমূহ হ'ল দর্শনৰ সত্যতা, সত্যতাৰ অনুৰূপতাবাদ তত্ত্ব, সত্যতাৰ সংগতিবাদ তত্ত্ব, সত্যতাৰ মাত্রা, সত্যতাৰ উপযোগিতাবাদ তত্ত্ব।

সপ্তম অধ্যায়টো হ'ল 'বাস্তৱবাদঃ সৰল আৰু বৈজ্ঞানিক'। এই অধ্যায়ত সন্নিবিষ্ট বিষয়সমূহ হ'ল- বাস্তৱবাদৰ শ্রেণীবিভাজন, সৰল বাস্তৱবাদ, বৈজ্ঞানিক বাস্তৱবাদ, সৰল আৰু বৈজ্ঞানিক বাস্তৱবাদৰ মাজৰ প্রভেদ, সামৰণি।

অষ্টম অধ্যায়টো হ'ল 'ভাববাদঃ আত্মগত আৰু বস্তুগত ভাববাদ'। এই অধ্যায়ত থকা বিষয়বোৰ হ'ল - ভাববাদৰ সংজ্ঞা, ভাববাদৰ বিভিন্ন প্রকাৰ, আত্মগত ভাববাদৰ সংজ্ঞা, আত্মগত ভাববাদৰ সমর্থকসকল, আত্মগত ভাববাদ সম্পর্কে মতামত, বস্তুগত ভাববাদৰ সংজ্ঞা, বস্তুগত ভাববাদৰ সমর্থকসকল, বস্তুগত ভাববাদ সম্পর্কে মতামত।

নৱম অধ্যায়টো হ'ল 'দেহ -মনৰ সম্পর্কঃ ডেকার্ট আৰু স্পিনোজা'। দেহ-মন সম্পর্কে ডেকার্টৰ ধাৰণা, পাৰস্পৰিক ক্রিয়াবাদ, দেহ-মন সম্পর্কে স্পিনোজাৰ ধাৰণা, সমান্তৰালবাদ, দেহ-মন সম্পর্কে লাইৱনিভজৰ ধাৰণা, লাইৱনিভজৰ দেহ-মনৰ ধাৰণাৰ বিষয়ে ৰাছেলৰ মতামত, দেহ-মন সম্পর্কে ষ্টুছনৰ ধাৰণা দশম অধ্যায়টো হ'ল 'সামান্যঃ বস্তুবাদ আৰু নামবাদ'। এই অধ্যায়ত থকা বিষয়সমূহ হ'ল - সামান্য ইয়াৰ প্রকৃতি আৰু মতবাদসমূহ, বস্তুবাদ, প্লেটোৰ বস্তুবাদ, এৰিষ্টটলৰ বস্তুবাদ, নামবাদ, হ'বচৰ মতবাদ, হিউমৰ মতবাদ।

একাদশ অধ্যায়টো হ'ল 'তর্কীয় প্রত্যক্ষবাদ'। এই অধ্যায়ত থকা বিষয়সমূহ হ'ল - তর্কীয় প্রত্যক্ষবাদৰ সমর্থকসকল, অর্থৰ প্রমানীকৰণ তত্ত্ব, অধিবিদ্যাৰ অপসৰণ, বিচাৰমূলক গুণ নিৰূপন।

দ্বাদশ অধ্যায়টো হ'ল 'অস্তিত্ববাদ'। এই অধ্যায়ত সন্নিবিষ্ট বিষয়সমূহ হ'ল - অস্তিত্ববাদৰ সমর্থকসকল, অস্তিত্ববাদৰ বৈশিষ্ট্যসমূহ, অস্তিত্ববাদৰ আস্তিক আৰু নাস্তিক অস্তিত্ববাদ, অস্তিত্ব সাৰসত্তাৰ পূর্ববর্ত্তী, বিচাৰমূলক মূল্যাংকন।

ত্রয়োদশ অধ্যায়টো হ'ল 'ষ্টুৱৰ্ট'ৰ ব্যক্তিৰ ধাৰণা'। এই অধ্যায়ত আলোচিত বিষয়সমূহ হ'ল - ব্যক্তিৰ ধাৰণা কি, কর্তৃত্ববিহীন মতবাদ সম্বন্ধে ষ্টুৱৰ্টৰ অভিমত, P আৰু M বিধেয় সম্বন্ধে ষ্টুৱৰ্টৰ ধাৰণা, P বিধেয় সম্বন্ধে ষ্টুৱৰ্টৰ ধাৰণা, ষ্টুৱৰ্টৰ P বিধেয়ৰ ধাৰণা সম্বন্ধে বার্নাড উইলিয়ামছৰ অভিমত।

চতুর্দশ অধ্যায়টো হ'ল 'শাস্তিতত্ত্ব'। এই অধ্যায়ত সন্নিবিষ্ট বিষয়সমূহ হ'ল অপৰাধ আৰু শাস্তিৰ ধাৰণা, শাস্তি সম্পর্কীয় মতবাদ, প্রতিৰোধমূলক মতবাদ, সংশোধনমূলক মতবাদ, প্রতিশোধমূলক মতবাদ, প্রানদণ্ড শাস্তিতত্ত্ব।

পঞ্চদশ অধ্যায়টো হ'ল 'ব্যক্তি আৰু সমাজ'। এই অধ্যায়ত থকা বিষয়সমূহ হ'ল সামাজিক চুক্তিতত্ত্ব, সামাজিক চুক্তিতত্ত্বৰ সমালোচনা, জৈৱিক তত্ত্ব, জৈৱিক তত্ত্বৰ সমালোচনা, দলীয় মনৰ তত্ত্ব, দলীয় মনৰ তত্ত্ব সমালোচনা, ব্যক্তি আৰু সমাজঃ সাম্প্রতিক বিতর্ক।

এই পাঠ্যবিষয়টি অধ্যয়ন কৰোঁতে মূল পাঠৰ লগে লগে সোঁ তথা বাঁওফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰে মূল পাঠত উল্লেখ থকা দৰকাৰী ধাৰণাসমূহ সৰল অর্থত বুজি পোৱাত সহায় কৰিব। **'জানি থোৱা ভাল'** বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূর্ণ তথ্যৰ সম্ভেদ আছে। আকৌ, প্রতিটো শাখাৰ অধ্যয়নৰ অন্তত **'অগ্রগতি নিৰীক্ষণ'** যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতি সম্পর্কে স্বপৰীক্ষণৰ সুবিধা প্রদান কৰিব। অধ্যয়নৰ লগে লগে উক্ত প্রশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া **'অগ্রগতিৰ খতিয়ান'**ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে **'অধিক জানিবলৈ'** শিতানত উল্লেখ থকা গ্রন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত কেইটিমান 'আর্হি প্রশ্ন' তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্রসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্রস্তুত কৰা হৈছে। আপোনালোকে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেই কেইখন অধ্যয়ন কৰিব পাৰিব।

অধ্যায় ১ ঃ দৰ্শনৰ প্ৰকৃতি, পৰিসৰ আৰু উপযোগিতা

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ দৰ্শনৰ সংজ্ঞা

১.৪ দৰ্শনৰ প্ৰকৃতি

১.৫ দৰ্শন আৰু বিজ্ঞান

১.৬ দৰ্শন আৰু সাধাৰণ-জ্ঞান

১.৭ দৰ্শনৰ পৰিসৰ

১.৮ দাৰ্শনিক অধ্যয়নৰ উপযোগীতা

১.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.১০ অধিক জানিবলৈ

১.১১ অগ্ৰগতিৰ খতিয়ান

১.১২ আৰ্হি প্ৰশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি জানিব পাৰে—

- দৰ্শনৰ সংজ্ঞা দিব পাৰিব,
- ইয়াৰ স্বৰূপ বা প্ৰকৃতি ব্যাখ্যা কৰিব পাৰিব,
- বিজ্ঞান আৰু সাধাৰণ জ্ঞানৰ লগত দৰ্শনৰ পাৰ্থক্য নিৰূপন কৰিব পাৰিব,
- দৰ্শনৰ পৰিসৰ ব্যাখ্যা কৰিব পাৰিব,
- দৰ্শনৰ ব্যৱহাৰ আলোচনা কৰিব পাৰিব,
- দৰ্শনৰ লগত জীৱনৰ সম্বন্ধ দেখুৱাব পাৰিব।

১.২ পৰিচয়

আপোনালোকে নিশ্চয় প্লেটো, বৌদ্ধ, নাগার্জুন, শঙ্কৰাচার্য্য, ৰাছেল, ৰাধাকৃষ্ণন, অ'ৰবিন্দ আদিৰ নাম শুনিছে। এওঁলোক হ'ল প্ৰখ্যাত দাৰ্শনিক। তেওঁলোকৰ চিন্তাধাৰা সৰ্বসাধাৰণ মানুহতকৈ আনকি বৈজ্ঞানিকসকলতকৈও বেলেগ।

দার্শনিকসকলৰ বিষয়ে আপোনালোকে নিশ্চয় বিভিন্ন ধৰণৰ কথা শুনিবলৈ পাইছে। যেনে— দার্শনিকসকল অন্যমনস্ক হৈ থাকে, পোছাক পৰিছন্নৰ ক্ষেত্ৰত, খাদ্যৰ ক্ষেত্ৰত তেওঁলোক অসাৱধান আদি। আনকি সর্বসাধাৰণে অনেক ক্ষেত্ৰত দার্শনিকক উন্মাদ আখ্যা দি তাচ্ছিল্য কৰিবলৈকো কুণ্ঠিত নহয়। কিন্তু এই সকলোবোৰ কথা সঁচা নহয়। কিয়নো এইবোৰ সমাজত প্ৰচলিত কিছুমান ভুল ধাৰণা আৰু উৰা বাতৰিৰ বাদে আন একো নহয়। আপোনালোকে এইবোৰ কেতিয়াও বিশ্বাস নকৰিব। অন্যমনস্ক মানুহ সমাজত আছে এইটো সঁচা। কিন্তু অন্যমনস্ক বুলি ক'লে কেৱল দার্শনিকসকলেই যে অন্যমনস্ক হ'ব সেইটো নহয়। অন্যমনস্ক বুলি ক'লে উচ্চ-শিক্ষিতও হ'ব পাৰে, অ-শিক্ষিতও হ'ব পাৰে, বৈজ্ঞানিকও হ'ব পাৰে, অঙ্কশাস্ত্ৰবিদও হ'ব পাৰে, ব্যৱসায়ী লোকো হ'ব পাৰে, ঠিক সেইদৰে দার্শনিকও হ'ব পাৰে। গতিকে ইয়াৰপৰা এইটোকে বুজিব পাৰি যে অন্যমনস্কতা আৰু দার্শনিকৰ মাজত তেনে কোনো সম্বন্ধ নাই। বহুতে আকৌ ভাবে যে দর্শনৰ অধ্যয়নে এজন মানুহক বৈৰাগী, নিৰাশ আৰু দুখঃবাদী কৰি তোলে। কিন্তু এই সকলোবোৰ কিছুমান অজ্ঞ মানুহৰ কথাহে। গতিকে আপোনালোকে এনে ভিত্তিহীন কথাবোৰৰপৰা নিজকে মুক্ত ৰাখক।

আচলতে দার্শনিকসকল আপোনাৰ আৰু মোৰ নিচিনা সাধাৰণ মানুহ। তেওঁলোকে কেৱল বেলেগ ধৰণে চিন্তা-চর্চা কৰে। দার্শনিকৰ চিন্তাধাৰা আৰু সর্বসাধাৰণ মানুহৰ চিন্তাধাৰাৰ মাজত পার্থক্য ইমানেই যে সর্বসাধাৰণ মানুহৰ চিন্তা-ধাৰাৰ মাজত সু-সংবদ্ধতা নাই আৰু দার্শনিক চিন্তাধাৰৰ মাজত সু-সংবদ্ধতা আছে। দার্শনিকৰ বিষয়ে আন এটা সৰু ভুল ধাৰণা আছে যে— দার্শনিকসকল সাধু-সন্ন্যাসীৰ দৰে— এই ধাৰণাটোও আপোনালোকে ত্যাগ কৰিব। আচলতে দার্শনিকসকল বুদ্ধিজীৱিহে, সাধু-সন্যাসী নহয়। দার্শনিকসকলে পৱিত্ৰতা আৰু পৰমশ্রেয় অনুশীলনী নকৰে। দর্শন মূলতঃ তত্ত্বগত জ্ঞান। ইয়াক জীৱনত প্ৰয়োগ কৰাত বাধা নাই। আচলতে দর্শনে আমাক প্ৰায়োগিক দিশ এটা দিয়ে। কিন্তু প্ৰধানতঃ দর্শন তত্ত্বগত।

(সকলোধৰণৰ অন্ধবিশ্বাস, কু-সংস্কাৰ, পূর্বধাৰণা আদিৰপৰা নিজকে মুক্ত ৰাখক। এই অধ্যায়টি মনোযোগেৰে পঢ়ক আৰু আপুনি উপলব্ধি কৰক দর্শন কিমান ভাললগা বিষয়।)

১.৩ দর্শনৰ সংজ্ঞা

সংজ্ঞা বুলি ক'লে 'মানুহ হৈছে বুদ্ধিবৃত্তিসম্পন্ন জীৱ'— এটা ভাল উদাহৰণ হ'ব। মানুহ হ'ল এক প্ৰকাৰৰ জীৱ, কিন্তু মানুহৰ বুদ্ধিবৃত্তি আছে আৰু সেই কাৰণেই জীৱৰ মাজত মানুহ শ্রেষ্ঠ। সংজ্ঞা বুলিলে সাধাৰণতে ওপৰত উল্লেখ কৰাৰ নিচিনা এক স্বকীয় বৈশিষ্ট্য থকা আন বস্তুসমূহৰ পৰা পৃথককৈ অনা-বিধৰ হ'ব লাগে। কিন্তু দর্শনৰ তেনে কোনো নির্দিষ্ট সংজ্ঞা নাই। আপুনি দর্শনৰ এনে কোনো নির্দিষ্ট সংজ্ঞা নাপায়, যিটো সর্বজনগৃহীত। আপুনি দর্শনৰ ওপৰত এক ব্যাখ্যামূলক আলোচনাহে পাব। তর্কসন্মতভাৱে গৃহীত হোৱা সংজ্ঞা নাপায়।

কিন্তু ইয়াৰ পৰা এইটো নুবুজায় যে দর্শনৰ কোনো স্বকীয় বৈশিষ্ট্য নাই। দার্শনিক ধ্যান-ধাৰণাৰ এক বিশিষ্ট ৰূপ আছে। দর্শন হৈছে এক বৌদ্ধিক প্ৰয়াস। ই বিশ্লেষণাত্মক আৰু ব্যাখ্যামূলক। দার্শনিক জ্ঞান সামগ্রিক দৃষ্টিজনিত জ্ঞান। বিজ্ঞান, কবিতা, ৰাজনীতি আদিৰপৰা দর্শন পৃথক। আপোনালোকে দর্শন কি এই অধ্যায়টিৰ পৰা নিশ্চয় কিছু আভাস পাইছে। আপুনি দর্শন সম্বন্ধে কিছুমান ধাৰণা এইদৰে বিচাৰ কৰিব পাৰিব — (১) ই অভিজ্ঞতাৰ এক

প্ৰণালীবদ্ধ ব্যাখ্যা, (২) ই হৈছে ভাষাৰ সমালোচনা, (৩) ইয়াত জগত আৰু জীৱনৰ প্ৰতি এক দৃষ্টিভংগী প্ৰকাশ হয়, (৪) মানৱীয় পৰিস্থিতিৰ উপলব্ধি, (৫) জগতৰ স্থায়ী মূল্যৰ অনুসন্ধান আৰু (৬) জগতৰ বৈজ্ঞানিক অনুসন্ধানৰ ভেটি স্থাপন আদি।

(এই ৰহস্যজনক অভিব্যক্তিবোৰৰ দ্বাৰা প্ৰভাৱিত নহ'ব। ইয়াৰ পৰৱৰ্তী শাখাসমূহত দৰ্শনৰ প্ৰকৃতি আৰু পৰিসৰৰ বিষয়ে আলোচনা কৰা হ'ব।)

১.৪ দৰ্শনৰ স্বৰূপ বা প্ৰকৃতি

ইয়াত আমি ১.২ শাখাত যি আৰম্ভ কৰিছিলো তাকে পুনৰ আৰম্ভ কৰিম।

প্ৰত্যেক শব্দৰে এটা বা তাতকৈ বেছি অৰ্থ আছে। দৰ্শনৰ ব্যুৎপত্তিগত অৰ্থৰপৰা আমি বুজিব পাৰিম, আৰম্ভনিতে দৰ্শনে কি সূচায়। দৰ্শন শব্দটিৰ ইংৰাজী প্ৰতিশব্দ হৈছে 'Philosophy' এই Philosophy শব্দটো 'Philos' আৰু 'Sophia' এই দুটা গ্ৰীক শব্দৰপৰা আহিছে। (গ্ৰীক হৈছে গ্ৰীচত প্ৰচলিত ভাষা, য'ত চক্ৰেটিছ, এৰিষ্টটল, প্লেটোৰ জন্ম হৈছিল)। 'Philos' শব্দৰ অৰ্থ হৈছে অনুৰাগ বা প্ৰীতি (love) আৰু 'Sophia' শব্দৰ অৰ্থ হৈছে জ্ঞান (Wisdom)। গতিকে Philosophy শব্দৰ ব্যুৎপত্তিগত অৰ্থ হৈছে জ্ঞানৰ প্ৰতি অনুৰাগ (Love of wisdom) বুদ্ধি আৰু জ্ঞানৰ যোগেদি দৰ্শনে জ্ঞান উপলব্ধি কৰে। ই হ'ল জীৱনৰ মূল্য অনুসন্ধানৰ এক গভীৰ প্ৰয়াস। অতীজতে, জ্ঞানৰ প্ৰতি থকা অব্যাহত অন্বেষণেই আছিল দৰ্শন। কিন্তু এতিয়া আপোনালোকে বেলেগ বেলেগ বিভিন্ন বিভাগ পাইছে; যেনে— বিজ্ঞান। যেতিয়া আপুনি কব 'দৰ্শন হৈছে জ্ঞানৰ প্ৰতি অনুৰাগ' তেতিয়া ইয়াকে বুজায় নেকি যে বিজ্ঞানত জ্ঞানৰ প্ৰতি অনুৰাগ নাই? এই প্ৰশ্নৰ উত্তৰ পাবলৈ হ'লে আপুনি জ্ঞান (Knowledge) আৰু প্ৰজ্ঞান বা অভিজ্ঞতামূলক জ্ঞান (Wisdom)-ৰ পাৰ্থক্য বুজিবলৈ চেষ্টা কৰক। জ্ঞান হৈছে ব্যৱহাৰিক আৰু প্ৰজ্ঞান হৈছে মূল্য নিৰূপণকাৰী। জ্ঞান হৈছে ভাৱমূলক, প্ৰজ্ঞান হৈছে কাৰ্য্যৰে দেখুৱাব পৰা অৰ্থাৎ কাৰ্য্যমূলক। বিজ্ঞানে জ্ঞানৰ কাৰণে চেষ্টা কৰে। আনহাতে দৰ্শনে প্ৰজ্ঞানৰ কাৰণে চেষ্টা কৰে। কিন্তু এনে ধৰণৰ যুক্তি বহুতো দাৰ্শনিকে গ্ৰহণ নকৰে। তেওঁলোকৰ কাৰণে জ্ঞানৰ প্ৰতি অনুৰাগ অতি পুৰণি, অস্পষ্ট আৰু বহল ধাৰণা। সেয়েহে ইয়াক দৰ্শনৰ সু-সংবদ্ধ ধাৰণা বুলি গ্ৰহণ কৰিব নোৱাৰি।

তাৰোপৰি দৰ্শনৰ কোনো স্থায়ী অৰ্থ নথকা বাবে আমি আন এক সমস্যাৰ সম্মুখীন হ'ব লগা হওঁ। সেইটো হৈছে 'দৰ্শন' শব্দটো যেনি-তেনি, য'তে-ত'তে কোনো আতি-গুৰি নোহোৱাকৈ কিছুমানে ব্যৱহাৰ কৰিছে। যিকোনো আৰু প্ৰত্যেক ধাৰণাৰ লগত দৰ্শন শব্দটো সাঙুৰি লোৱা হৈছে। আমি জানো যে দৰ্শন সকলোতে আছে যেনে— জীৱন দৰ্শন, বিজ্ঞান দৰ্শন, বুৰঞ্জীমূলক দৰ্শন, দৰ্শন ক'ত নাই। এইদৰে ব্যৱহৃত হ'লে দৰ্শন শব্দটোৱে কোনো এটা বিষয়ৰ প্ৰকৃতি, লক্ষ্য আৰু উদ্দেশ্যকে সাঙুৰি লয়। দৰ্শনত কিয় এটা বস্তু এনে নহয় বা কিয় হয় আদি যুক্তিৰদ্বাৰা দেখুওৱা হয়। উদাহৰণস্বৰূপে, আপুনি যে কৃষ্ণকান্ত সন্দিকৈ ৰাষ্ট্ৰীয় মুক্ত বিশ্ববিদ্যালয়ত অংশ গ্ৰহণ কৰিছে তাৰ দাৰ্শনিক ভাৱধাৰাটো হ'ল — আপুনি অধিক জ্ঞান অৰ্জন কৰিব বিচাৰিছে, ভাল নিয়োগ পাবলৈ বিচাৰিছে বা জীৱনত আত্মসন্তুষ্টি বিচাৰিছে আদি। এতিয়া যদিও এইটো বিবেচকৰ কাম, কিন্তু এইটোৱে দৰ্শন বিষয়ৰ মূল বিষয়বস্তুটো যিদৰে বিশ্ববিদ্যালয়বোৰত শিকোৱা হয়, সেইটো নুবুজায়।

দর্শন হ'ল এটা সামগ্রিক ধাৰণা য'ত বিভিন্ন কার্য্য (বিষয়) অন্তর্ভুক্ত হয়। উদাহৰণস্বৰূপে আপুনি ভালদৰে জানে যে বিজ্ঞান নির্দিষ্ট এটা বিষয় নহয়। বিজ্ঞানৰ ধাৰণাটোও এটা সামগ্রিক ধাৰণা য'ত বিভিন্ন বিষয় যেনে — পদার্থবিজ্ঞান, ৰসায়ন বিজ্ঞান, জীৱবিজ্ঞান, মনোবিজ্ঞান আদি অন্তর্ভুক্ত হয়। ঠিক তেনেদৰে দর্শনো এক সামগ্রিক ধাৰণা যাৰ অন্তর্গত বিভিন্ন বিষয় বা কার্য্য যেনে — জ্ঞানবিদ্যা, অধিবিদ্যা, মূল্যবিদ্যা, সৌন্দর্য্যবিদ্যা, ঈশ্বৰতত্ত্ব আদি আছে। (১.৬ শাখাত এই বিষয়বোৰ ব্যাখ্যা কৰা হ'ব)।

কিন্তু, দর্শনৰ কার্য্য বুলিলে আচলতে আমি কি বুজো? এজন মানুহে কোনো এটা ধাৰণা বা বিষয়ক দার্শনিক ৰূপ দিওঁতে কি কৰে? দর্শনৰ এই মূল প্রকৃতি সম্পর্কে বিভিন্ন দার্শনিকৰ মাজত মতভেদ পোৱা যায়। আমি আপোনালোকক প্রধান দার্শনিকৰ ধাৰণাৰ পৰা দার্শনিক কার্য্যাৱলী সম্পর্কে তলত এক বহল ব্যাখ্যা আগবঢ়ালো।

(১) দর্শন হৈছে অভিজ্ঞতাৰ এক প্রণালীবদ্ধ ব্যাখ্যা। (১.২ এই সংজ্ঞাটো মনত আছেনে?) মানুহৰ জীৱন হৈছে অভিজ্ঞতাৰে পৰিপূর্ণ এক ভাৱ, স্মৃতি, আশা আৰু আকাঙ্খাৰে আৱৰা। আচলতে আমাৰ যিবোৰ 'কাল্পনিক ধাৰণা' — এই ধাৰণাবোৰ আমাৰ অভিজ্ঞতাত পোৱা বস্তুত বাদে আন একো নহয়। অর্থাৎ কাল্পনিক ধাৰাৰ সৌধ গঢ়ি উঠে অভিজ্ঞতাৰ পৰা পোৱা ধাৰণাৰ পৰা। আপুনি 'অমৰণশীলতা'ৰ কথা কব পাৰে। ই মৰণশীলতাৰ বিপৰীত যিটো আমাৰ দৈনন্দিন অভিজ্ঞতা অর্থাৎ কোনো এজনৰ মৃত্যু দেখাৰ অভিজ্ঞতাৰপৰা গঢ় লৈ উঠে। ভগৱানৰ বিষয়ে যিটো ধাৰণা আমি কৰো, এই ধাৰণাও অভিজ্ঞতাৰপৰা অহা অর্থাৎ ক্ষমা, প্রার্থনা, শক্তি, বুদ্ধি আদিৰ যোগেদি। 'সোণৰ পাহাৰ'ৰ ধাৰণাটো আহে অভিজ্ঞতাত পোৱা সোণ আৰু পাহাৰক লগ-লগাই। অপেশ্বৰীৰ কথা ক'লে আমি সাধাৰণতে অভিজ্ঞতাত পোৱা সৌন্দর্য্য, ছোৱালী, ডেউকা লগতে যাদুকৰী শক্তিৰ কথা মনলৈ আহে। থিক তেনেদৰে 'বর্গৰবৃত্ত'ৰ ধাৰণাটো আমি অভিজ্ঞতাত পোৱা বর্গ (square) আৰু বৃত্তৰ (circle) সংমিশ্রণৰ ফলত হোৱা ধাৰণা বুলি কব পাৰো। 'বন্ধ্যা-নাৰীৰ পুত্র'-ৰ ধাৰণাটো আমি পাওঁ অভিজ্ঞতাত পোৱা বন্ধ্যা নাৰী আৰু পুত্রৰ পৰা। গতিকে, যদিহে অসম্ভৱ ধাৰণাবোৰেই অভিজ্ঞতাৰ পৰা আহৰণ কৰিব পাৰি তেন্তে অভিজ্ঞতাৰ পৰা অহা সকলো ধৰণৰ বাস্তৱ তথ্য ধৰি লোৱাত কোনো সমস্যাই নহ'ব।

এতিয়া, এনে কিছুমান অভিজ্ঞতা আছে, যিবোৰ অতিকৈ লাগতিয়াল আৰু ব্যৱহাৰিক, কিন্তু সিহঁতৰ প্রকৃত স্বৰূপ স্পষ্ট নহয়। উদাহৰণস্বৰূপে, আমি জ্ঞান, সত্য, সুন্দৰ, পৰমশ্রেয়, সুখ, পৱিত্রতা, উপযুক্ততা, কর্তব্য, স্বাধীনতা, পৰিৱর্তন, আইন, শাস্তি, পাপ-পূণ্য, দুখ-কষ্টৰ আদিৰ কথা কওঁ। এইবোৰ হৈছে সার্বজনীন অভিজ্ঞতা আৰু কোনোবাই এইবোৰৰ উৎপত্তি, প্রকৃতি, বর্দ্ধনশীলতা, মানুহৰ জীৱনত এইবোৰৰ প্রভাৱ আদিবোৰৰ ব্যাখ্যা দিব। এটা উদাহৰণ লোৱা যাওঁক। এটা ল'ৰা ৰাস্তাৰ দাঁতিত থিয় হৈ আছে। দেখা গ'ল যে এজন বুঢ়া মানুহ ৰাস্তাৰে আহি আছে আৰু ৰাস্তাতো পাৰ হ'বলৈ বিচাৰিছে। কিন্তু পৰা নাই। তেতিয়া ল'ৰাজন আহি বুঢ়ামানুহজনক হাতত ধৰি ৰাস্তা পাৰ কৰাই দিছে। আপুনি এই গোটেই ঘটনাটো চাই আছে। এতিয়া আপুনি নক'বনে — 'কিমান ভাল আৰু দয়ালু এই ল'ৰাজন'। যিকোনো মানুহে এই ঘটনাটো দেখিলে ঠিক আপুনি ভবাৰ দৰেই ভাবিব। তাৰ বিপৰীতে যদি ল'ৰাজনে বুঢ়া মানুহজনক ঠেলা মাৰি দিয়ে আৰু বুঢ়ামানুহজন ৰাস্তাতে বাগৰি পৰে, আপুনি নিশ্চয় ভাবিব— 'কি নিষ্ঠুৰ এই ল'ৰাজন'। এই ক্ষেত্রতো সকলোৱে এইদৰেই ভাবিব। কিন্তু কি ভাল? কি বেয়া — এই সমস্যাবোৰৰ গভীৰতমলৈ যাবলৈ কিমানজন মানুহৰ সময় আছে, সামর্থ্য আৰু আগ্রহ আছে। ঠিক সেইদৰে সত্য, সুন্দৰ, আনন্দ আদিৰো সার্বজনীন অভিজ্ঞতা আছে। এই অভিজ্ঞতাবোৰও ব্যাখ্যাৰ বাবে উপযুক্ত।

দৰ্শন হৈছে এনে বিভাগ যি কেৱল জনা-শুনা অভিজ্ঞতাই নহয়, সকলো ধৰণৰ অভিজ্ঞতাকে অৰ্থাৎ সংস্কাৰ, ধাৰণা, চলাচল, অৰ্থ আদিৰ প্ৰণালীৱদ্ধভাৱে অনুসন্ধান কৰে। ইয়াত দৰ্শন এক পুনৰীক্ষণ (speculative) মূলক শিক্ষা।

(২) ওপৰৰ আলোচনাৰপৰা আমি এনে এক অৱস্থাত উপনীত হৈছো য'ত নেকি ভাষিক স্পষ্টতা আৰু ধাৰণামূলক বিশ্লেষণ দৰ্শনৰ মূল বিষয় হিচাপে প্ৰতিপন্ন হৈছে। দৰ্শনক প্ৰায়ে ভাষাৰ বিশ্লেষণ বা ভাষাৰ সমালোচনা (a critique of language) বুলি গ্ৰহণ কৰা হৈছে (উইট্ গেনষ্টাইন)। ইয়াত দৰ্শন ভাষাক কেন্দ্ৰীভূত কৰি ধাৰণামূলক অধ্যয়ন অথবা বিশ্লেষণত সীমাৱদ্ধ হৈছে। গতিকে ইয়াত দৰ্শনক দ্বিতীয় স্তৰৰ অধ্যয়ন বা অনুসন্ধান (second order study) হিচাবে গণ্য কৰা হয়, কাৰণ পোনে পোনে ইয়াত আলোচনাৰ বিষয়বস্তুলৈ নগৈ বস্তুৰ ধাৰণাক সু-স্পষ্ট কৰাত মনোনিবেশ কৰা হয়। দৰ্শনৰ এই ধাৰণাত বিশ্লেষণক (analysis) মূল আহিলা হিচাপে ধৰা হয়। এই ধাৰণাবোৰ কেৱল বচন বা উক্তিৰ উপাদান হিচাবেহে প্ৰয়োজন, কাৰণ বচন বা উক্তি হয় এনে যিবোৰ সঁচা অথবা মিছা; যিটো আচলতে প্ৰকৃত পৃথিৱীখনৰ মাজতহে সম্ভৱ, ভাষিক বিশ্লেষণত পোৱা নাযায়। ভাষা হ'ল আচলতে এটা মাধ্যম যাৰদ্বাৰা বস্তু বিশেষক প্ৰকাশ কৰিব পাৰি। এইদৰে প্ৰমাণীকৰণ, স্পষ্টতা, যথাৰ্থতা, অৰ্থপূৰ্ণতা আদি দৰ্শনত মূল বিষয় হিচাপে প্ৰতিপন্ন হৈছে। 'বস্তু' (thing) নহয়, কিন্তু 'ভাষা' (language) দাৰ্শনিক অনুসন্ধানৰ প্ৰধান বিষয়বস্তু। গতিকে ইয়াত দৰ্শন হৈছে ভাষা সম্পৰ্কীয় বিশ্লেষণ (linguistic analysis)।

(৩) আকৌ আন কিছুমান দাৰ্শনিকে অভিজ্ঞতাৰ ভিতৰতে নিজকে সীমাৱদ্ধ কৰি ৰাখিছে — অভিজ্ঞতাৰ বাহিৰত একো নাই। তেওঁলোকে সেইখন জগতকে অৱজ্ঞা কৰিছে য'ৰপৰা অভিজ্ঞতা অৰ্জন হয়। অভিজ্ঞতাৰ বাহিৰত থকা আচল জগতখন সন্দেহাত্মক, কিন্তু মনে অভিজ্ঞতাৰদ্বাৰা সৃষ্টি কৰা জগতৰ জ্ঞানসমূহ সন্দেহ কৰিব নোৱাৰি। গতিকে এইবোৰ সতৰ্কতাৰে পঢ়ক আৰু বুজক। এই সকল দাৰ্শনিকে বস্তুৰ অস্তিত্বক অৱজ্ঞা কৰি বস্তুৰ মূলতত্ত্বৰ লগতহে নিজকে জড়িত কৰিছে। তেওঁলোকে দৰ্শনৰ এই মতবাদটোক এটা শুদ্ধ পদ্ধতি হিচাপে ব্যৱহাৰ কৰে। ইয়াত দৰ্শন প্ৰপঞ্চবাদ বা অৱভাসবাদ (Phenomenology) বুলি গণ্য কৰা হয়।

(৪) আনহাতে, আন কিছুমান দাৰ্শনিকে উল্লিখিত কৰা মতবাদৰ বিপক্ষে মত দিছে। তেওঁলোকৰ মতে, বিশেষকৈ মানুহৰ ক্ষেত্ৰত অস্তিত্ব মৌলিকত্বৰ পূৰ্ববৰ্তী (existence precedes essence). গতিকে মানুহৰ অস্তিত্বৰ অধ্যয়ন, ইয়াৰ সীমাবদ্ধতা আৰু বিশালতা, দুখ আৰু যাতনা, স্বাধীনতা আৰু দায়িত্ব, এই সকলোবোৰৰ অধ্যয়নেই দৰ্শনৰ প্ৰকৃতি। ইয়াত দৰ্শন অস্তিত্ববাদ (existentialism) বুলি পৰিগণিত হৈছে।

(৫) যিকোনো এটা মতৰ সাপেক্ষে দাৰ্শনিক ৰূপ দি আপুনি এটা সিদ্ধান্তত উপনীত হব পাৰে। দৰ্শন হ'ল আচলতে পদ্ধতি আৰু ফলাফল দুয়োটাই। কিয়নো আপুনি মানৱজাতিৰ হিতৰ কাৰণে জীৱনটো এৰি দিব পাৰে। আপুনি সততা, সাধুতা, গণতন্ত্ৰ আৰু এনে ধৰণৰ ব্যক্তিগত আৰু সামাজিক ৰীতি-নীতিৰ লগত জড়িত হব পাৰে। আপুনি বাস্তৱবাদী বা ভাৱবাদী আধ্যাত্মবাদী বা জড়বাদী বা সন্দেহবাদীও হব পাৰে। (এই শব্দবোৰৰ বাবে বিমোৰত নপৰিব, দৰ্শনৰ অবিৰত অধ্যয়নৰপৰা আপুনি এই শব্দবোৰৰ বিষয়ে জানিব পাৰিব)। আপুনি যিমান দূৰ সম্ভৱ নীতিমূলক বিধানৰ অনুমতি দিব বা আপুনি সম্পূৰ্ণৰূপে এই উদ্বেগপূৰ্ণ উক্তিবোৰক দোষাৰোপো কৰিব পাৰে। কিন্তু ইয়াৰ মানে এইটো নুবুজায় যে আপুনি এজন স্বাৰ্থপৰ আৰু বেয়া মানুহ। ইয়াৰ মানে এইটোৱে যে আপুনি এজন যুক্তিবাদী দাৰ্শনিক হব নোৱাৰে। কিন্তু কিছুমানৰ মতে, সুন্দৰ জীৱন অতিবাহিত কৰাৰ কাৰণে দৰ্শনে উপযুক্ত পথৰ সন্ধান দিব পাৰে।

দর্শন হৈছে কার্য্যৰ এক বহল ব্যাখ্যা, য'ত বিভিন্ন ধৰণৰ প্ৰশ্ন উত্থাপিত হয় আৰু লগতে সেই প্ৰশ্নবোৰৰ সু-সংহত আৰু যুক্তিপূৰ্ণ উত্তৰো বিচৰা হয়। দর্শন হৈছে মানুহৰ মনৰ গভীৰ অনুসন্ধানৰ এক প্ৰকাশিত ৰূপ, যেতিয়ালৈকে সন্তোষজনক উত্তৰ এটা নাপায় মানুহৰ মন অস্থিৰ আৰু কৌতুহলেৰে পৰিপূৰ্ণ। এই অনুসন্ধিৎসু মনত সন্তুষ্টি দিয়াৰ বাবে বিভিন্ন ধৰণৰ পদ্ধতি পোৱা যায়, উদাহৰণস্বৰূপে, বিজ্ঞানৰ কথা কব পাৰি। কিন্তু দর্শন সকলোতকৈ পুৰণি পদ্ধতি বুলি বিবেচনা কৰা হয়। ই সভ্যতাকৃষ্টি আদিৰ সৈতে একেলগে সহাৱস্থান কৰিছে। যেতিয়াই মানুহৰ মনত গভীৰ প্ৰশ্নৰ উদয় হৈছিল, তেতিয়াই দর্শনৰ আৰম্ভণি হৈছিল। সেয়েহে কব পাৰি যে, যেতিয়ালৈকে মানুহৰ মনত প্ৰশ্ন উদয় হৈ থাকিব,তেতিয়ালৈকে দর্শনো থাকিব।

অনুশীলনী ঃ

* দর্শন কি ? সংজ্ঞা আগবঢ়াওক।
* তিনিজন ভাৰতীয় দার্শনিকৰ নাম লিখক আৰু তেওঁলোকে লিখা তিনিখন কিতাপৰ নাম দিয়ক।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ঃ 'Philosophy' শব্দটো কি কি গ্ৰীক শব্দৰ পৰা আহিছে?

প্ৰশ্ন ২ঃ খালী ঠাই পূৰণ কৰক ঃ

a) মানুহ হৈছে ..... জীৱ।

b) দর্শন ..... অধ্যয়ন।

প্ৰশ্ন ৩ঃ পাৰ্থক্য নিৰ্ণয় কৰক ঃ

a) জ্ঞান আৰু প্ৰজ্ঞান বা অভিজ্ঞতামূলক জ্ঞান।

b) দার্শনিক আৰু সাধু বা সন্ন্যাসী।

১.৫ দর্শন আৰু বিজ্ঞান

দর্শন আৰু বিজ্ঞান দুয়োটাই জ্ঞানসম্পৰ্কীয় বিজ্ঞান, তথাপিও দুয়োৰো মাজত পদ্ধতিগত দিশৰ পৰা কিছুমান পাৰ্থক্য নোহোৱা নহয়।

১. বিজ্ঞানে মনৰ পৰা স্বতন্ত্ৰ এক বস্তু-জগতক বিশ্বাস কৰে। সেয়েহে প্ৰকৃতিগত দিশৰ পৰা বিজ্ঞান বস্তুবাদী (realistic)। কিন্তু দর্শনৰ বাবে বস্তুবাদী হোৱাতো বাধ্যতামূলক নহয়, যদিও দার্শনিক সকলৰ মাজত বস্তুবাদী দার্শনিকো আছে। দর্শনত ভাৱবাদী দার্শনিকো আছে। যিসকলৰ মতে জগতখনৰ মূল বস্তু হ'ল মন বা আত্মা। তেওঁলোকৰ মতে বাহ্য জগতৰ অস্তিত্ব মানুহৰ মনৰ ওপৰত নির্ভৰশীল।

২. যিসকলে দৰ্শনক দ্বিতীয় স্তৰৰ ভাগ বা অনুসন্ধান (second order discipline) হিচাপে ভাবে তেওঁলোকৰ মতে বিজ্ঞান হ'ল প্ৰথম স্তৰৰ বিভাগ (First order discipline) বিজ্ঞান বাস্তৱ, প্ৰাকৃতিক, জগতৰ বস্তু সমূহৰ আৰু ঘটনাৰ লগত জড়িত। যিসকলে দৰ্শন আৰু বিজ্ঞানৰ মাজত এনেধৰণৰ পাৰ্থক্য বিশ্বাস কৰে তেওঁলোকৰ মতে দৰ্শন বাস্তৱ তথ্য (Fact) ৰ লগত জড়িত আনহাতে বিজ্ঞান বস্তু জগতৰ (things proper) লগত জড়িত।

৩. বিজ্ঞানৰ পদ্ধতি নিৰীক্ষণ, পৰীক্ষণ, প্ৰমাণীকৰণ, পূৰ্বানুমান আদি। কেৱল দৰ্শনৰ পদ্ধতি হ'ল যুক্তি সম্পৰ্কীয় আৰু প্ৰণালীবদ্ধ বিশ্লেষণ আৰু লগতে বিবাদী। ই এক আলোচনা যি যুক্তিৰ ব্যাখ্যা আৰু বাস্তৱ তথ্য আৰু ঘটনাৰ অধ্যয়নৰ ওপৰত ভিত্তি কৰি থাকে। তৰ্কশাস্ত্ৰ সন্মত সংগতি (Logical consistency) হৈছে দৰ্শনৰ মূল বিষয়। বিজ্ঞানটো যুক্তিৰ ভূমিকা নোহোৱা নহয়, কিন্তু বিজ্ঞানত কোনো এটা বিষয় সত্য বা অসত্য বুলি বিবেচনা কৰাৰ আগতে পৰীক্ষা কৰিহে সিদ্ধান্ত নিৰ্ণয় কৰা হয়। কিন্তু দৰ্শনৰ বিষয়বস্তু প্ৰায়ে এনেদৰে প্ৰমাণীকৰণ কৰাটো অসম্ভৱ। কিয়নো দৰ্শনৰ পৰিসৰ বিজ্ঞানতকৈ বহল। দৰ্শন সম্ভৱনামূলক জগতৰ লগতো জড়িত। বিজ্ঞান মূৰ্ত্ত বস্তুৰ লগত জড়িত।

৪. দৰ্শন বিষয়বস্তুৰ প্ৰমূল্যৰ লগত জড়িত। ই আমাক ভাল বেয়াৰ ক্ষেত্ৰত বাট দেখুৱায়। অৰ্থাৎ দৰ্শন জীৱনৰ প্ৰমূল্যৰ লগতো জড়িত। কিন্তু বৈজ্ঞানিক বিষয়বোৰ প্ৰমূল্যৰ লগত জড়িত নহয়। সেয়েহে আজিকালি কিছুমান বৈজ্ঞানিক গৱেষণাকাৰীৰ বিৰুদ্ধে নীতিমূলক অভিযোগ উত্থাপিত হয়। আচলতে ই হৈছে সমাজত থকা দাৰ্শনিক মনোভাৱৰ এক প্ৰতিফলিত ৰূপ।

৫. বিজ্ঞানে কোনো বস্তু খণ্ড খণ্ডকৈ অধ্যয়ন কৰে আৰু তাৰ সাৰাংশ দিয়ে। এই ক্ষেত্ৰত বিজ্ঞানৰ দৃষ্টিভংগী বিশ্লেষণাত্মক (analytical)। কিন্তু দৰ্শনে কোনো বস্তু খণ্ড খণ্ড নকৰে, তাৰোপৰি বিষয়বস্তুৰ মূল্যও খণ্ড খণ্ডকৈ নিৰ্ধাৰণ কৰিবলৈ উপদেশো নিদিয়ে। গতিকে দৰ্শনৰ দৃষ্টিভংগী সংশ্লেষণাত্মক বা সমন্বয়ী (synthetic).

৬. বিজ্ঞান কোনো ঘটনাৰ নৈতিক ব্যাখ্যা বা সৌন্দৰ্য্য বিদ্যাৰ লগতে সৌন্দৰ্য্যৰ লগতো জড়িত নহয়। কিন্তু দৰ্শন সদায় ঘটনাৰ নৈতিক ব্যাখ্যাৰ লগতে সৌন্দৰ্য্য বিদ্যাৰ লগতো জড়িত। সেয়েহে দৰ্শন নৈতিকতা আৰু সৌন্দৰ্য্য বিদ্যাৰ সৈতে জড়িত প্ৰশ্নৰ অৱতাৰণা কৰে।

ওপৰৰ আলোচনাৰ পৰা আপুনি নাভাবিব যে দৰ্শন আৰু বিজ্ঞান সম্পূৰ্ণ বেলেগ বেলেগ আৰু এটা আনটোৰ বিপৰীত। আচলতে সেইটো নহয়। আৰম্ভণিতে, সকলোধৰণৰ গহীন চিন্তা-চৰ্চাই আছিল দৰ্শন। বিজ্ঞান আছিল 'প্ৰাকৃতিক দৰ্শন'। লাহে লাহে বহুৰ বাগৰাৰ পিছত বিজ্ঞান দৰ্শনৰপৰা পৃথক হৈ আহি বেলেগ এটা বিভাগত পৰিণত হ'ল।

দৰ্শন আৰু বিজ্ঞানৰ পাৰ্থক্য বুজিবলৈ হ'লে 'প্ৰাকৃতিগত' (Natural) এই শব্দটো ব্যৱহাৰোপযোগী। বিজ্ঞানে বস্তু এটা যিদৰে থাকে ঠিক তেনেদৰেই অনুসন্ধান কৰে। আমি আপোনালোকক আগতেই কৈছো যে বিজ্ঞান ধাৰণাৰ লগত জড়িত হোৱাবাবে আজিকালি বিজ্ঞানক প্ৰথম স্তৰৰ অধ্যয়নৰ ক্ষেত্ৰ (First order discipline) হিচাবে লোৱা হৈছে। তথাপি দৰ্শন আৰু বিজ্ঞানৰ মাজৰ পাৰ্থক্যটো আপোনালোকে বুজিবলৈ আগবাঢ়িলে সহজভাৱে নলৈ পৰিস্থিতি অধ্যয়ন কৰি কৰাটোহে যুগুত হ'ব। তেতিয়াহে চাগে বিজ্ঞান আৰু দৰ্শনৰ প্ৰকৃত পাৰ্থক্য পোহৰলৈ আহিব।

যদি দর্শন আৰু বিজ্ঞানক আমি দুখন জগতৰ লগত অন্তর্ভুক্ত কৰো তেনেহলে দুয়োটাৰ পৰা নিঃসৃত হোৱা তথ্যসমূহ আমোদজনক হব। বিজ্ঞানক প্ৰথম স্তৰৰ অনুসন্ধানৰ ক্ষেত্ৰ বুলি গণ্য কৰি আৰু ই জগতৰ বস্তুসমূহৰ লগত পোনপটীয়াভাৱে জড়িত বুলি ভাবিলে দর্শন হৈ পৰিব দ্বিতীয় স্তৰৰ অনুসন্ধানৰ ক্ষেত্ৰ আৰু জগতৰ বস্তুৰ লগত ইয়াৰ সম্পর্ক হব পৰোক্ষ। কিন্তু এনে ধৰণৰ ধাৰণা বিসঙ্গতিপূর্ণ হব। কাৰণ আমি যদি ওলোটাকৈ ভাৱো বিজ্ঞানে জগতৰ বস্তু সমূহ আমি যেনেদৰে দেখা পাওঁ তাৰ ওপৰতহে গুৰুত্ব দিয়ে, আচলতে বস্তুৰ ওপৰত নহয়, এই ক্ষেত্ৰত নিশ্চয় বিজ্ঞানীসকলৰ আপত্তি ৰৈ যাব। এটা কথা সত্য যে জগতৰ অৱভাস (appearence) আৰু প্ৰকৃত বস্তুৰ মাজত এটা পার্থক্য থাকে। যদি বিজ্ঞানক জগতৰ প্ৰকৃত বস্তুৰ অধ্যয়নৰ ক্ষেত্ৰ বুলি ভবা হয় তেনেহলে দর্শনকো ক্ষেত্ৰ খনৰ পৰা বাহিৰ কৰি দিব নোৱাৰি। সেয়েহে দর্শন আৰু বিজ্ঞানৰ মাজত প্ৰকৃতার্থত পার্থক্য একো নাই। গতিকে বিজ্ঞানক প্ৰথম স্তৰৰ ক্ষেত্ৰ বুলি চিহ্নিত কৰাটো এটা ভুল পদক্ষেপ হব।

তথাপিও দর্শন আৰু বিজ্ঞানৰ মাজত পার্থক্য আছে। এই পার্থক্য বিষয়বস্তুৰ ক্ষেত্ৰত নহয়, দুয়োৰে মাজত পার্থক্য 'অধ্যয়ন পদ্ধতিৰ'হে (method of study)। দুয়োৰে বিষয়বস্তু একেটাই 'জগত'। বিজ্ঞানে জগতক এক ধৰণে অধ্যয়ন কৰে, আনহাতে দর্শনে জগতক আন এক ধৰণে অধ্যয়ন কৰে।

১.৬ দর্শন আৰু সাধাৰণ জ্ঞান

দর্শন আৰু বিজ্ঞানৰ উপৰোক্ত তুলনামূলক আলোচনাৰপৰা আপোনালোকে নিশ্চয় দর্শন কি বুজিবলৈ আৰম্ভ কৰিছে। এতিয়া আহক দর্শনক সাধাৰণ জ্ঞানৰ লগত তুলনা কৰো। যিদৰে দর্শন বিজ্ঞানৰপৰা পৃথক, ঠিক সেইদৰে সাধাৰণ জ্ঞানৰ পৰাও পৃথক। এটা উদাহৰণ লোৱা যাওঁক। - সূর্য্য পূবফালে উদয় হয় আৰু পশ্চিমফালে অস্ত যায়। এইটো এটা সাধাৰণ অভিজ্ঞতা আৰু বিশ্বাস। সূর্য্য পশ্চিমফালে অস্ত গলে সাধাৰণ জ্ঞানৰ ফালৰপৰা নিশ্চিত যে অহাকালি পুনৰ সূর্য্য পূবফালেই উদয় হব। কিন্তু দর্শনে এই কথা গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিব। কিয়নো দর্শনৰ বাবে এইটো এটা যুক্তিৰ সিদ্ধান্ত হ'ব। যুক্তিটো এনেধৰণৰ হব—

সকলো সূর্য্য যি পশ্চিমফালে মাৰ যায় হয় এনে যি পূবফালে উদয় হব।

এইটো এটা সূর্য্য হয় এনে যি পশ্চিমফালে অস্ত যায়।

এইটো এটা সূর্য্য হয় এনে যি পুবফালে উদয় হব।

উক্ত যুক্তিটো তর্কীয়ভাৱে অবৈধ। কাৰণ ইয়াত প্ৰথম বচনটো যাক সাধ্য আশ্ৰয়বাক্য বুলি কও সি অবৈধ। সূর্য্য পূবফালে উদয় হব- সম্ভৱনামূলকহে, নিশ্চিত নহয়। অর্থাৎ সূর্য্য পূব ফালে উদয় হোৱা কথাটোৰ কোনো ভৰসা নাই। এই বাক্য শাৰীৰ কোনো যুক্তি নাই। গতিকে এই বাক্যশাৰীৰ তর্কীয় ভাৱে অবৈধ। এইদৰে নিশ্চিতভাৱে যুক্তি সহকাৰে সূর্য্য পূবফালে উদয় হোৱা কথাটো অস্বীকাৰ কৰাটো হৈছে শুভ দর্শন (Good Philosophy) কিন্তু সাধাৰণ জ্ঞানৰ বাবে বেয়া দিশ। সাধাৰণ জ্ঞানৰ দিশৰ পৰা অভিজ্ঞতাত যি পোৱা যায় সেয়ে সত্য। ই অভিজ্ঞতাত পোৱা সকলো বস্তু দকৈ আৰু গভীৰভাৱে চিন্তা নকৰে। দর্শন হৈছে এক গভীৰ অনুসন্ধান। সেয়েহে যিকোনো ঘটনাৰ উক্তি দিওঁতে দর্শনে যুক্তি বিচাৰে।

১.৭ দৰ্শনৰ পৰিসৰ

কোনো এটা বিষয়ৰ পৰিসৰ বুলি কলে সেই বিষয়ৰ আলোচ্য বিষয়বস্তুৰ ক্ষেত্ৰখনক বুজায়। যেতিয়া আপুনি প্ৰশ্ন কৰে কলাৰ পৰিসৰ কি? তাৰ মানে আপুনি জানিব বিচাৰে কলাৰ সৈতে জড়িত বিষয়বোৰ কি? কলাৰ বিভিন্ন কাৰ্য্যবোৰ কি কি? ইয়াৰ কাৰণসমূহ কি? ইয়াৰ ব্যৱহাৰ আৰু দোষসমূহ কি? ইত্যাদি। ঠিক সেইদৰে আপুনি যদি প্ৰশ্ন কৰে দৰ্শনৰ পৰিসৰ কি তেতিয়া ইয়াকে বুজাব যে দৰ্শনে কি কি কাৰ্য্য কৰে? দৰ্শনৰ কিছুমান এনেকুৱা ক্ষেত্ৰ আছে য'ত অনুসন্ধান অহৰহ চলি থাকে। যদি আমি এই ক্ষেত্ৰবোৰ নিৰ্দ্ধাৰণ কৰো তেতিয়া দৰ্শনৰ পৰিসৰ উলিয়াবলৈ সহজ হব। কিন্তু এটা কথা সত্য যে দৰ্শনৰ পৰিসৰৰ আচল মাপ পোৱাটো সহজ নহয় কিয়নো ইয়াৰ পৰিসৰ কমি অহা নাই বৰঞ্চ দিনক দিনে বাঢ়িহে গৈ আছে। যিদৰে আপুনি বিজ্ঞানৰ পৰিসৰ নিৰ্দিষ্টকৈ দেখুৱাব নোৱাৰে যে ই পদাৰ্থ বিজ্ঞান, নে ৰসায়ন বিজ্ঞান, নে জীৱ বিজ্ঞান, নে উদ্ভিদ বিজ্ঞান, নৃতত্ত্ব বিজ্ঞান, নে মনোবিজ্ঞান, নে সমাজ বিজ্ঞান ঠিক সেইদৰে দৰ্শনৰ পৰিসৰৰ বিষয়ে বিতংকৈ আপুনি কব নোৱাৰে। তথাপিও কিছুমান নিৰ্দ্দিষ্ট বিষয় দৰ্শনৰ অন্তৰ্ভূক্ত। সেইবোৰ হ'ল—

(ক) জ্ঞানবিদ্যা (Epistemology)
(খ) অধিবিদ্যা (Metaphysics)
(গ) নীতিশাস্ত্ৰ (Ethics)
(ঘ) সৌন্দৰ্য্যবিদ্যা (Aesthetics)
(ঙ) ঈশ্বৰতত্ত্ব (Theology)

তলত প্ৰত্যেকটো বিভাগৰ ওপৰত চমুকৈ বৰ্ণনা কৰা হ'ল—

(ক) জ্ঞানবিদ্যা হৈছে জ্ঞান সম্পৰ্কীয় দৰ্শন। ইয়াক প্ৰায়ে 'জ্ঞান-তত্ত্ব' (theory of knowledge) বুলিও কোৱা হয়। আমাৰ জ্ঞান সম্পৰ্কে ধাৰণা বা অভিজ্ঞতা আছে। দৰ্শনে সেই ধাৰণাকে ব্যাখ্যা কৰে, আৰু তাকেই জ্ঞানবিদ্যা বুলি কোৱা হয়। জ্ঞান বুলিলে কোনো বস্তুৰ বিষয়ে জ্ঞান লাভ কৰা নুবুজায়, 'জ্ঞান'ৰ বিষয়কে কৰা আলোচনা বুজায়। যদি আপুনি পদাৰ্থবিজ্ঞানৰ 'অণু'ৰ বিষয়ে লাভ কৰা জ্ঞানৰ কথাকে বুজাব, জ্ঞানবিদ্যাত কোনো বস্তুৰ বিষয়ে জ্ঞান পোৱা নাযায় — অণু, পৰমাণু বা যিকোনো, বৰং স্বয়ং 'জ্ঞান'ৰ (knowledge itself) বিষয়ে পাব। অৰ্থাৎ ইয়াত আপুনি জ্ঞান কি, জ্ঞান কিদৰে উৎপত্তি হয়, ইয়াৰ সীমা ক'ত আদিৰ বিষয়ে আভাস পাব।

(খ) অধিবিদ্যা হৈছে সত্ত্বাৰ দৰ্শন বা সত্ত্বাৰ তত্ত্ব। জ্ঞানবিদ্যাত, জ্ঞানৰ বিষয়ে যি অধ্যয়ন কৰা হ'ল, তাৰপৰা নিজে নিজে 'জ্ঞেয়'ৰ (known) বিষয়ে আমাৰ প্ৰশ্ন উত্থাপিত হয়। আপুনি জানে, কিন্তু কি জানে? জ্ঞান ভাৱ বা প্ৰতিমূৰ্ত্তিৰ পৰা বেলেগ। সেয়েহে যিদৰে ভাৱ বা চিন্তা সম্পূৰ্ণ হ'বলৈ ই কোনো বস্তুৰ লগত জড়িত, ঠিক সেইদৰে জ্ঞান অৰ্থপূৰ্ণ হবলৈ 'জ্ঞেয়'ৰ লগত জড়িত। সেয়েহে দৰ্শনত আন এটা বিভাগ আছে য'ত আমি জানিব পাৰো 'জ্ঞেয় কি' (what is known)। ই সত্তাৰ প্ৰকৃতিৰ লগত জড়িত। জ্ঞানৰ প্ৰক্ৰিয়াত সত্তা বা বাস্তৱ (Real) সম্পূৰ্ণৰূপে প্ৰকাশিত হয় নে ইয়াৰ এটা অংশ জ্ঞানৰ বাহিৰত। গতিকে এই কথা ধৰি লোৱাৰ সুৰুঙা আছে নে যে জ্ঞেয় জগত (known world) আৰু সত্তা বা বাস্তৱ জগত (Real world) মূলত ঃ বেলেগ বেলেগ? এইটোৱে হৈছে অধিবিদ্যাৰ এক প্ৰধান সমস্যা যিটো জনা যায় 'অৱভাস আৰু সত্তা' (appearence and reality) বুলি। ই হৈছে সকলো তাত্বিক অনুসন্ধানৰেই মূল বিষয়। এইটো আৱশ্যকীয় নহয় যে আপুনি যিকোনো ধাৰণা স্বীকাৰ কৰিব।

আপুনি যুক্তি দিব লাগিব, যেতিয়া আপুনি বিশ্বাস কৰিব যে সত্তা জ্ঞানৰ প্ৰক্ৰিয়াত সম্পূৰ্ণৰূপে বিৰাজমান। তেতিয়া আপুনি এজন বাস্তৱবাদী হব। আপুনি এই সিদ্ধান্তও ল'ব পাৰে যে সত্তা অৱভাসতকৈ সম্পূৰ্ণভাৱে বেলেগ, কিন্তু এইটো জনা যাব অন্তৰ দৃষ্টিৰ যোগেদি। তেতিয়া আপুনি হব এজন ভাৱবাদী। আপুনি এনে এটা অৱস্থাতো উপনীত হব পাৰে যে, সত্তা আছে আৰু ই অবভাসক দাঙি ধৰিছে, কিন্তু ইয়াক জনা নাযায়। তেতিয়া আপুনি হ'ব এজন অজ্ঞেয়বাদী। আপুনি আৰু বহুতো দার্শনিক স্তৱত উপনীত হব পাৰে। আপুনি অধিবিদ্যাৰ দৰে বিষয় এটাৰ ব্যৱহাৰৰ ওপৰত বা সম্ভাব্যতাৰ বিৰুদ্ধেও যুক্তি আগবঢ়াব পাৰে। জ্ঞানবিদ্যাৰ সৈতে অধিবিদ্যাক দার্শনিক অনুসন্ধানৰ মূল ভেটি হিচাবে ধৰা হয় আৰু ই যিকোনো দার্শনিক অনুসন্ধানতে বৰ্ত্তি হব পাৰে।

(গ) জ্ঞান কি জনাৰ পিছত আৰু জ্ঞেয় বিষয়টোৰ অনুসন্ধানৰ পিছত আপুনি নিশ্চয় জগত আৰু জীৱনৰ বিষয়ে কিছু পৰিমাণে শিকিছে। সাধাৰণতে এটা প্ৰশ্ন আপোনাৰ মনত নিশ্চয় উদয় হব - যদি জগতখন আমি যিদৰে দেখিছো ঠিক তেনেকুৱাই হয়, তেন্তে আমি এইখন জগতত কিদৰে থাকিম? আমি আচৰণ কেনে কৰিম? আপুনি চাগে প্ৰায়ে এটাতকৈ বেছি, বিকল্প কার্য্যপ্ৰণালীৰ মুখামুখি হয় আৰু তাৰ ভিতৰত কোনোবা এটা বাছনি কৰি লবলৈ বাধ্য হয়। আৰু আপুনি যেতিয়া বাছনি কৰে আপুনি নিশ্চয় সতর্কতা অৱলম্বন কৰে। এইদৰে বাছনি কৰোতে যিটোৱেই আপুনি বিবেচনা কৰে, সেইটোকে সাধাৰণতে 'নৈতিক কার্য্য' বোলা হয়। ধৰি লওঁক আপুনি খোজকাঢ়ি গৈ আছে আৰু দেখিলে যে এজন বুঢ়া মানুহ পৰি গৈছে। এতিয়া আপোনাৰ সন্মুখত দুই ধৰণৰ নির্বাচন আছে— (১) এই মানুজনক মই ধৰি উঠাই দিও (২) কিয় মই সময় নষ্ট কৰিম? মই মোৰ কামত যাব লাগে। কিন্তু আপুনি দেখিব যে সেই সময়ত আপোনাৰ অন্তৰাত্মাই বিচাৰিব মানুহজনক সহায় কৰাটো। এইটোৱে হৈছে আপোনাৰ নীতিজ্ঞান বা প্ৰজ্ঞান বা যিবুলিয়েই কওঁক। আপুনি অনুভৱ কৰিব যে আপুনি ভাল কাম কৰিছে। এই যিটো পৰমশ্ৰেয়ৰ অনুভৱ বা কর্তব্য ই হৈছে সকলো মানবীয় চিন্তাধাৰা আৰু আচৰণৰ মূল। নীতিশাস্ত্ৰ হৈছে মানুহৰ আচৰণৰ অধ্যয়ন যি নৈতিকতা আৰু প্ৰজ্ঞানৰ ওপৰত ভিত্তি কৰি থাকে।

(ঘ) সৌন্দর্য্যবিদ্যা আৰু (ঙ) ইশ্বৰতত্ত্বও দর্শনৰ লাগতীয়াল বিভাগ। প্ৰথমটো সৌন্দর্য্যৰ প্ৰকৃতিৰ বা স্বৰূপৰ লগত আৰু দ্বিতায়টো ধার্মিক অভিজ্ঞতাৰ লগত জড়িত। সৌন্দর্য্য বিদ্যা সকলো কলাৰ সৃষ্টি আৰু গুণৰ লগত জড়িত। ইশ্বৰতত্ত্বই ধার্মিক বিষয়বোৰ গভীৰভাৱে অনুসন্ধান কৰে যিটো সাধাৰণতে ধর্ম দর্শন বুলিও কব পাৰি।

জ্ঞানবিদ্যাৰপৰা ঈশ্বৰতত্ত্বলৈ দর্শনৰ পৰিসৰ অধ্যয়ন কৰি আপুনি নিশ্চয় দর্শনৰ অনুসন্ধানৰ বিষয়ে ধৰিব পাৰিছে। ইয়াৰ উপৰিও দার্শনিক অনুসন্ধানৰ ক্ষেত্ৰ বহুত আছে যেনে সমাজ, ৰাজনীতি, মানুহৰ অধিকাৰ, পৰিৱেশ আদি। এইবোৰো দার্শনিক অধ্যয়নৰ লাগতিয়াল বিষয়বস্তু।

১.৮ দার্শনিক অধ্যয়নৰ উপযোগীতা

আপুনি চাগে আচৰিত হৈছে কিয় মানুহে জ্ঞান, সত্ত্বা, কর্তব্য আদিৰ অনুসন্ধান কৰিব লাগে। এই অমূর্ত্ত চিন্তাবোৰৰ ব্যৱহাৰেই বা কি? হয়তো সম্ভৱত: আপুনি শুদ্ধ। কিন্তু 'সম্ভৱতঃ- আপুনি নিজেও নাজানে যে আপুনি সচাকৈয়ে শুদ্ধনে? এইটোৱে হৈছে দার্শনিক মনোভাৱ বা অৱস্থা, কৌতুহলী মনোভাৱ, সন্দেহৰ মনোভাৱ আৰু সন্দেহৰ বাহিৰত উপনীত হবলৈ ই আমাক উত্তেজিত কৰি তোলে। আপুনি চাওঁক জ্ঞান হৈছে এক শক্তি। যদি

আপুনি জানে তেন্তে আপোনাৰ নিজৰ ওপৰত দৃঢ় বিশ্বাস আছে আৰু যদি আপুনি নাজানে বা আপোনাৰ জ্ঞান নাই তেন্তে সু-স্বাস্থ্যৰ অধিকাৰী হ'লেও আপুনি দৃঢ় বিশ্বাসী নহয়। দৰ্শনে আপোনাক ক্ষমতা প্ৰদান কৰে। ই আপোনাক চিন্তা কৰিবলৈ শক্তি দিয়ে। যেতিয়া আপুনি কোনো ঘটনাৰ তৰ্কীয় যুক্তি দৰ্শাব পাৰে, তেতিয়া আপুনি সেই ঘটনাটো ন্যায়সংগতভাৱে পৰিচালিত কৰিব পাৰিব। সেয়েহে যদিও দেখাত দৰ্শনে আপোনাৰ জীৱনত একো সহযোগ নকৰে যেন লাগে, আচলতে ই সীমাহীনভাৱে সহযোগ কৰে। দৰ্শনে আপোনাৰ বোধশক্তি বহলীকৰণ কৰে।

দৰ্শন হৈছে এক মুক্ত অনুসন্ধান আৰু সেয়েহে এজন অনুসন্ধানকাৰী যে সম্পূৰ্ণৰূপে ফলাফল পাব তাৰ নিশ্চয়তা দিব নোৱাৰি। অৰ্থাৎ উপযোগীতা দৰ্শনৰ এটা অংশ নহয়। ইয়াত দৰ্শন বিজ্ঞানৰ সৈতে একে। বিজ্ঞান তেতিয়াই উপযোগীতামূলক হয়, যেতিয়া ই শিল্পবিজ্ঞান লৈ পৰিৱৰ্তিত হয়। ঠিক সেইদৰে দৰ্শন তেতিয়াহে উপযোগীমূলক হয়, যেতিয়া ই অৰ্থপুৰ্ণ হয় আৰু জীৱনলৈ সন্তুষ্টি প্ৰদান কৰে। যদি আপুনি কয় দৰ্শন হৈছে তত্ত্বমূলক বা ভাৱমূলক, তেতিয়া আপুনি ক'ব লাগিব যে সকলো মহৎ অনুসন্ধানেই ভাৱমূলক বা তত্ত্বমূলক। এনেধৰণৰ তত্ত্বত প্ৰমাণীকৰণ বা কাৰ্য পিছতহে আহে। অৰ্থপূৰ্ণভাৱে কাৰ্য্যত লগাবলৈ হ'লে আপোনাক অৰ্থমূলক তত্ত্বৰো প্ৰয়োজন হব। এই যুক্তিও এক দাৰ্শনিক ভাৱধাৰাই।

গতিকে আপুনি দেখিলেনে যে দৰ্শনে আমাৰ জীৱনত কেনেকৈ প্ৰভাৱ পেলায়। যদি আমি আমাৰ জগত আৰু জীৱন সম্পৰ্কে কোনো প্ৰশ্নই উত্থাপিত নকৰো, তেনেহলে আমি শূণ্যত ভাহি থকাৰ নিচিনা হব। এয়াই দৰ্শন য'ত এনেধৰণৰ প্ৰশ্ন আৰু উত্তৰ পোৱা যায়। গতিকে দৰ্শনৰ উপযোগীতা সম্পৰ্কে কোনো সন্দেহৰ অৱকাশ থাকিব নালাগে। তাৰোপৰি, দৰ্শনেই যে উপযোগীতামূলক বিভাগ এনে নহয়, আৰু বহুতো বেলেগ বেলেগ বিভাগ আছে। যদি আপোনাৰ দৰ্শনৰ বাবে সময় নাই, তেন্তে আপুনি বেলেগ কাম কৰক, যিটো আপোনাৰ বাবে উপযোগী। কিন্তু আপুনি চিন্তা নকৰিব কাৰণ বহুতো দাৰ্শনিক আছে, যিয়ে জীৱনৰ গুৰুত্বপূৰ্ণ সমস্যাবোৰৰ কথা চিন্তা কৰিব আৰু আপুনি তেওঁলোকৰ চিন্তাধাৰাৰ পৰাও উপকৃত হব পাৰিব।

অনুশীলনী ঃ

* দৰ্শন আবিহনে আমি বিজ্ঞানৰ চিন্তা কৰিব পাৰোনে? আলোচনা কৰক।
* "আজিকালি দাৰ্শনিক অধ্যয়নক গুৰুত্ব দিয়া হৈছে"— আপুনি কি ভাবে?

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৪ঃ বিজ্ঞানৰ পদ্ধতিবোৰ কি কি?

প্ৰশ্ন ৫ঃ দৰ্শনৰ পদ্ধতি কি উল্লেখ কৰক।

প্ৰশ্ন ৬ঃ দৰ্শনৰ বিভাগবোৰ উল্লেখ কৰক।

প্ৰশ্ন ৭ঃ সংজ্ঞা দিয়ক (ক) সৌন্দৰ্য্য বিদ্যা।
(খ) ঈশ্বৰ তত্ত্ব।

প্ৰশ্ন ৮ঃ খালী ঠাই পূৰণ কৰক ঃ

(ক) দর্শনৰ পৰিসৰ বিজ্ঞানৰ পৰিসৰতকৈ .....।

(খ) ..... জ্ঞান সম্পৰ্কীয় দর্শন।

(গ) ..... তত্ত্ব সম্পৰ্কীয় দর্শন।

১.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলো

- দর্শন শব্দটিৰ ইংৰাজী প্ৰতিশব্দ হৈছে 'Philosophy' এই Philosophy শব্দটো 'Philos' আৰু 'Sophia' এই দুটা গ্ৰীক শব্দৰপৰা আহিছে। (গ্ৰীক হৈছে গ্ৰীচত প্ৰচলিত ভাষা, য'ত চক্ৰেটিছ, এৰিষ্টটল, প্লেটোৰ জন্ম হৈছিল)। 'Philos' শব্দৰ অৰ্থ হৈছে অনুৰাগ বা প্ৰীতি (love) আৰু 'Sophia' শব্দৰ অৰ্থ হৈছে জ্ঞান
- দর্শন হৈছে এনে বিভাগ যি কেৱল জনা-শুনা অভিজ্ঞতাই নহয়, সকলো ধৰণৰ অভিজ্ঞতাকে অৰ্থাৎ সংস্কাৰ, ধাৰণা, চলাচল, অৰ্থ আদিৰ প্ৰণালীৱদ্ধভাৱে অনুসন্ধান কৰে। ইয়াত দর্শন এক পুনৰীক্ষণ (speculative) মূলক শিক্ষা।
- দর্শনক প্ৰায়ে ভাষাৰ বিশ্লেষণ বা ভাষাৰ সমালোচনা (a critique of language) বুলি গ্ৰহণ কৰা হৈছে (উইট্ গেনষ্টাইন)। ইয়াত দর্শন ভাষাক কেন্দ্ৰীভূত কৰি ধাৰণামূলক অধ্যয়ন অথবা বিশ্লেষণত সীমাৱদ্ধ হৈছে। গতিকে ইয়াত দর্শনক দ্বিতীয় স্তৰৰ অধ্যয়ন বা অনুসন্ধান (second order study) হিচাবে গণ্য কৰা হয়, কাৰণ পোনে পোনে ইয়াত আলোচনাৰ বিষয়বস্তুলৈ নগৈ বস্তুৰ ধাৰণাক সু-স্পষ্ট কৰাত মনোনিবেশ কৰা হয়।
- এই সকল দার্শনিকে বস্তুৰ অস্তিত্বক অৱজ্ঞা কৰি বস্তুৰ মূলতত্ত্বৰ লগতহে নিজকে জড়িত কৰিছে। তেওঁলোকে দর্শনৰ এই মতবাদটোক এটা শুদ্ধ পদ্ধতি হিচাপে ব্যৱহাৰ কৰে। ইয়াত দর্শন প্ৰপঞ্চবাদ বা অৱভাসবাদ (Phenomenology) বুলি গণ্য কৰা হয়।
- গতিকে মানুহৰ অস্তিত্বৰ অধ্যয়ন, ইয়াৰ সীমাবদ্ধতা আৰু বিশালতা, দুখ আৰু যাতনা, স্বাধীনতা আৰু দায়িত্ব, এই সকলোবোৰৰ অধ্যয়নেই দর্শনৰ প্ৰকৃতি। ইয়াত দর্শন অস্তিত্ববাদ (existentialism) বুলি পৰিগণিত হৈছে।
- বিজ্ঞানে মনৰ পৰা স্বতন্ত্ৰ এক বস্তু-জগতক বিশ্বাস কৰে। সেয়েহে প্ৰকৃতিগত দিশৰ পৰা বিজ্ঞান বস্তুবাদী (realistic)। কিন্তু দর্শনৰ বাবে বস্তুবাদী হোৱাতো বাধ্যতামূলক নহয়, যদিও দার্শনিক সকলৰ মাজত বস্তুবাদী দার্শনিকো আছে। দর্শনত ভাৱবাদী দার্শনিকো আছে। যিসকলৰ মতে জগতখনৰ মূল বস্তু হ'ল মন বা আত্মা। তেওঁলোকৰ মতে বাহ্য জগতৰ অস্তিত্ব মানুহৰ মনৰ ওপৰত নির্ভৰশীল।
- বিজ্ঞানৰ পদ্ধতি নিৰীক্ষণ, পৰীক্ষণ, প্ৰমাণীকৰণ, পূৰ্বানুমান আদি। কেৱল দর্শনৰ পদ্ধতি হ'ল যুক্তি সম্পৰ্কীয় আৰু প্ৰণালীবদ্ধ বিশ্লেষণ আৰু লগতে বিবাদী। ই এক আলোচনা যি যুক্তিৰ ব্যাখ্যা আৰু

বাস্তৱ তথ্য আৰু ঘটনাৰ অধ্যয়নৰ ওপৰত ভিত্তি কৰি থাকে। তৰ্কশাস্ত্ৰ সন্মত সংগতি (Logical consistency) হৈছে দৰ্শনৰ মূল বিষয়।

- জ্ঞানবিদ্যা হৈছে জ্ঞান সম্পৰ্কীয় দৰ্শন। ইয়াক প্ৰায়ে 'জ্ঞান-তত্ত্ব' (theory of knowledge) বুলিও কোৱা হয়। আমাৰ জ্ঞান সম্পৰ্কে ধাৰণা বা অভিজ্ঞতা আছে। দৰ্শনে সেই ধাৰণাকে ব্যাখ্যা কৰে, আৰু তাকেই জ্ঞানবিদ্যা বুলি কোৱা হয়।
- অধিবিদ্যা হৈছে সত্ত্বাৰ দৰ্শন বা সত্ত্বাৰ তত্ত্ব।
- নীতিশাস্ত্ৰ হৈছে মানুহৰ আচৰণৰ অধ্যয়ন যি নৈতিকতা আৰু প্ৰজ্ঞানৰ ওপৰত ভিত্তি কৰি থাকে।
- সৌন্দৰ্য্যবিদ্যা আৰু (ঙ) ইশ্বৰতত্ত্বও দৰ্শনৰ লাগতীয়াল বিভাগ। প্ৰথমটো সৌন্দৰ্য্যৰ প্ৰকৃতিৰ বা স্বৰূপৰ লগত আৰু দ্বিতায়টো ধাৰ্মিক অভিজ্ঞতাৰ লগত জড়িত। সৌন্দৰ্য্য বিদ্যা সকলো কলাৰ সৃষ্টি আৰু গুণৰ লগত জড়িত। ইশ্বৰতত্ত্বই ধাৰ্মিক বিষয়বোৰ গভীৰভাৱে অনুসন্ধান কৰে যিটো সাধাৰণতে ধৰ্ম দৰ্শন বুলিও কব পাৰি।

১.১০ অধিক জানিবলৈ

অঞ্জলি দেৱী — পাশ্চাত্য দৰ্শন, প্ৰকাশক ঃ কৌশিক গ্ৰন্থ প্ৰকাশন, দেৱগাওঁ (অসম), ২৯ জুন, ২০০৪ চন

ড° জোৎস্না ভট্টাচার্য্য — দৰ্শনৰ পৰিচয়, প্ৰকাশকঃ ড° গোলোক চন্দ্ৰ ভট্টাচার্য্য, জি. এইচ. ৰোড., গুৱাহাটী ৭৮১০০৫, চেপ্তেম্বৰ, ১৯৮৫ চন

১.১১ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ **উত্তৰঃ** 'Philos' আৰু 'Sophia'

২ নং প্ৰশ্নৰ **উত্তৰঃ**

(ক) বুদ্ধিবৃত্তিসম্পন্ন

(খ) প্ৰণালীৱদ্ধ

৩ নং প্ৰশ্নৰ **উত্তৰঃ**

(ক) জ্ঞান হৈছে ব্যৱহাৰিক আৰু প্ৰজ্ঞান হৈছে মূল্য নিৰূপণকাৰী।জ্ঞান হৈছে ভাৱমূলক বা তত্ত্বগত আৰু প্ৰজ্ঞান হৈছে কাৰ্যমূলক। বিজ্ঞানে জ্ঞানক পাবলৈ চেষ্টা কৰে আনহাতে দৰ্শনে প্ৰজ্ঞান বা অভিজ্ঞতামূলক জ্ঞান পাবলৈ চেষ্টা কৰে।

(খ) দাৰ্শনিকসকল হ'ল বুদ্ধিজীৱি। সাধু বা সন্যাসীসকল সাধুতা বা পৱিত্ৰতাৰ লগত জড়িত। দাৰ্শনিকসকল আপোনাৰ আৰু মোৰ নিচিনা সাধাৰণ মানুহ।

৪ নং প্ৰশ্নৰ **উত্তৰঃ** দৰ্শনৰ পদ্ধতি হ'ল যুক্তি সম্পৰ্কীয়, প্ৰণালীৱদ্ধ বিশ্লেষণ

আৰু বিবাদী বা তৰ্কীয়।

৫ নং প্ৰশ্নৰ **উত্তৰঃ** বিজ্ঞানৰ পদ্ধতি হ'ল নিৰীক্ষণ, পৰীক্ষণ আৰু প্ৰমাণীকৰণ।

৬ নং প্ৰশ্নৰ **উত্তৰঃ** দৰ্শনৰ বিভাগবোৰ হ'ল —

(ক) জ্ঞানবিদ্যা

(খ) সৌন্দৰ্য্যবিদ্যা

(গ) অধিবিদ্যা

(ঘ) ঈশ্বৰতত্ত্ব

(ঙ) নীতিবিদ্যা

৭ নং প্ৰশ্নৰ **উত্তৰঃ**

(ক) সৌন্দৰ্য্যবিদ্যাই সৌন্দৰ্য্যৰ প্ৰকৃতি বা স্বৰূপ সম্পৰ্কে আমাক জ্ঞান দিয়ে।

(খ) ঈশ্বৰতত্ত্ব ধৰ্মৰ প্ৰকৃতি বা স্বৰূপৰ লগত জড়িত।

৮ নং প্ৰশ্নৰ **উত্তৰঃ**

(ক) বহল

(খ) জ্ঞানবিদ্যা

(গ) অধিবিদ্যা

? ১.১৫ আহি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্নঃ

প্ৰশ্ন নং ১ঃ দৰ্শন কাক বোলে?

প্ৰশ্ন নং ২ঃ জ্ঞানবিদ্যা কাক বোলে?

প্ৰশ্ন নং ৩ঃ অধিবিদ্যা কাক বোলে?

প্ৰশ্ন নং ৪ঃ নীতিবিদ্যা কাক বোলে?

প্ৰশ্ন নং ৫ঃ প্ৰজ্ঞান বুলি কলে কি বুজে?

প্ৰশ্ন নং ৬ঃ দৰ্শনৰ প্ৰধান বিষয়বোৰ কি কি?

(খ) চুটি প্ৰশ্নঃ (১৫০ টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন নং ১ঃ দৰ্শন, বিজ্ঞানৰ পৰা কি দৰে পৃথক? চমুকৈ ব্যাখ্যা কৰক।

প্ৰশ্ন নং ২ঃ দৰ্শন, সাধাৰণ জ্ঞানৰ পৰা কি দৰে পৃথক? চমুকৈ ব্যাখ্যা কৰক।

প্ৰশ্ন নং ৩ঃ দৰ্শনৰ শাখা সমূহ কি কি? চমুকৈ আলোচনা কৰক।

(গ) ৰচনাধৰ্মী প্ৰশ্নঃ (৩০০-৫০০ টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন নং **১ঃ** দৰ্শনৰ প্ৰকৃতি সম্বন্ধে ব্যাখ্যা কৰক।

প্ৰশ্ন নং **২ঃ** দৰ্শনৰ পৰিসৰ সম্পৰ্কে ব্যাখ্যা আগবঢ়াওক।

প্ৰশ্ন নং **৩ঃ** দৰ্শন অধ্যয়নৰ উপযোগিতাসমূহ কি কি? আলোচনা কৰক।

*** **** ***

অধ্যায় ২ঃজ্ঞানৰ স্বৰূপ আৰু প্ৰকাৰ ঃ পৰিচয় মূলক জ্ঞান আৰু বৰ্ণনামূলক জ্ঞান

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ পৰিচয়মূলক জ্ঞান
২.৪ বৰ্ণনামূলক জ্ঞান
২.৫ পৰিচয়মূলক জ্ঞান আৰু বৰ্ণনামূলক জ্ঞানৰ মাজত পাৰ্থক্য
২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.৭ অধিক জানিবলৈ
২.৮ অগ্ৰগতিৰ খতিয়ান
২.৯ আৰ্হি প্ৰশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- জ্ঞানৰ সংজ্ঞা দিবলৈ সক্ষম হ'ব,
- পৰিচয় মূলক জ্ঞান আৰু বৰ্ণনা মূলক জ্ঞান হিচাপে জ্ঞানৰ প্ৰকাৰসমূহক ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব,
- সম্বন্ধিত ধাৰণাবোৰৰ সৈতে ইয়াৰ সাদৃশ্যতা ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব,
- পৰিচয় মূলক জ্ঞান আৰু বৰ্ণনা মূলক জ্ঞানৰ মাজত পাৰ্থক্য নিৰ্ণয় কৰিবলৈ সক্ষম হ'ব।

২.২ পৰিচয়

এই অধ্যায়টিত আমি দুই প্ৰকাৰৰ জ্ঞান— "পৰিচয় মূলক জ্ঞান" (Knowledge by acquaintance) আৰু "বৰ্ণনা মূলক জ্ঞান" (Knowledge by description) ৰ বিষয়ে আলোচনা কৰিম। জ্ঞানৰ বিভিন্ন স্তৰসমূহ মনত ৰাখি জ্ঞানক দুটা প্ৰকাৰত বিভক্ত কৰা হৈছে ঃ- পৰিচয় মূলক জ্ঞান আৰু বৰ্ণনা মূলক জ্ঞান। পাশ্চাত্য দৰ্শনত বাৰ্ট্ৰাণ্ড ৰাছেলৰ দ্বাৰা এই পাৰ্থক্যক এক নিৰ্দ্দিষ্ট ৰূপ বা আকাৰ দিয়া হৈছে। প্ৰকৃততে এই বিভাজন জৰ্জ বাৰ্কলিৰ দ্বাৰা উত্থাপিত ভাৱবাদৰ এক সমালোচনাত্মক প্ৰতিক্ৰিয়া ৰূপে উদয় হৈছে। দৰ্শনত জ্ঞানৰ স্বৰূপ আৰু প্ৰকাৰক বিভিন্ন দাৰ্শনিকে বিশ্লেষণ কৰিবলৈ চেষ্টা কৰিছিল, যাৰ ফলস্বৰূপে জ্ঞান সম্পৰ্কে বিভিন্ন শ্ৰেণীবিভাজনৰ উল্লেখ পোৱা যায়। দৰ্শনৰ আটাইতকৈ তাৎপৰ্য্যপূৰ্ণ বিভাগ জ্ঞান বিদ্যা সদায় এনেধৰণৰ স্বৰূপৰ ব্যাখ্যা আৰু জ্ঞানৰ শ্ৰেণীবিভাজনৰ লগত জড়িত। আমি কি উপায়েৰে কিবা এটাক জানিব পাৰো; আমি ইয়াৰ পৰা কেনে প্ৰকাৰৰ জ্ঞান পাব পাৰো? 'মই জানো' (I know) — এই প্ৰকাশৰ অৰ্থ কি? এইবোৰ হৈছে কিছুমান বিষয়,

যাৰ সৈতে জ্ঞান-বিজ্ঞান জড়িত হৈ থাকে। জ্ঞানৰ স্বৰূপক ব্যাখ্যা কৰাৰ ফলত আমি দেখোঁ যে জ্ঞান হৈছে জ্ঞাতা (knower) আৰু জ্ঞেয় (known) ৰ মাজৰ এক সম্বন্ধ। দৰ্শন জ্ঞেয়ৰ সমস্যা অথবা জ্ঞানৰ বস্তু বা সত্ত্বাৰ লগত জড়িত। সত্তাই নিজৰ অস্তিত্বৰ বাবে মনৰ ওপৰত নিৰ্ভৰশীল নে মনস্বতন্ত্ৰ ভাৱেই অস্তিত্বশীল এনে প্ৰশ্নৰ উত্তৰ দিবলৈ ই চেষ্টা কৰে। এই সমস্যাৰ উত্তৰ দিওঁতে সত্ত্বা সম্পৰ্কে দুই প্ৰকাৰৰ মতবাদৰ সৃষ্টি হোৱা দেখা যায় — বস্তুবাদ (Realism) আৰু ভাৱবাদ (Idealism)। ৰাছেলৰ জ্ঞানৰ শ্ৰেণীবিভাজন হৈছে বাৰ্কলিৰ ভাৱবাদৰ বিৰোদ্ধে তেওঁৰ সমালোচনাৰ বিকাশৰ এক নিদৰ্শন। বাৰ্কলিৰ ভাৱবাদে বাহ্যিক বস্তুসমূহৰ অস্তিত্বক অস্বীকাৰ কৰিছে আৰু সিহঁতক তেওঁ সীমিত মনৰ ধাৰণালৈ পৰিবৰ্ত্তন কৰিছে, যিয়ে সিহঁতক প্ৰত্যক্ষ কৰে। তেওঁ দাবী কৰে যে বাহ্যিক বস্তুবোৰ হৈছে কেতবোৰ স্থায়ী নীতি অনুসৰি আমাৰ সীমিত মনত ঈশ্বৰৰ দ্বাৰা সৃষ্ট সংবেদন। সেইবাবে ইয়াক আত্মগত ভাৱবাদ (subjective Idealism) বোলা হয়।

ৰাছেলৰ মতে, বাৰ্কলিৰ যুক্তি বস্তুগতভাৱে ভুল, যেতিয়া তেওঁ কয় যে যেতিয়াই আমি কিবা এটাক বোধ কৰোঁ বা ধাৰণা কৰোঁ, সি আমাৰ মনৰ মাজত থাকিবই লাগিব। যিকোনো বস্তুৰেই যেতিয়া কোনো ব্যৱহাৰিক গুৰুত্ব নাথাকে, তেতিয়া আমাৰ বাবে সি বৈধ নহয় এই কথা মানি চলিবলৈ কোনো কাৰণ থাকিব নোৱাৰে। এই কথা স্বীকাৰ কৰিবই লাগিব যে সকলোবোৰ বাস্তৱ বা সত্য, যাৰ তাত্বিক মহত্ত্ব আছে, সি আমাৰ বাবে সমানে তাৎপয্যপূৰ্ণ। ৰাছেলৰ মতে, এইটো অসত্য যে আমি জানিব নোৱাৰো যে সকলোৰেই অস্তিত্ব আছে, যাক আমি নাজানো। জ্ঞানে কিবা এটা বস্তু বা বিষয়ৰ প্ৰত্যক্ষ অভিজ্ঞতাকে কেৱল নুবুজায়। ই পৰিসৰত সম্পূৰ্ণ ব্যাপক। ৰাছেলৰ মতে, "know" — শব্দটোক দুটা অৰ্থত ব্যৱহাৰ কৰা হয়।

(১) প্ৰথম অৰ্থত, "know" শব্দটোৰ অৰ্থ হৈছে বস্তুবোৰৰ প্ৰতি আমাৰ জ্ঞান, সেয়ে ইয়াক কোৱা হয় পৰিচয় মূলক জ্ঞান (knowledge by acquaintance)।

(২) দ্বিতীয় অৰ্থত, ই সেই অৰ্থক নিৰ্দ্দেশ কৰিব পাৰে, যি আমাৰ বিশ্বাস নাইবা প্ৰত্যয় (Conviction) ৰ প্ৰতি প্ৰয়োগ কৰিব পাৰি। শব্দটোৰ এই অৰ্থত আমি কিবা এটা ঘটনাক জানো। এনে প্ৰকাৰৰ জ্ঞানক কোৱা হয় সত্যতাৰ জ্ঞান। এই জ্ঞানক সেয়ে বৰ্ণনা মূলক জ্ঞান (Knowledge by description) ৰূপে ৰাছেলে উল্লেখ কৰিছে।

এই পাৰ্থক্যক ফৰাচী ভাষাত 'cannaitre' আৰু 'savoir' ৰ মাজৰ পাৰ্থক্য বোলা হয়।

অগ্ৰগতি নিৰীক্ষন

প্ৰশ্ন নং ১ঃ কোনে জ্ঞানক 'পৰিচয় মূলক' আৰু বৰ্ণনা মূলক' জ্ঞানত শ্ৰেণী বিভাগ কৰিছে?

প্ৰশ্ন নং ২ঃ পৰিচয় মূলক জ্ঞান আৰু বৰ্ণনা মূলক জ্ঞানৰ পাৰ্থক্য সত্ত্বা সম্পৰ্কীয় কোনটো মতবাদৰ এক সমালোচনা ৰূপে উদ্ভৱ হৈছে?

২.৩ পৰিচয় মূলক জ্ঞান

পৰিচয়ৰ মাজেৰে আহৰন কৰা জ্ঞান হৈছে সেই বোৰ য'ত সংবেদনৰ উপায় সমূহৰ জ্ঞান প্ৰত্যক্ষ ভাৱে পোৱা যায়। ইয়াত জ্ঞাতাই কেতবোৰ বস্তু যেনেঃ- ৰঙ, শব্দ, গোন্ধ, কঠিনতা, কোমলতা, সোৱাদ ইত্যাদিৰ প্ৰতি

নিৰুপাধিক ভাৱে সচেতন হৈ উঠে। আনহাতে, বৰ্ণনা মূলক জ্ঞানত এক অনুমান বা ব্যাখ্যা নিহিত থাকে। পৰিচয় মূলক জ্ঞান সকলো ধৰণৰ অনুমান আৰু ব্যাখ্যাৰ পৰা মুক্ত। আমাৰ সংবেদনীয় অভিজ্ঞতাৰ দ্বাৰা জ্ঞান লাভ কৰিবলৈ ই এক পদ্ধতি। ৰাছেলে, আগবঢ়োৱা সংজ্ঞা হিচাপে পৰিচয় হৈছে প্ৰতিবেদন নাইবা বৰ্ণনাৰ বিপৰীত। ই কিছুমান বস্তুৰ প্ৰত্যক্ষ আৰু অভ্ৰান্ত বোধ। সত্যতাৰ সকলো জ্ঞান ভেঁটি হিচাপে পৰিচয়ৰ পৰাই আৰম্ভ হয়। আনকি সাৰ্বিকৰ প্ৰত্যেক জ্ঞানো পৰিচয়ৰ বিশেষ বিশেষ বস্তুবোৰৰ পৰা আৰম্ভ হয়। ইয়াত আমি বস্তুবোৰৰ কেতবোৰ খোলোচা বিৱৰণ পাব পাৰো, যাৰ সৈতে আমাৰ প্ৰত্যক্ষ পৰিচয় থাকিব পাৰে।

ৰাছেলৰ মতে, ইন্দ্ৰিয় সংবেদন অতি তাৎপৰ্য্য মূলক বস্তু, যাৰ সৈতে আমি পৰিচিত। এইবোৰ পৰিচয়মূলক জ্ঞানৰ আটাইতকৈ মনোমোহা আৰু পোণপটীয়া উদাহৰণ। কিন্তু, ইন্দ্ৰিয় সংবেদনে আমাক সেইবোৰ বস্তুৰ জ্ঞানৰ যোগান ধৰে, যিবোৰ আমাৰ বৰ্ত্তমান সংবেদনত উপস্থিত থাকে। সেয়ে, যিহেতু এই উপায়েৰে অতীতৰ জ্ঞানক জানিব নোৱাৰি, সেয়ে এই অৰ্থত জ্ঞান সীমাবদ্ধ হৈ পৰে। তেতিয়া ৰাছেলে ইন্দ্ৰিয় সংবেদন অতিক্ৰম কৰি আমি যে স্মৃতি (memory) ৰ সৈতে পৰিচিত হ'ব পাৰো, প্ৰথমে তাক ব্যাখ্যা কৰিবলৈ অগ্ৰসৰ হয়। অতীতত আমাৰ ইন্দ্ৰিয় সংবেদনত যিয়েই উপস্থিত থাকে, সেইবোৰ স্মৃতি ৰূপে মজুত থাকে আৰু আনকি অতীতৰ ঘটনা হ'লেও আমি এইবোৰ স্মৃতিক বৰ্ত্তমানৰ অভিজ্ঞতাৰ ৰূপত যেতিয়াই সিহঁতক স্মৰণ কৰোঁ, তেতিয়া ই প্ৰত্যক্ষ ৰূপে জানিব পাৰো। স্মৃতিৰ দ্বাৰা হোৱা এই অপৰোক্ষ জ্ঞান অতীতৰ লগত জড়িত আমাৰ সকলো জ্ঞানৰ উৎস। পৰিচয়ৰ দ্বিতীয় প্ৰকাৰটো হৈছে অন্তৰ দৃষ্টিমূলক পৰিচয় (acquaintance by introspection)। ই হৈছে আত্ম বিবেচনা শক্তি বা বোধ (self-consciousness), যাক আমি লাভ কৰোঁ তেতিয়া, যেতিয়া ইয়াৰ সৈতে আমাৰ অনুভৱ, ইচ্ছা, আকাংক্ষা, চিন্তা আদিৰ পৰিচয় ঘটে। এনেধৰণৰ পৰিচয়ক আত্ম বিবেচনাশক্তি বা চেতনা বোলা হয়, যিয়ে আমাক আমাৰ মানসিক অৱস্থা সমূহক জানিবলৈ সহায় কৰে।

সেয়ে, ৰাছেলে মত পোষণ কৰে যে আমাৰ বাহ্যিক ইন্দ্ৰিয় বোধে যোগান ধৰা সংবেদন চিন্তা, অনুভৱ, ইচ্ছা আদিৰ দৰে অন্তৰ দৃষ্টিৰ জৰিয়তে লাভ কৰা আন্তৰিক সংবেদন; স্মৃতিৰ জৰিয়তে অতীতৰ অভিজ্ঞতাৰ সৈতে আমাৰ পৰিচয় আদিৰ সৈতে চেতনাত পৰিচয়মূলক জ্ঞানে এক সামগ্ৰিক ৰূপত আমাৰ পৰিচয়ক আবৰি ৰাখে। বিশেষ সংবেদনীয় সামগ্ৰীৰ সৈতে আমাৰ পৰিচয়ক এফলীয়া কৰিও বিশেষৰ মাধ্যমেৰে গঠিত সামান্য নাইবা সাধাৰন ধাৰণাবোৰৰ সৈতেও আমাৰ পৰিচয় আছে। তথাপিও আমাৰ জনাৰ যি পদ্ধতি সি এনেধৰণৰ প্ৰত্যক্ষ পৰিচয়তেই কেৱল সীমাবদ্ধ নহয়। ইয়াৰ উৰ্দ্ধত আন এক প্ৰকাৰৰ জ্ঞান আছে, যাৰ ওপৰত ৰাছেলে অত্যাধিক গুৰুত্ব আৰোপ কৰিছে।

জানি থোৱা ভাল

ভাৰতীয় দৰ্শনৰ অন্তৰ্গত ন্যায় দাৰ্শনিক সম্প্ৰদায়ত জ্ঞানৰ এক সমান্তৰাল বিভাজন দেখিবলৈ পোৱা যায়। 'বৰ্ণনা মূলক জ্ঞান' আৰু 'পৰিচয় মূলক জ্ঞান' ৰ পাৰ্থক্যক ইয়াত 'নিৰ্বিকল্প প্ৰত্যক্ষ' আৰু সবিকল্প প্ৰত্যক্ষ'ৰ মাজৰ পাৰ্থক্য হিচাপে আগবঢ়োৱা হৈছে। ইয়াৰে প্ৰথমটো হৈছে নাম, ৰূপ আৰু কোনো বৈশিষ্ট্যৰ অবিহনে এক প্ৰত্যক্ষ

সচেতনতা আৰু আনহাতে, পিছৰটো হৈছে নাম আৰু ৰূপৰ সৈতে সচেতনতা। প্ৰথমটো অৰ্থাৎ নিৰ্বিকল্প প্ৰত্যক্ষ হৈছে পূৰ্ব মীমাংসীত জ্ঞান (Pre-judgemental knowledge) আৰু পিছৰটো অৰ্থাৎ সবিকল্প প্ৰত্যক্ষ হৈছে মীমাংসীত জ্ঞান (judgemental knowledge)

২.৪ বৰ্ণনা মূলক জ্ঞান

ৰাছেলে ইয়াত আন এক প্ৰকাৰৰ জ্ঞানৰ তাৎপৰ্য্যৰ কথা অংকণ কৰিছে, সেয়া হৈছে বৰ্ণনা মূলক জ্ঞান (Knowledge by description)। আনকি যদিও আমি পৰিচয় মূলক জ্ঞানৰ তাৎপৰ্য্য মূলক শাখাক আহৰণ কৰোঁ, আমি ইন্দ্ৰিয়জ বস্তুবোৰক পোনপটীয়াকৈ জানিবলৈ সক্ষম নহওঁ, তাৰ পৰিবৰ্ত্তে সংবেদনীয় সামগ্ৰীবোৰৰ সৈতে আমাৰ পৰিচয় ঘটে। আগলৈ পৰিচয় মূলক জ্ঞানে অন্তৰ দৃষ্টিৰ জৰিয়তে এজন ব্যক্তিৰ নিজস্ব জ্ঞানৰ যোগান ধৰে, কিন্তু আনৰ মানসিক অৱস্থাৰ জ্ঞান লাভ কৰাৰ পৰা ই আমাক বঞ্চিত কৰে। এনেবোৰ ক্ষেত্ৰত আমি বৰ্ণনা মূলক জ্ঞানৰ ওপৰত নিৰ্ভৰ কৰোঁ, ই হৈছে জ্ঞান দ্বিতীয়টো শৃংখল। এই অৰ্থত জ্ঞানে আমাৰ ন্যায়িক অৱধাৰণ নাইবা আমাৰ বিশ্বাস আৰু দৃঢ় প্ৰত্যয়ক বুজায়। ইয়াক বেলেগ ধৰণেৰে সত্যতাৰ জ্ঞান হিচাপে বৰ্ণনা কৰা হয়। ৰাছেলে এক বিসঙ্গতি নথকাৰ ওপৰত জোৰ দিয়াৰ পৰিবৰ্ত্তে এটা বস্তুৰ নিৰ্দ্দিষ্ট বৰ্ণনাৰ ওপৰতহে গুৰুত্ব প্ৰদান কৰিছে, যিয়ে এটা বস্তুক বিশেষভাৱে নিৰ্দ্দেশ কৰে। এটা বৰ্ণনা নিৰ্দ্দিষ্ট হয় যেতিয়া ই এটা একক বস্তুক 'এনেধৰণৰ' হিচাপে সংজ্ঞা দিয়াৰ ক্ষেত্ৰত বুজায়। এই অৰ্থত বস্তুটোক আমি বৰ্ণনাৰ দ্বাৰা জানিব পাৰো আৰু কেতবোৰ সাধাৰণ নীতিৰ বলত এই বৰ্ণনাৰ উত্তৰ দি এটা বস্তুৰ অস্তিত্বক আমি পৰিচিত কেতবোৰ বস্তুৰ অস্তিত্ব পৰা অনুমান কৰিব পাৰো। সেয়ে সকলো নামবাচক পদে ঠাইৰ বৰ্ণনাক সাঙুৰি লয়, যি পুনৰ আমাৰ সৈতে পৰিচিত কেতবোৰ বিশেষ সংবেদনীয় সামগ্ৰীৰ পৰা আৰম্ভ হয়।

ৰাছেলৰ মতে, শব্দবোৰ, যিবোৰৰ সৈতে বস্তুবোৰক আমি নিৰ্দ্দেশ কৰো, সেইবোৰৰ লগত আমি পৰিচিত নহয়, তেনেবোৰ শব্দক পৰিচিত বস্তুৰ সৈতে সংযুক্ত কৰাৰ দ্বাৰা সংজ্ঞা প্ৰদান কৰিব পাৰো নাইবা তাক ব্যাখ্যা কৰিব পাৰো। তথাপি, ৰাছেলে ইয়াক জ্ঞানতকৈ অৱবোধ হিচাপেহে ব্যাখ্যা কৰিবলৈ প্ৰস্তাৱ কৰে। ৰাছেলৰ পৰিচয়মূলক মতবাদৰ বিৱৰণটোৱে তেওঁ এজন অভিজ্ঞতাবাদী দাৰ্শনিক ৰূপে অৱতাৰণ কৰাইছে। ৰাছেলৰ পৰিচয় মূলক নীতিটো হৈছে "প্ৰত্যেক বচন, যাক আমি বুজিব পাৰো, সি আমাৰ সৈতে পৰিচিত উপাদানসমূহৰ দ্বাৰা সামগ্ৰিকভাৱে গঠিত হ'বই লাগিব।" তথাপিও, প্ৰায় সকলোবোৰ জ্ঞানৰ ভিত্তি হিচাপে পৰিচিত হোৱাৰ পাছতো আনকি বৰ্ণনামূলক জ্ঞান অতি তাৎপৰ্য্যমূলক, যিহেতু ই আমাক জানিবলৈ সহায় কৰে আৰু নাম, বৈশিষ্ট্য, তাৎপৰ্য্য ইত্যাদি ৰূপে বস্তুৰ সৈতে সম্বন্ধীও বৰ্ণনাৰ লগত এক বিশেষ বস্তুক জানিবলৈ আনকো সহায় কৰে। ই আমাক কেতবোৰ বস্তু বা বিষয় সম্পৰ্কে কিছুমান সত্যতা লাভ কৰিবলৈ সহায় কৰে, যাক আমি কেতিয়াও অভিজ্ঞতাত পাব নোৱাৰো বৰঞ্চ এই সম্পৰ্কে আনৰ দ্বাৰা লাভ কৰা অৱধাৰণাৰ জৰিয়তে ইয়াক জানিব পৰা যায়। উদাহৰণস্বৰূপেঃ- মই কেতিয়াও চীনৰ সুউচ্চ প্ৰাচীৰ দেখা নাই কিন্তু মই সচাঁকৈ বিশ্বাস কৰোঁ যে ই আছে। এই জ্ঞান মই আনৰ কথাৰে জানিব পাৰিলো, যিজনৰ সেই বস্তুটোৰ লগত পৰিচয় আছে। ইয়ে হৈছে পৰিচিতৰ অবিহনে বৰ্ণনাৰ জৰিয়তে লাভ কৰা এক সত্য অৱধাৰণ নাইবা জ্ঞান। যেতিয়া কোনোৱে শব্দ ব্যৱহাৰ কৰি কিবা এটা ব্যাখ্যা কৰে,

তেতিয়া শব্দ ব্যৱহাৰৰ লগত সিহঁতে এক অৰ্থও বহন কৰে। এই অৰ্থসমূহক পুনৰ এই শব্দবোৰৰ সৈতে সংযোগ কৰা হয়, পৰিচয় নাইবা প্ৰত্যক্ষ অভিজ্ঞতাৰ জৰিয়তে।

আগলৈ, বৰ্ণনা মূলক জ্ঞানৰ মূখ্য গুৰুত্ব হৈছে ই আমাক আমাৰ ব্যক্তিগত অভিজ্ঞতা আৰু কল্পনাৰ উদ্ধলৈ গতি কৰিবলৈ আৰু আনৰ মানসিক অৱস্থাৰ ব্যাখ্যা কৰিবলৈ অনুমতি দিয়ে। আনৰ মানসিক অৱস্থা, আমাৰ নিজস্ব অনুভূতি আকাংক্ষা আদিক প্ৰত্যক্ষ ভাৱে অভিজ্ঞতাত পোৱাৰ কোনো উপায় নাই। তথাপিও, ইয়াক বৰ্ণনামূলক জ্ঞানৰ জৰিয়তে অনুমান কৰিব পাৰি, যেতিয়া ইয়াক ভাষাৰ মাধ্যমেৰে প্ৰকাশ কৰা হয়। এইটো সম্ভৱ হয় কাৰণ বৰ্ণনামূলক জ্ঞান এক প্ৰকাৰ জ্ঞান (judgemental knowledge), যাক ভাষাত প্ৰকাশ কৰা হয়।

সেয়েহে, ৰাছেলে পৰস্পৰৰ ওপৰত নিৰ্ভৰশীল আৰু সম তাৎপৰ্য্যপূৰ্ণ ভাৱে জ্ঞানৰ এই দুটা স্তৰৰ কথা বা ব্যাখ্যা আগবঢ়াইছে।

চিন্তা-চৰ্চা কৰক ২.১

ৰাছেলে কিদৰে বাৰ্কলিৰ আত্মগত ভাৱবাদৰ প্ৰতি এক সমালোচনাত্মক সমিধানৰ ৰূপত তেওঁৰ জ্ঞানৰ শ্ৰেণীবিভাজনক আগবঢ়াইছে?

২.৫ পৰিচয় মূলক জ্ঞান আৰু বৰ্ণনা মূলক জ্ঞানৰ মাজৰ সম্পৰ্ক

ৰাছেলৰ জ্ঞানৰ শ্ৰেণীবিভাজনক আমাৰ সত্যজ্ঞানৰ ভেঁটি স্বৰূপে পৰিচয়মূলক জ্ঞানৰ ৰূপত প্ৰকাশিত তেওঁ অভিজ্ঞতাবাদী আদৰ্শসমূহৰ বিস্তাৰন হিচাপে বুজিব লাগিব। এই প্ৰক্ৰিয়াত বৰ্ণনামূলক জ্ঞানে দ্বিতীয় স্তৰ হিচাপে স্থান লৈছে। ৰাছেলৰ দ্বাৰা নিৰ্দ্দিষ্টকৃত জ্ঞানৰ এই দুই প্ৰকাৰৰ মাজৰ সম্বন্ধক আমি তলত এনেদৰে আলোচনা কৰিছো —

(১) পৰিচয়মূলক জ্ঞান আৰু বৰ্ণনামূলক জ্ঞান সম্পূৰ্ণ পৃথক দুটা জ্ঞানৰ প্ৰকাৰ নহয়, বৰঞ্চ দুয়োকে জ্ঞানৰ দুটা স্তৰ হিচাপে নামাকৰণ কৰিব পাৰি। প্ৰথমটো সংবেদনীয় সামগ্ৰীসমূহৰ সৈতে এক পৰিচয় আৰু দ্বিতীয়টো নাম বৈশিষ্ট্য আদিযুক্ত কেতবোৰ বস্তু বা বিষয়ৰ জ্ঞান।

(২) পৰিচয় মূলক জ্ঞান সংবেদনীয় সামগ্ৰীৰ প্ৰত্যক্ষ জ্ঞান, আৰু বৰ্ণনা মূলক জ্ঞান পৰোক্ষ ইয়াৰ মাজত অনুমানৰ উপাদান নিহিত হৈ থাকে। ই প্ৰত্যক্ষ জ্ঞান নহয়, কিন্তু সংবেদনীয় সামগ্ৰীবোৰৰ সম্পৰ্কত কিবা এটাক বুজি পোৱা বা বোধজ্ঞান যাৰ সৈতে আমি ইতিমধ্যে পৰিচিত। ই কেৱল এজনৰ অভিজ্ঞতাতে উপস্থিত নাথাকে বৰঞ্চ জ্ঞানৰ এক বচনাত্মক প্ৰকাৰ হে। সেযে, ই পৰিচয় মূলক জ্ঞানৰ পৰা পৃথক।

(৩) পৰিচয় মূলক জ্ঞান হৈছে কেতবোৰ বস্তু, যি অস্তিত্বশীল তাৰ প্ৰত্যক্ষ আৰু অভ্ৰান্ত অনুভৱ বা ধাৰণা। আনহাতে, বৰ্ণনাত্মক জ্ঞানৰ বিষয়বস্তু অনিবাৰ্য্য ভাৱে অস্তিত্বশীল হোৱাৰ প্ৰয়োজন নাই। কিছুমান ক্ষেত্ৰত ই অস্তিত্বশীল নহবওঁ পাৰে।

(৪) এইটো মন কৰিবলগীয়া যে যেতিয়া পৰিচয় মূলক জ্ঞান, প্ৰত্যক্ষ জ্ঞান হোৱাৰ হেতু আন কোনো জ্ঞানৰ ওপৰত নিৰ্ভৰশীল নহয়, তেতিয়া আনহাতে বৰ্ণনা মূলক জ্ঞানে পৰিচয়ৰ ওপৰত নিৰ্ভৰ কৰে। ৰাছেলৰ মতে, "বৰ্ণনাক নিহিত কৰি বচনৰ বিশ্লেষণত মৌলিক নীতিটো হ'লঃ- প্ৰত্যেক বচন, যাক আমি বুজিব পাৰো, সি আমাৰ দ্বাৰা পৰিচিত উপাদানবোৰেৰে সামগ্ৰিকভাৱে গঠিত হ'বই লাগিব।" সেয়েহে বিশেষৰ প্ৰতি যিকোনো নিৰ্দ্দেশেই আমাৰ পৰিচিতৰ সৈতে কেতবোৰ বিশেষৰ নিৰ্দ্দেশক সাঙুৰি লয়। বৰ্ণনাৰ লগত জড়িত সকলো জ্ঞানক পৰিচয়ৰ লগত জড়িত জ্ঞানলৈ পৰিবৰ্ত্তণ কৰিব পাৰি।

(৫) বৰ্ণনামূলক জ্ঞানৰ আটাইতকৈ তাৎপৰ্য্যমূলক বৈশিষ্ট্য এয়ে যে ই আমাক আনৰ মানসিক অৱস্থাক জানিবলৈ অনুমতি দিয়ে। আন লোকৰ অনুভূতি আৰু উদ্বেগ আদিক বৰ্ণনামূলক জ্ঞানৰ জৰিয়তে অনুমান কৰিব পাৰি, যেতিয়া ইয়াক ভাষাৰ মাধ্যমেৰে প্ৰদান কৰা হয়। আনহাতে কিবা বস্তু বা বিষয়ৰ প্ৰত্যক্ষ জ্ঞান হোৱাৰ হেতু পৰিচয়মূলক জ্ঞানে আমাক আমাৰ নিজস্ব অভিজ্ঞতাৰ উৰ্দ্ধলৈ যাবলৈ অনুমতি নিদিয়ে।

ৰাছেলৰ দ্বাৰা আলোচিত এইবোৰেই হৈছে পৰিচয়মূলক জ্ঞান বৰ্ণনামূলক জ্ঞানৰ মাজৰ সাদৃশ্য ও বৈসাদৃশ্যক প্ৰকাশ কৰা কিছুমান গুৰুত্বপূৰ্ণ দিশ।

অগ্ৰগতি নিৰীক্ষন

প্ৰশ্ন নং ৩ঃ শুদ্ধ উত্তৰত (✓) চিন দিয়ক।

(ক) ৰাছেলৰ মতে পৰিচয়মূলক জ্ঞানে আমাক সংবেদনীয় সামগ্ৰী /ইন্দ্ৰিয়জ বস্তুৰ জ্ঞান দিয়ে।

(খ) বৰ্ণনামূলক জ্ঞান প্ৰত্যক্ষ/অনুমোদনমূলক জ্ঞান।

(গ) পৰিচয়মূলক জ্ঞানে আমাক বিশেষৰ/সাৰ্বিকৰ/উভয়ৰে জ্ঞানৰ যোগান ধৰে।

প্ৰশ্ন নং ৪ঃ পৰিচয়মূলক জ্ঞান আৰু বৰ্ণনামূলক জ্ঞানৰ মাজত যিকোনো দুটা পাৰ্থক্য উল্লেখ কৰক।

২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টিত আমি ৰাছেলৰ জ্ঞানৰ শ্ৰেণীবিভাজনক 'পৰিচয়মূলক জ্ঞান' আৰু 'বৰ্ণনামূলক জ্ঞান' ৰ ৰূপত আলোচনা কৰিলো। এতিয়া আমি তলত দিয়া প্ৰধান গুণকেইটাৰে ইয়াৰ পুনৰ্নিৰীক্ষন কৰোঁ আহঁক—

- ৰাছেলে দুটা মৌলিক বিষয়ৰ ভিত্তিত জ্ঞানৰ শ্ৰেণীবিভাজন কৰিছে — বস্তুৰ জ্ঞান আৰু সত্যতাৰ জ্ঞান।
- এই শ্ৰেণীবিভাজনটো বাৰ্কলিৰ আত্মগত ভাৱবাদৰ বিপৰীতে তেওঁৰ সমালোচনাত্মক সমিধান যিয়ে সকলো বস্তুকে মনৰ ভাৱ ধাৰণালৈ ৰূপান্তৰ কৰিছে।
- বস্তুৰ জ্ঞান সদায় বৰ্ণনাত্মক জ্ঞানেৰে অগ্ৰসৰ হয়।
- পৰিচয়মূলক জ্ঞান সকলো জ্ঞানৰে ভেঁটি হিচাপে কাম কৰে।

- পৰিচয়মূলক জ্ঞান প্ৰত্যক্ষ জ্ঞান হোৱাৰ পৰিবৰ্ত্তে বৰ্ণনামূলক জ্ঞানক নিঃসৰণ কৰা হয় নাইবা ই অনুমানমূলক জ্ঞান।
- বৰ্ণনামূলক জ্ঞান বচনাত্মক জ্ঞান, যিয়ে কোনো ব্যক্তিৰ বিশ্বাস আৰু পৰম্পৰা আদিক প্ৰকাশ কৰে।
- বৰ্ণনামূলক জ্ঞান ভেঁটি ৰূপে পৰিচয়মূলক জ্ঞানৰ ওপৰত নিৰ্ভৰশীল।

২.৭ অধিক জানিবলৈ

১) Russell, B. (1984) The Problem of Philosophy. New Delhi; Oxford.

২.৮ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ বাৰ্ট্ৰাণ্ড ৰাছেল

২নং প্ৰশ্নৰ উত্তৰ ঃ জৰ্জ বাৰ্কলিৰ আত্মগত ভাৱবাদ

৩নং প্ৰশ্নৰ উত্তৰ ঃ (ক) সংবেদনীয় সামগ্ৰী
(খ) অনুমানমূলক
(গ) উভয়ে

৪নং প্ৰশ্নৰ উত্তৰ ঃপৰিচয়মূলক জ্ঞান আৰু বৰ্ণনামূলক জ্ঞানৰ মাজৰ পাৰ্থক্যক তলত দিয়া ধৰণৰ—

(ক) পৰিচয়মূলক জ্ঞান সংবেদনীয় সামগ্ৰীসমূহৰ প্ৰত্যক্ষ জ্ঞান আনহাতে বৰ্ণনামূলক জ্ঞানত অনুমানৰ উপাদান জড়িত হৈ থাকে। ই প্ৰত্যক্ষ জ্ঞান নহয়, ৰৱঞ্চ আমি ইতিমধ্যে পৰিচিত সামগ্ৰীসমূহৰ প্ৰসঙ্গঁত কিবা এটা বিষয় বা বস্তুৰ বোধ বা জ্ঞান।

(খ) প্ৰত্যক্ষ জ্ঞান হোৱা হেতু পৰিচয়মূলক জ্ঞানে আন কোনোধৰণৰ জ্ঞানৰ ওপৰত নিৰ্ভৰ নকৰে। কিন্তু বৰ্ণনামূলক জ্ঞান পৰিচয়ৰ ওপৰত নিৰ্ভৰশীল। বৰ্ণনাত্মক জ্ঞানৰ লগত জড়িত সকলো জ্ঞানকে পৰিচয়ৰ লগত জড়িত জ্ঞানৰ লগত জড়িত জ্ঞানলৈ ৰূপান্তৰ কৰিব পৰা যায়।

২.৯ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ঃ জ্ঞান কি?

প্ৰশ্ন ২ঃ ৰাছেলে জ্ঞানৰ দুটা প্ৰকাৰ উল্লেখ কৰিছে। প্ৰকাৰ দুটা কি কি?

প্ৰশ্ন ৩ঃ কোনজন দাৰ্শনিকৰ ভাৱবাদী মতৰ সমালোচনা ৰূপে ৰাছেলে তেওঁ জ্ঞান সম্পৰ্কীয় আলোচনা আগবঢ়াইছে?

প্ৰশ্ন ৪ঃ বৰ্ণনামূলক জ্ঞানৰ ভেঁটি কি?

প্ৰশ্ন ৫ঃ ভাৰতীয় কোনটো দাৰ্শনিক সম্প্ৰদায়ত জ্ঞানৰ শ্ৰেণীবিভাজনক ৰাছেলৰ সমান্তৰালকৈ আলোচনা কৰা হৈছে?

(খ) চমু প্ৰশ্ন ঃ (১০০-১৫০) টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন ১ঃ পৰিচয়মূলক জ্ঞান বুলিলে কি বুজে?

প্ৰশ্ন ২ঃ বৰ্ণনামূলক জ্ঞান কি? চমুকৈ ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ঃ চমুকৈ পৰিচয়মূলক জ্ঞান আৰু বৰ্ণনামূলক জ্ঞানৰ মাজৰ পাৰ্থক্য উল্লেখ কৰক।

প্ৰশ্ন ৪ঃ বৰ্ণনামূলক জ্ঞানৰ আটাইতকৈ তাৎপৰ্য্যমূলক বৈশিষ্ট্যটো লিখক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৩৫০) টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন ১ঃ পৰিচয়মূলক জ্ঞান সকলো প্ৰকাৰৰ জ্ঞানৰে ভেঁটি। ৰাছেলৰ প্ৰসঙ্গঁত আলোচনা কৰক।

প্ৰশ্ন ২ঃ বৰ্ণনামূলক জ্ঞানে আনৰ মনৰ অৱস্থাক জানিবলৈ আমাক সহায় কৰে। আলোচনা কৰক।

প্ৰশ্ন ৩ঃ পৰিচয়মূলক জ্ঞান আৰু বৰ্ণনামূলক জ্ঞানৰ মাজৰ পাৰ্থক্যসমূহ বহলাই আলোচনা কৰক।

*** **** ***

অধ্যায় ৩ঃ জ্ঞান তত্ত্ব

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য
৩.২ পৰিচয়
৩.৩ জ্ঞানৰ মূল আৰু উৎপত্তি
৩.৪ জ্ঞান তত্ত্ব
৩.৫ বুদ্ধিবাদ
৩.৫.১ বিভিন্ন দার্শনিকৰ মতামত
৩.৬ অভিজ্ঞতাবাদ
৩.৬.১ বিভিন্ন দার্শনিকৰ মতামত
৩.৭ বিচাৰবাদ
৩.৭.১ বিভিন্ন দার্শনিকৰ মতামত
৩.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৩.৯ অধিক জানিবলৈ
৩.১০ অগ্রগতিৰ খতিয়ান
৩.১১ আৰ্হি প্ৰশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- জ্ঞানোৎপত্তি সম্পৰ্কীয় মতবাদৰ লগত জড়িত বিভিন্ন দার্শনিকৰ নাম জানিব পাৰিব,
- জ্ঞানতত্ত্বৰ বৰ্ণনা যেনে বুদ্ধিবাদ, অভিজ্ঞতাবাদ আৰু বিচাৰবাদৰ ব্যাখ্যা কৰিব পাৰিব,
- বুদ্ধিবাদ, অভিজ্ঞতাবাদ আৰু বিচাৰ বাদৰ লগত জড়িত দার্শনিকৰ বিভিন্ন মতসমূহৰ আলোচনা কৰিব পাৰিব,
- জ্ঞানোৎপত্তিৰ উৎস হিচাপে অভিজ্ঞতা আৰু বুদ্ধিৰ গুণ আৰু দোষসমূহ উল্লেখ কৰিব পাৰিব।

৩.২ পৰিচয়

দর্শনৰ যিটো বিশেষ শাখাই জ্ঞানৰ স্বৰূপ, উৎস, যথার্থতা, সীমাবদ্ধতা আদিৰ বিষয়ে অধ্যয়ন কৰে তাক জ্ঞানমীমাংসা (Epistemology) বুলি জনা যায়। এয়াই হ'ল জ্ঞান তত্ত্ব বা জ্ঞানৰ মতবাদ। জ্ঞানমীমাংসাৰ অপৰিহার্য্য প্রশ্নসমূহ তলত দিয়া ধৰণে উল্লেখ কৰিব পাৰিঃ

(১) জ্ঞানৰ স্বৰূপ কি ? ঃ এই প্ৰশ্নটোৱে কোনো এটা কথা কেনেদৰে জনা যায় তাৰ বিষয়ে আলোচনা কৰে। কেনেকৈ আমি কোনো এটা কথা জনা বা জ্ঞান লাভ কৰা আৰু কোনো এটা কথা নজনা বা জ্ঞান লাভ নকৰাৰ মাজত পাৰ্থক্য নিৰ্ণয় কৰিব পাৰোঁ।

(২) আমি কেনেকৈ জ্ঞান লাভ কৰিব পাৰোঁ ? ঃ এই প্ৰশ্নটোৰ দ্বাৰা আমি আমাৰ জ্ঞানৰ মূল আৰু উৎস সম্পৰ্কে জানিবলৈ চেষ্টা কৰোঁ। বৈধ জ্ঞান লাভৰ শ্ৰেষ্ঠ আৰু সৰ্বাধিক সুৰক্ষিত উপায় কি জানিবলৈ আমি কেনেকৈ মনৰ স্বাভাৱিক বুদ্ধিবৃত্তি বা ইন্দ্ৰিয় প্ৰয়োগ কৰোঁ ?

(৩) জ্ঞানৰ পৰিধি বা সীমাবদ্ধতা কি ? ঃএই প্ৰশ্নটোৰ সহায়ত জানিবলৈ চেষ্টা কৰিব পাৰোঁ যে আমাৰ জ্ঞান অৰ্জনৰ ক্ষেত্ৰত কোনো নিৰ্ধাৰিত সীমাবদ্ধতা আছে নেকি ? উদাহৰণস্বৰূপে, এনে কোনো বস্তু আছে নেকি যিবোৰ আমাৰ বাবে অজ্ঞেয় বা জ্ঞানৰ উৰ্দ্ধত ? নে এয়াও সম্ভৱ যে আমি যিমান জানো বুলি ভাবো প্ৰকৃততে নাজানো ?

এই গোটটোত জ্ঞান মীমাংসাৰ দ্বিতীয়টো প্ৰশ্ন অৰ্থাৎ আমি কেনেকৈ জ্ঞান অৰ্জন কৰোঁ তাৰ বিষয়ে আলোচনা কৰা হৈছে।

৩.৩ জ্ঞানৰ মূল আৰু উৎস

কোনো বস্তু জনাৰ বা কোনো বিষয়ে জ্ঞান লাভ কৰাৰ বিভিন্ন উপায় আছে। প্ৰত্যক্ষৰ দ্বাৰা আমি আমাৰ জগতৰ অভিজ্ঞতাজনিত ঘটনাসমূহৰ জ্ঞান লাভ কৰিব পাৰোঁ। ইয়াৰ সৰ্বোৎকৃষ্ট উদাহৰণ হ'ল বিজ্ঞান। বিজ্ঞানে অভিজ্ঞতাৰ সহায়ত বিভিন্ন তথ্য আহৰণ কৰে। আমাৰ দৈনন্দিন জ্ঞানসমূহৰো বেছিভাগ ইন্দ্ৰিয়ৰ দ্বাৰাই লাভ হয়। যেনেঃ দেখা, শুনা, গোন্ধ পোৱা, স্পৰ্শ, স্বাদ আদি জ্ঞানসমূহ ইন্দ্ৰিয় লব্ধ। কিন্তু জ্ঞান কেৱল ইন্দ্ৰিয়ৰ দ্বাৰাই লাভ কৰিব নোৱাৰি। সকলো প্ৰকাৰৰ জ্ঞানৰ বাবে যুক্তিৰ প্ৰয়োজন। বিজ্ঞানীসকলে ইন্দ্ৰিয়ৰ দ্বাৰা আহৰণ কৰা তথ্যসমূহো সত্য প্ৰতিষ্ঠাৰ পূৰ্বে যুক্তি বা বুদ্ধিৰ সহায়ত বিশ্লেষণ কৰা হয়। বিশেষকৈ বিমূৰ্ত্ত জ্ঞানৰ ক্ষেত্ৰত বুদ্ধিয়েই প্ৰধান ভৰসা। কিছুমান দাৰ্শনিকৰ মতে 'স্মৃতি'ও জ্ঞান লাভৰ এক উৎস। স্মৃতিৰ সহায়তো আমি কিছুমান বস্তুৰ জ্ঞান লাভ কৰিব পাৰোঁ। শব্দ প্ৰমাণৰ জৰিয়তে জ্ঞান লাভ কৰিব পাৰি। দৰ্শনত আপ্ত ব্যক্তিৰ বা আপ্ত গ্ৰন্থৰ বাণী প্ৰামাণ্য সত্য বুলি বিবেচিত হয়।

৩.৪ জ্ঞানৰ মতবাদসমূহ

জ্ঞানৰ উৎপত্তি সম্পৰ্কে প্ৰধানকৈ চাৰিটা মতবাদ পোৱা যায়—

(১) বুদ্ধিবাদ ঃ এই মতবাদ অনুসৰি বুদ্ধিয়েই জ্ঞানৰ প্ৰধান তথা একমাত্ৰ উৎস। ৰেণে ডেকার্ট, স্পিনোজা আৰু লেইব্‌নিজ হ'ল বুদ্ধিবাদৰ প্ৰধান প্ৰবক্তা।

(২) অভিজ্ঞতাবাদ ঃ এই মতবাদ অনুসৰি ইন্দ্ৰিয় অভিজ্ঞতাই জ্ঞান লাভৰ একমাত্ৰ উৎস। অভিজ্ঞতাবাদৰ জনক হ'ল জন ল'ক। ল'কৰ উপৰিও এই মতবাদৰ প্ৰধান পৃষ্ঠপোষক হ'ল ডেভিদ হিউম আৰু জৰ্জ বাৰ্কলে।

(৩) বিচাৰবাদ ঃ বিচাৰবাদৰ পৃষ্ঠপোষক হ'ল ইমানুৱেল কান্ট। কান্টৰ মতে বুদ্ধি আৰু অভিজ্ঞতাৰ সংযোজনৰ ফলতে জ্ঞানৰ উৎপত্তি হয়।

(৪) স্বজ্ঞাবাদ বা অন্তর্জ্ঞান বাদ ঃ এই মতবাদ অনুসৰি স্বজ্ঞা বা অন্তর্জ্ঞানেই জ্ঞান লাভৰ উৎস। হেন্ৰি বাৰ্গছঁ (Henry Bergson) হ'ল স্বজ্ঞাবাদৰ প্ৰধান পুৰোধা।

৩.৫ বুদ্ধিবাদ

জ্ঞানোৎপত্তি সম্পৰ্কীয় বুদ্ধিবাদৰ মতে যুক্তি বা বুদ্ধিয়েই জ্ঞানৰ প্ৰধান তথা একমাত্ৰ উৎস। বুদ্ধিবাদে ইন্দ্ৰিয় অভিজ্ঞতাক জ্ঞান লাভৰ উৎস হিচাপে অগ্ৰাহ্য কৰে। ছক্ৰেটিছ আৰু প্লেটোৰ দৰ্শনত আমি সৰ্ব-প্ৰথম বুদ্ধিবাদৰ আভাস পাওঁ। তেওঁলোকৰ মতে যথাৰ্থ জ্ঞানৰ উৎস হ'ল 'যুক্তি'। ছক্ৰেটিছ আৰু প্লেটো আদি দাৰ্শনিক সকলে নিৰ্দিষ্ট মতবাদ প্ৰতিষ্ঠা নকৰিলেও বুদ্ধিকেই অভ্ৰান্ত জ্ঞানৰ আধাৰ ৰূপে স্বীকাৰ কৰে। তেওঁলোকে জ্ঞানক চিন্তাশক্তি আৰু যুক্তিৰ ঐক্য বুলি বিবেচনা কৰে। সোতৰশ আৰু ওঠৰশ শতিকাৰ দাৰ্শনিকসকলেও পৰবৰ্তীকালত জ্ঞানৰ জগতত বুদ্ধিৰ অনিবাৰ্য্য ভূমিকা প্ৰমাণ কৰিবলৈ নিজস্ব মতবাদ প্ৰতিষ্ঠা কৰে। জ্ঞান লাভৰ ক্ষেত্ৰত অভিজ্ঞতাৰ গুৰুত্ব কিমান তাৰ ওপৰত নিৰ্ভৰ কৰি বেলেগ বেলেগ বুদ্ধিবাদী দাৰ্শনিকে বেলেগ বেলেগ ব্যাখ্যা আগবঢ়াইছে। কিছুমান বুদ্ধিবাদী দাৰ্শনিকৰ মতে যথাৰ্থ জ্ঞান লাভৰ ক্ষেত্ৰত ইন্দ্ৰিয় অভিজ্ঞতাৰ কোনো অৱদান নাই; ইন্দ্ৰিয় অভিজ্ঞতাই আমাক কোনো জ্ঞান দিব নোৱাৰে। আনহাতে কিছুসংখ্যক বুদ্ধিবাদী দাৰ্শনিকে অভিজ্ঞতালব্ধ জ্ঞানক কিঞ্চিৎ মূল্য দিছে। তেওঁলোকৰ মতে অভিজ্ঞতাৰ পৰা কিছুমান জ্ঞান সম্ভৱ হ'লেও এই জ্ঞান বিভ্ৰান্তিকৰ জ্ঞান। কিন্তু সকলো বুদ্ধিবাদী দাৰ্শনিক এক কথাত একমত যে বুদ্ধি বা যুক্তিৰ পৰা পোৱা জ্ঞান হ'ল নিশ্চিত আৰু শুদ্ধ জ্ঞান। বুদ্ধিবাদক অভিজ্ঞতাপূৰ্ব জ্ঞানৰ মতবাদ বুলিও কোৱা হয় কাৰণ এই মতবাদ অনুসৰি জ্ঞান অভিজ্ঞতাপূৰ্ব বা অভিজ্ঞতা স্বতন্ত্ৰ।

৩.৫.১ বিভিন্ন দাৰ্শনিকৰ মতামত

ৰেণে ডেকার্ট (১৫৯৬-১৬৫০) ঃ-

আধুনিক পাশ্চাত্য দৰ্শনৰ জনক বুলি খ্যাত ৰেণে ডেকার্ট বুদ্ধিবাদৰো প্ৰধান হোতা। ডেকার্ট এগৰাকী ফ�ৰাছী দাৰ্শনিক তথা গণিতজ্ঞ। ডেকার্ট যিহেতু এগৰাকী গণিতজ্ঞ আছিল, সেয়ে তেওঁৰ মতে গাণিতিক পদ্ধতি অনুসৰণ কৰিয়েই দৰ্শনৰ ক্ষেত্ৰতো যথাৰ্থ জ্ঞান লাভ কৰা সম্ভৱ। এনে পদ্ধতিসমূহত কেতবোৰ স্বতঃসিদ্ধ সূত্ৰৰ ওপৰত নিৰ্ভৰ কৰি নিগমণ পদ্ধতিৰ সহায়ত সিদ্ধান্ত নিৰ্ণয় কৰা হয়।

ডেকার্টৰ মতে আমাৰ মনত তিনি প্ৰকাৰৰ ধাৰণা থাকে ঃ আগন্তুক ধাৰণা (Adventitious Idea), কৃত্ৰিম বা কাল্পনিক ধাৰণা (Factitious Idea) আৰু অন্তর্জাত ধাৰণা (Innate Idea), বাহ্যিক বস্তুৰ লগত হোৱা ইন্দ্ৰিয় সংস্পৰ্শৰ ফলত যি ধাৰণাৰ উৎপত্তি হয় তাক আগন্তুক ধাৰণা বুলি কোৱা হয়। এই ধাৰণা স্পষ্ট আৰু পৰিস্ফুট নহয়। বাহ্যিক বস্তুৰ ওপৰত নিৰ্ভৰ নকৰাকৈ আমাৰ মনে বিভিন্ন ধাৰণাক সংযুক্ত কৰি এক নতুন ধাৰণা সাজি লয়,

তাকে কৃত্রিম ধাৰণা বোলে। এই কৃত্রিম ধাৰণাও স্পষ্ট আৰু সন্দেহমুক্ত নহয়। কিন্তু অন্তর্জাত ধাৰণা স্পষ্ট আৰু স্বতঃসিদ্ধ। অন্তর্জাত ধাৰণাসমূহ জন্মৰ সময়তে ঈশ্বৰে মানুহৰ মনত ৰোপন কৰে।

ডেকার্টৰ মতে বুদ্ধি বা যুক্তিৰ স্পষ্ট ছাঁপৰ পৰা জ্ঞানৰ উদ্ভৱ হয়। ডেকার্টে ইয়াক স্বজ্ঞা বা অন্তর্জ্ঞান (Intuition) বুলি কৈছে। বুদ্ধি জ্ঞান লাভৰ স্বাভাৱিক উৎস। তেওঁৰ মতে স্বজ্ঞা হ'ল যুক্তি প্রদত্ত স্বতঃসিদ্ধ সত্যৰ নিঃসন্দেহ তথা প্রত্যক্ষ উপলব্ধি। সকলো অভিজ্ঞতা অর্জনৰ পূর্বেই জন্মৰ সময়ত ঈশ্বৰে অন্তর্জাত ধাৰণাসমূহ মানুহৰ মনত ৰোপন কৰিছে। অন্তর্জাত ধাৰণাসমূহ স্বতঃসিদ্ধ। কার্য্যকাৰণ সম্বন্ধ, অসীমতা, নিত্যতা, পূর্ণতা বা ঈশ্বৰৰ ধাৰণা আদি অন্তর্জাত ধাৰণা। এই ধাৰণাসমূহ স্পষ্ট আৰু পৰিস্ফুট আৰু এই স্পষ্টতা আৰু পৰিস্ফুটতাই হ'ল সত্যতা নির্ণয়ৰ মাপকাঠি। গণিতত কেতবোৰ স্বতঃসিদ্ধ সূত্রৰ ওপৰত নির্ভৰ কৰি নিগমণ পদ্ধতিৰ সহায়ত সিদ্ধান্ত নির্ণয় কৰা হয়। দর্শনৰ ক্ষেত্রতো যদি একে পদ্ধতি অৱলম্বন কৰা হয় তেন্তে দার্শনিক সত্যও গণিতৰ দৰে সুনিশ্চিত হ'ব। এইদৰে ডেকার্টে দর্শনত গাণিতিক পদ্ধতি অনুসৰণ কৰে। সেয়েহে পলছনে (Paulson) ডেকার্টৰ দর্শনক 'গাণিতিক বুদ্ধিবাদ' (Mathematical Rationalism) বুলি অভিহিত কৰে।

ডেকার্টৰ মতে নিশ্চয়তা হ'ল সত্যতাৰ ভিত্তি। সেয়েহে তেওঁ ইন্দ্রিয় অভিজ্ঞতাৰ পৰা লাভ কৰা জ্ঞান অগ্রাহ্য কৰে। ডেকার্টৰ লক্ষ্য আছিল এটা নিঃসংশয় মূলনীতিত উপনীত হোৱা। ডেকার্টে বিশ্বসংসাৰৰ সকলোবোৰ বস্তুকেই সন্দেহ কৰিবলৈ ধৰিলে। সকলো বস্তুকে সন্দেহ কৰিব পাৰি কিন্তু সংশয় কৰা আত্মাক সন্দেহ কৰিব নোৱাৰি। সংশয় কৰা মানে হ'ল ভবা আৰু ভবা মানে হ'ল অস্তিত্ব থকা। 'মই ভাবো, সেইকাৰণে মই আঁছো' (Cogito Ergo Sum)।

ডেকার্টে আত্মাৰ অস্তিত্ব প্রতিষ্ঠিত কৰিবলৈ বাহ্যিক জগতৰ অস্তিত্ব স্বীকাৰ কৰে। মানুহৰ অন্তর্জাত ধাৰণা সমূহৰ ভিতৰত আটাইতকৈ প্রয়োজনীয় অন্তর্জাত ধাৰণা হ'ল ঈশ্বৰৰ ধাৰণা। ডেকার্টে ঈশ্বৰৰ এই ধাৰণাৰ পৰা ঈশ্বৰৰ অস্তিত্বক প্রমাণ কৰে। ঈশ্বৰৰ ধাৰণাই হ'ল অসীম অস্তিত্বৰ ধাৰণা। কিন্তু মানুহৰ অস্তিত্ব সসীম হেতু ই অসীমৰ ধাৰণা সৃষ্টি কৰিব নোৱাৰে। সসীম অস্তিত্ব সমূহক একেলগ কৰিও ঈশ্বৰৰ অসীম অস্তিত্বৰ ধাৰণাক উৎপন্ন কৰিব নোৱাৰি, কিয়নো সসীম অস্তিত্বৰ সমষ্টিও সসীম। সেয়েহে অসীম অস্তিত্বৰ ধাৰণা প্রমাণ কৰিবলৈ এক অসীম অস্তিত্বৰেই প্রয়োজন। আৰু সেয়া ঈশ্বৰ নিজেই। এইদৰে ডেকার্টে ঈশ্বৰৰ অস্তিত্ব মানি লৈছে। ঈশ্বৰৰ অস্তিত্বৰ সত্যতাৰ ওপৰত নির্ভৰ কৰি ডেকার্টে বাহ্যজগতৰ অস্তিত্বও প্রমাণ কৰে। ঈশ্বৰ সত্য আৰু দয়াশীল, ঈশ্বৰে আমাক প্রতাৰণা কৰিব নোৱাৰে। সেয়েহে আমি বুদ্ধি আৰু যুক্তিত পোৱা বাহ্যজগতৰ অস্তিত্ব আছে।

অগ্রগতি নিৰীক্ষন

প্রশ্ন নং১ঃ তলত দিয়াবোৰৰ শুদ্ধ /অশুদ্ধ নির্ণয় কৰক।

(ক) দর্শনৰ যিটো শাখাই জ্ঞানোৎপত্তিৰ মূলতত্ত্ব আলোচনা কৰে তাক তত্ত্ববিদ্যা বুলি কোৱা হয়। (শুদ্ধ/অশুদ্ধ)

(খ)প্লেটোৰ দর্শনক যৌক্তিক বুলি দাবী কৰিব নোৱাৰি। (শুদ্ধ/অশুদ্ধ)

(গ) অভিজ্ঞতা পূর্বমানে হ'ল 'জ্ঞান হ'ল অভিজ্ঞতা লব্ধ'। (শুদ্ধ/অশুদ্ধ)

(ঘ) অন্তর্জাত ধাৰণাসমূহ ঈশ্বৰে জন্মৰ সময়ত মানুহৰ মনত ৰোপন কৰা ধাৰণা। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন নং২ঃ ডেকার্টৰ মতে তিনি প্ৰকাৰৰ ধাৰণা কি কি?

প্ৰশ্ন নং৩ঃ ডেকার্টৰ মতে সত্যতাৰ ভিত্তি কি?

বেনেডিক্ত স্পিনোজা (১৬৩২-১৬৭৭)

আধুনিক পাশ্চাত্য দৰ্শনত স্পিনোজাই ডেকার্টে আৰম্ভ কৰা বুদ্ধিবাদক উন্নতৰূপ প্ৰদান কৰে। ডেকার্টৰ দৰে স্পিনোজাৰো যুক্তি আৰু বুদ্ধিৰ ওপৰত অগাধ বিশ্বাস আছিল। এজন বুদ্ধিবাদী হিচাপে স্পিনোজাৰ মতে বুদ্ধিৰ জৰিয়তে আমি সত্যক জানিব পাৰোঁ। তেওঁৰ মতে বিশুদ্ধ বুদ্ধিয়েই সকলো প্ৰকাৰৰ মানৱীয় জ্ঞানৰ উৎস। বুদ্ধিয়ে আমাক সত্ত্বাৰ জ্ঞান দিব পাৰে কাৰণ সত্ত্বা স্বৰূপতে যৌক্তিক। স্পিনোজাৰ মতে ঈশ্বৰে নিজেই জগতখনক যৌক্তিক ভাৱে সৃষ্টি কৰিছে। তেওঁৰ মতে স্বজ্ঞা (Intution) হ'ল যথার্থ জ্ঞান লাভৰ উপায়। স্বজ্ঞা বা অন্তর্জ্ঞানৰ জৰিয়তে মানুহে দৃশ্যমান বস্তুসমূহৰ মাজত থকা সার্বিক সম্বন্ধৰ বিষয়ে জানে।

স্পিনোজাৰ মতে বস্তুৰ সম্পূর্ণ জ্ঞান লাভ কৰাই হ'ল দৰ্শনৰ উদ্দেশ্য। তেওঁৰ মতে এই সম্পূর্ণ জ্ঞানৰ কাৰণে স্পষ্ট আৰু পৰিস্ফুট চিন্তাৰ প্ৰয়োজন। ডেকার্টৰ দৰে স্পিনোজাইও বিশ্বাস কৰিছিল যে যদি আমি স্বতঃসিদ্ধ নীতিৰে জ্ঞান লাভৰ বাবে অগ্ৰসৰ হওঁ আৰু যুক্তিত জড়িত থকা পদক্ষেপসমূহ প্ৰমাণ কৰোঁ তেন্তে আমি নিশ্চিত আৰু সার্বিক জ্ঞান লাভ কৰিবলৈ সক্ষম হম। স্পিনোজাই নিশ্চিত সত্যত উপনীত হ'বলৈ দৰ্শনত জ্যামিতিক পদ্ধতি ব্যৱহাৰ কৰিছে। নিশ্চিত সত্যত উপনীত হ'বলৈ তেওঁ বিভিন্ন ধৰণৰ সূত্ৰ, স্বীকার্য্য আদি প্ৰয়োগ কৰিছে আৰু এই নীতিসমূহৰ পৰা প্ৰমাণেৰে সৈতে বচনসমূহ নিঃসৃত কৰিছে। ডেকার্টৰ দৰে স্পিনোজাইও অন্তর্জাত ধাৰণাৰ অস্তিত্বত বিশ্বাস কৰে। অৱশ্যে তেওঁ অন্তর্জাত ধাৰণাক বর্ণনা কৰিছিল

বিশেষভাৱে ঈশ্বৰৰ ধাৰণাৰ সহায়ত। স্পিনোজাৰ মতে ইশ্বৰেই একমাত্ৰ দ্ৰব্য। তেওঁৰ মতে দ্ৰব্য অসীম আৰু অনন্ত। ঈশ্বৰ বা দ্ৰব্যৰ অস্তিত্বৰ কাৰণে ঈশ্বৰ বা দ্ৰব্য নিজেই নিজৰ প্ৰমাণ। দ্ৰব্য হ'ল অনন্ত গুণৰ অধিকাৰী। এই গুণসমূহৰ ভিতৰত আমি চেতনা (thought) আৰু বিস্তৃতি (extension) হে জানো। গুণসমূহ সমান্তৰাল আৰু সহ-অৱস্থিতি সম্পন্ন। এই গুণসমূহক অসীম জ্ঞান বা বুদ্ধি আৰু ইচ্ছা; আৰু অসীম বিস্তৃতি আৰু গতিত পৰিবর্তিত কৰা হৈছে। অসীম বুদ্ধি আৰু ইচ্ছাক আকৌ সসীম বুদ্ধি আৰু সসীম মন সমূহলৈ পৰিবর্তিত কৰা হৈছে। অসীম বিস্তৃতি আৰু গতিক সসীম বিস্তৃতি আৰু গতি বা সসীম বস্তুবোৰলৈ ৰূপান্তৰিত কৰা হৈছে। এইদৰে সসীম মন আৰু সসীম বস্তু হ'ল মাত্ৰ এটা দ্ৰব্যৰ ৰূপান্তৰণ।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং৪ঃ স্পিনোজাৰ দার্শনিক পদ্ধতি হ'ল — (ক) গাণিতিক, (খ) জ্যামিতিক

প্ৰশ্ন নং৫ঃ স্পিনোজাৰ মতে ঈশ্বৰৰ — (ক) তিনিটা গুণ, (খ) দুটা গুণ, (ক) অসীম গুণ আছে।

গটফ্রেদ উইলহেল্ম লেইব্‌নিজ (Gottfried Wilhelm Leibniz) **(১৬৪৬-১৭১৬)**

লেইব্‌নিজ এজন বিখ্যাত গণিতজ্ঞ আছিল। তেওঁৰ মতে জগতখনৰ এক তৰ্কীয় আৰু গাণিতিক শৃংখলা আছে। জগতক নিয়ন্ত্রণ কৰা নিয়ম শৃংখলা যুক্তি বা বুদ্ধিৰ ওপৰতহে নির্ভৰশীল। সেয়েহে লেইব্‌নিজে দৃঢ়ভাবে উপস্থাপন কৰে যে কেৱল বুদ্ধিজাত উপাদানৰ পৰাহে জ্ঞান উৎপন্ন হ'ব পাৰে। বুদ্ধিৰ দ্বাৰাই সমস্ত ধাৰণা লাভ কৰা যায়, ইন্দ্রিয়ৰ মাধ্যমত নহয়।

লেইব্‌নিজৰ জ্ঞানৰ মতবাদ তেওঁৰ তাত্ত্বিক (metaphysical) মতবাদৰ ওপৰত প্রতিষ্ঠিত। লেইব্‌নিজে প্রতিষ্ঠা কৰে যে জগতখন কিছুমান সক্রিয়, অমূর্ত্ত, অবিস্তৃত আৰু সৰল শক্তিৰ গোট। এই গোট বিলাকক মনাড (monad) বুলি কোৱা হয়। এই জীৱজগত অসংখ্য চিৎ পৰমাণু বা মনাডৰ সমষ্টি মাথোন। লেইব্‌নিজৰ মতে মনাডসমূহ গবাক্ষ বা খিৰিকী বিহীন চেতন সত্তা (Windowlessness), সেয়েহে মনাডে বাহিৰা উৎসৰ পৰা কোনো জ্ঞান লাভ কৰিব নোৱাৰে। মনাড হ'ল সক্রিয় চেতন সত্তা য'ত বাহ্যজগত বা ঈন্দ্রিয়লবদ্ধ জ্ঞানৰ প্রতিফলন ঘটিব নোৱাৰে। লেইব্‌নিজৰ মতে আপাত দৃষ্টিত ঈন্দ্রিয়ৰ পৰা লাভ কৰা যেন বোধ হোৱা ধাৰণাসমূহো প্রকৃততে বুদ্ধি প্রদত্ত ধাৰণাহে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং৬ঃ তলত দিয়াবোৰৰ শুদ্ধ /অশুদ্ধ নির্ণয় কৰক।

(ক) মনাডসমূহ বিস্তৃত। (শুদ্ধ/অশুদ্ধ)

(খ) লেইব্‌নিজৰ মতে জ্ঞানত অভিজ্ঞতাৰ কাম হ'ল অভিজ্ঞতাক প্রকাশ কৰা। (শুদ্ধ/অশুদ্ধ)

চিন্তা-চর্চা কৰক ৩.১

বুদ্ধিবাদৰ তিনিটা বৈশিষ্ট্য উল্লেখ কৰক।

প্রত্যেক গৰাকী বুদ্ধিবাদী দার্শনিকৰ একোখনকৈ গুৰুত্বপূর্ণ গ্রন্থৰ নাম লিখক।

৩.৬ অভিজ্ঞতাবাদ

অভিজ্ঞতাবাদ অনুসৰি অভিজ্ঞতাই হ'ল জ্ঞানৰ মূল উৎস। অভিজ্ঞতাবাদ বুদ্ধিবাদৰ সম্পূর্ণ এক বিপৰীত মতবাদ। বুদ্ধিবাদৰ বিৰোধিতা কৰি অভিজ্ঞতাবাদৰ সমর্থক দার্শনিকসকলে সাব্যস্ত কৰে যে ইন্দ্রিয় অভিজ্ঞতাৰ জৰিয়তেহে যথার্থ জ্ঞান লাভ কৰা সম্ভৱ। অভিজ্ঞতাবাদীসকলৰ মতে 'অভিজ্ঞাতাপূর্ব বুদ্ধিগত নীতি' সমূহ দৰাচলতে ইন্দ্রিয় অভিজ্ঞতাৰপৰাহে লাভ কৰা হয়। বুদ্ধিবাদৰ বিপৰীতে অভিজ্ঞতাবাদক 'অভিজ্ঞতালব্ধ জ্ঞানৰ মতবাদ' বুলি কোৱা হয় কাৰণ অভিজ্ঞাতাবাদৰ মতে জ্ঞান অভিজ্ঞতাৰ অনুৱর্তী বা অভিজ্ঞতাৰ ওপৰত নির্ভৰশীল।

৩.৬.১ বিভিন্ন দার্শনিকৰ মতামত

জন ল'ক (John Locke) **(১৬৩২-১৭০৪)**

জন ল'কে ডেকার্টৰ বুদ্ধিবাদৰ তীব্র বিৰোধিতা কৰে আৰু বিভিন্ন যুক্তিৰ সহায়ত ডেকার্টৰ অন্তর্জাত ধাৰণাৰ অস্তিত্ব খণ্ডন কৰাৰ চেষ্টা কৰে। ল'কৰ অন্তর্জাত ধাৰণা খণ্ডন কৰাৰ যুক্তিসমূহ তলত আলোচনা কৰা হ'লঃ

১) যদি প্রকৃততে অন্তর্জাত ধাৰণাৰ অস্তিত্ব থাকিলেহেতেন তেনেহ'লে সার্বজনীন ভাবে ই সকলো মানুহৰ মনত উপস্থিত থাকিলেহেতেন। কিন্তু এনে কোনো ধাৰণাৰ অৱস্থিতি দেখা নাযায় যিবোৰ ব্যতিক্রমহীনভাবে সকলোৰে মনত সমভাৱে উপস্থিত থাকে। উদাহৰণ স্বৰূপে ঃ শিশু, নির্বোধ, উন্মাদ আদি ব্যক্তিৰ মন অন্তর্জাত ধাৰণা হিচাপে স্বীকৃত কার্য্যকাৰণ সম্বন্ধ, অসীমতা, নিত্যতা আদি ধাৰণা সম্পর্কে সচেতন নহয়।

২) অন্তর্জাত ধাৰণাৰ যদি অস্তিত্ব থাকে তেনেহ'লে ইয়াৰ বিষয়ে সকলোৰে একমত হ'ব লাগিব। কিন্তু নৈতিক ধাৰণা, ঈশ্বৰ আদিক লৈ মানুহৰ মাজত মতভেদ দেখা যায়। সামাজিক অৱস্থা ভেদেও এই ধাৰণাবোৰৰ ব্যাখ্যা ভিন্ ভিন্ হোৱা দেখা যায়।

৩) কিছুমান ধাৰণা সার্বিকভাৱে সকলোৰে মনত উপস্থিত থাকিলেও তাক অন্তর্জাত ধাৰণা আখ্যা দিব নোৱাৰি। জুইৰ প্রতি সকলোৰে ধাৰণা একে যে— 'জুইয়ে পোৰে'। কিন্তু জুইৰ এই ধাৰণা কার্য্যতঃ অভিজ্ঞাতাৰ সহায়তহে অর্জন কৰা হয়। ই অন্তর্জাত ধাৰণা নহয় । ধাৰণাৰ সার্বিকতাই এইটো প্রমাণ নকৰে যে ই অন্তর্জাত।

ল'কে কয় যে জন্মৰ সময়ত মানুহৰ মনটো এখিলা উকা কাগজৰ (Tabula rasa) লেখীয়া। মনটো এক উকা ফলি য'ত অভিজ্ঞতাবোৰ প্রতিদিনে লিপিবদ্ধ হৈ থাকে। ল'কৰ মতে— "এনে কোনো ধাৰণা বুদ্ধিত নাই যাক আগেয়ে ইন্দ্রিয়ৰ মাধ্যমত জনা হোৱা নাই।" (There is nothing in the intellect which was not previously in the sense) মনে অভিজ্ঞতাৰ সহায়ত ধাৰণা আহৰণ কৰে। এই অভিজ্ঞতা দুই ধৰণৰ ঃ ইন্দ্রিয় সংবেদন (sensation) আৰু চিন্তন (reflection)। ইন্দ্রিয় সংবেদনে আমাক বাহ্যিক জগত সম্পর্কে জ্ঞান দিয়ে আৰু চিন্তনে আমাৰ মানসিক অৱস্থা সম্পর্কে জ্ঞান দিয়ে; যেনে বিশ্বাস, চিন্তা, যুক্তি ইত্যাদি। আমি আমাৰ ধাৰণাসমূহ প্রথমতে ইন্দ্রিয় সংবেদনৰ পৰা পাওঁ।

ল'কে কয় যে,— ইন্দ্রিয় সংবেদন নোহোৱা কৈ মনে চিন্তা বা ধাৰণা কৰিব নোৱাৰে— ই সম্পূর্ণ নিষ্ক্রিয় হৈ থাকে। ধাৰণা গ্রহণৰ ক্ষেত্রত মন নিষ্ক্রিয়। কিন্তু ধাৰণাবোৰ সংযুক্ত আৰু তুলনা কৰাৰ ক্ষেত্রত মন সক্রিয়। প্রথমে মনে নিষ্ক্রিয়ভাবে ইন্দ্রিয় সংবেদনসমূহ সংগ্রহ কৰে আৰু তাৰ পিছত সক্রিয় হৈ চিন্তা কৰি নিষ্ক্রিয় মনে সংবেদনসমূহ পোৱাৰ পিছতহে সক্রিয় হয়। নিষ্ক্রিয়ভাবে মনে সংগ্রহ কৰা ধাৰণাবোৰক সৰল ধাৰণা বুলি কোৱা হয়। সৰল ধাৰণাসমূহ সম্বন্ধলৈ আনি জটিল ধাৰণা (Complex ideas) সৃষ্টি কৰাৰ সামর্থ্যও মনৰ আছে। ল'কৰ মতে চাৰি প্রকাৰৰ সৰল ধাৰণা আছে। প্রথমতে, যিবিলাক ধাৰণা এটা মাত্র ইন্দ্রিয়ৰ দ্বাৰা মনে সংগ্রহ কৰে। উদাহৰণস্বৰূপে বৰণ, স্বাদ, গোন্ধ, তাপ ইত্যাদি। দ্বিতীয় প্রকাৰৰ সৰল ধাৰণা হ'ল যিবিলাক ধাৰণা মনে এটাতকৈ বেছি ইন্দ্রিয়ৰদ্বাৰা সংগ্রহ কৰে। যেনে ঃ বস্তুৰ আয়তন, বিস্তৃতি, গতি ইত্যাদি, যাক দৃষ্টি আৰু স্পর্শ উভয় মাধ্যমেৰে পোৱা যায়। তৃতীয়তে, সৰল ধাৰণা যিবোৰ চিন্তনৰ সহায়ত পোৱা যায়। যেনেঃ প্রত্যক্ষ, স্মৃতি, অন্তর্দৃষ্টি, ৰিজনি, মিশ্রণ, নামাকৰণ

আৰু অমূর্তকৰণ। চতুর্থতে, ইন্দ্রিয় সংবেদন আৰু চিন্তন উভয়ৰে পৰা সংযুক্ত ভাবে হোৱা ধাৰণা। উদাহৰণস্বৰূপে সুখ, দুখ, ক্ষমতা, স্থায়িত্ব, অস্তিত্ব ইত্যাদি।

ল'কে গুণসমূহক প্রধানকৈ দুটা ভাগত ভাগ কৰিছে— মুখ্য গুণ (Primary quality) আৰু গৌণ গুণ (Secondary quality) বস্তুৰ যিবোৰ গুণ ব্যক্তি প্রত্যক্ষৰ ওপৰত নির্ভৰ নকৰাকৈ স্বতন্ত্রভাবে বস্তুত বিৰাজ কৰে তাক মুখ্য গুণ বোলে। এই গুণ বিলাক বস্তুৰ পৰা পৃথক কৰিব নোৱাৰি। মুখ্যগুণসমূহ বস্তুনিষ্ঠ। মুখ্য গুণৰ উদাহৰণ বস্তুৰ আয়তন, বিস্তৃতি, ঘনত্ব, আকাৰ, আকৃতি, গতি ইত্যাদি। আনহাতে বস্তুৰ যিবোৰ গুণ স্বতন্ত্র নহয় অর্থাৎ ব্যক্তি প্রত্যক্ষৰ ওপৰত নির্ভৰ কৰে তাক গৌণ গুণ বোলে। গৌণ গুণ, মুখ্য গুণৰ ওপৰত নির্ভৰশীল। পৰিস্থিতি অনুসৰি গৌণ গুণসমূহ পৰিবর্তন সাপেক্ষ। এই গুণ ব্যক্তি নিষ্ঠ। গৌণ গুণৰ উদাহৰণ বর্ণ, স্বাদ, গোন্ধ ইত্যাদি।

ল'ক এজন অভিজ্ঞতাবাদী দার্শনিক। কিন্তু ল'কে দ্রব্য, মন বা আত্মা আৰু ঈশ্বৰৰ অস্তিত্ব মানি লৈছে যদিও ই ইন্দ্রিয়ৰ দ্বাৰা সম্ভৱ নহয়। ল'কে কৈছে যে যদিও দ্রব্য প্রত্যক্ষ কৰিব নোৱাৰি তথাপি মূখ্য গুণৰ আধাৰ হিচাপে দ্রব্যৰ অস্তিত্ব মানি ল'ব লাগিব। ঠিক সেইদৰে চিন্তনৰ কাৰণে আত্মাৰ অস্তিত্বও ল'কে মানি লৈছে। আত্মাৰ অস্তিত্বৰ লগে লগে বাহ্য জগতৰ স্রষ্টা হিচাপে ল'কে ঈশ্বৰৰ অস্তিত্বও মানি লৈছে। যদিও ল'কে ইন্দ্রিয় অভিজ্ঞতা অবিহনে কোনো জ্ঞান সম্ভৱ নহয় বুলি কৈছে তথাপি তেওঁ অভিজ্ঞতাবাদৰ পৰিধি ভাঙি দ্রব্য, মন আৰু ঈশ্বৰৰ অস্তিত্ব মানি লৈছে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং৭ঃ অভিজ্ঞতাবাদক কিয় অভিজ্ঞতা প্রসূত জ্ঞানৰ মতবাদ বুলি কোৱা হৈছে? **প্রশ্ন নং৮ঃ**

তলত দিয়াবোৰৰ শুদ্ধ/অশুদ্ধ নির্ণয় কৰক।

(ক) ল'কে কৈছে যে অন্তর্জাত ধাৰণাসমূহ ইশ্বৰে জন্মৰ সময়ত মানুহৰ মনত ৰোপন কৰিছে। (শুদ্ধ/অশুদ্ধ)

(খ) চিন্তন, ইন্দ্রিয় সংবেদন পূর্ব। (শুদ্ধ/অশুদ্ধ)

(গ) ল'ক এজন প্রকৃতার্থত অভিজ্ঞাতাবাদী দার্শনিক। (শুদ্ধ/অশুদ্ধ)

(ঘ) অভিজ্ঞতাতহে আমি মনৰ অস্তিত্ব বিচাৰি পাওঁ গতিকে ল'কৰ মতে আমি ইয়াৰ অস্তিত্বক বিশ্বাস কৰা উচিত। (শুদ্ধ/অশুদ্ধ)

ডেভিদ হিউম (১৭১১-১৭৭৬)

জন ল'কৰ হাতত প্রতিষ্ঠা আৰু প্রসাৰ লাভ কৰা অভিজ্ঞতাবাদৰ চৰম ৰূপ দেখা যায় তেওঁৰেই এগৰাকী অনুগামী ডেভিদ হিউমৰ অভিজ্ঞতাবাদৰ মাধ্যমত। হিউম এজন চৰম অভিজ্ঞাতাবাদী আছিল আৰু তেওঁ কেতিয়াও এনে কোনো বস্তু বা ধাৰণাক স্বীকাৰ কৰা নাই যাক অভিজ্ঞতাৰ দ্বাৰা ব্যাখ্যা কৰিব নোৱাৰি। তেওঁ মন বা আত্মা, দ্রব্য, ইশ্বৰ আদিৰ অস্তিত্বক অস্বীকাৰ কৰে কিয়নো এইসমূহক আমি কেতিয়াও ইন্দ্রিয় অভিজ্ঞতাত নাপাওঁ। হিউমৰ মতে সকলো জ্ঞান মুদ্রণ (Impression) আৰু ধাৰণা (idea) ৰ পৰা আহে। মানুহৰ মনলৈ অহা নানান বস্তুৰ কিছুমান ছবি খুব স্পষ্টভাবে প্রকাশিত হয়। হিউমে সেইবোৰক মুদ্রণ বুলি কৈছে। সেই ছবি যেতিয়া অস্পষ্টকৈ প্রকাশিত হয় তাৰ নাম হিউমে দিছে 'ধাৰণা'। হিউমৰ মতে জ্ঞান গঠিত হয় ইন্দ্রিয় প্রত্যক্ষৰ মুদ্রণ আৰু চিন্তন প্রত্যক্ষৰ মুদ্রণ উপাদান দুটাৰ জৰিয়তে।

মুদ্রণ আৰু ধাৰণা সূক্ষ্ম কিন্তু এটা আনটোৰ লগত সংলগ্ন নহয়। মুদ্রণ আৰু ধাৰণাসমূহ আপুনা-আপুনি আনুসংগিক নিয়মসমূহৰ দ্বাৰা এটা আনটোৰ লগত সংযুক্ত হয়। আনুসংগিক নিয়মসমূহ হ'ল যেনে সান্নিধ্য নীতি, সাদৃশ্য নীতি আৰু কার্য্যকাৰণ নীতি। সাদৃশ্য নীতিৰ জৰিয়তে বস্তু এটাৰ সংক্ষেপ আমি এটা প্রতিচ্ছবিৰ পৰা পাব পাৰো। সান্নিধ্য নিয়মৰ জৰিয়তে এটা চিঁয়াহীৰ বটলে যে কলমকে সূচাব পাৰে তাক বুজিব পাৰো। সান্নিধ্য নীতিৰ জৰিয়তে আমি চিক্-মিকনিয়ে বজ্রপাতকে সূচায় বুলি বুজিব পাৰো। আকৌ 'জুই' আৰু 'পোৰা' এই ধাৰণা দুটাৰ সমন্বয় আমি কার্য্যকাৰণ সম্বন্ধৰ দ্বাৰা পাওঁ। এইদৰে অসংলগ্ন মূদ্রণসমূহে এটা আনটোৰ লগত আনুসংগিক নিয়মৰ দ্বাৰা সংযুক্ত হয়। এইদৰে কিছুমান আনুসংগিক নিয়মৰ দ্বাৰা মুদ্রণ আৰু ধাৰণাৰ সমন্বয় হয় আৰু তাৰ ফলত জ্ঞানৰ উৎপত্তি হয়। আমাৰ জ্ঞান কোনো যুক্তি বা বুদ্ধিৰ দ্বাৰা উৎপত্তি নহয়। নীতিসমূহ স্বৰূপার্থত ব্যক্তিনিষ্ঠ। সেয়েহে মূদ্রণত সংযোজিত নীতিসমূহো ব্যক্তিনিষ্ঠ।

হিউমে দ্রব্য, মন বা আত্মা আৰু ঈশ্বৰৰ অস্তিত্ব অস্বীকাৰ কৰে কাৰণ এই সমূহক আমি প্রত্যক্ষৰ মাধ্যমেৰে কেতিয়াও বুজি পাবলৈ সক্ষম নহও। হিউমে এইদৰে অদৃশ্য সত্বাৰ অস্তিত্বও অস্বীকাৰ কৰে। হিউমৰ মতে ইন্দ্রিয় সংবেদন অবিহনে আমি বাহ্যসত্বাক জনা সম্ভৱ নহয়। হিউমৰ অভিজ্ঞতাবাদ অনুসৰি কোনো জ্ঞানেই সুনিশ্চিত নহয়। হিউমৰ মতে বিশেষ আৰু আকস্মিক ঘটনা সমূহৰ সত্যতাৰহে প্রমাণ আছে কাৰণ এই বিলাকক আমি অভিজ্ঞতাত পাওঁ। তেওঁৰ মতে যথার্থ জ্ঞান লাভ কৰিবলৈ আমি ইন্দ্রিয় সংবেদনৰ উৰ্দ্ধত যাব নোৱাৰোঁ। এইদৰে হিউমে সন্দেহবাদ আৰু ইন্দ্রিয় সংবেদনবাদৰ পোষকতা কৰে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং৯ঃ হিউমে কিয় দ্রব্য, মন আৰু ইশ্বৰৰ অস্তিত্ব অস্বীকাৰ কৰে?

প্রশ্ন নং১০ঃ শুদ্ধ/অশুদ্ধ নির্ণয় কৰক।

(ক) অভিজ্ঞতাই আমাক অনিবার্য্য সত্যতা দিব পাৰেনে? (শুদ্ধ/অশুদ্ধ)

চিন্তা-চর্চা কৰক ৩.২

সন্দেহবাদ কি? আলোচনা কৰক।

৩.৭ বিচাৰবাদ

বিচাৰবাদ হ'ল বুদ্ধিবাদ আৰু অভিজ্ঞতাবাদৰ সমন্বয়। বুদ্ধিবাদ বা অভিজ্ঞতাবাদ কোনোটোৱেই সন্তোষজনক মতবাদ নহয়। বুদ্ধিবাদে অভিজ্ঞতাক অস্বীকাৰকৰি, যুক্তি বা বুদ্ধিকেই জ্ঞানৰ একমাত্র উৎস বুলি গ্রহণ কৰি একপক্ষীয় হৈ পৰিছে। সেইদৰে বুদ্ধি বা যুক্তিক অৱজ্ঞা কৰি অভিজ্ঞতাবাদো একপক্ষীয় হৈ পৰিছে কাৰণ অভিজ্ঞতাবাদৰ মতে অভিজ্ঞতাহে একমাত্র জ্ঞানৰ উৎস, যুক্তি বা বুদ্ধি নহয়। জ্ঞানৰ সার্বিকতা আৰু অনিবার্য্যতাক

গুৰুত্ব দিয়াটো বুদ্ধিৰ এক শুদ্ধ পদক্ষেপ যদিও অন্তর্জাত ধাৰণাক গ্ৰহণ কৰি বুদ্ধিবাদে ভুল কৰিছে। যদি অন্তর্জাত ধাৰণাক স্বীকাৰ কৰা যায় তেন্তে জ্ঞানৰ ৰাজ্যত কোনো নতুনত্বৰ সম্ভাৱনা নাথাকিব। সেয়েহে অভিজ্ঞতাবাদে অভিজ্ঞতাৰ পৰা জ্ঞান লাভ কৰা হয় বুলি গ্ৰহণ কৰাটো শুদ্ধ যদিও কেৱল ইন্দ্ৰিয় অভিজ্ঞতাৰ ওপৰত নির্ভৰ কৰিলে সর্বজন স্বীকৃত যথার্থ জ্ঞান পোৱা সম্ভৱ নহয়। যথার্থ জ্ঞানৰ দুটা উপাদান থাকিব লাগেঃ— সার্বিকতা আৰু নতুনত্ব। ইমানুৱেল কান্টে বিচাৰবাদত বুদ্ধিবাদ আৰু অভিজ্ঞতাবাদৰ সমন্বয় সাধন কৰি এটা সন্তোষজনক ব্যাখ্যা আগবঢ়ায় যে, সার্বিকতা আৰু নতুনত্ব এই দুটাই হ'ল যথার্থ জ্ঞানৰ বৈশিষ্ট্য।

৩.৭.১ বিভিন্ন দার্শনিকৰ মতবাদ

ইমানুৱেল কান্ট (১৭২৪-১৮০৪) ঃ—

ইমানুৱেল কান্টৰ মতে ইন্দ্ৰিয় সংবেদন অবিহনে কোনো জ্ঞান সম্ভৱ নহয়। যিহেতু ইন্দ্ৰিয় সংবেদনে আমাক সার্বিকতা দিব নোৱাৰে সেয়েহে জ্ঞান সম্পূর্ণ ভাবে অভিজ্ঞতাৰ পৰা পাব নোৱাৰি। অভিজ্ঞাতাই দিব নোৱাৰা জ্ঞান হ'ল অভিজ্ঞতাপূর্ব (apriori) জ্ঞান।

ইন্দ্ৰিয় সংবেদন বস্তুৰ সত্ত্বাৰ (things-in-themselves or nou mena) পৰা পোৱা যায়। ইন্দ্ৰিয় সংবেদন জ্ঞানৰ বিষয়বস্তু। এই ইন্দ্ৰিয় সংবেদনবোৰ এটা আনটোৰ পৰা পৃথক আৰু মনৰ দ্বাৰা এই ইন্দ্ৰিয় সংবেদনসমূহৰ সমন্বয় নোহোৱাকৈ কোনো জ্ঞান সম্ভৱ নহয়। জ্ঞানৰ গঠন আমি মনৰ পৰা পাওঁ। কান্টৰ মতে দুটা দিশ আছে ঃ আকাৰ (Form) আৰু উপাদান (matter)। জ্ঞানৰ বাবে উভয়ে অপৰিহার্য্য। কান্টৰ মতে "প্রত্যক্ষবিহীন ধাৰণা শূন্য আৰু ধাৰণাবিহীন প্রত্যক্ষ অন্ধ।"

কান্টে জ্ঞানৰ বৃত্তিক তিনিটা ভাগত ভাগ কৰিছে ঃ- ইন্দ্ৰিয় সংবেদনগত বৃত্তি (faculty of Sensibility), বোধ বৃত্তি (faculty of Understanding) আৰু যৌক্তিক বৃত্তি (faculty of Reasoning)।

ইন্দ্ৰিয় সংবেদনগত বৃত্তি ঃ আমি যেতিয়া বস্তু এটা প্রত্যক্ষ কৰোঁ তেতিয়া আমি বস্তুটো দেশ আৰু কালত (time and space) প্রত্যক্ষ কৰোঁ। দেশ আৰু কালত প্রত্যক্ষৰ এনে ৰূপ যিয়ে অসংযোগী সংবেদনসমূহত সংবেদন শক্তি ব্যৱহাৰ কৰে আৰু সেইবোৰক বোধগম্য বিষয়বস্তুবোৰলৈ ৰূপান্তৰিত কৰে। দেশ আৰু কাল বস্তুৰ সত্তাৰ অন্তর্ভুক্ত নহয়। দেশ আৰু কাল প্রত্যক্ষৰ আকাৰ। দেশ আৰু কাল বস্তু এটা প্রত্যক্ষ কৰাৰ অভিজ্ঞতা পূর্ব উপায়।

বোধ বৃত্তি ঃ বোধৰ প্রবর্গ (categories of understanding) সমূহ হ'ল অভিজ্ঞতাৰ সার্বিক অনিবার্য্য বৈশিষ্ট্য, যি সমূহ সকলো মানসিক অভিজ্ঞতাতে পোৱা যায়। সংবেদনে নিষ্ক্রিয়ভাবে যি অনুভূতিবোৰ দেশ আৰু কালত ধাৰণ কৰে সেই অনুভূতিৰ ওপৰত বুদ্ধিয়ে সক্রিয় ভাবে বোধৰ প্রকাৰ যেনে ঃ দ্রব্য, কাৰণতা, বহুত্ব ইত্যাদি প্রয়োগ কৰে। কেৱল মাত্র ইন্দ্ৰিয় অনুভূতিয়ে জ্ঞান দিব নোৱাৰে। ইন্দ্ৰিয় অনুভূতিৰ লগত বোধৰ প্রকাৰ সংযুক্ত হ'লেই জ্ঞান হয়।

যৌক্তিক বৃত্তি ঃ বুদ্ধি বা যুক্তিৰ দ্বাৰাই মনে অন্তর্জাত আকাৰ আৰু প্রবর্গবোৰ প্রয়োগ কৰে আৰু য'ত কোনো ইন্দ্ৰিয়জাত অভিজ্ঞতা নাই। সংবেদনশীলতাৰ দ্বাৰা সংবেদনসমূহ দেশ আৰু কালত শৃংখলাবদ্ধ হৈ বোধৰ প্রবর্গৰ অধীনত একগোট হয় আৰু এইবোৰৰ মাজত সমন্বয় বুদ্ধিৰ দ্বাৰাই অনা হয়। বুদ্ধিয়ে ইয়াৰ জগত, আত্মা আৰু ঈশ্বৰৰ ধাৰণা অনুসৰি সংবেদনশীলতা আৰু বোধক সমপদস্থ কৰে। বুদ্ধিৰ এই তিনিটা ধাৰণাক নিয়ন্ত্রক ধাৰণা বুলি

কোৱা হয়। বুদ্ধিয়ে এই ধাৰণা সমূহৰ দ্বাৰাই অভিজ্ঞতাৰ বিষয়বোৰ শৃংখলাবদ্ধ কৰে। অভিজ্ঞতাৰ পৰা পোৱা স্বতন্ত্র সংবেদনসমূহ মনৰ সংশ্লেষাত্মক কার্য্যৰ দ্বাৰা এক গোটত হ্রাস কৰা হয়।

কান্টৰ মতে ইন্দ্রিয় সংবেদনে জ্ঞানৰ বিষয়বস্তুৰ যোগান ধৰে আনহাতে মনে বোধৰ প্রবর্গ, যুক্তিৰ ধাৰণা আদিৰ যোগান ধৰে। এনেদৰে আমাৰ জ্ঞান অস্বাভাৱিক জগততে সীমাৱদ্ধ হৈ থাকে। আনখন অতীন্দ্রিয় সত্তাৰ জগত আমাৰ অজ্ঞাত আৰু অজ্ঞেয়। মানৱ মনে বস্তুৰ সত্বা জনাটো সম্ভৱ নহয়।

কান্টৰ পূর্বৰ প্রায় সকলোবোৰ দার্শনিকৰ মতে বাহ্য জগতৰ বৈশিষ্ট্যৰ অনুৰূপ হ'ল প্রত্যক্ষ। আনহাতে কান্টৰ মতে বস্তু এটা জ্ঞাত হ'বলৈ হ'লে ই পোনতে সংগতিপূর্ণ ৰূপত আমাৰ মনতহে থাকিব লাগিব। কান্টৰ মতে জ্ঞানৰ ক্ষেত্রত স্বতন্ত্র প্রকৃতিৰ লগত মনৰ সামঞ্জস্য থকাৰ পৰিবর্তে প্রকৃতিয়েহে মনৰ লগত সামঞ্জস্য বা মিল স্থাপন কৰে। ইয়াকে দর্শনত 'কপাৰনিকাছীয় বিপ্লৱ' বুলি জনা যায়।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং১১ঃ তলত দিয়াবোৰ শুদ্ধ/অশুদ্ধ নির্ণয় কৰক।

(ক) জ্ঞানৰ আকাৰ অভিজ্ঞতা পূর্ব। (শুদ্ধ/অশুদ্ধ)

(খ) মনে কেৱল দৃশ্যমান বস্তুহে জানিব পাৰে। (শুদ্ধ/অশুদ্ধ)

(গ) কান্টৰ মতে কিয় আমি বস্তুৰ সত্বাক জানিব নোৱাৰোঁ? (শুদ্ধ/অশুদ্ধ)

চিন্তা-চর্চা কৰক ৩.৩

কান্টৰ দর্শনক কিয় বিচাৰবাদ আখ্যা দিয়া হয়?

৩.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

অধ্যায়টিৰ পৰা আমি জানিব পাৰিলোঁ যে——

- বুদ্ধিবাদ অনুসৰি বুদ্ধিয়েই জ্ঞানৰ প্রধান তথা একমাত্র উৎস। ৰেণে ডেকার্ট, স্পিনোজা আৰু লেইব্‌নিজ হ'ল বুদ্ধিবাদৰ প্রধান প্রবক্তা।
- অভিজ্ঞতাবাদ অনুসৰি ইন্দ্রিয় অভিজ্ঞতাই জ্ঞান লাভৰ একমাত্র উৎস। অভিজ্ঞতাবাদৰ জনক হ'ল জন ল'ক। ল'কৰ উপৰিও এই মতবাদৰ প্রধান পৃষ্ঠপোষক হ'ল ডেভিদ হিউম আৰু জর্জ বার্কলে।
- বিচাৰবাদৰ পৃষ্ঠপোষক হ'ল ইমানুৱেল কান্ট। কান্টৰ মতে বুদ্ধি আৰু অভিজ্ঞতাৰ সংযোজনৰ ফলতে জ্ঞানৰ উৎপত্তি হয়।

- স্বজ্ঞাবাদ বা অন্তর্জ্ঞান বাদ অনুসৰি স্বজ্ঞা বা অন্তর্জ্ঞানেই জ্ঞান লাভৰ উৎস। হেন্ৰি বাৰ্গছঁ (Henry Bergson) হ'ল স্বজ্ঞাবাদৰ প্ৰধান পুৰোধা।
- কান্টৰ মতে "প্ৰত্যক্ষবিহীন ধাৰণা শূন্য আৰু ধাৰণাবিহীন প্ৰত্যক্ষ অন্ধ।"
- কান্টে জ্ঞানৰ বৃত্তিক তিনিটা ভাগত ভাগ কৰিছে ঃ- ইন্দ্ৰিয় সংবেদনগত বৃত্তি (faculty of Sensibility), বোধ বৃত্তি (faculty of Understanding) আৰু যৌক্তিক বৃত্তি (faculty of Reasoning)।
- দেশ আৰু কাল বস্তুৰ সত্তাৰ অন্তর্ভুক্ত নহয়। দেশ আৰু কাল প্ৰত্যক্ষৰ আকাৰ। দেশ আৰু কাল বস্তু এটা প্ৰত্যক্ষ কৰাৰ অভিজ্ঞতা পূৰ্ব উপায়।

আনহাতে কান্টৰ মতে বস্তু এটা জ্ঞাত হ'বলৈ হ'লে ই পোনতে সংগতিপূৰ্ণ ৰূপত আমাৰ মনতহে থাকিব লাগিব। কান্টৰ মতে জ্ঞানৰ ক্ষেত্ৰত স্বতন্ত্ৰ প্ৰকৃতিৰ লগত মনৰ সামঞ্জস্য থকাৰ পৰিবৰ্তে প্ৰকৃতিয়েহে মনৰ লগত সামঞ্জস্য বা মিল স্থাপন কৰে। ইয়াকে দৰ্শনত 'কপাৰনিকাছীয় বিপ্লৱ' বুলি জনা যায়।

৩.৯ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থঃ

(১) দৰ্শনৰ পৰিচয় (পাশ্চাত্য দৰ্শন) ঃ ড° জোৎস্না ভট্টাচাৰ্য্য
(২) পাশ্চাত্য দৰ্শন ঃ অঞ্জলী দেৱী
(৩) ইমানুৱেল কান্ট ঃ তেওঁৰ জীৱন আৰু দৰ্শন ঃ কালীচৰণ দাস

ইংৰাজী গ্ৰন্থঃ

(১) A History of Philosophy ঃ Frank Thrilly

৩.১০ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) অশুদ্ধ (খ) অশুদ্ধ (গ) শুদ্ধ (ঘ) অশুদ্ধ

২ নং প্ৰশ্নৰ উত্তৰ ঃ আগন্তুক ধাৰণা, কৃত্ৰিম ধাৰণা, অন্তর্জাত ধাৰণা

৩ নং প্ৰশ্নৰ উত্তৰ ঃ নিশ্চয়তা

৪ নং প্ৰশ্নৰ উত্তৰ ঃ জ্যামিত্যিক

৫ নং প্ৰশ্নৰ উত্তৰ ঃ অসীম বা পৰিমিত গুণ

৬ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) অশুদ্ধ (খ) শুদ্ধ

৭ নং প্ৰশ্নৰ উত্তৰ ঃ অভিজ্ঞতাবাদক অভিজ্ঞতাপূৰ্বক জ্ঞান বুলি কোৱা হয়। এই মতবাদ অনুসৰি জ্ঞান স্বতন্ত্ৰ নহয়

অর্থাৎ জ্ঞান অভিজ্ঞতাৰ দ্বাৰা লাভ কৰা যায় বাবে ই অভিজ্ঞতাৰ ওপৰত নির্ভৰশীল। অভিজ্ঞতাৰ বিপৰীতে বুদ্ধিবাদক জ্ঞানৰ প্রত্যক্ষপূর্ণ তত্ব বুলি কোৱা হয়।

৮ নং প্রশ্নৰ উত্তৰ ঃ (ক) অশুদ্ধ (খ) অশুদ্ধ (গ) অশুদ্ধ (ঘ) অশুদ্ধ

৯ নং প্রশ্নৰ উত্তৰ ঃ কাৰণ অভিজ্ঞতা বাদৰ মতে অভিজ্ঞতাই জ্ঞানৰ মূল উৎস

১০ নং প্রশ্নৰ উত্তৰ ঃ (ক) অশুদ্ধ

১১ নং প্রশ্নৰ উত্তৰ ঃ (ক) শুদ্ধ (গ) শুদ্ধ

(গ) কাৰণ জ্ঞানৰ বৃত্তিসমূহ বস্তুৰ সত্তাত প্রয়োগ কৰিব নোৱাৰি।

১২ নং প্রশ্নৰ উত্তৰ ঃ কান্টে মত দিয়ে যে সংবেদনবোৰ জ্ঞানৰ বিষয়বস্তু। জ্ঞান সাধাৰণতে অৱভাস বা সত্তাৰ দিশতে সীমাবদ্ধ হৈ থাকে। আনহাতে অতীন্দ্রিয় সত্তাৰ জগত খন অজ্ঞাত আৰু অজ্ঞেয়। মানৱৰ মতে সত্তা বা অতীন্দ্রিয় সত্তা জনাটো সম্ভৱ নহয় বাবে ই অজ্ঞাত আৰু অজ্ঞেয়।

১৩ নং প্রশ্নৰ উত্তৰ ঃ ইন্দ্রিয় সংবেদনগত বৃত্তি, বোধ বৃত্তি আৰু যৌক্তিক বৃত্তি

৩.১১ আৰ্হিপ্রশ্ন

(ক) বস্তু ধর্মী প্রশ্ন (৫০ টা শব্দৰ ভিতৰত)

প্রশ্ন ১ঃ জ্ঞান বিজ্ঞান কি?

প্রশ্ন ২ঃ শব্দ প্রকল্প জ্ঞানৰ উৎস নহয় নে?

প্রশ্ন ৩ঃ যুক্তিবাদ কি?

প্রশ্ন ৪ঃ অভিজ্ঞতাবাদ কি?

প্রশ্ন ৫ঃ বিচাৰবাদৰ সংজ্ঞা দিয়ক।

প্রশ্ন ৬ঃ বিচাৰবাদৰ সমর্থন কৰা দার্শনিক জনৰ নাম লিখক।

প্রশ্ন ৭ঃ প্রৱজ্ঞাবাদ কি?

প্রশ্ন ৮ঃ অভিজ্ঞদতাবাদ আৰু যুক্তিবাদৰ বিকল্প নাম কেইটা কি কি?

প্রশ্ন ৯ঃ অন্তর্জাতৰ ধাৰণাৰ উদাহৰণ দিয়ক।

প্রশ্ন ১০ঃ ডেকার্টৰ মতে সত্তাৰ মানদণ্ডটো কি?

প্রশ্ন ১১ঃ 'Cogito Ergo Sum'ৰ অর্থ কি?

প্রশ্ন ১২ঃ ল'কৰ মতে অভিজ্ঞতাৰ প্রকাৰ কি কি?

প্রশ্ন ১৩ঃ ল'কৰ মতে সৰল ধাৰণা চাৰি প্রকাৰৰ, প্রকাৰসমূহ কি কি?

প্রশ্ন ১৪ঃ কোন জন দার্শনিকৰ মতে, 'প্রত্যক্ষহীন ধাৰণা শুন্য আৰু ধাৰণাবিহীন প্রত্যক্ষ অন্ধ'।

প্রশ্ন ১৫ঃ কান্টে জ্ঞানৰ বৃত্তিক ভাগ কৰা ভাগসমূহ কি কি?

(খ) চমু প্রশ্ন (১৫০-৩০০ টা শব্দৰ ভিতৰত)

প্রশ্ন ১ঃ বিচাৰবাদতত্ব সম্পর্কে চমুকৈ ব্যাখ্যা আগবঢ়াওক।

প্রশ্ন ২ঃ অভিজ্ঞতাবাদৰ সমর্থনকাৰীসকল কোন কোন? অভিজ্ঞতাবাদ সম্পর্কে চমু ব্যাখ্যা আগবঢ়াওক।

প্রশ্ন ৩ঃ যুক্তিবাবাদৰ ধাৰণা সম্পর্কে চমু মন্তব্য আগবঢ়াওক।

প্রশ্ন ৪ঃ ডেকার্টে আগবঢ়োৱা ধাৰণাৰ প্রকাৰ সম্বন্ধে চমু ব্যাখ্যা আগবঢ়াওক।

প্রশ্ন ৫ঃ জ্যামিত্যিক পদ্ধতিটো উদ্ভাৱনকাৰী জনৰ নাম কি? চমুকৈ ব্যাখ্যা আগবঢ়াওক।

প্রশ্ন ৬ ঃ লকে, ডেকার্টৰ যুক্তিবাদ খণ্ডন কৰা ভিত্তি সমূহ কি কি? চমুকৈ ব্যাখ্যা আগবঢ়াওক।

প্রশ্ন ৭ ঃ মুখ্য আৰু গৌণ গুণ সমূহৰ মাজত পার্থক্য নির্ণয় কৰক।

(গ) চমু টোকা লিখক (১৫০ টা শব্দৰ ভিতৰত)

(ক) অন্তর্জাত ধাৰণা

(খ) ডেকার্টৰ দর্শনত জ্যামিত্যিক পদ্ধতি

(গ) ল'কৰ অন্তর্জাত ধাৰণাৰ খণ্ডন

(ঘ) মুখ্য আৰু গৌণ গুণ

(ঙ) জ্ঞান বৃত্তিসমূহ

(ঘ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত)

প্রশ্ন ১ঃ জ্ঞানৰ মতবাদ হিচাপে যুক্তিবাদ আলোচনা কৰক।

প্রশ্ন ২ঃ জ্ঞানৰ তত্ব হিচাপে যুক্তিবাদৰ ব্যাখ্যা আগবঢ়াওক।

প্রশ্ন ৩ঃ অভিজ্ঞতাবাদ আৰু যুক্তিবাদৰ সমালোচনা কৰক।

প্রশ্ন ৪ঃ জ্ঞানৰ বিচাৰবাদ কি? আলোচনা কৰক।

প্রশ্ন ৫ঃ কান্টে আগবঢ়োৱা বৃত্তিসমূহ কি কি? আলোচনা কৰক।

প্রশ্ন ৬ঃ ল'কে কেনেকৈ অন্তর্জাত ধাৰণাৰ তত্বটো খণ্ডন কৰে? আলোচনা আগবঢ়াওক।

*** **** ***

অধ্যায় ৪ঃ বিচাৰবাদ

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ বিচাৰবাদ কি?
৪.৪ জ্ঞানৰ প্ৰকাৰ আৰু অৱধাৰণাৰ প্ৰকাৰৰ সম্বন্ধে কাণ্টৰ প্ৰাথমিক স্বীকাৰোক্তি
৪.৫ জ্ঞানৰ প্ৰকাৰ
৪.৫.১ অভিজ্ঞতা পূৰ্ব জ্ঞান (Apiori knowledge)
৪.৫.২ অভিজ্ঞতা প্ৰসূত জ্ঞান বা প্ৰত্যক্ষোত্তৰ জ্ঞান (A posteriori knowledge)
৪.৬ অৱধাৰণৰ প্ৰকাৰ (kinds of judgement)
৪.৬.১. বিশ্লেষক অৱধাৰণা (Analytic Judgement)
৪.৬.২. সংশ্লেষক অৱধাৰণা (Synthetic Judgement)
৪.৬.৩. সংশ্লেষক অভিজ্ঞতা পূৰ্ব (Synthetic a priori)
৪.৬.৪ সংশ্লেষক অভিজ্ঞতা প্ৰসূত (Synthetic a posteriori)
৪.৭ সংশ্লেষক অভিজ্ঞতাপূৰ্ব অৱধাৰণাৰ সম্ভাৱণীয়তা
৪.৮ কপাৰ নিকাছৰ বিপ্লৱ [Copernican Revolution]
৪.৯ অধ্যায়ৰ পৰা আমি কি শিকিলো
৪.১০ অধিক জানিবলৈ
৪.১১ অগ্ৰগতিৰ খতিয়ান
৪.১২ আৰ্হি প্ৰশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি-

- বিচাৰবাদ কি বৰ্ণনা কৰিব পাৰিব।
- অভিজ্ঞতা পূৰ্ব জ্ঞান আৰু অভিজ্ঞতা প্ৰসূৰ জ্ঞানৰ বৰ্ণনা আৰু পাৰ্থক্যটোৰ বিষয়ে ব্যাখ্যা দাঙি ধৰিব পাৰিব।
- বিশ্লেষক আৰু সংশ্লেষক অৱধাৰণাৰ বৰ্ণনা আৰু পাৰ্থক্যটোৰ বিষয়ে ব্যাখ্যা দাঙি ধৰিব পাৰিব।
- সংশ্লেষক অভিজ্ঞতা পূৰ্ব অৱধাৰণা সম্ভাৱনীয়তাৰ মূল্যায়ন কৰিব পাৰিব।
- কপাৰনিকাছ বিপ্লৱৰ বৰ্ণনা ধাৰণাটো আলোচনা কৰিব পাৰিব।

৪.২ পৰিচয়

সন্দেহবাদে জ্ঞানক সমালোচনা কৰে। সন্দেহবাদে জ্ঞানৰ সম্ভাৱণীয়তাৰ ওপৰত সন্দেহ প্ৰকাশ কৰে। কিন্তু মানুহৰ মনে এনেদৰে সন্দেহ কৰি গৈ থকাৰ ক্ষেত্ৰত অসুবিধা বোধ কৰে। মানুহৰ মনে জ্ঞানৰ সীমা আৰু চৰ্তাৱলীৰ বিষয়ে অনুসন্ধান কৰিবলৈ আৰম্ভ কৰে আৰু জ্ঞানৰ সীমা আৰু চৰ্তাৱলীৰ সম্পৰ্কে অনুসন্ধান হৈছে সেইটো যিটো জ্ঞান মীমাংসাই কৰে। আন অৰ্থত ক'বলৈ গ'লে জ্ঞানৰ সমালোচনাই হৈছে জ্ঞানমীমাংসা। এনে ক্ষেত্ৰত দৰ্শনৰ যিকোনো ভাগ যদি জ্ঞানমীমাংসাৰ ওপৰত প্ৰতিষ্ঠিত হয় তেন্তে তাক বিচাৰাত্মক (critical) বুলি অভিহিত কৰিব পৰা যায়। আধুনিক যুগত বিচাৰবাদ পদ্ধতিটো কাণ্টে বহুল অৰ্থত ব্যৱহাৰ কৰিছে। সেইবাবে 'বিচাৰবাদ', 'বিচাৰত্মক পদ্ধতি' আৰু 'বিচাৰত্মক দৰ্শন' আদি শব্দবোৰে আজি কালিৰ দিনত সাধাৰণতে কাণ্টৰ পদ্ধতি আৰু চিন্তাধাৰাকে সূচায়।

৪.৩ বিচাৰবাদ কি ?

কাণ্টে হিউমৰ ধাৰণাটো যে জ্ঞান ইন্দ্ৰিয় সংবেদনৰ ওপৰত প্ৰতিষ্ঠিত এই ধাৰণাটোৰ লগত সন্মত নাছিল। তেওঁ জ্ঞানৰ চৰ্তাৱলী সমূহৰ বিষয়ে ভালদৰে অনুসন্ধান কৰিছিল। যিদৰে কাণ্টে জ্ঞানৰ বিষয়ে বিশ্লেষণাত্মক আলোচনা আগবঢ়াইছে তাকেই বিচাৰবাদ বুলি কোৱা হয়। কাণ্টেই নিজেই কৈছিল যে বিচাৰবাদ হৈছে এটি দাৰ্শনিক চিন্তাধাৰা যিয়ে কোনো এটি নিশ্চিত বিচাৰ পোৱাৰ আগতে সকলোবো বস্তু সমালোচনা কৰে আৰু পৰীক্ষা কৰে আৰু যি কোনো বস্তু জনাৰ আগতে জ্ঞানৰ সীমাবদ্ধতাৰ বিষয়ে বিচাৰি উলিয়ায়। এনেকুৱা সুস্থ বিচাৰবাদৰ ওপৰত ভিত্তি কৰিয়েই কাণ্টে জ্ঞানৰ বিষয়ে আৰু ইয়াৰ সীমাবদ্ধতাৰ বিষয়ে আবিস্কাৰ কৰে। তেওঁ বিশ্বাস কৰে যে অভিজ্ঞতা আৰু বুদ্ধি এই দুয়োটাই জ্ঞান আহৰণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। কাণ্টক সাধাৰণতে এজন এনেকুৱা ধৰণৰ দাৰ্শনিক হিচাপে জনা যায় যি বুদ্ধিবাদ আৰু অভিজ্ঞতাবাদৰ মাজত সমন্বয় সাধন কৰে। কিন্তু ইয়াৰ পৰা এইটো নুবুজাই যে কাণ্টে দুয়োটা দাৰ্শনিক সম্প্ৰদায়ৰ কিছুমান মুখ্য চিন্তাধাৰা গ্ৰহণ কৰি নিজৰ দাৰ্শনিক ভাৱধাৰাৰ গঠন কৰিছে। কাৰণ এই দুয়োটা সম্প্ৰদায়ৰ মাজত কিছুমান মৌলিক পাৰ্থক্য দেখা যায়। বুদ্ধিবাদীসকলে (উদাহৰণস্বৰূপে ডেকার্ট আৰু লাইবনিজ) যুক্তি প্ৰদান কৰে যে ইন্দ্ৰিয় অভিজ্ঞতাৰ অবিহনেও অকল বুদ্ধিৰ প্ৰয়োগ কৰিয়েই স্বাধীন ভাবে জ্ঞান আহৰণ কৰিব পাৰি। ইন্দ্ৰিয় অভিজ্ঞতাৰ পৰা পোৱা জ্ঞানক তেওঁলোকে অবিশ্বাসী আৰু ভুলৰ সম্ভাৱনাৰ উৎস হিচাপে অভিহিত কৰে। বুদ্ধিৰ সহায়ত আমি অৰ্ন্তজ্ঞান ধাৰণা আৰু পৰম সত্যৰ বিষয়ে জানিব পাৰো। বুদ্ধিবাদৰ দৃষ্টিভংগীৰে জ্ঞানক অভিজ্ঞতা পূৰ্ব বুলি অভিহিত কৰা হয় কাৰণ ই অভিজ্ঞতাৰ ওপৰত নিৰ্ভৰশীল নহয়। আনহাতে অভিজ্ঞতাবাদী সকলে (হিউম আৰু কিছুক্ষেত্ৰত লকেও) এই দাবীসমূহ নাকচ কৰে, আৰু মত প্ৰকাশ কৰে যে অকল ইন্দ্ৰিয়ৰ দ্বাৰাহে আমি জ্ঞান আহৰণ কৰো, আৰু ইন্দ্ৰিয়ই আমাক যিবোৰ বস্তুৰ বিষয়ে কয় আমি সেইবোৰৰ বিষয়েহে জানো তাৰ বাহিৰে একো নাজানো। তেওঁলোকৰ মতে জ্ঞান হৈছে প্ৰত্যক্ষোত্তৰ অভিজ্ঞতাত পোৱা 'বিশেষ' ৰ পৰাহে পিছত জ্ঞানক আহৰণ কৰিব পাৰি। বুদ্ধিবাদী আৰু অভিজ্ঞতাবাদী দুয়োয়ে জ্ঞানৰ এটি ভিত্তি আৱিস্কাৰ কৰা বুলি দাবী কৰে, যথাক্ৰমে স্পষ্টতা আৰু ফটফটীয়াৰ বৈশিষ্টৰে পৰিপূৰ্ণ "অৰ্ন্তজাত স্বঃজ্ঞা বা অৰ্ন্তজ্ঞান" (ডেকার্ট) আৰু হৈছে অনুভৱ বা impression (হিউম)।

কাণ্টে বুদ্ধিবাদী সকলৰ কিছুমান নীতি আৰু আভিজ্ঞতাবাদী সকলৰ কিছুমান নীতি বছি উলিয়াইছিল আৰু সেইবোৰক তেওঁ দর্শনৰ মাজত অর্ন্তভুক্ত কৰিছিল। তেওঁ বুদ্ধিবাদী আৰু অভিজ্ঞতাবাদী সকলৰ তত্ব কিছুমান অন্তর্ভূক্ত কৰিছিল। কিন্তু সেই মতসমূহক সলনি কৰিছিল যাতে সিহঁতৰ অর্থ প্রকাশ পায় আৰু ইয়াৰ দ্বাৰা সূচিত মতসমূহ সলনি কৰি এটা নতুন পদ্ধতিৰ গঠন কৰিছিল যাক তেওঁ বিচাৰগত দর্শন (critical philosophy) বুলি অভিহিত কৰিছিল।

বুদ্ধিবাদীসকলৰ মতে, এজন ব্যক্তিৰ কিছুমান বস্তুৰ বিষয়ে জ্ঞান হোৱাটো সম্ভৱপৰ (যেনে ভগৱান, অমৰ আত্মা আৰু দ্রব্য) যিবোৰ কোনো সাম্ভাব্য অভিজ্ঞতাৰ বস্তু নহয়, যিবোৰ বস্তু ইন্দ্রিয় অভিজ্ঞতা বা অন্তাদর্শন ৰ জৰিয়তে আমাৰ আগত প্রকাশ কৰা নহয়। কাণ্টে বুদ্ধিবাদী সকলৰ এই দাবীটোক নাকচ কৰিছিল আৰু দেখুৱাবলৈ চেষ্টা কৰিছিল যে অভিজ্ঞতাৰ বাহিৰৰ কোনো বস্তুৰে জ্ঞান থাকিব নোৱাৰে। এই ক্ষেত্রত কাণ্টক ডেভিড হিউমৰ লেখিয়া অভিজ্ঞতাবাদী হিচাপে বোধ হয়।

অভিজ্ঞতাবাদী সকলৰ মৌলিক নীতিটো হৈছে যে ইন্দ্রিয়ৰ জৰিয়তে আমি জ্ঞান আহৰণ কৰো আৰু ইন্দ্রিয়ৰ জৰিয়তে আমি যিখিনি জানো তাৰ বাহিৰে বাকী একো জানিব নোৱাৰো। কাণ্টে এই নীতিটো গ্রহণ কৰা নাই। অভিজ্ঞতাবাদ, বিশেষকৈ হিউমৰ অভিজ্ঞতাবাদে সন্দেহবাদক প্রতিনিধিত্ব কৰে, এটা তত্ব যিয়ে অকল অধিবিদ্যাৰ জ্ঞানকেই অসম্ভৱ বুলি নকয়, ই বৈজ্ঞানিক জ্ঞান আৰু দৈনন্দিন 'বিবেক'ৰ জ্ঞানকো অসম্ভৱ কৰি পেলায়। হিউমৰ সন্দেহবাদী অভিজ্ঞতাবাদৰ বিপৰীতে গৈ কাণ্টে বৈজ্ঞানিক আৰু বিবেকযুক্ত জ্ঞানৰ সম্ভাৱনীয়তাৰ বিষয়ে প্রকাশ কৰে। বিজ্ঞানক হিউমৰ সন্দেহবাদৰ পৰা মুক্ত কৰাৰ প্রক্রিয়াত কাণ্টে কিছুমান বিশেষ ধাৰণাৰ বিষয়ে উল্লেখ কৰিছে যিবোৰৰ অভিজ্ঞতাৰ পৰা উৎপত্তি নহয় কিন্তু এইবোৰৰ 'বস্তুগত বৈধ্যতা' আছে। কাণ্টে সেইবোৰক "শুদ্ধ সামান্য ধাৰণা' বা 'শুদ্ধ বিশুদ্ধ সংপ্রত্যয়' বুলি অভিহিত কৰিছিল। এই ক্ষেত্রত কাণ্টেৰ মুখ্য যুক্তিটো হৈছে যে আমাৰ সকলোবোৰ জ্ঞান অভিজ্ঞতাৰ পৰা আৰম্ভণি হৈছে কিন্তু অভিজ্ঞতাৰ পৰা সংগ্রহ কৰা নহয়।

চিন্তু চর্চা কৰক ঃ ৪.১

কাণ্ট আৰু অভিজ্ঞতাবাদী দার্শনিক সকলৰ মাজত পার্থক্যটো কোনখিনিত? আলোচনা কৰক।

কাণ্টে কেনেদৰে বুদ্ধিবাদ আৰু অভিজ্ঞতাবাদৰ মাজত সমন্বয় সাধন কৰিছিল? আলোচনা কৰক।

অগ্রগতিৰ নিৰীক্ষণ

১ নং প্রশ্ন ঃ তলত দিয়া বাক্যবোৰ শুদ্ধ নে অশুদ্ধ লিখক।

(ক) বুদ্ধিবাদী সকলে যুক্তি প্রদর্শন কৰিছিল যে ইন্দ্রিয় অভিজ্ঞতাৰ পৰা স্বতন্ত্রভাবে কেৱল বুদ্ধিৰ প্রয়োগৰ দ্বাৰাই জ্ঞান আহৰণ কৰিব পাৰি। (সঁচা/মিচা)

(খ) অভিজ্ঞতাবাদী সকলৰ বাবে জ্ঞান হৈছে অভিজ্ঞতাপূর্ব (সঁচা/মিছা)

(গ) হিউমৰ অভিজ্ঞতাবাদে সন্দেহবাদক প্রতিনিধিত্ব কৰে। (সচাঁ/মিছা)

(ঘ) বুদ্ধিবাদৰ দৃষ্টিভংগীৰ ফালৰ পৰা জ্ঞানক অভিজ্ঞতা পূর্ব বুলি অভিহিত কৰা হয়। (সঁচা/মিছা)।

২ নং প্রশ্ন ঃ অভিজ্ঞতাবাদৰ মৌলিক নীতিটো কি (৩০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

৩ নং প্রশ্ন ঃ বিজ্ঞানক সন্দেহবাদৰ পৰা মুক্ত কৰিবলৈ কাণ্টে কি ব্যৱস্থা গ্রহণ কৰিছিল? (৩০ টা শব্দৰ ভিতৰত উত্তৰ দিয়া)

৪.৪ জ্ঞান আৰু অৱধাৰণৰ প্রকাৰৰ বিষয়ে কাণ্টৰ প্রাথমিক স্বীকাৰোক্তি

পৰম্পৰাগত ভাবে, কাণ্টৰ আগতে, দার্শনিক সকলে অভিজ্ঞতাপূর্ব জ্ঞান আৰু প্রত্যক্ষোত্তৰ জ্ঞান চিনাক্ত কৰি উলিয়াইছিল আৰু সিহঁতক নিশ্চিত জ্ঞান আহৰণৰ উপায় হিচাপে বিভক্ত কৰিছিল। অভিজ্ঞতাবাদৰ এটি বৈশিষ্ট হৈছে যে তেওঁলোকে ধাৰণা কৰিছিল যে আমাৰ অভিজ্ঞতাপূর্ব জ্ঞানৰ বিশ্লেষক বচনৰ লগত মিল আছে। ইয়াৰ বিপৰীতে বুদ্ধিবাদী সকলে ধাৰণা কৰিছিল কিছুমান অবিশ্লেষণাত্মক বা সংশ্লেষক বচন আছে যিবোৰ আমি অভিজ্ঞতাপূর্ব হিচাপে জানিব পাৰো। অভিজ্ঞতাবাদী সকলে ইয়াৰ পৰা অভিহিত কৰে যে আমাৰ অভিজ্ঞতাপূর্ব জ্ঞানৰ পৰিসৰটো বুদ্ধিবাদীসকলে যেনেদৰে গ্রহণ কৰিব বিচাৰে তাতকৈ বহুত ঠেক। কাণ্টে অভিজ্ঞতাপূর্ব জ্ঞানৰ এটি উৎকৃষ্ট মানৰ আলোচনা আগবঢ়াইছিল আৰু অনিবার্য্যতাৰ প্রকৃতি সম্পর্কে আলোচনা কৰিছিল।

৪.৫ জ্ঞানৰ প্রকাৰ

অভিজ্ঞতাবাদী সকলৰ পৰা বিপৰীতে গৈ কাণ্টে নাকচ কৰিছিল যে আমাৰ জ্ঞান হৈছে অভিজ্ঞতাপূর্ব আৰু বুদ্ধিবাদৰ বিপৰীতে গৈ তেওঁ নাকচ কৰিছিল যে আমাৰ জ্ঞান একমাত্র ইন্দ্রিয় সংবেদনৰ ওপৰতহে প্রতিষ্ঠিত। কাণ্টৰ মতে জ্ঞানে অভিজ্ঞতা পূর্ব আৰু প্রত্যেক্ষোত্তৰ তত্ব, এই দুয়োটা আৰু বুদ্ধি আৰু ইন্দ্রিয় সংবেদন এই দুয়োকে অন্তর্ভূক্ত কৰে। ইন্দ্রিয় সংবেদন হৈছে কেঁচা সামগ্রী (Raw-Materials) যিবোৰ যুক্তিৰ পৰা জ্ঞানলৈ পৰিবর্তিত হয়, ইয়াৰ অর্ন্তনিহিত নীতিৰ প্রয়োগৰ দ্বাৰা। "আমাৰ ধাৰণাৰ বস্তুবোৰ ইন্দ্রিয়ৰ দ্বাৰা সুশৃংখলিত, সিহঁতৰ আকাৰটো হৈছে বুদ্ধিৰ কাম" (The matter of our idea is furnished by the senses; their form is the work of reason) বুজায় যিটো অভিজ্ঞতাৰ পৰা সংগ্রহ কৰা নহয় যদিও ইয়াৰ উপস্থিতি অভিজ্ঞতাৰ কিছু ক্ষেত্রত দেখা যায়। প্রায়ে ব্যৱহৃত এটি বাক্যাংশ লোৱা হ'ল- "যে আমাৰ সকলোবোৰ জ্ঞান অভিজ্ঞতাৰ লগত আৰম্ভণি হয় তাত কোনো সন্দেহ নাই, কিন্তু যদিও আমাৰ সকলোবোৰ জ্ঞান অভিজ্ঞতাৰ লগত আৰম্ভণি হৈছে, ই এইটো নুবুজায় যে আমাৰ সকলোবোৰ জ্ঞান অভিজ্ঞতাৰ পৰা উৎপত্তি হৈছে।" কাণ্টৰ মতে অভিজ্ঞতাপূর্ব জ্ঞানৰ চিনাক্ত কৰি উলিওৱাৰ মাপকাঠি হৈছে কঠোৰ সার্বজনীনতা আৰু অনিবার্য্যতা। অনিবার্য্যতা আৰু কঠোৰ সার্বজনীনতাক সেইবাবে অভিজ্ঞতাপূর্ব জ্ঞানৰ সুৰক্ষিত সূচক হিচাপে অভিহিত কৰা হয় আৰু দুয়োটা একেলগে থাকে অবিচ্ছেদ্যভাবে। অনিবার্য্য সত্যবোৰ হৈছে সেইবোৰ যিবোৰ সাম্ভাব্য পৃথিৱীবোৰত থাকে, সার্বজনীন সত্যতা হৈছে সেইবোৰ যিবোৰে কোনো বিশেষ প্রকাৰৰ সকলোবোৰ বস্তুৰ সামান্যীকৰণ প্রকাশ কৰে। কেনেকৈ এই

মাপকাঠিটোৱে কাম কৰে তাক চাবলৈ হলে এটা বচন ধৰা হ'ল, "প্ৰত্যেকটো যুগ্ম সংখ্যা দুইৰে বিভাজ্য হয়", ইয়াৰ সত্যতা হৈছে অনিবাৰ্য্য কাৰণ। ইয়াৰ কোনো বিৰুদ্ধ উদাহৰণ নাই আৰু ই হৈছে কঠোৰ ভাবে সাৰ্বজনীন কাৰণ ইয়াৰ কোনো বেলেগ (exception) নাই। কঠোৰ সাৰ্বজনীনতাই অনিবাৰ্য্যতাক সূচায় কিন্তু ইয়াৰ বিপৰীতটো নহয় আৰু অনিবাৰ্য্যতা হৈছে এটি মৌলিক মাপকাঠি। কাণ্টে যে অনিবাৰ্য্যতাক অভিজ্ঞতাপূৰ্ব জ্ঞানৰ মাপকাঠি হিচাপে ধৰি লৈছে এই ধাৰণাটো মিল আছে, কাণ্টে প্ৰায়ে উল্লেখ কৰা আৰু গুৰুত্বপুৰ্ণ দাবী যে যিকোনো বচন যি অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰে সি অনিবাৰ্য্য হ'ব নোৱাৰৰ লগত মিল আছে। তেওঁ এনেদৰে উত্থাপন কৰিছে ঃ 'অভিজ্ঞতাই আমাক নিশ্চিত ভাবে কৈ গৈছে, এইটো কি, কিন্তু এইটো কোৱা নাই যে ই অনিবাৰ্য্য ভাবে এনেকুৱা হবই লাগিব আৰু বেলেগ হব নোৱাৰে"।

৪.৫.২ প্ৰত্যক্ষোত্তৰ জ্ঞান

'প্ৰত্যক্ষোত্তৰ' এই শব্দটোৱে বুজায় "অভিজ্ঞতাৰ পিছত জনা বা অভিজ্ঞতাৰ ওপৰত নিৰ্ভৰ কৰি জনা', "অকল অভিজ্ঞতাৰ দ্বাৰাহে জনা যায়" এই বাক্যাংশটোৰ অলপ স্পষ্টীকৰণৰ প্ৰয়োজন আছে, কাৰণ সাধাৰণতে মানুহে ভবাৰ দৰে "অভিজ্ঞতাৰ দ্বাৰাহে জনা যায়" বা "একমাত্ৰ অভিজ্ঞতাৰ দ্বাৰাহে জনা যায়" ই এইটো নুবুজায়। কাণ্টে হিউমৰ তত্বটো যে আমাৰ সকলোবোৰ জ্ঞান অভিজ্ঞতাৰ পৰা সংগ্ৰহ কৰা হয় এই ধাৰণাটো নাকচ কৰে আৰু সেইবাবে পিচত কোৱা কথাখিনি গ্ৰহণ কৰিলে বিৰোধিতা কৰা হব। প্ৰত্যক্ষোত্তৰ জ্ঞান বুলি কলে কাণ্টে এনেকুৱা ধৰণৰ জ্ঞানক নিৰ্দেশ কৰে যি অভিজ্ঞতাৰ পৰা আৰম্ভণি হয় আৰু যাৰ ভিত্তিটো তাত আছে। অলপ কিছুমান প্ৰত্যক্ষোত্তৰ জ্ঞান জানিবলৈ হলে বুদ্ধিৰ লগতে অলপ হলেও অভিজ্ঞতাৰ প্ৰয়োজন হয়। উদাহৰণ স্বৰূপে, বৈজ্ঞানিক নিয়মবোৰৰ বিষয়ে আমাৰ জ্ঞান অকল পৰীক্ষণৰ ওপৰতে নিৰ্ভৰ নকৰে, তাৰ বাহিৰেও কিছুমান জটিল অনুমান আৰু সেই পৰীক্ষণবোৰৰ শুদ্ধ গণনাৰ ওপৰত নিৰ্ভৰ কৰে, এই কথাটোৱে সূচায় যে আমাৰ সকলোবোৰ জ্ঞানে ধাৰণাৰ আকাৰৰ প্ৰত্যয়ীকৰণ বিচাৰে যিটো হৈছে চিন্তাৰ প্ৰকাৰ আৰু ইয়াৰ লগত দাৰ্শনিক সকলে অভিজ্ঞতাৰ কেঁচা তথ্যৰ (Rawdata) লগত বিৰোধিতা কৰে।

আমাৰ সকলোবোৰ জ্ঞান যে অভিজ্ঞতাৰ পৰাই আৰম্ভণি হৈছে তাত কোনো সন্দেহ নাই। সময়ৰ পৰিপেক্ষিতত সেইবাবে অভিজ্ঞতাৰ পূৰ্বৰ কোনো ধৰণৰ জ্ঞান আমাৰ নাই আৰু অভিজ্ঞতাৰ লগত আমাৰ সকলোধৰণৰ জ্ঞানৰ আৰম্ভণি হয়।

চিন্তা-চৰ্চা কৰক ৪.৩

কাণ্টৰ প্ৰত্যক্ষোত্তৰ ধাৰণা আৰু হিউমৰ প্ৰত্যক্ষোত্তৰ ধাৰণাৰ মাজত পাৰ্থক্য কি? আলোচনা কৰক।

অগ্রগতিৰ নিৰীক্ষণ

৪ নং প্রশ্ন ঃ খালী ঠাই পূৰণ কৰক

(ক) অভিজ্ঞতাবাদৰ এটা বৈশিষ্ট্য হৈছে যে ই ধাৰণা কৰিছিল যে আমাৰ অভিজ্ঞতাপূর্ব জ্ঞানৰ ---------- বচনৰ লগত মিল আছে।

(খ) অভিজ্ঞতাপূর্ব জ্ঞান বুলিলে বুজা যায় জ্ঞান যিটো ---------- পৰা সংগ্রহ কৰা নহয়, যদিও অভিজ্ঞতাৰ কিছু ক্ষেত্রত ইয়াৰ উপস্থিতি দেখা যায়।

(গ) কাণ্টৰ বাবে অভিজ্ঞতাপূর্ব জ্ঞান চিনাক্ত কৰাৰ মাপকাঠি হৈছে ---------- আৰু অনিবার্য্যতা।

(ঘ) অনিবার্য্যতা সত্য হৈছে সেইবোৰ সত্য যিবোৰ পোৱা যায় ---------- পৃথিৱী বোৰত।

(ঙ) সার্বজনীন সত্য হৈছে সেইবোৰ যিবোৰে কোনো বিশেষ প্রকাৰৰ সকলো বস্তুৰে ---------- প্রকাশ কৰে।

(চ) প্রত্যক্ষোত্তৰ এই শব্দটোৱে বুজায়, "অভিজ্ঞতাৰ পিছত জনা বা অভিজ্ঞতাৰ ওপৰত ---------- কৰি জনা"।

৪.৬ অৱধাৰণৰ প্রকাৰ

কাণ্টে বচনক দুই ভাগত বিভক্ত কৰে- বিশ্লেষক বচন আৰু সংশ্লেষক বচন। এই পার্থক্যটো নির্ণয় কৰোতে তেওঁৰ লক্ষ্যটো সাধাৰণতে সদর্থক উদ্দেশ্য বিধেয় অৱধাৰণৰ লগত সীমাবদ্ধ আছিল।

৪.৬.১ বিশ্লেষক অৱধাৰণ

বিশ্লেষক অৱধাৰণ হৈছে সেইবোৰ য'ত বিধেয়টো উদ্দেশ্যৰ ধাৰণাৰ মাজত নিহিত হৈ থাকে। সিহঁতক ব্যাখ্যাত্মক (explicative) অৱধাৰণ বুলি কোৱা হয়। কিয়নো বিধেয় পদত যি ব্যক্ত কৰা হয় সেইটো উদ্দেশ্য পদত আগতে অন্তর্নিহিত হৈ থাকে। এই বচনবোৰৰ সত্যতা বিৰোধ বাধক নীতিৰ (Laws of contradiction) ৰ ওপৰত প্রতিষ্ঠিত। তার্কিক বিৰোধিতাৰ লগত আমাক একাত্ম নকৰাকৈ আমি বচনক নাকচ কৰিব নোৱাৰো। কাণ্টে দিয়া বিশ্লেষক বচনৰ উদাহৰণ হৈছে, "সকলোবোৰ জড় পদার্থ হয় বিস্তৃতিযুক্ত" (All bodies are extended). ইয়াত বিস্তৃতিৰ ধাৰণাটো জড় পদার্থৰ ধাৰণাৰ মাজত সোমাই আছে।

৪.৬.২ সংশ্লেষক অৱধাৰণ

সংশ্লেষক অৱধাৰণবোৰ বিশ্লেষক অৱধাৰণৰ নিচিনা নহয় আৰু ইয়াত বিধেয় পদে উদ্দেশ্য পদটো নিশ্চিত কৰে বা নাকচ কৰে যিটো আগতীয়াকৈ উদ্দেশ্যপদত নিহিত হৈ থকা নাই। সেইবাবে সিহতক কোৱা হয় 'বিস্তাৰ্য্য' বা 'বৃদ্ধিশীল (augmentative) অৱধাৰণ' কাৰণ ইয়াত বিধেয় পদ উদ্দেশ্য পদৰ নতুন তথ্যৰ সন্ধান দিয়ে। কাণ্টৰ মতে, "সকলোবোৰ জড় বস্তুৱেই গধুৰ" (All bodies are heavy) ই হৈছে সংশ্লেষক অৱধাৰণৰ উদাহৰণ, কাৰণ ওজন বা গধুৰতত্বৰ ধাৰণাটো জড় বস্তুৰ ধাৰণাত নিহিত হৈ থাকা নাই।

সংশ্লেষক অৱধাৰণবোৰ আকৌ দুইভাগত বিভক্ত কৰা হৈছে ঃ

১. সংশ্লেষক প্ৰত্যক্ষোত্তৰ আৰু

২. সংশ্লেষক অভিজ্ঞতাপূৰ্ব।

৪.৬.৩ সংশ্লেষক অভিজ্ঞতা প্ৰসুত বা প্ৰত্যক্ষোত্তৰ

সকলোধৰণৰ সংশ্লেষক অৱধাৰণত উদ্দেশ্যৰ ধাৰণাটোত কিবা এটা নতুন তথ্য যোগ দিয়া হয়। এনেকুৱা ধৰণৰ অৱধাৰণৰ ক্ষেত্ৰত উদ্দেশ্য আৰু বিধেয়ৰ মাজত এটা সম্বন্ধ নিশ্চিত হয় কিন্তু এনে অৱধাৰণত বিধেয় পদে অকল উদ্দেশ্য পদৰ বিশ্লেষণ কৰিয়েই উদ্দেশ্য পদৰ পৰা বাহিৰ হব নোৱাৰে। এই সম্বন্ধটো একেবাৰে তথ্য সাপেক্ষ আৰু চৰ্ত সাপেক্ষ হব পাৰে, তেনেক্ষেত্ৰত এইটো অকল অভিজ্ঞতাত বা অভিজ্ঞতাৰ দ্বাৰাহে দিয়া হব। আৰু যেতিয়া এই ঘটনাটো হয় তেতিয়া অৱধাৰণটো হৈ পৰে সংশ্লেষক অভিজ্ঞতা প্ৰসূত বা প্ৰত্যক্ষোত্তৰ। উদাহৰণস্বৰূপে এটা বচন লোৱা হ'ল, "জনজাতি X ৰ সকলোবোৰ সদস্যই চাপৰ" আৰু ধৰি লোৱা হ'ল যে এইটো এটা সত্য বচন। এইটো সংশ্লেষক বচন কাৰণ আমি অকল জনজাতি X ৰ সদস্যৰ ধাৰণাটো বিশ্লেষণ কৰিয়েই চাপৰৰ ধাৰণাটো আহৰণ কৰিব নোৱাৰো। কিন্তু চাপৰ আৰু জনজাতিৰ সদস্যৰ মাজৰ সম্বন্ধটো অভিজ্ঞতাত আৰু অভিজ্ঞতাৰ দ্বাৰা দিয়া হৈছে। আৰু এই অৱধাৰণটো হৈছে পৰীক্ষণৰ ঘটনাৰ ফল। ইয়াৰ সাৰ্বজনীনতাটো কঠোৰ নহয়। এইমুহূৰ্তত সেইটো সম্প্ৰদায়ৰ মাজত এনেকুৱা কোনো মানুহ নোলাব যি চাপৰ নহয়। ভবিষ্যতে এজন বা বেছি ওখ মানুহ সেইটো সম্প্ৰদায়ৰ সদস্যৰ মাজত ওলাব পাৰে। আমি অভিজ্ঞতাপূৰ্বভাৱে আগতীয়াকৈ জানিব নোৱাৰো যে সকলোবোৰ সদস্য চাপৰ। এইটো হৈছে এটা চৰ্ত সাপেক্ষ তথ্যৰ ঘটনা।

৪.৬.৪ সংশ্লেষক অভিজ্ঞতাপূৰ্ব

কাণ্টে কৈছে যে আন এটা শ্ৰেণীৰ সংশ্লেষক বচন আছে, যিবোৰত উদ্দেশ্য আৰু বিধেয়ৰ মাজৰ সম্বন্ধ যদিও উদ্দেশ্য সাধাৰণ বিশ্লেষণৰ দ্বাৰা জানিব নোৱাৰি, তথাপিও সিহঁত হৈছে অনিবাৰ্য্য আৰু কঠোৰভাবে সাৰ্বজনীন। ইহঁতক কোৱা হয় সংশ্লেষক অভিজ্ঞতাপূৰ্ব বচন। কাণ্টে এটি উদাহৰণ আগবঢ়াইছে ঃ "সকলোবোৰ যিবোৰ ঘটনা ঘটে তাৰ এটি কাৰণ থাকে" (Everything which happens has a cause). এই বচনটো হৈছে সংশ্লেষক

কাৰণ ইয়াত বিধেয় পদটো, এটা কাৰণ হৈছে যি ঘটিল তাৰ ধাৰণা হিচাপে নিহিত হৈ থকা নাই। এইটো এটা বিস্তাৰ্য্য বচন, ব্যাখ্যাত্মক বচন নহয়। কিন্তু একে সময়তে এই ঘটনাটো অভিজ্ঞতাপূৰ্ব কাৰণ ইয়াৰ বৈশিষ্ট হৈছে অনিবাৰ্য্যতা আৰু কঠোৰ সাৰ্বজনীনতা। "সকলোবোৰ যিবোৰ ঘটে তাৰ এটি কাৰণ আছে" এই বচনটোৱে এইটো নুবুজায় যে, যিমানদূৰলৈকে আমাৰ অভিজ্ঞতা জড়িত হৈ থাকে সকলোবোৰ ঘটনাৰে কাৰণ আছে, আৰু এনেদৰে আশা কৰাটো যুক্তি সংগত, যেতিয়ালৈকে অভিজ্ঞতাই আমাক ইয়াৰ বিপৰীতটো নেদেখুৱাই, ভবিষ্যতৰ সকলোবোৰ ঘটনাৰে কাৰণ থাকিব। ই এইটোৱেই বুজায় যে সকলোবোৰ ঘটনাৰে যদি একো সাম্ভাব্য বিৰোধিতা নাথাকে তেন্তে কাৰণ থাকিব। এই বচনটো এটা ক্ষেত্ৰত অভিজ্ঞতাৰ ওপৰত নির্ভৰশীল। যেনে, কোনো ঘটনা ঘটা বা বস্তুৰ বিষয়ে আমি অভিজ্ঞতাৰ পৰাহে জানিব পাৰো। কিন্তু বিধেয় পদ আৰু উদ্দেশ্য পদৰ মাজৰ সম্বন্ধটো হৈছে অভিজ্ঞতাপূৰ্ব। এইটো অভিজ্ঞতাৰ পৰা সামান্যীকৰণ বা আগমণৰ দ্বাৰা বিচাৰি পোৱা নহয়। আমি অভিজ্ঞতাপূৰ্ব ভাৱে বা আগতীয়াকৈ জানিব পাৰো যে প্ৰত্যেকটো ঘটনাৰে কাৰণ আছে আৰু অভিজ্ঞতাৰ ক্ষেত্ৰৰ ভিতৰত থাকি তেনেকুৱা ধৰণৰ ঘটনাৰ সম্বন্ধৰ বিষয়ে পৰীক্ষণ কৰিলেও অৱধাৰণটো নিশ্চয়তাৰ ক্ষেত্ৰত কোনো নতুন তথ্য যোগ নিদিয়ে।

৪.৭ সংশ্লেষক অভিজ্ঞতাপূৰ্ব জ্ঞানৰ সম্ভৱণীয়তা

কাণ্টে বিশ্বাস কৰিছিল যে সংশ্লেষক অভিজ্ঞতাপূৰ্ব বচন আছে আৰু এই বচনবোৰ অকল ব্যাখ্যাত্মক (explicative) য়েই নহয়, কিন্তু এইবোৰে সত্তাৰ বিষয়ে আমাৰ জ্ঞান বঢ়ায় আৰু যিবোৰ অভিজ্ঞতাপূৰ্ব। কিন্তু সমস্যাটো হ'ল কেনেকৈ অভিজ্ঞতাপূৰ্ব তথ্য এনেদৰে প্ৰকাশ কৰিব পাৰি ঃ সংশ্লেষক অভিজ্ঞতাপূৰ্ব বচনবোৰ কেনেকৈ সম্ভৱ? বা আমি কেনেকৈ সত্তাৰ বিষয়ে যিকোনো তথ্য অভিজ্ঞতা পূৰ্বভাৱে জানিব পাৰো? সংশ্লেষক অভিজ্ঞতাপূৰ্ব বচনবোৰ ক'ত বিচাৰি পাব পাৰি এই বিষয়ে বিচাৰ কৰি এই সামান্য প্ৰশ্নটো বিভিন্ন বিশেষ বিশেষ ধৰণৰ প্ৰশ্নলৈ বিভক্ত কৰিব পাৰি।

প্ৰথমতে, কাণ্টৰ মতে গণিতত অভিজ্ঞতাপূৰ্ব সংশ্লেষক বচন পোৱা যায়। প্ৰথমতে এই কথাটো উল্লেখ কৰিব লাগিব যে গণিতৰ বচনবোৰ অভিজ্ঞতাপূৰ্ব, এই বচনবোৰ ইন্দ্ৰিয় অভিজ্ঞতাৰ পৰা পোৱা নাযায়। কাৰণ সিহঁতৰ মাজত অনিবাৰ্য্যতাৰ ধাৰণাটো নিহিত হৈ থাকে যিটো অভিজ্ঞতাৰ পৰা সংগ্ৰহ কৰিব নোৱাৰি। এই 7+5=12 বচনটো বিশেষ বিশেষ ঘটনাৰ সামান্যীকৰণৰ ফলস্বৰূপে আহৰণ কৰা হোৱা নাই। এইটো এটা অনিবাৰ্য্য বচন। কাণ্টৰ মতে এই বচনটো হৈছে সংশ্লেষক, বিশ্লেষক নহয়। এই ধাৰণাটোক সংশ্লেষক বোলা হয় কাৰণ ৰচ সংখ্যাটোৰ ধাৰণা জ্জআৰু 5 এই দুটা সংখ্যা বিশ্লেষণ কৰিলে পোৱা নাযায়। ৰচ সংখ্যাটোৰ ধাৰণাটো 7 আৰু 5 ৰ লগ হৈ হোৱা এটি বিশেষ সংখ্যা হিচাপে এই ধাৰণাটো সূচিত নকৰে। অর্ন্তজ্ঞানৰ অবিহনে 12 ৰ ধাৰণাটোত উপস্থিত হব নোৱাৰো। গণিতৰ বচনবোৰ সংশ্লেষক অভিজ্ঞতাপূৰ্ব কাৰণ এইটো অনিবাৰ্য্য বচন আৰু সেইবাবে সংশ্লেষক অভিজ্ঞতাপ্ৰসূত হব নোৱাৰে।

সেইদৰে জ্যামিতিৰ বচনবোৰো হৈছে সংশ্লেষক অভিজ্ঞতাপূৰ্ব বচন, উদাহৰণস্বৰূপে, "দুটা বিন্দুৰ মাজৰ সৰল ৰেখা ডাল হৈছে আটাইতকৈ দুটি", বহু বচনটো এটা সংশ্লেষক বচন, কাৰণ সৰলৰ ধাৰণাটোৱে অকল গুণহে

উল্লেখ কৰে, পৰিমাণৰ কথা অন্তর্ভুক্ত নকৰে। চুটিৰ ধাৰণাটো সেইবাবে সৰলৰেখাৰ ধাৰণাটোৰ পৰা সংগ্রহ কৰিব নোৱাৰি, এইটো এটা যোগ দিয়া ধাৰণাহে। এনেকুৱা বচনৰ সংশ্লেষণ সম্ভৱ হব অর্ন্তজ্ঞানৰ দ্বাৰাহে। কিন্তু সংশ্লেষক হোৱাৰ উপৰিও এই বচনটো হৈছে অনিবার্য্য আৰু সেইবাবে অভিজ্ঞতাপূর্ব। এইটো অভিজ্ঞতাৰ সামান্যীকৰণ নহয়।

দ্বিতীয় ক্ষেত্রত সংশ্লেষক অভিজ্ঞতাপূর্ব বচনবোৰ পদার্থ বিজ্ঞানটো দেখা যায়। উদাহৰণস্বৰূপে, "জড় জগতৰ নানা পৰিবর্তনৰ মাজতো জড়ৰ বস্তুগত পৰিমাণ একেই থাকে"। এই বচনটো কাণ্টৰ মতে অনিবার্য্য আৰু সেইবাবে অভিজ্ঞতাপূর্ব। কিন্তু এই বচনটো সংশ্লেষকো কাৰণ জড় বস্তুৰ ধাৰণাটোত আমি ইয়াৰ স্থায়িত্বৰ বিষয়ে নাভাবো, অকল দেশত (space) ইয়াৰ উপস্থিতিৰ কথাহে ভাবো। পদার্থ বিদ্যা সাধাৰণতে অকল সংশ্লেষক অভিজ্ঞতাপূর্ব বচনৰ দ্বাৰাই গঠিত নহয়, ই সংশ্লেষক অভিজ্ঞতাপূর্ব বচনক নীতি হিচাপে গ্রহণ কৰে। গতিকে ইয়াৰ পৰা এইটো সূচায় যে যদি অধিবিদ্যা সম্ভৱ হয় তেনেহলে ই সংশ্লেষক অভিজ্ঞতাপূর্ব বচনেৰে গঠিত।

কিন্তু অধিবিদ্যাক বিজ্ঞান হিচাপে ধৰা দাৰীটোক সন্দেহৰ আবর্তত দেখা যায়। গতিকে অধিবিদ্যা বিজ্ঞান হিচাপে সম্ভৱ হয় নে নহয় প্রশ্নটো অধিবিদ্যা সম্ভৱনে প্রশ্নটোতকৈ গুৰুত্বপূর্ণ নহয়। কাণ্টে বিশ্বাস কৰিছিল যে মানুহৰ যুক্তিয়ে কিছুমান সমস্যাৰ উদ্ভৱ কৰে যিবোৰৰ উত্তৰ অভিজ্ঞতাৰ দ্বাৰা দিয়া সম্ভৱ নহয় আৰু গতিকে কোনোৱে প্রশ্ন উত্থাপন কৰিব পাৰে যে অধিবিদ্যা এটি প্রাকৃতিক (disposition) প্রবৃত্তি হিচাপে কেনেকৈ সম্ভৱ। অধিবিদ্যাই বিজ্ঞান গঠন কৰিব পাৰে এই দাবীটো যুক্তিসংগত হয় নে নহয় সেই বিষয়ে কাণ্টে সন্দেহ প্রকাশ কৰিছিল- সঁচাকৈয়ে এই ক্ষেত্রত উত্থাপন হোৱা প্রশ্নটো হৈছে অধিবিদ্যাক বিজ্ঞান হিচাপে ধৰাটো সম্ভৱনে।

চিন্ত চর্চা কৰক ঃ ৪.৪

- কাণ্টৰ মতে বিশ্লেষক অৱধাৰণ বুলিলে কি বুজে? বিশ্লেষক অৱধাৰণৰ এটি উদাহৰণ দিয়ক।
- অধিবিদ্যাত সংশ্লেষক অভিজ্ঞতাপূর্ব জ্ঞানৰ সম্ভাৱনীয়তাক কাণ্টে কিয় গ্রহণ কৰা নাই?

অগ্রগতিৰ নিৰীক্ষণ

৫ নং প্রশ্ন ঃ তলত দিয়া বাক্যবোৰ সত্য নে অসত্য লিখক।

(ক) বিশ্লেষক অৱধাৰণবোৰক 'বিস্তার্য্য অৱধাৰণ বুলি কোৱা হয়। (সত্য/অসত্য)

(ক) আমি যুক্তিগত বিৰোধিতাত অর্ন্তভুক্ত নোহোৱাকৈ বিশ্লেষক বচনবোৰক নাকচ কৰিব নোৱাৰো। (সত্য/অসত্য)

(গ) সংশ্লেষক অৱধাৰণবোৰক বৃদ্ধিশীল অৱধাৰণ বুলিও কোৱা হয়। (সত্য/অসত্য)

(ঘ) সকলোবোৰ যিবোৰ ঘটনা ঘটে তাৰ এটি কাৰণ থাকে', এইটো সংশ্লেষক অভিজ্ঞতাপ্রসূত অৱধাৰণৰ উদাহৰণ। (সত্য/অসত্য)

(ঙ) কাণ্টে সংশ্লেষক অভিজ্ঞতাপূর্ব অৱধাৰণক অধিবিদ্যাত গ্রহণ কৰিছে। (সত্য/অসত্য)

৪.৮ কপাৰনিকাছৰ বিপ্লৱ

কাণ্টে মন আৰু ইয়াৰ বস্তুবিলাকক (its objects) লৈ এটি নতুন প্ৰকল্প গঠন ক�ৰিছে আৰু ইয়াৰ দ্বাৰাই সংশ্লেষক অভিজ্ঞতাপূৰ্ব অৱধাৰণৰ সমস্যা সমাধান ক�ৰিছে। এইটো তেওঁৰ বাবে স্পষ্ট আছিল যে আমি যদি হিউমে কৰাৰ দৰে অনুমান কৰো যে মনে ইয়াৰ ধাৰণাবোৰৰ গঠন কৰাৰ সময়ত ইয়াৰ বস্তুবোৰৰ লগত মিল থাকে তেনেহলে সেই সমস্যাটোৰ কোনো সমাধান নাথাকে। হিউমৰ তত্বটো আমি কোনো বস্তুক অভিজ্ঞতা প্ৰসূত হিচাপে কৰা ধাৰণাটোৰ ক্ষেত্ৰতহে কাম কৰিব। কিন্তু সংশ্লেষক অভিজ্ঞতাপূৰ্ব অৱধাৰণাৰ বৈধতা অভিজ্ঞতাৰ দ্বাৰা নিৰ্ণয় কৰিব নোৱাৰি। উদাহৰণস্বৰূপে মই যদি কও যে প্ৰত্যেক ডাল সৰলৰেখাই হৈছে দুটা বিন্দুৰ মাজৰ আটাইতকৈ চুটি ৰাস্তা তেন্তে মই নিশ্চিত ভাবে কব নোৱাৰো যে প্ৰত্যেকটো সাম্ভাব্য সৰলৰেখাৰ বিষয়ে মোৰ অভিজ্ঞতা আছে। হিউমে বিশ্বাস কৰাৰ দৰে যদি, মনটো নিক্ৰিয় হয় আৰু অকল ইয়াৰ বস্তু বিলাকৰ পৰা খবৰ গ্ৰহণ কৰে তেন্তে ইয়াৰ পৰা এইটো সূচিত কৰে যে মনৰ অকল সেই বিশেষ বস্তুটোৰ প্ৰতিহে খবৰ থাকে। কিন্তু মনে সকলোবোৰ বস্তুৰ বিষয়েই অৱধাৰণ বা বিচাৰ কৰে, আনকি সেইবোৰৰ বিষয়েও যিবোৰ এতিয়াও অভিজ্ঞতাৰ দ্বাৰা জনা নাই। আৰু এই বস্তুবোৰৰ বিষয়ে আমি যেনেকুৱা ধৰণৰ অৱধাৰণ বা বিচাৰ বনাও, ভবিষ্যতেও ই তেনেকুৱা ধৰণৰ ব্যৱহাৰ কৰে। এনেকুৱা ধৰণৰ বৈজ্ঞানিক জ্ঞানে কোনো বস্তুৰ প্ৰকৃতি সম্পৰ্কে আমাক বিশ্বাসযোগ্য খবৰ দিয়ে। কিন্তু যিহেতু এই জ্ঞানটো সংশ্লেষক আৰু অভিজ্ঞতাপূৰ্ব দুয়োটাই, মনে যে অকল ইয়াৰ বস্তুবিলাকৰ লগতহে জড়িত হৈ থাকে এই অনুমানটো বাখ্যা কৰিব নোৱাৰে (কেনেকৈ মনটো প্ৰত্যেকডাল সৰলৰেখাৰ লগত জড়িত হৈ থাকে এই ক্ষেত্ৰত), কাণ্টে মন আৰু ইয়াৰ বস্তুবিলাকৰ মাজৰ সম্বন্ধৰ এটা নতুন প্ৰকল্প গঠন কৰিবলৈ বাধ্য হ'ল।

কাণ্টে সেই কাৰণে এটা প্ৰকল্পৰ বিষয়ে উল্লেখ কৰিছে ঃ "এতিয়ালৈকে এইটো অনুমান কৰা হৈছে যে আমাৰ সকলোবোৰ জ্ঞান অনুমানৰ লগত জড়িত হৈ থাকে। কিন্তু ধাৰণাৰ জৰিয়তে অভিজ্ঞতাপূৰ্ব ভাবে সিহঁতৰ বিষয়ে যিকোনো বস্তু নিশ্চিত কৰিবলৈ কৰা চেষ্টা আৰু এনেদৰে আমাৰ জ্ঞানৰ বৃদ্ধি কৰিবলৈ কৰা চেষ্টা, এইটো অনুমানত একো বস্তুত গৈ পৰিণত নহয়। এটা চেষ্টা কৰি চোৱা যাওক, যদি আমি অনুমান কৰো যে বস্তুবোৰ অকল আমাৰ জ্ঞানৰ লগতহে জড়িত, তেনেহলে আমি অধিবিদ্যাৰ ক্ষেত্ৰত বেছি ভাল উন্নতি কৰিব নোৱাৰিম নেকি। এই সকলোবোৰ ঘটনাৰ আমি বিচাৰি থকা এটা সম্ভাৱনীয়তাৰ লগত ভালদৰে মিল আছে, যেনে বস্তুৰ জ্ঞান হৈছে অভিজ্ঞতাপূৰ্ব, যিটো জ্ঞানে সিহঁতৰ বিষয়ে কিছুমান বস্তু নিৰ্ণয় কৰে, সেইবোৰ বস্তু আমাক দিয়াৰ আগতেই"।

কাণ্টে লক্ষ্য কৰা প্ৰকল্পটোৰ কপাৰনিকাছে উল্লেখ কৰা প্ৰকল্পটোৰ লগত সাদৃশ্য আছে। পিছৰ বিধে লক্ষ্য কৰিছিল যে যদিও সূৰ্য্যটোক পৃথিবীখনৰ এটা দিশৰ পৰা আনটো দিশলৈ, পূৱৰ পৰা পশ্চিমলৈ গতি কৰা দেখা যায় আমি কেতিয়াও সঠিক ভাবে সিদ্ধান্তলৈ আহিব নোৱাৰো যে পৃথিৱীখন স্থিৰ (fixed) আৰু সূৰ্য্যই স্থিৰ পৃথিৱীখনৰ চাৰিওফালে গতি কৰে, কাৰণ ইয়াৰ এটা ভাল যুক্তি হৈছে সূৰ্য্যৰ গতিটো হৈছে উল্লেখনীয় ভাবে একে, কাৰণ এইটো যদি পৃথিৱীখন যি সূৰ্য্যৰ চাৰিওফালে ঘূৰে আৰু ইয়াক লক্ষ্য কৰে কোনো ব্যক্তিয়ে। কিন্তু প্ৰশ্ন উত্থাপন হয় জ্যোতিৰ্বিজ্ঞানৰ এনেকুৱা ঘটনা নাই নেকি যিটোক ভূকেন্দ্ৰিক প্ৰকল্পৰ পৰিবৰ্তে সূৰ্য্যকেন্দ্ৰিক প্ৰকল্পৰ দ্বাৰা উৎকৃষ্ট ভাবে ব্যাখ্যা কৰিব পৰা যায়। আৰু ইয়াৰ সমসাময়িক জ্যোতিৰ্বিজ্ঞানৰ অনুসন্ধানে দেখুৱাইছিল যে ঘটনাটো আচলতে সেইটোৱেই। ঠিক একেদৰে কাণ্টেও মত দাঙি ধৰিছিল যে, মনে নিজে বস্তুবোৰক জানিবৰ বাবে আগবাঢ়ি

নাযায়, তাৰ পৰিবর্তে বস্তুবোৰে সিহঁতক জানিবৰ বাবে মনক আবেদন জনায়। আৰু এই নতুন প্রকল্পৰ জৰিয়তে যদি অভিজ্ঞতাপূর্ব জ্ঞানক বাখ্যা কৰিব পাৰি, তেনেহলে এই নিশ্চয়তাই হৈছে নতুন প্রকল্পটোৰ সপক্ষে এটি যুক্তি। কাণ্টৰ কপাৰনিকাছ বিপ্লৱে এইটো নুসুচায় যে সত্তাক মন আৰু ইয়াৰ ধাৰণাবোৰলৈ পৰিবর্তিত কৰিব পাৰি। তেওঁ এইটো পৰামর্শ দিয়া নাই যে মানুহৰ মনে বস্তুৰ সৃষ্টি কৰে, যেতিয়ালৈকে সিহঁতৰ অস্তিত্ব জড়িত হৈ আছে চিন্তাৰ জৰিয়তে। তেওঁ কৈছে, আমি বস্তুবোৰ জানিব নোৱাৰো, বস্তুবোৰ আমাৰ জ্ঞানৰ বিষয়বস্তুৰ অর্ন্তগত নহয়, একমাত্র এটা ক্ষেত্রৰ বাহিৰে, যেতিয়ালৈকে সিহঁতে উদ্দেশ্যৰ অংশ হিচাপে, কোনো নিশ্চিত অভিজ্ঞতাপূর্ব জ্ঞানৰ অর্ন্তগত হৈ থাকে। যদি আমি অনুমান কৰো যে মানুহৰ মনটো জ্ঞানৰ ক্ষেত্রত নিক্রিয়, তেন্তে আমি নিঃসন্দেহে গ্রহণ কৰা অভিজ্ঞতাপূর্ব জ্ঞানৰ বিষয়ে ব্যাখ্যা কৰিব নোৱাৰিম। গতিকে অনুমান কৰা হ'ল যে মনটো সক্রিয়, কিন্তু এই সক্রিয়তাই শূণ্যৰ পৰা কোনো বস্তুৰ সৃষ্টিক নুবুজায়। তাৰ পৰিবর্তে ই বুজাই যে মনে বস্তুগত অভিজ্ঞতাৰ দিশৰ পৰা ইয়াৰ জ্ঞানৰ নিজৰ ৰূপ গ্রহণ কৰে, যিটো নির্ণয় কৰা হয় মানুহৰ শক্তি আৰু বুদ্ধিৰ গঠনৰ জৰিয়তে আৰু সেইবোৰ বস্তু এনেকুৱা আকাৰৰ মাধ্যমৰ বাহিৰে বেলেগৰ দ্বাৰা জনা নাযায়। কিন্তু আমি যদি মনৰ কথা কও বস্তুগত জ্ঞানৰ ক্ষেত্রত নিজৰ আকাৰ গ্রহণ কৰে, মানুহৰ কর্তাই ইচ্ছাকৃত ভাৱে, স্বৰিছাৰে আৰু কোনো উদ্দেশ্যৰ এইটো কৰিছে বুলি গ্রহণ কৰিব নালাগিব যিটো বস্তু আমাৰ সচেতন অভিজ্ঞতাত দিয়া হৈছে, যিটো বস্তুৰ বিষয়ে আমি ভাবো সেইটো আগতীয়াকৈ জ্ঞানৰ আকাৰৰ বিষয়বস্তুৰ অধিকাৰী হৈছে যিটো বস্তু ব্যক্তিয়ে প্রাকৃতিক অনিবার্য্যতাৰে গঠন কৰে, কাৰণ এইটো হৈছে যি সেইটো, তাৰমানে ইয়াৰ জ্ঞানৰ বিষয়বস্তু হিচাপে এটি প্রাকৃতিক গঠন আছে। সেইবাবে জ্ঞানাত্মক আকাৰে (cognitive form) বস্তুৰ সম্ভাৱনীয়তাক নির্ণয় কৰে, যদিহে বস্তুবোৰে নিজৰ ভিতৰত থকা বস্তুবোৰক নির্দ্দেশ কৰে। (things in themselves) তাৰমানে বস্তুবোৰৰ অস্তিত্ব জ্ঞানৰ বিষয়ৰ কোনো সম্বন্ধৰ পৰা দূৰত অৱস্থিত। সাধাৰণতে আমি কব নোৱাৰো যে, সিহঁতক মানুহৰ মনে নির্ণয় কৰে। এই পৰিস্থিতিটোক তুলনা কৰিব পাৰি এজন ব্যক্তিৰ লগত যি ৰঙীন চশমা পিন্ধি সকলোবোৰ বস্তু ৰঙীন দেখে। প্রত্যেক ব্যক্তিয়ে ব্যক্তি হিচাপে চিন্তাৰ সামর্থ্য আহৰণ কৰে, যাৰ জৰিয়তে, মনৰ স্বাভাৱিক গঠনৰ দ্বাৰা বস্তুবোৰৰ বিষয়ে চিন্তা কৰিব পাৰে।

চিন্তা চর্চা কৰক ঃ ৪.৫

- কাণ্টৰ মতে, তেওঁৰ দর্শনৰ কোনটো প্রকল্পক কপাৰনিকাছৰ মতৰ লগত তুলনা কৰিব পাৰি?
- কাণ্টে তেওঁৰ অভিমতক কিয় দর্শনত 'কপাৰনিকাছৰ বিপ্লৱ' বুলি অভিহিত কৰিছে?

অগ্রগতিৰ নিৰীক্ষণ

৬ নং প্রশ্ন ঃ (ক) কাণ্টৰ মতে, মনটো কিয় হিউমে অনুমান কৰাৰ দৰে নিষ্ক্রীয় বুলি গ্রহণ কৰিব নোৱাৰি? (৭৫ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

(খ) মনে কেনেদৰে ইয়াৰ জ্ঞানৰ আকাৰক অভিজ্ঞতাৰ সামগ্ৰীৰ ওপৰত ৰোপণ কৰে? (৩৫ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

৪.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সন্দেহবাদে জ্ঞানৰ বিচাৰবাদক প্ৰতিনিধিত্ব কৰে। সন্দেহবাদে জ্ঞানৰ সম্ভাৱনীয়তাক সন্দেহ কৰে। কিন্তু মানুহৰ মনে এনেদৰে সন্দেহ কৰি গৈ থকাত অসুবিধা পায়। মানুহৰ মনে জ্ঞানৰ সীমাবদ্ধতাৰ আৰু চৰ্তাৱলীৰ বিষয়ে জানিবলৈ অনুসন্ধান কৰিবলৈ আৰম্ভ কৰে। আৰু জ্ঞানৰ সীমাবদ্ধতা আৰু চৰ্তাৱলীৰ বিষয়ে অনুসন্ধান হেছে সেইটো যিটো জ্ঞান মীমাংসাই কৰে। আন কথাত কবলৈ হ'লে জ্ঞানৰ বিচাৰবাদেই হেছে জ্ঞানমীমাংসা। এনে ক্ষেত্ৰত দৰ্শনৰ যিকোনো ধৰণৰ সম্প্ৰদায় যদি জ্ঞানমীমাংসা সম্বন্ধীয় আলোচনাৰ ভিত্তিৰ ওপৰত প্ৰতিষ্ঠিত হয় তেনেহলে তাক বিচাৰজনক বুলি অভিহিত কৰিব পৰা যায়।
- যেনেদৰে কাণ্টে জ্ঞানৰ ধাৰণাবোৰৰ বিষয়ে বিশ্লেষণ আগবঢ়াইছে তাক বিচাৰবাদ বুলি অভিহিত কৰিব পৰা যায়। কাণ্টে নিজেই কৈছিল যে বিচাৰবাদ হেছে এনেকুৱা ধৰণৰ দৰ্শন যিয়ে কোনো এটা নিশ্চিত অৱধাৰণত উপস্থিত হোৱাৰ পূৰ্বে সকলোবোৰ বস্তু সমালোচনা কৰে আৰু পৰীক্ষা কৰে আৰু কোনো বস্তু জানিবলৈ চেষ্টা কৰাৰ আগতে জ্ঞানৰ সীমাবদ্ধতাৰ বিষয়ে বিচাৰি উলিয়ায়।
- কাণ্টে বুদ্ধিবাদীসকলৰ কিছুমান তত্ব আৰু অভিজ্ঞতাবাদী সকলৰ কিছুমান তত্ব বিচাৰি উলিয়াইছিল। আৰু সিহঁতক একেলগে তেওঁৰ নিজৰ দাৰ্শনিক চিন্তাধাৰৰ অৰ্ন্তগত কৰিছিল। তেওঁ বুদ্ধিবাদী আৰু অভিজ্ঞতাবাদী চিন্তাধাৰৰ কিছুমান ধাৰণা লৈছিল কিন্তু তেওঁ সেই মতাবাদ সমূহ সলনি কৰি সিহঁতৰ অর্থ আৰু ইয়াৰ দ্বাৰা সূচিত ধাৰণা সমূহ সলনি কৰিছিল আৰু এটা নতুন পদ্ধতিৰ সৃষ্টি কৰিছিল যাক তেওঁ বিচাৰজনক দৰ্শন বুলি অভিহিত কিৰিছিল।
- অভিজ্ঞতাপূৰ্ব বুলিলে এনেকুৱা ধৰণৰ জ্ঞানক নুবুজায় যিবোৰ সুস্পষ্টভাবে আগতীয়াকৈ মনত নিহিত হৈ থাকে। ই অভিজ্ঞতাৰ দ্বাৰা যিকোনো বস্তু জনাৰ আগতেই । ই এনেকুৱা ধৰণৰ জ্ঞানক বুজায় যিটো অভিজ্ঞতাৰ পৰা সংগ্ৰহ কৰা হোৱা নাই যদিও অভিজ্ঞতাৰ কিছুমান ক্ষেত্ৰত ইয়াক দেখা যায়।

'অভিজ্ঞতাপ্ৰসূত' এই শব্দটোৱে বুজায় 'অভিজ্ঞতাৰ পিচত জনা' বা 'অভিজ্ঞতাৰ ওপৰত নিৰ্ভৰ কৰি জনা'।

- বিশ্লেষক অৱধাৰণ হেছে সেইবোৰ য'ত বিধেয়টো উদ্দেশ্যৰ ধাৰণাৰ মাজত অব্যক্তভাৱে (implicity) হলেও নিহিত হৈ থাকে। সিহঁতক ব্যাখ্যাত্মক (explicative) অৱধাৰণ বুলি কোৱা হয় কাৰণ বিধেয়টোৱে উদ্দেশ্যৰ ধাৰণাটোৰ মাজত কোনো বস্তু যোগ নিদিয়ে যিটো আগতীয়াকৈ ইয়াত নিহিত হৈ থকা নাই, সুস্পষ্টভাবে বা অব্যক্তভাবে।
- সংশ্লেষক অৱধাৰণবোৰে বিশ্লেষক অৱধাৰণৰ বিপৰীতে গৈ বিধেয়টো উদ্দেশ্যৰ ধাৰণাটো হয় বা নহয় বুলি যিটো আগতীয়াকৈ উদ্দেশ্যৰ ধাৰণাটোত নিহিত হৈ থকা নাই। গতিকে সিহঁতক বিস্তাৰ্য্য বা

বৃদ্ধিশীল (augmentative) অৱধাৰণ বুলি কোৱা হয়। কাৰণ সিহঁতে উদ্দেশ্যৰ ধাৰণাটোৰ কিবা যোগ দিয়ে।

- সকলো ধৰণৰ সংশ্লেষক অৱধাৰণত উদ্দেশ্যৰ ধাৰণাটোত কিবা এটা যোগ কৰা হয়। উদ্দেশ্য আৰু বিধেয়ৰ মাজত এটা সম্বন্ধ গঢ়ি উঠে, কিন্তু এনেকুৱা ধৰণৰ অৱধাৰণত অকল উদ্দেশ্যটো বিশ্লেষণ কৰিয়েই বিধেয়টোৱে উদ্দেশ্যৰ বাহিৰলৈ যাব নোৱাৰে। এতিয়া এই সম্বন্ধটো হৈছে তথ্যসাপেক্ষ আৰু চর্ত সাপেক্ষে। এইটো অকল অভিজ্ঞতাৰ জৰিয়তেহে দিয়া হৈছে আৰু যেতিয়া এনেকুৱা ঘটনা ঘটে তেতিয়া অৱধাৰণটো হৈছে সংশ্লেষক অভিজ্ঞতা প্ৰসূত।
- কাণ্টৰ মতে সংশ্লেষক বচনৰ এটি শ্ৰেণী আছে, য'ত উদ্দেশ্য আৰু বিধেয় মাজৰ সম্বন্ধটো, যদিও অকল উদ্দেশ্য ধাৰণাটো বিশ্লেষন কৰি জনা নাযায় তথাপিও এইটো অনিবার্য্য আৰু কঠোৰভাবে সার্বজনীন। সিহঁতক সংশ্লেষক অভিজ্ঞতাপূর্ব বচন বুলি কোৱা হয়।
- সংশ্লেষক অভিজ্ঞতাপূর্ব বচনবোৰ প্ৰথমতে পোৱা যায় গণিতশাস্ত্ৰত। সেইদৰে জ্যামিতিৰ বচনবোৰো সংশ্লেষক অভিজ্ঞতা পূর্ব। দ্বিতীয়তে সংশ্লেষক অভিজ্ঞতাপূর্ব বচনবোৰ পদার্থবিদ্যাতো পোৱা যায়।
- অধিবিদ্যাৰ লক্ষ্য হৈছে সত্তা সম্পর্কে আমাৰ জ্ঞান বঢ়োৱা। ইয়াৰ বচনবোৰ গতিকে সংশ্লেষক হব লাগিব। একেসময়তে এইটো যদি অভিজ্ঞাতাপূর্ণ বিজ্ঞান নহয় তেন্তে ইয়াৰ বচনবোৰ অভিজ্ঞতাপূর্ব হব লাগিব। ইয়াৰ পৰা গতিকে এইটো গম পোৱা যায় যে যদি অধিবিদ্যা সম্ভৱ হয় তেন্তে ই সংশ্লেষক অভিজ্ঞতাপূর্ব বচনেৰে গঠিত হব লাগিব। কিন্তু অধিবিদ্যাক বিজ্ঞান হিচাপে কৰা দাবীটো সন্দেহত দেখা যায়।
- কাণ্টে বিশ্বাস কৰিছিল যে মানুহৰ যুক্তিয়ে সাধাৰণতে এনেকুৱা কিছুমান সমস্যাৰ উত্থাপন কৰে যিবোৰৰ উত্তৰ অভিজ্ঞতাৰ দ্বাৰা দিয়া সম্ভৱ নহয়। আৰু এনে ক্ষেত্ৰত কোনোৱে সুধিব পাৰে যে প্ৰাকৃতিক ঘটনা হিচাপে গ্ৰহণ কৰা অধিবিদ্যা সম্ভৱনে? কিন্তু কাণ্টে অধিবিদ্যাই বিজ্ঞান গঠন কৰা বুলি কৰা দাবীটো সঠিক নে বুলি সন্দেহ প্ৰকাশ কৰে। ইয়াত উত্থাপন হোৱা প্ৰশ্নটো সঁচাকৈয়ে যে অধিবিদ্যাক বিজ্ঞান হিচাপে গ্ৰহণ কৰাটো সম্ভৱনে?
- কাণ্টে মন আৰু ইয়াৰ বস্তুবোৰৰ মাজৰ সম্বন্ধক লৈ এটা নতুন প্ৰকল্প গঠন কৰিছিল আৰু ইয়াৰ দ্বাৰা সংশ্লেষক অভিজ্ঞতাপূর্ব অৱধাৰণৰ সমস্যা সমাধান কৰিছিল। তেওঁ এটা প্ৰকল্পৰ বিষয়ে পৰামর্শ আগবঢ়াইছিল ঃ 'এতিয়ালৈকে এইটো অনুমান কৰা হৈছে যে আমাৰ সকলোবোৰ জ্ঞান অনুমানৰ লগত জড়িত হৈ থাকে। কিন্তু ধাৰণাৰ জৰিয়তে অভিজ্ঞতাপূর্ব ভাবে সিহঁতৰ বিষয়ে যিকোনো বস্তু নিশ্চিত কৰিবলৈ কৰা চেষ্টা আৰু এনেদৰে আমাৰ জ্ঞান বৃদ্ধি কৰিবলৈ কৰা চেষ্টা, এইটো অনুমানত একো বস্তুত গৈ পৰিণত নহয়। এটা চেষ্টা কৰি চোৱা যাওক, যদি আমি অনুমান কৰো যে বস্তুবোৰ অকল আমাৰ জ্ঞানৰ লগতহে জড়িত, তেনেহলে আমি অধিবিদ্যাৰ ক্ষেত্ৰত বেছি ভাল উন্নতি কৰিব নোৱাৰিম নেকি? এই সকলোবোৰ ঘটনাৰ আমি বিচাৰি থকা এটা সম্ভাৱনীয়তাৰ লগত ভালদৰে মিলি আছে। যেনে বস্তুৰ জ্ঞান হৈছে অভিজ্ঞতাপূর্ব, যিটো জ্ঞানে সিহঁতৰ বিষয়ে কিছুমান বস্তু নির্ণয় কৰে সেইবোৰ বস্তু আমাক দিয়াৰ আগতেই''।

- কাণ্টৰ কপাৰনিকাছ বিপ্লৱে এইটো নুসূচায় যে সত্তাক মন আৰু ইয়াৰ ধাৰণাবোৰলৈ সলনি কৰিব পাৰি। তেওঁ এইটো পৰামর্শ নিদিয়ে যে মানুহৰ মনে বস্তু সৃষ্টি কৰে যেতিয়ালৈকে সিহঁতৰ অস্তিত্ব জড়িত হৈ থাকে, সিহঁতৰ কথা ভাবি। তেওঁ এইটো কৈছে যে আমি বস্তুবোৰৰ বিষয়ে জানিব নোৱাৰো, সিহঁত আমাৰ বাবে জ্ঞানৰ বস্তু নহয়। একমাত্ৰ এটা ক্ষেত্ৰৰ বাহিৰে যেতিয়া সিহঁত উদ্দেশ্যৰ কোনো এটা অংশৰ জ্ঞানৰ অভিজ্ঞতাপূর্ব চর্তৰ তলতীয়া হয়।

৪.১০ অধিক জানিবলৈ

১) পুজাৰী ড বন্দনা (২০১৩), পাশ্চাত্য দর্শনৰ ইতিহাস। ষ্টুডেণ্টচ্ ষ্টো'ৰচ, গুৱাহাটী।

২) ভট্টাচার্য্য ড জ্যোৎস্না, (২০১০) দর্শনৰ পৰিচয়, পাশ্চাত্য দর্শন, গুৱাহাটী।

৩) Descartes, R (1975) The philosophical writings of Descartes, (Ed.) J. Conningham, R. Stoodhoff, and D. Murdoch, Cambridge; Cambridge University Press.

৪) Fogelian, R (1994), Pyrrhonian Reflections on knowledge and Justifications, Oxford: Oxford University Press.

৫) Hume D, Enquiry Concerning Human Understanding and concerning the Principles of Morals, (ed.) P. Nidditch, Oxford : Clarendon Press.

৬) Kant Immanual, (1929), Critique of Pure Reason, trans, Norman kemp Smith, New York; St. Martin's Press.

৭) Dicker, Georges, (2004), Kant's theory of Knowledg; an analytic introduction, Oxford University Press.

৮) Guyer, Paul (ed) (2006), The Cambridge Companion to Kant and Modern Philosophy, Cambridge University Press.

৪.১০ অধিক জানিবলৈ

১ নং প্রশ্নৰ উত্তৰ ঃ(ক) সত্য, (খ) অসত্য, (গ) সত্য, (ঘ) সত্য।

২ নং প্রশ্নৰ উত্তৰ ঃ(ক) অভিজ্ঞতাবাদৰ মৌলিক নীতিটো হৈছে যে আমি ইন্দ্রিয়ৰ জৰিয়তে জ্ঞান আহৰণ কৰো আৰু ইন্দ্রিয়সমুহে আমাক যিবোৰৰ বিষয়ে জানিব দিয়ে তাৰ বাহিৰে আমি একো নাজানো।

(খ) বিজ্ঞানক হিউমৰ সন্দেহবাদৰ পৰা মুক্ত কৰাৰ প্রচেষ্টাত কাণ্টে অনুমান কৰিছিল যে কিছুমান বিশেষ ধৰণৰ ধাৰণা আছে যিবোৰ অভিজ্ঞতাৰ পৰা উৎপত্তি নহয় কিন্তু সিহঁতৰ 'বস্তুগত' বৈধতা আছে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ(ক) বিশ্লেষক, (খ) অভিজ্ঞতা, (গ) কঠোৰ সাৰ্বজনীনতা, (ঘ) সম্ভৱ, (ঙ) সামান্যীকৰণ, (চ) নিৰ্ভৰশীল ভাবে।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ(ক) অসত্য, (খ) সত্য, (গ) সত্য, (ঘ) অসত্য, (ঙ) অসত্য।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ(ক) বৈজ্ঞানিক জ্ঞান আমাক বস্তুৰ প্ৰকৃতি সম্পৰ্কে বিশ্বাসযোগ্য খবৰ দিয়ে। কিন্তু এই জ্ঞান যি সংশ্লেষক আৰু অভিজ্ঞতাপূৰ্বও হয়, ই এইটো অনুমান ব্যাখ্যা কৰিব নোৱাৰে যে মনৰ ইয়াৰ বস্তুবিলাকৰ লগত মিল আছে।

(খ) আমি যেতিয়া কও যে জ্ঞানৰ কেঁচা সামগ্ৰীৰ ক্ষেত্ৰত মনে ইয়াৰ নিজৰ জ্ঞানৰ আকাৰ ব্যৱহাৰ কৰে, তেতিয়া এইটো এই বুলি গ্ৰহণ কৰিব নালাগিব যে মানুহৰ উদ্দেশ্যই এইটো ইচ্ছাকৃত ভাবে বা সচেতন ভাবে কৰে। তাৰ পৰিবৰ্তে এইটো বুজায় যে সচেতন অভিজ্ঞতাত দিয়া বস্তুটো, যিটো বস্তুৰ বিষয়ে আমি ভাবো, সেই বস্তুটো আগতেই মানুহৰ উদ্দেশ্যই প্ৰাকৃতিক অনিবাৰ্য্যতাৰে ব্যৱহাৰ কৰা জ্ঞানৰ আকাৰৰ অধিকাৰী হৈছে কাৰণ ইয়াৰ জ্ঞানৰ উদ্দেশ্য হিচাপে প্ৰাকৃতিক গঠন আছে।

৪.১২ আৰ্হি প্ৰশ্ন

(ক) অতি চমু প্ৰশ্ন

প্ৰশ্ন ১ ঃ বুদ্ধিবাদ আৰু অভিজ্ঞতাবাদৰ সমন্বয় সাধন কৰা দাৰ্শনিক জনৰ নাম লিখক।

প্ৰশ্ন ২ ঃ দুজন বুদ্ধিবাদী দাৰ্শনিকৰ নাম লিখক।

প্ৰশ্ন ৩ ঃ কাণ্টৰ মতে দুই ধৰণৰ বচন কি কি?

প্ৰশ্ন ৪ ঃ সংশ্লেষক অৱধাৰণৰ প্ৰকাৰৰ বিষয়ে লিখক।

প্ৰশ্ন ৫ ঃ সংশ্লেষক বচনৰ এটি উদাহৰণ দিয়ক।

প্ৰশ্ন ৬ ঃ কপাৰনিকাছ বিপ্লৱৰ বিষয়ে উল্লেখ কৰা দাৰ্শনিক জনৰ নাম লিখক।

(খ) চমু প্ৰশ্ন (১০০-১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ কপাৰনিকাছ বিপ্লৱৰ বিষয়ে চমু টোকা লিখক।

প্ৰশ্ন ২ ঃ বিশ্লেষক আৰু সংশ্লেষক অৱধাৰণৰ মাজত পাৰ্থক্য নিৰ্ণয় কৰক।

প্ৰশ্ন ৩ ঃ অভিজ্ঞতাপূৰ্ব জ্ঞান আৰু অভিজ্ঞতা প্ৰসূত জ্ঞানৰ পাৰ্থক্যৰ বিষয়ে চমুকৈ ব্যাখ্যা কৰক।

প্ৰশ্ন ৪ ঃ সংশ্লেষক অভিজ্ঞতাপ্ৰসূত অৱধাৰণৰ বিষয়ে চমুকৈ ব্যাখ্যা কৰক।

(গ) দীঘল প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ কাণ্টৰ বিচাৰবাদৰ তত্বটো আলোচনা কৰক।

প্ৰশ্ন ২ ঃ সংশ্লেষক অভিজ্ঞতাপূৰ্ব বচন সম্ভৱনে? আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ কপাৰনিকাছৰ বিপ্লৱৰ বিষয়ে ব্যাখ্যা কৰক।

প্ৰশ্ন ৪ ঃ জ্ঞানৰ বিভিন্ন প্ৰকাৰ সমূহ কি কি? আলোচনা কৰক।

প্ৰশ্ন ৫ ঃ অৱধাৰণৰ বিভিন্ন প্ৰকাৰ সমূহৰ বিষয়ে আলোচনা কৰক।

*** **** ***

অধ্যায় ৫ঃ সন্দেহবাদঃ হিউম্

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য
৫.২ পৰিচয়
৫.৩ সন্দেহবাদ কি ?
৫.৪ সন্দেহবাদৰ বিভিন্ন প্ৰকাৰ
৫.৪.১ Phrrhonian সন্দেহবাদ
৫.৪.২ Cartesian সন্দেহবাদ
৫.৪.৩ হিউমৰ সন্দেহবাদ
৫.৫ অধ্যায়ৰ পৰা আমি কি শিকিলোঁ
৫.৬ অধিক জানিবলৈ
৫.৭ অগ্ৰগতিৰ খতিয়ান
৫.৮ আৰ্হি প্ৰশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি-

- সন্দেহবাদ কি বৰ্ণনা কৰিব পাৰিব
- জ্ঞান সন্দেহবাদ আৰু প্ৰামনিকতা সন্দেহবাদৰ মাজত পাৰ্থক্য
- সাৰ্বজনীন (Global) আৰু আংশিক (Local) সন্দেহবাদৰ মাজত পাৰ্থক্য
- ডেকার্টৰ সন্দেহবাদৰ ওপৰত সন্দেহ প্ৰকল্পৰ ভূমিকা
- বিভিন্ন প্ৰকাৰৰ সন্দেহবাদৰ বৰ্ণনা আৰু মূল্যায়ন কৰা
- দৰ্শনত সংশয়ৰ ভূমিকা
- বিচাৰবাদ কি বৰ্ণনা কৰা
- অভিজ্ঞতা পূৰ্ব জ্ঞান আৰু অভিজ্ঞতা প্ৰসূৰ জ্ঞানৰ বৰ্ণনা আৰু পাৰ্থক্য
- বিশ্লেষক আৰু সংশ্লেষক অৱধাৰণৰ বৰ্ণনা আৰু পাৰ্থক্য
- সংশ্লেষক অভিজ্ঞতা পূৰ্ব অৱধাৰণ সম্ভাৱনীয়তাৰ মূল্যায়ন
- কপাৰনিকাছ বিপ্লৱৰ বৰ্ণনা

৫.২ পৰিচয়

যেতিয়া আমি কওঁ যে ব্যক্তি এজন সন্দেহবাদী, সাধাৰণতে আমি বুজো যে ব্যক্তিজন সোনকালে পতিয়ন নাযায় আৰু যিবোৰ বিষয় ভালদৰে বিচাৰি পোৱা নাযায় সেইবোৰৰ ওপৰত সংশয় প্ৰকাশ কৰে। সন্দেহবাদ হৈছে এনেকুৱা এটা শব্দ যিটো দাৰ্শনিক চিন্তা-ধাৰাৰ লগত জড়িত। সন্দেহবাদৰ উৎপত্তি হৈছিল প্ৰাচীন গ্ৰীচত। আমাৰ সকলোৰে জ্ঞানৰ কিছুমান বিষয় সম্পৰ্কে সংশয় থাকে, যদিও এই সংশয়সমূহ ব্যক্তি অনুসাৰে আৰু গোট অনুসাৰে বেলেগ। একেদৰে, মানুহৰ জ্ঞানৰ সীমা, পৰিসৰ সম্পৰ্কে দাৰ্শনিক আৰু আন লেকৰ মাজত দীৰ্ঘলীয়া তৰ্ক দেখা যায়। যিমানেই আমি পৰিসৰটো সীমাবদ্ধ কৰো সিমানেই আমি সন্দেহবাদী হৈ পৰো। সেইবাবে যদি আমি ব্যক্তিগত অভিজ্ঞতাৰ ওপৰত আমাৰ জ্ঞান দাবীৰ পৰা দাবীলৈকে সীমাবদ্ধ কৰো, উদাহৰণস্বৰূপে, তেনেহ'লে আমি বহুত সন্দেহবাদী। দৰ্শনৰ বিখ্যাত সন্দেহবাদী তৰ্কসমূহ জড়িত থাকে বেলেগ বস্তুৰ মাজত থকা জ্ঞানৰ লগত, মনৰ পৰা স্বতন্ত্ৰ পৃথিৱীখনৰ লগত, বেলেগ মনবোৰৰ, আগমনাত্মাক অনুমানৰ, ঐতিহাসিক ঘটনা আৰু কিছুমান নেদেখা বস্তু যিবোৰ বিজ্ঞানৰ দ্বাৰা সমৰ্থিত।

সন্দেহবাদে জ্ঞানক সমালোচনা কৰে। সন্দেহবাদে জ্ঞানৰ সম্ভাৱণীয়তাৰ ওপৰত সন্দেহ প্ৰকাশ কৰে। কিন্তু মানুহৰ মনে এনেদৰে সন্দেহ কৰি গৈ থকাৰ ক্ষেত্ৰত অসুবিধা বোধ কৰে। মানুহৰ মনে জ্ঞানৰ সীমা আৰু চৰ্তাৱলীৰ বষয়ে অনুসন্ধান কৰিবলৈ আৰম্ভ কৰে আৰু জ্ঞানৰ সীমা আৰু চৰ্তাৱলীৰ সম্পৰ্কে অনুসন্ধান হৈছে সেইটো যিটো জ্ঞান মীমাংসাই কৰে। আন অৰ্থত ক'বলৈ গ'লে জ্ঞানৰ সমালোচনাই হৈছে জ্ঞানমীমাংসা। এনে ক্ষেত্ৰত দৰ্শনৰ যিকোনো ভাগ যদি জ্ঞানমীমাংসাৰ ওপৰত প্ৰতিষ্ঠিত হয় তেন্তে তাক বিচাৰত্মক (Critical) বুলি অভিহিত কৰিব পৰা যায়। আধুনিক যুগত বিচাৰবাদ পদ্ধতিটো কাণ্টে বহুল অৰ্থত ব্যৱহাৰ কৰিছে। সেইবাবে 'বিচাৰবাদ', 'বিচাৰত্মক পদ্ধতি' আৰু 'বিচাৰত্মক দৰ্শন' আদি শব্দবোৰে আজি কালিৰ দিনত সাধাৰণতে কাণ্টৰ পদ্ধতি আৰু চিন্তাধাৰাকে সূচায়।

৫.৩ সন্দেহবাদ কি ? (WHAT IS SKEPTICISM?)

কেতিয়াবা আমি জ্ঞানৰ কিছুমান দাবীৰ বিষয়ে সন্দেহী হওঁ, দৰ্শনত কিছুমান সন্দেহজনক বাক্যই আমাক দেখুৱাবলৈ চেষ্টা কৰে যে আমি নাজানো বা, সাধাৰণতে আমি বহুতো বস্তু জানো বুলি অনুমান কৰো বা যুক্তিৰে বিশ্বাস কৰো সেই ক্ষেত্ৰত আমি সঠিক নহয়। এই বাক্যবোৰে সামৰণি মাৰে যে আমি নাজানো বা আমি যেতিয়া বাহিৰা পৃথিৱী, বা অতীত বা বেলেগ মনৰ বিষয়ে জানো বুলি বিশ্বাস কৰো তেতিয়া আমি সঠিক নহয়।

সন্দেহবাদৰ বিভিন্ন ধৰণৰ ভাগ দেখা যায়। জ্ঞানৰ বিষয়ে সন্দেহবাদ আৰু প্ৰামানিকতাৰ বিষয়ে সন্দেহবাদৰ মাজত আমি পাৰ্থক্য নিৰ্ণয় কৰিব পাৰো। জ্ঞানৰ ওপৰৰ সন্দেহবাদে মানুহৰ কিছুমান প্ৰকাৰৰ জ্ঞান থাকিব পৰাৰ সম্ভাৱনাক নাকচ কৰে। প্ৰামাণিকতাৰ ওপৰৰ সন্দেহবাদে মানুহে কিছুমান বস্তু জানো বুলি বিশ্বাস কৰাৰ সম্ভাৱনীয়তাক নাকচ কৰে। প্ৰামাণিকতাৰ বিষয়ে সন্দেহ নকৰাকৈও কোনো ব্যক্তি জ্ঞানৰ ওপৰত সন্দেহী হ'ব পাৰে। কোনোৱে ধাৰণা কৰিব পাৰে যে ব্যক্তি এজনে কিছুমান বস্তু বিশ্বাস কৰাতো সঠিক, কিন্তু এই বস্তুবোৰ বিশ্বাস কৰোতে যিটো স্তৰৰ বিচাৰ ব্যক্তি জনৰ আছে সেইটো জ্ঞানৰ বাবে যথেষ্ট নহয়। কোনোৱে ধাৰণা কৰিব পাৰে,

উদাহৰণস্বৰূপে, যে বাহিৰা পৃথিৱীখনৰ বিষয়ে ব্যক্তিসকলে বিশ্বাস কৰাটো সঠিক, কিন্তু এই বিশ্বাসবোৰে জ্ঞানৰ বাবে প্ৰয়োজনীয় স্তৰৰ বিচাৰ ঢুকি নাপায়। উদাহৰণস্বৰূপে ধৰা হ'ল যে, কোনোৱে ধাৰণা কৰিলে, জ্ঞানৰ বাবে বিচাৰৰ প্ৰয়োজন নাই, অকল বিশ্বাস যোগ্যতাই সত্য বিশ্বাস উৎপন্ন কৰে। কোনোৱে নাকচ কৰিব পাৰে যে কিছুমান বিশ্বাস সঠিক, কিন্তু জ্ঞানৰ বাবে যথেষ্ট নহয়।

আমি আকৌ সাৰ্বজনীন সন্দেহবাদ আৰু আংশিক সন্দেহবাদৰ মাজত পাৰ্থক্য নিৰ্ণয় কৰিব পাৰো। জ্ঞানৰ বিষয়ে সাৰ্বজনীন সন্দেহবাদে আমাৰ যিকোনা ধৰণৰ জ্ঞান থকাটো নাকচ কৰে। যদি জ্ঞানৰ ওপৰৰ সাৰ্বজনীন সন্দেহবাদ সত্য হয় তেনেহ'লে কোনোৱে একো নাজানিব। কিন্তু আকৌ যদি সাৰ্বজনীন সন্দেহবাদ সত্য হয় তেনেহ'লে এই সন্দেহজনক দাবীটো সত্য হয় বুলিও কোনাৱে নাজানিব। সেইদৰে যদি সাৰ্বজনীন সন্দেহবাদ সত্য হয় তেনেহ'লে ইয়াৰ কোনো বিশ্বাসেই জনা আধাৰবাক্যৰ ওপৰত প্ৰতিষ্ঠিত হ'ব নোৱাৰে। আনহাতে জ্ঞানৰ বিষয়ে আংশিক সন্দেহ বাদৰ মতে আমাৰ কিছুমান বিশেষ ক্ষেত্ৰতহে জ্ঞান নাথাকে, যেনে— বেলেগ মনৰ বিষয়ে জ্ঞান, অতীতৰ বিষয়ে বা বাহ্যিক পৃথিৱীখনৰ বিষয়ে জ্ঞান ইত্যাদি। আমাৰ কিছুমান প্ৰকাৰৰ জ্ঞান থকাৰ বিষয়ে আংশিক সন্দেহবাদে নাকচ নকৰে। এনেকুৱা ধৰণৰ সন্দেহীয়ে আমাক সন্মতি প্ৰদান কৰে, উদাহৰণস্বৰূপে যে, আমি আমাৰ মানসিক স্তৰৰ আৰু কিছুমান সহজ যুক্তি যুক্ত সত্যক জানিব পাৰো। সেই একেটা কথাই হয় প্ৰামাণিকতাৰ বিষয়ে সাৰ্বজনীন আৰু আংশিক সন্দেহবাদৰ ক্ষেত্ৰত। সেইবাবে যদি সাৰ্বজনীন সন্দেহবাদ সত্য হয় তেনেহ'লে ইয়াক বিশ্বাস কৰাত কোনো সঠিক নহ'ব। যদি সাৰ্বজনীন সন্দেহবাদ সত্য হয় তেনেহ'লে ইয়াক গ্ৰহণ কৰিবলৈ কাৰো একো ভাল যুক্তি নাথাকিব আৰু যিকোনো ধৰণৰ আধাৰ বাক্য যি ইয়াক সহায় কৰিব সেইবোৰ বিশ্বাস কৰাটো সঠিক নহ'ব।

চিন্ত চৰ্চা কৰক ঃ ৫.১

ক) সন্দেহবাদৰ বিষয়ে তোমাৰ নিজৰ মতামত কি? আলোচনা কৰা।

খ) সাৰ্বজনীন সন্দেহবাদ আৰু আংশিক সন্দেহবাদৰ মাজত পাৰ্থক্য কি? আলোচনা কৰা।

অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ তলত দিয়া বাক্যসমূহ শুদ্ধ নে অশুদ্ধ কওক।

ক) সন্দেহবাদী বাক্যবোৰে সামৰণি মাৰে যে, আমি জানো বা আমি যেতিয়া বাহ্যিক পৃথিৱীখনৰ বা অতীতৰ বা বেলেগ মনবোৰৰ বিষয়ে যিকোনো বিশ্বাস কৰো তেতিয়া আমি সঠিক।

খ) কোনো ব্যক্তি বিচাৰৰ ওপৰত সন্দেহী নোহোৱাকৈও জ্ঞানৰ ওপৰত সন্দেহী হ'ব পাৰে।

গ) আংশিক সন্দেহবাদে আমাৰ যিকোনো ধৰণৰ জ্ঞান থকাৰ কথাটো নাকচ কৰে।

ঘ) যদি বিচাৰৰ বিষয়ে সাৰ্বজনীন সন্দেহবাদ সত্য হয়, তেনেহ'লে কোনো ব্যক্তিয়ে বচনক বিশ্বাস কৰাটো সঠিক নহয়।

৫.৪ বিভিন্ন প্রকাৰৰ সন্দেহবাদ (DIFFERENT KINDS OF SKEPTICISM)

সার্বসজনীন সন্দেহবাদৰ লগত জড়িত বিভিন্ন প্রকাৰৰ গুৰুত্বপূর্ণ সম্প্রদায় দেখা যায়। প্রথমতে পুৰণি Phrrhonian সন্দেহবাদদেখা যায় (Sexus Empiricusৰ কামৰ লগত জড়িত) Phrrhonian সন্দেহবাদে কোনো দাবী নাকচ কৰিবলৈ বাক্যৰ পৰিবর্তে পদ্ধতি ব্যৱহাৰ কৰে। দ্বিতীয়তে আছে Cartesian সন্দেহবাদ (ডেকার্টৰ লগত জড়িত)। এই প্রকাৰৰ সন্দেহবাদৰ গুৰুত্বপূর্ণ কথাটো হ'ল যে সংশয় প্রকল্পৰ ব্যৱহাৰ কৰি আমি সাধাৰণতে যিবোৰ কথা ভাবো সেইবোৰৰ ওপৰত সন্দেহ প্রকাশ কৰে। তৃতীয়তে আছে Humean সন্দেহবাদ (হিউমৰ কামৰ লগত জড়িত)। এই প্রকাৰৰ সন্দেহবাদে নিগমনাত্মক জ্ঞানৰ সীমাবদ্ধতাৰ বিষয়ে আলোচনা কৰে।

৫.৪.১ Phrrhonian সন্দেহবাদ (Pyrrhonian Skepticism)

হেলেনিষ্টসকলৰ সময়ত Phrrhonian একপ্রকাৰৰ সন্দেহবাদৰ উদ্ভাৱন কৰিছিল। (The disciples of Phrrho of Elis, C 360-270 B.C.E) Phrrhonianৰ প্রধান দাবী আছিল কোনো ব্যক্তিয়ে দার্শনকি তথ্যৰ উন্নতি সাধন কৰিব নালাগে, তেওঁলোকে ধাৰণা কৰিছিল যে জ্ঞান সম্ভৱপৰ হয় নে নহয় তেওঁলোকে নাজানে। Phrrhonian সন্দেহবাদৰ আটাইতকৈ বিখ্যাত হৈছে Setus Empericus. Phrrhonian ৰ মতে আমি জ্ঞানৰ বিষয়ে জানো বুলি দাবী কৰিব পাৰো যদিহে আমাৰ ওচৰত ইয়াক বিশ্বাস কৰিবলৈ সঠিক ভিত্তি থাকে, যেনেকৈ আমি ইয়াক ভাবো বা চাব পাৰো। কিন্তু আমি কেতিয়াও কোনো বস্তু যে আমাৰ পৰা স্বাধীন হ'ব পাৰে বুলি সজাগ নহও। আমি সদায় বস্তুবাৰ আমাৰ লগত কেনেকুৱা সমন্ধৰে জড়িত হয় সেই বিষয়েহে সজাগ হওঁ। গতিকে আমি কোনো এটা বস্তু আচলতে কেনেকুৱা এই বিষয়ে জানিব নোৱাৰো। উদাহৰণস্বৰূপে, যেতিয়া আমি কোনো এটা বস্তুৰ বিষয়ে ভাবো, তেতিয়া আমি সেই বস্তুটো এনেকুৱা কিছুমান গুণেৰে গঠিত বুলি ভাবো যিবোৰ আমি প্রত্যক্ষ কৰো। কিন্তু প্রশ্ন হয় যে বস্তুটোৰ কেৱল এইখিনি গুণেই আছে নে আন কিছুমান বেলেগ গুণো আছে যিবোৰ আমি নাজানো? এইটোও হ'ব পাৰে যে বস্তুটোৰ আমি দেখা গুণ বোৰতকৈ বহুত কম গুণ আছে। বস্তুটোৰ আচলতে কোনবোৰ গুণ আছে সেইটো নিশ্চিত কৰাৰ কোনো উপায় নাই। আমাৰ ইন্দ্রিয়বোৰেও আমাক ক'ব নোৱাৰে সঁচাকৈয়ে কোনবোৰ গুণ বস্তুটোত আছে আৰু কোনবোৰ নাই আৰু ইন্দ্রিয়বোৰে আমাক যিবোৰ ক'ব নোৱাৰে , মনেও সেইবোৰ ক'ব নোৱাৰে।

St. Augustineয়ে সার্বজনীন সন্দেহবাদক তিনিটা ভিত্তিত নাকচ কৰিছে। প্রথমতে সন্দেহবাদক নাকচ কৰিছে (Non Contradiction) বিৰোধবাধক নীতিৰ দ্বাৰা। এই নীতি অনুসৰি এটা বচন আৰু ইয়াৰ বিপৰীত বচনটো কেতিয়াও একেলগে সত্য হ'ব নোৱাৰে। যিকোনো এটাহে সত্য হ'ব পাৰে। 'এই লাঠিডাল বেঁকা', আৰু 'এইটো অসত্য যে এই লাঠিডাল বেঁকা' এই দুয়োটা বচন একেলগে সত্য হ'ব নোৱাৰে। গতিকে আমি অন্ততঃ এইটো কথা জানিব পাৰো যে এজন মানুহ ওখ আৰু ওখ নহয় এই দুয়োটা একেলগে হ'ব নোৱাৰে। দ্বিতীয়তে, Augustine ধাৰণা কৰিছিল সন্দেহ কৰা কার্যটোৰ দ্বাৰা ব্যক্তি এজনৰ স্থিতিটো একেবাৰে নিশ্চিত ভাবে প্রকাশ কৰিছে, মই সন্দেহ কৰিছো এই কথাটোৰ পৰা ওলাই পৰিছে যে মই আছো। শেষত Augustineয়ে ধাৰণা কৰিছিল যে ইন্দ্রিয় প্রত্যক্ষই আমাক প্রাথমিক প্রকাৰৰ জ্ঞান দিয়ে। তেওঁৰ মতে, ইন্দ্রিয় প্রত্যক্ষত প্রবঞ্চনা হয় যেতিয়া কোনো

ব্যক্তিয়ে 'দেখা কার্য্যতকৈ বেছিকৈ সন্মতি প্রদান কৰে। উদাহৰণস্বৰূপে, পানীত সোমাই থকা লাঠি এডালে বেঁকা দেখাৰ ক্ষেত্রত, লাঠিডাল বেঁকা দেখা যায় যেতিয়া ই পানীৰ ভিতৰত সোমায়। আমি যদি অকল লাঠিডাল দেখাৰ ক্ষেত্রত সন্মত হওঁ আৰু কওঁ যে ই দেখাত বেঁকা, তেতিয়া আমি একা ভুল নকৰো। আমি যদি কওঁ লাঠিডাল আচলতে বেঁকা তেতিয়া আমাৰ ভুল হ'ব।

চিন্তা-চর্চা কৰক ৫.২

ক) Phrrhonian সন্দেহবাদী সকলে কৰা প্রধান দাবীটো কি? আলোচনা কৰা।

খ) কোনো এটা বস্তুৰ জ্ঞান বস্তুটো হিচাপে আৰু বস্তুটোৰ জ্ঞান আমাৰ লগত জড়িত এই দুয়োকে তুলনা কৰাটো সম্ভৱ নে? আলোচনা কৰা।

অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ২ ঃ খালী ঠাই পূৰণ কৰক—

ক) Phrrhonian সন্দেহবাদৰ নামাকৰণ কৰা হয় .....।

খ) Pyrrhonian সন্দেহবাদীসকলৰ আটাইতকৈ বিখ্যাত হৈছে .....।

গ) Augustine নে সন্দেহবাদক ..... ভিত্তিত নাকচ কৰিছিল।

ঘ) প্রথম নীতিটো যাৰ ভিত্তিত Augustine য়ে সন্দেহবাদক নাকচ কৰিছিল সেই নীতিটো হৈছে .....।

ঙ) 'মই সন্দেহ কৰিছো' এই তথ্যটোৰ পৰা আপোনা আপুনি ওলাই পৰে যে 'মই .....।'

৫.৪.২ Cartesian সন্দেহবাদ (Cartesian Skepticism)

ঐতিহাসিক দিশৰ পৰা দুটা অতি গুৰুত্বপূর্ণ সন্দেহবাদৰ ভিতৰত ডেকার্টৰ সন্দেহবাদ হৈছে অন্যতম আৰু আনটো হৈছে Pyrrhonian সন্দেহবাদ সকলো সন্দেহ কৰিব পৰা বস্তুৰ ক্ষেত্রত তেওঁৰ সন্দেহ বা সংশয়ৰ ধাৰণাটো সার্বজনীনভাৱে ব্যৱহাৰ কৰিব পাৰিব। ডেকার্টে তেওঁৰ 'Meditations' নামৰ গ্রন্থখনত সন্দেহবাদৰ বিষয়ে আলোচনা কৰিছে। ডেকার্ট জড়িত আছিল জ্ঞানৰ সম্ভাৱনীয়তাৰ সম্পর্কে কিছুমান সংশয়জনক প্রশ্নৰ লগত। দৰাচলতে ডেকার্ট এজন সন্দেহবাদী নাছিল। আচলতে ডেকার্টৰ উদ্দেশ্য আছিল বিজ্ঞানৰ নিয়মমতে পৰিবেষ্টিত প্রকৃতি গঠন কৰিবলৈ যিটো অংকশাস্ত্রৰ দৰেই নিশ্চিত হ'ব। তেওঁৰ সংশয় বা সন্দেহবাদ আছিল পদ্ধতিগত। ইয়াক পদ্ধতিগত বুলি কোৱা হয় এই কাৰণেই যে ডেকার্টে নিশ্চয়তা অর্জনৰ পদ্ধতি হিতাপে সন্দেহবাদক ব্যৱহাৰ কৰিছিল। তেওঁ আৰম্ভ কৰিছিল সকলো বস্তুকে সন্দেহ কৰি। তেওঁৰ ধাৰণা আছিল যে যদি সকলোবোৰ বস্তু সন্দেহ

কৰা হয়, তেনেহ'লে যিবোৰ বস্তু আৰু কেতিয়াও সন্দেহ কৰিব নোৱাৰাকৈ ৰৈ যায় সেইবোৰ নিশ্চয়কৈ সুনিশ্চিত হ'ব। তাৰ পিছত তেওঁ অনুসন্ধান কৰিছিল যে এনেকুৱা কি আছে যি ইয়াক সুনিশ্চিত বনালে যে ইয়াক আৰু সন্দেহ কৰিব নোৱাৰি। ইয়াৰ পৰাই সম্ভৱত সুনিশ্চিত জ্ঞানৰ মাপকাঠিৰ উদ্ভৱ হ'ল। এই মাপকাঠিৰ দ্বাৰাই জুখিব পাৰি কোনবোৰ বস্তু সত্য আৰু কোনবোৰ বস্তুক সত্যতাই ঢুকি নাপায়।

প্ৰত্যেকটো বচনকে সন্দেহ কৰিবলৈ ডেকার্টে দুটা সন্দেহজনক প্ৰকল্পৰ ব্যৱহাৰ কৰিছিল— দুটা ধৰণৰ ভুলৰ সম্ভাৱনা, এটা হৈছে যিটো আমি জানো বুলি ভাবো তাৰ লগত অসামঞ্জস্যতা আৰু আনটো হৈছে যিটোক আমি আত্মগতভাৱে সাধাৰণ পৰিৱেশৰ পৰা বেলেগ কৰিব নোৱাৰো। প্ৰথমটো হৈছে সপোন প্ৰকল্প (Dream Hypothesis) আৰু দ্বিতীয়টো হৈছে ভূত প্ৰকল্প (evil- demon hypothesis).

ইন্দ্ৰিয়ৰ দ্বাৰা পোৱা যিকোনো বস্তুকে কোনো ব্যক্তিয়ে সন্দেহ কৰিব পাৰে। কোনো বস্তুৰ প্ৰকৃতি সম্পৰ্কে ইন্দ্ৰিয়ই কেতিয়াবা আমাক প্ৰবঞ্চনা কৰে। কিন্তু ইয়াৰ পৰা আমি সামৰণি মাৰিব নোৱাৰো যে ইন্দ্ৰিয়ৰ পৰা আমি জ্ঞান পাব নোৱাৰো। কিয়নো আমি কিছুমান প্ৰত্যক্ষৰ উদাহৰণ পাওঁ, উদাহৰণস্বৰূপে— মোৰ শৰীৰটো সম্পৰ্কে এই মুহূৰ্তত মোৰ যিটো জ্ঞান হৈছে, য'ত আমি আমাৰ জ্ঞানৰ বিষয়ে সন্দেহ কৰিব নোৱাৰো তেতিয়া আমি নাভাবো যে আমি প্ৰৱঞ্চিত হৈছো। কিন্তু ডেকার্টে কৈছিল সকলোবোৰ যি মই জানো মই এতিয়া সপোন দেখি আছো চাগে— এইটো হৈছে ডেকার্টৰ সপোন প্ৰকল্প। এইটো কথাও হ'ব পাৰে যে প্ৰত্যক্ষিত অভিজ্ঞতা যিটো মোৰ এই মুহূৰ্তত হৈছে সেইটো সপোনৰ অভিজ্ঞতাও হ'ব পাৰে। প্ৰথম দৃষ্টিত লক্ষ্য কৰিলে এইটো সহজতে অপ্ৰমাণিত হ'ব। কিন্তু এইটো অতি সাৱধানেৰে লক্ষ্য কৰা হওক, মই সপোন দেখি আছো নে নাই সেইটো জানিবলৈ নিজকে খুচি চালো। কিন্তু ইয়াৰ পিছত উত্থাপিত প্ৰশ্নটো হ'ল যে মই যে নিজকে খুচি চোৱা বুলি মই সপোন দেখি আছো নেকি। মই সাৰে আছো বুলি যিটো মোৰ অভিজ্ঞতা এই মুহূৰ্তত হৈছে সেইটো চাগে এটা সপোন অভিজ্ঞতা। মোৰ অভিজ্ঞতাবোৰ যে সপোন নহয়, আচল অভিজ্ঞতা, এই বিষয়ে কোনো প্ৰমাণ নাই। মোৰ সন্মুখত থকা যিবোৰ বস্তু মই দেখি আছো সিহঁতৰ মোৰ মনৰ বাহিৰে স্থিতি আছে বুলি একোৱে মোক ক'ব নোৱাৰে।

কিন্তু সপোন প্ৰকল্পটো কিছুমান ক্ষেত্ৰত ব্যৱহাৰ কৰিব নোৱাৰি। এইটো যুক্তি আগবঢ়াব পাৰি যে যদিও মই সপোন দেখি আছো, তথাপিও আৰু বহুতো ধৰণৰ বস্তু আছে যিবোৰ সন্দেহ কৰিব নোৱাৰি। উদাহৰণস্বৰূপে, ব্যক্তি এজনে সপোন দেখি থাকিলেও সন্দেহ কৰিব নোৱাৰে যে দুই আৰু তিনি লগ হৈ পাঁচ হয়, এটা আয়তৰ চাৰিটা ফালতকৈ বেছি হ'ব নোৱাৰে। এই বচনবোৰ নিশ্চিত বচন। আন কথাত ক'বলৈ হ'লে এই বচনবোৰ সংশয় কৰিব নোৱাৰি যেনেকৈ আন কিছুমান 'আকস্মিক ধাৰণা'ক (ইন্দ্ৰিয়ৰ দ্বাৰা সংগ্ৰহিত) সংশয় কৰিব পাৰি। কোনোৱে ক'ব পাৰে যে অভিজ্ঞতা বাদী বচনবোৰ সন্দেহযুক্ত, কিন্তু বিশ্লেষণাত্মক বচনবোৰ সন্দেহযুক্ত নহয়। কিন্তু কেতিয়াবা এনেকুৱা ধৰণৰ বিশ্লেষণাত্মক বচনকো সন্দেহ কৰিব পাৰি। কিছুমান বচন যিবোৰ আগতে একেবাৰে নিশ্চিত হিচাপে মই দেখা পাইছিলো পিছত গৈ অসত্য হোৱা দেখা যায়। গতিকে এইবোৰ ক্ষেত্ৰতো এই বচনবোৰ পিছত অসত্য হোৱাৰ সম্ভাৱণীয়তা থাকে। কিয়নো এইটো সম্ভৱপৰ হ'ব পাৰে যে এটা ভুৱা বা প্ৰৱঞ্চিত আৰু শক্তিশালী বুদ্ধি এটাই মোক এনেদৰে চলাইছে যে মই কিছুমান বচনক একেবাৰে নিশ্চিত বুলি ভাবো যিবোৰ পিছত গৈ অসত্য হৈ পৰে। এইটোৱে হৈছে ডেকার্টৰ ভূত প্ৰকল্প। (Evil-Demon Hypothesis).

এই দুটা সন্দেহবাদজনক প্ৰকল্পৰ সাধাৰণ অভিজ্ঞতাৰ লগত সামঞ্জস্য নাছিল আৰু ডেকার্টে এই বিষয়ে জানিছিল। ডেকার্টে আচলতে এইটোৱেই দেখুৱাব বিচাৰিছিল ডেকার্ট এনেকুৱা ধৰণৰ যথার্থতা বা নিশ্চয়তাক

বিচাৰিছিল যিয়ে সন্দেহজনক প্ৰকল্পৰ দ্বাৰা প্ৰদৰ্শিত অসত্যৰ সম্ভাৱণীয়তাৰ পৰা হাত সৰুৱাব পাৰে। এই দুটা সম্ভাৱণীয়তাৰ বিপৰীতে ডেকার্টে জনা সকলো সকলোবোৰ বস্তু পৰীক্ষা কৰিব বিচাৰিছিল, অকলে বা একেলগে। যেতিয়া এনেকুৱা কৰিলে তেতিয়া তেওঁ বিচাৰি পালে একমাত্ৰ এটা বস্তুৰ বাহিৰে বাকী সকলোবোৰ বস্তুকে তেওঁ সন্দেহ কৰিব পাৰে যিবোৰ তেওঁ এতিয়ালৈকে নিশ্চিত বুলি ভাবিছিল, তেওঁ বিচাৰি পালেতেওঁ সকলো বস্তুকে সন্দেহ কৰিব পাৰে। কিন্তু সন্দেহ কৰিব নোৱাৰা সত্যটো হৈছে, 'মই চিন্তা কৰো, গতিকে মই আছো'—Cogito Ergo Sum. ডেকার্টৰ মতে কোনো ব্যক্তিয়ে সকলো বস্তু সন্দেহ কৰিব পাৰে। কিন্তু চিন্তা কৰিব পৰা ব্যক্তি হিচাপে কাৰোবাৰ অস্তিত্বক সন্দেহ কৰাটো অসম্ভল, কিয়নো সন্দেহ কৰা মানে হৈছে চিন্তা কৰা আৰু চিন্তা কৰা মানে হৈছে অস্তিত্ব থকা। ডেকার্টে ইয়াৰ দ্বাৰা বুজাব খুজিছিল যে আত্মা বা নিজে যি নিজৰ অস্তিত্বক সন্দেহ কৰে তাৰ অস্তিত্ব থাকে। ডেকার্টে এই একমাত্ৰ সন্দেহ কৰিব নোৱাৰা সত্যটোক পৰীক্ষা কৰি জানিব বিচাৰিছিল কিহে ইয়াৰ নিশ্চয়তাক সহায় কৰে আৰু বিচাৰি পাইছিল যে, এই বচনটোৰ 'যথার্থতা আৰু নিশ্চয়তাই ইয়াক সন্দেহৰ পৰা দূৰত ৰাখে। ডেকার্টে নিজৰ অস্তিত্বৰ যথার্থতাত নিশ্চিত সত্যৰ এটি গুৰুত্বপূৰ্ণ বৈশিষ্ট্য বিচাৰি পাইছিল। তেওঁৰ নিজৰ অস্তিত্বৰ নিচিনাকৈ যিকোনো বস্তু যদি স্পষ্ট আৰু ফট্‌ফটীয়াভৱে প্ৰকাশিত হয় তেন্তে সেইবোৰ বস্তু নিশ্চিত আৰু যথার্থ হ'ব।

ডেকার্টৰ নিশ্চয়তাৰ সমস্যা আৰু জ্ঞানৰ বিষয়ে আলোচনা হৈছে বুদ্ধি বাদৰ বৈশিষ্ট্য। তেওঁ লোকৰ মাজত যেনেকুৱা ধৰণৰ পার্থক্য নাথাকক কিয় বুদ্ধিবাদী সকলে মানি লৈছিল যে,ইন্দ্ৰিয় অভিজ্ঞতা বিশ্বাস যোগ্য নহয় আৰু নিশ্চিত জ্ঞান আহৰণ কৰিব পাৰি শুদ্ধ যুক্তিৰ প্ৰয়োগৰ দ্বাৰাহে। ডেকার্টে নিশ্চয়তাক বস্তুগত আৰু আত্মগত এই দুয়োটা ক্ষেত্ৰতে আৱিস্কাৰ কৰিব বিচাৰিছিল। যেতিয়া তেওঁ অস্তিত্বক চিন্তাৰ লগত সমান কৰিছিল তেতিয়া তেওঁ নিশ্চয়তাৰ দাবী কৰিছিল বস্তুগত দিশৰ পৰা। সেইদৰে আত্মগত নিশ্চয়তাৰ উদাহৰণস্বৰূপে 'যথার্থতা আৰু স্পষ্টতাক মাপকাঠি হিচাপে গ্ৰহণ কৰিব পাৰি। কিন্তু দুর্ভাগ্যৱশত ডেকার্টে নিজে আগবঢ়োৱা Cogito Ergo Sumৰ ব্যাখ্যাটোৱেই হৈছে দ্বৈতার্থক। যদি 'Cogito'ক অনুমান হিচাপে ধৰা হয় তেন্তে এইটো কব পাৰি যে ই দোষ কৰে আৰু এই দোষটো হৈছে এটি বৃত্তৰ ভিতৰত যুক্তি তর্ক কৰা (Arguing in a Circle) 'মই আছো, 'মই'টোক আগতেই অনুমান কৰা হৈছে 'মই চিন্তা কৰো' ৰ 'মই' টোত।

ডেকার্টে কৈছে যে যেতিয়ালৈকে তেওঁ চিন্তা কৰি আছে তেতিয়ালৈকে Cogitoৰ নিশ্চয়তা আছে। কিন্তু কেতিয়াবা কিছুমান ক্ষেত্ৰত তেওঁ চিন্তা কৰি নাথাকে। তেওঁ কিবা নিশ্চয়তা প্ৰদান কৰিব পাৰে নেকি যে সেই সময়ত তেওঁৰ এজন চিন্তা কৰিব পৰা ব্যক্তি হিচাপে অস্তিত্ব থাকিব? এই ক্ষেত্ৰত ডেকার্টে কোনো স্পষ্ট ব্যাখ্যা আগবঢ়োৱা নাই।

চিন্তা-চর্চা কৰক ৫.৩

ডেকার্টক এজন সন্দেহবাদী হিচাপে অভিহিত কৰিব পাৰিনে? আলোচনা কৰা।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ তলত দিয়া বাক্যসমূহ সত্য নে অসত্য কওক—

ক) ডেকার্টে সন্দেহবাদৰ বিষয়ে তেওঁৰ 'Meditations' নামৰ গ্রন্থখনত আলোচনা কৰিছিল। (সত্য/অসত্য)

খ) ডেকার্টৰ উদ্দেশ্য আছিল প্রকৃতিৰ সন্মিলিত বিজ্ঞানৰ গঠন কৰিবলৈ যিটো অংকশাস্ত্রৰ দৰেই নিশ্চিত হ'ব (সত্য/অসত্য)

গ) ইন্দ্রিয়ৰ পৰা পোৱা যিকোনো বস্তুক কোনেও সন্দেহ কৰিব নোৱাৰিব। (সত্য/অসত্য)

ঘ) 'Cogito Ergo Sum' মানে 'মই চিন্তা কৰো', গতিকে মই আছো' (সত্য/অসত্য)

৫.৪.৩ হিউমৰ সন্দেহবাদ (Humean Skepticism)

হিউম হৈছে বিখ্যাত দার্শনিকসকলৰ ভিতৰত অন্যতম যিয়ে সন্দেহবাদৰ ব্যাখ্যা আগবঢ়াইছে। (Treatise On Human Nature, An Enquiry Concerning Human Understanding.) তেওঁৰ সন্দেহবাদৰ এটা গুৰুত্বপূর্ণ কথা হ'ল যে এইটো সন্দেহবাদ আগমনৰ ওপৰত প্রতিষ্ঠিত জ্ঞানৰ সীমাবদ্ধতাৰ ধাৰণাৰে পৰিচালিত। হিউমৰ মতে আগমনৰ যুক্তিবোৰ প্রমানযোগ্য নহয় আৰু প্রধান সমস্যাটো হ'ল কেনেকৈ আমি অবৃত্তীয় বা প্রশ্নৰ অৱতাৰণা নকৰা প্রামাণিকতা আমাৰ ব্যৱহাৰৰ বাবে পাব পাৰে। ডেকার্টৰ সময়ৰ দিনৰ পৰাই বহুতো দার্শনিকে অংকশাস্ত্রৰ বচন আৰু অভিজ্ঞতাবাদী পৃথিৱীখনৰ বাক্যসমূহৰ মাজত পার্থক্য নির্ণয় কৰিছিল। এই বচন সমূহক হিউমে যথাক্রমে প্রত্যয় সম্বন্ধ আৰু তথ্য সম্বন্ধীয় ঘটনা বুলি অভিহিত কৰিছিল। প্রথম প্রকাৰৰ বচনে সংখ্যা বা জ্যামিতিৰ চিত্রৰ মাজৰ সম্বন্ধ প্রকাশ কৰিছিল। হিউমৰ মতে এই বচনসমূহ স্বতঃসিদ্ধ বা নির্দেশাত্মক ভাবেই নিশ্চিত। চিন্তাৰ বিশ্লেষণৰ দ্বাৰাই সিহঁতৰ সত্য আবিস্কাৰ কৰিব পাৰি। পৃথিৱীৰ কোনো বস্তুৰ ওপৰত সিহঁত নির্ভৰশীল নহয়। কিন্তু তথ্যৰ ঘটনাবোৰ সিহঁতৰ পৰা অলপ বেলেগ। প্রথমতে, আমি সিহঁতক একো বিৰোধিতা নোহোৱাকৈ নাকচ কৰিব পাৰো। (কিন্তু দুই আৰু দুই লগ হৈ যে চাৰি হয় এইটো আমি নাকচ কৰি নোৱাৰো।) দ্বিতীয়তে সিহঁতৰ সত্যতাটো কার্যকাৰণ সম্বন্ধৰ ওপৰত প্রতিষ্ঠিত যেন লাগে। কিন্তু কেনেদৰে আমি কার্য্য আৰু কাৰণৰ জ্ঞানত উপনীত হম? হিউমৰ মতে এই সত্যটো অভিজ্ঞতাৰ দ্বাৰাই পাব পাৰি, আৰু অভিজ্ঞতা পূর্ব যুক্তিৰে পাব নোৱাৰি। এইটো সত্য যে আমি কিছুমান সাধাৰণ কার্যৰ বিপৰীতে কিছুমান বিশেষ কাৰণ পাব পাৰো। উদাহৰণস্বৰূপে, মধ্যাকর্ষণ শক্তি (Gravity) কিন্তু মানুহৰ একে অনুসন্ধিৎসাই এই নীতিবোৰৰ বিষয়ে অনুসন্ধান নকৰে। তেনেহলে অভিজ্ঞতাত পোৱা সিদ্ধান্তসমূহৰ ভিত্তিটো কি? অতীতত পোৱা কার্য আৰু কাৰণৰ একেলগৰ সম্বন্ধটো ভবিষ্যতেও একেলগে পোৱা যাব বুলি কৰা অনুমানটো কিহে বিচাৰ কৰে? ইয়াৰ লগত জড়িত থকা উদ্দেশ্যটো নির্দেশণাত্মক নহয়, মানে ইয়াত কোনো যুক্তি নাই। ই স্বঃঅনুভূতিৰ দ্বাৰা অনুমানিতও নহয়। একমাত্র উপায়টো হৈছে যে আমি ধৰি ল'ব লাগিব যে ভবিষ্যতৰ অতীতৰ লগত সাদৃশ্য আছে। এটি বৃত্তৰ ভিতৰত তর্ক নকৰাকৈ কেনেকৈ আমি এই বিষয়ে উপনীত হ'ব পাৰিম? এটা মূর্ত (Concrete) উদাহৰণ লোৱা হ'ল ঃ অনুমান কৰা হ'ল যে, এটা বস্তু যেনে— ব্রেড, ইয়াৰ কিছুমান গুণ আছে। যেনে— ৰং, ওজন ইত্যাদি। ইত্যাদি ইয়াৰ 'গোপন

শক্তি' আছে, ই আমাক পুষ্টি দিয়ে। যিহেতু অতীতত কার্য্যটো (গোপন শক্তি) এটা বিশেষ কাৰণ (পুষ্টি সাধনৰ) দ্বাৰা পৰিচালিত হৈছিল গতিকে আমি যুক্তি আগবঢ়াব পাৰো যে ব্রেড খালে ভবিষ্যতেও আমাৰ পুষ্টি সাধন হ'ব। যদি আমি কওঁ যে প্রত্যয়ৰ সম্বন্ধ ইয়াত নিহিত হৈ থকা নাই তেনেহলে কোনো বিৰোধিতা কৰা নহ'ব। আমি যদি দাবী কৰো যে আমি জানো যে যেতিয়া আমি ব্রেড খাম ই আমাক পুষ্টি সাধন কৰিব, এইটো এই কাৰণেই যে সামান্যবচন "সকলো ধৰণৰ ভবিষ্যতৰ কার্য্য আৰু কাৰণৰ সংযোজনটোৰ অতীতৰ কার্য আৰু কাৰণৰ সংযোজনৰ লগত সাদৃশ্য আছে"ৰ সত্যটো আমি অনুমান কৰি লও। কিন্তু এই বিষয়ে প্রশ্নৰ অৱতাৰণা নকৰাকৈ কেনেকৈ জানিব পাৰি? সেই কাৰণে হিউমে কৈছে যে আমি নাজানো যে ভবিষ্যতৰ অতীতৰ লগত সাদৃশ্য আছে। আমাৰ মাত্র বিশ্বাসহে আছে।

হিউমৰ মতে কার্য আৰু কাৰণৰ মাজৰ অনিবার্য সম্বন্ধ বা শক্তিৰ বিষয়েও আমাৰ কোনো অন্তর্জ্ঞান নাই। অনিবার্য সম্বন্ধৰ বিষয়ে আমাৰ ধাৰণাটো কল্পনা আৰু ঘটনা সৰবৰাহৰ এক ৰূপতাৰ অভিজ্ঞতাৰ পৰা সংগ্রহ কৰা হৈছে।

হিউমে সামৰণি মাৰিছিল যে গণিতৰ বচনৰ বিষয়ে, নিগমণাত্মক অনুমানৰ দ্বাৰা সংগ্রহ কৰা কিছুমান বাক্যৰ আৰু বিজ্ঞানৰ লগত যিবোৰ সামান্য তথ্যৰ লগত জড়িত, এইবোৰৰ বিষয়ে আমাৰ জ্ঞান হ'ব পাৰে। এইদৰে তেওঁ ঈশ্বৰতত্ব, নীতিশাস্ত্র, নন্দনতত্ব আৰু পৰ বিজ্ঞানে জ্ঞানৰ এটি বৈধ ক্ষেত্র অধিকাৰ কৰি থকাৰ সম্ভাৱনীয়তাক নাকচ কৰিছে।

তেওঁৰ যুক্তিবোৰৰ দ্বাৰা উপনীত হোৱা সিদ্ধান্তত হিউম নিজেও সন্তুষ্ট নাছিল। তথাপিও হিউমৰ সন্দেহবাদক উৎকৃষ্ট মানবিশিষ্ট যুক্তিৰ উদাহৰণ হিচাপে গ্রহণ কৰা হয়। হিউমে প্রথমতে প্রাৰম্ভিক (Antecedent) আৰু সিদ্ধান্তগত (Consequent) এই দুই প্রকাৰৰ সন্দেহবাদৰ মাজত পার্থক্য নির্ণয় কৰিছিল। প্রথমবিধ সন্দেহবাদৰ ক্ষেত্রত আমি প্রথমতে সকলো বস্তুকে সন্দেহ কৰিবলৈ লও আৰু তাৰপিছত কিছুমান নিশ্চিত, ভুলৰ সম্ভাৱনা নথকা মাপকাঠি বিচাৰো যিয়ে জ্ঞানৰ ভিত্তি প্রদান কৰিব পাৰে। ডেকার্টৰ ক্ষেত্রত এইটো হৈছে 'Cogito'। হিউমৰ সন্দেহবাদ হৈছে সিদ্ধান্তগত সন্দেহবাদ, যিয়ে মানুহৰ যুক্তি-বুদ্ধিৰ বিশ্বাসযোগ্যতাৰ এটি পুংখানুপুংখ পৰীক্ষা কৰিছিল। কিন্তু কাৰোবাৰ সন্দেহবাদ প্রাৰম্ভিক ধৰণৰ বা সিদ্ধান্তগত ধৰণৰ যিয়েই নহওক কিয় হিউমে অত্যাধিক মাত্রাৰ সন্দেহবাদ নাকচ কৰিছিল, যিটোক তেওঁ স্বধ্বংসকাৰী বুলি অভিহিত কৰিছিল। হিউমে এইসকল দার্শণিকৰ অৱস্থাৰ বিষয়ে সজাগ আছিল যিসকলে তেওঁলোকৰ যুক্তিগত সিদ্ধান্তত উপনীত হ'বলৈ তেওঁৰ অনুমান যুক্তি অনুসৰণ কৰিছিল। হিউমে চিন্তা কৰিছিল সন্দেহবাদৰ বিষয়ে কোনো সন্তোষজনক উত্তৰ পোৱা নাযায়। কিন্তু অধ্যয়নৰ পৰিসৰৰ বাহিৰত ইয়াক আওঁকাণ কৰিব পৰা যায়। সংশয়বাদীসকলেও সাধাৰণ মানুহৰ নিচিনাকৈ একেলগে খোৱা-বোৱা কৰে, পাশাখেল খেলে, বার্তালাপ কৰে আৰু বন্ধুসকলৰ লগত স্ফূর্তি কৰে। কিন্তু এইবোৰ আমোদ-প্রমোদৰ পিছত যেতিয়া দার্শনিক চিন্তা-ধাৰালৈ গুচি আহে তেতিয়া এইবোৰ ঠাণ্ডা, অবিশ্বাসী আৰু হাস্যকৰ হৈ পৰে। হিউমে বিশ্বাস কৰিছিল যে যদিও সন্দেহবাদক অতি বিশ্বাসযোগ্য যুক্তিৰে সৈতে প্রস্তুত কৰা হয় তথাপিও আমি সন্দেহবাদক মিছা বুলি বিশ্বাস কৰিব লাগিব। বাহিৰা কিছুমান বস্তুৰ অস্তিত্বৰ বিষয়ে, আত্মাৰ বিষয়ে প্রাকৃতিৰ সচাঁ কার্য্যকৰণৰ সম্বন্ধৰ বিষয়ে আমাৰ কিছুমান স্বঃতস্ফুর্ত বা প্রাকৃতিক বিশ্বাস থাকে, সেইবোৰ বস্তু আমি আমাৰ দৈনন্দিন জীৱনৰ বাবে বিশ্বাস কৰিবলগীয়া হয়। কিন্তু হিউমৰ মতে এইক্ষেত্রত আমি কিছুমান সম্ভাৱনীয়তাৰ মুখা-মুখি হওঁ। সঁচা অর্থত কবলৈ হলে আমাৰ কোনো ধৰণৰ জ্ঞান নাই। ইয়াৰ কাৰণটো এইটোৱে হ'ল যে হিউমে

বিশ্বাসক যুক্তিৰ দ্বাৰা পৰিচালিত নহয় বুলি কৈছিল, তাৰ পৰিৱৰ্তে আমাৰ প্ৰাকৃতিক অনুভূতিৰ ফল বুলি অভিহিত কৰিছিল।

চিন্তা-চৰ্চা কৰক ৫.৪

প্ৰাৰম্ভিক সন্দেহবাদ বুলিলে কি বুজা? নিজৰ মতামত লিখা।

অগ্ৰগতিৰ খতিয়ান

প্ৰশ্ন নং ৪ ঃ খালী ঠাই পূৰণ কৰক—

ক) হিউমৰ সন্দেহবাদৰ এটি গুৰুত্বপূৰ্ণ তত্ব হৈছে যে এইটো জ্ঞানৰ সীমাবদ্ধতাৰ ধাৰণাৰে পৰিচালিত হয় যিটো ..... ভিত্তিত প্ৰতিষ্ঠিত।

খ) হিউমৰ মতে .....বোৰ স্বতঃস্ফূৰ্তভাৱে বা নিৰ্দেশণাত্মক-ভাৱে নিশ্চিত।

গ) ঘটনাৰ তথ্যৰ সত্যতা বিচাৰি পোৱা যায় ..... সম্বন্ধৰ ওপৰত।

ঘ) হিউমৰ মতে আমাৰ অন্তজ্ঞান নাই কাৰ্য আৰু কাৰণ শক্তি বা ..... বিষয়ে।

ঙ) হিউমে বিশ্বাসক ..... ফল বুলি অভিহিত কৰিছিল, তাৰ পৰিৱৰ্তে যুক্তিৰ দ্বাৰা পৰিচালিত নহয় বুলি কৈছিল।

৫.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সাধাৰণতে আমি সন্দেহবাদী বুলিলে এনেকুৱা এজন ব্যক্তিক বুজাও যি সহজতে পতিয়ান নাযায় আৰু যিবোৰ দাবী ভালদৰে বিচাৰি পোৱা নাযায় সেইবোৰকে সন্দেহ কৰে। সন্দেহবাদ এই শব্দটো দৰ্শনৰ এটি চিন্তাৰ সম্প্ৰদায়ক বুজাবলৈ ব্যৱহাৰ কৰা হয় যাৰ উৎপত্তি হৈছিল পুৰণি গ্ৰীছত।
- সন্দেহবাদ বিভিন্ন আকাৰত দেখা যায়। জ্ঞানৰ বিষয়ে সন্দেহবাদ আৰু অৱধাৰণাৰ বিষয়ে সন্দেহবাদৰ মাজত আমি পাৰ্থক্য নিৰ্ণয় কৰিব পাৰো। জ্ঞানৰ বিষয়ে সন্দেহবাদে মানুহৰ আছে বা মানুহৰ জ্ঞান থাকিব পৰা সম্ভাৱনীয়তাক নাকচ কৰে। অৱধাৰণাৰ বিষয়ে সন্দেহবাদে মানুহৰ কিছুমান বস্তুৰ বিষয়ে জ্ঞান থাকিব পৰাৰ সম্ভাৱণীয়তাক নাকচ কৰে।
- আমি আকৌ সাৰ্বজনীন সন্দেহবাদ আৰু আংশিক সন্দেহবাদৰ মাজত পাৰ্থক্য নিৰ্ণয় কৰিব পাৰো। জ্ঞানৰ বিষয়ৰ সাৰ্বজনীন সন্দেহবাদে আমাৰ যিকোনো ধৰণৰ জ্ঞান থকাৰ ধাৰণাটোক নাকচ কৰে।ইয়াৰ বিপৰীতে জ্ঞানৰ বিষয়ে আংশিক সন্দেহবাদে ধাৰণা কৰে যে আমাৰ কিছুমান বিশেষ ক্ষেত্ৰৰ বিষয়েহে জ্ঞান থাকিব নোৱাৰে বা নাথাকে, যেনে— বেলেগ মন, অতীত, বাহ্যিক পৃথিৱীখনৰ বিষয়ে থকা জ্ঞান।
- Phrrhonian সন্দেহবাদে জ্ঞানৰ বিষয়ে কোনো দাবীক নাকচ কৰিবলৈ যুক্তিৰ পৰিৱৰ্তে পদ্ধতি ব্যৱহাৰ কৰে। Phrrhonianৰ মতে আমি জ্ঞানৰ বিষয়ে দাবী কৰিব পাৰো যদিহে বস্তুটো আমি যেনেদৰে বিশ্বাস

কৰো বা যেনেদৰে ভাবো বা যেনেদৰে প্ৰত্যক্ষ কৰো তাৰ ভাল ভিত্তি থাকে। কিন্তু কোনো বস্তু আমাৰ পৰা স্বতন্ত্ৰ নেকি সেই বিষয়ে আমি কেতিয়াও সজাগ নহওঁ। যিবোৰ বস্তু আমাৰ সম্বন্ধলৈ আহে আমি সেইবোৰৰ বিষয়েহে সজাগ হওঁ। গতিকে আমি বস্তুটো আচলতে কি জানিব নোৱাৰো।

- ডেকার্টে সন্দেহবাদক নিশ্চয়তা অৰ্জনৰ পদ্ধতি হিচাপেহে ব্যৱহাৰ কৰিছিল। তেওঁ আৰম্ভ কৰিছিল সকলো বস্তুৰ সন্দেহৰ দ্বাৰা। তেওঁৰ ধাৰণা আছিল যে যদি সকলোবোৰ বস্তু সন্দেহ কৰা হয়, তেনেহ'লে যিবোৰ বস্তু আৰু সন্দেহ কৰিব নোৱাৰাকৈ বৈ যায় সেইবোৰ নিশ্চয় একেবাৰে নিশ্চিত হ'ব। তাৰ পিছত তেওঁ অনুসন্ধান কৰিছিল এনেকুৱা কি আছে যি একেবাৰে নিশ্চিত আৰু যাক সন্দেহ কৰিব নোৱাৰি। ইয়াৰ পৰাই তেওঁৰ নিশ্চয়তাৰ মান দণ্ড প্ৰকাশ পাইছিল। এইটো মানদণ্ডৰ দ্বাৰাই তেওঁ কিবোৰ বস্তু সত্য হিচাপে গ্ৰহণ কৰিব পাৰি আৰু কিবোৰ বস্তু সত্য নহয় সেইবোৰ জুখি চাইছিল।
- হিউমৰ সন্দেহবাদ আগমনাত্মক জ্ঞানৰ সীমাবদ্ধতাৰ ধাৰণাৰে পৰিচালিত হৈছিল। নিগমনৰ ওপৰত প্ৰতিষ্ঠিত জ্ঞানৰ সীমাবদ্ধতাৰ ধাৰণাৰ উদ্দেশ্যৰে এইটো পৰিচালিত হৈছিল। হিউমৰ মতে আগমনৰ যুক্তিবোৰ কেতিয়াও বিচাৰ কৰিব নোৱাৰি আৰু মুখ্য সমস্যাটো হ'ল কেনেকৈ আমাৰ কোনো দোষ নোহোৱাকৈ বা কোনো প্ৰশ্ন উত্থাপন নোহোৱা বিচাৰ ইয়াৰ ব্যৱহাৰৰ বিষয়ে হ'ব পাৰে। কিন্তু বাহ্যিক বস্তুৰ অস্তিত্বৰ বিষয়ে, ব্যক্তিত্ব বিষয়ে আৰু প্ৰকৃতিত থকা সচাঁ কাৰ্যকাৰণ সম্পৰ্কৰ বিষয়ে আমাৰ প্ৰাকৃতিক বা অৰ্ন্তজ্ঞান বিশ্বাস থাকে। দৰাচলতে, হিউমৰ মতে আমি ইয়াত সম্ভাৱনীয়তাৰ লগত চুক্তি কৰিছো, কঠোৰ দৃষ্টিভংগীৰ দিশৰ পৰা আমাৰ জ্ঞান নাই।
- সন্দেহবাদে জ্ঞানৰ বিচাৰবাদক প্ৰতিনিধিত্ব কৰে। সন্দেহবাদে জ্ঞানৰ সম্ভাৱনীয়তাক সন্দেহ কৰে। কিন্তু মানুহৰ মনে এনেদৰে সন্দেহ কৰি গৈ থকাত অসুবিধা পায়। মানুহৰ মনে জ্ঞানৰ সীমাবদ্ধতাৰ আৰু চৰ্তাৱলীৰ বিষয়ে জানিবলৈ অনুসন্ধান কৰিবলৈ আৰম্ভ কৰে। আৰু জ্ঞানৰ সীমাবদ্ধতা আৰু চৰ্তাৱলীৰ বিষয়ে অনুসন্ধান হৈছে সেইটো যিটো জ্ঞান মীমাংসাই কৰে। আন কথাত ক'বলৈ হ'লে জ্ঞানৰ বিচাৰবাদেই হৈছে জ্ঞানমীমাংসা। এনে ক্ষেত্ৰত দৰ্শনৰ যিকোনো ধৰণৰ সম্প্ৰদায় যদি জ্ঞানমীমাংসা সম্বন্ধীয় আলোচনাৰ ভিত্তিৰ ওপৰত প্ৰতিষ্ঠিত হয় তেনেহ'লে তাক বিচাৰজনক বুলি অভিহিত কৰিব পৰা যায়।

৫.৭ অধিক জানিবালৈ

অসমীয়া গ্ৰন্থ ঃ

১) পুজাৰী, ড° বন্দনা, (২০১৩), *পাশ্চাত্য দৰ্শনৰ ইতিহাস*; ষ্টুডেণ্টচ্ ষ্টৰ্চ্, গুৱাহাটী।

২) ভট্টাচাৰ্য্য, ড° জ্যোৎস্না, (২০১০) *দৰ্শনৰ পৰিচয় (পাশ্চাত্য দৰ্শন)*, গুৱাহাটী।

ইংৰাজী গ্ৰন্থ ঃ

1) Descartes, R. 1975. *The Philosophical Writings of Descartes*. Ed. J. Cottingham, R. Stoodhoff, and D. Murdoch, Cambridge: Cambridge University Press.
2) Dicker, Georges. 2004. *Kant's theory of knowledge; an analytic introduction*. Oxford University Press.

3) Fogelin, R. 1994. *Pyrrhonian reflections on Knowledge and Justifications*, Oxford: Oxford University Press.
4) Guyer, Paul (ed.) 2006. *The Cambridge Companion to Kant* and *Modern philosophy*. Cambridge University Press.
5) Hume, D. *Enquiry Concerning Human Understanding and Concerning the Principles of Morals* ed. P. Nidditch, Oxford: Clarendon Press.
6) Kant, Immanuel. 1929. *Critique of Pure Reason* trans. Norman Kemp Smith. New York: St. Martin's Press.

৫.৮ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ ক) মিছা খ) সঁচা গ) মিছা ঘ) সঁচা

২নং প্রশ্নৰ উত্তৰ ঃ ক) Pyrrho/Elis খ) Sexus Empiricus গ) তিনিটা
ঘ) non-contradiction (বিৰোধবাধক নীতি) ঙ) am (মই হয়)

৩নং প্রশ্নৰ উত্তৰ ঃ ক) হয় খ) হয় গ) নহয় ঘ) নহয়।

৪নং প্রশ্নৰ উত্তৰ ঃ ক) আগমন খ) ধাৰণাৰ সম্বন্ধ গ) কার্য্য আৰু কাৰণ
ঘ) অনিবার্য সম্বন্ধ ঙ) প্রাকৃতিক অনুভূতি।

৫.৯ আহিঁ প্রশ্ন

ক) চমু প্রশ্ন

প্রশ্ন ১ ঃ Pyrrhonian সন্দেহবাদ বুলিলে কি বুজা?

প্রশ্ন ২ ঃ সন্দেহবাদৰ সংজ্ঞা দিয়া।

প্রশ্ন ৩ ঃ সার্বজনীন সন্দেহবাদ কি?

প্রশ্ন ৪ ঃ সন্দেহবাদৰ বিভিন্ন ধৰণৰ প্রকাৰবোৰ কি কি?

প্রশ্ন ৫ ঃ 'Meditations' নামৰ গ্রন্থখন কোনে লিখিছে?

প্রশ্ন ৬ ঃ ডেকার্টে আগবঢ়োৱা সন্দেহজনক প্রকল্প দুটা কি কি?

প্রশ্ন ৭ ঃ 'Cagito ergo sum'ৰ অর্থ লিখা।

প্রশ্ন ৮ ঃ Essay Concerning Human Understanding গ্রন্থখনৰ লিখক কোন?

খ) চমু প্ৰশ্ন (১০০-১৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়া)

প্ৰশ্ন ১ ঃ সন্দেহজনক প্ৰকল্প কি? চমুকৈ ব্যাখ্যা কৰা।

প্ৰশ্ন ২ ঃ প্ৰাৰম্ভিক সন্দেহবাদ আৰু সিদ্ধান্তগত সন্দেহবাদৰ মাজত কিবা পাৰ্থক্য বিচাৰি পোৱা নেকি? চমুকৈ আলোচনা কৰা।

প্ৰশ্ন ৩ ঃ সাৰ্বজনীন সন্দেহবাদ আৰু অংশিক সন্দেহবাদৰ মাজৰ পাৰ্থক্যবোৰ কি কি? চমুকৈ ব্যাখ্যা কৰা।

প্ৰশ্ন ৪ ঃ হিউমৰ সন্দেহবাদৰ বিষয়ে চমু টোকা লিখা।

গ) দীঘল প্ৰশ্ন (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখা)

প্ৰশ্ন ১ ঃ সন্দেহবাদ বুলিলে কি বুজা? আলোচনা কৰা।

প্ৰশ্ন ২ ঃ বিভিন্ন প্ৰকাৰৰ সন্দেহবাদৰ বিষয়ে ব্যাখ্যা কৰা।

প্ৰশ্ন ৩ ঃ সন্দেহবাদ কি? Cartesian সন্দেহবাদৰ মতামত সমূহ ব্যাখ্যা কৰা।

*** **** ***

অধ্যায় ৬ঃ সত্যৰ তত্ত্বসমূহ

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য
৬.২ পৰিচয়
৬.৩ দর্শনত সত্যতা
৬.৪ সত্যতাৰ অনুৰূপতাবাদ তত্ত্ব
৬.৫ সত্যতাৰ সংগতিবাদ তত্ত্ব
৬.৫.১ সত্যতাৰ মাত্রা
৬.৬ সত্যতাৰ উপযোগিতাবাদ তত্ত্ব
৬.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৬.৮ অধিক জানিবলৈ
৬.৯ অগ্রগতিৰ খতিয়ান
৬.১০ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- দর্শনত সত্যতাৰ সংজ্ঞা দিব পাৰিব,
- সত্যতাৰ তত্ত্বসমূহ কি কি? চিনাক্ত কৰিব পাৰিব,
- সত্যতাৰ মতবাদসমূহৰ লগত পৰিচয় হ'ব পাৰিব,
- সত্যতাৰ অনুৰূপতাবাদ মতবাদৰ ব্যাখ্যা আগবঢ়াব পাৰিব।
- দর্শনত সত্যতাৰ সংজ্ঞা দিব পাৰিব,
- সত্যতাৰ সংগতিবাদ মতবাদৰ আলোচনা কৰিব পাৰিব
- সত্যতাৰ উপযোগিতাবাদ মতবাদৰ ব্যাখ্যা কৰিব পাৰিব,

৬.২ পৰিচয়

এই অধ্যায়টিৰ জৰিয়তে আপুনি সত্যতাৰ বিভিন্ন মতবাদৰ বিষয়ে পৰিচিত হ'ব পাৰে। আপুনি জানে যে এটা বচন বা ধাৰণা সঁচা বা মিছা হ'ব পাৰে। কিন্তু প্রশ্নটো হ'ল দর্শনত কেনেকৈ সত্যতা আৰু অসত্যতা নির্ণয় অথবা পৰীক্ষা কৰা হয়? দার্শনিক সকলে সত্যতা সম্বন্ধে প্রধানকৈ তিনিটা মতবাদ গ্রহণ কৰে। সেইসমূহ হ'ল ঃ—

- অনুৰূপতাবাদ

- সংগতিবাদ
- উপযোগিতাবাদ

বাস্তৱবাদী দার্শনিকসকলে অনুৰূপতাবাদ আৰু উপযোগিতাবাদ সমর্থন কৰে। আকৌ ভাৱবাদী দার্শনিক সকলে সংগতিবাদ সমর্থন কৰে।

সত্যতাৰ অনুৰূপতাবাদ অনুসৰি অনুৰূপতা বা সাদৃশ্যই সত্যতা নির্ণয়ৰ মাপকাঠি। এই মতবাদ অনুসৰি বচন এটা সত্য হ'ব যদিহে বচনটো আৰু বাস্তৱ ঘটনাৰ মাজত এটা অনুৰূপতা থাকে, অন্যথা বচনটো অসত্য হ'ব। সংগতিবাদ মতে সংগতিৰ সহায়ত সত্যতা পৰীক্ষা কৰা হয়। এই মতবাদ অনুসৰি বিভিন্ন বচনৰ মাজত থকা সংগতিয়েই হ'ল সত্যতা। উপযোগিতাবাদ মতে কার্য্যদক্ষতা, অর্থপূর্ণতা আৰু উপযোগিতা বা ব্যৱহাৰিকতাই হ'ল সত্যতা নির্ণয়ৰ মাপকাঠি। গতিকে উপযোগিতাবাদ মতে এটা বচন সত্য হ'ব যদিহে ই কার্য্যক্ষম বা অর্থপূর্ণ বা ব্যৱহাৰিকভাৱে সার্থক হয়।

মুঠতে অনুৰূপ বা সাদৃশ্য, সংগতি, কার্য্যদক্ষতা বা অর্থপূর্ণতা- এই তিনিটাই হ'ল সত্যতা নির্ণয়ৰ মাপকাঠি।

আগৰ আলোচনাত অনুৰূপতাবাদৰ বিষয়ে এটা ধাৰণা পোৱা গ'ল। এতিয়া সংগতিবাদৰ বিষয়ে তলত আলোচনা কৰা হ'ল।

আগৰ আলোচনাত সত্যতা সম্পর্কীয় সংগতিবাদ তত্বটো আলোচনা কৰা হ'ল। এতিয়া সত্যৰ উপযোগিতা মতবাদটো তলত আলোচনা কৰিবলৈ লোৱা হৈছে—

৬.৩ দর্শনত সত্যতা

সত্যতাৰ মতবাদ আলোচনা কৰাৰ আগত আমি দর্শনত সত্যতা মানে কি তাক জনা উচিত। দার্শনিক সকলে কয় যে সত্যতা হ'ল বিশ্বাস, ধাৰণা, উক্তি আদিৰ বিশেষ গুণ। দার্শনিক সকলৰ মতে সত্যতাৰ প্রধানকৈ তিনিটা মতবাদ আছে—

- সত্যতাৰ অনুৰূপতাবাদ
- সত্যতাৰ সংগতিবাদ
- সত্যতাৰ উপযোগিতাবাদ

৬.৪ সত্যতাৰ অনুৰূপতাবাদ তত্ত্ব

অনুৰূপতাবাদ সত্যতা সম্পর্কীয় মতবাদ কেইটাৰ ভিতৰত আটাইতকৈ প্রাচীন মতবাদ। এৰিষ্টট'লৰ *Metaphysics* নামৰ গ্রন্থখনত অনুৰূপতাবাদৰ উল্লেখ পাওঁ, য'ত তেওঁ মতবাদটো এনেদৰে দাঙি ধৰিছে যে, কোনো জ্ঞান তেতিয়াহে সত্য হয় যেতিয়া ইয়াৰ প্রদত্ত তথ্য (fact) ৰ লগত সামঞ্জস্য থাকে, যদি নাথাকে সত্য নহয়। অর্থাৎ ঘটনা আৰু বস্তু যেনেদৰে প্রকট হয় সেয়াই সত্য আৰু ইয়াৰ অনস্তিত্বই অসত্য। এৰিষ্টট'লৰ এই

মতটো আধুনিক তর্কবিজ্ঞানত প্রতীকাত্মক ৰূপতো পোৱা যায়। অনুৰূপতাবাদ মতে বচন আৰু বাস্তৱ অৱস্থাৰ মাজত এটা প্রত্যক্ষ সাদৃশ্য থাকে। উদাহৰণস্বৰূপে 'ঘাঁহ সেউজীয়া' এটা বচন। এতিয়া প্রশ্ন হ'ল বচনটো সত্য নে অসত্য? অনুৰূপতাবাদে কয় যে 'সেউজীয়া' আৰু 'ঘাঁহ'ৰ মাজত এক প্রত্যক্ষ অনুৰূপতা আছে। ঘাঁহ যে সেউজীয়া নহয় সেয়া আমি বাহ্যিক অৱস্থাত নাপাওঁ। সেয়েহে 'ঘাঁহ সেউজীয়া' এই বচনটো সত্য বুলি মানিবই লাগিব।

অনুৰূপতাবাদক সাধাৰণ লোকৰ মতবাদ (Common sense theory) বুলিও কোৱা হয়। সাধাৰণলোকে মানি লয় যে বস্তুৰ অস্তিত্ব বাহ্যজগতৰ জ্ঞান স্বতন্ত্র। আমাৰ ইন্দ্রিয়ৰ সহায়ত দেখোঁ যে ঘাঁহ সেউজীয়া। এই ক্ষেত্রত ভাববাদীসকলে মানি লোৱাৰ দৰে আমি মানি নলও যে বস্তুৰ ইন্দ্রিয়জাত জ্ঞান পূর্বৰ জ্ঞানৰ ওপৰত নির্ভৰশীল সেয়ে এই মতবাদক **সৰল বাস্তৱবাদ** বুলিও জনা যায়। সৰল বাস্তৱবাদ অনুসৰি "বিষয় বা বস্তুক পোনপটীয়াকৈ জানিব পাৰি।" জ্ঞান অর্জনৰ সময়ত জ্ঞাতা মন আৰু জ্ঞেয় বস্তুৰ মাজত কোনো তৃতীয় পন্থা নাথাকে। সাধাৰণ লোকৰ মতেও আমাৰ মনে বিষয়বস্তুক পোনপটীয়াকৈ জানিব পাৰে। সৰল বাস্তৱবাদৰ মতটো সন্তোষজনক বুলি মানি ল'ব নোৱাৰি। কাৰণ, উদাহৰণস্বৰূপে, মানুহে প্রত্যক্ষ কৰে যে 'সূর্য্য পৃথিৱীৰ চাৰিওফালে ঘূৰে'। কিন্তু বাস্তৱ ক্ষেত্রত ই সত্য নহয়।

নব্য বাস্তৱবাদ হ'ল সৰল বাস্তৱবাদৰ এক সংশোধিত ৰূপ। নব্য বাস্তৱবাদৰ মতে জ্ঞান আৰু বস্তুৰ মাজত থকা সাদৃশ্যই হ'ল সত্যতা নির্ণয়ৰ মাপকাঠি। নব্যবাস্তৱবাদৰ মতে জ্ঞানৰ বিষয়বস্তু আৰু জ্ঞাত বস্তু প্রকৃততে অভিন্ন। উদাহৰণস্বৰূপে যেতিয়া আমি গছ এডালৰ বিষয়ে জ্ঞাত হও তেতিয়া আমি ইয়াকে বুজো যে বাহ্যজগততে থকা আৰু আমাৰ চেতনাত থকা বস্তুৰ লগত ই একে। কিছুমান নব্য বাস্তৱবাদীৰ মতে এইটো নহয় যে গছডাল সঁচাসঁচিকৈ আমাৰ চেতনাত প্রৱেশ কৰে। বৰং গছ আৰু চেতনাৰ মাজত এটা গাঠনিক মিলহে আছে।

এই মতবাদটোও সন্তোষজনক নহয়। কাৰণ বস্তু আৰু জ্ঞানৰ মাজত থকা অনুৰূপতা প্রকৃততে বিভ্রান্তিকৰ। বস্তু আৰু জ্ঞানৰ মাজত আমি কি পৰিপ্রেক্ষিতত সাদৃশ্য নির্ণয় কৰিম সেয়া স্পষ্ট নহয়। আকৌ ইয়াকো কোৱা হয় যে, আমাৰ মনত স্বপ্রসূত এনে কোনো উপাদান নাই যি জ্ঞাত বস্তুৰ অনুৰূপ হ'ব।

অনুৰূপতাবাদৰ আন এটা ৰূপ হ'ল ধাৰণাৰ প্রতিৰূপ মতবাদ। এই মতবাদ **ল'কৰ** *Essay Concerning Human Understanding* নামৰ গ্রন্থখনত উল্লেখ আছে। ল'কৰ মতে আমাৰ মনৰ ভিতৰত যিবোৰ ধাৰণা আছে; সেই ধাৰণাবোৰ হ'ল বাহ্যবস্তুৰ প্রতিৰূপ। তেওঁৰ মতে আমাৰ কোনো অৱধাৰণা বা বচন সত্য হয় নে নহয় তাক নির্ণয় কৰিবলৈ হ'লে চাব লাগিব সেই অৱধাৰণা বা বচনৰ ধাৰণাবোৰৰ অনুৰূপ বস্তু বাস্তৱ জগততে আছে নে নাই। কিন্তু এই মতবাদতোও সন্তোষজনক নহয়। কাৰণ বাহ্যিক বস্তু, মন আৰু ইয়াৰ ধাৰণাৰ বহির্ভূত। সেয়েহে আমি জ্ঞান প্রত্যক্ষ ভাৱে লাভ কৰিব নোৱাৰোঁ। ধাৰণা ব্যক্তিনিষ্ঠ, কাৰণ এই ধাৰণাসমূহ একান্ত নিজস্ব। বস্তুসমূহ বস্তুনিষ্ঠ, কাৰণ ইয়াৰ বিষয়ে সর্বসাধাৰণ জ্ঞাত হ'ব পাৰে। সেয়েহে এইটো কোৱা ভুল হ'ব যে জ্ঞান হ'ল বস্তু আৰু ধাৰণাৰ প্রত্যক্ষ অনুৰূপতা।

অনুৰূপতাবাদ আন এটা ৰূপ হ'ল অনুৰূপতাৰ যৌক্তিক মতবাদ। এই মতবাদৰ প্রবর্তক হ'ল বার্টাণ্ড ৰাছেল। ৰাছেলৰ মতে সত্যতাই জ্ঞানৰ লগত বাস্তৱত ঘটা কোনো ঘটনাৰ অনুৰূপতাক বুজায়, অভিজ্ঞতাক নহয়। এটা বচন সত্য হ'ব যদিহে ই ঘটনাৰ অনুৰূপতাক বুজায়। কিন্তু এটা বচন আমি সত্য বুলি নজনাকৈও সত্য হ'ব পাৰে। 'বৰষুণ দিছে'— এই বচনটো সত্য হ'ব যদিহে সঁচাকৈয়ে বৰষুণ দিছে। আপোনাৰ এই বৰষুণ দিয়া বুলি গম পোৱাৰ অভিজ্ঞতা নহ'লেও বচনটোৰ সত্যতা নোহোৱা হৈ নাযায়। উদাহৰণস্বৰূপে টোপনিত থাকোঁতে যদি

আপুনি বৰষুণ দিয়া গম নাপায় তেতিয়াহ'লে বৰষুণ নিদিয়া হৈ নাযায়। আপুনি সাৰ পাই কোঠাৰ খিৰিকীৰ ফালে চাব তেতিয়া 'বৰষুণ দিছে' এই বচনটোৰ সত্যতা সম্পর্কে জ্ঞাত হ'ব। এইদৰে অনুৰূপতাৰ যৌক্তিক মতবাদৰ মতে সত্যতা নির্ভৰ কৰে বাস্তৱ তথ্যৰ লগত ঘটা অনুৰূপতাৰ প্রকৃতিৰ ওপৰত আৰু সত্যতাৰ জ্ঞান নির্ভৰ কৰে অভিজ্ঞতাৰ দ্বাৰা হোৱা সত্যাসত্য নিৰূপনৰ ওপৰত। কিন্তু সকলো সত্য বচন অভিজ্ঞতাৰ দ্বাৰা প্রমাণ কৰা নাযায়। সত্য বচনবোৰৰ ভিতৰত কম সংখ্যক বচনহে সাক্ষাৎভাৱে প্রমাণ কৰিব পাৰি। উদাহৰণস্বৰূপে 'সকলো মানুহ মৰণশীল' এই সার্বিক বচনটো সত্য কিয়নো বচনটোৰ লগত ঘটনাৰ অনুৰূপতা আছে। কিন্তু ইয়াক অভিজ্ঞতাৰ দ্বাৰা প্রমাণ কৰিব নোৱাৰি কাৰণ ই আমাৰ কাৰণে সম্ভৱ নহয়। সেয়ে আমি সামৰিব পাৰো যে কোনো বচনৰ সত্যতা অভিজ্ঞতাৰ দ্বাৰা সত্যাপন বা সমর্থনৰ ওপৰত নির্ভৰ নকৰে। বৰং বচন এটাৰ সত্যতা নির্ভৰ কৰে বচনটোৰ লগত ঘটনাৰ অনুৰূপতাৰ ওপৰত।

- **মেগাৰিয়ান লায়াৰ পেৰেডক্স** (Megarian liar paradox) ঃ এজন মেগেৰিয়ান সম্প্রদায়ৰ সদস্য হিচাপে ইউবিল্ডে, প্লেটো আৰু এৰিষ্ট'লিয়ান নীতিৰ বিৰুদ্ধে মতামত আগবঢ়াইছিল। ইউবিল্ডে, এনেধৰণে মতামত আগবঢ়াইছে যে এজন মানুহে কয় যে মই মিছা কথা কৈ আছো, অথবা মই এতিয়া যি কৈ আছো সেয়া মিছা বা অশুদ্ধ আৰু এইটো সত্য যদিহে কথাফাঁকি বা উক্তিটো আচলতে মিছা। আকৌ উক্তি বা কথাফাঁকি যদি মানুহজনে কোৱাটো মিছা নহয়। মিছা যদি উক্তিটো সত্য হয়।

এই মতটোৱে দেখুৱায় যে কোনো এটা উক্তিক গুণ সম্পর্কে অর্থাৎ শুদ্ধ বা অশুদ্ধ সম্পর্কে কোৱা মানে উক্তিটোৰ বিপৰীত দিশটোৰ কথাকে সূচায়। এৰিষ্টট'লৰ শুদ্ধ বা অশুদ্ধ একপক্ষীয় উক্তিটোৰ দৰাচলতে তথ্যৰ ওপৰত নির্ভৰ কৰে। এৰিষ্টট'লৰ মতে যেতিয়া বাক্য এটা তথ্যৰ সৈতে সম্পর্কিত হয় তেতিয়া বাক্যটো সত্য বুলি বিবেচিত হয় অন্যথা বাক্যটো মিছা বুলি ধৰা হয়। গতিকে পেৰেডক্স বা অৱলায়াৰ (Paradox of liar) ৰ ধাৰণাটো প্রাচীন আৰু আধুনিক লিখকৰ দ্বাৰা আলোচনা কৰাইছিল। সত্য আৰু অসত্য ধাৰণাৰ এটা সমুচিত উত্তৰ দিয়াৰ তাড়নাটোৱে নিঃসন্দেহে এটা গুৰুত্বৰ সমস্যাৰ উপস্থাপন কৰে।

চিন্তা-চর্চ্চা কৰক - ৬.১

- অনুৰূপতাবাদ আৰু বাস্তৱবাদৰ মাজত কিবা সম্পর্ক আছেনে?
- সত্যৰ অনুৰূপতাবাদ গ্রহণযোগ্য নে?

অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ১ঃ অনুৰূপতাবাদৰ সমর্থক দুজনৰ নাম লিখক।

প্রশ্ন নং ২ঃ দার্শনিক সকলৰ মতে সত্যতা কি?

প্রশ্ন নং ৩ঃ তলত দিয়াবোৰৰ শুদ্ধ/অশুদ্ধ নির্ণয় কৰক।

(ক) সত্যতা নিৰূপনৰ তিনিটা মুখ্য নীতি আছে। (শুদ্ধ/অশুদ্ধ)

(খ) এৰিষ্টট'লৰ Metaphysics গ্ৰন্থখনত অনুৰূপতাবাদ পোৱা যায়। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন নং ৪ঃ অনুৰূপবাদ তত্ত্ব বুলিলে আপুনি কি বুজে? (৭০ টা শব্দৰ ভিতৰত লিখক)

১৬.৫ সংগতিবাদ

আগৰ আলোচনাত অনুৰূপতাবাদৰ বিষয়ে এটা ধাৰণা পোৱা গ'ল। এতিয়া সংগতিবাদৰ বিষয়ে তলত আলোচনা কৰা হ'ল।

সত্যতা সম্পৰ্কীয় মতবাদসমূহৰ ভিতৰত সংগতিবাদ এটা উল্লেখযোগ্য মতবাদ। সংগতিবাদৰ মতে বচন এটা সত্য হ'ব যদিহে ই অন্য বচনৰ লগত সংগতিপূৰ্ণ হয়। যদি বচন এটা পূৰ্বতে গঢ়ি উঠা বচনৰ সংবদ্ধ মণ্ডলী (System) ৰ লগত সংগতি পূৰ্ণ হয় তেনেহ'লে সেইবচনক সত্য বুলি গ্ৰহণ কৰা হয়। **ভাববাদী দাৰ্শনিক**সকলে এই মতবাদ গ্ৰহণ কৰে। সংগতিবাদ সমৰ্থন কৰা ভাববাদী দাৰ্শনিকসকল হ'ল হেগেল, বাৰ্কলে, ব্ৰেডলি ইত্যাদি।

তৰ্কীয় প্ৰত্যক্ষবাদী দাৰ্শনিক যেনে নিউৰাথ (Neurath) হেম্পেল (Hempel) আদি দাৰ্শনিক সকলেও সত্যৰ সংগতিবাদ মতবাদ গ্ৰহণ কৰে। তৰ্কীয় প্ৰত্যক্ষবাদী আৰু ভাববাদী দাৰ্শনিক সকলৰ মাজত এটা উল্লেখনীয় পাৰ্থক্য আছে।

তৰ্কীয় প্ৰত্যক্ষবাদী সকলৰ সংগতিবাদ এটা শৃংখলাবদ্ধ পদ্ধতিৰ মাজত পোৱা যায়। এই সংগতিবাদ সকলো সম্ভাব্য পদ্ধতিসমূহৰ এটা সমষ্টি। তৰ্কীয় প্ৰত্যক্ষবাদী দাৰ্শনিকসলকৰ সংগতিবাদ তত্ত্ব এটা স্বতঃ প্ৰামাণ্য মতবাদ। আনহাতে হেগেলৰ সংগতিবাদ তত্ত্বৰ ৰূপটো হ'ল পৰমশ্ৰেয়বাদী। হেগেলপন্থী সংগতিবাদ তত্ত্বটো তৰ্কীয় প্ৰত্যক্ষবাদীসকলৰ পৰা দুটা গুৰুত্বপূৰ্ণ দিশত পৃথক।

- হেগেলৰ সংগতিবাদ আকাৰিক তৰ্কবিজ্ঞানৰ সামঞ্জস্য নহয়। চিন্তাৰ এটা পদ্ধতি আকাৰগতভাবে সত্য হ'ব পাৰে; কিন্তু ই বস্তুগত ভাবে সত্য নহবও পাৰে। গতিকে চিন্তাৰ সেই পদ্ধতিটো শুদ্ধ নহয়। উদাহৰণস্বৰূপে 'সোণৰ পাহাৰ'ৰ বিষয়ে চিন্তা কৰা যাঁওক। 'সোণৰ পাহাৰ' অভিজ্ঞতাত পোৱা নাযায়। গতিকে ই আকাৰগত আৰু তৰ্কীয়ভাবে শুদ্ধ হ'লেও বস্তুগত ভাবে সত্য নহয়।
- **হেগেলপন্থী দাৰ্শনিক**সকলে তৰ্কীয় প্ৰত্যক্ষবাদী দাৰ্শনিক সকলক সমৰ্থন নকৰে। তৰ্কীয় প্ৰত্যক্ষবাদী সকলৰ মতে সত্যতাৰ বিভিন্ন ধৰণৰ পদ্ধতি আছে। এই বিভিন্ন পদ্ধতিসমূহ এটা আনটোৰ সৈতে বিৰোধপূৰ্ণ স্বভাৱৰ। কাৰণ এটা বচন কোনো এটা ক্ষেত্ৰত সঁচা হ'লেও আনকোনো ক্ষেত্ৰত মিছাও হ'ব পাৰে। এই মতৰ বিৰুদ্ধে হেগেলপন্থী দাৰ্শনিকসকলে কয় যে জ্ঞানৰ আদৰ্শ হ'ল এটা 'প্ৰণালী, যি প্ৰণালী সত্যসমূহৰ নহয়; সত্যৰহে।' তেওঁলোকৰ মতে সত্য হ'ল এক স্বয়ং সম্পূৰ্ণ অভিজ্ঞতা।

৬.৫.১ সত্যতাৰ মাত্ৰা

সংগতিবাদ সত্যৰ মাত্ৰা স্বীকাৰ কৰে। এটা বচনৰ যদি সংবদ্ধ মণ্ডলীৰ (System) লগত সামঞ্জস্যতা থাকে আৰু সংগতি থাকে তেন্তে বচনটো চৰম সত্য হ'ব। কিন্তু সমস্যাটো এয়ে যে মানুহে এই চৰম সত্যত উপনীত

হ'বলৈ সক্ষম নহয়। আমি জানো যে চৰম সত্য এটা আদর্শ সত্য। এটা বচন তেতিয়াহে অধিক সত্য হ'ব যদিহে ই জ্ঞানৰ সুসংবদ্ধ প্রণালীৰ লগত সংগতি বা সামঞ্জস্যতা স্থাপন কৰে। মানুহৰ মনত চৰম সত্যৰ প্রকাশ আংশিক ভাবেহে হয়। এইদৰে মানুহৰ জ্ঞানৰ ক্ষেত্রত সত্যৰ বিভিন্ন মাত্রাৰ কথা উঠে। সেয়েহে ব্রেডলিয়ে কৈছে যে বচনসমূহ আংশিক ভাৱে সত্য আৰু আংশিক ভাৱে অসত্য। তেঁও কৈছে যে সত্যতাই অসীমতা আৰু সমগ্রতা নির্দেশ কৰিবই লাগিব। এইদৰে ব্রেডলিয়ে সত্যৰ মাত্রা স্বীকাৰ কৰে।

সাধাৰণ দৃষ্টিভঙ্গীৰ পৰা ক'ব পাৰি যে আমাৰ ব্যক্তিগত উক্তিসমূহে সত্যতাৰ মাত্রা স্বীকাৰ কৰে। সেয়ে এটা বচন আংশিকভাৱে সত্য আৰু আংশিকভাৱে মিছা। সেইবাবে মানুহে কৰা সকলো ভুলক আংশিকভাৱে সত্য বুলিব পাৰি। এইদৰে সত্যতাৰ সংগতিবাদ তত্বই সত্যৰ মাত্রা স্বীকাৰ কৰে।

সত্যতা সম্পর্কীয় মতবাদ হিচাবে সংগতিবাদ সন্তোষজনক নহয়। কাৰণ সত্যতাৰ মাত্রা স্বীকাৰ কৰা ফলত সংগতিবাদে আপেক্ষিকতাবাদলৈ গতি কৰিছে। গতিকে আমাৰ মনলৈ অহা প্রশ্নটো এয়ে যে জ্ঞানৰ বস্তুগত সত্যতা কি? উত্তৰত ইয়াকে ক'ব পাৰি যে সত্যক পৰিবর্তন কৰিব নোৱাৰি, সত্য অপৰিবর্তনীয়। যদি সত্য পৰিবর্তনশীল হয় তেন্তে মিছা কোৱাটোও সত্য বুলি পৰিগণিত হ'ব। ফলত ব্যৱহাৰিক জীৱনত সঁচা আৰু মিছাৰ মাজত কোনো পার্থক্য নির্ণয় কৰিব পৰা নাযাব। সংগতিবাদৰ সমর্থক সকলে এই আপত্তিটো মানি লোৱা নাই। কাৰণ প্রথমতে মানুহে ভাবিছিল যে 'পৃথিৱী বিশ্বব্রহ্মাণ্ডৰ কেন্দ্র'। পৃথিৱী নহয় সূর্যহে বিশ্বব্রহ্মাণ্ডৰ কেন্দ্র বুলি প্রতিষ্ঠা নোহোৱালৈকে মানুহে পৃথিৱীয়ে বিশ্বব্রহ্মাণ্ডৰ কেন্দ্র বুলি মানি আহিছিল। কিন্তু সত্যতা প্রতিষ্ঠিত হ'ল যে সূর্য্যহে বিশ্বব্রহ্মাণ্ডৰ কেন্দ্র। গতিকে গেলিলিওৰ দ্বাৰা পিছৰ মতটো সত্য বুলি প্রতিষ্ঠিত হোৱাৰ পিছত আগৰ মতটো অশুদ্ধ আৰু বিসংগতিপূর্ণ বুলি বিবেচিত হ'ল।

চিন্তা-চর্চা কৰক ৬.২

সংগতিবাদ আৰু ভাববাদৰ মাজত কিবা সম্পর্ক আপুনি বিচাৰি পাইছে নেকি?
আপুনি সত্যতাৰ সংগতিবাদ তত্ব গ্রহণ কৰেনে?

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ঃ সত্যৰৰ সংগতিবাদ তত্বটো কি? (50 টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন নং ৬ঃ **তলত দিয়াবোৰৰ শুদ্ধ/অশুদ্ধ নির্ণয় কৰক।**

(ক) ভাববাদী দার্শনিকসকলে সংগতিবাদ গ্রহণ কৰে। (শুদ্ধ/অশুদ্ধ)

(খ) তর্কীয় প্রত্যক্ষবাদীসকলে সংগতিবাদ সমর্থন কৰে। (শুদ্ধ/অশুদ্ধ)

৬.৬ উপযোগিতাবাদ

উপযোগিতাবাদ অনুসৰি ব্যৱহাৰিকতা বা কার্যোপযোগিতাই হ'ল সত্য নির্ণয়ৰ মাপকাঠি। উপযোগিতাই হ'ল সত্য নির্ণয়ৰ মাপকাঠি। এটা ধাৰণা সত্য হ'ব যদিহে ই কার্য্যক্ষম হয়। যদি কোনো এটা ধাৰণা বা বিশ্বাস ফলপ্রসূ হয় তেতিয়াহ'লে ই সত্য হ'ব আৰু যদি এই ধাৰণা বা বিশ্বাস ফলপ্রসূ নহয় তেতিয়াহ'লে ই অসত্য হ'ব। উদাহৰণস্বৰূপে 'জুইয়ে পোৰে'। এই বচনটো সত্য হ'ব যদিহে জুইয়ে সঁচাকৈয়ে পোৰে। আনহাতে, আমি যদি অভিজ্ঞতাত পাওঁ যে জুইয়ে বাস্তবিকতে নোপোৰে তেতিয়াহ'লে ওপৰোক্ত বচনটো মিছা হ'ব। সেয়েহে উপযোগিতাবাদৰ মতে উপযোগিতা, উপকাৰিতা, কার্য্যদক্ষতা, ফলপ্রসূতা আদি হ'ল সত্যতা নির্ণয়ৰ মাপকাঠি।

উপযোগিতাবাদৰ প্রধান পৃষ্ঠপোষক হ'ল উইলিয়াম জেমছ, শ্বিলাৰ আৰু জন ডিউৰী।

উইলিয়াম জেম্ছে তেওঁৰ *Pragmatism* নামৰ গ্রন্থখনত উল্লেখ কৰে "সত্যতা হ'ল আমাৰ ধাৰণাসমূহ নিশ্চিত কৰাৰ এটা গুণ। ই সিহঁতৰ সাদৃশ্যক বুজায়, যিদৰে মিছা উক্তিয়ে সিহঁতৰ বাস্তৱতাৰ সৈতে বৈসাদৃশ্য বুজায়।" তেওঁ ধাৰণাবোৰৰ সাদৃশ্যৰ জৰিয়তে এইটো বুজোৱা নাই যে আমাৰ ধাৰণাসমূহ বাস্তৱৰ প্রতিলিপি মাথোন। ইয়াৰ দ্বাৰা এইটোও বুজোৱা হোৱা নাই যে ধাৰণা আৰু বস্তুসমূহৰ মাজত এটা স্থায়ী অনুৰূপতাৰ সম্বন্ধ আছে। সেয়েহে এইটোও ক'ব নোৱাৰি যে বাস্তৱতাৰ লগত মিলি যায় কাৰণে ধাৰণাবোৰ সঁচা। গতিকে এইটো স্পষ্ট যে উপযোগিতাবাদে অনুৰূপতাবাদৰ বিৰোধিতা কৰে।

সত্যাপনৰ দৃঢ়তাৰ ওপৰত ধাৰণাসমূহৰ সত্যতা নির্ভৰ কৰে। "সঁচা ধাৰণাসমূহ হ'ল সেইবোৰ যাক আমি সদৃশ শ্রেণীভূক্ত কৰিব পাৰোঁ, বৈধতা নির্ণয় কৰিব পাৰোঁ আৰু নিশ্চয়তা প্রতিপন্ন কৰি যথার্থতা সাব্যস্ত কৰিব পাৰো। মিছা ধাৰণাসমূহ হ'ল যি সমূহক আমি সঁচা বুলি প্রমাণিত কৰিব নোৱাৰোঁ।" ধাৰণা আৰু বচনসমূহ যেতিয়ালৈকে ফলপ্রসূ বুলি প্রমাণিত নহয় তেতিয়ালৈকে এই ধাৰণা বা বচনসমূহ সত্য বুলি পৰিগণিত নহয়। যেতিয়া ধাৰণা বা বচনসমূহ সন্তোষজনক ভাৱে আমাৰ জীৱনত প্রয়োগ কৰিব পাৰি তেতিয়া সেই বচন বা ধাৰণাসমূহ সত্য বুলি পৰিগণিত হয়। এটা ধাৰণা নিজে নিজে সত্য হ'ব নোৱাৰে। প্রকৃততে ঘটা ঘটনাইহে এটা ধাৰণাক সত্য কৰিব পাৰে। ইয়াৰ অর্থ হ'ল সত্যাপনৰ দ্বাৰাহে এটা ধাৰণা সত্য বুলি বিবেচিত হয়। জেম্চে তেওঁৰ *Essays in Pragmatism* নামৰ গ্রন্থখনত কৈছে "সঁচা ধাৰণাসমূহ হ'ল সেইবোৰ যাক আমি সদৃশ শ্রেণীভূক্ত কৰিব পাৰো, বৈধতা নির্ণয় কৰিব পাৰো আৰু নিশ্চয়তা প্রতিপন্ন কৰি যথার্থতা সাব্যস্ত কৰিব পাৰোঁ। মিছা ধাৰণাসমূহ হ'ল যি সমূহক আমি সঁচা বুলি প্রমাণিত কৰিব নোৱাৰোঁ।"

শ্বিলাৰৰ মতে প্রায়োগিক উপযোগিতাইহে প্রকৃত সত্যতা প্রদান কৰিব পাৰে। তেওঁৰ মতে আমাৰ প্রায়োগিক জীৱনৰ সফলতা নির্ভৰ কৰে কিমান দূৰ আমি ভৱিষ্যততে ঘটিব লগা ঘটনাসমূহৰ সম্পর্কে পূর্বানুমান কৰিব পাৰো আৰু সংঘটিত ঘটনাসমূহক নিয়ন্ত্রণ কৰিব পাৰো সেই ক্ষমতাৰ ওপৰত। আমি সত্য প্রতিষ্ঠা কৰিব বিচাৰোঁ। যি ঘটনা সম্বন্ধে পূর্বানুমান কৰা হয় সেই ঘটনা যদি প্রকৃততে ঘটে তেতিয়াহে ই সত্য হয়। প্রায়োগিক ভাৱে উপযোগী নোহোৱা পূর্বানুমান বৈধ বুলি স্বীকৃত হ'লেও সত্যতাৰ দাবী কৰিব নোৱাৰে। সত্যততাৰ দাবীক সত্য বুলি গ্রহণ কৰা নহয়। গতিকে সফল হোৱা পূর্বানুমানসমূহেই কেৱল সত্য বুলি স্বীকৃত হয়। এইক্ষেত্রত আমি সফল ভৱিষ্যৎবাণীৰ সদর্থক মূল্য আৰু অসফল ভৱিষ্যৎ বাণীৰ নঞর্থক মূল্যৰ মাজত এটা পার্থক্য বিচাৰি পাওঁ।

জন ডিউৱীৰ মতে জ্ঞান বা সত্যতা হ'ল সঠিক অনুসন্ধানৰ ফল। অনুসন্ধান আৰম্ভ হয় সংশয়ত আৰু এই সংশয় মনৰ পৰা নিবাৰণ কৰিব পাৰিলেই সত্যতাত উপনীত হোৱা যায়। প্রত্যেকটো সত্যতাই সংশোধন সাপেক্ষে। কাৰণ সত্যতাসমূহ অতিৰিক্ত অনুসন্ধানৰ দ্বাৰা সংশোধন কৰাৰ সম্ভাৱনা থাকে। এটা বচন সঁচা হোৱাৰ অর্থ হ'ল ই উপযুক্ত আৰু নিয়ন্ত্রিত অনুসন্ধানৰ দ্বাৰা প্রমাণিত।

সমালোচকসকলে সত্যতাৰ উপযোগিতাবাদ মতবাদক তীব্রভাৱে সমালোচনা কৰিছে। তেওঁলোকৰ মতে উপযোগিতাবাদে সত্যৰ মর্যদা কেৱল কার্যপোযোগিতালৈ হ্রাস কৰিছে। প্রকৃততে উপযোগিতাক সত্যতা বুলিব নোৱাৰি। সত্য হ'লেই সি উপযোগী নহ'বও পাৰে কাৰণ সত্যতা আৰু উপযোগিতাৰ মাজত কোনো অনিবার্য্য সম্পর্ক নাই। আমি আমাৰ অভিজ্ঞতাৰ পৰা পাওঁ যে উপযোগী বুলি পৰিগণিত হোৱা ধাৰণাও অসত্য হয়। কিছুমান উপযোগী নোহোৱা ধাৰণাও সত্য বুলি পৰিগণিত হয়।

আকৌ উপযোগিতাবাদে সত্যতাক ব্যক্তিকেন্দ্রিক ৰূপ দিয়ে। যদি উপযোগিতা সত্যতা নির্ণয়ৰ মাপকাঠি হয় তেন্তে সত্যতা মানুহৰ আগ্রহৰ ওপৰত নির্ভৰ কৰিব। এইটো স্পষ্ট যে উপযোগিতাবাদে ধাৰণা বা বচনৰ বস্তুগত সত্যতা প্রদান কৰিব নোৱাৰে। সেয়েহে আমি উপযোগিতাবাদক সন্তোষজনক মতবাদ বুলি আখ্যা দিব নোৱাৰোঁ।

চিন্তা-চর্চা কৰক ৬.৩

উপযোগিতাবাদ প্রায়োগিক নে? উত্তৰ দিয়ক।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ঃ খালী ঠাই পূৰণ কৰক।

(ক) উপযোগিতাবাদৰ মতে ---------- হ'ল সত্যতা নির্ণয়ৰ মাপকাঠি।

(খ) ---------- উপযোগিতাবাদ সমর্থন কৰে।

প্রশ্ন নং ৮ঃ তলত দিয়াবোৰৰ শুদ্ধ/ অশুদ্ধ নির্ণয় কৰক।

(ক) 'Essays in Pragmatism' জেম্চে লিখিছিল। (শুদ্ধ/অশুদ্ধ)

(খ) উপযোগিতাবাদ সমালোচনাৰ উর্দ্ধত। (শুদ্ধ/অশুদ্ধ)

প্রশ্ন নং ৯ঃ উপযোগিতাবাদ তত্ত্ব কি? (50 টা শব্দৰ ভিতৰত লিখক)

৬.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এৰিষ্টট'লে মতবাদটো এনেদৰে দাঙি ধৰিছে যে, কোনো জ্ঞান তেতিয়াহে সত্য হয় যেতিয়া ইয়াৰ প্রদত্ত তথ্য (fact) ৰ লগত সামঞ্জস্য থাকে, যদি নাথাকে সত্য নহয়।

- অনুৰূপতাবাদ মতে বচন আৰু বাস্তৱ অৱস্থাৰ মাজত এটা প্রত্যক্ষ সাদৃশ্য থাকে।
- অনুৰূপতাবাদক সাধাৰণ লোকৰ মতবাদ (Common sense theory) বুলিও কোৱা হয়। সাধাৰণলোকে মানি লয় যে বস্তুৰ অস্তিত্ব বাহ্যজগতৰ জ্ঞান স্বতন্ত্র। আমাৰ ইন্দ্রিয়ৰ সহায়ত দেখোঁ যে ঘাঁহ সেউজীয়া। উদাহৰণস্বৰূপে 'ঘাঁহ সেউজীয়া' এটা বচন। এতিয়া প্রশ্ন হ'ল বচনটো সত্য নে অসত্য?
- অনুৰূপতাবাদে কয় যে 'সেউজীয়া' আৰু 'ঘাঁহ'ৰ মাজত এক প্রত্যক্ষ অনুৰূপতা আছে। ঘাঁহ যে সেউজীয়া নহয় সেয়া আমি বাহ্যিক অৱস্থাত নাপাওঁ। সেয়েহে 'ঘাঁহ সেউজীয়া' এই বচনটো সত্য বুলি মানিবই লাগিব। এই মতবাদক **সৰল বাস্তৱবাদ** বুলিও জনা যায়। সাধাৰণ লোকৰ মতেও আমাৰ মনে বিষয়বস্তুক পোনপটীয়াকৈ জানিব পাৰে।
- সংগতিবাদৰ মতে বচন এটা সত্য হ'ব যদিহে ই অন্য বচনৰ লগত সংগতিপূর্ণ হয়। যদি বচন এটা পূর্বতে গঢ়ি উঠা বচনৰ সংবদ্ধ মণ্ডলী (System) ৰ লগত সংগতি পূর্ণ হয় তেনেহ'লে সেইবচনক সত্য বুলি গ্রহণ কৰা হয়।
- **ভাববাদী দার্শনিক**সকলে এই মতবাদ গ্রহণ কৰে। সংগতিবাদ সমর্থন কৰা ভাববাদী দার্শনিকসকল হ'ল হেগেল, বার্কলে, ব্রেডলি ইত্যাদি।
- উপযোগিতাবাদ অনুসৰি ব্যৱহাৰিকতা বা কার্যোপযোগিতাই হ'ল সত্য নির্ণয়ৰ মাপকাঠি। উপযোগিতাই হ'ল সত্য নির্ণয়ৰ মাপকাঠি। এটা ধাৰণা সত্য হ'ব যদিহে ই কার্য্যক্ষম হয়। যদি কোনো এটা ধাৰণা বা বিশ্বাস ফলপ্রসূ হয় তেতিয়াহ'লে ই সত্য হ'ব আৰু যদি এই ধাৰণা বা বিশ্বাস ফলপ্রসূ নহয় তেতিয়াহ'লে ই অসত্য হ'ব। উপযোগিতাবাদৰ প্রধান পৃষ্ঠপোষক হ'ল উইলিয়াম জেমছ, শ্বিলাৰ আৰু জন ডিউৱী।
- সত্যতাৰ শব্দার্থ তত্ত্বৰ মতে, বাক্য এটা যেনে 'Aardvarks য়ে খোজ কাঢ়ে' এই বাক্যটো সত্য হয় যদিহে Aardvarks য়ে খোজ কাঢ়ে। এই তত্ত্বটোৰ মতে সকলোবোৰ মতামতৰ আকাৰ এনে ধৰণৰ-মত হয় যদিহে ই প্রকৃতার্থক হয়।
- সত্যতাৰ ডিফ্লেটোনিষ্ট তত্ত্বৰ মতে সত্য শব্দটো এটা প্রকৃত বিধেয় নহয়, ই আচলতে পূর্ব বাক্যবোৰৰ এটা আংশিক উপাদান হে।
- সত্যৰ দিচকোটেচনেল তত্ত্বটোৱে দেখুৱাই যে এটা বাক্য সত্য হয় যদিহে ই পৰোক্ষভাৱে বাক্যটোৱে সূচোৱা অর্থকে বহন কৰে। সেয়ে সত্য শব্দটো প্রত্যক্ষভাৱে বাক্যৰ লগত সম্পর্কিত নহয়।

৬.৮ অধিক জানিবলৈ

অসমীয়া গ্রন্থ আৰু ইংৰাজী গ্রন্থঃ ৭

(১) দর্শনৰ পৰিচয় (পাশ্চাত্য দর্শন) ঃ ড° জোৎস্না ভট্টাচার্য্য

(২) পাশ্চাত্য দর্শন ঃ অঞ্জলী দেৱী

(৩) The Problems of Philosophy ঃ Satis Chandra Chatterjee

(৪) Chief Currents of Contemporary Philosophy ঃ D.M. Dutta

(৫) দৰ্শনৰ পৰিচয় (পাশ্চাত্য দৰ্শন) ঃ ড° জোৎস্না ভট্টাচার্য্য

(৬) পাশ্চাত্য দৰ্শন ঃ অঞ্জলী দেৱী

(৭) The Problems of Philosophy ঃ Satis Chandra Chatterjee

(৮) Chief Currents of Contemporary Philosophyঃ D.M. Dutta

(৯) দৰ্শনৰ পৰিচয় (পাশ্চাত্য দৰ্শন) ঃ ড° জোৎস্না ভট্টাচার্য্য

(১০) পাশ্চাত্য দৰ্শন ঃ অঞ্জলী দেৱী

(১১) The Problems of Philosophy ঃ Satis Chandra Chatterjee

(১২) Chief Currents of Contemporary Philosophyঃ D.M. Dutta

৬.৯ অগ্রগতিৰ খতিয়ান

১ নং**প্রশ্নৰ উত্তৰঃ** এৰিষ্টটল, জন ল'ক, ৰাছেল আদি দার্শনিক সকলে সত্যতাৰ অনুৰূপতাবাদ তত্ত্বটো সমর্থন কৰে।

২ নং**প্রশ্নৰ উত্তৰঃ** সত্য হ'ল বিশ্বাস, মত, তত্ত্ব আৰু উক্তিৰ গুণ।

৩ নং**প্রশ্নৰ উত্তৰঃ** ক) শুদ্ধ খ) শুদ্ধ

৪ নং**প্রশ্নৰ উত্তৰঃ** অনুৰূপবাদ মতে বচন আৰু বাস্তৱ অৱস্থাৰ মাজত এটা প্রত্যক্ষ সাদৃশ্য আছে। উদাহৰণস্বৰূপে, ' গাখীৰ বগা' এটা বচন, এতিয়া প্রশ্নটো হ'ল বচনটো সত্যনে অসত্য? অনুৰূপবাদদে কয় যে 'গাখীৰ আৰু 'বগা' ৰ মাজত এক প্রত্যক্ষ অনুৰূপতা আছে। গাখীৰ যে বগা নহয়, সেয়া আমি বাহ্যিক অৱস্থাত নাপাওঁ। সেয়ে, 'গাখীৰ' বগা এই বচনটো সত্য বুলি মানিবই লাগিব।

১ নং**প্রশ্নৰ উত্তৰঃ** এই মতবাদ অনুসৰি এটা বচন সত্য হ'ব যদিহে ইয়াৰ বচনৰ সংবদ্ধ মণ্ডলীৰ লগত সংগতি থাকে। এটা বচন বা ধাৰণা এটা সত্য হ'ব যদিহে ইয়াৰ আমাৰ বিশ্বাসৰ সংবদ্ধ মণ্ডলী এটাৰ লগত সংগতিপূর্ণ হয়। ভাৰবাদী দার্শনিকসকলে এই মতবাদ গ্রহণ কৰে। সংগতিবাদসমর্থন কৰা ভাৰবাদী দার্শনিক সকল হ'ল হেগেল , বার্কেল ব্রেডলি ইত্যাদি। তর্কীয় প্রত্যক্ষবাদী দার্শনিক যেনে নিউৰাথ (Neurath) হেমপেল আদি দার্শনিক সকলেও সত্যৰ সংগতিবাদ সমর্থন কৰে।

২ নং**প্রশ্নৰ উত্তৰঃ** ক) শুদ্ধ খ) অশুদ্ধ

১ নং**প্রশ্নৰ উত্তৰঃ** ক) উপযোগিতাবাদ মতে উপযোগিতা, উপকাৰিতা, কার্য্যদক্ষতা, ফলপ্রসূতা আদি হ'ল সত্য নির্ণয়ৰ মাপকাঠি।

খ) উইলিয়াম জেম্চ, শ্বিলাৰ, জন ডিউৰী

২ নং**প্রশ্নৰ উত্তৰঃ** ক) শুদ্ধ খ) অশুদ্ধ

৩ নং প্রশ্নৰ উত্তৰঃ উপযোগিতাবাদ অনুসৰি বা কার্যোপযোগিতাই হ'ল সত্য নির্ণয়ৰ মাপকাঠি। এই ধাৰণা সত্য হ'ব যদিহে ই কার্যমান হয়। যদি কোনো এটা ধাৰণা বা বিষয় ফলপ্রসু হয় তেতিয়াহ'লে ই সত্য হ'ব আৰু যদি এই ধাৰণা বা বিশ্বাসী ফলপ্রসু নহয় তেতিয়াহ'লে ই অসত্য হ'ব। উদাহৰণস্বৰূপে 'জুইয়ে পোৰে' এই বচনটো সত্য হ'ব যদিহে জুইয়ে সচাঁকৈয়ে পোৰে।

৬.১০ আৰ্হি প্রশ্ন

(ক) বস্তু ধর্মী প্রশ্ন

প্রশ্ন ১ঃ সত্যতাৰ অনুৰূপতাবাদ তত্ত্বৰ দুজন সমর্থকৰ নাম লিখক।

প্রশ্ন ২ঃ সত্যতা সম্পর্কীয় তত্ত্বসমূহ কি কি?

প্রশ্ন ৩ঃ এৰিষ্টটলীয় অনুৰূপবাদ তত্ত্বৰ তর্কসন্মত সূত্রটো কি কি?

প্রশ্ন ৪ঃ সত্যতা অনুৰূপবাদৰ সংজ্ঞা দিয়ক।

প্রশ্ন ৫ঃ সত্যতাৰ সংগতিবাদ তত্ত্বৰ দুজন সমর্থকৰ নাম লিখক।

প্রশ্ন ৬ঃ সত্যতাৰ কোনটো তত্ত্বই 'সত্যতাৰ মাত্রাটো সমর্থন কৰে?

প্রশ্ন ৭ঃ সত্যতা সম্পর্কীয় তত্ত্বসমূহ কি কি?

প্রশ্ন ৮ঃ সংগতিবাদ তত্ত্বৰ সংজ্ঞা দিয়ক।

প্রশ্ন ৯ঃ সত্যতাৰ উপযোগিতাবাদ তত্ত্বৰ দুজন সমর্থকৰ নাম লিখক।

প্রশ্ন ১০ঃ উপযোগিতাবাদ তত্ত্বৰ সংজ্ঞা দিয়ক।

প্রশ্ন ১১ঃ সত্যতা সম্পর্কীয় তত্ত্বসমূহ কি কি?

প্রশ্ন ১২ঃ এৰিষ্টটলীয় অনুৰূপবাদ তত্ত্বৰ তর্কসন্মত সূত্রটো কি কি?

(খ) চমু প্রশ্ন (১৫০–১৫০ টা শব্দৰ ভিতৰত উত্তৰ দিয়কত)

প্রশ্ন ১ঃ সত্যতা সম্পর্কীয় অনুৰূপবাদৰ বিষয়ে চমুকৈ ব্যাখ্যা কৰক।

প্রশ্ন ২ঃ সত্যতা সম্পর্কীয় শব্দার্থ তত্ত্বটো কি?

প্রশ্ন ৩ঃ সত্যৰ ডিফ্লেচনিষ্ট তত্ত্ব সম্পর্কে চমুকৈ ব্যাখ্যা কৰক।

প্রশ্ন ৪ঃ মিগৰিয়ান লায়াৰ পেৰেডক্স কি? চমুকৈ ব্যাখ্যা কৰক।

প্রশ্ন ৫ঃ সংগতিবাদ তত্ত্বৰ বিষয়ে চমুকৈ ব্যাখ্যা কৰক।

প্রশ্ন ৬ঃ সত্যতা সম্পর্কীয় সংগতিবাদ তত্ত্বটো সন্তোষজনক হয়নে? চমুকৈ ব্যাখ্যা কৰক।

প্রশ্ন ৭ঃ সত্যতাৰ মাত্রাৰ বিষয়ে চমুটোকা লিখক।

প্রশ্ন ৮ঃ সত্যতা সম্পর্কীয় উপযোগিতাবাদ তত্বটো সন্তোষজনক হয়নে? চমুকৈ ব্যাখ্যা কৰক।

প্রশ্ন ৯ঃ সত্যতা সম্পর্কীয় উপযোগিতাবাদৰ বিষয়ে চমুকৈ ব্যাখ্যা কৰক।

প্রশ্ন ১০ঃ সত্যতা সম্পর্কীয় সংগতিবাদ তত্বটোৰ চমু ব্যাখ্যা কৰক।

প্রশ্ন ১১ঃ সত্যৰ অনুৰূপতাবাদ তত্বৰ চমুকৈ ব্যাখ্যা কৰক।

(গ) চমু টোকা লিখক (১০০-১৫০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্রশ্ন ১ঃ সত্যতাৰ অনুৰূপতাবাদ মতবাদৰ সাধাৰণ লোকৰ মত

প্রশ্ন ২ঃ অনুৰূপতাবাদত নব্যবাস্তৱবাদীৰ মত

প্রশ্ন ৩ঃ অনুৰূপতাবাদ তার্কিক মতবাদ

প্রশ্ন ৪ঃ সত্যতাৰ উপযোগিতাবাদ তত্ত্ব

প্রশ্ন ৫ঃ শব্দার্থ তত্বটো

প্রশ্ন ৬ঃ সত্যতা সম্পর্কীয় দিচফ্লোটেচনেল তত্ত্ব

(ঘ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্রশ্ন ১ঃ সত্যতাৰ অনুৰূপতাবাদ তত্বটো ব্যাখ্যা কৰক। মতবাদটো সন্তোষজনকনে?

প্রশ্ন ২ঃ অনুৰূপতাবাদ আৰু সংগতিবাদৰ মাজত পার্থক্য কি?

প্রশ্ন ৩ঃ সত্যতাৰ সংগতিবাদ তত্বটো ব্যাখ্যা কৰক। মতবাদটো সন্তোষজনকনে?

প্রশ্ন ৪ঃ সত্যতাৰ সংগতিবাদ তত্বটো আলোচনা কৰক। যুক্তি সহকাৰে ইয়াৰ ত্রুটিসমূহ আলোচনা কৰক।

প্রশ্ন ৫ঃ অনুৰূপতাবাদ আৰু সংগতিবাদৰ মাজত পার্থক্য আছেনে? ব্যাখ্যা কৰক।

প্রশ্ন ৬ঃ সত্যতাৰ অনুৰূপতাবাদ তত্বটো ব্যাখ্যা কৰক। মতবাদটো সন্তোষজনকনে?

প্রশ্ন ৭ঃ উপযোগিতাবাদ তত্বৰ ব্যাখ্যা কৰক।

প্রশ্ন ৮ঃ সত্যৰ সংগতিবাদ তত্বটো ব্যাখ্যা কৰক।।

*** **** ***

অধ্যায় ৭ঃ বাস্তৱবাদ- সৰল আৰু বৈজ্ঞানিক

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য
৭.২ পৰিচয়
৭.৩ বাস্তৱবাদৰ শ্ৰেণীবিভাজন
৭.৪ সৰল বাস্তৱবাদ
৭.৫ বৈজ্ঞানিক বাস্তৱবাদ
৭.৬ সৰল আৰু বৈজ্ঞানিক বাস্তৱবাদৰ মাজৰ প্ৰভেদ
৭.৭ সামৰণি
৭.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৭.৯ অধিক জানিবলৈ
৭.১০ অগ্ৰগতিৰ খতিয়ান
৭.১১ আৰ্হি প্ৰশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- বাস্তৱবাদ কি সেয়া জানিব পাৰিব
- বাস্তৱবাদৰ বৈশিষ্ট্যবোৰ বুজি পাব
- সৰল বাস্তৱবাদৰ সংজ্ঞা জানিব পাৰিব
- বৈজ্ঞানিক বাস্তৱবাদৰ বিষয়ে জানিব পাৰিব
- সৰল আৰু বৈজ্ঞানিক বাস্তৱবাদৰ মাজৰ প্ৰভেদ বুজি পাব

৭.২ পৰিচয়

দৰ্শন শাস্ত্ৰই জ্ঞান (Knowledge) আৰু বাস্তৱ (Reality)ৰ অধ্যয়নক সামৰি লয়। দৰ্শন শাস্ত্ৰত বাস্তৱৰ বিভিন্ন বিশ্লেষণ পোৱা যায়। বাস্তৱবাদ (Realism) হ'ল এটা দাৰ্শনিক তত্ত্ব। এই তত্ত্ব অনুসৰি আমাৰ জ্ঞানৰ বিষয় বোৰ হ'ল বাস্তৱ। এই দৃষ্টিভংগীক বিষয়নিষ্ঠবাদ (Objectivism) বুলিও কোৱা হয়। বাস্তৱবাদ হ'ল এটা অধিবিদ্যামূলক তত্ত্ব। ই বিষয় (Objectivism) নাইবা বস্তু (things)ৰ অস্তিত্ব সম্পৰ্কে আলোচনা কৰে। বাস্তৱবাদৰ জ্ঞানমীমাংসা ভিত্তিক বিশ্লেষণ অনুসৰি সাক্ষাৎজ্ঞান সম্পন্ন মন (Knowing mind) আৰু জ্ঞেতা (Knower)ৰ পৰা

বিষয় স্বতন্ত্র। বাস্তৱবাদ অনুসৰি জ্ঞেতা আৰু জ্ঞানৰ বিষয়ৰ মাজত কেৱল বাহ্যিক সম্পর্কহে আছে। কোনো বিষয়ৰ বাস্তৱক জ্ঞেতাৰ সৈতে থকা বিষয়টোৰ সম্পর্কই প্রভাৱিত নকৰে। অর্থাৎ, বাস্তৱাদৰ

মৌলিক নীতিটো হ'ল বিষয় আৰু ইয়াৰ গুণবোৰ সাক্ষাৎজ্ঞান সম্পন্ন মনৰ পৰা স্বতন্ত্র।

বস্তুৱবাদৰ বৈশিষ্ট্য কেইটামান হ'ল-

- বিষয়ৰ অস্তিত্ব জ্ঞানৰ পৰা স্বতন্ত্র।
- বিষয়ৰ গুণবোৰ বিষয়তেই অন্তর্নিহিত হৈ থাকে।
- জ্ঞানে কোনো এক বিষয়ক প্রভাৱিত নকৰে।

৭.৩ বাস্তৱবাদৰ শ্রেণীবিভাজন

বাস্তৱবাদ বিভিন্ন প্রকাৰৰ হ'ব পাৰে। বাস্তৱবাদৰ প্রধান ৰূপ দুটা হ'ল- সৰল বাস্তৱবাদ (Naive Realism) আৰু বৈজ্ঞানিক বাস্তৱবাদ (Scientific Realism) । কাণ্ডজ্ঞান (Common Sense) দৃষ্টিভংগীৰ সমর্থকসকলেই সৰল বাস্তৱবাদৰ বিকাশ আৰু পোষকতা কৰিছিল। এই দৃষ্টিভংগী মতে এটা বিষয় ইয়াক যেনে দেখা যায় ঠিক তেনেকুৱাই (what it is seen to be)। আনহাতে, বৈজ্ঞানিক বাস্তৱবাদ মূলতঃ বৈজ্ঞানিক দৃষ্টিভংগীৰ ওপৰত আধাৰিত। জন ল'কে বাস্তৱবাদৰ বৈজ্ঞানিক দৃষ্টিভংগীটো আগবঢ়াইছে। এই দৃষ্টিভংগী অনুসৰি বিষয়বোৰে মন-স্বতন্ত্রভাৱে অস্তিত্ব বর্তাই ৰাখে। ই এক বাস্তৱিক জ্ঞানগত মনোভাৱ (positive epistemic attitude)।

৭.৪ সৰল বাস্তৱবাদ

সৰল বাস্তৱবাদ (Naive Realism) হ'ল বাস্তৱবাদৰ সাধাৰণ আৰু সৰলতম ৰূপ। আমাৰ উপলব্ধিত ধৰা পৰা সকলো বিষয়ৰে স্বতন্ত্র অস্তিত্ব থাকে। ই আমাৰ অনুভৱ কৰিব পৰা শক্তি নাইবা জ্ঞানৰ ওপৰত নির্ভৰশীল নহয়। এয়াই হ'ল সকলো সাধাৰণ ব্যক্তিৰ বাস্তৱবাদী দৃষ্টিভংগী। সেয়েহে ইয়াক স্বাভাৱিক বাস্তৱবাদ (Natural Realism) আৰু কাণ্ডজ্ঞানভিত্তিক বাস্তৱবাদ (Common sense Realism) বুলিও কোৱা হয়। সৰল অথবা জনপ্রিয় বাস্তৱবাদৰ কেন্দ্রীয় বিষয়বস্তুটো হ'ল বিষয়ৰ জ্ঞেতাই সকলোবোৰ গুণ আৰু বৈশিষ্ট্যৰে সৈতে কিবা কথা প্রত্যক্ষভাৱে জানে (The knower of the objects knows something directly with all its qualities)

ডুৰাণ্ট ড্রেক-এ তেওঁৰ গ্রন্থ 'Invitation to Philosophy' ত পোন প্রথমবাৰৰ বাবে 'সৰল বাস্তৱবাদ' অভিধাটো ব্যৱহাৰ কৰিছিল। সৰল বাস্তৱবাদৰ প্রধান বৈশিষ্ট্যবোৰ হ'ল-

- **বিষয় সম্পর্কে আমাৰ জ্ঞান নাথাকিলেও বিষয় স্বতন্ত্র ৰূপত বর্তি থাকেঃ**

  কোনো এটা বিষয় 'জ্ঞাত হোৱা' অথবা 'উপলব্ধি কৰা'ৰ লগে লগেহে ইয়াৰ অস্তিত্ব গঢ় লৈ নুঠে। পৃথিৱীৰ সকলো বিষয়েই অবিৰত আৰু স্বতন্ত্রভাৱে বর্তি থাকে। সাক্ষাৎজ্ঞান সম্পন্ন মন অবিহনেও বিষয়বোৰৰ অস্তিত্ব থাকে। উদাহৰণ স্বৰূপে শিল এটাৰ কথা ভাবক। শিল এটাৰ স্বতন্ত্র অস্তিত্ব আছে। আমি শিলটোৰ

বিষয়ে জানিবও পাৰোঁ অথবা নাজানিবও পাৰোঁ অথবা ধাৰণা কৰিব নোৱাৰিবও পাৰোঁ। কিন্তু আমাৰ ধাৰণা উপলব্ধি অথবা জ্ঞানে কোনো ধৰণে শিলটোৰ অস্তিত্বক প্ৰভাৱিত নকৰে।

- **বিষয়ৰ নিজস্ব গুণ থাকেঃ**

  প্ৰতিটো বিষয়ৰে নিজস্ব গুণ আৰু বৈশিষ্ট্য থাকে। এই গুণবোৰ বিষয়টোত অন্তৰ্নিহিত হৈ থাকে। ধাৰণা কৰোঁতা নাইবা জ্ঞেতাই বিষয়ত কোনো গুণ আৰোপ কৰিব নোৱাৰে উদাহৰণস্বৰূপে, কঠিনত্ব (hardness) হ'ল এটা শিলত থকা এটা গুণ। শিলটোৰ গঠন প্ৰণালীতেই এই গুণটো লুকাই থাকে। অৰ্থাৎ, বিষয় এটাৰ দৰেই বিষয়বোৰৰ গুণ তথা বৈশিষ্ট্যবোৰবো স্বতন্ত্ৰ অস্তিত্ব থাকে।

- **জ্ঞানে বিষয়ক প্ৰভাৱিত নকৰেঃ**

  কোনো এক বিষয়ৰ জ্ঞানে বিষয়টোক অথবা ইয়াৰ অস্তিত্বক কোনো ধৰণে প্ৰভাৱিত নকৰে। বিষয়ৰ নিজস্ব স্বতন্ত্ৰ অস্তিত্ব থাকে। ওপৰৰ উদাহৰণত উল্লেখ কৰাৰ দৰে এটা শিল আৰু ইয়াৰ গুণবোৰ কোনো ধৰণে শিলটো সম্পৰ্কে ব্যক্তিয়ে আহৰণ কৰা জ্ঞনৰ দ্বাৰা প্ৰভাৱিত নহয়।

- **বিষয়টো অবিকল সেইটোৱেই যিটো ৰূপত ই ধৰা পৰেঃ**

  কোনো এক বিষয়ৰ ৰূপ (form) আৰু প্ৰকৃতি (nature)ৰ মাজত কোনো প্ৰভেদ নাই। এটা বিষয় অবিকল সেইটোৱেই যিটো ৰূপত আমি বিষয়টো সম্পৰ্কে উপলব্ধি নাইবা ধাৰণা কৰোঁ। একেদৰে মানুহে কেতিয়াও কোনো বিষয়ৰ জ্ঞান আৰু অভিজ্ঞতাৰ মাজত পাৰ্থক্য আছে বুলি দেখুৱাব নোৱাৰে। কোনো এটা বিষয়ৰ ধাৰণা কৰোঁতে বিষয়টো সন্দৰ্ভত আমাৰ জ্ঞান আৰু ধাৰণা/ উপলব্ধি একেই হ'ব।

- **বিষয়বোৰ ৰাজহুৱাঃ**

  বিষয়বোৰ সদায়েই ৰাজহুৱা। সেয়েহে, কোনো বিষয়ৰ জ্ঞানো ৰাজহুৱা। ই কোনো ব্যক্তিবিশেষৰ ক্ষেত্ৰত সীমাৱদ্ধ নহয়। বিভিন্ন ব্যক্তিৰ একেটা বিষয়ৰ জ্ঞান থাকিব পাৰে। যেনে- সকলো ব্যক্তিয়ে কোনো এক বিষয়ৰ অভিজ্ঞতা লাভ আৰু বিষয়টোৰ জ্ঞান আহৰণ কৰিব পাৰে।

- **বাহিৰা বিষয়ৰ জগতঃ**

  মানৱ মন আৰু জ্ঞানৰ বাহিৰত এখন স্বকীয় অস্তিত্বৰে বৰ্তি থকা বিষয়ৰ বাহ্যিক জগত এখন আছে।

- **বিষয়বোৰৰ প্ৰত্যক্ষ জ্ঞান আহৰণ কৰিব পাৰিঃ**

  বিষয়বোৰৰ প্ৰত্যক্ষ জ্ঞান আহৰণ কৰিব পাৰি। ব্যক্তিয়ে কোনো এটা বিষয়ৰ প্ৰত্যক্ষ অভিজ্ঞতা আহৰণ কৰিব পাৰে। জ্ঞেতা আৰু জ্ঞাত উভয়ৰে মাজত প্ৰত্যক্ষ সম্পৰ্ক থাকিব পাৰে।

  অৰ্থাৎ, সৰল বাস্তৱবাদ মতে আমাৰ ধাৰণাবোৰ বাহ্যিক জগতৰ বিষয়বোৰৰ প্ৰতিকৃতি। বিষয়বোৰৰ সকলোবোৰ গুণেই বাস্তৱ। এই গুণবোৰৰ নিজ নিজ বস্তু নিষ্ঠ অস্তিত্ব থাকে। বিষয় এটাত অন্তৰ্নিহিত হৈ থকা আটাইবোৰ গুণ সমানে প্ৰয়োজনীয় আৰু বাস্তৱ।

৭.৫ বৈজ্ঞানিক বাস্তৱবাদ

বৈজ্ঞানিক বাস্তৱবাদ (Scientific Realism) মানে হ'ল প্ৰধানতঃ সেইটো দৃষ্টিভংগী যিটোৱে মানি লয় যে বিজ্ঞানে বৰ্ণনা কৰা জগতখনেই প্ৰকৃত বাস্তৱ জগত। সেই দিশেৰে বৈজ্ঞানিক বাস্তৱবাদ হ'ল মূলতঃ (ক) আমাৰ সৰ্বোৎকৃষ্ট বৈজ্ঞানিক তত্ত্ব আৰু আৰ্হিৰ বিষয়বস্তু সম্পৰ্কে থকা বাস্তৱিক জ্ঞানগত মনোভাৱ তথা (খ) প্ৰকৃতাৰ্থত ই হ'ল বিজ্ঞানৰ সম্পূৰ্ণ নিৰ্ভুল বুলিও ক'ব নোৱাৰা সেই ধাৰণাটো যিটোৱে জগত খন ব্যাখ্যা কৰাৰ এক যথোচিত কাৰ্য সম্পাদন কৰি আছে। বাস্তৱবাদৰ বৈজ্ঞানিক বাস্তৱবাদ শাখাটোৰ জনক হ'ল জ'ন ল'ক। সৰল বাস্তৱবাদৰ সীমাৱদ্ধতাবোৰৰ নেতিবাচক সমালোচনা কৰাৰ ফলাফল স্বৰূপে বৈজ্ঞানিক বাস্তৱবাদৰ ধাৰণাটো বিকশিত হৈছিল। বৈজ্ঞানিক বাস্তৱবাদে মানৱ মনৰ পৰা স্বতন্ত্ৰ এক বাহ্যিক জনগতৰ অস্তিত্বত বিশ্বাস কৰে। ল'কে নিজৰ বিশ্লেষণত বাহ্যিক জগতৰ অভিজ্ঞতাবোৰৰ একোটা বৈজ্ঞানিক বৰ্ণনা আগবঢ়োৱাৰ প্ৰয়াস কৰিছিল। ল'ক আছিল এগৰাকী অভিজ্ঞতাবাদী দাৰ্শনিক। 'An Essay Concerning Human Understanding' নামৰ গ্ৰন্থখনত তেওঁ জ্ঞানৰ প্ৰকৃতি বৰ্ণনা কৰিছে। ল'কৰ মতে যথাযথ জ্ঞান (knowledge proper)ৰ প্ৰকৃতি নিশ্চিত (certain), নিৰ্দেশনামূলক (instructive) আৰু বাস্তৱ (real)। তেওঁ বিষয়ৰ স্বতন্ত্ৰ জগত এখন আছে বুলি বিশ্বাস কৰিছিল। এগৰাকী অভিজ্ঞতাবাদী দাৰ্শনিক ৰূপে ল'কে এই কথাও বিশ্বাস কৰিছিল যে আমাৰ প্ৰজ্ঞা (intellect)ত এনে কোনো কথা থাকিব নোৱাৰে যিটো ইতিপূৰ্বে আমাৰ ইন্দ্ৰিয়বোধত উপস্থিত নাই। অৰ্থাৎ, তেওঁ অভিজ্ঞতাৰ ভিত্তিত জ্ঞানৰ ব্যাখ্যা আগবঢ়াইছিল।

বৈজ্ঞানিক বাস্তৱবাদৰ প্ৰধান বৈশিষ্ট্যবোৰ হ'ল-

- **বিষয়বোৰ জ্ঞানৰ পৰা স্বাধীন ঃ**
  বাস্তৱবাদৰ এটা ৰূপ হিচাপে বৈজ্ঞানিক বাস্তৱবাদে এই কথা বিশ্বাস কৰে যে বিষয়বোৰৰ জ্ঞানৰ পৰা বিষয় একোটা স্বাধীন। বিষয়বোৰৰ স্বতন্ত্ৰ অস্তিত্ব আছে।
- **বিষয়বোৰৰ প্ৰত্যক্ষ জ্ঞান আহৰণ কৰিব পৰা নাযায় ঃ**
  মানুহে কোনো এক বিষয়ৰ কথা ইয়াৰ গুণবোৰৰ সহায়ত জানিব পাৰে। ইয়াৰ বহল ব্যাখ্যা আগবঢ়াই ল'কে মুখ্য আৰু গৌণ গুণৰ ধাৰণা দুটাৰ প্ৰচলন ঘটাইছিল। ল'কৰ মতে জ্ঞান আহৰণ এক পৰোক্ষ প্ৰক্ৰিয়া।
- **বিষয়ৰ মখ্যু আৰু গৌণ গুণবোৰৰ মাজত পাৰ্থক্য আছে ঃ**
  জ'ন ল'কে বিষয়ৰ মুখ্য আৰু গৌণ গুণবোৰৰ মাজত থকা পাৰ্থক্য কিছুমানলৈ আঙুলিয়াই দেখুৱাছিল। মুখ্য গুণবোৰ জ্ঞানৰ সকলো ধৰণৰ প্ৰভাৱৰ পৰা মুক্ত। কাৰণ, এই গুণবোৰ বিষয়টোত অন্তৰ্নিহিত হৈ থাকে। মুখ্য গুণৰ উদাহৰণ কেইটামান হ'ল আকাৰ, আকৃতি, দৈৰ্ঘ্য, ঘনত্ব, সংখ্যা, গতিশীলতা ইত্যাদি। এইবোৰ কোনো বিষয়ৰ অন্তৰ্নিহিত গুণ বাবে এইবোৰক মুখ্য গুণ বোলা হয়। যিবোৰ গুণ বিষয়টোত অন্তৰ্নিহিত হৈ নাথাকে সেইবোৰক গৌণ গুণ বোলে। যেনে- ৰং, স্বাদ, গোন্ধ, উষ্ণতা আদি। এই গুণবোৰৰ অভিজ্ঞতা বিভিন্ন ব্যক্তিৰ বাবে ভিন ভিন হ'ব পাৰে নাইবা ভিন ভিন সময়ত একেজন ব্যক্তিয়ে এই গুণবোৰৰ ভিন্ন অভিজ্ঞতা লাভ কৰিব পাৰে।

- **বিষয়ৰ মুখ্য গুণবোৰ জ্ঞেতাৰ ওপৰত নির্ভৰশীল নহয়ঃ**
  মুখ্য গুণবোৰ কোনো বিষয়ত অন্তর্নিহিত হৈ থাকে বাবে জ্ঞানি এই গুণবোৰক প্রভাৱিত কৰিব নোৱাৰে। মুখ্য গুণবোৰ বস্তুনিষ্ঠ আৰু সাধাৰণ প্রকৃতিৰ। মানৱ মনে মুখ্য ধাৰণাবোৰক প্রভাৱিত কৰিব নোৱাৰে। কাৰণ, এই ধাৰণাবোৰ হ'ল কোনো বিষয় এটাৰ মুখ্য গুণবোৰৰ প্রতিকৃতি। কিন্তু, গৌণ ধাৰণাবোৰ গৌণ গুণবোৰৰ প্রতিকৃতি আৰু এইবোৰক জ্ঞানে প্রভাৱিত কৰিব পাৰে।
- **কোনো বিষয়ৰ পৰা উদ্ভৱ হোৱা মুখ্য ধাৰণাবোৰ ৰাজহুৱা ঃ**
  কোনো বিষয়ৰ পৰা উদ্ভৱ হোৱা মুখ্য ধাৰণাবোৰ ৰাজহুৱা প্রকৃতিৰ। বাস্তৱবাদৰ মৌলিক চর্ত অনুসৰি বিষয়বস্তুবোৰে অস্তিত্ব বর্তাই ৰাখিবলৈ জ্ঞানৰ ওপৰত নির্ভৰ নকৰে। মুখ্য আৰু গৌণ গুণবোৰৰ মাজৰ প্রভেদ বিচাৰি উলিয়াই বৈজ্ঞানিক বাস্তৱবাদে যুক্তি দর্শায় যে বিষয়, মুখ্য গুণ আৰু মুখ্য বিষয়বোৰৰ প্রকৃতি ৰাজহুৱা অথবা বস্তুনিষ্ঠ। এইবোৰৰ ব্যক্তিভেদে কোনো সাল-সলনি নহয়।

  মুখ্য আৰু গৌণ গুণবোৰৰ মাজৰ প্রভেদবোৰ দেখুৱাই ল'কে বাহ্যিক জগতখনৰ প্রকৃতিৰ এক বিজ্ঞানসম্মত ব্যাখ্যা আগবঢ়োৱাৰ প্রয়াস কৰিছিল। সেয়েহে তেওঁৰ জ্ঞান সম্পর্কীয় দৃষ্টিভংগীক প্রতিনিধিত্বাদ (Representationalism) বুলিও কোৱা হয়।

৭.৬ সৰল আৰু বৈজ্ঞানিক বাস্তৱবাদৰ মাজৰ প্রভেদ

সৰল আৰু বৈজ্ঞানিক বাস্তৱবাদ হ'ল বাস্তৱবাদৰ দুটা প্রকাৰ। দুয়োটাই বাস্তৱবাদ সম্পর্কে নিজস্ব ভাষ্য আগবঢ়ায়। দুয়ো প্রকাৰৰ বাস্তৱবাদতে ব্যৱহাৰিক মনোভাৱ দেখিবলৈ পোৱা যায়। তথাপিও দুয়োবিধ বাস্তৱবাদৰ মাজত কেতবোৰ প্রভেদ আছে। তলত প্রভেদবোৰ উল্লেখ কৰা হ'ল-

- সৰল বাস্তৱবাদ মতে বিষয়ৰ জ্ঞান অবিহনেও বিষয়ৰ অস্তিত্ব থাকে। বৈজ্ঞানিক বাস্তৱবাদেও এই কথা মানি লয় যে বিষয়বোৰ জ্ঞানৰ পৰা স্বতন্ত্র। কিন্তু বৈজ্ঞানিক বাস্তৱবাদে এই কথাও কয় যে বিষয়ৰ অধিবিদ্যামূলক পূর্বানুমান মনৰ ওপৰত নির্ভৰশীল।
- সৰল বাস্তৱবাদৰ মতে বিষয়ৰ গুণবোৰ বিষয়টোতেই লুকাই থাকে। কিন্তু বৈজ্ঞানিক বাস্তৱবাদ অনুসৰি মনে বিষয় এটাৰ গৌণ গুণবোৰ বিষয়টোত আৰোপ কৰে।
- সৰল বাস্তৱবাদ অনুসৰি জ্ঞানে বিষয়ক প্রভাৱিত নকৰে। কিন্তু বৈজ্ঞানিক বাস্তৱবাদ অনুসৰি কিছুমান ক্ষেত্রত ধাৰণাই বিষয়ক প্রভাৱিত কৰিব পাৰে।
- সৰল বাস্তৱবাদ মতে বিষয় এটা যেনেদৰে প্রকট হয় অবিকল তেনেকুৱাই। কিন্তু বৈজ্ঞানিক বাস্তৱবাদ অনুসৰি প্রকৃত বিষয় আৰু বিষয়টো সম্পর্কে কৰা ধাৰণাৰ মাজত পার্থক্য আছে। ধাৰণা প্রকৃত বিষয়টোৰ কেৱল এটা ভাৱমূর্তি (image) হে।
- সৰল বাস্তৱবাদ মতে জ্ঞান প্রত্যক্ষ। কিন্তু বৈজ্ঞানিক বাস্তৱবাদ অনুসৰি জ্ঞান পৰোক্ষ।
- সৰল বাস্তৱবাদ মতে বিষয়বোৰক প্রত্যক্ষভাৱে জানিব পাৰি। কিন্তু বৈজ্ঞানিক বাস্তৱবাদ অনুসৰি কোনো বিষয়ৰ জ্ঞান আহৰণ কৰা প্রক্রিয়াটো হ'ল সৰল ধাৰণাৰ সহায়ত লাভ কৰা এক জটিল ৰূপ।

- সৰল বাস্তৱবাদ অনুসৰি বিষয়বস্তুবোৰ ৰাজহুৱা। কিন্তু বৈজ্ঞানিক বাস্তৱবাদে কেৱল মুখ্য ধাৰণাবোৰহে ৰাজহুৱা বুলি মত পোষণ কৰে। গৌণ ধাৰণাৰ ক্ষেত্ৰত বিষয়বোৰ ৰাজহুৱা নহয়। কাৰণ, এই ধাৰণাবোৰ একেটা বিষয়ৰ ক্ষেত্ৰত ব্যক্তিভেদে ভিন ভিন হ'ব পাৰে।

৭.৭ সামৰণি

বাস্তৱবাদৰ মৌলিক নীতিটো হ'ল জ্ঞানৰ বিষয়বোৰ সাক্ষাৎজ্ঞান সম্পন্ন মন (knowing mind)ৰ পৰা স্বতন্ত্ৰ। কিন্তু,জ্ঞেতাৰ মনত বিষয় একোটাৰ সম্পূৰ্ণ অথবা আংশিক স্বতন্ত্ৰ উপস্থিতিৰ ভিত্তিত বাস্তৱবাদক বিভিন্ন প্ৰকাৰত ভগোৱা হৈছে। সৰল অথবা জনপ্ৰিয় বাস্তৱবাদ হ'ল বাস্তৱবাদৰ সৰলতম ৰূপ। ইয়াক স্বাভাৱিক বাস্তববাদ বুলিও কোৱা হয়। ই বাহ্যিক জগতখনৰ কাণ্ডজ্ঞান ভিত্তিক দৃষ্টিভংগীৰ পোষকতা কৰে। সৰল বাস্তৱবাদৰ বাবে বিষয়ৰ প্ৰকৃতি হ'ল আমি যিদৰে উপলব্ধি কৰোঁ ঠিক তেনেকুৱাই। আনহাতে, জ'ল ল'কৰ অভিজ্ঞতালব্ধ ব্যাখ্যাই বাস্তৱবাদৰ বৈজ্ঞানিক দৃষ্টিভংগীটো প্ৰতিষ্ঠা কৰিছিল। এই দৃষ্টিভংগী অনুসৰি বিষয়ৰ এখন বাস্তৱ জগত আছে। কিন্তু সৰল বাস্তৱবাদীসকলৰ দৃষ্টিভংগীৰ বিৰোধিতা কৰি বৈজ্ঞানিক বাস্তৱবাদে কয় যে বিষয়বোৰ প্ৰত্যক্ষভাৱে জানিব পৰা নাযায়। বিষয় এটাৰ অন্তৰ্নিহিত গুণবোৰৰ দ্বাৰাহে বিষয়টোক জনা যায়। সকলো বিষয়ৰে নিজস্ব গুণ থাকে। বৈজ্ঞানিক বাস্তৱবাদৰ সৈতে জড়িত চিন্তাবিদসকলে বিষয়ৰ গুণবোৰক দুটা ভাগত ভগাইছে। ভাগ দুটা হ'ল- মুখ্য আৰু গৌণ গুণ। মুখ্য গুণবোৰ মনৰ অপৰিৱৰ্তনশীল আৰু বস্তুনিষ্ঠ উপাদান। আনহাতে, গৌণ গুণবোৰ পৰিৱৰ্তনশীল আৰু ব্যক্তিনিষ্ঠ। সৰল বাস্তৱবাদৰ সীমাৱদ্ধতাবোৰৰ শুধৰণি কৰিবলৈ যাওঁতে ল'কে বাস্তৱবাদৰ এটা নতুন ৰূপ বিকশাই তুলিছিল। এই ৰূপটোকেই বৈজ্ঞানিক বাস্তৱবাদ নাইবা প্ৰতিনিধিত্ববাদ বোলা হয়। পৰৱৰ্তী সময়ত বহুতো চিন্তাবিদে বৈজ্ঞানিক বাস্তৱবাদৰো সমালোচনা কৰিছিল যদিও জ্ঞান মীমাংসা দৰ্শনৰ ইতিহাসত ইয়াৰ ভূমিকা যথেষ্ট তাৎপৰ্যপূৰ্ণ।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ বাস্তৱবাদ কি?

প্ৰশ্ন নং ২ ঃ বাস্তৱবাদৰ প্ৰকাৰ দুটা কি কি?

প্ৰশ্ন নং ৩ ঃ সৰৱল বাস্তৱবাদৰ দৃষ্টিভংগীটো কেনেকুৱা?

প্ৰশ্ন নং ৪ ঃ সৰল বাস্তৱবাদ সমৰ্থনকাৰী চিন্তাবিদসকলে বিষয়ৰ প্ৰস্থিতি (status) কেনেদৰে বৰ্ণনা কৰিছে?

প্ৰশ্ন নং ৫ ঃ 'সৰল বাস্তৱবাদ' বোলা অভিধাটো কোনে পোণপ্ৰথমবাৰ ব্যৱহাৰ কৰিছিল?

প্ৰশ্ন নং ৬ ঃ 'সৰল বাস্তৱবাদক প্ৰতিনিধিত্ববাদ বুলিও জনা যায়'- শুদ্ধনে অশুদ্ধ?

প্ৰশ্ন নং ৭ ঃ বৈজ্ঞানিক বাস্তৱবাদৰ জনক কোন?

প্ৰশ্ন নং ৮ ঃ বৈজ্ঞানিক বাস্তৱবাদে বিষয়ৰ প্ৰস্থিতি কেনেদৰে বৰ্ণনা কৰে?

প্ৰশ্ন নং ৯ ঃ 'বৈজ্ঞানিক বাস্তৱবাদৰ মতে বিষয়বোৰৰ প্ৰত্যক্ষ জ্ঞান আহৰণ কৰিব পাৰি'- শুদ্ধনে অশুদ্ধ?

প্ৰশ্ন নং ১০ ঃ ল'কৰ মতে বিষয়ৰ মুখ্য গুণ কোনবোৰ?

প্ৰশ্ন নং ১১ ঃ ল'কৰ মতে বিষয়ৰ গৌণ গুণ মানে কি?

প্ৰশ্ন নং ১২ ঃ ল'কে বৰ্ণনা কৰা মতে মুখ্য গুণবোৰৰ প্ৰকৃতি বিষয়নিষ্ঠ নে ব্যক্তিনিষ্ঠ?

প্ৰশ্ন নং ১৩ ঃ ল'কে বৰ্ণনা কৰা মতে গৌণ গুণবোৰৰ প্ৰকৃতি বিষয়নিষ্ঠ নে ব্যক্তিনিষ্ঠ?

প্ৰশ্ন নং ১৪ ঃ মুখ্য গুণবোৰ কিয় বস্তুনিষ্ঠ প্ৰকৃতিৰ হয়?

৭.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- দৰ্শন শাস্ত্ৰই জ্ঞান আৰু বাস্তুৱৰ অধ্যয়নক সামৰি লয়।
- বাস্তৱবাদ হ'ল এটা দাৰ্শনিক তত্ত্ব। এই তত্ত্ব অনুসৰি আমাৰ জ্ঞানৰ বিষয়বোৰ হ'ল বাস্তৱ।
- বাস্তৱবাদ হ'ল এটা অধিবিদ্যামূলক তত্ত্ব। ই বিষয় নাইবা বস্তুৰ অস্তিত্ব সম্পৰ্কে আলোচনা কৰে।
- বাস্তৱবাদৰ জ্ঞান মীমাংসা ভিত্তিক বিশ্লেষণ অনুসৰি সাক্ষাৎজ্ঞানসম্পন্ন মন আৰু জ্ঞেতাৰ পৰা বিষয় স্বতন্ত্ৰ।
- বাস্তৱবাদৰ প্ৰধান ৰূপ দুটা হ'ল- সৰল বাস্তৱবাদ আৰু বৈজ্ঞানিক বাস্তৱবাদ।
- সৰল বাস্তৱবাদ হ'ল বাস্তৱবাদৰ সাধাৰণ আৰু সৰলতম ৰূপ। এই ৰূপ অনুসৰি আমাৰ উপলব্ধিত ধৰা পৰা সকলো বিষয়ৰে স্বতন্ত্ৰ অস্তিত্ব থাকে।
- ডুৰাণ্ট ড্ৰেক-এ তেওঁৰ গ্ৰন্থ 'Invitation to Philosophy' ত পোন প্ৰথমবাৰৰ বাবে 'সৰল বাস্তৱবাদ' অভিধাটো ব্যৱহাৰ কৰিছিল।
- সৰল বাস্তৱবাদ মতে সকলো বিষয়েই স্বতন্ত্ৰভাৱে বৰ্তি থাকে আৰু কোনো এক বিষয়ৰ জ্ঞানে বিষয়টোক নাইবা ইয়াৰ অস্তিত্বক কোনোধৰণে প্ৰভাৱিত নকৰে।
- অভিজ্ঞাতাবাদী দাৰ্শনিক জ'ন ল'কে বৈজ্ঞানিক বাস্তৱবাদৰ দৃষ্টিভংগীটো প্ৰতিষ্ঠা কৰিছিল।
- জ'ন ল'কে তেওঁৰ গ্ৰন্থ 'An Essay Concerning Human Understanding' ত জ্ঞানৰ প্ৰকৃতি বৰ্ণনা কৰি কৈছে যে যথাযথ জ্ঞানৰ প্ৰকৃতি নিশ্চিত, নিৰ্দেশনামূলক আৰু বাস্তৱ।
- বাস্তৱবাদৰ এটা ৰূপ হিচাপে বৈজ্ঞানিক বাস্তৱবাদে এই কথা বিশ্বাস কৰে যে বিষয়বোৰৰ জ্ঞানৰ পৰা বিষয় একোটা স্বাধীন। বিষয়বোৰৰ স্বতন্ত্ৰ অস্তিত্ব আছে।
- ল'কৰ মতে মানুহে কোনো বিষয়ৰ গুণবোৰৰ জৰিয়তে বিষয়টোৰ জ্ঞান লাভ কৰে।
- ল'কে বিষয়ৰ মুখ্য আৰু গৌণ গুণৰ ধাৰণা দুটা প্ৰচলিত কৰিছিল।
- ল'কে জ্ঞানক এক পৰোক্ষ প্ৰক্ৰিয়া বুলি বৰ্ণনা কৰিছিল।
- বৈজ্ঞানিক বাস্তৱবাদ মতে বিষয়ৰ মুখ্য গুণবোৰ বস্তুনিষ্ঠ আৰু গৌণ গুণবোৰ ব্যক্তিনিষ্ঠ।
- ল'কৰ বৈজ্ঞানিক বাস্তৱবাদক প্ৰতিনিধিত্ববাদ বুলিও জনা যায়।
- বৈজ্ঞানিক বাস্তৱবাদ অনুসৰি কোনো বিষয়ৰ জ্ঞান আহৰণ কৰা প্ৰক্ৰিয়াটো হ'ল সৰল ধাৰণাৰ সহায়ত লাভ কৰা এক জটিল ৰূপ।

৭.৯ অধিক জানিবলৈ

1) Masih, Y. (1993). *A Critical History of Western Philosophy.* Motilal Banarsidass
2) Sharma,R.M (2010). Western and Indian Metaphysics and Epistemology. Surjeet Publication.
3) Sinha, J. N.(2014). *Introduction to Philosophy.* New Central Book Agency (P)Ltd.

৭.১০ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰঃ বাস্তৱবাদ হ'ল এটা দার্শনিক তত্ত্ব। এই তত্ত্ব অনুসৰি আমাৰ জ্ঞানৰ বিষয়বোৰ হ'ল বাস্তৱ।

২নং প্রশ্নৰ উত্তৰঃ বাস্তৱবাদৰ প্রধান ৰূপ দুটা হ'ল- সৰল বাস্তৱবাদ আৰু বৈজ্ঞানিক বাস্তৱবাদ।

৩নং প্রশ্নৰ উত্তৰঃ সৰল বাস্তৱবাদৰ দৃষ্টিভংগীটো ব্যৱহাৰিক বাস্তৱিক । এই দৃষ্টিভংগী মতে এটা বিষয় ইয়াক যেনে দেখা যায় ঠিকতেনেকুৱাই।

৪নং প্রশ্নৰ উত্তৰঃ সৰল বাস্তৱবাদ মতে সকলো বিষয়েই স্বতন্ত্রভাৱে বর্তি থাকে আৰু কোনো এক বিষয়ৰ জ্ঞানে বিষয়টোক নাইবা ইয়াৰ অস্তিত্বক কোনোধৰণে প্রভাৱিত নকৰে।

৫নং প্রশ্নৰ উত্তৰঃ ডুৰাণ্ট ড্রেক-এ তেওঁৰ গ্রন্থ 'Invitation to Philosophy' ত পোন প্রথমবাৰৰ বাবে 'সৰল বাস্তৱবাদ' অভিধাটো ব্যৱহাৰ কৰিছিল।

৬নং প্রশ্নৰ উত্তৰঃ অশুদ্ধ. সৰল বাস্তৱবাদক স্বাভাৱিক বাস্তৱবাদ অথবা কাণ্ডজ্ঞান দৃষ্টিভংগী বুলি জনা যায়।

৭নং প্রশ্নৰ উত্তৰঃ অভিজ্ঞাতাবাদী দার্শনিক জ'ন ল'কে বৈজ্ঞানিক বাস্তৱবাদৰ দৃষ্টিভংগীটো প্রতিষ্ঠা কৰিছিল।

৮নং প্রশ্নৰ উত্তৰঃ বাস্তৱবাদৰ এটা ৰূপ হিচাপে বৈজ্ঞানিক বাস্তৱবাদে এই কথা বিশ্বাস কৰে যে বিষয়বোৰৰ জ্ঞানৰ পৰা বিষয় একোটা স্বাধীন। বিষয়বোৰৰ স্বতন্ত্র অস্তিত্ব আছে।

৯নং প্রশ্নৰ উত্তৰঃ অশুদ্ধ। বৈজ্ঞানিক বাস্তৱবাদ মতে বিষয়বোৰ প্রত্যক্ষ ৰূপত জানিব নোৱাৰি।

১০নং প্রশ্নৰ উত্তৰঃ জ'ন ল'কে বিষয়ৰ মুখ্য আৰু গৌণ গুণবোৰৰ মাজত থকা পার্থক্য কিছুমানলৈ আঙুলিয়াই দেখুৱাছিল। মুখ্য গুণবোৰ জ্ঞানৰ সকলো ধৰণৰ প্রভাৱৰ পৰা মুক্ত। কাৰণ, এই গুণবোৰ বিষয়টোত অন্তর্নিহিত হৈ থাকে। মুখ্য গুণৰ উদাহৰণ কেইটামান হ'ল আকাৰ, আকৃতি, দৈর্ঘ্য, ঘনত্ব, সংখ্যা, গতিশীলতা ইত্যাদি।

১১নং প্রশ্নৰ উত্তৰঃ যিবোৰ গুণ বিষয়টোত অন্তর্নিহিত হৈ নাথাকে সেইবোৰক গৌণ গুণ বোলে। যেনে- ৰং, স্বাদ, গোন্ধ, উষ্ণতা আদি। এই গুণবোৰৰ অভিজ্ঞতা বিভিন্ন ব্যক্তিৰ বাবে ভিন ভিন হ'ব পাৰে নাইবা ভিন ভিন সময়ত একেজন ব্যক্তিয়ে এই গুণবোৰৰ ভিন্ন অভিজ্ঞতা লাভ কৰিব পাৰে।

১২নং প্রশ্নৰ উত্তৰঃ ল'কৰ মতে মুখ্য গুণবোৰ বস্তুনিষ্ঠ।

১৩নং প্রশ্নৰ উত্তৰঃ ল'কৰ মতে গৌণ গুণবোৰৰ প্রকৃতি ব্যক্তিনিষ্ঠ।

১৪নং প্রশ্নৰ উত্তৰঃ মুখ্য গুণবোৰ বস্তুনিষ্ঠ। কাৰণ, এই গুণবোৰ বিষয়তেই অন্তর্নিহিত হৈ থাকে আৰু জ্ঞানে এইবোৰক কোনো ধৰণে প্রভাৱিত কৰিব নোৱাৰে।

৭.১১ আৰ্হি প্ৰশ্ন

(ক) অতি চুটি প্ৰশ্ন-

প্ৰশ্ন ১ঃ বাস্তৱবাদ কি

প্ৰশ্ন ২ঃ বাস্তৱবাদ কেইপ্ৰকাৰৰ আৰু কি কি?

প্ৰশ্ন ৩ঃ সৰল বাস্তৱবাদ মানে কি?

প্ৰশ্ন ৪ঃ বৈজ্ঞানিক বাস্তৱবাদ মানে কি?

প্ৰশ্ন ৫ঃ মুখ্য গুণৰ সংজ্ঞা দিয়ক।

প্ৰশ্ন ৬ঃ গৌণ গুণৰ সংজ্ঞা দিয়ক।

প্ৰশ্ন ৭ঃ বাস্তৱবাদত বাহ্যিক জগতৰ বিষয়বোৰৰ প্ৰস্থিতি কি?

(খ) চুটি প্ৰশ্ন (প্ৰায় **১০০-১৫০** টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)-

প্ৰশ্ন ১ঃ বাস্তৱবাদৰ বৈশিষ্ট্যসমূহ চমুকৈ বৰ্ণনা কৰক।

প্ৰশ্ন ২ঃ সৰল বাস্তৱবাদ সম্পৰ্কে এটি চমুটোকা লিখক।

প্ৰশ্ন ৩ঃ ল'কৰ প্ৰতিনিধিত্ববাদৰ ধাৰণাটো চমুকৈ ব্যাখ্যা কৰক।

প্ৰশ্ন ৪ঃ মুখ্য আৰু গৌণ গুণৰ মাজত কি প্ৰভেদ আছে?

প্ৰশ্ন ৫ঃ বৈজ্ঞানিক বাস্তৱবাদ সম্পৰ্কে চমুকৈ বৰ্ণনা কৰক।

(গ)ৰচনাধৰ্মী প্ৰশ্ন (প্ৰায় **৩০০-৫০০** টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)-

প্ৰশ্নঃ ১ বৈজ্ঞানিক বাস্তৱবাদ কি? বৈজ্ঞানিক বাস্তৱবাদৰ বৈশিষ্ট্যবোৰ বৰ্ণনা কৰক।

প্ৰশ্নঃ ২ সৰল বাস্তৱবাদ কি? সৰল বাস্তৱবাদৰ বৈশিষ্ট্যবোৰ বৰ্ণনা কৰক।

প্ৰশ্নঃ ৩ বিষয়ৰ মুখ্য আৰু গৌণ গুণবোৰৰ প্ৰভেদ ব্যাখ্যা কৰক।

প্ৰশ্নঃ ৪ সৰল আৰু বৈজ্ঞানিক বাস্তৱবাদৰ মাজৰ প্ৰভেদবোৰ বিচাৰি উলিয়াওক।

*** **** ***

অধ্যায় ৮ঃ ভাববাদ- আত্মগত ভাববাদ আৰু বস্তুগত ভাববাদ

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য

৮.২ পৰিচয়

৮.৩ ভাববাদৰ সংজ্ঞা

৮.৩.১ ভাববাদৰ বিভিন্ন প্ৰকাৰ

৮.৪ আত্মগত ভাববাদৰ সংজ্ঞা

৮.৪.১ আত্মগত ভাববাদৰ সমৰ্থকসকল

৮.৪.২ আত্মগত ভাববাদ সম্পৰ্কে মতামত

৮.৫ বস্তুগত ভাববাদৰ সংজ্ঞা

৮.৫.১ বস্তুগত ভাববাদৰ সমৰ্থকসকল

৮.৫.২ বস্তুগত ভাববাদ সম্পৰ্কে মতামত

৮.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৮.৭ অধিক জানিবলৈ

৮.৮ অগ্ৰগতিৰ খতিয়ান

৮.৯ আৰ্হি প্ৰশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ভাববাদৰ প্ৰকৃতি আৰু ভাববাদৰ বিভিন্ন প্ৰকাৰৰ আলোচনা কৰিব পাৰিব,
- আত্মগত ভাববাদৰ ব্যাখ্যা আগবঢ়াব পাৰিব,
- বস্তুগত ভাববাদৰ বিৱৰণ দিব পাৰিব।

৮.২ পৰিচয়

এই অধ্যায়টিৰ জৰিয়তে আপুনি ভাববাদ আৰু ইয়াৰ বিভিন্ন প্ৰকাৰৰ লগত পৰিচিত হ'ব পাৰিব। 'ভাববাদ' শব্দটো এনে এটা তত্ত্ব বৰ্ণনা কৰিবলৈ ব্যৱহাৰ কৰা হয় যি তত্ত্বই দাবী কৰে যে যি 'ভাবাত্মক' (ideal) বা অভৌতিক বা অজড় বা অবিস্তৃত সেয়াই হ'ল মৌলিক সত্তা। ভাববাদ এটা মতবাদ যি মতবাদ অনুসৰি জ্ঞেয় বস্তুৰ মন

নিৰপেক্ষ স্বতন্ত্ৰ অস্তিত্ব থাকিব নোৱাৰে। ভাববাদ অনুযায়ী জ্ঞেয় বস্তুৰ অস্তিত্ব জ্ঞাতাৰ মনৰ ওপৰত নিৰ্ভৰ কৰে। জড়বস্তুৰ অস্তিত্ব থকা বুলি গ্ৰহণ কৰা সাধাৰণ লোকৰ মতটো ভাববাদে বিৰোধিতা নকৰে। তাৰ পৰিবৰ্তে সকলো জড় বস্তু মন স্বতন্ত্ৰ বুলি বিভিন্ন দাৰ্শনিকে আগবঢ়োৱা মতটোৰহে বিৰোধিতা কৰে। ভাববাদ ভিন্নমুখী এটা জটিল বিষয়। প্লেটো, বাৰ্কলি, লেইব্‌নিজ, হেগেল আদি দাৰ্শনিকসকল এই মতবাদৰ প্ৰধান সমৰ্থক। ভাববাদ দুই প্ৰকাৰৰ, যথাক্ৰমে —

- আত্মগত ভাববাদ
- বস্তুনিষ্ঠ ভাববাদ

আত্মগত ভাববাদৰ মতে মন আৰু মনৰ ধাৰণাৰ বাহিৰে বাহ্য জগতৰ কোনো বস্তুৰ অস্তিত্ব থাকিব নোৱাৰে। আত্মগত ভাববাদৰ মূল প্ৰবৰ্তক হ'ল জৰ্জ বাৰ্কলি। বস্তুগত ভাববাদ মতে জ্ঞেয় বস্তু আৰু ধাৰণা অভিন্ন স্বভাৱৰ। বস্তুগত ভাববাদৰ মতে ধাৰণা বা আকাৰ হ'ল পৰম সত্তা। বস্তুগত ভাববাদক পৰব্ৰহ্ম ভাববাদ বুলিও কোৱা হয়। হেগেল, ব্ৰেডলে আদি দাৰ্শনিকসকলে এই মতবাদ গ্ৰহণ কৰে।

৮.৩ ভাববাদৰ সংজ্ঞা

ভাববাদ শব্দটো ব্যক্তিমনৰ ধাৰণাৰ পৰা উৎপত্তি হৈছে। যি মতবাদ অনুসৰি জগতৰ মূল সত্তা ধাৰণা বা চিন্তাৰ এক সংগতি হ'ল কোৱা হয়, তাকেই ভাববাদ বোলে। দৰ্শনত এই শব্দটোৱে (ভাববাদ) প্ৰকৃতি আৰু অভিজ্ঞতাত পোৱা মনত প্ৰতিৰূপিত হোৱা সকলো জ্ঞেয় বস্তুকে নিৰ্দেশ কৰে। The Merriam- Webster On line dictionary -ত ভাববাদ সম্পৰ্কে তলত দিয়া সংজ্ঞা কেইটাৰ উল্লেখ পাওঁ —

(১) এটা তত্ত্ব যাৰ মতে অতীন্দ্ৰিয় অৱভাসৰ ৰাজ্যত পৰম সত্তা থাকে।

(২) ভাববাদ এটা তত্ত্ব যাৰ মতে চেতনা বা বুদ্ধিত সত্তাৰ মৌলিক স্বৰূপ নিহিত থাকে।

(৩) এটা মতবাদ যি মতবাদ অনুসৰি কেৱল প্ৰত্যক্ষিত বস্তুহে বাস্তৱ।

(৪) এটা তত্ত্ব যি তত্ত্ব অনুসৰি মানসিক অৱস্থা বা অস্তিত্বশীল বস্তুসমূহ জ্ঞেয়।

(৫) পৰমাদৰ্শ (ideals) গঠন কৰাৰ এক অনুশীলন।

(৬) ভাববাদ এনে এটা তত্ত্ব যি তত্ত্ব অনুসৰি বস্তুৰ বিষয়ে ধাৰণা কৰা যায়।

(৭) ভাববাদ সাহিত্যমূলক বা কলাত্মক তত্ত্ব বা অনুশীলন যিয়ে কল্পনাৰ মূল্যক স্বীকাৰ কৰে।

৮.৩.১ ভাববাদৰ প্ৰকাৰসমূহ

ভাববাদ বিভিন্ন ধৰণে আলোচনা কৰা হয় যদিও মৌলিকভাবে দাৰ্শনিক ভাববাদক দুটা ভাগত ভাগ কৰিব পাৰি— আত্মগত ভাববাদ আৰু বস্তুগত ভাববাদ। পাশ্চাত্য দৰ্শনত ভাববাদৰ জনক স্বৰূপ প্লেটোৰ মতে যি মূলতঃ বাস্তৱ সেয়াই ধাৰণা। বহলাৰ্থত তেওঁৰ 'আকাৰ' (form) ৰ মতবাদো নিশ্চিতভাৱে ভাবাত্মক (ideals)। প্লেটোৰ

মতে আকাৰসমূহ কেৱল মনৰ ওপৰত নির্ভৰশীল সত্তাই নহয়। প্লেটোই ব্যাখ্যা কৰে যে এই আকাৰসমূহৰ নিজস্ব মন স্বতন্ত্র সত্তাও আছে। আকাৰসমূহৰ নিজস্ব অস্তিত্ব আছে। সেয়েহে প্লেটোক বার্কলিৰ নিচিনাকৈ আত্মগত ভাববাদী বুলিও ক'ব নোৱাৰি। যদিও ভাৱবাদী দৃষ্টিভংগীৰ বাবে তেওঁৰ নাম পাশ্চাত্য ভাৱবাদৰ লগত ওতঃপ্রোতভাৱে জড়িত। প্লেটোৰ মতে ব্যক্তিৰ জগত হ'ল ইন্দ্রিয়ৰ জগত আৰু সামান্যৰ জগত হ'ল ভাবৰ জগত। ভাবৰ জগতেই সত্যৰ জগত ই অবিনাশী আৰু সনাতন। প্লেটোৰ মতে ইন্দ্রিয়ৰ জগত ভাবৰ জগতৰ এটাৰ ছাঁৰ নিচিনা। **নব্য কান্টীয় দার্শনিক** প'ল নেট্রপে (Paul Natrop) প্লেটোৰ দর্শনক 'অতীন্দ্রিয় ভাববাদ' (transcendental Idealism) আখ্যা দিছে। প্লটিনাচৰ দর্শনত ভাববাদৰ বিষয়ে প্লেটোৰ ভাববাদতকৈ অধিক খৰচি মাৰি আলোচনা কৰা হৈছে। প্লটিনাচে কৈছে, 'জগতৰ একমাত্র দেশ (space) বা স্থান হ'ল আত্মা।"

ভাববাদ সমর্থন কৰা কিছুমান দার্শনিক হ'ল ইমানুৱেল কান্ট, লেইব্‌নিজ। লেইব্‌নিজৰ মতে সকলো বাহ্যিক বস্তু চিৎপৰমাণুৰ দ্বাৰা গঠিত আৰু সেই চিৎপৰমাণুসমূহক লেইব্‌নিজে ম'নাড বুলি কৈছে। লেইব্‌নিজে তেওঁৰ ম'নাড তত্ত্বত ভাববাদৰ এটা প্রকাৰ প্রকাশ কৰিছে যাক **'সর্বচিত্তবাদ'** (Panpsychism) ৰ ঘনিষ্ঠ মত বুলি জনা যায়। বিশ্বব্রহ্মাণ্ডৰ সঁচা পৰমাণুসমূহ হ'ল ম'নাড। ম'নাড হ'ল 'অস্তিত্বৰ আচল প্রকাৰ'। ম'নাডসমূহ অবিভাজ্য, ম'নাডসমূহক একেলগ কৰিব নোৱাৰি আৰু এটা ম'নাডে আনটো ম'নাডৰ ওপৰত ক্রিয়া নকৰে। প্রত্যেকটো ম'নাডে গোটেই বিশ্বব্রহ্মাণ্ডখনক প্রতিফলন কৰে। ম'নাডসমূহ হ'ল শক্তিৰ কেন্দ্র; দ্রব্য হ'ল শক্তি, য'ত দেশ (space), জড় আৰু গতি আদি হ'ল **অৱভাসিক**।

ইমানুৱেল কান্টে ভাববাদক এক উন্নতৰূপ প্রদান কৰে। তেওঁৰ ভাববাদক বিচাৰবাদী বা **অতীন্দ্রিয় ভাববাদ** (transcendental Idelism) বুলি কোৱা হয়। এই ভাববাদ জগতৰ বাস্তৱ সত্তা (Things-in-themselves) ৰ বিপৰীত। কান্টে জগতৰ প্রতিভাসিক ৰূপ আৰু বাস্তৱ সত্তা বা জগত সত্তাৰ মাজত পার্থক্য নির্ণয় কৰিছে। কান্টৰ মতে আমি জগতৰ প্রতিভাসিক ৰূপটোহে জানিব পাৰোঁ। বুদ্ধিৰ দ্বাৰা অনুসন্ধান কৰিব পৰা কান্টৰ এই ভাববাদে অমূর্তৰ জগত এখনৰ ব্যাখ্যা দিয়ে। বস্তুসমূহক বুজিবলৈ মনৰ সার্বিক প্রবর্গবোৰ ব্যৱহাৰ কৰা হয়। প্লেটোৰ ভাববাদৰ বিপৰীতে কান্টৰ ভাববাদে আমাৰ নিজৰ মনৰ বাহিৰত এখন অজ্ঞাত জগতৰ অনিশ্চয়তা সাব্যস্ত কৰে। বাহ্যিক জগতৰ প্রতিভাসিক ৰূপটোহে আমি জানিব পাৰোঁ। আমাৰ মনৰ বাহিৰত থকা অজ্ঞাত আৰু অজ্ঞেয় জগতসত্তা হ'ল অতীন্দ্রিয়। অতীন্দ্রিয় সত্তা জ্ঞানৰ পৰিধিৰ বাহিৰত।

কান্টে ধৰি লৈছিল যে আমি বস্তুসমূহক দেশ আৰু কালত জানিব পাৰোঁ। দেশ আৰু কালক কান্টে অভিজ্ঞতাপূর্ব জ্ঞানৰ প্রকাৰ বুলি কৈছে। অভিজ্ঞতাপূর্ব মানে হ'ল যাক অভিজ্ঞতাৰ পৰা পোৱা নাযায়। কান্টৰ অতীন্দ্রিয় ভাববাদৰ মতে সকলো প্রকাৰৰ জ্ঞানৰ উৎপত্তি প্রত্যক্ষজাত বস্তুত বোধৰ প্রবগ (Categories of Understanding) ৰ জৰিয়তে লাভ কৰা হয়। কান্টে তেওঁৰ বিখ্যাত গ্রন্থ 'Critique of Pure Reason' ত তেওঁৰ অতীন্দ্রিয় ভাববাদ ব্যাখ্যা কৰিছে। কান্টে কোৱাৰ দৰে আমাৰ মনে বাহ্যিক জগতত বিশেষ গুণসমূহ আৰোপ কৰাৰ ধাৰণাও আজি প্রশ্নৰ বিষয়। কান্টৰ মতে জগতখন আমাৰ সন্মুখত যিদৰে দেখা দিয়ে সেয়া আমাৰ মনৰ স্বৰূপৰ দ্বাৰা নির্দ্ধাৰিত হয়, আমাৰ সন্মুখত দেখা দিয়া বাহ্যিক জগতখনৰ স্বৰূপৰ ওপৰত নির্ভৰ নকৰে। কাণ্টৰ এই মত এক প্রশংসনীয় মত হিচাপে পৰিগণিত হয়।

জে. জি. ফিক্টে আৰু প্রেডিক **ভন শ্বেলিংৰ** কান্টোত্তৰ জার্মান ভাববাদে জি. ডব্লিউ হেগেলৰ পৰমব্রহ্ম ভাববাদ বা বস্তুগত ভাববাদত পূর্ণতা প্রাপ্ত হৈছে। কান্টোত্তৰ জার্মান ভাববাদীসকলে অজ্ঞাত অতীন্দ্রিয় সত্তা

অস্বীকাৰ কৰি তেওঁলোকৰ দৰ্শন আৰম্ভ কৰে। কান্টোত্তৰ ভাববাদে ইয়াক সমৰ্থন কৰা দাৰ্শনিকসকলক সকলো সত্তাই যে মন বা আত্মাৰ সৃষ্টি তাক প্ৰতিষ্ঠিত কৰিবলৈ অৰিহণা যোগায়। জাৰ্মানীত ছেমুৱেল ক'লৰিজ নামৰ দাৰ্শনিক এজনে এই কান্টোত্তৰ ভাববাদৰ উন্নতি সাধন কৰিছে। ইংলেণ্ডেত আৰ্থাৰ শ্বপেনআৱাৰ আৰু হাৰমেন ল'জে (Hermann Lotze) ইয়াৰ উন্নতি সাধন কৰিছে। ইংলেণ্ড আৰু ফ্ৰান্সত **হেগেলৰ** পিছৰ (হেগেলোত্তৰ) ভাববাদক টি. এইচ. গ্ৰীণ, ভিক্তৰ কাজিন (Victor Cousin) আদি দাৰ্শনিকসকলে উন্নত ৰূপ প্ৰদান কৰিছে।

৮.৪ আত্মগত ভাববাদৰ সংজ্ঞা

আত্মগত ভাববাদৰ মতে মনৰ বাহিৰত বাহ্য বস্তু বা জগতৰ কোনো স্বতন্ত্ৰ অস্তিত্ব নাই। কেৱল আমাৰ মন আৰু মনৰ ধাৰণাৰহে প্ৰকৃত সত্তা আছে। এই মতবাদ অনুসৰি কেৱল মাত্ৰ ধাৰণাকহে জানিব পাৰি আৰু ইয়াৰহে কেৱল সত্তা আছে। মনৰ বাহিৰত প্ৰকৃতিৰ কোনো বস্তুগত অস্তিত্ব নাই। প্ৰখ্যাত দাৰ্শনিক **জৰ্জ বাৰ্কলি** হ'ল আত্মগত ভাববাদৰ প্ৰবৰ্ত্তক। আত্মগত ভাববাদত এয়া স্পষ্ট যে ব্যক্তিৰ চেতনাত বস্তুগত জগতৰ কোনো অস্তিত্ব নাই।

৮.৪.১ আত্মগত ভাববাদৰ সমৰ্থকসকল

বাৰ্কলিৰ মতে ধাৰণা কেৱল মাত্ৰ আমাৰ মনৰ মাজতহে থাকে। মনৰ বাহিৰত থকা ধাৰণাসমূহ প্ৰত্যক্ষ কৰিব নোৱাৰি আৰু আনকি সেইসমূহৰ বিষয়ে চিন্তাও কৰিব নোৱাৰি। বাৰ্কলি আত্মগত ভাববাদৰ প্ৰধান পৃষ্ঠপোষক। পাছলৈ শ্বপেনআৱাৰ, জে. এম. ই. মেক্ টাগার্ট আদি দাৰ্শনিকসকলে ইয়াৰ উন্নতি সাধন কৰে। কান্ট আৰু হেগেলৰ উপৰিও বাৰ্কলিৰ দৰ্শনৰ দ্বাৰা প্ৰভাৱিত হোৱা আন কিছুমান লেখত ল'বলগীয়া ভাববাদী দাৰ্শনিক হ'ল — ব্ৰিটিছ দাৰ্শনিক টি. এইচ. গ্ৰীণ, এডৱাৰ্ড কেয়ার্ড, এফ, এইচ. ব্ৰেডলে, বাৰ্ণাড বোচাংক, আমেৰিকান দাৰ্শনিক জে ৰয়েচ আৰু জেমচ্ ফেৰিয়েৰ।

৮.৪.২ আত্মগত ভাববাদ সম্পৰ্কে মতামত

ওঠৰশ শতিকাৰ বাৰ্কলিৰ আত্মগত ভাববাদে মানুহৰ প্ৰত্যক্ষৰ অবিহনে কোনো জড়ধৰ্মী বস্তু বা বিষয়ৰ অস্তিত্ব অস্বীকাৰ কৰে। সেয়েহে ভাববাদ, **বাস্তৱবাদ** আৰু **প্ৰকৃতিবাদৰ** উভয়ৰে এটা বিপৰীত মতবাদ। আত্মগত ভাববাদত জ্ঞাতা (প্ৰত্যক্ষকাৰী) আৰু জ্ঞেয় (প্ৰত্যক্ষিত বস্তু)ৰ মাজত এক সম্পৰ্ক আছে। আত্মগত ভাববাদৰ মতে জ্ঞেয় বস্তুসমূহ হ'ল **প্ৰত্যক্ষকাৰীৰ** ইন্দ্ৰিয় গ্ৰাহ্য বস্তুৰ সমষ্টি মাথোন। বাৰ্কলিৰ মতে যি বস্তু প্ৰত্যক্ষ কৰিব নোৱাৰি সেই বস্তুৰ অস্তিত্ব আছে বুলি ক'ব পৰা নাযায়। তেওঁৰ মতে অস্তিত্বৰ অৰ্থ হ'ল প্ৰত্যক্ষগোচৰ হোৱা। যাৰ অস্তিত্ব আছে সেয়া প্ৰত্যক্ষ কৰিবই লাগিব। এই সম্বন্ধে বাৰ্কলিৰ বিখ্যাত উক্তি শাৰী হ'ল— 'Esse Est Percipii' প্ৰত্যক্ষতে বস্তু বিদ্যমান বা অস্তিত্ব প্ৰত্যক্ষ নিৰ্ভৰ (to be is to be perceived) ইয়াৰ অৰ্থ হ'ল কোনো বস্তুৰ

অস্তিত্ব স্বীকাৰ কৰিবলৈ হ'লে সেয়া ব্যক্তি বিশেষৰ প্রত্যক্ষ নির্ভৰ হ'ব লাগিব। বার্কলিৰ এই মতটোৰ এটা সমস্যা হ'ল যে কোনো এজন ব্যক্তিয়ে প্রত্যক্ষ কৰা বস্তুটোৰ অস্তিত্ব ব্যক্তিগৰাকীৰ অনুপস্থিতিত অস্তিত্বশীল বুলি বিবেচিত নহ'ব। এই অসুবিধাটোৰ পৰা হাত সাৰিবলৈ বার্কলিয়ে অন্য এক পন্থা গ্রহণ কৰে। বার্কলিৰ মতে যদি কোনো এটা বস্তু কোনো ব্যক্তিয়ে প্রত্যক্ষ নকৰে তেনে অৱস্থাত ইশ্বৰে সকলো প্রত্যক্ষ কৰে। ইশ্বৰৰ মনত সকলো বস্তুৰ স্থায়ী ধাৰণা আছে।

শ্বপেনআৱাৰৰ মতে পৰমাদর্শ (Ideal) হ'ল মানসিক প্রতিচ্ছবি যিয়ে আত্মগত জ্ঞানক গঠন কৰে। তেওঁৰ মতে ইয়াক আমি আমাৰ মনত আৰোপ কৰিব পাৰোঁ। বৃটিছ ভাববাদী দার্শনিক **ব্রেডলেৰ** মতে যেতিয়ালৈকে এটা বস্তুৰ বিষয়ে আমাৰ মনে নাভাবে তেতিয়ালৈকে বস্তুটোৰ অস্তিত্ব সম্পর্কে আমাৰ মনে চিন্তা কৰিব নোৱাৰে। কেমব্রিজ বিশ্ববিদ্যালয়ৰ জে. এম. ই. মেক্ টাগার্টে মত পোষণ কৰে যে অকল মনসমূহৰহে অস্তিত্ব আছে। যিবোৰ মাথো প্রেমৰ দ্বাৰা ইটো আনটোৰ সতে সংযোজিত হয়। মেক্ টাগার্টৰ মতে দেশ, কাল আৰু জড়বস্তুসমূহ অযথার্থ।

চিন্তা চর্চা কৰক ঃ ৮.১

'ভাববাদে জড়বাদৰ বিপক্ষে থিয় দিয়ে'— এই ধাৰণাটো আপুনি গ্রহণ কৰেনে? আপোনাৰ উত্তৰৰ সপক্ষে যুক্তি দিয়ক।

আত্মগত ভাববাদ আৰু কান্টৰ অতীন্দ্রিয় ভাববাদৰ মাজত কিবা পার্থক্য আছে নেকি? উত্তৰ দিয়ক।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং১ঃ আত্মগত ভাববাদৰ প্রধান ..... নাম কি?

প্রশ্ন নং২ঃ বস্তুগত ভাববাদ বা পৰম ব্রহ্ম ভাববাদ সমর্থন কৰা দুজন দার্শনিকৰ নাম লিখক।

প্রশ্ন নং৩ঃ ভাববাদৰ প্রকাৰসমূহ কি কি?

প্রশ্ন নং৪ঃ ভাববাদৰ জনক হিচাপে কাক জনা যায়?

প্রশ্ন নং৫ঃ ম'নাড তত্ত্ব কোনে অবিশ্বাস কৰিছে?

প্রশ্ন নং ৬ঃ আত্মগত ভাববাদ কি? (৩০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন নং ৭ঃ শুদ্ধ নে অশুদ্ধ কওক

(ক) ইমানুৱেল কান্টে অতীন্দ্রিয় ভাৱবাদক সমর্থন কৰে। (শুদ্ধ/অশুদ্ধ)

(খ) প্লটিনাচে কয় জগতৰ একমাত্র দেশ () বা স্থান হ'ল আত্মা। (শুদ্ধ/অশুদ্ধ)

(গ) বার্কলিয়ে কৈছে ঃ " প্রত্যেকতে বস্তু বিদ্যমান বা অস্তিত্ব প্রত্যক্ষ নির্ভৰ" (শুদ্ধ/অশুদ্ধ)

(ঘ) ব্রেডলিক আত্মগত ভাববাদৰ সমর্থক হিচাপে জনা যায়। (শুদ্ধ/অশুদ্ধ)

৮.৫ বস্তুগত ভাববাদৰ সংজ্ঞা

বস্তুগত ভাববাদৰ মতে সকলো বস্তু কিছুমান ধাৰণাৰ অনুৰূপ আৰু ভাবাত্মক জ্ঞান হ'ল ধাৰণাসমূহৰ এক প্ৰক্ৰিয়া। ভাৱবাদৰ আনবোৰ প্ৰকাৰৰ বিপৰীতে বস্তুগত ভাববাদ অদ্বৈতবাদী—এটাই মাথো মন আছে য'ত সত্তাৰ উৎপত্তি হয়। ইয়েই পৰম সত্তা। হেগেলৰ বস্তুগত ভাববাদ অনুসৰি পৰম সত্তাই নিজকে বিশ্বজগতৰ সৃষ্টিৰ মাধ্যমত প্ৰকাশ কৰে। এই প্ৰকাশ চেতনধৰ্মী। বস্তুগত ভাববাদে জগতক সামান্যসমূহৰ আৰ্হিৰ দ্বাৰা গঠিত হয় বুলি ধৰি লয় আৰু এই সামান্যসমূহৰ মন নিৰপেক্ষ এক স্বতন্ত্ৰ অস্তিত্ব আছে। বস্তুগত ভাববাদে সাধাৰণ লোকৰ বাস্তৱবাদক (যি মত অনুসৰি জড় বস্তুৰ অস্তিত্ব আছে) গ্ৰহণ কৰে, কিন্তু প্ৰকৃতিবাদ অগ্ৰাহ্য কৰে। প্ৰকৃতিবাদৰ মতে মন আৰু আধ্যাত্মিক মূল্য (spiritual values) সমূহ জড়বস্তুৰ পৰা প্ৰকাশ পায়।

৮.৫.১ বস্তুগত ভাববাদৰ সমৰ্থকসকল

বাৰ্কলিৰ ভাববাদৰ তুলনাত জাৰ্মান ভাববাদীসকলৰ (কান্ট, ফিক্টে, হেগেল ইত্যাদি) বৃটিছ দাৰ্শনিকসকলৰ ওপৰত এক বিশেষ প্ৰভাৱ পৰিলক্ষিত হোৱা দেখা যায়। তেওঁলোকে বস্তুগত ভাববাদৰ ওপৰত মত পোষণ কৰিছে। বস্তুগত ভাববাদ পৰমব্ৰহ্মবাদ বুলি বহুলভাৱে জনাজাত। হেগেলৰ দৰ্শনৰ সৈতে বস্তুগত ভাববাদ জড়িত। হেগেলৰ মতে সকলো বস্তু কিছুমান ধাৰণাৰ সৈতে অনুৰূপ আৰু ভাবাত্মক জ্ঞান হ'ল ধাৰণাসমূহৰ এক প্ৰক্ৰিয়া। বৃটিছ দাৰ্শনিক ব্ৰেড্‌লে, হেগেলৰ বস্তুগত ভাববাদৰ এগৰাকী অন্যতম অনুগামী। আমেৰিকাৰ দাৰ্শনিক জে. ৰয়চে নিজকে এজন বস্তুগত ভাববাদী হিচাপে আখ্যা দিছে।

৮.৫.২ বস্তুগত ভাববাদ সম্পৰ্কে মতামত

পৰমব্ৰহ্ম ভাববাদ বা বস্তুগত ভাববাদে হেগেলৰ দৰ্শনত পূৰ্ণতা লাভ কৰে। অজ্ঞাত সত্তাৰ স্বৰূপ অস্বীকাৰ কৰি হেগেলে তেওঁৰ ভাববাদৰ আৰম্ভনি কৰে। হেগেলৰ এই ভাববাদে আন দাৰ্শনিকসকলক সত্তাক, মন বা আত্মাৰ সৃষ্ট বুলি স্বীকৃতি দিবলৈ অৰিহণা যোগায়। হেগেলে *Science of Logic* (১৮১২-১৮১৪) নামৰ গ্ৰন্থখনত এই মত পোষণ কৰিছে যে **সসীম** গুণ (finite qualities) সমূহ সম্পূৰ্ণ ৰূপে বাস্তৱ নহয়। সসীম গুণসমূহ বাস্তৱ নহয় কাৰণ সসীম গুণসমূহ নিৰ্ণীত হ'বলৈ আন সসীম গুণৰ ওপৰত নিৰ্ভৰ কৰিব লগা হয়। আনহাতে গুণাত্মক অসীমতাসমূহ সসীম গুণসমূহতকৈ বেছি বা সম্পূৰ্ণ ভাবে বাস্তৱ বুলি দাবী কৰিব পাৰি; কিয়নো গুণাত্মক অসীমতাসমূহ তুলনামূলক ভাবে বেছি নিৰ্ণীত বা স্থিৰ সংকল্প। হেগেলে তেওঁৰ দৰ্শনক পৰমব্ৰহ্ম ভাববাদ বুলি কৈছে। বাৰ্কলিৰ আত্মগত ভাববাদৰ তুলনাত হেগেলৰ দৰে কান্ট আৰু ফিক্টেৰ অতীন্দ্ৰিয় ভাববাদে অসীমতাৰ সমালোচনাৰ ওপৰত নিৰ্ভৰশীল নহয়। হেগেল, কান্ট আৰু ফিক্টেৰ দৰ্শনৰ লগত প্লেটো আৰু প্লটিনাচৰ দৰ্শনৰ সামঞ্জস্য আছে। হেগেল, কান্ট আৰু

ফিক্টৰ ভাববাদ "আমি যি জানো সেয়া আমাৰ মনত থকা ধাৰণাহে"— এই জ্ঞান-মীমাংসা সম্বন্ধীয় অভিমতটোৰ লগত জড়িত নহয়।

বস্তুগত ভাববাদ অদ্বৈতবাদী। মন একক আৰু এই মনতে সত্তাৰ সৃষ্টি হয়। পৰম সত্তাৰ ধাৰণা হেগেলৰ ভাববাদৰ অন্যতম বৈশিষ্ট্য। এই পৰম সত্তাক পৰম আত্মা, পৰম চৈতন্য আদি নামেৰে অভিহিত কৰিছে। মানৱ জ্ঞানৰ প্ৰত্যেকটো ক্ষেত্ৰতে পৰম চৈতন্য বা পৰমাত্মা আমাৰ সসীম মনত প্ৰকাশিত হয়।

হেগেলৰ মতে পৰমব্ৰহ্ম হ'ল বিশ্বমানস (Universal Mind), বহুসংখ্যক ব্যক্তিৰ মাজত থকা সচেতনতা। বাৰ্কলিৰ আত্মগত ভাববাদৰ লগত হেগেলৰ বস্তুগত ভাববাদৰ পাৰ্থক্য আছে। বাৰ্কলিৰ মতে বিশ্বজগত ইশ্বৰৰ মনৰ ভাব বা ধাৰণা। ব্যক্তিমনৰ বাহিৰত জড় বুলি একো নাই। কিন্তু হেগেলৰ মতে ব্যক্তিমনৰ বাহিৰত জড় জগতৰ অস্তিত্ব আছে। কান্টৰ অতীন্দ্ৰিয় ভাববাদৰ পৰাও হেগেলৰ মতবাদৰ পাৰ্থক্য আছে। কান্টৰ ভাববাদ অনুসৰি সত্তাৰ অস্তিত্ব থাকিলেও সত্তা অজ্ঞাত আৰু অজ্ঞেয়। মনৰ আকাৰ আৰু প্ৰকাৰৰ মাধ্যমত আমি যি জানো সি বস্তুৰ প্ৰকৃত ৰূপ নহয়, অৱভাসিক ৰূপ মাত্ৰ। আনহাতে হেগেলৰ ভাববাদ অনুসৰি যিখন জগতক আমি জানো সেইখনেই প্ৰকৃত জগত।

ফিক্টে কান্টৰ দ্বাৰা প্ৰভাৱিত যদিও তেওঁ কান্টৰ বাস্তৱ সত্তাৰ (things-in-themselves) ব্যাখ্যা গ্ৰহণ কৰা নাই। ফিক্টৰ প্ৰশ্ন হ'ল যি **পাৰমার্থিক** জগতৰ বিষয়ে আমি একোকে নাজানোঁ সেই পাৰমার্থিক জগতৰ অস্তিত্ব আমি কেনেকৈ মানি লও? পাৰমার্থিক জগতৰ অস্তিত্বৰ কোনো প্ৰমাণ নাই, সেয়েহে পৰমার্থিক জগতৰ অস্তিত্ব মানি ল'ব পৰা নাযায়। ফিক্টৰ মতে কোনো বস্তু অজ্ঞাত বুলি ভবাৰ থল নাই আৰু তেনেকৈ ভবাৰ কোনো অৰ্থও নাই। ফিক্টৰ মতে মনৰ দুটা ভাগ আছে — অহম্ (I) আৰু অনহম্ (non- I)। অহমে অনহম্ত কি ঘটিছে তাক লক্ষ্য কৰে আৰু এইদৰে অহ্মে বাহ্যিক বস্তুগত জগতক অস্বীকাৰ কৰে। অহম ব্যক্তিনিষ্ঠ আৰু অনহম্ বস্তুনিষ্ঠ। গ্ৰীকসকলে অহ্মক আত্মা বুলি কৈছে। এই ক্ষেত্ৰত ফিক্টক হেগেলৰ পৰমব্ৰহ্ম ভাববাদ বা বস্তুনিষ্ঠ ভাববাদৰ আন এজন পৃষ্ঠপোষক বুলি আখ্যা দিব পাৰি।

ওপৰত উল্লেখ কৰা বস্তুনিষ্ঠ ভাববাদ তলত উল্লেখ কৰা পাঁচটা দাবীৰ ওপৰত নির্ভৰশীল ঃ—

(১) প্ৰত্যেকটো বস্তুৰে আন প্ৰত্যেক বস্তুৰ লগত বাস্তৱ সম্পৰ্ক থাকে।

(২) প্ৰত্যেকটো অস্তিত্ব থকা বস্তুৱে হয় এটা অভিজ্ঞতা বা অভিজ্ঞতাৰ এটা অংশ।

(৩) দুটা বা ততোধিক বস্তু এটা আনটোৰ লগত সম্পর্কিত হ'ব পাৰে কেৱল যদিহে বস্তু দুটাৰ মাজত পৰিপূৰ্ণতা থাকে নাইবা বিকল্পভাৱে এটা আনটোৰ একো একোটা অংশ।

(৪) পূৰ্ণতাৰ সেই একো একোটা অংশৰ নিজস্ব সীমাবদ্ধতাৰ মাজত একোটা বৈশিষ্ট্য আছে।

(৫) যদি এইটো কেতিয়াও সঁচা নহয় যে এটা কার্য 'E' সংঘটিত হৈছে তেনেহ'লে সেই তেতিয়াৰে পৰা এইটো সদায় সঁচা হয় যে 'E' সংঘটিত হয়।

চিন্তা চৰ্চা কৰক ঃ ৮.১

বস্তুগত ভাববাদক কিয় পৰমব্ৰহ্ম ভাববাদ বুলি কোৱা হয়। দুয়োটাৰে মাজত কিবা সাদৃশ্য আছে নেকি? আলোচনা কৰক।

বস্তুগত ভাববাদে অদ্বৈতবাদলৈ গতি কৰেনে? আপোনাৰ উত্তৰৰ সপক্ষে যুক্তি আগবঢ়াই আলোচনা কৰক।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৮ঃ বস্তুগত ভাববাদ কি? (৩০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন নং ৯ঃ বিশ্বমানস কি? (৪০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন নং ১০ঃ শুদ্ধ নে অশুদ্ধ কওক

(ক) বস্তুগত ভাববাদে সাধাৰণ জ্ঞান স্বীকাৰ কৰে। (শুদ্ধ/অশুদ্ধ)

(খ) বস্তুগত ভাববাদক পৰম ব্রহ্ম ভাববাদ বা বস্তুগত ভাববাদ বুলি জনা যায়। (শুদ্ধ/অশুদ্ধ)

(গ) হেগেলক বস্তুগত ভাববাদৰ সমর্থক। (শুদ্ধ/অশুদ্ধ)

(ঘ) কান্ট আৰু ফিক্টেক দর্শনক লোকাতীত বা অতীন্দ্রিয় বুলি জনা যায়। (শুদ্ধ/অশুদ্ধ)

৮.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- পৰাবিজ্ঞানৰ ভাষাত ভাববাদ এটা দার্শনিক মত, যি মত অনুসৰি মন বা আত্মাই মৌলিক সত্তা গঠন কৰে। ভাববাদে যদিও বিভিন্ন ৰূপ লৈছে, কিন্তু এই বিভিন্ন মতবাদসমূহৰ মাজত সম্পর্ক আছে। বস্তুগত ভাববাদ আৰু আত্মগত ভাববাদ সেইসমূহৰ মাজত অন্যতম।
- বস্তুগত ভাববাদে সাধাৰণ লোকৰ বাস্তৱবাদ (যি মত অনুসৰি জড় বস্তুৰ অস্তিত্ব আছে) গ্রহণ কৰে কিন্তু প্রকৃতিবাদ (যি মত অনুসৰি মন আৰু আধ্যাত্মিক মূল্য জড়বস্তুৰ পৰা নিঃসৃত হয়) অস্বীকাৰ কৰে আৰু এনেদৰে বাস্তৱবাদ আৰু প্রকৃতিবাদ উভয়ৰে বিৰোধিতা কৰে।
- **আত্মগত ভাববাদৰ** মতে মনৰ বাহিৰত বাহ্য বস্তু বা জগতৰ কোনো স্বতন্ত্র অস্তিত্ব নাই। কেৱল আমাৰ মন আৰু মনৰ ধাৰণাৰহে প্রকৃত সত্তা আছে। এই মতবাদ অনুসৰি কেৱল মাত্র ধাৰণাকহে জানিব পাৰি আৰু ইয়াৰহে কেৱল সত্তা আছে। মনৰ বাহিৰত প্রকৃতিৰ কোনো বস্তুগত অস্তিত্ব নাই। প্রখ্যাত দার্শনিক **জর্জ বার্কলি** হ'ল আত্মগত ভাববাদৰ প্রবর্তক।
- কান্ট আৰু হেগেলৰ উপৰিও বার্কলিৰ দর্শনৰ দ্বাৰা প্রভাৱিত হোৱা আন কিছুমান লেখত ল'বলগীয়া ভাববাদী দার্শনিক হ'ল — ব্রিটিছ দার্শনিক টি. এইচ. গ্রীণ, এডৱার্ড কেয়ার্ড, এফ, এইচ. ব্রেডলে, বার্ণাড বোচাংক, আমেৰিকান দার্শনিক জে ৱয়েচ আৰু জেমচ্ ফেৰিয়েৰ।
- লেইব্নিজৰ মতে সকলো বাহ্যিক বস্তু চিৎপৰমাণুৰ দ্বাৰা গঠিত আৰু সেই চিৎপৰমাণুসমূহক লেইব্নিজে ম'নাড বুলি কৈছে। লেইব্নিজে তেওঁৰ ম'নাড তত্ত্বত ভাববাদৰ এটা প্রকাৰপ্রকাশ কৰিছে যাক **'সর্বচিত্তবাদ'** (Panpsychism) ৰ ঘনিষ্ঠ মত বুলি জনা যায়। বিশ্বব্রহ্মাণ্ডৰ সঁচা পৰমাণুসমূহ হ'ল ম'নাড।

- কান্টৰ ভাববাদক বিচাৰবাদী বা **অতীন্দ্রিয় ভাববাদ** (transcendental Idelism) বুলি কোৱা হয়। কান্টৰ অতীন্দ্রিয় ভাববাদৰ মতে সকলো প্রকাৰৰ জ্ঞানৰ উৎপত্তি প্রত্যক্ষজাত বস্তুত বোধৰ প্রবর্গ (Categories of Understanding) ৰ জৰিয়তে লাভ কৰা হয়।
- বস্তুগত ভাববাদৰ মতে সকলো বস্তু কিছুমান ধাৰণাৰ অনুৰূপ আৰু ভাবাত্মক জ্ঞান হ'ল ধাৰণাসমূহৰ এক প্রক্রিয়া। ভাৱবাদৰ আনবোৰ প্রকাৰৰ বিপৰীতে বস্তুগত ভাববাদ অদ্বৈতবাদী—এটাই মাথো মন আছে য'ত সত্তাৰ উৎপত্তি হয়।
- বস্তুগত ভাববাদ পৰমব্রহ্মবাদ বুলি বহুলভাৱে জনাজাত। হেগেলৰ দর্শনৰ সৈতে বস্তুগত ভাববাদ জড়িত। হেগেলৰ মতে সকলো বস্তু কিছুমান ধাৰণাৰ সৈতে অনুৰূপ আৰু ভাবাত্মক জ্ঞান হ'ল ধাৰণাসমূহৰ এক প্রক্রিয়া। আমেৰিকাৰ দার্শনিক জে. ৰয়চে নিজকে এজন বস্তুগত ভাববাদী হিচাপে আখ্যা দিছে।

৮.৭ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ

1. A.E. Taylor (2004) . *Elements of Metaphysics,* Surjeet Publications, Delhi.
2. C.H. Whiteley (1949). *An introduction to Metaphysics* : Methuen &Co.Ltd. London.
3. Gottfried Martin (1968) . *General Metaphysics - Its problem and Method,* George Allen & Unwin Ltd. , London.
4. Girish Baruah (2008). *Metaphysics - Problems and Perspective,* Kalyani Publishers, Guwahati.
5. J. N. Sinha (1985). *Introduction to Philosophy*. New Central Book Agency, Calcutta
6. Dutta, D.H. *Chief Currents of Contemporary philosophy* :
7. Russell, Bertsand (2001). *The Problems of philosophy-* Oxford University Press, Oxford.

অসমীয়া গ্রন্থ

১। দর্শনৰ পৰিচয় ঃ ড° জ্যোৎস্না ভট্টাচার্য্য।

২। পাশ্চাত্য দর্শন ঃ অঞ্জলী দেৱী ।

৮.৮ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰঃ জর্জ বার্কলি

২নং প্রশ্নৰ উত্তৰঃ হেগেল আৰু ব্রেডলি

৩নং প্রশ্নৰ উত্তৰঃ আত্মগত ভাববাদ আৰু বস্তুগত ভাববাদ

৪নং প্রশ্নৰ উত্তৰঃ প্লেটো

৫নং প্রশ্নৰ উত্তৰঃ ( ) (লেটবনিজ)

৬নং প্রশ্নৰ উত্তৰঃ আত্মগত ভাববাদ মতে কেৱল ধাৰণাকহে জানিব পাৰি আৰু ধাৰণাৰহে অস্তিত্ব আছে। কেৱল আমাৰ মন আৰু মনৰ ধাৰণাহে প্রকৃত সত্তা আছে।

৭নং প্রশ্নৰ উত্তৰঃ (ক) শুদ্ধ (খ) শুদ্ধ (গ) শুদ্ধ (ঘ) অশুদ্ধ

৮নং প্রশ্নৰ উত্তৰঃ বস্তুগত ভাৱবাদৰ মতে সকলো বস্তু কিছুমান ধাৰণাৰ অনুৰূপ আৰু ভাবাত্মক জ্ঞান হ'ল ধাৰণাসমূহৰ এক প্রক্রিয়া। বস্তুগত ভাববাদ পৰম ব্রহ্ম ভাববাদ বুলিও জনা যায়।

৯নং প্রশ্নৰ উত্তৰঃ হেগেলৰ মতে পৰমব্রহ্ম হ'ল বিশ্বমানস, বহু সংখ্যক ব্যক্তিৰ মাজত থকা সচেতনতা।

১০নং প্রশ্নৰ উত্তৰঃ (ক) শুদ্ধ (খ) শুদ্ধ (গ) শুদ্ধ (ঘ) শুদ্ধ

৮.৯ আৰ্হি প্রশ্নসমূহ

(ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ঃ ভাববাদ কি? ইয়াৰ বিভিন্ন প্রকাৰসমূহ কি কি?

প্রশ্ন ২ঃ বাস্তৱবাদৰ ভিন্ন প্রকাৰসমূহ কি কি?

প্রশ্ন ৩ঃ বস্তুগত ভাববাদ সমর্থন কৰা দুজন দার্শনিকৰ নাম লিখক।

প্রশ্ন ৪ঃ (ক) বস্তুগত ভাববাদ কি?
(খ) আত্মগত ভাববাদৰ সংজ্ঞা দিয়ক।

(খ) চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ আত্মগত ভাববাদৰ ধাৰণাটো চমুকৈ ব্যাখ্যা কৰক।

প্রশ্ন ২ঃ বস্তুগত ভাববাদ কি? চমুকৈ ব্যাখ্যা কৰক।

প্রশ্ন ৩ঃ কিয় বস্তুগত ভাববাদ একবাদী? চমুকৈ উত্তৰ দিয়ক।

প্রশ্ন ৪ঃ কান্টৰ অতীন্দ্রিয় ভাববাদ সম্পর্কে চমুকৈ মন্তব্য আগবঢ়াওক।

(গ) চমুটোকা লিখক (১৫০ টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ প্লেটোৰ ভাববাদ

প্রশ্ন ২ঃ আত্মগত ভাববাদ

প্রশ্ন ৩ঃ ইমানুৱেল মান্টৰ অতীন্দ্রিয় ভাববাদ

প্ৰশ্ন ৪ঃ পৰমব্ৰহ্ম ভাববাদ

(ঘ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ আত্মগত ভাববাদ কি? বাৰ্কলিৰ আত্মগত ভাববাদ পৰীক্ষামূলক সমালোচনা আগবঢ়াওক।

প্ৰশ্ন ২ঃ আত্মগত ভাববাদৰ সমৰ্থনকাৰীসকল কোন কোন? তেওঁলোকৰ দাৰ্শনিক মতামতসমূহ চমুকৈ আলোচনা কৰক?

প্ৰশ্ন ৩ঃ বস্তুগত ভাববাদ কি? বস্তুগত ভাববাদৰ সপক্ষে আৰু বিপক্ষে থকা যুক্তিসমূহ কি কি?

প্ৰশ্ন ৪ঃ ভাববাদৰ কেইজনমান সমালোচকৰ নাম লিখক। তেওঁলোক ভাববাদ খণ্ডন কৰাত কৃতকাৰ্য হৈছেনে?

*** **** ***

অধ্যায় ৯ঃ দেহ-মনৰ সম্পৰ্ক- ডেকার্ট আৰু স্পি'নোজা

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ দেহ-মন সম্পৰ্কে ডেকার্টৰ ধাৰণা

৯.৩.১ পাৰস্পৰিক ক্ৰিয়াবাদ

৯.৪ দেহ মন সম্পৰ্কে স্পি'নোজাৰ ধাৰণা

৯.৫ সমান্তৰালবাদ

৯.৬ দেহ-মন সম্পৰ্কে লাইব্‌নিৎজৰ ধাৰণা

৯.৭ লাইব্‌নিৎজৰ দেহ-মনৰ ধাৰণাৰ বিষয়ে ৰাছেলৰ মতামত

৯.৮ দেহ-মন সম্পৰ্কে ষ্ট্ৰ'ছনৰ ধাৰণা

৯.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৯.১০ অধিক জানিবলৈ

৯.১১ অগ্ৰগতিৰ খতিয়ান

৯.১২ আৰ্হি প্ৰশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- দেহ-মন সম্বন্ধে ডেকার্টৰ ধাৰণা ব্যাখ্যা কৰিব পাৰিব,
- দেহ-মন সম্বন্ধে স্পি'নোজাৰ ধাৰণা ব্যাখ্যা কৰিব পাৰিব,
- লাইব্‌নিৎজৰ দেহ-মন সম্বন্ধীয় ধাৰণাৰ ওপৰত সমালোচনাত্মক আলোচনা আগবঢ়াব পাৰিব,
- দেহ-মন সম্পৰ্কীয় লাইব্‌নিৎজৰ ধাৰণাৰ ওপৰত ৰাছেলে আগবঢ়োৱা বিশ্লেষণৰ বিষয়ে জানিব পাৰিব,
- দেহ-মন সম্পৰ্কে ষ্ট্ৰ'ছনৰ ধাৰণা জানিব পাৰিব।

৯.২ পৰিচয়

এই অধ্যায়টিয়ে দেহ-মন সম্বন্ধে বিভিন্ন দাৰ্শনিকসকলে আগবঢ়োৱা ধাৰণাবোৰৰ লগত আপোনাক পৰিচিত কৰাব। ইয়াত আমি ডেকার্টৰ পাৰস্পৰিক ক্ৰিয়াবাদ, স্পি'নোজাৰ সমান্তৰালবাদ, লাইব্‌নিৎজৰ পূৰ্বপ্ৰতিস্থিত

সামঞ্জস্যবাদ, লাইব্‌নিৎজৰ ধাৰণাৰ ওপৰত ৰাছেলৰ মতামত আৰু ষ্ট্ৰ'ছনৰ দেহ-মনৰ ধাৰণাৰ বিষয়ে আলোচনা কৰিম।

৯.৩ দেহ-মন সম্পৰ্কে ডেকার্টৰ ধাৰণা

ডেকার্টৰ দেহ-মন সম্পৰ্কীয় ধাৰণা তেওঁ স্ব-আৰোপিত সন্দেহৰ পৰা অনিবাৰ্য ভাৱে নিঃসৃত হৈছে আৰু এই স্ব-আৰোপিত সন্দেহেই হৈছে তেওঁৰ দৰ্শনৰ পথ প্ৰদৰ্শক। বুদ্ধিবাদী দাৰ্শনিক হিচাপে তেওঁ মত পোষণ কৰে যে দেহ আৰু মন দুটা স্বতন্ত্ৰ দ্ৰব্য। দেহ-মন সম্পৰ্কে আমি বিভিন্ন ধাৰণা পাওঁ, যেনেঃ উপলক্ষবাদ, স্পি'নোজৰ সমান্তৰালবাদ, লাইব্‌নিৎজৰ পূৰ্বপ্ৰতিস্থিত সামঞ্জস্যবাদ আৰু বাৰ্কলিৰ আত্মগত ভাববাদ, ইত্যাদি। আধুনিক দৰ্শনত এই সমস্যাটো ভিন্ন ধৰণে দৃঢ়ভাৱে আলোচিত হৈছে।

এতিয়া দেহ-মন সম্পৰ্কে ডেকার্টৰ দাৰ্শনিক ধাৰণা আলোচনা কৰিম। ডেকার্টে আছিল এজন দ্বৈতবাদী, কাৰণ তেওঁ জ্ঞানক ধাৰণা (Idea) আৰু বস্তুগত ধাৰণা (Ideas of things) এই দুভাগত ভাগ কৰিছিল। দৰ্শনৰ ইতিহাসত দাৰ্শনিক ল'কে প্ৰথমে জ্ঞানক দ্বৈত ভাগত ভাগ কৰিছিল আৰু ডেকার্টে তেওঁক অনুসৰণ কৰিছিল। বাৰ্কলিয়ে এই দ্বৈত ধাৰণাক সমালোচনা কৰিছিল। আনকি বাৰ্কলিয়ে ল'কৰ মুখ্য আৰু গৌণ গুণৰ ধাৰণাকো অস্বীকাৰ কৰিছিল।

এতিয়া আমি ডেকার্টৰ পাৰস্পৰিক ক্ৰিয়াবাদৰ ওপৰত মনোনিবেশ কৰিম।

৯.৩.১ পাৰস্পৰিক ক্ৰিয়াবাদ

দ্বৈতবাদী হিচাপে ডেকার্টে কয় যে মনৰ যিহেতু চেতনা আছে গতিকে ইয়াক বিস্তৃতিৰ প্ৰয়োজন নাই। একেদৰে ভৌতিক দেহৰ যিহেতু বিস্তৃতি আছে, গতিকে তাত চেতনাৰ প্ৰয়োজন নাই। গতিকে দেহ আৰু মন দুটা স্বতন্ত্ৰ, স্বনিৰ্ভৰশীল দ্ৰব্য।

মানব দেহত ভৌতিক শৰীৰ আৰু মন দুয়োটাই আছে। মানব দেহক এটা যন্ত্ৰৰ লগত তুলনা কৰা হৈছে। যেনেকৈ এটা যন্ত্ৰ শক্তিৰে চালিত হয়, ঠিক তেনেকৈ মানব দেহটোও হৃদপিণ্ডত উৎপাদিত শক্তিৰে চালিত হয়। দৈহিক যন্ত্ৰটোত কিছুমান প্ৰয়োজনীয় অঙ্গ বিকল হ'লেই মৃত্যু ঘটে। দেহ-মনৰ বাহিৰেও ঈশ্বৰে তেওঁৰ সৃষ্ট মানব দেহটোত অতিৰিক্তভাৱে আত্মাক সংযোজন কৰিছে আৰু সেয়েহে ক'ব পাৰি যে শৰীৰ আৰু আত্মাৰ মাজত কোনো প্ৰকৃত সম্পৰ্ক নাই। সিহঁত হৈছে এটা আনটোৰ সম্পূৰ্ণ বিপৰীত। এই দেহ-মনৰ সম্পৰ্কক এজন পৰিচালক (Pilot) আৰু তেওঁৰ যন্ত্ৰৰ লগত তুলনা কৰিব পাৰি।

যদিও আমি দেহ-মনৰ কোনো সম্পৰ্ক নাই বুলি ভাবিছো, তথাপি ক'ৰবাত, কোনো এটা পৰ্যায়ত সিহঁতৰ মাজত সম্পৰ্ক নিৰীক্ষণ কৰো। এই ক্ষেত্ৰত ডেকার্টে দেহ আৰু মনৰ মাজত পাৰস্পৰিক ক্ৰিয়াবাদৰ উল্লেখ কৰিছে। পাৰস্পৰিক ক্ৰিয়াবাদৰ ক্ষেত্ৰত ভৌতিক দেহৰ ক্ৰিয়াসমূহ কেতিয়াবা মনৰ দ্বাৰা আৰু কেতিয়াবা মনৰ ক্ৰিয়াসমূহ প্ৰভাৱান্বিত হয়। উদাহৰণ স্বৰূপে, যদিও ইন্দ্ৰিয় প্ৰত্যক্ষ, কল্পনা, স্মৃতি আৰু মননশীলতা (Act of

remembering)ক মানসিক ক্ৰিয়া হিচাপে বিবেচনা কৰা হয় তথাপি এই ক্ৰিয়াবোৰে ভৌতিক বস্তুকো নিৰ্দেশ কৰে। সেইদৰে শাৰীৰিক ক্ৰিয়া, যেনে - খোৱা, খেলা, কাম কৰা আদি ক্ৰিয়াই মানসিক ক্ৰিয়াকে নিৰ্দেশ কৰে। উদাহৰণ হিচাপে আমি যেতিয়া লিখি থাকো তেতিয়া তাত আমাৰ শৰীৰটোৰ লগতে আমাৰ চিন্তা শক্তিয়ো সমানেই জড়িত হৈ থাকে। সেয়ে ক'ব পাৰি যে মন আৰু দেহে এটাই আনটোৰ ওপৰত ক্ৰিয়া কৰে। শৰীৰক বাদ দি মানসিক ক্ৰিয়া বা মনক বাদ দি শাৰীৰিক ক্ৰিয়া সম্ভৱ নহয়। দুয়োটাৰে মাজত আন্তৰিক সম্পৰ্ক আছে; কিন্তু ডেকার্টে দ্বৈতবাদৰ পৰিসীমাৰ ভিতৰত এই সম্পৰ্ক স্পষ্টভাৱে ব্যাখ্যা কৰিব পৰা নাই। তেওঁ দেহ আৰু মনক একে বুলি স্বীকাৰ নকৰিবলৈ সতৰ্ক কৰিছে। আনহাতে দেহ-মনৰ নিবিড়ৰ সম্পৰ্কক যদি স্বীকাৰ কৰা হয়, তেনেস্থলতো ডেকার্টে কৈছে যে দেহ (বিস্তৃতি) আৰু মন (চেতনা) গঠনত একে হ'লেও (Unity of composition), সিহঁত স্বৰূপত একে নহয়। গতিকে দেহ-মনৰ সম্বন্ধক দুটা পদাৰ্থৰ সংমিশ্ৰণৰ লগত তুলনা কৰিব নোৱাৰি। ডেকার্টে দেখুৱাইছে যে যদিও চিন্তা ইন্দ্ৰিয়ৰ (Sense organ) দ্বাৰা প্ৰভাৱান্বিত হয়, তথাপিও চিন্তা কিন্তু ইন্দ্ৰিয়ৰ দ্বাৰা উৎপন্ন নহয়। ইন্দ্ৰিয় সংবেদন, অনুভূতি, ৰুচি, ইত্যাদি ইন্দ্ৰিয়ৰ লগত জড়িত হ'লেও সিহঁতৰ উৎস হৈছে আত্মা। ডেকার্টৰ মতে দেহ আৰু মন পৃথক হোৱা স্বত্বেও সিহঁতৰ মাজত সংযোগ সম্ভৱ আৰু এই সংযোগ ঈশ্বৰৰ দ্বাৰা সৃষ্ট। তেঁও দেহ আৰু মনক এটাক আনটোৰ কাৰণ বুলি ক'ব নোখোজে। অৱশ্যে কেতিয়াবা তেওঁ সিহঁতৰ মাজত কাৰ্যকৰণ সম্পৰ্ক স্বীকাৰ নকৰাও নহয়। যদিও আত্মাৰ দেহৰ লগত সংযোগ ঘটে, তথাপি ইয়াৰ প্ৰকৃত অৱস্থান হৈছে মগজুত থকা শীৰ্ষ বা পায়েনিয়েল গ্ৰন্থি (Pineal gland)। এই গ্ৰন্থি হৈছে মগজুৰ অবিছিন্ন অংগ। দৈহিক সঞ্চাৰে স্নায়ুত থকা জান্তব পদাৰ্থক উত্তেজিত কৰে আৰু এই উত্তেজনাই ভৌতিক বস্তু সম্পৰ্কে সংবেদনৰ সৃষ্টি কৰি মগজুত থকা শীৰ্ষ গ্ৰন্থিলৈ প্ৰেৰণ কৰে আৰু এইদৰে মগজুত সংবেদনৰ উৎপত্তি হয়। ঠিক সেইদৰে আত্মায়ো এই গ্ৰন্থিক চালিত কৰে আৰু চালিকা শক্তি জান্তব পদাৰ্থলৈ (Animal Spirit) পৰিবৰ্তিত হয় আৰু সিহঁতৰ দ্বাৰা উৎপাদিত এই চালিকা শক্তিয়ে স্নায়ু আৰু মাংসপেশীক সঞ্চালন কৰে। এই ক্ষেত্ৰত দেহ-মনৰ সম্পৰ্ক হৈছে কাৰ্য-কাৰণযুক্ত আৰু এই সম্পৰ্ক সম্ভৱ হৈছে দেহৰ শীৰ্ষ গ্ৰন্থি (Pineal gland) মাধ্যমত। দেহ আৰু মনৰ মাজত হোৱা পাৰস্পৰিক ক্ৰিয়া-প্ৰতিক্ৰিয়া কেনেকৈ সম্ভৱ হ'ব পাৰে, তাক ব্যাখ্যা কৰাত ডেকার্টে বিফল হৈছে। এইখিনিতে আন এটা দ্বৈতবাদী ধাৰণা উপবস্তুবাদ আলোচনা কৰা সমীচীন হ'ব।

উপবস্তুবাদ এটা দ্বৈত ধাৰণা আৰু ই কয় যে মন দেহৰ পৰা সম্পূৰ্ণ পৃথক। এই মতানুসাৰে মনে কেতিয়াবা কেতিয়াবা নিত্যান্তভাৱে দেহৰ ওপৰত নিৰ্ভৰ কৰে। গতিকে মানসিক ক্ৰিয়াবোৰ হৈছে দেহত হোৱা ক্ৰিয়াৰ ফল স্বৰূপ কিন্তু মনে দেহক প্ৰভাৱান্বিত কৰিবলৈ সম্পূৰ্ণ অপাৰগ। গতিকে দেখা গৈছে যে পাৰস্পৰিক ক্ৰিয়াবাদৰ এটা অংশ উপবস্তুবাদে স্বীকাৰ কৰিছে। দৈহিক ক্ৰিয়াই মানসিক ক্ৰিয়াৰ সৃষ্টি কৰে। কিন্তু মনে দেহৰ ওপৰত ক্ৰিয়া কৰা কথাটো উপবস্তুবাদে গ্ৰহণ নকৰে। ক্ৰিয়াৰ মতে মনত উৎপত্তি হোৱা সকলো ঘটনাই দৈহিক ক্ৰিয়াৰ উপৰুৱা সৃষ্টি [By product] । এই ধাৰণাক উপবস্তুবাদ নামে জনা যায়।

যদিও ভোক, পিয়াহ, আবেগ, আশা আদিৰ ক্ষেত্ৰত দেহ আৰু মনৰ মাজত ক্ৰিয়া প্ৰতিক্ৰিয়া দেখা যায়, তথাপিও ডেকার্টে ঘোৰা আৰু আৰোহীৰ সাদৃশ্যৰ উপমাৰে দেহ-মনৰ স্বাভাৱিক সম্পৰ্কক অস্বীকাৰ কৰিব খোজে। যেনেকৈ আৰোহীয়ে তেওঁৰ হেচুকেৰে ঘোৰাৰ গতিবেগ তীব্ৰ কৰিব বিচাৰে, তেনেকৈয়ে মনে নিজৰ শক্তি প্ৰদান নকৰাকৈ ভৌতিক দেহেটো সঞ্চালনক প্ৰভাবান্বিত কৰিব পাৰে। কিন্তু দেহ আৰু মনৰ এই সম্পৰ্ক আসোৱাহমুক্ত নহয়। আৰোহী আৰু ঘোৰাৰ সম্পৰ্কৰ দৰে দেহ-মনৰ সম্পৰ্ক মূৰ্ত শব্দত (Concrete term) আলোচনা কৰিব

নোৱাৰি। ঘোৰা আৰু আৰোহীৰ দৰে দেহ-মনৰ সম্পৰ্ক যান্ত্রিক নহয়। দেহ আৰু মন স্বৰূপতে পৃথক। কিন্তু ঘোঁৰা আৰু আৰোহীৰ স্বৰূপ অনিবার্য ভাৱে একে। যদিও দেহ মনৰ মাজত প্রত্যক্ষ সম্বন্ধ স্থাপন কৰিব নোৱাৰি, তথাপি সিহঁতৰ অন্তঃৰস্থ সম্পৰ্কক স্বীকাৰ কৰিবই লাগিব। যিহেতু এই সম্পৰ্ক মানবৰ লগত জড়িত, গতিকে সিহঁতৰ মাজত কিছু পৰিমাণৰ পাৰস্পৰিক ক্রিয়া প্রতিক্রিয়া নুই কৰিব নোৱাৰি। জান্তব পদার্থৰ মাধ্যমত দেহ আৰু মনে পাৰস্পৰিক প্রভাৱ বিস্তাৰ কৰে। যদি আমি মানি লওঁ যে জান্তব পদার্থই আমাৰ মনক কার্যৰ বাবে উদ্যত কৰিছে তেনে ক্ষেত্রত দেহ-মনৰ মাজত পাৰস্পৰিক ক্রিয়া সম্ভৱ হ'ব পাৰে। যদিহে মনক প্রভাবান্বিত কৰা জান্তব পদার্থ তেনেহ'লে দেহ আৰু মন বা মন আৰু দেহৰ মাজত ক্রিয়া প্রতিক্রিয়া স্বীকাৰ কৰাত একো অসুবিধা নহয়। অৱশ্যে এই ক্ষেত্রত ডেকার্টৰ ভূমিকা স্পষ্ট নহয়, কাৰণ ভৌতিক জগতক ব্যাখ্যা কৰিবলৈ তেওঁ যান্ত্রিক আৰু আধ্যাত্মিক দুয়োটা নীতিৰে সহায় লৈছে।

দেহ আৰু মনক পৃথক বুলি ভবাৰ বাবেই সমস্যাৰ উদ্ভৱ হৈছে। ব্যক্তিক মন আৰু দেহৰ ধাৰণাৰে বিশ্লেষণ কৰিবলৈ বিচৰা ডেকার্টৰ দর্শনে ব্যক্তি সম্পর্কে সম্পূর্ণ তথ্য আগবঢ়াবলৈ বিফল হৈছে। সাধাৰণতে, মানুহক ভৌতিক (দেহ)আৰু মানসিক (মন) - এই দুই ভাগত ভগাই বিশ্লেষণ কৰা নহয়। এনে ধাৰণাই প্রকৃত সমস্যাৰ সৃষ্টি কৰে। কিয়নো দেহৰ বিস্তৃতি আছে চেতনা নাই আৰু মনৰ চেতনা আছে বিস্তৃতি নাই। গতিকে দেহ আৰু মনৰ স্বৰূপ পৃথক বুলি মানিবলৈ বাধ্য হওঁ। গতিকে দুটা বিপৰীত অস্তিত্ব (Entity)ৰ মাজত সম্পৰ্ক স্থাপন কৰা কঠিন। গতিকে ডেকার্টে দেহ মনৰ সম্পৰ্কৰ সন্তোষজনক ব্যাখ্যা দিব পৰা নাই।

গিলবার্ট ৰাইলে কৈছে যে দেহ-মন সম্পর্কে ডেকার্টৰ দ্বৈতবাদী ধাৰণাই প্রত্যয়গত দোষ (Categorical mistake) সূচনা কৰিছে। কাৰণ দেহ আৰু মনৰ প্রকাৰ ভিন্ন। মন হৈছে চেতন আৰু দেহ হৈছে ভৌতিক। গতিকে দেহৰ ওপৰত মনৰ বা মনৰ ওপৰত দেহৰ প্রত্যক্ষ বা পৰোক্ষ কোনো ধৰণৰ পাৰস্পৰিক ক্রিয়া প্রতিক্রিয়া ব্যাখ্যা কৰাৰ প্রচেষ্টাই প্রত্যয়গত দোষৰ উদ্ভৱ কৰে।

কিন্তু গুৰুত্বপূর্ণ প্রশ্নটো হ'ল, মানসিক ক্রিয়াই জড় দেহক নির্দেশ কৰে নেকি? ডেকার্টৰ মতে মানসিক ক্রিয়াই জড় দেহক নির্দেশ নকৰে। কেবল মাত্র জড় দেহক প্রতিনিধিত্বহে কৰে। ডেকার্টৰ মতে প্রকৃতিত এনে ধৰণৰ জড় বস্তু আছে যিবোৰে ঈশ্বৰৰ অস্তিত্বক প্রমাণ কৰে। কিন্তু জড় বস্তুটোক জনাৰ আগতে আমি তাৰ মুখ্য গুণবোৰকহে জানো। কিন্তু গৌণ গুণসমূহ যিহেতু জড় বস্তুৰেই নিজেই প্রক্ষেপ কৰে, গতিকে সেইবোৰে আমাক বিবুদ্ধিত পেলাই। সেই বাবে ডেকার্টেই মত পোষণ কৰে যে জড় দেহে মানব দেহৰ মাজেদি মানসিক প্রতিক্রিয়াক প্রভাবিত কৰে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ শুদ্ধ উত্তৰ বাছি উলিৱাওক ঃ

ক) ডেকার্টৰ মতে মন আৰু দেহ দুটা পৃথক দ্রব্য। (শুদ্ধ /অশুদ্ধ)

খ) লকে প্রথমে জ্ঞানৰ ক্ষেত্রত দ্বৈতবাদৰ ধাৰণা আগবঢ়াইছিল। (শুদ্ধ /অশুদ্ধ)

গ) পাৰস্পৰিক ক্রিয়াবাদৰ মতবাদটো ল'কে আগবঢ়াইছিল। (শুদ্ধ /অশুদ্ধ)

ঘ) ডেকার্টে মত পোষণ কৰে যে মগজুত থকা পাইনিয়েল গ্ৰন্থি হৈছে আত্মাৰ সঞ্চাৰ পথ (Locus) (শুদ্ধ/অশুদ্ধ) (শুদ্ধ /অশুদ্ধ)

ঙ) ৰাইলৰ মতে ডেকার্টেৰ দ্বৈতবাদৰ ধাৰণাই প্ৰত্যয়গত দোষৰ উদ্ভৱ কৰে। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন নং ২ঃ পাৰস্পৰিক ক্ৰিয়াবাদ বুলিলে কি বুজাই? (১০৯ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন নং ৩ঃ ডেকার্টেৰ পাৰস্পৰিক ক্ৰিয়াবাদৰ সমালোচনাত্মক ব্যাখ্যা দিয়ক (৭৩ টা শব্দৰ ভিতৰত)

চিন্তা চৰ্চা কৰক ঃ ৯.১

আপুনি পাৰস্পৰিক ক্ৰিয়াবাদ সমৰ্থন কৰেনে? যদি কৰে, যুক্তি সহকাৰে আলোচনা কৰক।

৯.৪ দেহ-মন সম্পৰ্কে স্পিনোজাৰ ধাৰণা

দেহ-মনৰ আলোচনাত স্পিনোজায়ো যোগ দিছিল। তেওঁৰ দেহ-মন সম্পৰ্কীয় ধাৰণা তেওঁৰ দ্ৰব্যৰ ধাৰণাৰ পৰা নিঃসৃত হৈছে। তেওঁৰ মতে, ঈশ্বৰ হৈছে পৰম দ্ৰব্য আৰু তেওঁৰ পৰাই সকলো উদ্ভৱ হৈছে আৰু তেওঁৰ জৰিয়তে সকলো ব্যাখ্যা সম্ভৱ। গতিকে তেওঁ দেহ-মনৰ সমস্যাটোও ঈশ্বৰৰ মাধ্যমেৰে সমাধান কৰিছে। তেওঁ দেহ আৰু মনক পৃথক বুলি স্বীকাৰ কৰা বিপৰীতে সিহঁতক একোটি মাত্ৰ পৰম দ্ৰব্য দুটা বিকাৰ (mode) বুলিহে গণ্য কৰিছে।

৯.৪.১ সমান্তৰালবাদ

স্পিনোজাৰ দেহ-মনৰ ধাৰণাক সমান্তৰালবাদ বুলি জনা যায়। তেওঁৰ মতে জড় আৰু মন অৰ্থাৎ বিস্তৃতি আৰু চেতনা, একেটা পৰম দ্ৰব্য পৰম দিশ মাত্ৰ। তেওঁৰ বিপৰীতে ডেকার্টে ধাৰণা কৰিছিল যে দেহ আৰু মন দুটা স্বতন্ত্ৰ আৰু স্বনিৰ্ভৰশীল দ্ৰব্য। স্পিনোজাই ডেকার্টেৰ লগত একমত নাছিল কাৰণ স্পিনোজাৰ মতে দ্ৰব্য হৈছে এক অখণ্ড সমগ্ৰ। গতিকে দ্ৰব্য কেবল এটাহে হ'ব পাৰে; যদি একাধিক হয়, তেন্তে এটাই আনটোক সীমিত কৰিব আৰু ফলত দ্ৰব্যৰ স্বাভাৰিক প্ৰকৃতি বিনষ্ট হ'ব।

স্পিনোজাৰ মতে পাৰস্পৰিক ক্ৰিয়াবাদৰ প্ৰসঙ্গত ডেকার্টেৰ স্থিতি সন্তোষজনক নহয় কিয়নো এই ধাৰণা ডেকার্টেৰ দ্বৈত ধাৰণাৰ পৰিপন্থী। বিশেষকৈ তেওঁৰ পাচৰ কার্টেচিয়ানসকলে যেতিয়া দেহ মনৰ সম্পৰ্কক 'উপলক্ষ বাদেৰে' ব্যাখ্যা কৰিব বিচাৰিলে, তেতিয়া ডেকার্টেৰ স্থিতি পূৰ্বতকৈ বেছি দুৰ্বল হ'ল। উপলক্ষবাদৰ মতেভৌতিক দেহ চিন্তাৰ কাৰণ বা চিন্তা ভৌতিক দেহৰ কাৰণ নহয়। ইয়াৰ মতে মানসিক ক্ৰিয়াৰ অনুৰূপ দৈহিক ক্ৰিয়া আৰু দৈহিক ক্ৰিয়াৰ অনুৰূপ মানসিক ক্ৰিয়া সংঘটিত হয় ঈশ্বৰৰ দ্বাৰা। উদাহৰণ স্বৰূপে আমি যেতিয়া কওঁ, এজন মানুহে সফলভাৱে কাৰ্য সম্পাদন কৰিলে, তাৰ অৰ্থ এইটো নহয় যে মানুহজনে কামটো কৰিলে; বৰং ঈশ্বৰেহে

তেওঁৰ ইচ্ছা শক্তিৰ আলমলৈ জাগতিক পৰিবৰ্তন আনিলে, অৰ্থাৎ কাৰ্যটো সম্পাদন কৰোৱালে। সেয়ে দেহ আৰু মন হৈছে ঈশ্বৰৰ চিন্তা শক্তি আৰু ক্ৰিয়া সম্পাদনৰ উপলক্ষ। দৰ্শনৰ ইতিহাসত কার্টেচিয়ানসকলৰ এই ধাৰণাক উপলক্ষবাদ বুলি জনা যায়। কিন্তু দেহ মনৰ সম্বন্ধৰ ক্ষেত্ৰত স্পিনোজাই ঈশ্বৰৰ হস্তক্ষেপ স্বীকাৰ নকৰে। গতিকে তেওঁ কার্টেচিয়ান দ্বৈতবাদক অগ্ৰাহ্য কৰি নিজৰ সমান্তৰাল বাদৰ পোষকতা কৰে।

এই মতবাদৰ মতে দেহ আৰু মন হৈছে একেটি পৰম দ্ৰব্যৰ দুটা বিকাৰ। একে দ্ৰব্যৰে দুটা দিশ হিচাপে সিহতৰ মাজত পাৰস্পৰিক ক্ৰিয়া সম্ভৱ নহয়। ফেকনাৰেও সমান্তৰালবাদৰ প্ৰতিনিধিত্ব কৰিলেও তেওঁ দেহ-মনক সম মৰ্যাদা প্ৰদান নকৰে; অৱশ্যে তেওঁ দুয়োটাৰে মাজত পাৰ্থক্যও স্বীকাৰ নকৰে। কিন্তু স্পিনোজাই দেহ-মনৰ পাৰ্থক্য মানি লয় আৰু দুয়োটাৰে সমান মৰ্যাদা স্বীকাৰ কৰে। ফেকনাৰে ক'ব খোজে যে প্ৰত্যেক জড় বস্তুতে চেতনা নিহীত থাকে, অৰ্থাৎ জগতৰ প্ৰত্যেক বস্তুতেই আত্মা নিহীত হৈ আছে। ফেকনাৰে এইদৰে চেতনাৰ প্ৰাধান্য আৰু জড় বস্তুৰ ওপৰত তাৰ নিয়ন্ত্ৰণ স্বীকাৰ কৰিছে । এইখিনিতে ফেকনাৰ আৰু স্পিনোজাৰ দ্ৰব্য সম্পৰ্কীয় ধাৰণাৰ অমিল আহি পৰিছে। ফেকনাৰৰ ধাৰণা সম্পূৰ্ণভাৱে সৰ্বচিত্তবাদী; (Panpsychistic) কিন্তু স্পিনোজাই দেহ আৰু মনক সমান্তৰাল বুলি স্বীকাৰ কৰি মত পোষণ কৰে যে ইহঁতৰ এটাই আনটোৰ ওপৰত প্ৰাধান্য বিস্তাৰ নকৰে। এই মতবাদৰ মতে দেহৰ জৰিয়তে মনক বা মনৰ জৰিয়তে দেহক ব্যাখ্যা কৰিব নোৱাৰি। ইহঁত কেৱল এটা মাত্ৰ সাৰ্বজনীন সত্তা 'ঈশ্বৰ'ৰ দুটা বহিঃপ্ৰকাশ। কিন্তু একে সত্তাৰ প্ৰকাশ যদিও সিহত এটা আনটোৰ কাৰণ নহয়, বৰং সিহত পৰম দ্ৰব্য বা চৰম কাৰণৰ পৰা উদ্ভৱ হোৱা কার্যহে। গতিকে সিহঁত কেবল এক অখণ্ডিত সমগ্ৰৰ দুটা দিশ। এই ভিত্তিত স্পিনোজাৰ ধাৰণাক সৰ্বচিত্ত সমান্তৰালবাদ বুলি জনা যায়।

যদি দেহ আৰু মনে পৰস্পৰ ক্ৰিয়া নকৰে, তেন্তে সিহঁতৰ মাজত সম্বন্ধ কেনেকৈ সম্ভৱ হয়? স্পিনোজাৰ মতে সিহঁতে সমান্তৰালভাৱে ক্ৰিয়া কৰে। সিহঁত নিজৰ প্ৰকৃতিত স্বতন্ত্ৰ আৰু অসীম। সিহঁতৰ এটাই আনটোৰ অবিহনে ঈশ্বৰৰ অসীমতাৰ প্ৰকাশ কৰিব পাৰে। কাৰণ ঈশ্বৰৰ অনুপম অসীম প্ৰকৃতিৰ মাজত বিস্তৃতি (দেহ) আৰু চেতনাও (মন) আছে। গতিকে এখন চছমাৰ ধেনুভেৰীয়া (Concave) আৰু দুৰাপিঠিয়া (Convex) আইনাৰ দৰে দেহ আৰু মনো একেজন ঈশ্বৰৰে দুটা অবিচ্ছেদ্য প্ৰকাশ। এটা দিশৰ পৰা ঈশ্বৰ বিস্তৃত আৰু আনটো দিশৰ পৰা তেওঁ চেতন। গতিকে দেহ আৰু মন একে ঈশ্বৰৰ দুটা অংশ আৰু সিহঁতে এটাই আনটোক হস্তক্ষেপ নকৰাকৈ সমান্তৰালকৈ ক্ৰিয়া কৰিব পাৰে। অৱশ্যে সিহঁত এটাৰ অবিহনে আনটোৰ স্বাধীন অস্তিত্ব নাই। এইদৰে স্পিনোজাৰ সমান্তৰালবাদে ভাববাদ আৰু জড়বাদক অস্বীকাৰ কৰাৰ লগতে দেহৰ ওপৰত মনৰ বা মনৰ ওপৰত দেহৰ অস্তিত্ব অস্বীকাৰ কৰিছে।

স্পিনোজাৰ সমান্তৰালবাদ গ্ৰহণযোগ্য নহয়। তেওঁৰ মতে দ্ৰব্যৰ বিস্তৃতি আৰু চেতন আছে আৰু মানব মনে এই দুটা গুণক জানিব পাৰে। কিন্তু প্ৰশ্ন হয় মানুহে কেবল দুটা গুণকহে কিয় জানিব পাৰে আৰু আনবোৰক নোৱাৰে? স্পিনোজাই এই প্ৰশ্নৰ উত্তৰত কৈছে যে সীমিত মানুহৰ ঈশ্বৰক জনাৰ ক্ষমতাও সীমিত। আনহাতে ঈশ্বৰৰ গুণসমূহ স্বৰূপগতভাৱেই যদি অসীম হয়, তেন্তে মানৱ মনৰ পৰিধি কেবল চিন্তাতেই সীমিত হ'ব নোৱাৰে; অৰ্থাৎ মানৱ মনে চিন্তাৰ পৰিধি অতিক্ৰম কৰিব লাগিব। গতিকে দেহ-মন সম্পৰ্কত স্পিনোজাৰ সমান্তৰালবাদী ধাৰণা গ্ৰহণযোগ্য নহয়।

স্পিনোজাৰ দ্বি-পক্ষ সিদ্ধান্তই কিছুমান আসোৱাহ সৃষ্টি কৰে। দেহ মনক ব্যাখ্যা কৰিবলৈ তেওঁ কেতিয়াও এটাৰ ওপৰত আনটোক প্ৰাধান্য দিয়া নাই। আনহাতে ভাববাদী পক্ষপাতৰ পৰাও তেওঁৰ ধাৰণা মুক্ত নহয়, কাৰণ

তেওঁ বাৰে বাৰে কৈছে যে দ্ৰব্য হৈছে এক অখণ্ডিত সমগ্ৰ; আৰু দেহ আৰু মন দ্ৰব্যৰ দুটা দিশ। দ্ৰব্য হৈছে নিৰ্বিশেষ, অসীম, অখণ্ডিত, সমগ্ৰ আৰু সকলো বস্তুৰ আধাৰ। এই দৃষ্টিকোণৰ পৰা তেওঁৰ সমান্তৰালবাদ সন্তোষজনক নহয়।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ঃ খালী ঠাই পুৰণ কৰক

ক) স্পিনোজাৰ মতে ------- আৰু ------- দ্ৰব্যৰ দুটা গুণ ।

খ) স্পিনোজাৰ দেহ-মনৰ ধাৰণাক --------- বুলি জনা যায়।

গ) স্পিনোজাৰ মতে --------- হৈছে এক আৰু অখণ্ডিত সমগ্ৰ।

ঘ) ------ মতে দেহ আৰু মন এক অখণ্ডিত সমগ্ৰৰ দুটা দিশ।

প্ৰশ্ন নং ৫ঃ উপলক্ষ্যবাদৰ প্ৰৱৰ্তক কোন?

প্ৰশ্ন নং ৬ঃ সমান্তৰালবাদ কি? (১০৪ টা শব্দত উত্তৰ লিখক)

প্ৰশ্ন নং ৭ঃ স্পিনোজাৰ মতবাদক কিয় মনোদৈহিক সমান্তৰালবাদ বুলি কোৱা হয়? (৪৬ টা শব্দৰ ভিতৰত)

প্ৰশ্ন নং ৮ঃ স্পিনোজাৰ ধাৰণা কিয় সন্তোষজনক নহয় ? (৬৭ শব্দৰ ভিতৰত)

চিন্তা-চৰ্চা কৰক ৯.২

আপুনি সমান্তৰালবাদ সমৰ্থন কৰেনে? যদি কৰে আপোনাৰ উত্তৰৰ সমৰ্থনত যুক্তি দি আলোচনা কৰক।

৯.৫ দেহ-মন সম্পৰ্কে লাইব্‌নিৎজৰ ধাৰণা

দাৰ্শনিক লাইব্‌নিৎজেও দেহ-মনৰ ধাৰণা সম্পৰ্কে আলোচনা কৰিছিল। ইয়াৰ লগতে তেওঁ দেহ আৰু মনৰ লগত সম্বন্ধ থকা আন আন বিষয়েও আলোচনা কৰিছে। স্পিনোজাৰ আলোচনা দেহ-মনৰ মাজতেই সীমাবদ্ধ আছিল কিন্তু লাইব্‌নিজে দেহ-মনৰ বাহিৰেও ভিন্ ভিন্ বিষয় আলোচনা কৰিছিল। সকলো বস্তুৰ অখণ্ডতাক বুজাবৰ বাবে লাইব্‌নিৎজে মনাড বা চিৎপৰমাণুৰ ধাৰণা প্ৰৱৰ্তন কৰিছিল। তেওঁৰ মতে মনাড সংখ্যাত অলেখ আৰু প্ৰত্যেক মনাড নিত্য, প্ৰকৃত আৰু অপৃথক। স্পিনোজাৰ দ্ৰব্যৰ ধাৰণাৰ দৰে মনাডবোৰ প্ৰকৃত। প্ৰত্যেক মনাড অস্তিত্বশীল, অসীম আৰু একোখন সম্ভাৱনীয় জগত। ই যেন ক্ষুদ্ৰ জগতৰ মাজত একোখন ত্ৰিভুবন। এক অখণ্ডিত সমগ্ৰ হিচাপে প্ৰত্যেক মনাডে জগতক প্ৰতিবিম্বিত কৰে। প্ৰত্যেক মনাডেই স্ব-নিৰ্ভৰশীল একক হিচাপে আন মনাডক বৰ্জন কৰে। প্ৰত্যেক মনাডেই নিজৰ দ্বাৰাই জগতক প্ৰতিবিম্বিত কৰে অৰ্থাৎ একোখন সম্ভাৱনীয় জগত। মনাডবোৰ খিৰিকীবিহীন গতিকে তাৰ মাজেৰে যিকোনো বস্তু ওলাব বা সোমাব নোৱাৰে। কোনো মনাডেই একে নহয়। সিহঁতক অস্তিত্বৰ ক্ৰম অনুসৰি সজোৱা হয়। গতিকে মনাড উচ্চ বা নিম্নমানবিশিষ্ট হ'ব পাৰে। নিম্নতম

মনাডৰ বৈশিষ্ট্য 'বোধশক্তি' বাধা প্ৰাপ্ত হয় । এইবোৰ মনাডে নিৰ্জীৱ পদাৰ্থ সৃষ্টি কৰে। ইয়াৰ উপৰিও চেতন মনাডো আছে। সিহঁতক আত্মা বোলা হয় আৰু সিহঁতে উদ্ভিদ আৰু জীৱ জগত সৃষ্টি কৰে। এইবোৰৰ ওপৰত উচ্চ মনাডৰ অৱস্থান য'ত সাৰ্বিকতা, যুক্তি আৰু অনিবাৰ্য জ্ঞান নিহিত থাকে। সেয়ে মনাডৰ এই ক্ৰমত উচ্চ মনাডৰ ক্ষেত্ৰত এই শক্তি যান্ত্ৰিকভাৱে চালিত হয়। উদাহৰণ স্বৰূপে জন্তু ৰুচি হৈছে এটা প্ৰবৃত্তি। কিন্তু সেই একে ৰুচি উচ্চ মনাডত আত্ম চেতনা, কামনা বা ইচ্ছাৰূপে আবিৰ্ভাব হয়।

স্পিনোজাই দেহ আৰু মনৰ একতাৰ বৰ্ণনা দিছিল। কিন্তু লাইব্‌নিৎজে মনাডৰ ভিন্নতাৰ উল্লেখ কৰিছে। কিন্তু এক গুৰুত্বপূৰ্ণ প্ৰশ্ন হ'ল যে ভিন্ন প্ৰকাৰ মনাডৰ মাজত সংযোগৰ ব্যাখ্যা কেনেকৈ কৰা যায়? মনাডবোৰ যিহেতু খিৰিকীবিহীন গতিকে সিহঁতৰ মাজত সম্পৰ্ক নাই। কিন্তু কোৱা হৈছে যে মনাডবোৰ স্বাধীন আৰু অসম্পৰ্কিত হ'লেও সিহঁতৰ নিজৰ মাজত পৰস্পৰ সংযোগৰ এক অন্তৰস্থ কামনা বিৰাজ কৰে। লাইব্‌নিৎজৰ মতে বিভিন্ন প্ৰকাৰৰ মনাডৰ মাজত ঈশ্বৰে পূৰ্বতে সংযোগ স্থাপন কৰি থৈছে আৰু এই সম্পৰ্কৰ ৰক্ষণাবেক্ষণৰ বাবে তেওঁ মনাডসমূহক সৃষ্টিৰ ক্ৰম অনুসৰি সুন্দৰকৈ সজাই থৈছে। এটা মনাডৰ পৰিবৰ্তনৰ কাৰণ হৈছে আন এটা মনাড। যৌক্তিকভাৱে ক'বলৈ হলেও A ৰ পৰিৱৰ্তনৰ কাৰণ হৈছে B। এই প্ৰসঙ্গত লাইব্‌নিৎজৰ ধাৰণা এই যে মনাডবোৰ যিহেতু খিৰিকীবিহীন গতিকে সিহঁতে পৰস্পৰ ক্ৰিয়া কৰিব নোৱাৰে। সিহঁতৰ মাজত আনুসঙ্গিক সম্পৰ্ক আছে। উদাহৰণ স্বৰূপে এটা বুটামত হেচা দিয়াৰ লগে লগে লাইটটো জ্বলি উঠে। বুটামটোত হোৱা পৰিবৰ্তনে লাইটটো জ্বলাৰ কাৰণ। বুটাম লাইটৰ মাজত সম্পৰ্ক আনুসঙ্গিকতাৰহে, পাৰস্পৰিক ক্ৰিয়াৰ নহয়।

লাইব্‌নিৎজে ভাবে যে ঈশ্বৰৰ ইচ্ছাৰ এখন মহৎ আঁচনি কাৰ্যকৰী কৰিবৰ বাবে ঈশ্বৰে মনাডসমূহক অস্তিত্বৰ ক্ৰম অনুসৰি সজাই সিহঁতৰ মাজত সংযোগৰ ব্যৱস্থা কৰিছে। মনাডবোৰে নিজৰ অন্তৰস্থ ইচ্ছাত স্বাধীনভাবে কাম কৰে আৰু এই অন্তৰস্থ ইচ্ছা ঈশ্বৰৰ উদ্দেশ্য ৰূপায়ণৰ লগত সংযোগ ঘটে। প্ৰত্যেক মনাডেই ঈশ্বৰৰ আঁচনিত চামিল হ'ব বিচাৰে আৰু সেয়ে সিহঁত সংযোজিত হয়।

এই পূৰ্বপ্ৰতিস্থিত সামঞ্জস্যবাদৰ দ্বাৰা লাইব্‌নিৎজে দেখুৱাব বিচাৰে যে স্পিনোজৰ সমান্তৰালবাদৰ দৰে তেওঁৰ ধাৰণা দেহ মনৰ মাজতে সীমাবদ্ধ নহয়। তাৰোপৰি তেওঁৰ মতবাদে বিভিন্ন প্ৰকাৰৰ মনাডৰ মাজত পৰস্পৰ একতা সম্ভৱ কৰি তোলে। যদিও লাইব্‌নিৎজৰ মতবাদে মন আৰু দেহৰ মাজত সমন্বয়ৰ সৃষ্টি কৰিছে তথাপি তেওঁৰ মতবাদত কিছুমান আসোৱাহ পোৱা যায়।

সকলো মনাডৰ সৃষ্টিকৰ্তা হিচাপে লাইব্‌নিৎজে ঈশ্বৰৰ প্ৰাধান্য দেখুৱাব বিচাৰিছে। যদি ঈশ্বৰ মানডৰ সৃষ্টি কৰ্তা হয় তেন্তে মনাডবোৰ স্বতন্ত্ৰ আৰু স্বনিৰ্ভৰশীল বোলা কথাষাৰ আত্মবিৰোধী। গতিকে 'ধাৰণা হিচাপে ঈশ্বৰ' আৰু 'পূৰ্ব প্ৰতিস্থিত সামঞ্জস্যবাদৰ সৃষ্টিকৰ্তা ঈশ্বৰ' এই দুই ধাৰণাৰ মাজত কোনো মিল নাই অৰ্থাৎ অসংলগ্ন।

পূৰ্ব প্ৰতিস্থিত সামঞ্জস্যবাদে বিভিন্নতাৰ মাজত ঐক্যতা আনিছে, যিটোৰ স্পিনোজাৰৰ সমান্তৰালবাদত অভাব ঘটিছে। লাইব্‌নিৎজে দেহ মনৰ মাজত সমন্বয় সাধন কৰিছে। তেওঁৰ মতে দেহটো মুক্ত মনাডৰ সংগঠন। আন কথাত দেহটো হৈছে প্ৰাণবন্ত আংগিক অবয়ব যিয়ে জীৱন্ত শক্তিক নিৰ্দেশ কৰে। মনাডৰ মাজত এগৰাকী প্ৰধান বা ৰাণী মনাড থাকে আৰু তেওঁ আন মনাডৰ কাৰ্যপ্ৰণালী একত্ৰিত (Focus) কৰাৰ উপৰিও এক জাগতিক ৰূপত আন মনাডৰ পৰিবৰ্তনসমূহ প্ৰতিবিম্বিত কৰে। প্ৰধান মনাডেই হৈছে আত্মা ; ইয়াৰ প্ৰকৃতি আন মনাডতকৈ শ্ৰেষ্ঠ এই আত্মাই জগতৰ আন মনাডবোৰৰ কাৰ্যাৱলী অনুধাৱন কৰে। এই শ্ৰেষ্ঠ মনাড বা ঈশ্বৰে নিম্নমানৰ মনাডৰ

কার্যাৱলীৰ বিধান কৰে। সেইবাবেই নিম্নবর্গৰ মনাডবোৰে ঈশ্বৰৰ লক্ষ্যত উপনীত হ'বৰ বাবে উদ্দেশ্য হিচাপে কাম কৰে। আমি যেতিয়া হাত লৰচৰ কৰিব বিচাৰো তেতিয়া আমাৰ শৰীৰ মাংসপেশীবোৰে শৰীৰত আনুসঙ্গিক পৰিৱর্তন আনে। এই ক্ষেত্রত আমাৰ শৰীৰৰ মাংশপেশী পৰিৱর্তনৰ কাৰণ হ'ল আমাৰ ইচ্ছা আৰু এই পৰিবর্তন সম্ভৱ হৈছে সহপৰিৱর্তনৰ বাবে।

দেহ আৰু মনৰ সম্বন্ধক একে সময়তে মিলাই থোৱা দুটা ঘড়ীৰ সহায়ত প্রকাশ কৰিব পাৰি। এই সমন্বয় তিনিটা ভিন্ন ধৰণে প্রকাশ কৰিব পাৰি। ক) দুটা ঘড়ী এটাৰ লগত আনটোক যান্ত্রিকভাৱে এনে ভাৱে জোৰা লগাব পাৰি যে এটাৰ গতিয়ে আনটো ঘড়ীটো অনুৰূপ গতি প্রদান কৰিব। এই দুটা ঘড়ীৰ সম্বন্ধৰ দৰে দেহ আৰু মনেও পাৰস্পৰিক ক্রিয়া প্রতিক্রিয়া কৰিব পাৰে বুলি ডেকার্টে মত পোষণ কৰে। কিন্তু লাইব্‌নিৎজে বিপৰীত মত পোষণ কৰি কয় যে, যিহেতু মনাডবোৰ খিৰিকীবিহীন সেয়ে সিহঁতৰ মাজত ক্রিয়া - প্রতিক্রিয়া সম্ভব নহয়। খ) ঘড়ী দুটাই সামঞ্জস্যপূর্ণভাৱে কাম কৰিব পাৰে যদিহে সঠিক সময়ৰ অন্তৰে অন্তৰে চলিব পৰাকৈ ঘড়ী কেইটাক কোনো কাৰিকৰে বিধান কৰি থয়। এই প্রসঙ্গত দেহ-মনৰ সম্বন্ধ বুজাবলৈ উপলক্ষ্যবাদে ঈশ্বৰৰ হস্তক্ষেপৰ ধাৰণা স্বীকাৰ কৰিছে। কিন্তু লাইব্‌নিৎজে খিৰিকী বিহীন মনাড দেহ আৰু মনৰ মাজত ঈশ্বৰৰ পুনঃ পুনঃ হস্তক্ষেপৰ ধাৰণা অস্বীকাৰ কৰে। গ) দুয়োটা ঘড়ীৰ কাটাকেইডাল ইমান নিখুতভাৱে মিলাই থ'ব পাৰি যে সিহঁতে সমন্বয় ৰাখি কাম কৰিব। লাইব্‌নিৎজে এই ধাৰণা গ্রহণ কৰি মত পোষণ কৰে যে ঈশ্বৰেই খিৰিকীবিহীন মনাডবোৰৰ সৃষ্টিকর্তা।

সংক্ষেপে পূর্ব প্রতিস্থিত সামঞ্জস্যবাদে কয় যে দেহে যেন আত্মা অবিহনে বা আত্মাই দেহৰ অবিহনে কাম কৰিব পাৰে। কিন্তু সিহঁতে এনেভাৱে কাম কৰে যে এটাই আনটোক প্রভাৱান্বিত কৰে।

যদিও মনাডবোৰ প্রকৃতিগতভাৱে স্বাধীন আৰু স্বনির্ভৰশীল, অতি সুক্ষ্মভাৱে এটাই আনটোক নেতৃত্ব দিয়ে। মনাডৰ মাজত থকা এই অদৃশ্য যোগাযোগে জাগতিক বিভিন্নতাক ব্যাখ্যা কৰিব পৰাৰ সম্ভাৱনা সুগম কৰে। তাতোকৈ ওপৰত এই যোগাযোগে মন আৰু দেহ, মানুহ আৰু জন্তু, চেতন আৰু অচেতন অৱস্থাৰ মাজত থকা শুন্যতা পূৰণ কৰিব পাৰে। ইয়াতে প্রশ্ন হয় যে, যদি মনাডবোৰ খিৰিকীবিহীন হয়, তেতিয়া সিহঁতৰ মাজত সম্বন্ধ কেনেকৈ সম্ভৱ হয়। ইয়াৰ উত্তৰত ক'ব লাগিব যে খিৰিকীবিহীন হোৱা বাবেই সিহঁতৰ নিজৰ মাজত কোনো ধৰণৰ সম্বন্ধ নাই।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৯ ঃ খালি ঠাই পুৰণ কৰক -

ক) লাইব্‌নিৎজৰ মতে মনাডবোৰ.....।

খ) ..... পূর্বপ্রতিস্থিতবাদৰ প্রৱর্তক।

প্রশ্ন নং ১০ ঃ মনাডৰ ধাৰণা কোনে প্রৱর্তন কৰিছিল?

প্রশ্ন নং ১১ ঃ পূর্বপ্রতিস্থিত সামঞ্জস্যবাদ কি? (৬৯ টা শব্দত উত্তৰ লিখক)

প্রশ্ন নং ১২ ঃ প্রধান মনাডৰ স্বৰূপৰ চমু বর্ণনা দিয়ক (৭৪ টা শব্দৰ ভিতৰত)

চিন্তা-চৰ্চা কৰক ৯.৩

দেহ-মনৰ সম্পৰ্কৰ ক্ষেত্ৰত আপুনি পূৰ্ব প্ৰতিস্থিত সামঞ্জস্যবাদ সমৰ্থন কৰে নেকি? আলোচনা কৰক।
উত্তৰ-

৯.৫.১ লাইব্‌নিৎজৰ দেহ-মনৰ ধাৰণাৰ বিষয়ে ৰাছেলৰ মন্তব্য

দেহ-মনৰ সম্বন্ধৰ সম্পৰ্কত ৰাছেলে কয় যে বিস্তৃতি জড় বস্তুৰ মৌলিকতা নহয় আৰু জড় বস্তু অনিবাৰ্যভাৱে সংখ্যাত বহু (Plural)। ৰাছেলে মত পোষণ কৰে যে লাইব্‌নিৎজে দেহ-মন সম্পৰ্কে নতুন ধাৰণা গ্ৰহণ কৰক আৰু নিসন্দেহে পূৰ্ব প্ৰতিস্থিত সামঞ্জস্যবাদৰ উদ্দেশ্য হিচাপে তেওঁ এক নতুন ধাৰণা পোষণ কৰা উচিত বুলি ৰাছেলে ভাৱে। এই ক্ষেত্ৰত দেহ-মন সম্পৰ্কে ই হ'ব এক নতুন ধাৰণা। তেওঁ লাইব্‌নিৎজৰ ধাৰণাক বহল ভিত্তিত আলোচনা কৰি নিজৰ মতামত আগবঢ়াইছে।

ৰাছেলে কয় যে লাইব্‌নিৎজৰ ধাৰণা এই যে মনাডৰ বাদে আন একোৱেই প্ৰকৃত নহয়। জড় দেহৰ উপস্থিতিৰ (appearance) অৰ্থ হৈছে মনাডবোৰৰ সীমাহীন একত্ৰীকৰণ। মনাডবোৰৰ বোধশক্তি একে নহয় আৰু যিবোৰ মনাডৰ বোধশক্তি বেছি বা স্পষ্ট সেইবোৰ আনবোৰতকৈ বেছি সক্ৰিয়। যেতিয়া এটা মনাডৰ পৰিবৰ্তনে আন এটা মনাডৰ পৰিবৰ্তন ব্যাখ্যা কৰিব পাৰে তেতিয়া প্ৰথম মনাড হৈছে সক্ৰিয় আৰু দ্বিতীয় মনাড হৈছে নিষ্ক্ৰিয় (passive)। ঠিক সেইদৰে আমাৰ দেহত থকা মনাডৰ (মই) বোধশক্তি আন মনাডতকৈ বেছি আৰু সিয়েই আন আন মনাডৰ ওপৰত অধিপতি (dominant) । বেছিবোধ শক্তি থকা মনাডবোৰ বেছি সক্ৰিয়। গতিকে ঠাৱৰ কৰিব পাৰি যে মনাডবোৰৰ মাজত পাৰস্পৰিক ক্ৰিয়া প্ৰতিক্ৰিয়া সম্ভৱ নহয়। জড়দেহ সংখ্যাত অধিক, কিন্তু আত্মা কেৱল এটাই। আত্মা আৰু জড় দেহৰ মাজত পূৰ্ব প্ৰতিস্থিত সমন্বয়ৰ সম্পৰ্ক আছে। গতিকে আত্মা বোধশক্তি বেছি আৰু দেহৰ বিভিন্ন ঘটনা আত্মাত প্ৰতিবিম্বিত হয় । গতিকে আত্মাই দেহৰ ওপৰত কেৱল ক্ৰিয়া কৰে আৰু ইয়াক নিয়ন্ত্ৰণো কৰে।

লাইব্‌নিৎজে মনাডৰ ক্ৰমৰ তিনিটা ক্ৰম ৰাছেলে আলোচনা কৰিছে। সেইকেইটা হ'ল মুক্ত মনাড, আত্মা আৰু বৌদ্ধিক আত্মা। মুক্ত মনাডৰ বোধশক্তি আৰু কামনা তেনেই নিম্ন মানৰ। এই শ্ৰেণীৰ মনাডৰ লগত আত্মাৰ পাৰ্থক্য এয়ে যে আত্মাৰ স্মৃতি শক্তি, অনুভৱ আৰু মনোযোগ আছে। জীৱ-জন্তুৰো আত্মা আছে, কিন্তু মানুহৰ আত্মা হৈছে বৌদ্ধিক আত্মা। বৌদ্ধিক আত্মা দেৱতুল্য নহয়। দেৱতুল্য আত্মাক আত্ম চেতনা, ঐশ্বৰিক জ্ঞান আৰু বুদ্ধিৰে জনা যায়। বৌদ্ধিক আত্মাই ঐশ্বৰিক জগত সৃষ্টি কৰে আৰু ঈশ্বৰে বৌদ্ধিক আত্মাক শ্ৰেষ্ঠতা প্ৰদান কৰে। বৌদ্ধিক আত্মা অমৰ হোৱা বাবে ইয়াৰ নৈতিক পৰিচয় সংৰক্ষিত হৈ থাকে। মনাডবোৰ যদিও এটা আনটোৰ বিষয়ে অজ্ঞ, তথাপি সিহত প্ৰকৃতিগতভাৱে এটা আনটোৰ অনুৰূপ।

বোধশক্তিৰ স্পষ্টতাৰ ওপৰত মনাড সক্ৰিয় বা নিষ্ক্ৰিয় হ'ব পাৰে। পূৰ্ণতাৰ ক্ষেত্ৰত মনাডবোৰৰ মাজত পৰ্যায় আছে। লাইব্‌নিৎজৰ মতে আত্মা যিহেতু পূৰ্ণ ইয়াৰ বোধশক্তি স্পষ্ট; কিন্তু ভৌতিক দেহটো অপূৰ্ণ। তেওঁৰ মতে নিম্নমানতকৈ উচ্চমানৰ সৃষ্টিত পূৰ্ণতাৰ পৰিমাণ বেছি। এটাৰ ওপৰত আনটোৰ প্ৰভাৱ সম্পূৰ্ণ ভাববাদী । আন মনাডবোৰক বিধান (Regulate) কৰাৰ ক্ষেত্ৰত ঈশ্বৰে উচ্চমানৰ মনাডৰ মনোযোগ আকৰ্ষণ কৰে। ৰাছেলেও

লাইব্‌নিৎজৰ ধাৰণাক ব্যাখ্যা কৰি কৈছে যে কম পূৰ্ণতাপ্ৰাপ্ত দ্ৰব্যবোৰে যথেষ্ট কষ্ট কৰিবলগীয়া হয়। পূৰ্ণ দ্ৰব্যৰ ক্ষেত্ৰত কৰ্মই আনন্দ আনে আৰু ক্ৰোধে বিষাদগ্ৰস্থ কৰে। সক্ৰিয়তা নিষ্ক্ৰিয়তাৰ বিপৰীত যি লাইব্‌নিৎজৰ মতে প্ৰকৃত দ্ৰব্যই কেবল কৰ্ম কৰে। সকলো দ্ৰব্যই সুখ-দুখ অনুভৱ কৰে। প্ৰকৃত দ্ৰব্য কেবল সক্ৰিয় আৰু যেতিয়া ইয়াৰ বোধশক্তিৰ বিকাশ ঘটে তেতিয়া ই স্পষ্ট আৰু উজ্বল হৈ উঠে। ক্ৰোধৰ উপস্থিতিত দ্ৰব্য বিমোৰত পৰে। দ্ৰব্যৰ সকলো কৰ্মই সন্তোষ আনে ক্ৰোধে বিপত্তিৰ উৎপত্তি কৰে।

ৰাছেলে উল্লেখ কৰিছে যে লাইবনিৎজৰ ধাৰণাই আমাক স্পিনোজাৰ দ্ৰব্যৰ ধাৰণালৈ মনত পেলায়। স্পিনোজাৰ মতে এটা সক্ৰিয় দ্ৰব্যত দুটা উপাদান জড়িত হৈ থাকে এটা হৈছে পূৰ্ণতা আৰু আনটো হৈছে বোধশক্তিৰ স্পষ্টতা। তেওঁ এই দুই উপাদানৰ মাজত অনিবাৰ্য সম্পৰ্ক স্বীকাৰ কৰে। তেওঁ পুনৰ কয় যে বৌদ্ধিক আত্মা নিজৰ অভিপ্ৰায়ত বেয়া বা ভাল হ'ব পাৰে। মুক্ত মনাড আৰু আত্মা বৌদ্ধিক আত্মাৰ কেবল উদ্দেশ্য। বৌদ্ধিক আত্মাত শ্ৰেষ্ঠতাৰ যুক্তিয়ে ইচ্ছা নিৰ্দ্ধাৰণ কৰে অৰ্থাৎ আমি যদি শুদ্ধ সিদ্ধান্ত লওঁ, তেন্তে আমি সঠিকভাৱে কৰ্ম নিৰ্দ্ধাৰণ কৰিম। শুদ্ধ সিদ্ধান্ত নিৰ্ভৰ কৰে বোধশক্তিৰ স্পষ্টতাৰ ওপৰত। বোধশক্তিক উপলব্ধি কৰিবলৈ আমি সামৰ্থ অনুসৰি কম বেছি পৰিমাণে পূৰ্ণ।

আত্মা আৰু দেহৰ সম্পৰ্ক ভৌতিক পৰিবৰ্তনেৰে ব্যাখ্যা কৰিব পাৰি। পৰিৱৰ্তনে হৈছে মনাডৰ মূল উপাদান ইয়ে। জাগতিক গতিৰো মুল। সীমিত প্ৰকৃতিৰ বা নিস্ক্ৰিয় মনাডৰ লগত ই অনুৰূপ। ভৌতিক দেহৰ অৰ্থ হৈছে মনাডৰ একত্ৰীকৰণ। ঈশ্বৰে ইচ্ছা কৰিলে মনাড ক একত্ৰীকৰণ প্ৰক্ৰিয়াৰ পৰা বঞ্চিত কৰিব পাৰে। কিন্তু ইয়াৰ মুল উপাদান 'পৰিবৰ্তন'ৰ পৰা ইয়াক বঞ্চিত কৰিব নোৱাৰে, কাৰণ তেনে কৰিলে সেই মনাড ঈশ্বৰৰ সমকক্ষ হ'ব। পৰিবৰ্তনৰ আধাৰতে মনাড সমূহক ঈশ্বৰৰ পৰা পৃথক কৰা হৈছে, কাৰণ পৰিবৰ্তনে মনাডক সীমিত কৰে। আনহাতে ভৌতিক বস্তুৰ ক্ষেত্ৰত চেতনা বা বোধশক্তি অস্পষ্ট।

ৰাছেলৰ মতে লাইব্‌নিৎজৰ ধাৰণা এই যে কেবল ঈশ্বৰ হে জড় বস্তুৰ ওপৰত। লাইব্‌নিৎজৰ বাবে প্ৰয়োজনীয় সংযোগ দেশ কাল অবিহনেও বৌদ্ধিক আত্মা বৰ্তি থাকিব পাৰে। বৌদ্ধিক আত্মাই দেশ আৰু কালৰ সম্বন্ধই নিৰ্দেশ কৰা সাৰ্বজনীন সম্বন্ধ আৰু জাগতিক ক্ৰমৰ বাহিৰত। দেশ, কালত অবস্থিত মনাডবোৰ অস্পষ্ট। এইবোৰৰ বোধশক্তি অচেতন হৈও থাকিব পাৰে। মনাডৰ ধাৰণাটোৱে গোটেই জগতখনকে প্ৰতিফলিত কৰে। বোধশক্তি সম্পন্ন মনাডবোৰ অগণন ইন্দ্ৰিয়াতীত বোধশক্তিৰে গঠিত।

ৰাছেলে ভাৱে যে লাইব্‌নিৎজৰ দেহমনৰ আলোচনাত দুটা সংলগ্ন ধাৰণা ভাববাদ আৰু বাস্তৱবাদ নিহীত হৈ আছে। ফলস্বৰূপে দাৰ্শনিকসকলৰ মাজত এইলৈ বিভাজনৰ সৃষ্টি হৈছে। ৰাছেলৰ মন্তব্য এই যে এই বিষয়ত লাইব্‌নিৎজৰ লগত আপোচ কৰাৰ কোনো উপায় নাই।

এটা জৈৱিক দেহক নিৰ্দিষ্ট গঠন দিবৰ বাবে এটা অধিপতি (dominant) মনাডৰ প্ৰয়োজন। নিৰ্জীৱ গঠনত তেনে কোনো মনাড নাই। জৈৱিক দেহত অধিপতি বা অধীনস্থ যিকোনো ৰূপত মনাড থাকিবই। জৈৱিক দেহ অসংখ্য ক্ষুদ্ৰ ক্ষুদ্ৰ জৈৱিক দেহৰ সংগঠন। এই ক্ষুদ্ৰ জৈৱিক দেহবোৰৰ এটাহে মাত্ৰ দৈহিক বিন্দু থাকে। লাইব্‌নিৎজে কয় যে অংগ পতংগ বিশিষ্ট এটা স্বাভাৱিক অবয়ব, ইয়াৰ ক্ষুদ্ৰতম অংশত কেবল এটা যন্ত্ৰ।

প্ৰথম মতবাদত মনাডৰ অধিপতিৰ অৰ্থ হৈছে যে ই আন মনাডতকৈ স্পষ্ট ৰূপত ক্ৰিয়া কৰে। অধিপতি মনাড হৈছে কেন্দ্ৰবিন্দু আৰু ই দৈহিক ক্ৰিয়াবোৰক স্পষ্ট ৰূপত উত্থাপন কৰে। প্ৰত্যেক মনাডে নিকততম ঘটনাবোৰক পৰিষ্কাৰকৈ জানিব পাৰে।

যদিও জৈৱিক অবযৱবোৰ মনাডেৰে গঠন হয় তথাপি সিহঁত একেধৰণৰ নহয়। এই অবয়ৱবোৰ হৈছে এটা নিত্য প্ৰবাহ। লাইব্‌নিৎজে কয় যে দেহ আৰু আত্মাই একেলগে এটা দ্ৰব্য গঠন নকৰে। প্ৰকৃততে দেহে ক্ৰিয়া কৰোতে আত্মাৰ উপস্থিতি বা আত্মাই ক্ৰিয়া কৰোতে দেহৰ উপস্থিতিক লক্ষ্য নকৰে, অৰ্থাৎ সিহঁতে ক'ব নোৱাৰাকৈয়ে এটাই আনটোৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে। ইচ্ছা জাগ্ৰত হোৱাৰ লগে লগে ক্ৰিয়া কৰিবলৈ আত্মা প্ৰস্তুত হৈ থাকে আৰু এই প্ৰস্তুতিয়ে দেহ মনৰ মাজত সংযোগ সম্ভৱ কৰে। দেহ আৰু মনে পাৰস্পৰিক ক্ৰিয়া নকৰে, কিন্তু একে মতত উপনীত হয়। দক্ষ কাৰণৰ নিয়ম অনুসৰি দুটা কাৰণৰ এটাই স্বাধীনভাৱে ক্ৰিয়া কৰে, পৰিণাম কাৰণৰ মতে প্ৰত্যেক কৰ্তাই স্বাধীন ভাৱে ক্ৰিয়া কৰে।

সংক্ষেপে লাইব্‌নিৎজৰ দেহ মনৰ ধাৰণাৰ ওপৰত ৰাছেলে দুটা বিৰোধ লক্ষ্য কৰিছে। সেয়া হৈছে বাস্তৱবাদ আৰু ভাববাদ। লাইব্‌নিৎজে পূৰ্ব প্ৰতিস্থিত শৃংখলাবাদত ভাববাদী ধাৰণা গ্ৰহণ কৰিছে। কিন্তু এই মতবাদ প্ৰতিষ্ঠাৰ বাবে যিবোৰ বচনৰ সহায় লৈছে সেই বচনবোৰ বাস্তৱবাদী। তেওঁ উল্লেখ কৰিছে যে দেহ মনৰ অন্তৰস্থ সম্পৰ্ক স্বাভাৱিক আৰু এই সম্পৰ্ক আলোচনা কৰাৰ বাবে কোনো উপৰিঞ্চি গুণ বা শক্তিৰ আৱশ্যক নহয় আৰু এই ধাৰণা বাস্তববাদী দেহ আৰু মন সমাৰ্থতে এক, যদিও কৰাৰ বাবে কোনো উপৰিঞ্চি গুণ বা শক্তিৰ আৱশ্যক নহয় আৰু এই ধাৰণা বাস্তৱবাদী দেহ আৰু মন সমাৰ্থতে এক, যদিও ভৌতিক দেহ সংখ্যাত অলেখ। "ভৌতিক দ্ৰব্যৰ এটা জৈৱিক গঠন আৰু এটা আত্মা থাকে অৰ্থাৎ ই হৈছে আন আন দ্ৰব্যৰ একত্ৰীকৰণ। প্ৰত্যেক দ্ৰব্যৰ চিন্তাশক্তি থকাৰ লগতে ইয়াৰ লগত বিস্তৃতিসম্পন্ন অবয়ব পৃথক কৰিব পাৰি।" লাইব্‌নিৎজৰ মতে "আত্মাক বাদ দি দেহটো হৈছে ইন্দ্ৰিয়ৰে গঠিত এটা গোট" (aggregation) আৰু আত্মা সংযোগে এই গোটক পূৰ্ণৰূপ দিয়ে। আনহাতে আত্মাক বাদ দিলে প্ৰকৃত অৰ্থত দেহটোক দ্ৰব্য বুলি ক'ব নোৱাৰি, ই কিছুমান শিলৰ দ'মৰ বাহিৰে আন একো নহয়।

৯.৬ দেহ মন সম্পৰ্কে ষ্ট্ৰ'ছনৰ ধাৰণা

ব্যক্তিৰ ধাৰণাৰ যোগেদি ষ্ট্ৰছনে দেহ মনৰ সমস্যাটো আলোচনা কৰিছে। তেওঁৰ গ্ৰন্থ Individual ত তেওঁ মানুহৰ ধাৰণা সম্পৰ্কত "এক প্ৰকাৰৰ সাৰবস্তু" বুলি উল্লেখ কৰিছে আৰু এই সাৰবস্তু বা আন শব্দত অস্তিত্বই দুটা গুণ স্বীকাৰ কৰে- ভৌতিক আৰু মানসিক। তেওঁ ব্যক্তিৰ ধাৰণাৰ আলমত দেহ মনৰ সমস্যা সমাধান কৰিব বিচাৰিছে। ব্যক্তিৰ ক্ষেত্ৰত তেওঁ ভৌতিক আৰু মানসিক - এই দ্বৈতবাদী ধাৰণাক অস্বীকাৰ কৰিছে। ইয়াৰ অৰ্থ এইটো নহয় যে দ্বৈতবাদী বৰ্ণনাৰ নিৰপেক্ষ গঠনক তেওঁ মানি লৈছে। তেওঁ ব্যক্তি সম্পৰ্কে দুয়োটা মতবাদৰ বিৰোধী। প্ৰথমে যি ধাৰণাই ব্যক্তিক মন বা অহং ভাবৰ জৰিয়তে ব্যাখ্যা কৰিব বিচাৰে আৰু দ্বিতীয়তে মতবাদে দৈহিক অবয়বৰ দ্বাৰা ব্যক্তিৰ ব্যাখ্যা দাঙি ধৰে। ব্যক্তি সম্পৰ্কে ষ্ট্ৰছনৰ ধাৰণা ভাববাদ আৰু অবোধ বস্তুবাদৰ মধ্যম অংশ। আনহাতে ব্যক্তিৰ ধাৰণাই দুটা বিপৰীত মতবাদ - ভাববাদ আৰু বাস্তৱবাদৰ সংশ্লেষক হিচাপে কাম কৰে।

ষ্ট্ৰছনে ব্যক্তিৰ ধাৰণাক দেহ আৰু মনৰ দ্বাৰা বিশ্লেষণ কৰাৰ পক্ষপাতী নাছিল। ব্যক্তিৰ ক্ষেত্ৰত এই দুটা উপাদানেই মূল উপাদান। এই ধাৰণাৰো তেওঁ বিৰোধীতা কৰিছিল। ব্যক্তিৰ ধাৰণাক তেওঁ আদিম ধাৰণা হিচাপে গ্ৰহণ কৰিছিল, যাৰ ওপৰত ভৌতিক আৰু মানসিক দুয়োবিধ বিধেয়কেই প্ৰযোজ্য হৈছিল।

চিন্তা-চৰ্চা কৰক ৯.৪

লাইব্‌নিৎজৰ দেহমনৰ সম্পৰ্কৰ ওপৰত ৰাছেলে কৰা মন্তব্য সন্তোষজনক হয়নে? আপুনি কি ভাবে? আলোচনা কৰক।

উত্তৰ ঃ.....

দেহমন সম্পৰ্কে ষ্ট্ৰচনৰ ধাৰণা আপুনি সমৰ্থন কৰে নেকি? আলোচনা কৰক।

উত্তৰ ঃ.....

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১৩ ঃ লাইব্‌নিৎজৰ দেহমন সম্পৰ্কীয় ধাৰণাত উল্লেখ থকা মতবাদ দুটা কি কি?

প্ৰশ্ন নং ১৪ঃ তলৰ বাক্যবোৰৰ শুদ্ধ/অশুদ্ধ বিচাৰ কৰক।

ক) ৰাছেল এজন ভাববাদী (শুদ্ধ/অশুদ্ধ)

খ) ষ্ট্ৰছনৰ মতে ব্যক্তিৰ ধাৰণা হৈছে এক প্ৰকাৰ অস্তিত্ব (শুদ্ধ/অশুদ্ধ)

গ) ষ্টছনৰ মতে ব্যক্তিৰ ধাৰণাটো এটা আদিম ধাৰণা (শুদ্ধ/অশুদ্ধ)

ঙ) ব্যক্তিৰ ধাৰণাটো হৈছে বাস্তৱবাদ আৰু ভাববাদৰ মধ্যমপন্থা

(শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন-১৫ ঃ ষ্ট্ৰছনৰ ব্যক্তিৰ ধাৰণাটো হৈছে দুটা মতবাদৰ সমালোচনা। সেইকেইটা কি কি?

৯.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- দেহ-মনৰ সমস্যা সম্পৰ্কে ডেকার্টে পাৰস্পৰিক ক্ৰিয়াবাদৰ ধাৰণাটো আগবঢ়াইছিল। তেওঁৰ মতে দৈহিক ক্ৰিয়াবোৰৰ ওপৰত মনৰ প্ৰভাব পাব। সেইদৰে মানসিক ক্ৰিয়াবোৰো দেহৰ দ্বাৰা প্ৰভাবিত হয়। গতিকে মন আৰু দেহে এটাই আনটোৰ ওপৰত পৰস্পৰ ক্ৰিয়া কৰে।
- দেহ আৰু মনক দুটা দ্ৰব্য হিচাপে বিবেচনা কৰাৰ পৰিৱৰ্তে স্পিনোজাই দেহ আৰু মনক পৰম দ্ৰব্য ঈশ্বৰৰ বিকাৰ বুলি মত পোষণ কৰে। স্পিনোজাৰ দেহ মনৰ মতবাদক সমান্তৰালবাদ বুলি জনা যায়।
- ডেকার্টে উপলক্ষ্যবাদৰ প্ৰবৰ্তন কৰিছিল। ইয়াৰ মতে জড় বস্তু চিন্তাৰ কাৰণ নহয়। সেইদৰে চিন্তা বা মানসিক অৱস্থাও জড় বস্তুৰ কাৰণ নহয়। বৰং ঈশ্বৰে জড় বস্তু আৰু মনক উপলক্ষ্য হিচাপে লৈ নিজৰ চিন্তা আৰু ইচ্ছাক কাৰ্যকৰী কৰে।

- লাইব্‌নিৎজে বিভিন্ন মনাডৰ মাজত ঐক্যতাৰ লক্ষৰে ঈশ্বৰ ধাৰণাৰ সহযোগত পূৰ্ব প্ৰতিষ্ঠিত সামঞ্জস্যবাদৰ পোষকতা কৰে। তেওঁ কয় যে ঈশ্বৰে মনাড সমূহৰ মাজত সমন্বয়ৰ উদ্দেশ্যে বিভিন্ন প্ৰকাৰৰ মনাডক ক্ৰম অনুসৰি সজাই তোলে।
- লাইব্‌নিৎজৰ দেহ-মনৰ ধাৰণাক সমালোচক হিচাপে ৰাছেলে মত দিয়ে যে লাইবনিজৰ দেহ-মনৰ দাৰ্শনিক আলোচনাত দুটা বিৰোধী ধাৰণা দেখা যায়। প্ৰথমে, যেতিয়া লাইবনিজে কয় যে দেহ-মনৰ অভ্যন্তৰীণ সম্পৰ্ক আলোচনা কৰাৰ বাবে কোনো ওপৰঞ্চি শক্তিৰ প্ৰয়োজন নহয়, তেতিয়া তেওঁৰ ধাৰণা হয় বাস্তৱবাদী। আনহাতে মনাডৰ মাজত সমন্বয়ৰ লক্ষ্যৰে ঈশ্বৰৰ সহযোগত পূৰ্ব প্ৰতিষ্ঠিত সামঞ্জস্যবাদক পোষকতা কৰাৰ ধাৰণাই হৈছে ভাববাদী।
- ষ্ট্ৰছনে ভাববাদ আৰু বাস্তৱবাদৰ সমালোচনা কৰিছিল। তেওঁৰ মতে ব্যক্তিৰ ধাৰণাটো এটি আদিম ধাৰণা আৰু এই ধাৰণা তাত্ত্বিকভাৱেদেহমনৰ সমস্যাতকৈ পূৰ্বৰ।

৯.৮ অধিক জানিবলৈ

1. A.E. Taylor (2004) . *Elements of Metaphysics,* Surjeet Publications, Delhi.
2. C.H. Whiteley (1949). *An introduction to Metaphysics* : Methuen & Co.Ltd. London.
3. Gottfried Martin (1968) . *General Metaphysics - Its problem and Method,* George Allen & Unwin Ltd. , London.
4. Girish Baruah (2008). *Metaphysics - Problems and Perspective,* Kalyani Publishers, Guwahati.
5. J. N. Sinha (1985). *Introduction to Philosophy*. New Central Book Agency, Calcutta
6. Dutta, D.H. ( ) *Chief Currents of Contemporary philosophy* :
7. Russell, Bertsand (2001). *The Problems of philosophy-*
Oxford University Press, Oxford.
8.Goswami, S.P. (2006). *Persons A Starwsonian Study :*
Guwahati : Anwesha
9. Thrilly, Mark (.....) A History of Western
Philosophy,.....
10. Shaffer A. Jerome (1968). Philosophy of Mind, U.S.A Prentice- Hall, Inc., Eaglewood Cliffs, N.J.

অসমীয়া গ্ৰন্থ

১। ভট্টাচার্য্য, জ্যোৎস্না দৰ্শনৰ পৰিচয় ঃ

২। দেৱী, অঞ্জলীপাশ্চাত্য দৰ্শন ঃ

অগ্ৰগতি নিৰীক্ষণ

১নং প্ৰশ্নৰ উত্তৰঃ (ক) শুদ্ধ (খ) শুদ্ধ (গ) অশুদ্ধ
(ঘ) শুদ্ধ (ঙ) শুদ্ধ

২নং প্ৰশ্নৰ উত্তৰঃ পাৰস্পৰিক ক্ৰিয়াবাদৰ মতে দৈহিক ক্ৰিয়াবোৰ মানসিক ক্ৰিয়াৰ দ্বাৰা প্ৰভাৱান্বিত হয়। সেইদৰে মানসিক ক্ৰিয়াবোৰ দৈহিক ক্ৰিয়াৰ দ্বাৰা প্ৰভাৱিত হয়। উদাহৰণ হিচাপে, সংবেদন, কল্পনা, স্মৃতি, স্মৰণ আদি ক্ৰিয়াবোৰে ভৌতিক বস্তুক নিৰ্দেশ কৰে; সেইদৰে, দৈহিক কাৰ্য, যেনে - খোৱা, খেলা, কাম কৰা ইত্যাদিয়ে মানসিক ক্ৰিয়াক নিৰ্দেশ কৰে। আমি যেতিয়া বিশেষ খেলা খেলো (ফুটবল, ক্ৰিকেট, টেনিছ) তেতিয়া আমাৰ শৰীৰটোৰ লগতে আমাৰ মন বা চিন্তা শক্তিয়েও সমানে অংশ লয়। সেইবাবেই ক'ব পাৰি যে দেহ আৰু মনে পৰস্পৰ ক্ৰিয়া কৰে।

৩নং প্ৰশ্নৰ উত্তৰঃ ডেকার্টৰ পাৰস্পৰিক ক্ৰিয়াবাদক গিলবার্ট ৰাইলে সমালোচনা কৰিছিল। মনৰ গুণ হৈছে চেতনা আৰু দেহটো যাৰ গুণ বিস্তৃতি হৈছে ভৌতিক। গতিকে মনক দেহৰ আলমত বা দেহক মনৰ আলমত ব্যাখ্যা কৰাটো দোষযুক্ত, গতিকে ৰাইলৰ মতে ডেকার্টৰ ধাৰণা 'প্ৰকাৰগত দোষত' দূষিত।

৪নং প্ৰশ্নৰ উত্তৰঃ ক) মন, দেহ খ) পাৰস্পৰিক ক্ৰিয়াবাদ গ) দ্ৰব্য

৫নং প্ৰশ্নৰ উত্তৰঃ ক) স্পিনোজা খ) লাইব্‌নিৎজ

৬নং প্ৰশ্নৰ উত্তৰঃ এই মতবাদৰ মতে দেহ আৰু মন হৈছে এক অখণ্ড সমগ্ৰৰ দুটা ভিন্ন দিশ। এটা দ্ৰব্যৰ দুটা দিশ হিচাপে দেহ আৰু মনে পৰস্পৰ ক্ৰিয়া প্ৰতিক্ৰিয়া কৰিব নোৱাৰে। বৰং দুয়োটাই এটাৰ ওপৰত আনটোৱে প্ৰাধান্য নেদেখুৱাকৈ সমান্তৰালভাৱে কাম কৰে। দেহৰ জৰিয়তে মন বা মনৰ দ্বাৰা দেহৰ ক্ৰিয়া কলাপ ব্যাখ্যা কৰা নাযায়। সেয়ে দেহ আৰু মন এক অখণ্ড সমগ্ৰৰ দুটা ভিন্ন দিশ, স্পিনোজাৰ এই ধাৰণাক সমান্তৰালবাদ হিচাপে জনা যায়।

৭নং প্ৰশ্নৰ উত্তৰঃ স্পিনোজাৰ মতে, দেহ আৰু মন কোনোটোৱেই ইটো সিটোৰ কাৰণ হ'ব নোৱাৰে। এই ক্ষেত্ৰত দেহ আৰু মন এক অখণ্ড সমগ্ৰৰ দুটা ভিন্ন দিশ। সেয়ে স্পিনোজাৰ ধাৰণাক সৰ্বচিত্ত বাস্তববাদ নামে জনা যায়।

৮নং প্ৰশ্নৰ উত্তৰঃ স্পিনোজাৰ সমান্তৰালবাদ ভাববাদী পক্ষপাতৰ পৰা মুক্ত নহয় কাৰণ তেওঁৰ মতে দ্ৰব্য হৈছে এক অখণ্ড সমগ্ৰ আৰু দেহ আৰু মন এই অখণ্ড সমগ্ৰৰ দুটা দিশ। ই নিৰ্বিশেষ, অসীম, অখণ্ড, সমগ্ৰ আৰু সকলো বস্তু এই অখণ্ড দ্ৰব্যৰ পৰা নিঃসৃত হৈছে। গতিকে, দৃষ্টিকোণৰ পৰা স্পিনোজাৰ কঠোৰ (Strict) সমান্তৰালবাদ গ্ৰহণযোগ্য নহয়।

৯নং প্ৰশ্নৰ উত্তৰঃ ক) খিৰিকীবিহীন খ) লাইব্‌নিৎজ

১০নং প্ৰশ্নৰ উত্তৰঃ লাইব্‌নিৎজ

১১নং প্ৰশ্নৰ উত্তৰঃ লাইব্‌নিৎজৰ মতে যদিও মনাডবোৰ স্বতন্ত্ৰ তথাপি বিভিন্ন মনাডে আন মনাডৰ লগত সমন্বয়ৰ বাবে এক অন্তৰস্থ প্ৰৱণতা থাকে। লাইব্‌নিৎজে এই প্ৰসঙ্গত কৈছে ঈশ্বৰে বিভিন্ন প্ৰকাৰৰ মনাডক ক্ৰম অনুসৰি সজাই তোলে আৰু তেৱেই পূৰ্ব প্ৰতিষ্ঠিত সমন্বয়ৰ মাজেদি সিহঁতৰ মাজত এক সমন্বয়ৰ সম্পৰ্ক স্থিৰ কৰে; লাইব্‌নিৎজৰ এই মতবাদক পূৰ্ব প্ৰতিষ্ঠিত সামঞ্জস্যবাদ নামে জনা যায়।

১২নং প্ৰশ্নৰ উত্তৰঃ প্ৰধান মনাড আন মনাডবোৰৰ কাৰ্যাৱলী কেন্দ্ৰ স্বৰূপ আৰু ই চেতন দ্ৰব্যৰ ৰূপত আন মনাডৰ পৰিবৰ্তনসমূহত প্ৰতিবিম্বিত কৰে। এই চেতন দ্ৰব্য বা প্ৰধান মনাডৰ 'আত্মা' বুলি কোৱা হয় আৰু ই প্ৰকৃতিগভাৱে

আন মনাডতকৈ উচ্চমানৰ। উচ্চতম মনাড জগতৰ আন আন মনাডবোৰৰ কার্যাৱলী অনুধাৱন কৰিব পাৰে। নিম্নমানৰ মনাডবোৰৰ কার্যাৱলী প্রধান মনাড বা ঈশ্বৰে বিধান কৰে। উচ্চ মনাডৰ আঁচনিত চামিল হ'বৰ বাবে নিম্নমানৰ মনাডবোৰে উদ্দেশ্য ৰূপে (As means) নিজৰ দায়িত্ব পালন কৰে।

১৩নং প্রশ্নৰ উত্তৰঃ ভাববাদ আৰু বাস্তৱবাদ

১৪নং প্রশ্নৰ উত্তৰঃ ক) শুদ্ধ খ) শুদ্ধ গ) শুদ্ধ

১৫নং প্রশ্নৰ উত্তৰঃ ভাববাদ আৰু বাস্তৱবাদ

৯.১০ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ঃ পাৰস্পৰিক ক্রিয়াবাদ কোনে প্রবর্তন কৰিছিল?

প্রশ্ন ২ঃ পাৰস্পৰিক ক্রিয়াবাদ কি?

প্রশ্ন ৩ঃ সমান্তৰালবাদৰ সূত্র দিয়ক।

প্রশ্ন ৪ঃ পূর্ব প্রতিষ্ঠিত শৃংখলাবাদ কি?

(খ) চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ পাৰস্পৰিক ক্রিয়াবাদৰ চমু বর্ণনা দিয়ক।

প্রশ্ন ২ঃ স্পিনোজাৰ সমান্তৰালবাদৰ ওপৰত চমু মতামত দিয়ক ।

প্রশ্ন ৩ঃ সর্বচিত্ত বাস্তববাদ কি? চমুকৈ আলোচনা কৰক।

প্রশ্ন ৪ঃ ষ্ট্রছনৰ ব্যক্তিৰ 'ধাৰণা চমুকৈ লিখক।

প্রশ্ন ৫ঃ পূর্ব প্রতিষ্ঠিত সামঞ্জস্যবাদৰ চমু বিৱৰণ দিয়ক।

প্রশ্ন ৬ঃ প্রধান বা ৰাণী মনাড বুলিলে কি বুজা যায়? চমুকৈ লিখক।

(গ) চমুটোকা লিখক (১৫০ টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ উপলক্ষ্যবাদ

প্রশ্ন ২ঃ পাৰস্পৰিক ক্রিয়াবাদ

প্রশ্ন ৩ঃ সমান্তৰালবাদ

প্রশ্ন ৪ঃ মনাডৰ মতবাদ

(ঘ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ পাৰস্পৰিক ক্রিয়াবাদ কি? বর্ণনা কৰক।

প্রশ্ন ২ঃ স্পিনোজাৰ সমান্তৰালবাদ আলোচনা কৰক ।

প্ৰশ্ন ৩ঃ পূৰ্ব প্ৰতিষ্ঠিত সামঞ্জস্যবাদ কি? দেহ মনৰ সম্পৰ্ক ব্যাখ্যা কৰাৰ ক্ষেত্ৰত এই মতবাদ সন্তোষজনক নে?

প্ৰশ্ন ৪ঃ ৰাছেল মনাড ধাৰণাৰ সমালোচক নেকি? লাইব্‌নিৎজৰ পূৰ্ব-প্ৰতিষ্ঠিত শৃংখলাবাদৰ মতবাদৰ লগত সংগতি ৰাখি আলোচনা কৰক।

প্ৰশ্ন ৫ঃ আপোনাৰ মতে পাৰস্পৰিক ক্ৰিয়াবাদৰ সীমাবদ্ধতাবোৰ কি কি? আলোচনা কৰক।

প্ৰশ্ন ৬ ঃ দেহ-মন সম্পৰ্কীয় সমান্তৰালবাদ, পাৰস্পৰিক ক্ৰিয়াবাদ আৰু পূৰ্ব প্ৰতিষ্ঠিত সামঞ্জস্যবাদৰ ভিতৰত কোনটো মতবাদক আপুনি অগ্ৰাধিকাৰ দিয়ে? আলোচনা কৰক।

প্ৰশ্ন ৭ ঃ পাৰস্পৰিক ক্ৰিয়াবাদ আৰু সমান্তৰালবাদৰ মাজত আপুনি কিবা পাৰ্থক্য বিচাৰি পায় নেকি? আলোচনা কৰক।

*** **** ***

অধ্যায় ১০ঃ সামান্য ঃ বস্তুবাদ আৰু নামবাদ

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য

১০.২ পৰিচয়

১০.৩ সামান্য ঃ ইয়াৰ প্ৰকৃতি আৰু মতবাদসমূহ

১০.৪ বস্তুবাদ

১০.৪.১ প্লেটৰ বস্তুবাদ

১০.৪.২ এৰিষ্টটলৰ বস্তুবাদ

১০.৫ নামবাদ ঃ এই মতবাদে কি কয়

১০.৫.১ হ'বচৰ মতবাদ

১০.৫.২ হিউমৰ মতবাদ

১০.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১০.৭ অধিক জানিবলৈ

১০.৮ অগ্ৰগতিৰ খতিয়ান

১০.৯ আৰ্হি প্ৰশ্ন

১০.১০ উদ্দেশ্য

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি

- সামান্যৰ সমস্যাৰ বিষয়ে জানিবলৈ সুবিধা পাব
- সামান্য আৰু বিশেষ মাজৰ পাৰ্থক্যটোৰ বিষয়ে জানিবলৈ সক্ষম হ'ব
- সামান্যৰ মতবাদ সম্পৰ্কে জানিবলৈ সুবিধা পাব
- বস্তুবাদ সম্পৰ্কে জানিবলৈ সক্ষম হ'ব
- প্লেট' আৰু এৰিষ্টটলৰ সামান্য বস্তুবাদৰ মতবাদ সম্পৰ্কে জানিবলৈ সুবিধা পাব।
- সামান্যৰ এক মতবাদ হিচাপে নামবাদ মতবাদটো ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব
- হ'বচৰ নৰম নামবাদ (Milder Nominalism) ৰ ধাৰণাটো আলোচনা কৰিবলৈ সক্ষম হ'ব
- হিউমৰ নামবাদ মতবাদটো ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব।

১০.২ পৰিচয়

এই অধ্যায়টিয়ে আপোনালোকক আমাৰ অভিজ্ঞতা, চিন্তা আৰু ভাষাৰ পৰা উদ্ভৱ হোৱা সামান্যৰ সমস্যাবোৰৰ সৈতে পৰিচয় কৰিব। বিশেষ বস্তুবোৰ দেশ আৰু কাল (Space & Time) ত অস্তিত্বশীল, এই সাধাৰণ অভিজ্ঞতাৰ ই হৈছে এক বিষয়। এখন চকী, এখন মেজ, এটা গৰু, ৰঙা ৰং, এজোপা গছ আদিৰ দৰে বিশেষ বিশেষ বস্তুবোৰ এক বিশেষ দেশ আৰু এক বিশেষ কালত অস্তিত্বশীল। সিহঁত এটাৰ পৰা আনটো পৃথক আৰু সম্পূৰ্ণৰূপে অনন্য। তথাপিও আমি আমাৰ বন্ধু-বৰ্গক সিহঁতৰ নিজস্ব নামেৰে সম্বোধন কৰাৰ দৰে কিন্তু বিশেষ সমূহৰ প্ৰত্যেককে আমি এক নিৰ্দিষ্ট নামেৰে নামাতো। ইয়াৰ পৰিবৰ্তে আমি সিহঁতৰ কেতবোৰ গোট গঠন কৰোঁ, সিহঁতক এক সমূহবোধক নাম প্ৰদান কৰোঁ, সিহঁতবোৰক এক বিশেষ শ্ৰেণীৰ অন্তৰ্ভূক্ত হিচাপে দেখুওৱায়। এতিয়া প্ৰশ্ন হয়- এটা বিশেষ শ্ৰেণীৰ অন্তৰ্গত কৰিবলৈ কিহে সহায় কৰে? সিহঁতক এটা গোট বা শ্ৰেণীৰ মাজত বান্ধি ৰাখিবলৈ কৰা আমাৰ চেষ্টাক কিহে সমৰ্থন আগবঢ়ায়? 'গৰু'ৰ মাজত অসংখ্য পাৰ্থক্য থকা স্বত্ত্বেও কিয় 'সকলো গৰু'ক 'গৰু' শব্দটোৰে নামাকৰণ কৰা হয়? ইয়েই আচল সাৰ (Essence) নেকি, যাক এটা শ্ৰেণীৰ সকলো অঙ্গৰ দ্বাৰা সাধাৰণভাৱে অংশ লয়? নাইবা সিহঁতৰ মাজত ই সৰলভাৱে সাদৃশ্যতা নেকি? গতিকে ক'বলৈ গ'লে সামান্যৰ সমস্যা এইবোৰ প্ৰশ্নৰ লগতে জড়িত। নামবাদ এনে এক মতবাদ, যিয়ে এটা শ্ৰেণীৰ অন্তৰ্গত বস্তুসমূহৰ নিৰিক্ষিত সাদৃশ্য সমূহৰ মাজত সমিধান বিচাৰে।

১০.৩ সামান্য ঃ ইয়াৰ প্ৰকৃতি আৰু মতবাদসমূহ

প্ৰকৃতিত বস্তুবোৰৰ জ্ঞানৰ প্ৰধানকৈ আমি দুটা বহল ভাগ থকা দেখা পাওঁ- ঈন্দ্ৰিয়াগত (Sensuous) আৰু ধাৰণা বা প্ৰত্যয় মূলক (Conceptual)। ঈন্দ্ৰিয়জ জ্ঞানে এটা বস্তুক এক বিশেষ দেশ আৰু কালত উপস্থাপন কৰে। সেয়ে আমি বস্তুৰ অনেকতাৰ বিশেষ জ্ঞানহে লাভ কৰোঁ, যেনে- এখন চকী, এখন মেজ, এজন মানুহ, এটা গৰু, এটা ৰঙা ৰং ইত্যাদি। আনহাতে, ধাৰণাগত বা প্ৰত্যয়গত জ্ঞানে বিশেষ বা স্বতন্ত্ৰতাৰ কোনো বৰ্ণনা নোহোৱাকৈয়ে এটা বস্তুৰ উপস্থাপন কৰে। সামান্য দেশ আৰু কালৰ সীমাৰে সীমিত নহয়। তথাপিও, ই এনে এক বস্তু বা বিষয়, যাৰ অবিহনে আমি বিশেষৰ কথা চিন্তাই কৰিব নোৱাৰো। যদিও আমি বিশেষ বিশেষ বস্তুবোৰ চাৰ পাৰো নাই স্পৰ্শ কৰিব পাৰোঁ; তথাপি সিহঁতক চিন্তা কৰা আৰু সিহঁতৰ বিষয়ে আলোচনা কৰাৰ বাবে আমি সাধাৰণ ধাৰণা ব্যৱহাৰ কৰিবই লাগিব। কিয়নো, এটা নিৰ্দিষ্ট শ্ৰেণীৰ অন্তৰ্ভূক্ত হিচাপে সিহঁতক আমি প্ৰত্যক্ষ কৰোঁ। বিশেষ বস্তু সমূহৰ কেতবোৰ সাধাৰণ ধৰ্ম থাকে, যাৰ বাবে সিহঁতক একেলগে এটা শ্ৰেণীৰ অন্তৰ্ভূক্ত কৰা হয় আৰু একেটা নামেৰেই সম্বোধন কৰা হয়। ৰঙা, বগা, হালধীয়া, নীলা, সেইজীয়া আদিৰ মাজত কিবা সাদৃশ্য থকাৰ হেতু সিহঁতক 'ৰং'ৰ শ্ৰেণীত অন্তৰ্ভূক্ত কৰা হয়। ঠিক সেইদৰে, গৰু, কুকুৰ, মেকুৰী, ঘোঁৰা ইত্যাদিৰ মাজত সাধাৰণ ধৰ্ম লক্ষ্য কৰি আটাইকে জন্তুৰ শ্ৰেণীত অন্তৰ্ভূক্ত কৰা হয় আৰু 'জন্তু' এই একেটা নামেৰেই সকলোকে সম্বোধন কৰা হয়। এটা শ্ৰেণীৰ সকলো সদস্যৰ মাজত যি সাধাৰণভাৱে উপস্থিত থাকে, তাকে কোৱা হয় 'সামান্য' (Universal)। একে জাতি-ধৰ্ম বিশিষ্ট্য বস্তু সমূহক এক বিশেষ শ্ৰেণীৰ অন্তৰ্ভূক্ত কৰি বিশেষ নামেৰে নামাকৰণ কৰা হয়। গতিকে, যি

সাধাৰণ ধর্ম কোনো শ্রেণীৰ অন্তর্গত প্রতিটো বস্তু বা প্রাণীৰ ক্ষেত্রত সমভাৱে উপস্থিত থাকে, তাকে সামান্য বোলা হয়।

এতিয়া, দার্শনিক সকলৰ মনত প্রায়ে জাগ্রত হোৱা জটিল প্রশ্ন সমূহ হ'ল- বস্তুৰ এটা সমাহাৰ বা গোটৰ মাজত সাধাৰণ কি? কেনেধৰণৰ বস্তু সামান্য? যিবোৰ বস্তুগত ভাৱে সত্য, তাৰ ক্ষেত্রত সামান্য থাকেনে? নাইবা ই কেৱল এক শব্দহে নেকি যে সিহঁতৰ অন্তর্গত বিশেষ বোৰৰ মাজত সাদৃশ্যতা লক্ষ্য কৰি তাক বস্তু সমূহৰ এটা গোটৰ বাবে আমি ব্যৱহাৰ কৰোঁ। দার্শনিক সকলে তেওঁলোকৰ নিজা নিজা দৃষ্টিভঙ্গীৰে এইবোৰ প্রশ্নৰ উত্তৰ আগবঢ়াইছে। যিহেতু তেওঁলোকৰ মতামত সমূহ ভিন্ন, সেয়ে সামান্যৰ স্বৰূপ বা প্রকৃতি সম্বন্ধে আমি কেইবাটাও ভিন্ন মতবাদ দেখিবলৈ পাওঁ। যেনে- বস্তুবাদ (Realism), প্রত্যয়বাদ বা ধাৰণাবাদ (Conceptualism), নামবাদ (Nominalism) ইত্যাদি। এই সকলোবোৰ মতবাদৰ সমর্থক ভাৰতীয় আৰু পাশ্চাত্য উভয় দর্শনতে থকা দেখা যায়।

বস্তুবাদ হৈছে এক মতবাদ, যাৰ মতে সামান্যৰ বস্তুসত্ত্বা আছে; ই মনোগত ধাৰণা বা প্রত্যয় মাথো নহয়। ইয়াৰ স্বতন্ত্র সত্ত্বা আছে। ই হৈছে এটা শ্রেণীৰ সকলো সদস্যৰ মাজত সমভাৱে উপস্থিত থকা সাৰতত্ব। প্রত্যয়বাদে উল্লেখ কৰে যে সামান্য হৈছে আমাৰ মনৰ এক ধাৰণা বা প্রত্যয়; ই সম্পূর্ণৰূপে এক মানসিক সত্ত্বা। মন বর্হিভূত কোনো বস্তুৰ মাজত সামান্য নাথাকে। নামবাদৰ মতে, সামান্য কেৱল মাত্র এক নাম বা শব্দ। এই মতবাদ অনুযায়ী বহুসংখ্যক বেলেগ বেলেগ বিশেষৰ বাবে ব্যৱহাৰ কৰাৰ দ্বাৰা নাম সমূহ সামান্য কৰা হয়।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ তলত দিয়া উক্তি সমূহ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক।

(ক) নাৰীত্ব সামান্য। (শুদ্ধ অশুদ্ধ)

(খ) গছ, গৰু, মেজ আদি বিশেষ নহয়। (শুদ্ধ অশুদ্ধ)

(গ) ঈন্দ্রিয়জ জ্ঞানে এটা বস্তুক এক বিশেষ দেশ আৰু কালত উপস্থাপন কৰে। (শুদ্ধ অশুদ্ধ)

(ঘ) প্রত্যয়মূলক জ্ঞানে বিশেষৰ কোনো বর্ণনা নোহোৱাকৈয়ে এটা বস্তুক উপস্থাপন কৰে। (শুদ্ধ/অশুদ্ধ)

(ঙ) বস্তুবাদ মতবাদ অনুসৰি সামান্য মননির্ভৰ। (শুদ্ধ/অশুদ্ধ)

প্রশ্ন নং ২ঃ সামান্যৰ সংজ্ঞা দিয়ক।

প্রশ্ন নং ৩ঃ বিশেষ কি?

প্রশ্ন নং ৪ঃ সামান্যৰ প্রধান মতবাদ কেইটা উল্লেখ কৰক।

প্রশ্ন নং ৫ঃ এটা বাক্যত নামবাদৰ সংজ্ঞা আগবঢ়াওক।

প্রশ্ন নং ৬ঃ প্রত্যয়বাদ কি?

১০.৪ বস্তুবাদ (Realism)

বস্তুবাদে পোষণ কৰে যে সামান্য জ্ঞেয় মনৰ বাহিৰত স্বতন্ত্রশীল। ইয়াৰ বস্তুনিষ্ঠ সত্ত্বা আছে। এটা শ্রেণীৰ অন্তর্গত সকলোবোৰ সদস্যৰ মাজত সামান্য সমভাৱে উপস্থিত থকাৰ বাবে ই সাৰতত্ব। তথাপি, এই মতবাদ অনুগামী সকলৰ হাতত ই বিভিন্ন আকাৰ লাভ কৰিছে, যিহেতু তেওঁলোকে নিজা নিজা দর্শনৰ ফালৰ পৰা ভিন্ন মতামত আগবঢ়াইছে। যেতিয়া কিছুমানে আকৌ তাক বিশেষণীয় ৰূপতহে স্বীকাৰ কৰিছে। তৎস্বত্বেও তেওঁলোক সকলোৱে বস্তুবাদৰ মূল ধাৰণাৰ ক্ষেত্রত সমর্থন আগবঢ়াইছে। এইদৰে ভাৰতীয় আৰু পাশ্চাত্য উভয় কোণৰ পৰা আমি এই মতবাদৰ সমর্থক সকলক দেখা পাওঁ। সেয়া হৈছে ন্যায়-বৈশেষিক, মীমাংসা, এৰিষ্টটল, প্লেট', চেইণ্ট আগষ্টিন, চেইণ্ট থোমাচ একুইনাচ, বট্রাণ্ড ৰাছেল, জি. ই. মুৰ আৰু আলেকজেণ্ড্রাৰ। ইয়াত অৱশ্যে বস্তুবাদৰ মূখ্য উপদেষ্টা প্লেট' আৰু এৰিষ্টটলৰ মতবাদকহে আমি সংক্ষেপে আলোচনা কৰিম।

১০.৪.১ প্লেট'ৰ বস্তুবাদ

প্লেট'ৰে চৰম বস্তুবাদৰ পৃষ্ঠপোষকতা কৰিছে। তেওঁৰ বাবে সামান্য হৈছে প্রকৃত, এক সত্ত্বা যি মনৰ ওপৰত নির্ভৰ নকৰাকৈ এক দেশ-কালাতীত জগতত অস্তিত্বশীল। দেশ আৰু কালৰ জগতত বিশেষৰ ক্ষেত্রত যি নঘটক লাগে, তাৰ দ্বাৰা ই প্রভাৱিত নহয়। প্লেট'ৰ মতে সামান্য কেৱল মনোগত নহয়, সামান্যৰ বাস্তৱ অস্তিত্বও আছে। প্লেট'ৰে দুই প্রকাৰৰ সত্ত্বাৰ অস্তিত্ব স্বীকাৰ কৰি দুখন ভিন্ন জগতৰ উল্লেখ কৰিছে- দেশ-কাল স্থিত বিশেষৰ জগত আৰু দেশ-কালাতীত সামান্যৰ জগত। সেয়ে প্লেট'ৰ এই মতবাদক দ্বি-জাগতিক মতবাদ (Two World Theory) বুলিও জনা যায়।

প্লেট'ৰে তেওঁৰ ধাৰণাৰ মতবাদত সামান্য সত্ত্বাৰ অস্তিত্বৰ পক্ষে সমর্থন আগবঢ়াইছে, যি বিশেষ বস্তু সমূহৰ পৰা পৃথক। তেওঁ সাব্যস্ত কৰে যে এক শ্রেণীৰ অন্তর্গত সকলো বস্তুৰে এক সাধাৰণ সাৰমর্ম থাকিবই। তেওঁৰ মতে, এটা বস্তু টেবুল হ'ব নোৱাৰে যেতিয়ালৈকে তাৰ মাজত 'টেবুলত্ব' (Tablehood) ৰ সাৰ নাথাকে, যি অন্যান্য সকলো 'টেবুল'তেই উপস্থিত থাকে। আকাৰ, আকৃতি আৰু ৰঙ আদিৰ ক্ষেত্রত এখন টেবুল আন সকলো টেবুলৰ পৰা পৃথক হ'ব পাৰে; কিন্তু ইয়াৰ এক একক ৰূপ বা মূল থাকিবই লাগিব যিয়ে সিহঁতক এখন 'টেবুল' হোৱাত সংগঠন কৰে আৰু যিয়ে সিহঁতক আন বস্তু সমূহ যেনে- চকী, বিচনা নাই দর্জা আদিৰ পৰা পৃথক কৰে। সেয়ে প্লেট'ৰে ভাৰে যে আমি সদায় বিশেষৰ প্রত্যেক শ্রেণীৰ বাবে এটা এক ৰূপ স্বীকার্য্য কৰি ল'ব লাগে, যাক আমি একে নামেৰে সাব্যস্ত কৰিব পাৰো। ই বিশেষ্যৰ দ্বাৰা নির্দেশিত যেনে- চকী, মেজ, বিচনা, গছ আদিৰ দৰে বস্তু বোৰবেই কেৱল সত্যতা নহয়, বৰঞ্চ বিধেয়ৰ দ্বাৰা নির্দেশিত গুণ সমূহৰো সত্যতা। যেনে- ধুনীয়া, ওখ, দীঘল, ডাঙৰ, সৰু ইত্যাদি। যিদৰে সকলো মেজৰ ক্ষেত্রতে সাধাৰণ 'মেজত্ব'ৰ এক ৰূপ বা সাৰতত্ব থাকিবই লাগিব, সেয়ে সকলো কুৎচিত বস্তুৰ ক্ষেত্রত সাধাৰণ 'কুৰূপত্ব'ৰো এক ৰূপ বা সাৰতত্ব থাকিবই লাগিব। প্লেট'ৰে এইবোৰ বস্তুগত সাৰতত্বক 'ধাৰণা' নাইবা 'আকাৰ' আখ্যা দিছে।

সেয়েহে, প্লেটৰ মতে, সামান্য নাইবা আকাৰ আৰু ইন্দ্রিয়জ বস্তু নাইবা বিশেষৰ মাজত এক চৰম পার্থক্য আছে। সামান্য হৈছে বস্তু সমূহৰ স্বভাৱত থকা চানেকী, আনহাতে, বিশেষ বস্তুবোৰক সিহঁতৰ কল্পনাতে পোৱা যায় আৰু সেয়ে 'আকাৰ'ৰ এক ৰূপতাও থকা দেখা যায়। 'আকাৰ' সমূহে নিজে নিজৰ মাজত অস্তিত্বশীল হৈ থাকে। প্লেটৰ মতে সামান্য সমূহ হৈছে দ্রব্য (Substance)। দ্রব্য হৈছে সি, যাৰ 'সমগ্রতা' নিজৰ মাজতে নিহিত থাকে আৰু যিয়ে নিজৰ বাহিৰে আন একো বস্তুৰ পৰা ইয়াৰ সত্যতা নিঃসৰণ নকৰে। ই আন সকলো বস্তুৰে ভিত্তি, কিন্তু নিজৰ বাদে ইয়াৰ কোনো ভিত্তি (Ground) নাথাকে। এই অর্থত সামান্য হৈছে স্বয়ং কাৰক (Self-Cause) আৰু স্ব-নির্দ্ধাৰিত (Self-determined), সিহঁত সম্পূর্ণ আৰু চৰম সত্তা। আনহাতে, বিশেষ সমূহ স্ব-কাৰক আৰু স্ব-নির্দ্ধাৰিত নহয়; সিহঁত সম্বন্ধ বিষয়ক, কিয়নো সিহঁতৰ অস্তিত্বৰ বাবে আন বস্তুৰ ওপৰত সিহঁত নির্ভৰশীল। বিশেষ বস্তুবোৰৰ বিপৰীতে, সামান্যবোৰ হৈছে চিন্তা। যিকোনো বিশেষ বস্তুৰ লেখিয়াকৈ সামান্যক প্রকৃতি জগত বিচাৰি পোৱা নাযায়। সামান্য শব্দ 'গৰু' বুলি জগতত একো নাই। যেই হওঁক, এই ক্ষেত্রত 'চিন্তা'ক 'মোৰ চিন্তা', 'আপোনাৰ চিন্তা' নাইবা 'ঈশ্বৰৰ চিন্তা'ৰ ৰূপত গ্রহণ কৰাটো উচিত নহয়। কিয়নো এই কথা ভৱাটো অযুক্তিকৰ হ'বযে আমাৰ চিন্তা বিশ্বজগতৰ কাৰণ হ'ব পাৰে। সিহঁত আত্মগত ধাৰণা নহয়, বৰঞ্চ সিহঁতৰ নিজৰ ওপৰত সত্যতা বা বাস্তৱতা থকা বস্তুগত ধাৰণা। সামান্যৰ ধাৰণা ঐক্যতাৰ ধাৰণা। ই বহুতৰ মাজত এক, কিন্তু বিশেষ বস্তুবোৰ বহুত। 'ঘোঁৰা'ৰ ধাৰণা এটা, কিন্তু ঘোঁৰা সংখ্যাত বহু। বস্তুৰ প্রত্যেক শ্রেণীৰ বাবে এটাতকৈ বেছি ধাৰণা থাকিব নোৱাৰে। সামান্য অপৰিৱর্তনীয় আৰু অবিনশ্বৰ। আনহাতে, বিশেষ সমূহ সদা-পৰিৱর্তনীয় আৰু অনিত্য।

এইবোৰ পার্থক্য থকা স্বত্ত্বেও সামান্য আৰু বিশেষৰ মাজত এক ঘনিষ্ঠ সম্পর্ক আছে। সিহঁত দুয়োৰে মাজৰ সম্পর্কক দুই ৰকমেৰে বর্ণনা কৰিব পৰা যায় ঃ-

(১) ধাৰণাত বিশেষ বস্তু সমূহৰ অংশগ্রহণ হিচাপে,

(২) বিশেষ বস্তুৰ দ্বাৰা ধাৰণাৰ এক অনুকৰণ হিচাপে, বিশেষ বস্তু ধাৰণাৰ নকল হয় আৰু ধাৰণা দৃষ্টান্ত হয়।

এতিয়া, যিহেতু সামান্যক ইন্দ্রিয় প্রত্যক্ষত পাব পৰা নাযায়, ইয়াত উপযুক্ত প্রশ্ন এয়ে যে- সিহঁতক কিদৰে জানিব পৰা যায়? তথাপিও প্লেটৰ উত্তৰ কাল্পনিক। কাৰণ তেওঁ কৈছিল যে আত্মাতহে সামান্য আছে (প্লেটৰ ভাষাত বিশুদ্ধ আকাৰ নাইবা ধাৰণা), যি বর্তমান শৰীৰত চামিল হোৱাৰ আগেয়ে নিৰাকাৰ জগতত বাস কৰে। বর্তমান জীৱনত যেতিয়া আমি পার্থিৱ জগতত পাহৰি যোৱা 'আকাৰ' স্মৰণ কৰো। আকৌ 'Timacus' নামৰ গ্রন্থত প্লেট'ৰে কৈছিল যেআকাৰৰ আর্হি অনুযায়ী ঈশ্বৰে এই জগতৰ বস্তুবোৰ সৃষ্টি কৰে। ই ইয়াকে বুজায় যে, ধাৰণা বা আকাৰ কেৱল ইন্দ্রিয়গ্রাহ্য জগতখনৰ পৰাই নহয়, বৰঞ্চ ঈশ্বৰৰ পৰাও বেলেগকৈ অস্থিত্বশীল হয়। সেয়েহে, ধাৰণাবোৰ বতাহে ওপঙি থকা কিবা এক বস্তু বা বিষয়।

প্লেট'ৰে পদানুক্রমত উচ্চ আৰু নিম্ন ৰূপত সম্বন্ধযুক্ত আকাৰ নাইবা ধাৰণাৰ বিভিন্ন প্রকাৰৰ স্তৰৰ বিষয়েও কৈছে। এটা ধাৰণাৰ দ্বাৰা বহুতো স্বতন্ত্র বস্তু পৰিচালিত হোৱাৰ দৰে, যি সিহঁতৰ সাধাৰণ উপাদান বহুতো ধাৰণা এক উচ্চ ধাৰণাৰ দ্বাৰা পৰিচালিত হয়, যি সিহঁতৰ মাজৰ এক সাধাৰণ উপাদান। আকৌ, অন্যান্য বহুতৰ সৈতে একেলগে এই উচ্চ ধাৰণাৰ ওপৰতো এক উচ্চ ধাৰণাই পৰিচালনা কৰে। উদাহৰণস্বৰূপে কেতবোৰ ধাৰণা বগাত্ব, ক'লাত্ব, নীলাত্ব, ৰঙাত্ব ইত্যাদি 'ৰঙ' নামৰ ধাৰণাটোৰ অন্তর্গত। টেঙা, জ্বলা, তিতা আদি ধাৰণা সকলোবোৰ 'সোৱাদ' ধাৰণাৰ অন্তর্গত। এতিয়া ৰঙৰ ধাৰণা আৰু সোৱাদৰ ধাৰণা দুয়োটায়ে এক উচ্চ ধাৰণা 'গুণ' (Quality) ৰ অন্তর্গত। এইদৰেই ধাৰণা সমূহে নিচেই ওপৰৰ অংশৰ সৈতে এক পিৰামিদৰ আকাৰ গঠন কৰে। এইবোৰ সকলো

ধাৰণাৰ ওপৰত আকৌ এক অতি উত্তম ধাৰণা থাকিবই লাগিব, যি সিহঁত সকলোৰে সৰ্বপ্রধান। ই হৈছে শেষ আৰু পৰ সত্য বা সত্বা। ই হৈছে নিজৰেই ভিত্তি আৰু লগতে আন আন ধাৰণা সমূহ আৰু সমগ্র বিশ্বৰে ভিত্তি স্বৰূপ। প্লেট'ৰে এই ধাৰণাক 'শ্রেয়' (Good) আখ্যা দিছে। এইদৰেই আমি দেখা পাঁও যে, যদিও ধাৰণা সংখ্যাত বহু, কিন্তু সিহঁতে এক একক ধাৰণাৰ নিচেই ওপৰত স্থান পায়। চমুকৈ ক'বলৈ গ'লে এক অতি উত্তম ধাৰণাক নিচেই ওপৰত ৰাখি ধাৰণা সমূহে এক সু-সংবদ্ধ ব্যৱস্থা সংগঠন কৰে যি হৈছে ইয়াৰ ঐক্যতাৰ উচ্চতম অভিব্যক্তি। প্রত্যেক স্বতন্ত্র ধাৰণা একৰ মাজত বহু। নিজৰ মাজত ধৰিলে ই এক আৰু আনৰ সম্বন্ধত ই বহু।

১০.৪.২ এৰিষ্টটলৰ বস্তুবাদ

এৰিষ্টটলে বস্তুগত সামান্যৰ ৰহস্যময়ী জগতখনক অস্বীকাৰ কৰিছে। তেওঁ বস্তুবাদৰ এক সাম্য আৰ্হি বা ৰূপৰ পক্ষ সমর্থন কৰিছে। তেওঁৰ মতে সামান্য একেবাৰে যথার্থ নহয়, ৰৰঞ্চ বিশেষত নিহিত এক ধর্মহে। প্লেট'ৰে সামান্যক বিশেষ্যৰ ৰূপত গ্রহণ কৰিছে। তাৰ পৰিবর্তে এৰিষ্টটলে সামান্যক বিশেষণৰ ৰূপত গ্রহণ কৰিছে। এৰিষ্টটলৰ মতে, সামান্য আৰু বিশেষৰ মাজত এক তর্কীয় আন্তনির্ভৰশীলতাৰ সম্পর্ক আছে। প্রত্যেকখন চকী যদি 'চকী' হোৱাৰ ধর্ম নাথাকে, তেন্তে 'চকী' বুলি যিদৰে কোনো বস্তু নাথাকে 'চকী'ৰ অস্তিত্ব নথকাকৈও 'চকীত্ব' ধর্মৰো কোনো অস্তিত্ব নাথাকে।

এৰিষ্টটলে প্লেট'ৰ সামান্য সম্পর্কীয় মতবাদটোক কঠোৰভাৱে সমালোচনা কৰিছে আৰু 'ধাৰণা'ক সমুলি অপ্রয়োজনীয় বুলি মানি লৈছে। প্লেট'ৰ ধাৰণাৰ মতবাদটোৰ বিৰুদ্ধে এৰিষ্টটৰ আপত্তি সমূহ হৈছে এনে ধৰণৰ-

(১) প্লেট'ৰে ব্যাখ্যা কৰিবলগীয়া বস্তুবোৰক অপ্রয়োজনীয় ভাৱে সংখ্যাত দুগুণ কৰিচে। আকাৰ বা ধাৰণা সমূহ বিশেষ বস্তুবোৰৰ দৰে বহু, যাৰ কাৰণ ধাৰণা সমূহ নিজে। প্লেট'ৰে পোষণ কৰে যে একেটা নাম বহনকাৰী প্রত্যেক বস্তুৰ সৈতে সঙ্গতি থকা এক সত্বা আছে, যি বিশেষ বস্তুবোৰৰ পৰা স্বতন্ত্রভাৱে অস্তিত্বশীল। এনে ধৰণৰ স্বীকার্য্যই কোনো সমস্যা সমাধান নকৰে, কিয়নো ই ভিন্ন স্বৰত পুনৰাবৃত্তি ঘটায়। বিশেষৰ ক্ষেত্রত সৃষ্টি হোৱা একে প্রশ্ন আকাৰ নাইবা ধাৰণাৰ ক্ষেত্রতো সৃষ্টি হয়। সেয়েহে, কেৱল বস্তুৰ পূৰণ নাইবা সংখ্যা বৃদ্ধিক যিকোনো সমস্যাৰ সমাধান বুলিব নোৱাৰি।

(২) প্লেট'ৰ ধাৰণা বস্তুৰ অস্তিত্ব ব্যাখ্যা কৰাৰ ক্ষেত্রত অসফল। দর্শনৰ প্রধান সমস্যা হৈছে বস্তু কিয় অস্তিত্বশীল, তাক ব্যাখ্যা কৰা। প্লেট'ৰ ধাৰণাৰ মতবাদক অনুসৰণ কৰি আমি ইয়াক ব্যাখ্যা কৰিব নোৱাৰো। আনকি যদি আমি গ্রহণ কৰো যে 'বগাত্ব'ৰ ধাৰণাৰ অস্তিত্ব আছে, তথাপি আমি প্রত্যক্ষ কৰিব নোৱাৰিম যে ই কেনেকৈ বগা বস্তুবোৰ উৎপন্ন কৰে।

(৩) যদিও বস্তুৰ অস্তিত্বক ব্যাখ্যা কৰা যায়, কিন্তু সিহঁতৰ গতি ব্যাখ্যাৰ অবিহনেই ৰৈ যাব। বস্তুৰ জগতখন পৰিবর্তন, গতি, জীৱন আৰু পৰম সত্বাৰ জগত। কিন্তু প্লেট'ৰ ধাৰণাৰ মতবাদে এই মূল কথাটো ব্যাখ্যা কৰিব পৰা নাই। প্লেট'ৰ মতে বগাত্বৰ ধাৰণাই বগাবস্তু উৎপন্ন কৰে, 'ধুনীয়া' ধাৰণাই ধুনীয়া বস্তুক সৃষ্টি কৰেইত্যাদি। কিন্তু, যিহেতু নিজে নিজৰ মাজত অপৰিবর্তনশীল, গতিহীন, সেয়ে বস্তুৰ জগতখন, যি ইয়াৰ নকল, সিত্ত একে হ'ব। এইদৰে জগতখন এক স্থিৰ ৰূপলৈ পৰিবর্তন হ'ব যি অসম্ভৱ।

(৪) প্লেটোৰে ধাৰণা আৰু বিশেষ বস্তুৰ মাজৰ সম্বন্ধক যথোচিতভাৱে ব্যাখ্যা কৰিব পৰা নাই। তেওঁ ভাৱে যে বিশেষ বস্তুবোৰ ধাৰণাৰ 'নকল' (Copies) আৰু সিহঁতে সিহঁতৰ মাজতে অংশ গ্ৰহণ কৰে। এৰিষ্টটলৰ মতে এনে ধৰণৰ যোগাযোগ উকা দৃষ্টান্ত বা উপমাৰ ওপৰত কথা কোৱাৰ বাহিৰে আন একো নহয়।

(৫) ধাৰণা সমূহ, যাক প্লেট'ৰে অ-ইন্দ্ৰিয়জ বুলি ভাৱিছে, সিহঁত প্ৰকৃততে ইন্দ্ৰিয়মূলকহে। প্লেট'ৰে ভাৱে যে ইন্দ্ৰিয়গ্ৰাহ্য জগতখনক ব্যাখ্যা কৰিবলৈ এক অ-ইন্দ্ৰিয়জ নীতি বিচাৰিবলৈ ই প্ৰয়োজনী। কিন্তু এনে ধৰণৰ কোনো নীতিৰ বিচাৰ নকৰাকৈয়ে ইন্দ্ৰিয়গ্ৰাহ্য বস্তুবোৰক গ্ৰহণ কৰিছে আৰু সিহঁতক অ-ইন্দ্ৰিয়জ বুলি স্বীকাৰ কৰিছে। এক অৰ্থহীন আৰু অপ্ৰয়োজনীয় 'সাধাৰণতে' (In-General) নাইবা 'নিজৰ মাজতে' (In-Itself), যি ইয়াক এক ভিন্ন ৰূপ দিবলৈ প্ৰত্যেক ইন্দ্ৰিয়গত বস্তুৰ লগত জড়িত হৈ থাকে, তাৰ বাদে 'গৰু' আৰু 'গৰুৰ ধাৰণা'ৰ মাজত মুঠতে কোনো পাৰ্থক্য নাই। এৰিষ্টটলে পোষণ কৰে যে ধাৰণাবোৰ সৰ্বপ্ৰিয় ধৰ্মৰ নৰদেহ মূলক ঈশ্বৰৰ দৰে। এইবোৰ প্ৰকৃতিৰ অনন্তকাল স্থায়ী বস্তুবোৰৰ বাদে আন একো নহয়। তেওঁ প্লেট'ৰ বিৱৰণক এই কথা উল্লেখ কৰি সন্ত্ৰস্ত কৰি দিয়ে যে বস্তুবোৰ ধাৰণাৰ নকল নহয়, বৰঞ্চ ধাৰণাবোৰহে বস্তুৰ নকল।

(৬) ধাৰণাই বিশষ বস্তুবোৰৰ কাৰণ বুলি কোৱা প্লেট'ৰ মতটোক সত্য বুলি ক'ব নোৱাৰি, কিয়নো গতিৰ কোনো নীতিৰ অবিহনে ধাৰণা সমূহ অপৰিবৰ্তনীয় আৰ্হিৰ হোৱাৰ হেতু নিমিত্ত কাৰণ হিচাপে ই ক্ৰিয়া কৰিব নোৱাৰে। আনকি, পৰিণাম কাৰণ হিচাপে প্লেট'ৰ ধাৰণা সম্পৰ্কীয় যি স্বীকৃতি সিত্ত এই সমস্যা সমাধান কৰিব নোৱাৰে, কাৰণ ই নিমিত্ত কাৰণ (Efficient cause) কব্যাখ্যা কৰিব নোৱাৰে।

(৭) এক স্বতন্ত্ৰ দ্ৰব্য আৰু এক গুণ হিচাপে এই দুয়ো ক্ষেত্ৰত আকাৰ বা ধাৰণাৰ সন্দৰ্ভত প্লেট'ৰে তৰ্কীয় ভুল কৰিছে। আকাৰ বা ধাৰণা সমূহক স্বতন্ত্ৰ দ্ৰব্য ৰূপে স্বকীৰ কৰিছে, যিহেতু সিহঁত পৃথক অস্তিত্ব আছে, আৰু সিহঁতক গুণ ৰূপেও গ্ৰহণ কৰিছে, যিহেতু সিহঁত সামান্য। কিন্তু প্ৰশ্নটো হ'ল- এটা আৰু একেটা বস্তু কিদৰে স্বতন্ত্ৰ দ্ৰব্য আৰু গুণ দুয়োটা হ'ব পাৰে? এৰিষ্টটলে যুক্তি দৰ্শাইছে যে এক স্বতন্ত্ৰ দ্ৰব্য নাইবা এক 'মৌলিক' সত্ত্বা' (Primary Being) হ'বলৈ যিকোনো 'সাধাৰণ' (General) ৰ পক্ষে অসম্ভৱ; যিহেতু এক স্বতন্ত্ৰ দ্ৰব্য নাইবা মৌলিক সত্ত্বা এনে এক বস্তু যি এক স্বতন্ত্ৰ বস্তুৰ সৈতে অপৰিচিত। আনহাতে, 'সাধাৰণ' (General) হৈছে এনে, যি বস্তুৰ গোট সমূহৰ ক্ষেত্ৰত সাধাৰণ। এৰিষ্টটলৰ মতে, এটা দ্ৰব্য উদ্দেশ্য (Subject) ৰসৈতে একে য'ত বিধেয়ক আৰোপ কৰা হয়। ই আন কিবা বস্তু বা বিষয় এটা বিধেয় নহয়। সেয়েহে, যদি ধাৰণাক স্বতন্ত্ৰ দ্ৰব্য হিচাপে গণ্য কৰা হয়, তেন্তে সিহঁত সামান্য হ'ব নোৱাৰে; যিহেতু উদ্দেশ্যৰ গুণ বা গুণাৱলী থাকে। আকৌ, ধাৰণাবোৰক যদি সামান্যৰ ৰূপত গণ্য কৰা হয়, তেন্তে সিহঁত স্বতন্ত্ৰ দ্ৰব্য হ'ব নোৱাৰে, যিহেতু সাধাৰণ গুণ বা ধৰ্মই কেতিয়াও 'এইটো কিবা' (This Something) ক নিৰ্দ্দেশ নকৰে, বৰঞ্চ ই 'এনে ধৰণৰ' (This Such)কহে নিৰ্দ্দেশ কৰে। সেয়েহে, ধাৰণাক স্বতন্ত্ৰ দ্ৰব্য আৰু এক সামান্য দুয়োটা বুলি গ্ৰহণ কৰাটো এক তৰ্কীয় অসম্ভৱতা।

(৮) এৰিষ্টটলৰ 'তৃতীয় মানৱ' (Third Man) ৰ যুক্তিটো মনত ৰাখিবলগীয়া। এই যুক্তিটোৰে দৰ্শাই যে এজন স্বতন্ত্ৰ ব্যক্তি অস্তিত্বশীল মানুহৰ মাজত থকা 'মানুহ'ৰ ধাৰণাৰ দৰে আৰু সেয়ে, ইয়াত এজন 'তৃতীয় ব্যক্তি বা মানুহ' থাকিবই লাগিব, য'ত স্বতন্ত্ৰ মানুহৰ ধাৰণা উভয়েই অংশ লয়। ই চক্ৰক দোষ (Infinite Regress) ৰ পিনে গতি কৰায়।

(৯) যদি ধাৰণা সমূহ বস্তুৰ সাৰমর্ম, তেন্তে সিহঁত বস্তুৰ মাজতে নিহিত থাকিব লাগিব সিহঁতৰ বাহিৰত নহয়। কিন্তু প্লেট'ৰে ধাৰণা সমূহক বিশেষ বস্তু সমূহৰ পৰা পৃথক কৰিছে আৰু সিহঁতক এক অসংবেদনীয়, অ-পার্থিৱ আৰু ৰহস্যময়ী জগতত ঠাই দিছে। প্লেট'ৰে অসঙ্গত কথাৰে তেওঁৰ মতবাদৰ অন্ত পেলাইছে যেন বোধ হয়, যেতিয়া তেওঁ দৃঢ়ভাৱে স্বীকাৰ কৰিছে যে বিশেষ ঘোঁৰাবোৰ অতিক্রমি ক'ৰবাত স্বতন্ত্রভাৱে অস্তিত্বশীল 'সাধাৰণ ঘোঁৰা' (Horse in General) থাকে। প্লেট'ৰ 'ধাৰণা'ৰ মতবাদটো আত্মবিৰোধী (Self Contradictory),কিয়নো ই আৰম্ভ হৈছে এই কথাৰ উল্লেখেৰে যে সামান্য প্রকৃত বা বাস্তৱ আৰু বিশেষ অবাস্তৱ আৰু শেষ হৈছে বিশেষৰ স্তৰত সামান্যক তললৈ নমোৱাৰ দ্বাৰা।

(১০) আনকি যদি আকাৰ বা ধাৰণাক পৃথকে অস্তিত্বশীল বুলি ধৰা হয়, তেন্তে এইটো কোৱাটো সম্ভৱ নহয় যে কি ক্ষেত্রত ই এনে হ'ব আৰু কি ক্ষেত্রত এনে নহয়। নিশ্চিতভাৱে ই সকলো বিশেষ নাইবা ব্যক্তিৰ ক্ষেত্রত পৃথকে অস্তিত্বশীল হ'ব নোৱাৰে। উদাহৰণ স্বৰূপে; স্বতন্ত্র ব্যক্তি বা মানুহ। এই কথা কোৱাটো অসঙ্গত হ'ব যে সকলো মানুহৰ সাৰমর্ম একে, কিয়নো সকলো বিশেষ বস্তু, যাৰ সাৰমর্ম একে নাইবা এক, সি নিজেই এক। সাৰমর্মক পৃৰক আৰু ভিন্ন হিচাপে গ্রহণ কৰাটোও অযুক্তিকৰ।

প্লেট'ৰ ধাৰণা নাইবা আকাৰৰ বিৰোদ্ধে থকা এই সকলোবোৰ সমালোচনা একেলগে কৰি দুটা শিতানত দেখুওৱা হৈছে। প্রথমে, ধাৰণাক সম্পূর্ণ বা নিখুঁত আৰু স্বতন্ত্র নাইবা পৃথক দ্রব্য বোলাৰ দ্বাৰা প্লেট'ৰে এক অপ্রয়োজনীয় আৰু অনাহক দুভাগকৰণ কৰিচে। দ্বিতীয়তে, প্লেট'ৰে ধর্মৰ সৈতে দ্রব্যৰ প্রবর্গ (Categories of substance) ক বিমোৰত পেলাইছে।

এইদৰে, এৰিষ্টটলে প্লেট'ৰ মতামতটোক বর্খাস্ত কৰিছে যে সামান্য বিশেষ বস্তুবোৰৰ পৰা পৃথকে অস্তিত্বশীল। সামান্য তেনে নহয়, যাৰ আমাৰ অভিজ্ঞতাত পোৱা স্বতন্ত্র বস্তুবোৰতকৈ এক উচ্চতম প্রকৃত সত্বা আছে। ই হৈছে এটা শ্রেণীৰ বহুতো বস্তুত থকা এক সাধাৰণ বিধেয়। সেয়ে, 'গৰু'ৰ ধাৰণাটো সকলো গৰুৰ ক্ষেত্রতে সাধাৰণ। 'গৰু'ৰ ধাৰণাটো বিধেয় 'গৰুত্ব'ৰ সৈতে একে। এতিয়া এই 'গৰুত্ব' 'গৰু'ৰ পৰা পৃথকে থাকিব নোৱাৰে, যি দৰে 'কোমলতা' এটা 'কোমল বস্তু'ৰ পৰা বেলেগ নহয়। বিশেষত সামান্য সত্য এই অর্থত যে ই বিশেষত নিজে নিজকে অনুধাৱন কৰে। প্লেট'ৰ বিপৰীতে, এৰিষ্টটলে পোষণ কৰে যে 'স্বতন্ত্র মানুহ' 'সামান্য মানুহ'ৰ অসম্পূর্ণ নকল নহয়। তেওঁ এজন প্রকৃত মানুহ। তেওঁ 'মানুহ' আখ্যা দিয়া হয় কাৰণ তেওঁৰ মাজত মানুহৰ নির্দ্দিষ্ট আৱশ্যকীয় তথা মৌলিক গুণ সমূহ বিদ্যমান। এইবোৰ আৱশ্যকীয় নিদৃষ্ট গুণ সমূহে মানুহৰ স্বৰূপ বা প্রকৃতি গঠন কৰে। ঠিক তেনেকৈ, এক নির্দিষ্ট প্রকাৰৰ বস্তুৰ অস্তিত্ব বস্তুটোৰ মাজত থকা ধর্ম বা গুণ সমূহৰ দ্বাৰা নির্দ্ধাৰিত হয়। যিহেতু সামান্য নিজে নিজে অস্তিত্বশীল হ'ব নোৱাৰে, সেয়ে সিহঁত দ্রব্য বুলি ক'ব পৰা নাযায়; নাইবা বিশেষ দ্রব্যও হ'ব নোৱাৰে; কিয়নো বিশেষ নাইবা পৃথক বস্তু বুলি একো নাথাকে। যদি 'গৰু'ৰ পৰা 'গৰুত্ব' স্বতন্ত্রভাৱে অস্তিত্বশীল নহয়, তেন্তে 'গৰুত্ব'ৰ পৰাও 'গৰু' স্বতন্ত্রভাৱে অস্তিত্বশীল হ'ব নোৱাৰে। এজনী গৰুৰ আন আন গৰুৰ সৈতে থকা সাদৃশ্যসমূহ আমি যদি পৃথক কৰি পেলাও, তেন্তে আমাৰ বিচাৰি পাবলৈ তাত একোৱেই নাথাকিব কিয়নো সকলো ধর্মকে ইয়াৰ পৰা আতঁৰ কৰি পেলোৱা হৈছে।

এৰিষ্টটল আৰু প্লেট' উভয়ে পোষণ কৰে যে সামান্যৰ জ্ঞান স্বজ্ঞা বা বুদ্ধিৰ জৰিয়তে আহৰণ কৰিব পাৰি। কিন্তু প্লেট'ৰে ইয়াকে অভিজ্ঞতাপূর্ণ (a-priori) হিচাপে স্বীকাৰ কৰিছে আৰু আনহাতে এৰিষ্টটলে ইয়াক অমুর্ত্ত কৰণৰ দ্বাৰা ইন্দ্রিয় অভিজ্ঞতাৰ পৰা নিঃসৃত হয় বুলি স্বীকাৰ কৰিছে।

পূৰ্বোক্ত আলোচনা সমূহৰ পৰা এই কথা স্পষ্ট হৈ পৰিছে যে প্লেটৰ'তকৈ এৰিষ্টটলৰ সামান্য সম্পৰ্কীয় মতবাদটো বেছি সাম্য নাইবা পৰিমিত। তাৰোপৰি এৰিষ্টটলৰ মতবাদটো প্লেটৰ'তকৈ বেছি মিতব্যয়ী, যিহেতু তেওঁ দুখনৰ পৰিবৰ্ত্তে এখন জগতৰ কথা স্বীকাৰ কৰিছে। প্লেটৰ'ৰ মতবাদটো হৈছে 'Universalia in rebus' অৰ্থাৎ বস্তুত সামান্য (Universals in things)।

কেতবোৰ বিশেষ দিশত সামান্য সম্পৰ্কীয় ভাৰতীয় বস্তুবাদী মতবাদৰ লগত এৰিষ্টটলৰ সামান্যৰ মতবাদ একে। এৰিষ্টটলৰ দৰে ন্যায়-বৈশেষিকে পোষণ কৰে যে সামান্য নিজৰ জগতত বিশেষৰ পৰা স্বতন্ত্ৰভাৱে অস্তিত্বশীল হৈ থাকে। সামান্য সদায় বিশেষ বস্তুবোৰৰ মাজত সিহঁতৰ বিধেয় ৰূপে অৱস্থান কৰে, যি সিহঁতৰ শ্ৰেণী বিভাজন আৰু সামান্যীকৰণৰ ভিত্তি। তথাপি উভয়ৰে মাজত এক সূক্ষ্ম পাৰ্থক্যও নথকা নহয়। এৰিষ্টটলৰ মতে, বিশেষ বস্তুৰ পৰা স্বতন্ত্ৰ আৰু পৃথক অস্তিত্ব সামান্যৰ নাথাকে। কিন্তু এৰিষ্টটলৰ পৰা বেলেগ আৰু প্লেটৰ ঘনিষ্ঠ ৰূপে ন্যায় দৰ্শনে পোষণ কৰে যে বিশেষৰ পৰা সামান্য অস্তিত্বশীল ভাৱে স্বতন্ত্ৰ যদিও সিহঁতৰ সজাগতাৰ বাবে বিশেষৰ ওপৰত নিৰ্ভৰশীল।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ঃ বস্তুবাদৰ প্ৰধান বিষয় বা প্ৰসঙ্গ কি ?

প্ৰশ্ন নং ৮ঃ বস্তুবাদৰ কেইজনমান সমৰ্থকৰ নাম উল্লেখ কৰক।

প্ৰশ্ন নং ৯ঃ চমুকৈ প্লেটৰ'ৰ বস্তুবাদৰ মতটো উল্লেখ কৰক।

প্ৰশ্ন নং ১০ঃ প্লেটৰ'ৰ মতে ধাৰণা সমূহক কিদৰে জানিব পাৰি ?

প্ৰশ্ন নং ১১ঃ এৰিষ্টটলৰ বস্তুবাদৰ সংজ্ঞা দিয়ক।

প্ৰশ্ন নং ১২ঃ তলৰ উক্তিসমূহ সত্য নে অসত্য উল্লেখ কৰক ঃ

(ক) প্লেটৰ'ৰে ধৰ্ম বা গুণ হিচাপে সামান্যৰ বৰ্ণনা কৰিছে। (সত্য/অসত্য)

(খ) এৰিষ্টটলে সামান্যক বিশেষণৰ ৰূপত গ্ৰহণ কৰিছে। (সত্য/অসত্য)

(গ) প্লেটৰ'ৰ মতে, বিশেষক অতিক্ৰম কৰি এখন পৃথক জগতত সামান্য অস্তিত্বশীল। (সত্য/অসত্য)

(ঘ) এৰিষ্টটলৰ মতবাদ 'Universalia in rebus'। (সত্য/অসত্য)

চিন্তা-চৰ্চা কৰক ১০.১

প্ৰশ্ন ঃ প্লেট' আৰু এৰিষ্টটল মাজত কোনজনৰ মতবাদক আপুনি বেছি প্ৰসংসনীয় বুলি ভাৱে ?

১০.৩ নামবাদ ঃ এই মতবাদে কি কিয়

নামবাদে বস্তুগত অধিবৈজ্ঞানিক সামান্যক সম্পূর্ণৰূপে অস্বীকাৰ কৰিছে। এই মতবাদ অনুসৰি এনেকুৱা কোনো বস্তু নাই, যি একে সময়তে বিশেষ বিশেষ বস্তুৰ এক সমষ্টিত উপস্থিত থাকে। এই মতবাদ মতে, এটা সমষ্টিৰ অন্তর্গত ভিন্ন বিশেষ বিশেষ বস্তুবোৰৰ মাজত থকা পর্য্যবেক্ষিত সাদৃশ্যতাৰ দ্বাৰাই কেৱল এই সামান্যৰ সমস্যাটো সমাধান কৰিব পৰা যায়।

এই মতবাদ অনুসৰি যিকোনো বিশেষ বস্তুৰ গুণ বা বিশিষ্ট ধর্মৰাজিত সেই বস্তুটোৰ দৰেই বিশেষ নামবাদে সামান্য সম্পর্কীয় এৰিষ্টটল আৰু প্লেট' উভয়ৰে বাস্তৱবাদী মতবাদসমূহক নুই কৰিছে। এই মতবাদে পোষণ কৰে যে সামান্যৰ বস্তুগত আৰু মনোগত কোনো অস্তিত্ব নাই। ই কোনো সত্তা নহয়। এই মতবাদটি যাৰ অনেক তাৰতম্য আছে, সি সামান্যক বিশেষ আৰু সিহঁতৰ মাজৰ সাদৃশ্যসমূহ হিচাপে সংজ্ঞা নিৰূপন কৰে। সেয়েহে, এক অর্থক এই মতবাদ প্লেটোতকৈ এৰিষ্টটলৰ মতৰহে বেছি নিকট। যিহেতু সামান্যক বিশেষৰ ৰূপত বর্ণনা কৰা হৈছে আৰু সেয়েহে, ইয়াক দৃষ্টান্তৰ অনুপস্থিতিত পাব পৰা নাযায়। কিন্তু এৰিষ্টটলে কোৱাৰ নিচিনাকৈ এই জগতৰ বিভিন্ন বস্তুৰ মাজতো অভিন্ন ৰূপে সামান্যই অৱস্থান নকৰে। সেইহেতুকে নামবাদে বস্তু সমূহৰ যে এক সাধাৰণ নাম থাকে, সেই কথা অস্বীকাৰ কৰা নাই। এই মতবাদটোৱে অস্বীকাৰ কৰে বিশেষ বস্তু সমূহক যাক এক বিশেষ বৈশিষ্টযুক্ত এক সাধাৰণ পদ, (যি সিহঁতৰ সকলোৰে ক্ষেত্রত অনুৰূপ) ৰ দ্বাৰা নামাকৰণ কৰা হয়। এই মতবাদৰ প্রধান সমর্থক সকল হৈছে বৌদ্ধসকল, হ'বচ, বার্কলি আৰু হিউম।

নামবাদৰ পাচাত্য মতবাদটোৱে বিশেষ কেইবাজনো অভিজ্ঞতাবাদী চিন্তাবিদৰ হাতত ইয়াৰ পূর্ণ প্রকাশ লাভ কৰে। তেওঁলোকে বিশেষৰ ওপৰত মনোনিবেশ আৰু অমুর্ত্ত চিন্তা বা কল্পনাৰ নিষ্কৃতিৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে। বস্তুগত অধিবিদ্যামূলক সামান্যক দাঙি ধৰাৰ পৰিৱর্ত্তে, এই মতবাদটোৱে বিভিন্ন বিশেষৰ মাজত নিৰক্ষিত সাদৃশ্যকহে স্বকীৰ কৰিছে, যি সামান্যৰ সমস্যাটো সমাধান কৰাৰ বাবে যথোপযুক্ত। এই মতটো ও'কহামৰ উইলিয়াম (William of Okham) নামৰ দার্শনিক জনৰ দর্শনৰ পৰা আহিছে। তেওঁ মতবাদটোক সৰবাহী ৰূপে 'Principle of Ocham's Razor' হিচাপে জনাজাত। তেওঁৰ মতে য'ত কম পৰিমাণৰ ব্যৱহাৰ সম্ভৱ, তাত অধিক নীতি নিয়োগ কৰাটো সমৰ অপচয়হৈ হয়।

১০.৩.১ হ'বচৰ মতবাদ

থমাচ হ'বচৰ চিন্তাধাৰাত নামবাচক ইয়াৰ স্পষ্ট ৰূপত দেখা পোৱা যায়। থমাচ হ'বচে তেওঁৰ নামবাদ মতবাদক এক নৱম ৰূপত আগবঢ়াইছে। তেওঁ পোষণ কৰে যে বিশেষৰ এটা সমষ্টি এটা আনটোৰ লগত মিল থকাৰ হেতু একেতা নামেৰে জনা যায় আৰু এই বিশেষণ সমূহকো একেটা নামেৰেই বুজোৱা হয়। যিহেতু বাকীখিনিয়েও একে নামেৰে বুজোৱাক উপৰিও পৃথকে তাৰ লগত সাদৃশ্যৰ স্মপর্কৰে যুক্ত হৈ থাকে। হ'বচৰ মতে, সামান্য বুলি একো নাই, ই কেৱল এটা সাধাৰণ শব্দ, অথবা একে নামেৰে সিহঁতক নামাকৰণ কৰাৰ বাহিৰে বস্তুবোৰৰ সমষ্টিত আন কোনো 'সাধাৰণ' নাই। তেওঁৰ মতবাদে কেৱল বস্তুবাদকে অস্বীকাৰ কৰা নাই, বৰঞ্চ প্রত্যয়বাদকো অস্বীকাৰ

কৰিছে। সামান্য এনে একো নহয়, যি প্ৰকৃতিৰ মাজত অৱস্থান কৰে, নাইবা ই মনত উদয় হোৱা কোনো ধাৰণা বা প্ৰতায় নহয়। অৰ্থাৎ, 'সামান্য' এই শব্দটো প্ৰকৃততে অস্তিত্বশীল এনে কোনো বস্তুৰ নাম নহয় বা এনে কোনো ধাৰণাৰ নাম নহয়, যাক আমাৰ মনে গঠন কৰে। হ'বচে সামান্য প্ৰত্যয় বা ধাৰণাৰ অস্তিত্ব স্বীকাৰ নকৰি সাধাৰণ নামকেই তেওঁ সামান্য আখ্যা দিছে। ই হৈছে সদায় কিছুমান শব্দৰ নাম মাত্ৰ হৈ।

তথাপিও, হ'বচে তেওঁৰ নামবাদত 'Type' আৰু 'token' ৰ মাজত পাৰ্থক্য নিৰূপন কৰিবলৈ অসমৰ্থ হোৱা যেন দেখা যায়। আৰ্হি (type) আৰু চিহ্ন (Token) ৰ মাজত এক তাৎপৰ্য্যপূৰ্ণ পাৰ্থক্য আছে। উদাহৰণ স্বৰূপে দিয়া তলৰ বাক্য দুটাত দেখা যায় যে একেটা শব্দ 'red' দুটা ভিন্ন ক্ষেত্ৰত কিদৰে 'Type' আৰু 'Token' ৰ অৰ্থত ব্যৱহৃত হৈছে।

(i) 'Red' occurs ten times on this page

(ii) His red handkarchief hung down from his pocket.

প্ৰথম বাক্যশাৰী উচ্চাৰণ কৰাত কণ্ঠতাজনে 'Type' 'Red' ৰ কথা নিৰ্দ্দেশ কৰিছে। ইয়াত, ই য'তেই উদ্ভৱ হয়, ত'তেই একেটা অৰ্থকে বহন কৰে। আনহাতে, হয় বাক্যশাৰী উচ্চাৰণ কৰোঁতে কণ্ঠতাজনে আৰ্হি (Token) শব্দ 'Red' ৰ কথা নিৰ্দ্দেশ কৰিছে। অৰ্থাৎ ই চিহ্ন (Type) শব্দ 'Red' ৰ বিশেষ বিশেষ উদ্ভৱৰ মাজৰ এটাক বুজাইছে।

এতিয়া, যিহেতু এই পাৰ্থক্য নিৰ্ণয়ত অকৃত কাৰ্য্য হৈছে, সেয়ে তেওঁ বিচাৰি উলিয়াবলৈ অসমৰ্থ যে, এটা অৰ্থ য'ত এটা নাম বিশেষ সমূহৰ এক শৃংখলৰ ক্ষেত্ৰত সাধাৰণ যাৰ প্ৰত্যেককে সেই নামেৰে জনা যায়, সি হৈছে, এক 'Type sense' আৰু প্ৰত্যেক সময়ত যিকোনো এটা গোট বা সমূহক নামাকৰণ কৰাৰ ক্ষেত্ৰত বিভিন্ন ধৰণৰ 'Token' ব্যৱহৃত হয়। যদিহে তেওঁ 'Type' আৰু 'Token' ৰ মাজত পাৰ্থক্য নিৰূপন কৰিলেহেতেন, তেওঁ কেৱল এই কথাই জ্ঞাত নহ'ল হেতেন যে এটা সাংখ্যিক ভাৱে পৃথক চিহ্ন (Token) প্ৰত্যেক সময়তে ব্যৱহৃত হয়, কিন্তু এটা একক আৰ্হিৰ চিহ্নসমূহ পৰিমাণগতভাৱে ভিন্ন প্ৰকাৰৰো হ'ব পাৰে, তাকে জানিবলৈ সক্ষম হ'ল হেতেন। তাৰোপৰি, এটা প্ৰদত্ত শব্দৰ প্ৰত্যেক দৃষ্টান্ততে আক্ষৰিকভাৱে সাধাৰণ নাইবা অনুৰূপ কিবা আছে বুলি ভৱাটো কেৱল 'আৰ্হি' (Type) আৰু 'চিহ্ন' (Token) ৰ মাজত পাৰ্থক্যৰ বিচাৰ কৰা আৰু একে 'আৰ্হি'ৰ চিহ্ন সমূহত পৰিমাণগত পাৰ্থক্যক নুই কৰাক বুজোৱা নাই বৰঞ্চ ইয়াৰ দ্বাৰা এৰিষ্ট'টলীয়ান মতবাদটোক ইয়াৰ দোষ সমূহৰ এটা সমূহ (Group) ৰ এক সাধাৰণ বৈশিষ্ট্য নহয়, বৰঞ্চ সকলোৰে ক্ষেত্ৰত সাধাৰণ এক একক অনুৰূপ নাম মাত্ৰ।

এইদৰেই হ'বচৰ সামান্য সম্বন্ধীয় মতবাদে কেতবোৰ গুৰুতৰ প্ৰশ্নৰ সন্মুখীন হৈছে- কি. বেলেগ বেলেগ বস্তুক একোটা নামৰ দ্বাৰা বুজোৱা হয়? কেতবোৰ বস্তুক একেটা নামেৰে মতাটো কি শ্ৰেণীবিভাজনৰ ভিত্তি? যেতিয়া জগতৰ সকলো বস্তুৱেই একক, তেন্তে নামক সামান্য বুলি কোৱাত হ'বচ কেনেকৈ স্থিৰ হৈ থাকিব পাৰে? চৰম নামবাদক পোষণ কৰা প্ৰত্যেকেই এই সকলোবোৰ দোষ বা সমস্যাৰ মুখামুখী হ'বই লাগিব। হ'বচে এই কথা হয়তে বুজি পাইছিল, সেয়ে তেওঁ নৰম নামবাদৰ পক্ষে থিয় দিছিল। একেটা নামৰ দ্বাৰা প্ৰত্যেক বিশেষ বিশেষ বস্তুক বুজোৱাব ভিত্তি স্বৰূপে তেওঁ বিশেষ বস্তু সমূহৰ মাজত সাদৃশ্যৰ কথা স্বীকাৰ কৰিছে। কেতবোৰ গুণ নাইবা আন কোনো ক্ষেত্ৰত সাদৃশ্যতা হেতু এটা সামান্য নামক বহুতো বস্তুৰ ক্ষেত্ৰত প্ৰয়োগ কৰিব পাৰি। 'এজন মানুহ' (A

man) হে 'সকলো মানুহ'ৰ যিকোনো এটা সাদৃশ্যক নির্দ্দেশ কৰে আৰু 'এটা গৰু' (A Cow) ৰে 'সকলো গৰু'ৰ যিকোনো এক সাদৃশ্যক বুজায়। 'এইজন মানুহ' আৰু 'সেইজন মানুহ'ৰ মাজত আৰু 'এইটো গৰু' আৰু 'সেইটো গৰু'ৰ মাজত সাদৃশ্যতাৰ এক সম্বন্ধ আছে। যেতিয়া হ'বচে কয় যে, এটা সাধাৰণ শব্দ হৈছে এক নাম, যি বিশেষৰ এটা সমুদায়ৰ ক্ষেত্রত সদায় একে, ইয়াৰ দ্বাৰা তেওঁ ইয়াকে বুজাইছে যে এক সমূহৰ অন্তর্ভুক্ত প্রত্যেক বিশেষ বিশেষ (Particulars) ৰ বাবে ব্যৱহৃত হোৱা হেতু এটা চিহ্ন সকলোৰে সৈতে সদৃশ। বস্তুৰ সাদৃশ্যতা শ্রেণীবিভাজনৰ ভিত্তি। শ্রেণীবিভাজন কেৱল নামকৰণে নহয়, ইয়াৰ এক বিশেষ ভেঁটিও আছে। সেয়া হৈছে বস্তুৰ মাজৰ সাদৃশ্যতা। এইদৰেই, হ'বচৰ মতবাদটে, সাদৃশ্যতাবাদ মতবাদ (Theory of Resemblane) ৰ অন্তর্গত হোৱা দেখা যায়।

হ'বচৰ নামবাদ বৌদ্ধ নামবাদ (apohavada) ৰ পৰা পৃথক। বৌদ্ধ নামবাদৰ দৰে হ'বচৰ নামবাদ সম্বন্ধীয় স্থান চৰম নহয়। বিশেষৰ মাজত কোনো ধৰণৰ সদর্থক সাদৃশ্যতা বৌদ্ধসকলে স্বীকাৰ কৰা নাই। কেৱল অদ্বিতীয় (Unique) বিশেষ (Sua-laksana) হে সত্য আৰু সাদৃশ্যতা, নাম আদি সকলো নামসিক গঠন। আমাৰ কল্পনাৰ বাদে সাদৃশ্যতা, নাইবা মিলৰ কোনো স্থান নাই। বস্তুসমূহক একে বুলিও ক'ব নোৱাৰি নাইবা শব্দ বোৰকো একে বুলিব নোৱাৰি। 'সাদৃশ্যতা', 'অনুৰূপতা' আদি সকলো মানুহৰ মনৰ বিশ্বাস। বৌদ্ধসকলে যি কোনো ধৰণৰ সাদৃশ্যতাক নুই কৰিছে। এজন স্থিৰ নামবাদী হোৱাৰ হেতু তেওঁ জানে যে যিকোনো সমতলৰ ওপৰত অনুৰূপতা বা সাদৃশ্যতাক গ্রহণ কৰাটোৱে বস্তুবাদক আহ্লাদিত কৰাহে হ'ব।

অগ্রগতি খতিয়ান

প্রশ্ন নং ১৩ ঃ তলৰ বাক্যসমূহ সত্য নে অসত্য উল্লেখ কৰক।

(ক) নামবাদ অনুসৰি সামান্য হৈছে আচল গুণ। (সত্য/অসত্য)

(খ) হ'বচৰ নামবাদ নৰম নামবাদ। (সত্য/অসত্য)

(গ) বৌদ্ধ নামবাদক 'Apohavada' বোলা হয়। (সত্য/অসত্য)

প্রশ্ন নং ১৪ ঃ নামবাদৰ সংজ্ঞা দিয়া।

প্রশ্ন নং ১৫ ঃ আর্হি (Type) কি?

প্রশ্ন নং ১৬ ঃ চিহ্ন (Token) কি?

প্রশ্ন নং ১৭ ঃ হ'বচে সামান্যক কিদৰে বর্ণনা কৰিছে?

১০.৩.২ হিউমৰ মতবাদ

হিউমৰ সাধাৰণ শব্দৰ বিষয়টো তেওঁৰ বিখ্যাত গ্রন্থ 'A Trealise of Human Nature' ত দেখিবলৈ পোৱা যায়। হিউমে পোষণ কৰে যে সামান্য ধাৰণাবোৰ হৈছে এক প্রতিনিধিৰ ৰূপত ব্যৱহৃত বিশেষ ধাৰণা।

মনোবৃত্তিৰ মতবাদ আৰু অনুৰূপতাবাদ মতবাদৰ নিয়ম গঠনৰ দ্বাৰা তেওঁ এই ধাৰণাৰ বিকাল ঘটাইছিল, যি বাৰ্কলিৰ মতবাদৰ সৈতে হুবহু একে আছিল। মনত এক বিশেষ আকৃতি বা কল্পনাৰ অবিহনে আমি তাক কেতিয়াও সামান্যীকৰণ কৰিব নোৱাৰো এই দৃষ্টিভঙ্গীৰে হিউমে তেওঁৰ মতবাদটো আৰম্ভ কৰিছে। তেওঁ বিমুৰ্ত্তিকৰণ ধাৰণাৰ বিৰোধী আছিল। তেওঁৰ বাবে সামান্য ধাৰণাবোৰ নিজে একেটা বিশেষ স্থূল বা মুৰ্ত্ত বস্তু বা ব্যক্তি বিশেষ। ধাৰণাবোৰ চিন্তা আৰু যুক্তিত থকা সাঁচসমূহৰ অনুজ্বল ধাৰণা বা নকল (Copies)। হিউমে সিহঁতক যুক্তিৰ দ্বাৰা অনুভৱ কৰা বৌদ্ধিক ধাৰণা ৰূপে গ্ৰহণ কৰা নাই। সেইবোৰ ধাৰণাহে কেৱল আছে, যিয়ে মনৰ সাঁচবোৰক নকল কৰিব পাৰে।

হিউমে বাৰ্কলিৰ এই কথা প্ৰশংসা কৰিছে যে সামান্য বা সাধাৰণ ধাৰণাসমূহ এক নিৰ্দ্দিষ্ট শব্দৰ সৈতে লগলাগি থকা বিশেষৰ বাদে আন একো নহয়, যিয়ে সিহঁতক সাব্যস্ত কৰে আৰু এক ব্যাপক তাৎপৰ্য্য প্ৰদান কৰে; লগতে সিহঁতৰ লগত মিল থকা অন্যান্য ব্যক্তি নাইবা বস্তুৰ ক্ষেত্ৰত সিহঁতক মনত পেলায় দিয়াত সহায় কৰে। হিউমে ভাৰে যে প্ৰত্যেক সামান্য বা সাধাৰণ শব্দৰ লগত সঙ্গঁতি ৰাখিলে এক বিশেষ মানসিক ধাৰণা থাকিবই লাগিব। বাৰ্কলিয়ে যেতিয়া পোষণ কৰে যে এক বিশেষৰ সম্বন্ধতহে এটা শব্দ সামান্য হৈ পৰে, কিন্তু আনহাতে, হিউমে প্ৰতিনিধিত্ব মূলক ধাৰণাক বেলেগ এক উপায় হিচাপে উল্লেখ কৰিছে। তেওঁৰ বাবে এক সামান্য পদৰ লগত যুক্ত হ'লেহে এটা বিশেষ ধাৰণা সামান্য হৈ পৰে।

হিউমে তেওঁৰ দৃষ্টিভংগীৰ সমর্থনত তিনিটা যুক্তি আগবঢ়াইছে। সেয়া হ'ল-

প্ৰথমে, আমি এডাল ৰেখা কল্পনা কৰিব নোৱাৰো যাৰ কোনো নিৰ্দ্দিষ্ট দৈর্ঘ্য নাথাকে। সেয়েহে, আমি প্ৰত্যেকৰে এক সঠিক মাত্ৰা নিৰ্দ্ধাৰণ নকৰাকৈ গুণ আৰু পৰিমাণৰ কোনো ধাৰণা গঠন কৰিব নোৱাৰো।

দ্বিতীয়তে, যিহেতু এক ধাৰণাই মনৰ সাঁচবোৰ নকল কৰে আৰু প্ৰত্যেক সাঁচেই নিৰ্দ্দিষ্ট আৰু স্পষ্ট, সেয়ে, এটা ধাৰণাও সুনিৰ্দ্দিষ্ট আৰু সুস্পষ্ট হ'বই লাগিব, আনকি যদিও ই মনৰ সাঁচতকৈ অনুজ্বল, য'ৰ পৰা ই নিঃসৃত হয়।

তৃতীয়তে, প্ৰকৃতিত যি অস্তিত্বশীল সিয়েই ব্যক্তিবিষয়ক (Individual) অর্থাৎ এক সঠিকভাৱে নিৰ্দ্ধাৰিত বিশেষ (Particular)। উদাহৰণস্বৰূপে- বিশেষ বৈশিষ্ট্য নোহোৱাকৈ কোনো ত্ৰিভুজ অস্তিত্বশীল হ'ব নোৱাৰে। এটা অস্তিত্বশীল ত্ৰিভুজৰ স্বকীৰ্য্য হিচাপে মানি লোৱাটো অসঙ্গঁত হ'ব, যি একেটা সময়তে সামান্য আৰু ত্ৰিভুজৰ সম্ভাৱনীয় প্ৰকাৰ আৰু আয়তনৰ একো নাথাকে।

বাৰ্কলিয়ে যেতিয়া এই কথাষাৰ দৰ্শাই নিজকে বিবাদৰ সন্মুখীন কৰাইছে যে এটা ধাৰণাই একে ধৰণৰ সকলো ধাৰণাকে প্ৰতিনিধিত্ব কৰাৰ দ্বাৰা সামান্য ধাৰণা হৈ পৰে; হিউমে আনহাতে আৰু এখোপ আগুৱাই গৈ এটা বিশেষ ধাৰণাই কিদৰে আন আন ধাৰণা সমূহক প্ৰতিনিধিত্ব কৰে, তাৰ বর্ণনা আগবঢ়াইছে। তেওঁৰ এই ব্যাখ্যা তেওঁৰ অনুৰূপতাবাদ মতবাদত উল্লেখ আছে। তেওঁ অনুৰূপতা সম্পর্কে দুটা দিশৰ কথা উল্লেখ কৰিছে। প্ৰথমে, দুটা বস্তু অনুৰূপ হয়, যেতিয়া সিহঁতৰ এক নাইবা একাধিক উপাদান একে হয়। ই হৈছে অনুৰূপতাৰ পৰম্পৰাগত ব্যাখ্যা। দ্বিতীয়তে, অনুৰূপতা তেতিয়াও সংঘটিত হ'ব পাৰে, য'ত কোনো ঘৰণৰ সাধাৰণ উপাদান নাথাকে। এইটো হিউমৰ এক উপৰুৱা মতবাদ, যিয়ে সঠিক অনুৰূপতাবাদৰ বাবে ভেঁটিৰ যোগান ধৰে। প্ৰথম মতবাদটোৱে সাব্যস্ত কৰে যে দুটা সংযোজক এটা আনটোৰ অনুৰূপ বুলিব পাৰি, যদিহে অমিশ্ৰিত উপাদানসমূহৰ মাজৰ অন্ততঃ এটা অমিশ্ৰিত উপাদান সিহঁতৰ মাজত সাধাৰণ হয়। উদাহৰণ স্বৰূপে- যদি এটা সংমিশ্ৰিত 'A' গঠিত হয় 'a', 'b', 'c' আৰু 'd' ৰ দ্বাৰা আৰু আন এটা সংমিশ্ৰিত 'B' গঠিত হয় ক্ৰমে 'a', 'b', 'e' আৰু 'f' ৰ দ্বাৰা, তেতিয়া 'A' আৰু 'B' ক অনুৰূপ বুলি ক'ব পৰা যায়, যিহেতু উভয়ৰে মাজত 'a' আৰু 'b' সাধাৰণ উপাদান উপস্থিত আছে। কিন্তু এই

অনুৰূপতাৰ বিষয়টোত এক অসুবিধা আহি পৰে। ওপৰৰ ব্যাখ্যা অনুসৰি এই মতবাদে কেৱল সাধাৰণ উপাদান বিশিষ্ট সংমিশ্রিণৰ ক্ষেত্রতহে পর্য্যবেক্ষণ কৰিব পাৰে আৰু ই ইয়াকে বুজায় যে অমিশ্রিত সমূহক এটাৰ লগত আনটোক একে বুলিব পৰা নাযায় আৰু সেইহেতুকে সিহঁতৰ ক্ষেত্রত আমি সামান্যীকৰণ কৰিব নোৱৰো।।

এই সমস্যাটো অনুধাৱন কৰি হিউমে কয় যে যেতিয়া আমি পর্য্যবেক্ষণ কৰা কেতবোৰ বস্তুৰ মাজত অনুৰূপতা বা মিল বিচাৰি পাওঁ, তেতিয়া আমি আমাৰ অভ্যাসৰ বাবে সকলো বস্তুৰ ক্ষেত্রতে একেটা নামকেই প্রয়োগ কৰোঁ। উদাহৰণ হিচাপে- সঘনাই 'গৰু'ক নিৰিক্ষন কৰি থাকো আৰু সিহঁতৰ মাজত অনুৰূপতা সমূহকো নিৰীক্ষণ কৰি থাকো, তেতিয়া আমি 'গৰু' শব্দটো সিহঁতৰ লগত অনুৰূপ জীৱটোৰ ক্ষেত্রতো সেই একে শব্দ 'গৰু' ব্যৱহাৰ কৰো, অথচ জার্চি গৰু, দেশী গৰু, বগা গৰু, ক'লা গৰু, পখৰা গৰু আদিৰ মাজত পার্থক্যবোৰ আমি বিচাৰ কৰি নাচাওঁ। এইদৰেই আমি সাধাৰণ উপাদান সমূহ আৱিষ্কাৰ নকৰাকৈয়ে সামান্যীকৰণ কৰোঁ, কেৱল সাদৃশ্য বা অনুৰূপতা সমূহৰ গণনাৰ জৰিয়তে, য'ত কোনো ধৰণৰ জ্ঞাত অনুৰূপ সাধাৰণ গুণ বা বৈশিষ্ট্য নাথাকে। এইদৰেই, হিউমৰ মত সামান্যীকৰণ সম্ভৱ হয় সাদৃশ্যতা বা অনুৰূপতা বিচাৰি উলিওৱাৰ দ্বাৰা। তেওঁৰ নতুন ব্যাখ্যাটো সংমিশ্রিত বস্তু বা ঘটনাৰ ক্ষেত্রতো প্রয়োগ কৰা হয়।

তথাপিও হিউমৰ অমিশ্রিত বস্তুৰ মাজত থকা অনুৰূপতাৰ মতবাদ প্রশ্নৰ পৰা মুক্ত হ'ব পৰা নাই। 'সৰল ধাৰণা', এক অমুর্ত্ত পদৰ অধীনত সকলো অমিশ্রিতক একেলগে এটা গোটৰ অন্তর্গত কৰিবলৈ কিহে আমাক সমর্থ কৰে - এই প্রশ্নৰ সন্দর্ভত হিউমে ভাবে যে সিঁহতে নিজৰ সৰলতাত ইটোৰ লগত সিটোৰ সাদৃশ্য বা অনুৰূপতাৰ জড়িয়তে মিলিত হৈ থাকে। এতিয়া, যদি আমি সাদৃশ্যতাৰ মতবাদ অনুসৰি এটা শব্দক ব্যাখ্যা কৰিবলৈ যাওঁ, তেতিয়া ই ইয়াকে বুজাব যে আন এক সৰল ধাৰণাৰ সৰলতাৰ সাদৃশ্য আছে, কিন্তু আন এক সৰল ধাৰণাৰ সৈতে ই অনুৰূপ নহয়। এতিয়াও, ইয়াৰ দ্বাৰা হিউমে কি ক'ব বিচাৰিছে, সেই কথা পৰিষ্কাৰ হোৱা নাই। তেওঁ নিশ্চিতভাৱে বুজাইছে যে দুয়োটা সৰল ধাৰণাত সৰলতাটো অনুৰূপ। সেয়েহে, হিউমৰ অৱস্থিতি মজবুত ৰাখিবলৈ অনুৰূপতাবাদ মতবাদ অসফল হৈছে।

আকৌ, স্বভাৱহাত বা প্রবৃত্তিমূলক মতবাদ (Disposition or Propensity theory)ত এহাতে হিউমে ধাৰণাৰ সংযোজনৰ বিষয়ে আৰু আনহাতে, বিশ্বাসৰ বিষয়ে অতি স্পষ্টভাৱে আলোচনা কৰিছে। হিউমে স্বভাৱজাত মতবাদক কেতবোৰ সাদৃশ্যানুমানৰ সহায়েৰে ব্যাখ্যা কৰিছে। আৰু এইবোৰ সাদৃশ্যানুমানৰ দ্বাৰা তেওঁ সামান্য শব্দৰ ব্যৱহাৰ সম্পর্কত তলত উল্লেখিত দিশকেইটা প্রতিষ্ঠা কৰিবলৈ প্রয়াস কৰিছে ঃ

(১) সামান্য শব্দবোৰক কৃতকার্যভাৱে ব্যৱহাৰ কৰাৰ উদ্দেশ্যে আমি নির্দ্দিষ্ট কৌশল আহৰণ কৰিব লাগিব। বহুতো বস্তুক সামৰি ল'বলৈ শব্দৰ ব্যৱহাৰৰ ই হৈছে এক - কৌশল, যিবোৰৰ বেছিভাগ শব্দই ব্যৱহাৰৰ সময়ত আমাৰ চিন্তাত নাথাকে।

(২) সাধাৰণ শব্দই এক অভ্যাসক পুনৰ সজীৱ কৰে। ই এক উত্তেজকৰ দৰে ক্রিয়া কৰে। এটা একক শব্দৰ ব্যৱহাৰৰ দ্বাৰা আমি অভ্যাসৰ বহুতো দৃষ্টান্ত পুনৰোজ্জীৱিত কৰিব পাৰো। উদাহৰণস্বৰূপে এজন মানুহে, যিজনে শ্লোকসমূহ মনত পেলাব পৰা নাই, শ্লোকসমূহ আৰম্ভ হোৱা এটা একক শব্দ বা উক্তিৰ দ্বাৰা তেওঁক সম্পূর্ণ শ্লোকটো মনত পেলাই দিব পাৰি।

(৩) যেতিয়া আমি সাধাৰণ বা সামান্য শব্দবোৰ ব্যৱহাৰ কৰোঁ, ইয়াৰ অর্থ সমূহ নির্দ্ধাৰিত বা স্থিৰ বুলিব নোৱাৰি। ইয়াক সঠিকভাৱে সংজ্ঞা দিয়া নহয় ; ই কোনো ক্ষেত্রত দুর্বলভাৱেও ব্যৱহৃত হয়।

তথাপিও, ইয়াক মুৰ্খামিৰে ব্যৱহাৰ কৰিব নোৱাৰি, চিন্তা আৰু আনৰ সৈতে হোৱা কথোপকথনত ইয়াক বিজ্ঞতা আৰু তাৎপৰ্যপূৰ্ণতাৰে ব্যৱহাৰ কৰা হয়। যদিও আমি সাধাৰণ শব্দবোৰৰ সংজ্ঞা কাৎচিত হে সঠিকভাৱে নিৰূপন কৰোঁ, তথাপি যথোপযুক্ত পৰিস্থিতিত কথোপনকথন আৰু অধ্যয়নৰ দ্বাৰা সিঁহতক সঠিকভাৱে ব্যৱহাৰ কৰিবলৈ আমি অভ্যস্ত।

এইদৰেই, সাদৃশ্যতা বিচৰাৰ সৈতেই হিউমৰ মতবাদ আৰম্ভ হৈছে আৰু তেওঁ এইটোও দেখুওৱাইছে যে এটা সাধাৰণ বৈশিষ্ট্য আৱিস্কাৰ নকৰাকৈয়ে এক সাদৃশ্য নিৰীক্ষণ কৰাটো সম্ভৱ। হিউমে অভ্যাস আৰু ধাৰণাৰ স্বাভাৱিক সংযোজনৰ দ্বাৰা এটা সাধাৰণ বৈশিষ্ট্যৰ বিমূৰ্ত্তকৰণক স্থানান্তৰ কৰিছে। তেওঁ কয় যে বস্তুবোৰৰ মাজত যিয়েই পার্থক্য নাথাকক, যদিহে আমি সিঁহতৰ মাজত মিল বা সাদৃশ্যতা দেখা পাওঁ, তেতিয়া আমি একেটা নাম সিহঁতৰ সকলোৰে ক্ষেত্রত প্রয়োগ কৰিবলৈ অভ্যস্ত। এটাৰ লগত আনটোৰ সাদৃশ্য থকা বস্তুবোৰৰ প্রতি একে শব্দ ব্যৱহাৰ কৰাৰ অভ্যাস আমি আহৰণ কৰাৰ পাছত, সেই শব্দটো শুনাৰ লগে লগে সেই বস্তুৰ যিকোনো এটাৰ ধাৰণা সজীৱ হৈ উঠে আৰু আমাৰ মনৰ মাজত সেই সম্পর্কে এক কল্পনা গঢ় লৈ উঠে। শ্রৱণে বস্তুসমূহৰ যিকোনো এটা বস্তুকহে জানিবলৈ দিয়ে। সি সকলো বস্তুৰেই ধাৰণা জন্মাব নোৱাৰে, যিবোৰ ক্ষেত্রত শব্দটো প্রয়োগ কৰা হয়। কিন্তু, যদিহে বিশেষ আৱশ্যকতাই দাবী কৰে, তেন্তে ই একেটা সময়তে এই ধাৰণাটোৰ লগত মিল থকা আন যিকোনো বস্তুক দেখুওৱাবলৈ 'এক নির্দ্দিষ্ট অভ্যাস' (a certain custom) ক ক্রিয়াশীল কৰি তোলে। যদিও ই সম্ভাৱনীয়মূলক আৰু প্রকৃতপক্ষে নহয়, তথাপি শব্দৰ নাইবা নামৰ শ্রৱণে ইয়াৰ আগত সকলোকে দেখুৱাই দিয়ে। সিঁহত প্রকৃততে আমাৰ মনত উপস্থিত নাথাকে, বৰঞ্চ কেৱল শক্তিতহে ই নিহিত থাকে। আমি আমাৰ কল্পনাত সিঁহতক স্পষ্টকৈ স্থাপন কৰিব নোৱাৰো। যেতিয়া পৰিস্থিতিয়ে দাবী কৰে, তেতিয়া সিঁহতৰ যিকোনো এটাক দেখুওৱাৰ বাবে আমি নিজকে প্রস্তুত কৰিব লাগে। সাধাৰণতে, খুব কম সংখ্যক ধাৰণা মাত্রহে স্মৰণ কৰিব পৰা যায়। মুঠতে, শব্দ বা নাম প্রয়োগ কৰা সকলো ধাৰণাৰ পুনঃ স্মৰণ প্রায় অসম্ভৱ। কাৰণ আমাৰ মনে কেৱল স্মৰণেই নকৰে, বৰঞ্চ প্রত্যাখ্যানো কৰে। অভ্যস্ত, নোহোৱা যিকোনো বস্তুকেই ই প্রত্যাখ্যান কৰিবলৈ উদ্যত হৈ থাকে। সাধাৰণতে শব্দবোৰৰ ব্যৱহাৰৰ আগতে এক সামান্য অনুসৰণ কৰাৰ দ্বাৰা সাধাৰণ গুণসমূহৰ সদায় এক জ্ঞাত বা বিবেচক বাছনি থাকে।

হিউমৰ প্রবৃত্তিমূলক মতবাদটোক এই মতৰ বিৰুদ্ধে এক প্রতিবাদ ৰূপে গ্রহণ কৰা হয়। সাধাৰণ গুণ বা গুণাৱলীক আৱিষ্কাৰ নকৰাকৈয়ে আৰু সৰলভাৱে কেৱল সাদৃশ্যসমূহ লক্ষ্য কৰিয়েই, (য'ত কোনো সাধাৰণ অনৰূপ গুণ নাথাকে) আমি সামান্যীকৰণ কৰিব পাৰো। অভিজ্ঞতাবাদীসকলৰ মাজত হিউমেই হৈছে প্রথম গৰাকী দার্শনিক, যিয়ে বৈজ্ঞানিক স্তৰৰ তলত দৈনন্দিন জীৱনৰ স্তৰত সাধাৰণ শব্দসমূহৰ ব্যৱহাৰক ব্যাখ্যা কৰিছে। আমি সৰু ল'ৰা-ছোৱালীবোৰৰ ক্ষেত্রত ভাৱিব নোৱাৰো যে সিহঁতে প্রথমে সাধাৰণ গুণ সমূহক পৃথক কৰিব আৰু তাৰ পাছত সামান্যক গঠনৰ উদ্দেশ্যে সিঁহতৰ অমূৰ্ত্তকৰণ কৰিব। ইয়াত প্রাপ্তবয়স্তসকলৰ লেখিয়াকৈ সিঁহতৰ ক্ষেত্রতো অভ্যাস এক প্রৱল বিষয়। যেতিয়া মনে কেতবোৰ বস্তুৰ মাজত সাদৃশ্যতা পুনৰ নিৰীক্ষণ কৰে, তেতিয়া ই প্রায় আমাৰ জ্ঞানৰ অবিহনেই সংঘটিত হয়, সিঁহতক একত্রিত কৰা হয়, যাৰ সম্বন্ধবোৰ সাধাৰণ নামৰ সাব্যস্তকৰণৰ দ্বাৰা অধিক শক্তিশালী কৰি তোলা হয়। যেতিয়া আমি "Figure" শব্দটোৰ অর্থ নির্ণয় কৰিবলৈ যাওঁ, তেতিয়া আমি কেৱল এটা 'কল্পনা' বা 'ধাৰণা' (Image or Idia) ৰ ওপৰতে নির্ভৰ নকৰোঁ। তাৰ পৰিৱর্তে আমাৰ মনত বিভিন্ন আকৃতি আৰু অংশৰ বৃত্ত, ত্রিভুজ, চর্তুভুজ, আয়ত আদিৰ ধাৰণাহে পুনৰ জীৱিত হৈ উঠে। ইয়াত, অভ্যাসে ইয়াক

নজনাকৈয়ে যিখিনি কৰে মনে সেইখিনিকে স্পষ্ট ৰূপত প্ৰকাশ কৰে। এইদৰেই মনে অভ্যাসবশতঃ 'Figure' শব্দটোৰ অৰ্থ নিৰ্দ্ধাৰণ কৰে। অভ্যাস আৰু স্বভাৱৰ ওপৰত অত্যাধিক গুৰুত্ব আৰোপ কৰি আমাক এই কথাৰ পৰা প্ৰতিৰোধ কৰিছে যে এই মতবাদটোৰ মূল বৈশিষ্ট্য এই যে এটা বিশেষক গ্ৰহণ কৰি তাক পুনৰ একে ধৰণৰ সকলোৰে ক্ষেত্ৰত ব্যৱহাৰ কৰা হয়। ইয়াত অৱশ্যে এটা বিশেষক লোৱাটো গুৰুত্বপূৰ্ণ কথা নহয়, বৰঞ্চ এই হৈছে মনৰ অভ্যাস বা প্ৰবৃত্তি জন্মোৱা এক প্ৰস্তাৱ, যি হৈছে প্ৰকৃতিগত স্বভাৱ নাইবা প্ৰবৃত্তি।

হিউমে পোষণ কৰে যে তৰ্কবিজ্ঞানক সম্পূৰ্ণৰূপে মনোবিজ্ঞানৰ পৰা পৃথক কৰিব পৰা নাযায়। তেওঁৰ মতে এটা সাধাৰণ বোধ বা ধাৰণাক আনুমান কৰাৰ হেতু সেই ধাৰণাটোক আমি চিন্তা কৰিবই লাগিব। এটা ধাৰণাক অনুমান কৰাত নাম এটা শুনাৰ ওপৰত এক বিশেষ ভৰষা থাকে, এটা দৃষ্টান্তক স্বীকৃতি দিবলৈ এক সুনিৰ্দিষ্ট প্ৰস্তুতি থাকে আৰু লগতে প্ৰয়োজন সাপেক্ষে সেই দৃষ্টান্তটোক অস্বীকাৰো কৰিব পৰা যায়। এটা সামান্যক মনে ধাৰণ কৰা এক গধুৰ কল্পিত উপাদান হিচাপে স্বীকাৰ কৰিব নালাগে, বৰঞ্চ এক প্ৰস্তুতি আৰু ভৰষা ৰূপেহে গ্ৰহণ কৰিব লাগে, যাৰ জ্ঞাত হোৱাৰ লগতে এক উদ্বেগপূৰ্ণ দিশো আছে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১৮ ঃ তলৰ উক্তি সমূহ সত্য নে অসত্য উল্লেখ কৰক।

ক) সামান্য সম্পৰ্কে হিউমৰ মতামতক অনুৰূপতাবাদ বা সাদৃশ্যবাদ নামেৰে জনা যায়। (সত্য/অসত্য)

খ) হিউম ইচ্ছা নাইবা প্ৰবৃত্তিমূলক মতবাদৰ সৈতে জড়িত। (সত্য/অসত্য)

গ) হিউমৰ মতে, এটা সাধাৰণ পদৰ লগত সহযোগ কৰাৰ দ্বাৰা এটা বিশেষ ধাৰণা সামান্য ধাৰণালৈ পৰিৱৰ্তিত হয়। (সত্য/অসত্য)

প্ৰশ্ন নং ১৯ঃ সামান্য সন্দৰ্ভত বাৰ্কলি আৰু হিউমৰ মাজৰ এক সাদৃশ্যতা লিখক।

প্ৰশ্ন নং ২০ ঃ হিউমৰ নামবাদৰ সংজ্ঞা আগবঢ়াওক।

প্ৰশ্ন নং ২১ঃ প্ৰবৃত্তিমূলক মতবাদৰ জৰিয়তে হিউমে কি প্ৰমাণ কৰিবলৈ চেষ্টা কৰিছে?

চিন্ত চৰ্চা কৰক- ১০.১

সাদৃশ্যতাবাদ বা সাদৃশ্যমূলক মতবাদ সামান্যৰ এক মতবাদ হিচাপে গ্ৰহণযোগ্য হয়নে? আপোনাৰ উত্তৰৰ সপক্ষে কাৰণ আগবঢ়াওক।

১০.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- পূৰ্বোক্ত আলোচনাৰ পৰা আমি যি বুজিলো, সেয়া হৈছে যে সামান্যৰ সমস্যা এক সহজ সমাধান কৰিব নোৱাৰা সমস্যা বা এক জটিল সমস্যা।

- ইয়াত আলোচিত দুয়োটা মতামত নিজা নিজা দৃষ্টিকোণৰ পৰা শুদ্ধ যেন বোধ হয়, যদিও এটাও সমালোচনাৰ উৰ্দ্ধত নহয়।
- তথাপি, সামান্যৰ সাধাৰণ সংজ্ঞাটো হৈছে সামান্য হৈছে সি, যি বিশেষ শ্ৰেণীৰ সকলো সদস্যৰ দ্বাৰা সাধাৰণভাৱে অংশীদাৰ হয় আৰু একে হয় আৰু একে জাতি ধৰ্ম বিশিষ্ট বস্তুবোৰক এটা বিশেষ শ্ৰেণীৰ অন্তৰ্গত কৰি একে বিশেষ নামেৰে সম্বোধন কৰা টো ইয়াৰ ভিত্তি।
- বস্তুবাদৰ মতে, এই সাধাৰণ উপাদানটো মন নিৰপেক্ষ আৰু তাৰ এক বাস্তৱ সত্বা বা অস্তিত্ব আছে।
- প্লেট'ৰ মতে সামান্য অ-দেশীয় আৰু অ-কালিক। আনহাতে, এৰিষ্ট'টলৰ মতে সামান্য বিশেষ বস্তুবোৰৰ মাজত অস্তিত্বশীল।
- সামান্যৰ সমস্যাটো আমাৰ অভিজ্ঞতা, চিন্তা আৰু ভাষাৰ পৰা আহিছে।
- সামান্যই বস্তুবোৰক একেলগ কৰি একোটা গোট সৃষ্টি কৰাৰ ভিত্তিৰ যোগান ধৰে। সিচঁৰিত হৈ থকা বিশেষ বিশেষ বস্তুবোৰৰ মাজত ই এক ঐক্যতা স্থাপন কৰে।
- বস্তুবাদ, প্ৰত্যয়বাদ আৰু নামবাদ হৈছে সামান্য সম্পৰ্কীয় কেইটামান প্ৰধান মতবাদ।
- বস্তুবাদ হৈছে সেইটো মতবাদ, যাৰ মতে সামান্যৰ স্বতন্ত্ৰ সত্বা আছে। এই মতবাদৰ প্ৰধান দাৰ্শনিকদ্বয় হৈছে প্লেট' আৰু এৰিষ্ট'টল।
- প্লেট'ৰ মতে, সামান্যবোৰ প্ৰকৃত নাইবা বিশেষ্য। কিন্তু এৰিষ্ট'টলৰ মতে সিহঁত বিশেষণাত্মক। প্লেট'ৰ মতে সামান্য বিশেষৰ পৰা পৃথক অৱস্থান কৰে। কিন্তু এৰিষ্ট'টলৰ মতে ই অসম্ভৱ।
- নামবাদে বস্তুবোৰৰ এট গোটত অনুৰূপভাৱে উপস্থিত থকা সাধাৰণ সাৰভাগক ততালিকে অস্বীকাৰ কৰিছে।
- এই মতবাদ অনুসৰি, সাদৃশ্য বা মিলেই হৈছে এক বিষয়, যিয়ে বস্তুবোৰক এক বিশেষ গোটৰ মাজলৈ লৈ আনে।
- হ'বচৰ নৰম নামবাদে স্বীকাৰ কৰে যে একেটা নামেৰে মাতিবৰ বাবে বিশেষ এটা গোটে ইটোৰ লগত সিটোৰ সাদৃশ্য জ্ঞান জন্মায় আৰু এই বিশেষসমূহৰ প্ৰত্যেককে বাকীবিলাকৰ দৰে একেটা নামেৰেই মতা হয়, কিয়নো একেটা নামেৰে মতাৰ উপৰিও বেলেগ ক্ষেত্ৰতো ই বাকীবিলাকৰ লগত একে হয়।
- হিউমে তেওঁৰ ইচ্ছা বা প্ৰবৃত্তিমূলক মতবাদৰ জৰিয়তে প্ৰমাণ কৰিবলৈ বিচাৰিছে যে সাধাৰণ গুণ বা গুণাৱলীক আৱিস্কাৰ নকৰাকৈয়ে আৰু কেৱল সাদৃশ্যতা সমূহক চিহ্নিত কৰাৰ দ্বাৰাই আমি সামান্যক গঠন কৰিব পাৰো, য'ত কোনো সাধাৰণ গুণাৱলী নাথাকে

৭ ১০.৭ অধিক জানিবলৈ

1) Aaron, R.I. (1952) . *The Theory if Universals.* Oxford.
2) Edman, I. (ed.) (1956) . *The Works of Plato.* The Modern Library. New York.
3) Sarma, Dr Ramala (2013). *Theory of Universals.* N.L. Publications : Guwahati.
4) Warrington, J., (ed.) (1961). *Aristotle's Metaphysics.* Everyman's Library : London.

5) Woozley, A.D. (1982). *Theory of Knowledge.* B.I. Publications. New Delhi.

১০.৮ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ (ক) সত্য (খ) অসত্য (গ) সত্য(ঘ) সত্য(ঙ) অসত্য

২নং প্রশ্নৰ উত্তৰ ঃ সাধাৰণতে, সামান্য বুলিলে একে জাতি ধর্ম বিশিষ্ট বস্তু সমূহক এটা বিশেষ শ্রেণীৰ অন্তর্ভুক্ত কৰি বিশেষ নামেৰে নামাকৰণ কৰাৰ ফলত যি সাধাৰণ ধর্ম কোনো শ্রেণীৰ অন্তর্গত প্রতিটো বস্তু বা প্রাণীৰ মাজত সমভাৱে উপস্থিত থাকে আৰু একেটা নামেৰেই সিহঁতক সম্বোধন কৰা হয়, তাকে বুজা যায়।

৩নং প্রশ্নৰ উত্তৰ ঃ বিশেষ বস্তু সমূহ হৈছে সেইবোৰ বস্তু, যিবোৰ এক বিশেষ দেশ আৰু কালত অস্তিত্বশীল। উদাহৰণ স্বৰূপে এখন মেজ, এখন কিতাপ, এটা ৰঙা ৰং, এজোপা গছ, এজনী গাই ইত্যাদি।

৪নং প্রশ্নৰ উত্তৰ ঃ বস্তুবাদ (Realism), প্রত্যয়বাদ (Conceptualism) আৰু নামবাদ (Nominalism)

৫নং প্রশ্নৰ উত্তৰ ঃ প্রত্যয়বাদ অনুসৰি সামান্য হৈছে মনৰ এক ধাৰণা বা অৱধাৰণ, ই এক বিশুদ্ধ মানসিক সত্বা। মন বহিঃর্ভুত বস্তুত কোনো সামান্যতা নাথাকে।

৬নং প্রশ্নৰ উত্তৰ ঃ নামবাদৰ মতে, সামান্য হৈছে কেৱল এক নাম বা শব্দ, যাক বিভিন্ন বিশেষৰ এটা গোটৰ ক্ষেত্রত ব্যৱহাৰ কৰাৰ দ্বাৰা সামান্য হিচাপে গঠন কৰা হয়।

৭নং প্রশ্নৰ উত্তৰ ঃ বস্তুবাদৰ প্রধান বিষয় বা প্রসঙ্গ হৈছে যে সামান্য জ্ঞান মন স্তুতন্ত্র হিচাপে অস্তিত্বশীল। ইয়াৰ বস্তুগত সত্যতা আছে। ই এনে এক সাৰমর্ম, যি এটা শ্রেণীৰ সকলো সদস্যৰ মাজত সমভাৱে উপস্থিত থাকে।

৮নং প্রশ্নৰ উত্তৰ ঃ ন্যায় বৈশেষিক, মীমাংসা, প্লেট', এৰিষ্ট'টল, চেইণ্ট আগাষ্টাইন, চেইণ্ট থ'মাচ একুইনাছ, বট্রাণ্ড ৰাছেল, জি. ই মুৰ আৰু আলেকজেণ্ডাৰ হৈছে বস্তুবাদৰ সমর্থক।

৯নং প্রশ্নৰ উত্তৰ ঃপ্লেট'ৰ বস্তুবাদ চৰম বস্তুবাদ। তেওঁৰ মতে, সামান্য হৈছে প্রকৃত, এক সত্বা, যি এক অ-দেশী অ-কালিক জগতত মনৰ ওপৰত নির্ভৰশীল নোহোৱাকৈয়ে অস্তিত্বশীল। দেশ আৰু কালৰ জগতত থকা বিশেষ সমূহৰ ক্ষেত্রত যিয়েই নঘটক তাৰ দ্বাৰা সামান্যৰ ওপৰত একো প্রভাৱ নপৰে।

১০নং প্রশ্নৰ উত্তৰ ঃ প্লেট'ৰ মতে, পূর্বস্মৃতিৰ মতবাদৰ জৰিয়তে ধাৰণা সমূহক জানিব পৰা যায়। থেওঁ কৈছিল যে, আত্মাতহে সামান্য আছে (প্লেট'ৰ ভাষাত বিশুদ্ধ আকাৰ নাইবা ধাৰণা), যি বর্ত্তমান শৰীৰত চামিল হোৱাৰ আগেয়ে নিৰাকাৰ জগতত বাস কৰে। বর্ত্তমান জীৱনত যেতিয়া আমি একে ধৰণৰ বস্তু প্রত্যক্ষ কৰোঁ, তেতিয়া আমি পার্থিৱ জগতত পাহৰি যোৱা 'আকাৰ' বা 'ধাৰণা' স্মৰণ কৰোঁ।

১১ নং প্রশ্নৰ উত্তৰ ঃ এৰিষ্ট'টলে বস্তুবাদৰ এক নৰম আকাৰৰ পোষকতা কৰিছে। তেওঁ প্রকৃত সামান্যৰ ৰহস্যময়ী জগতখনক অস্বীকাৰ কৰিছে। তেওঁৰ মতে, সামান্য প্রকৃত তথা বস্তু মূলক নহয়, বৰঞ্চ বিশেষৰ অন্তর্ভুক্ত এক ধর্ম নাইবা গুণ। তেওঁৰ বাবে সামান্য আৰু বিশেষৰ মাজত এক আন্তঃনির্ভৰশীলতাৰ সম্পর্ক আছে।

১২ নং প্রশ্নৰ উত্তৰ ঃ (ক) অসত্য (খ) সত্য(গ) সত্য(ঘ) সত্য

১৩ নং প্রশ্নৰ উত্তৰ ঃ ক) অসত্য খ) সত্য গ) সত্য।

১৪ নং প্ৰশ্নৰ উত্তৰঃ নামবাদ হৈছে এক মতবাদ যিয়ে সাদৃশ্যতাৰ হিচাপত সামান্যৰ সংজ্ঞা আগবঢ়ায়, যিদৰে একেটা নামেৰে বুজোৱাৰ ক্ষেত্ৰত ইটোৰ লগত সিটোৰ মিল বা সাদৃশ্য তাৰ প্ৰয়োজন আহি পৰে। সেয়েহে, এই মতবাদক সাদৃশ্যমূলক মতবাদ বুলিও জনা যায়।

১৫ নং প্ৰশ্নৰ উত্তৰঃ এটা শব্দ হৈছে এটা 'আৰ্হি' (type) , যেতিয়া ইয়াৰ উৎঘাটনৰ সকলো সময়তে ই একে অর্থ থাকে।

১৬ নং প্ৰশ্নৰ উত্তৰ ঃ এটা শব্দ এক 'চিহ্ন' (token) হয়, যেতিয়া ই ইয়াৰ বিশেষ সংঘটনক নির্দ্দেশ কৰে।

১৭ নং প্ৰশ্নৰ উত্তৰঃ হ'বচ্ৰ নামবাদ নৱম নামবাদ, যিয়ে স্বীকাৰ কৰে যে একেটা নামেৰে মাতিবৰ বাবে বিশেষ **এটা** গোটে ইটোৰ লগত সিটোৰ সাদৃশ্য জ্ঞান জন্মায় আৰু এই বিশেষ সমূহৰ প্ৰত্যেক বাকী বিলাকৰ দৰে একেটা নামেৰেই বুজোৱা হয়, কিয়নো একেটা নামেৰে বুজোৱাৰ উপৰিও বেলেগ ক্ষেত্ৰতো ই বাকীবিলাকৰ লগত একে হয়।

১৮ নং প্ৰশ্নৰ উত্তৰ ঃ _____ক) সত্যখ) সত্যগ) সত্য

১৯ নং প্ৰশ্নৰ উত্তৰঃ হিউম্ আৰু বার্কলি উভয়ে স্বীকাৰ কৰিছে যে সামান্য আৰু সাধাৰণ ধাৰণাবোৰ একনির্দিষ্ট শব্দৰ লগত বিশেষৰ সংযোগৰ বাদে আন একো নহয়।

২০ নং প্ৰশ্নৰ উত্তৰঃ হিউমৰ মতে, সামান্য বা সাধাৰণ ধাৰণাসমূহ এটা নির্দিষ্ট শব্দৰ লগত বিশেষ সংযোগৰ বাদে আন একো নহয় যিয়ে সিঁহত অধিক বিস্তৃর্ণ তাৎপর্য্য প্রদান কৰে আৰু সিঁহতৰ সৈতে মিল থকা আন আন ব্যক্তি বিশেষৰ ক্ষেত্ৰত সিঁহতক স্মৰণ কৰাত সহায় কৰে। তেওঁ ভাৱে যে প্রত্যেক সাধাৰণ শব্দৰ প্রতি অনুৰূপ হ'বলৈ এক বিশেষ মানসিক ধাৰণা থাকিবই লাগিব।

২১ নং প্ৰশ্নৰ উত্তৰঃ হিউমৰ প্রবৃত্তিমূলক মতবাদটোক এই মতৰ বিৰুদ্ধে প্রতিবাদ কৰাৰ এক সঁজুলি হিচাপে ধৰা হয়, যে সাধাৰণ শব্দৰ ব্যৱহাৰৰ পূর্বে এটা সামান্যক গঠন কৰাক অনুসৰণ কৰি সাধাৰণ গুণাৱলীসমূহৰ সদায় এক বিবেকীয় বাচনি থাকে। সাধাৰণ গুণ বা গুণাৱলী আৱিস্কাৰ নকৰাকৈয়ে আৰু সৰলভাৱে সাদৃশ্যতাবোৰ চিহ্নিত কৰিয়েই আমি সামান্যীকৰণ কৰিব পাৰো, য'ত অনুৰূপ কোনো ধৰণৰ গুণ বা ধর্ম নাথাকে।

? ১০.৯ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ঃ বাছেল বস্তুবাদৰ এজন সমর্থক হয় নে?

প্রশ্ন ২ঃ কোন ভাৰতীয় চিন্তাবিদে বস্তুবাদ মতবাদক পোষণ কৰিছে?

প্রশ্ন ৩ঃ সামান্যৰ কোনটো মতবাদে সাৰমর্ম (Essence) ক এটা শ্রেণীৰ অন্তর্গত সকলো বিশেষত অনুৰূপভাৱে উপস্থিত থাকে?

প্ৰশ্ন ৪ঃ বিশেষ কি?

প্ৰশ্ন ৫ঃ সামান্যৰ এটা উদাহৰণ দিয়ক।

প্ৰশ্ন ৬ঃ বিশেষৰ কেইটামান উদাহৰণ দিয়ক।

প্ৰশ্ন ৭ঃ প্লেটৰ মতে যিটো মতবাদে কয় যে ধাৰণাক জানিব পাৰি, তাৰ নাম কি?

প্ৰশ্ন ৮ঃ এৰিষ্টটলৰ মতে বিশেষৰ পৰা পৃথককৈ সামান্য অস্তিত্বশীল হয় নে?

প্ৰশ্ন ৯ঃ কোনটো ভাৰতীয় মতবাদে এৰিষ্টটলৰ মতামতক মিলিত কৰিছে?

প্ৰশ্ন ১০ঃ কোনজন দাৰ্শনিক 'শ্ৰেয়ৰ ধাৰণা' (Idea of Good) ৰ সৈতে জড়িত।

প্ৰশ্ন ১১ঃ হিউম এজন নামবাদী হয়নে?

প্ৰশ্ন ১২ঃ Ockkam's Razor ৰ মতবাদৰ সৈতে কোন জড়িত?

প্ৰশ্ন ১৩ঃ কেইজনমান নামবাদৰ সমৰ্থকৰ নাম উল্লেখ কৰক।

প্ৰশ্ন ১৪ঃ 'আৰ্হি' (type) আৰু 'চিহ্ন' (token) ক ব্যাখ্যা কৰিবলৈ এটা উদাহৰণ দিয়ক।

প্ৰশ্ন ১৫ঃ হিউমে তেওঁৰ সামান্য সম্পৰ্কীয় মতামতক স্পষ্ট কৰিবলৈ আগবঢ়োৱা মতবাদটো কি?

খ) চমু প্ৰশ্ন (১০০ - ১৫০ মান শব্দৰ ভিতৰত উত্তৰ লিখক) ঃ

প্ৰশ্ন ১ঃ সামান্যৰ সংজ্ঞা দিয়ক।

প্ৰশ্ন ২ঃ বস্তুবাদ কি?

প্ৰশ্ন ৩ঃ সামান্য আৰু বিশেষৰ মাজত পাৰ্থক্য নিৰ্ণয় কৰক।

প্ৰশ্ন ৪ঃ প্লেটৰ 'শ্ৰেয়'ৰ ধাৰণাৰ ওপৰত এটি চমুটোকা যুগুত কৰক।

প্ৰশ্ন ৫ঃ এৰিষ্টটলৰ মতামত সমূহ কিদৰে ন্যায় বৈশিষক দৰ্শনত মিলিত হৈছে লিখক।

প্ৰশ্ন ৬ঃ নামবাদৰ ওপৰত এক চমুটোকা যুগুত কৰক।

প্ৰশ্ন ৭ঃ Ockham's Razor কি?

প্ৰশ্ন ৮ঃ নামবাদক কিয় সাদৃশ্যমূলক মতবাদ বুলিও কোৱা হয়?

প্ৰশ্ন ৯ঃ হ'বছৰ নামবাদ আৰু বৌদ্ধ নামবাদৰ মাজত পাৰ্থক্য কি?

প্ৰশ্ন ১০ঃ সাদৃশ্যানুমানৰ চমু ব্যাখ্যা আগবঢ়াওক যাক হিউমে প্ৰবৃত্তিমূলক মতবাদক ব্যাখ্যা কৰিবলৈ ব্যৱহাৰ কৰিছে।

প্ৰশ্ন ১১ঃ "এটা সাধাৰণ শব্দৰ লগত যোগ হোৱাৰ দ্বাৰা এটা বিশেষ ধাৰণা সাধাৰণ হৈ পৰে।" এই মতৰ সমৰ্থনত হিউমে আগবঢ়োৱা যুক্তিসমূহ বিচাৰ কৰক।

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক) ঃ

প্ৰশ্ন ১ঃ সমালোচনাসহ প্লেটৰ সামান্যৰ মতবাদটো আলোচনা কৰক।

প্ৰশ্ন ২ঃ এৰিষ্টটলে প্লেটৰ ধাৰণাৰ মতবাদক সমালোচনা কৰিছে।

প্ৰশ্ন ৩ঃ এৰিষ্টটলৰ বস্তুবাদ মতবাদৰ বিষয়ে লিখক।

প্ৰশ্ন ৪ঃ কি অৰ্থত এৰিষ্টটলৰ বস্তুবাদ প্লেটতকৈ বেছি সাম্য?

প্ৰশ্ন ৫ঃ "Hierarchy of Universals" বুলিলে কি বুজে? প্লেটৰ মতামতৰ ওপৰত ভিত্তি কৰি আলোচনা কৰক।

প্ৰশ্ন ৬ঃ হ'ব্চৰ নামবাদ এক নৰম নামবাদ। এই উক্তিটো বুজাই দিয়ক।

প্ৰশ্ন ৭ঃ হ'ব্চৰ সামান্যৰ মতবাদটো আলোচনা কৰক। বাৰ্কলিৰ পৰা তেওঁ কিদৰে পৃথক?

প্ৰশ্ন ৮ঃ সমালোচনাসহ সামান্যৰ সাদৃশ্যমূলক মতবাদৰ আলোচনা কৰক।

*** **** ***

অধ্যায় ১১ঃ তর্কীয় প্রত্যক্ষবাদ

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য

১০.২ পৰিচয়

১০.৩ তর্কীয় প্রত্যক্ষবাদৰ সমর্থকসকল

১০.৪ অর্থৰ প্রমাণীকৰণ তত্ত্ব

১০.৫ অধিবিদ্যাৰ অপসৰণ

১০.৬ বিচাৰমূলক গুণ নিৰূপন

১০.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১০.৮ অধিক জানিবলৈ

১০.৯ অগ্রগতিৰ খতিয়ান

১০.১০ আৰ্হি প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ণ কৰি আপুনি —

- তর্কীয় প্রত্যক্ষবাদৰ মূখ্য উদ্দেশ্যৰ পৰিচয় হ'ব পাৰিব,
- তর্কীয় প্রত্যক্ষবাদক এক দার্শনিক বিপ্লৱ হিচাপে ব্যাখ্যা কৰিব পাৰিব,
- অর্থৰ প্রমাণীকৰণ তত্ত্বৰ বর্ণনা দিব পাৰিব,
- তর্কীয় প্রত্যক্ষবাদৰ বিচাৰমূলক গুণ নিৰূপন কৰিব পাৰিব।

১১.২ পৰিচয়

তর্কীয় প্রত্যক্ষবাদ বিংশ শতিকাৰ আগভাগৰ এক দার্শনিক জাগৰণ। বিংশ শতিকাৰ তৃতীয় দশকত ইউৰোপত তর্কীয় প্রত্যক্ষবাদে প্রথম ভূমুকি মাৰে। ভিয়েনাত এই দার্শনিক জাগৰণ ১৯২২ চনত মৰিজ শ্লিক (Mortiz Schilick) ৰ নেতৃত্বত আৰম্ভ হয়। শ্লিক এজন বৈজ্ঞানিক দৃষ্টিভংগীৰ দার্শনিক। তেওঁ আর্নষ্ট মাচ (Ernst Mach) ৰ তর্কীয় প্রত্যক্ষবাদী ধাৰণাৰ পৰাও প্রভাৱিত হৈছিল। ভিয়েনাত খ্যাতনামা বিজ্ঞানী আৰু গণিতজ্ঞৰ এটা দলে অংশ গ্রহণ কৰে আৰু তাৰ ফলস্বৰূপে প্রখ্যাত 'ভিয়েনা চক্র' (Vienna Circle) ৰ জন্ম হয়। এইসকল দার্শনিক আৰু বিজ্ঞানীয়ে 'তর্কীয় প্রত্যক্ষবাদ' চমুকৈ প্রত্যক্ষবাদ প্রবর্তন কৰে। তর্কীয় প্রত্যক্ষবাদ বৃটিছ অভিজ্ঞতাবাদী পৰম্পৰাৰ বহিঃপ্রকাশ বুলি ক'ব পাৰে। 'অভিজ্ঞতাৰ পৰাহে জ্ঞান লাভ কৰা যায়'— ল'কৰ এই

বিখ্যাত মতটোক বার্কলিয়ে উন্নত ৰূপ দি আত্মগত ভাববাদ প্রকাশ কৰে। পিছত এই আত্মগত ভাববাদে হিউমৰ হাতত সংশয়বাদ (Scepticism) হিচাপে প্রতিষ্ঠা লাভ কৰে। সংশয়বাদ অনুসৰি কোনো বিষয়ে জ্ঞান নিশ্চিত হ'ব নোৱাৰে, জ্ঞান কেৱল সম্ভৱনামূলকহে হ'ব পাৰে। হিউমৰ মতে আমাৰ অভিজ্ঞতাৰ জগতৰ জ্ঞান কার্য্যকাৰণ বিধিৰ ওপৰত নির্ভৰশীল। কিন্তু কার্য্যকাৰণ বিধি নিজেই সন্দেহৰ উৰ্দ্ধত নহয়। এইদৰে অভিজ্ঞতাবাদৰ আৰম্ভণি নির্ভৰযোগ্য যেন লাগিছিল যদিও ইয়াৰ সামৰণি সন্তোষজনক নহল। সেয়েহে 'ভিয়েনা চক্র'-ৰ দার্শনিকসকলে অভিজ্ঞতাবাদত সন্মুখীন হোৱা সমস্যা সমূহ সমাধান কৰিবলৈ চেষ্টা কৰে। তর্কীয় প্রত্যক্ষবাদ, মুৰ (Moore), ৰাছেল (Russell), উইট্‌গেনষ্টাইন (Wittgenstein), হুৱাইটহিড (Whitehead), ফ্রেগ (Frege) ইত্যাদিৰ তর্কীয় বিশ্লেষণমূলক লিখনিৰ দ্বাৰা আকর্ষিত হয়।

১১.৩ তর্কীয় প্রত্যক্ষবাদৰ সমর্থকসকল

মৰিজ শ্লিক (Martiz Schilick) ৰ নেতৃত্বত তর্কীয় প্রত্যক্ষবাদৰ আৰম্ভণি হয়। 'ভিয়েনা চক্র' ৰ আন আন লেখতলবলগীয়া সদস্যসকল হ'ল অট্টু' নিউৰথ (Otto Neuroth), ৰুডলফ্ কাৰনাপ (Rudalf Carnap), হান্স ৰেইচেনবাচ (Hans Reichenbach), এ.জে. আয়াৰ (A.J. Ayer), ই. নাগেল (E. Nagel) আৰু চি. ডব্লিউ (C.W. Morris) এই দার্শনিকসকলৰ হাততেই তর্কীয় প্রত্যক্ষবাদ ভিয়েনাৰ উপৰিও প্রাগ (Prague), ৰাৰশ্ব (Warsaw), বার্লিন (Berlin), অক্সফোর্ড (Oxford) আৰু আমেৰিকালৈও বিয়পি পৰে। এইদৰে তর্কীয় প্রত্যক্ষবাদ দার্শনিকসকলৰ মাজত জনপ্রিয় হৈ পৰে আৰু ইয়েই বিংশ শতিকাৰ দার্শনিক বিপ্লৱ হিচাপে পৰিগণিত হয়।

১১.৪ অর্থৰ প্রমাণীকৰণ তত্ত্ব

তর্কীয় প্রত্যক্ষবাদীসকলে তেওঁলোকৰ দার্শনিক মতসমূহ প্রকাশ কৰাৰ বাবে অর্থৰ প্রমাণীকৰণ তত্ত্বক মূল আহিলা হিচাপে ব্যৱহাৰ কৰে। এই তত্ত্ব অনুসৰি কোনো তথ্য সংক্রান্তীয় বচনৰ অর্থ নির্ভৰ কৰে তাৰ প্রমাণযোগ্যতাৰ ওপৰত। এটা বাক্য অর্থপূর্ণ হ'ব যদিহে বাক্যটো হয় বিশ্লেষণাত্মক নতুবা অভিজ্ঞতাসিদ্ধ বুলি প্রমাণিত হয়। গণিত আৰু তর্কবিজ্ঞানৰ বাক্যসমূহ বিশ্লেষণাত্মক। এই বাক্যসমূহক স্বতঃসত্য (Tatologies) আৰু স্বতঃ মিথ্যা (Contradiction) এই দুই ভাগত ভাগ কৰা হয়। যি বচন বা বাক্য আপোনা আপুনিয়েই সত্য

তাকে স্বতঃসত্য বচন বোলে। এই বাক্যসমূহ সকলো সম্ভাব্য অৱস্থাতেই সত্য। আকৌ যিবোৰ বাক্য আপোনা আপুনিয়েই মিথ্যা তাক স্বতঃমিথ্যা বচন বোলে। এই বাক্যসমূহ সম্ভাব্য সকলো অৱস্থাতেই মিছা বুলি প্রমাণিত হয়। সেয়েহে এটা বিশ্লেষণাত্মক বাক্য অনিবার্য্যভাৱে সত্য বা অনিবার্য্যভাৱে মিথ্যা। ইয়াৰ উপৰিও এই তত্ত্ব অনুসৰি আন অর্থপূর্ণ বাক্যৰ শ্রেণীসমূহ অভিজ্ঞতাৰদ্বাৰা প্রমাণিত হ'ব লাগিব। এটা অভিজ্ঞতালব্ধ স্থিতি বা অৱস্থাক বর্ণনা কৰা এটা বাক্যই এটা বচনক প্রকাশ কৰে। এটা বচন সত্য হ'ব যদিহে ঘটনা এটাৰ লগত ইয়াৰ অনুৰূপতা বা সাদৃশ্যতা থাকে। যদিহে ঘটনা এটাৰ লগত অনুৰূপতা বা সাদৃশ্যতা নাথাকে তেতিয়া বচনটো

অসত্য হ'ব। গতিকে তর্কীয় প্রত্যক্ষবাদীসকলৰ মতে এটা বাক্য অর্থপূর্ণ হ'ব যদিহে ই সত্য বা অসত্য বুলি প্রমাণিত হয়। এটা বচন অর্থহীন হ'ব যদিহে ই সঁচা বা মিছা কোনোটোৱে নহয়।

অর্থৰ প্রমাণীকৰণ তত্ত্বটোৱে প্রাক্ উইট্গেনষ্টাইনীয় লিখনিৰ 'অর্থৰ প্রতিচ্ছবি তত্ত্ব' (Picture Theory of Meaning) ৰ সহায়ত অধিক বিকাশ লাভ কৰে। উইট্গেনষ্টাইনে তেওঁৰ Tractatus নামৰ গ্রন্থখনত উল্লেখ কৰে যে এটা বাক্য অর্থপূর্ণ হ'ব যদিহে ই এটা ঘটনাৰ প্রতিচ্ছবি বহন কৰে। উইট্গেনষ্টাইনৰ মতে ভাষা হ'ল অভিজ্ঞতালব্ধ ঘটনাৰ সাংকেতিক প্রতিৰূপ বা বিৱৰণ (Symbolic Representation)। জগতখন হ'ল ঘটনাৰ দ্বাৰা গঠিত। এটা ঘটনা হ'ল এটা অস্তিত্বশীল অৱস্থা, যিটো ঘটনাই এটা বচন সত্য বুলি প্রতিষ্ঠা কৰে। 'ৰাম এজন বুধিয়ক ছাত্র'— এই বচনটো সত্য হ'ব যদিহে ৰাম নামৰ ল'ৰা এজন থাকে আৰু তেওঁ ছাত্র হয় আৰু তেওঁ বুধিয়কো হয়। অর্থপূর্ণ হোৱা স্বত্বেও বচনটো মিছা হ'ব যদিহে ৰাম নামৰ কোনো ল'ৰা নাথাকে বা যদিহে ৰাম এজন ছাত্র নহয় বা যদিহে ৰাম নামৰ এজন ছাত্র থাকে কিন্তু তেওঁ বুধিয়ক নহয়। কিন্তু এটা বাক্যই যদি কোনো প্রকৃত বা সম্ভাব্য ঘটনাৰাজিৰ কথা বর্ণনা নকৰে তেন্তে ই কোনো বচন প্রকাশ কৰিব নোৱাৰে। ইয়াৰ দ্বাৰা বাক্যটোৰ কোনো সত্যতা বা অসত্যতা নির্ণয় কৰিব নোৱাৰে। গতিকে এই তত্ত্ব অনুসৰি যিবিলাক বাক্যৰ সত্যতা অসত্যতা নির্ণয় কৰিব নোৱাৰি সেইবিলাক বাক্য অর্থপূর্ণ নহয়।

প্রমাণিকৰণ তত্ত্বই এয়া নুবুজায় যে এটা বাক্য অর্থপূর্ণ হ'বলৈ প্রমাণিত হ'বই লাগিব। প্রমাণিকতাই মাথো প্রমাণিকৰণৰ তার্কিক সম্ভাব্যতাকহে বুজায়। উদাহৰণস্বৰূপে দূৰ অতীত বা ভৱিষ্যতৰ ঘটনাৰাজিৰ সম্পর্কে থকা বাক্যসমূহ সঁচা বুলি বাস্তৱত প্রমাণিত কৰিব নোৱাৰি। কিন্তু আমি সম্ভাব্য অৱস্থা কিছুমানৰ কথা ভাবিব পাৰোঁ যাৰ জৰিয়তে সেই বাক্যবিলাক সঁচা বুলি প্রমাণ কৰিব পৰা যাব। 'শণি গ্রহত জীৱ নাই'— প্রমাণিকৰণৰ দূর্বল বিৱৰণ (weak sense of veribiality) ৰ ক্ষেত্রত এই বাক্যটো অর্থপূর্ণ বুলি ক'ব পাৰি। কাৰণ তাত্ত্বিকভাৱে আমি শাণি গ্রহ পৰিভ্রমণ কৰা বুলি ভাবিব পাৰোঁ আৰু তাত জীৱ আছে নে নাই প্রমাণ কৰিব পাৰোঁ। 'সকলো মানুহ হয় মৰণশীল'— এই ধৰণৰ সামান্য বচনবোৰৰ ক্ষেত্রতে একে সমস্যাৰ সৃষ্টি হয়। এই সমান্য বা সাধাৰণ বচনবোৰ সকলো সম্ভাব্য পৰিস্থিতিত প্রমাণিত নহ'বও পাৰে। সত্যাপনীয়তাৰ ক্ষেত্রত এই বচনবিলাক অর্থহীন। যিহেতু সার্বিক বচনবোৰো প্রয়োজনীয় সেয়েহে শ্লিকে এই বচনবোৰক অর্থহীনতাৰ প্রয়োজনীয় প্রকাৰ (important type of non-sense) বুলি অভিহিত কৰিছে।

প্রমাণিকৰণৰ শক্তিশালী অর্থ (strong sense of veriability) ই হওঁক বা দূর্বল অর্থই হওঁক প্রমাণিকৰণতাৰ ক্ষেত্রত কিছুমান সমস্যাৰ সৃষ্টি হয়। এই সমস্যাসমূহৰ বাবেই কার্ল প'পাৰে (Karl Popper) মিছা প্রমাণিকৰণক (falsifiability) বৈজ্ঞানিক আৰু অবৈজ্ঞানিক বচনৰ মাজৰ পার্থক্য নির্ণয় কৰাৰ ভিত্তি হিচাপে লয়। তেওঁৰ মতে বচন এটা বিজ্ঞানসন্মত হ'ব যদিহে আমি সম্ভাব্য পৰিস্থিতি এটাৰ কথা ভাবিব পাৰোঁ যি পৰিস্থিতিত উক্তিটো মিছা হ'ব পাৰে। এই তত্ত্বই সামান্য বচনসমূহক (general proposition) সফলভাৱে বৈজ্ঞানিক বচনবোৰৰ সৈতে সঙ্গত কৰি তুলিছে। কাৰণ, কোনো নিশ্চিত ঘটনা বা দৃষ্টান্তই এটা সামান্য বচনক সঁচা বুলি প্রমাণ কৰিব নোৱাৰে, যদিও মাত্র এটা নঞর্থক ঘটনাই বচনটোক মিছা বুলি প্রমাণ কৰিববলৈ যথেষ্ট।

অনুশীলনী

তর্কীয় প্রত্যক্ষবাদ আৰু অভিজ্ঞতাবাদৰ মাজত কিবা সম্পর্ক আছে বুলি আপুনি ভাবেনে? যদি আছে কেনেকৈ?

অগ্রগতি নিৰীক্ষণ

চমু উত্তৰ দিয়ক ঃ

প্রশ্ন ১ঃ ভিয়েনা চক্র কি?

প্রশ্ন ২ঃ তর্কীয় প্রত্যক্ষবাদৰ চাৰিজন সমর্থকৰ নাম লিখক।

প্রশ্ন ৩ঃ অর্থৰ প্রমাণিকৰণ তত্ত্ব কি?

প্রশ্ন ৪ঃ **সংজ্ঞা দিয়ক**

(ক) প্রমাণিকৰণৰ দূর্বল অর্থ

(খ) প্রমাণিকৰণৰ শক্তিশালী অর্থ

(গ) তর্কীয় প্রত্যক্ষবাদ

প্রশ্ন ৫ঃ **খালী ঠাই পূৰণ কৰক ঃ**

(ক) তর্কীয় প্রত্যক্ষবাদীসকলৰ মতে এটা বচনৰ অর্থ হ'ল ইয়াৰ ..... পদ্ধতি।

(খ) তর্কীয় প্রত্যক্ষবাদ হ'ল এটা প্রাক্ .....।

১১.৫ অধিবিদ্যাৰ অপসৰণ

তর্কীয় প্রত্যক্ষবাদৰ মূল লক্ষ্য দুই ধৰণৰ —

১) বৈজ্ঞানিক বচনবিলাকক অর্থপূর্ণৰূপে প্রতিষ্ঠা কৰা।

২) অধিবিদ্যাৰ বচনবিলাকক অর্থহীনৰূপে প্রতিষ্ঠা কৰা।

তর্কীয় প্রত্যক্ষবাদীসকলে এই উদ্দেশ্য পূৰণৰ বাবে ভাষাৰ তার্কিক বিশ্লেষণ পদ্ধতি ব্যৱহাৰ কৰে। তর্কীয় প্রত্যক্ষবাদীসকলে এই ধৰণৰ বিশ্লেষণৰ সহায়ত দেখুৱাইছে যে অধিবিদ্যাৰ ভাষাই অর্থপূর্ণতাৰ ভিত্তিক পূৰণ কৰিব নোৱাৰে। এইদৰে তর্কীয় প্রত্যক্ষবাদীসকলৰ মতে অধিবিদ্যা হ'ল এটা অর্থহীন বিষয়। অধিবিদ্যাৰ বচনসমূহ সঁচা বা মিছা একো বুলিয়েই ক'ব নোৱাৰি বাবে এইবোৰক অর্থহীন বুলিব লাগিব। অধিবিদ্যাৰ সকলো বচনেই অর্থহীন। আনহাতে প্রমাণীকৰণ তত্ত্বৰ ভিত্তিত তেওঁলোকে বিজ্ঞানক বস্তুগত ভিত্তি প্রদানৰ প্রয়াস কৰে।

অর্থৰ মানদণ্ড প্রয়োগ কৰি তর্কীয় প্রত্যক্ষবাদী সকলে দুই ধৰণৰ অর্থপূর্ণ বাক্য পাইছে ঃ ১) এক শ্রেণীৰ বাক্য হ'ল তর্কবিজ্ঞান আৰু গণিতশাস্ত্ৰৰ বাক্য আৰু ২) আন এক শ্রেণীৰ অর্থপূর্ণ বাক্য হ'ল অভিজ্ঞতাজনিত ঘটনাৰ লগত জড়িত বাক্য। তর্কীয় প্রত্যক্ষবাদীসকলৰ মতে এই দুই প্রকাৰৰ বাক্যৰ বাহিৰে অধিবিদ্যা আৰু নীতিশাস্ত্ৰৰ বাক্যৰ উপৰিও আন সকলো বাক্যই অনর্থক বা অমূলক। কিন্তু তর্কীয় প্রত্যক্ষবাদীসকল অধিবিদ্যাৰ বাক্যৰ ক্ষেত্রত যিমান কঠোৰ নীতিশাস্ত্ৰৰ বাক্যৰ ক্ষেত্রত সিমান কঠোৰ নহয়। তর্কীয় প্রত্যক্ষবাদীসকলে নীতিশাস্ত্ৰৰ বাক্যসমূহ বাস্তৱ ক্ষেত্রত কিছু ব্যৱহাৰিক বুলি কৈছে। কিন্তু তর্কীয় প্রত্যক্ষবাদীসকলে অধিবিদ্যাৰ বিষয়ে এটা তত্ত্বকে বুজে। সত্বাৰ বিষয়ে ভাববাদী ধাৰণাটো হ'ল অভিজ্ঞতাৰ জগতৰ উর্দ্ধত এক ভাবাত্মক (ideal) আছে। যি দার্শনিকসকলে মত পোষণ কৰে যে সত্বা ইন্দ্রিয়াতীত (transcendental) ; সেই সকলৰ মতে অভিজ্ঞতালব্ধ জগত এক ভ্রমহে। যেতিয়া প্রত্যক্ষবাদীসকলে অধিবিদ্যাক অনর্থক বুলি কৈছিল তেতিয়া তেওঁলোকৰ মনত সত্বাক অনুসন্ধান (search for the reality) কৰাৰ মানসিকতা আছিল। তেওঁলোকৰ মতে অধিবিদ্যাগত সত্তাৰ ব্যাখ্যা কিছুমান বাক্যৰ (sentences) জৰিয়তে প্রকাশ কৰা হয় যদিও ই কোনো বচন (proposition) যথাযথভাৱে ব্যক্ত নকৰে। এটা বচন সঁচা বা মিছা বুলি প্রমাণিত হ'ব পাৰে। অর্থৰ প্রমাণিকৰণ সূত্র প্রয়োগৰদ্বাৰা তর্কীয় প্রত্যক্ষবাদীসকলে দেখুৱাইছে যে অধিবিদ্যাই অতীন্দ্রিয় বিষয় সম্পর্কে যিবোৰ উক্তি প্রদর্শন কৰিছে সেইবোৰৰ কোনো প্রকৃত তাৎপর্য্য নাই। অধিবিদ্যাৰ বাক্যসমূহ অনর্থক কাৰণ ইয়াক সত্য বা অসত্য বুলি প্রমাণিত কৰিব নোৱাৰি।

কাৰনাপৰ মতে অধিবিদ্যাৰ বাক্যসমূহৰ অনর্থকতাক দুই ধৰণে গ্রহণ কৰিব পাৰি—

১) এটা বাক্যৰ যদি এটা বা ততোধিক উপাদান শব্দ অনর্থক হয় তেন্তে বাক্যটো অর্থহীন হ'ব। যেনে— মগধত হয় লফথত। ইয়াত 'মগধত' আৰু 'লফথত' শব্দ দুটাৰ কোনো অর্থ নাই, অনর্থক; যি শব্দ দুটাই সম্পূর্ণ বাক্যটোক অনর্থক কৰি তুলিছে।

২) যদি এটা বাক্যৰ প্রতিটো সংযোগী শব্দ এককভাৱে অর্থপূর্ণ হয়, কিন্তু এই শব্দবোৰ একেলগে এটা বাক্যৰ অর্থ প্রকাশ কৰিবলৈ অসমর্থ হয়। যেনে— কিতাপে চক্ পেঞ্চিলতকৈ বেগাই দৌৰিব পাৰে। অধিবিদ্যা সমর্থন কৰা দার্শনিকে কেতিয়াবা প্রথম ধৰণৰ অনর্থকতা আৰু কেতিয়াবা দ্বিতীয় ধৰণৰ অনর্থকতাৰ কথা কৈছে। উদাহৰণস্বৰূপে যেতিয়া এজন অধিবিদ্যা সমর্থন কৰা দার্শনিকে 'পৰম' (absolute) ৰ বিষয়ে কয়, তেওঁ প্রথম ধৰণৰ ভুল কৰে কাৰণ 'পৰম'ৰ সংজ্ঞাৰ লগত মিল থকা অভিজ্ঞতাৰ জগতত কোনো সত্বা বা পদার্থ নাই। তেওঁ দ্বিতীয় ধৰণৰ ভুল কৰে যেতিয়া তেওঁ 'সত্বাক পার্থক্যৰ মাজত ঐক্য' (Reality is identity in difference) বুলি কয়। কাৰনাপৰ মতে অধিবিদ্যা সমর্থন কৰা দার্শনিক সকল এটা ভুল ধাৰণাৰে পৰিচালিত হয়। তেওঁলোকৰ মতে প্রত্যেক শব্দ বা খণ্ড বাক্যৰ বাবে অনুৰূপ পদার্থ বা সত্বা আছে। যদি সেই পদার্থ বা সত্বাসমূহ অভিজ্ঞতাসিদ্ধ জগতত পোৱা নাযায়, তেন্তে সেইবোৰৰ নিশ্চয় অভিজ্ঞতা বহিঃ র্ভুত (non-empirical) জগতত আছে। এই দৰে হেইডেগাৰে (Heidegger) কল্পনা কৰিছিল যে 'শূন্যতা' (nothing) শব্দটোৰে অনুৰূপ এটা সত্বা বা পদার্থ আছে।

অধিবিজ্ঞানে পৰমসত্তা, ইশ্বৰ আদি কিছুমান অতীন্দ্রিয় বিষয় লৈ কিছুমান উক্তি কৰে যিবিলাকক অভিজ্ঞতাৰ সহায়ত প্রমাণ কৰাৰ কোনো উপায় নাই। অধিবিদ্যাৰ সকলো বচনেই অর্থহীন। সত্তা সম্পর্কে অধিবিদ্যা বিশাৰদ সকলৰ নিজৰ মাজতে সত্তা এক নে বহু? তর্কীয় প্রত্যক্ষবাদীসকলৰ মতে সত্তা সম্পর্কীয় উক্তি সমূহৰ প্রমাণ অভিজ্ঞতাৰ মাধ্যমত কৰিব নোৱাৰি। এটা বচনৰ অর্থ নিৰূপন কৰিবলৈ হ'লে ইয়াক আমি অভিজ্ঞতাই দিয়া

কিছুমান ঘটনালৈ ৰূপান্তৰিত কৰিব লাগিব আৰু যদি অধিবিদ্যাৰ বচনবোৰক কোনো অভিজ্ঞতালব্ধ বাস্তৱ ঘটনালৈ ৰূপান্তৰিত কৰাটো সম্ভৱ নহয় তেনেহ'লে সেই উক্তিবোৰক অর্থহীন বুলি সাব্যস্ত কৰিব লাগিব। যদিহে এটা জটিল বাক্য অভিজ্ঞতালব্ধ বাস্তৱ ঘটনালৈ ৰূপান্তৰিত কৰাটো সম্ভৱ নহয়, তেনেহ'লে সেই জটিল বাক্যটোক কিছুমান সৰল বাক্যত বিভক্ত কৰি সেই সৰল বাক্যবোৰ অভিজ্ঞতালব্ধ বাস্তৱ ঘটনালৈ ৰূপান্তৰিত কৰিব লাগিব। এই সৰল বাক্যবোৰৰ এটাকো যদি অর্থহীন বুলি সাব্যস্ত কৰিব পৰা যায়, তেনেহ'লে গোটেই জটিল বাক্যটোকে অর্থহীন বুলি পৰিত্যাগ কৰিব লাগিব।

১১.৬ অনুশীলনী

'অধিবিদ্যাৰ বচনসমূহ অনর্থক'। আপুনি এই উক্তিটো কেনেকৈ প্ৰমাণ কৰিব?

অগ্ৰগতি নিৰীক্ষণ

চমু উত্তৰ দিয়ক ঃ

প্ৰশ্ন ৬ ঃ তর্কীয় প্রত্যক্ষবাদৰ প্ৰধান লক্ষ্য কি?

প্ৰশ্ন ৭ ঃ তর্কীয় প্রত্যক্ষবাদীসকলে দিয়া দুই প্ৰকাৰৰ অর্থপূর্ণ বাক্য কি কি?

প্ৰশ্ন ৮ ঃ **উক্তিসমূহ সঁচা নে মিছা কওঁক ঃ**

(ক) অধিবিদ্যাৰ বচনসমূহ সত্যাপনীয় নহয়। (সঁচা/মিছা)

(খ) তর্কীয় প্রত্যক্ষবাদে ভাষাৰ তার্কিক বিশ্লেষণ পদ্ধতি গ্ৰহণ কৰে। (সঁচা/মিছা)

(গ) কার্ল পপাৰ তর্কীয় প্রত্যক্ষবাদৰ এজন সমালোচক। (সঁচা/মিছা)

১১.৬ বিচাৰমূলক গুণ নিৰূপন

তর্কীয় প্রত্যক্ষবাদ হ'ল বিংশ শতাব্দীৰ এটা দার্শনিক বিপ্লৱ। তর্কীয় প্রত্যক্ষবাদ অভিজ্ঞতাবাদী দৃষ্টি ভংগীৰে আৰম্ভ হয় যদিও ই পৰম্পৰাগত অভিজ্ঞতাবাদৰ বিভিন্ন দোষ সমাধান কৰাৰ লক্ষ্য হাতত লয়। ৰাছেল, মুৰ, উইট্‌গেনষ্টাইন, আয়াৰ আদি দার্শনিকসকলৰ ভাষিক বিশ্লেষণক সামৰি লৈ জৰিয়তে দর্শনক এক বৈজ্ঞানিক ভিত্তি প্রদান কৰাই হ'ল তর্কীয় প্রত্যক্ষবাদী সকলৰ অন্যতম প্ৰধান লক্ষ্য। আয়াৰৰ মতে দর্শন হৈছে ভাষাৰ সমালোচনা (Philosophy is the critique of language)। দর্শনৰ কাম হ'ল ভাষা বিশ্লেষণৰ মাধ্যমত বাক্যৰ সঠিক অর্থ-নিৰূপণ কৰা, বাক্যৰ অন্তর্গত শব্দৰ সঠিক সংজ্ঞা প্রদান কৰা।

তর্কীয় প্রত্যক্ষবাদ হ'ল সনাতন ভাববাদী পৰম্পৰাৰ বিপক্ষে এক সাহসী পদক্ষেপ। শাস্ত্রীয় অধিবিদ্যা (Scholastic Metaphysics) ৰ অনর্থকতাক প্রতিপন্ন কৰাৰ দিশৰ পৰা চাবলৈ গলে প্রত্যক্ষবাদক সফল যেন

বোধ হয়। কিন্তু যেতিয়া অধিবিদ্যাৰ অর্থপূর্ণতাক সম্পূর্ণভাৱে অস্বীকাৰ কৰে তেতিয়া প্রত্যক্ষবাদীসকলৰ এই চেষ্টাক দুঃসাহসিক উৎসাহ যেনহে লাগে।

তর্কীয় প্রত্যক্ষবাদৰ জটিলতাসমূহ তেওঁলোকৰ অর্থৰ তত্ত্বৰ পৰা উৎপত্তি হৈছে। অর্থৰ প্রমাণিকৰণ তত্ত্ব প্রত্যক্ষবাদৰ প্রধান মতবাদ। এই মতবাদ অনুসৰি এটা বচনৰ অর্থ হ'ল ইয়াৰ প্রমাণিকৰণৰ পদ্ধতি। কিন্তু এই মতবাদৰ সমর্থক সকলৰ এই পদ্ধতি বা নীতিটো সম্পর্কে কোনো স্পষ্ট ধাৰণা নাই। তর্কীয় প্রত্যক্ষবাদীসকলৰ মাজত প্রমাণিকৰণৰ দুই ধৰণৰ বিৱৰণ আছে— প্রমাণিকৰণৰ দূর্বল বিৱৰণ আৰু প্রমাণিকৰণৰ শক্তিশালী বিৱৰণ। প্রমাণিকৰণৰ শক্তিশালী বিৱৰণ অনুসৰি এটা বাক্য অর্থপূর্ণ হ'ব যদিহে বাক্যটো ইন্দ্রিয়জাত অভিজ্ঞতাৰ দ্বাৰা প্রমাণিত হয়। অতীত ঘটনাৰ বচন তথা ভৱিষ্যত ঘটনাৰাজি সম্বন্ধে থকা বচন আদি প্রমাণিকৰণৰ এই শক্তিশালী বিৱৰণত অর্থহীন হৈ পৰে। কিন্তু বিভিন্ন কাৰণত আমি এই বচনবোৰক অনর্থক বুলি বিবেচিত কৰিব নোৱাৰোঁ আকৌ সাধাৰণ সত্য (general truths) সম্বন্ধে থকা বচনসমূহ আৰু এতিয়ালৈকে উদঘাটন নোহোৱা বিষয় সম্বন্ধে থকা বচনবিলাকো প্রমাণিত কৰিব নোৱাৰি। এই জটিলতাৰ সন্মুখীন হৈ প্রত্যক্ষবাদীসকলে অর্থৰ প্রমাণিকৰণৰ দূর্বল বিৱৰণৰ আশ্রয় লৈছে। প্রমাণিকৰণৰ দূর্বল বিৱৰণ অনুসৰি প্রমাণিকৰণে নিবিচাৰে যে এটা উক্তি প্রকৃততে আৰু সঠিককৈ প্রমাণিত হ'ব লাগে। সত্যাপনৰ দূর্বল বিৱৰণ অনুসৰি এটা বাক্য অর্থপূর্ণ হ'ব যদিহে আমি এনেকুৱা এটা সম্ভাব্য পৰিস্থিতিৰ কথা ভাবিব পাৰোঁ য'ত বাক্যটো প্রমাণিত হ'ব। অর্থাৎ আমি যদি বচনটো সম্ভাব্য বুলি দেখুৱাব পাৰোঁ তেন্তে বচনটো অর্থপূর্ণ হ'ব। এ. জে. আয়াৰৰ মতে সকলো অভিজ্ঞতালব্ধ বা সংশ্লেষাত্মক বচনসমূহ প্রামাণিকৰণৰ দূর্বল দিশৰ দ্বাৰা প্রমাণিত হয়। এটা সৰল বচন যেনে ঃ 'এই গাড়ীখন ৰঙা' বচনটো যিমান সৰল যেন লাগে প্রকৃততে সিমান সৰল নহয়। বচনটো বুজিবলৈ হ'লে বিশেষ বস্তু 'গাড়ী' আৰু বিশেষ ৰং 'ৰঙা' ক বেলেগ বেলেগকৈ বুজিব লাগিব। 'গাড়ী' আৰু 'ৰঙা' হ'ল সার্বিক ধাৰণা (general concept) আৰু প্রত্যক্ষবাদীসকলৰ মতে কোনো সার্বিক ধাৰণা প্রমাণিত কৰিব নোৱাৰি।

কার্ল প'পাৰৰ মতে প্রত্যক্ষবাদীসকলে মাথো অধিবিদ্যাকেই অৱহেলা কৰা নাই তাৰ লগতে প্রাকৃতিক বিজ্ঞান (netural science) কো অৱহেলা কৰিছে। সেইবাবে তেওঁ 'প্রমাণিকৰণ'ৰ এটা বিকল্পৰ উল্লেখ কৰিছে। বিকল্পটো হ'ল 'মিছা প্রমাণিতকৰণ' (falsifiability) তত্ত্ব। প'পাৰৰ মতে এটা উক্তি অর্থবোধক হয় যদিহে আমি এটা পৰিস্থিতিৰ কথা ভাবিব পাৰোঁ যি পৰিস্থিতিত উক্তিটো মিছা হ'ব পাৰে। প্রকৃতি বিজ্ঞানৰ সার্বিক বচনসমূহ সদর্থক দৃষ্টান্ত প্রয়োগ কৰি প্রমাণ কৰা সম্ভৱ নহয়, অথচ এটা মাত্র নঞর্থক দৃষ্টান্তৰ দ্বাৰাই ইয়াক মিছা বুলি প্রমাণ কৰিব পাৰি। গতিকে তেওঁ মত পোষণ কৰে যে যি উক্তিৰ মিছা হোৱাৰ সামর্থ্য নাই তেনেকুৱা কোনো উক্তিয়েই বিজ্ঞানসন্মত হ'ব নোৱাৰে।

প্রত্যক্ষবাদীসকলে অর্থৰ প্রমাণিকৰণৰ সহায় লৈ অধিবিদ্যা অস্বীকাৰ কৰা প্রক্রিয়াটোত স্বেচ্চাচাৰীধৰণে বিভিন্ন সমস্যাই দেখা দিয়ে। সমালোচনাকাৰীসকলৰ মতে অর্থৰ প্রমাণিকৰণ তত্ত্বক সমর্থন কৰা দার্শনিকসকলে অর্থক প্রমাণিকৰণৰ লগত সংযুক্ত কৰিছে। এটা বাক্য প্রমাণিত হয় নে নহয় তাক নজনাকৈও আমি সেই বাক্যটোৰ অর্থ বুজিব পাৰোঁ। আয়াৰে সমালোচনাৰ সন্মুখীন হৈছে যেতিয়া তেওঁ মত পোষণ কৰিছে যে অভিজ্ঞতাসিদ্ধ বচনসমূহৰ সিদ্ধান্ত সত্যাপনীয় নহয়। আমি যদি কোনো বচনকেই নিশ্চিত বুলি গ্রহণ নকৰোঁ, তেন্তে সত্যাপনৰ প্রক্রিয়া অন্তহীন ৰূপে চলিয়েই থাকিব। ইয়াৰোপৰি সত্যাপন নীতি বা প্রমাণিকৰণ নীতি নিজেই বিশ্লেষণাত্মক বা অভিজ্ঞতাসিদ্ধ বচনৰ প্রকাৰৰ ভিতৰত নপৰে সেইদিশৰ পৰা চাবলৈ গ'লে সত্যাপন

নীতি বা প্রমাণিকৰণ নীতিও অনৰ্থক। আকৌ এয়াও উল্লেখ কৰিব পাৰি যে প্রত্যক্ষবাদীসকলৰ অধিবিদ্যা সম্বন্ধে এক ভুল ধাৰণা আছে। অধিবিদ্যা কেৱল ইন্দ্রিয়াতীত সত্ত্বাৰ লগতে জড়িত নাথাকে, অধিবিদ্যাই আমাৰ প্রকৃত জগত সম্বন্ধে থকা অধ্যয়নৰো প্রতিনিধিত্ব কৰে।

১১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- তর্কীয় প্রত্যক্ষবাদ বিংশ শতিকাৰ আগভাগৰ এক দার্শনিক জাগৰণ। বিংশ শতিকাৰ তৃতীয় দশকত ইউৰোপত তর্কীয় প্রত্যক্ষবাদে প্রথম ভূমুকি মাৰে। ভিয়েনাত এই দার্শনিক জাগৰণ ১৯২২ চনত মৰিজ শ্লিক (Mortiz Schilick) ৰ নেতৃত্বত আৰম্ভ হয়।
- তর্কীয় প্রত্যক্ষবাদ, মুৰ (Moore), ৰাছেল (Russell), উইট্‌গেনষ্টাইন (Wittgenstein), হ্বাইটহিড (Whitehead), ফ্রেগ (Frege) ইত্যাদিৰ তর্কীয় বিশ্লেষণমূলক লিখনিৰ দ্বাৰা আকর্ষিত হয়।
- মৰিজ শ্লিক (Martiz Schilick) ৰ নেতৃত্বত তর্কীয় প্রত্যক্ষবাদৰ আৰম্ভণি হয়। 'ভিয়েনা চক্র' ৰ আন আন লেখতলবলগীয়া সদস্যসকল হ'ল অট্টু' নিউৰথ (Otto Neuroth), ৰুডলফ্ কাৰনাপ (Rudalf Carnap), হান্স ৰেইচেনবাচ (Hans Reichenbach), এ.জে. আয়াৰ (A.J. Ayer), ই. নাগেল (E. Nagel) আৰু চি. ডব্লিউ (C.W. Morris)
- তর্কীয় প্রত্যক্ষবাদীসকলে তেওঁলোকৰ দার্শনিক মতসমূহ প্রকাশ কৰাৰ বাবে অর্থৰ প্রমাণীকৰণ তত্ত্বক মূল আহিলা হিচাপে ব্যৱহাৰ কৰে। এই তত্ত্ব অনুসৰি কোনো তথ্য সংক্রান্তীয় বচনৰ অর্থ নির্ভৰ কৰে তাৰ প্রমাণযোগ্যতাৰ ওপৰত।
- সমস্যাসমূহৰ বাবেই কার্ল প'পাৰে (Karl Popper) মিছা প্রমাণিকৰণক (falsifiability) বৈজ্ঞানিক আৰু অবৈজ্ঞানিক বচনৰ মাজৰ পার্থক্য নির্ণয় কৰাৰ ভিত্তি হিচাপে লয়। তেওঁৰ মতে বচন এটা বিজ্ঞানসন্মত হ'ব যদিহে আমি সম্ভাব্য পৰিস্থিতি এটাৰ কথা ভাবিব পাৰোঁ যি পৰিস্থিতিত উক্তিটো মিছা হ'ব পাৰে।
- তর্কীয় প্রত্যক্ষবাদৰ মূল লক্ষ্য দুই ধৰণৰ —
- ১) বৈজ্ঞানিক বচনবিলাকক অর্থপূর্ণৰূপে প্রতিষ্ঠা কৰা।
- ২) অধিবিদ্যাৰ বচনবিলাকক অর্থহীনৰূপে প্রতিষ্ঠা কৰা।
- তর্কীয় প্রত্যক্ষবাদীসকলৰ মাজত প্রমাণিকৰণৰ দুই ধৰণৰ বিৱৰণ আছে— প্রমাণিকৰণৰ দূর্বল বিৱৰণ আৰু প্রমাণিকৰণৰ শক্তিশালী বিৱৰণ। প্রমাণিকৰণৰ শক্তিশালী বিৱৰণ অনুসৰি এটা বাক্য অর্থপূর্ণ হ'ব যদিহে বাক্যটো ইন্দ্রিয়জাত অভিজ্ঞতাৰ দ্বাৰা প্রমাণিত হয়।
- সত্যাপনৰ দূর্বল বিৱৰণ অনুসৰি এটা বাক্য অর্থপূর্ণ হ'ব যদিহে আমি এনেকুৱা এটা সম্ভাব্য পৰিস্থতিৰ কথা ভাবিব পাৰোঁ য'ত বাক্যটো প্রমাণিত হ'ব।
- 'মিছা প্রমাণিতকৰণ' (falsifiability) তত্ত্ব। প'পাৰৰ মতে এটা উক্তি অর্থবোধক হয় যদিহে আমি এটা পৰিস্থিতিৰ কথা ভাবিব পাৰোঁ যি পৰিস্থিতিত উক্তিটো মিছা হ'ব পাৰে। প্রকৃতি বিজ্ঞানৰ সার্বিক বচনসমূহ

সদর্থক দৃষ্টান্ত প্রয়োগ কৰি প্ৰমাণ কৰা সম্ভৱ নহয়, অথচ এটা মাত্ৰ নঞৰ্থক দৃষ্টান্তৰ দ্বাৰাই ইয়াক মিছা বুলি প্ৰমাণ কৰিব পাৰি। গতিকে তেওঁ মত পোষণ কৰে যে যি উক্তিৰ মিছা হোৱাৰ সামৰ্থ্য নাই তেনেকুৱা কোনো উক্তিয়েই বিজ্ঞানসম্মত হ'ব নোৱাৰে।

১১.৮ অধিক জানিবলৈ

(১) পাশ্চাত্য দর্শন ঃ ড° জোৎস্না ভট্টাচার্য্য

(২) Philosophy and Logical Syntax, ঃ R. Carnap
Logical Syntax of Language,
Logical Foundation of the Unity of Science

(৩) Language, Truth and Logic ঃ A.G. Aye

(৪) The Logic of Scientific Discovery ঃ K.Popper
Conjectures and Refutations

(৫) Tractus Logico Philosophicus ঃ L. Wittgenstein

(৬) Philosophy of Language ঃ W.P. Alston
(ed.) Logical Positivism
(ed.) The Revolution in Philosophy

১১.৯ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ **উত্তৰঃ** বিজ্ঞানী আৰু গণিতজ্ঞৰ এটা দল ভিয়েনাত একগোট হয় আৰু তাৰ পৰিগণিতত বিখ্যাত "ভিয়েনা চক্ৰ" ৰ জন্ম হয়।

২ নং প্ৰশ্নৰ **উত্তৰঃ** অট' নিউৰাথ, ৰুড'ল্‌ফ কাৰণাপ, হান্স ৰেইচেনবাচ আৰু এ. জে. আয়াৰ।

৩ নং প্ৰশ্নৰ **উত্তৰঃ** এই মতবাদৰ মতে কোনো এটা বচনৰ অর্থ হ'ল ইয়াৰ প্ৰমাণিকৰণৰ পদ্ধতি। এটা বাক্য অর্থপূর্ণ হ'ব যদিহে বাক্যটো বিশ্লেষণাত্মক হয় আৰু অভিজ্ঞতাৰ দ্বাৰা প্ৰমাণিত হয়।

৪ নং প্ৰশ্নৰ **উত্তৰঃ** (ক) সত্যাপনৰ শক্তিশালী বিৱৰণ অনুসৰি এটা বাক্য অর্থপূর্ণ হ'ব যদিহে বাক্যটো প্ৰকৃততে ইন্দ্ৰিয় অভিজ্ঞতাৰ দ্বাৰা প্ৰমাণিত হয়।

৪ নং প্ৰশ্নৰ **উত্তৰঃ** (খ) সত্যাপনৰ দূৰ্বল বিৱৰণ অনুসৰি এটা বাক্য অর্থপূর্ণ হ'ব যদিহে আমি এনেকুৱা এটা সম্ভাব্য পৰিস্থিতিৰ কথা ভাবিব পাৰোঁ য'ত বাক্যটো প্ৰামাণিত হ'ব।

৪ নং প্ৰশ্নৰ **উত্তৰঃ** (গ) ই হ'ল প্ৰাক্ বিংশ শতিকাৰ দার্শনিক বিপ্লৱ। মৰিজ শ্লিকৰ নেতৃত্বত ১৯২২ চনত ভিয়েনাত এই বিপ্লৱৰ সূচনা হয়। ই হ'ল ব্ৰিটিছ অভিজ্ঞতাবাদী পৰম্পৰাৰ এক পৰিণতি।

৫ নং প্রশ্নৰ **উত্তৰঃ** (ক) প্রমাণিকৰণ

৫ নং প্রশ্নৰ **উত্তৰঃ** (খ) বিংশ শতাব্দীৰ দার্শনিক বিপ্লৱ

৬ নং প্রশ্নৰ **উত্তৰঃ** তর্কীয় প্রত্যক্ষবাদৰ মূল লক্ষ্য দ্বিমুখী ঃ—

i) বৈজ্ঞানিক বচনবোৰক অর্থপূর্ণৰূপে প্রতিষ্ঠা কৰা।

ii) অধিবিদ্যাৰ বচনবোৰক অর্থহীন ৰূপে প্রতিষ্ঠা কৰা।

৭ নং প্রশ্নৰ **উত্তৰঃ** তার্কিক আৰু গাণিতিক বাক্য সমূহহে কেৱল অর্থপূর্ণ।

৮ নং প্রশ্নৰ **উত্তৰঃ** (ক) সঁচা

(খ) সঁচা

(গ) সঁচা

? ১১.১০ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্নঃ

প্রশ্ন নং **১ঃ** তর্কীয় প্রত্যক্ষবাদ কি?

প্রশ্ন নং **২ঃ** অর্থৰ প্রমাণীকৰণ তত্ত্ব মানে কি?

প্রশ্ন নং **৩ঃ** সত্যাপনৰ শক্তিশালী বিৱৰণ মানে কি?

প্রশ্ন নং **৪ঃ** সত্যাপনৰ দূর্বল বিৱৰণ মানে কি?

প্রশ্ন নং **৫ঃ** অধিবিদ্যাৰ অপসৰণ মানে কি?

প্রশ্ন নং **৬ঃ** প্রমাণীকৰণৰ অর্থ দুটা কি?

(খ) চুটি প্রশ্নঃ (১৫০ টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন নং **১ঃ** চমুটোকা লিখকঃ

(ক) তর্কীয় প্রত্যক্ষবাদ

(খ) অর্থৰ প্রমাণীকৰণ তত্ত্ব

(গ) অধিবিদ্যাৰ অপসৰণ

(ঘ) সত্যাপনৰ দই বিৱৰণঃ সত্যাপনৰ শক্তিশালী আৰু দূর্বল বিৱৰণ

(গ) ৰচনাধর্মী প্রশ্নঃ (৩০০-৫০০ টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন নং **১ঃ** তর্কীয় প্রত্যক্ষবাদৰ বিপ্লৱ বুলিলে কি বুজে? এই দার্শনিক বিপ্লৱ অধিবিদ্যাৰ বিৰুদ্ধে নে? আপোনাৰ নিজৰ ভাষাত লিখক।

প্রশ্ন নং **২ঃ** অধিবিদ্যাৰ অপসৰন বুলিলে কি বুজে ? ব্যাখ্যা কৰক।

প্রশ্ন নং **৩ঃ** অধিবিদ্যাৰ বচনসমূহ অর্থহীননে ? ব্যাখ্যা কৰক।

প্রশ্ন নং **৪ঃ** তর্কীয় প্রত্যক্ষবাদৰ ত্রুটিসমূহ কি ? ব্যাখ্যা কৰক।

*** **** ***

অধ্যায় ১২ঃ অস্তিত্ববাদ

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য

১২.২ পৰিচয়

১২.৩ অস্তিত্ববাদৰ সমর্থকসকল

১২.৪ অস্তিত্ববাদৰ বৈশিষ্ট্যসমূহ

১২.৫ অস্তিত্ববাদত আস্তিক অস্তিত্ববাদ আৰু নাস্তিক অস্তিত্ববাদ

১২.৬ অস্তিত্ব সাৰসত্তাৰ পূৰ্বৱৰ্তী

১২.৭ বিচাৰমূলক মূল্যাংকণ

১২.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ।

১২.৯ অধিক জানিবলৈ

১২.১০ অগ্রগতিৰ খতিয়ান

১২.১১ আৰ্হি প্ৰশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ণ কৰি আপুনি —

- অস্তিত্ববাদৰ বিকাশৰ বিষয়ে লিখিব পাৰিব,
- অস্তিত্ববাদৰ বিভিন্ন সমর্থক আৰু চিন্তাবিদ সকলৰ নামৰ তালিকা উল্লেখ কৰিব পাৰিব,
- অস্তিত্ববাদৰ প্ৰধান বৈশিষ্ট্যসমূহ আলোচনা কৰিব পাৰিব,
- আস্তিক অস্তিত্ববাদ আৰু নাস্তিক অস্তিত্ববাদৰ মাজত পাৰ্থক্য নিৰ্ণয় কৰিব পাৰিব,
- অস্তিত্ব সাৰসত্তাৰ পূৰ্ববৰ্তী এই প্ৰসংগটোৰ ব্যাখ্যা আগবঢ়াব পাৰিব।

১২.২ পৰিচয়

অস্তিত্ববাদ আধুনিক যুগৰ এক দার্শনিক বিপ্লৱ। অস্তিত্ববাদক আধুনিক বৈজ্ঞানিক যুগৰ আটাইতকৈ গুৰুত্বপূৰ্ণ দার্শনিক ধাৰা বুলি বিবেচিত কৰা হৈছে। ই সমসাময়িক চিন্তাধাৰণাত এক নৱবিপ্লৱ গঢ়ি তুলিবলৈ সফল হৈছে। অস্তিত্ববাদী আন্দোলনে পৰম্পৰাগত পাশ্চাত্য দর্শনৰ পদ্ধতি আৰু দৃষ্টিভংগী সমূহৰ বিৰোধিতা কৰে। কিন্তু এটা উল্লেখনীয় বিষয় হ'ল এই যে অস্তিত্ববাদ এটা চিন্তাধাৰা হিচাপে কেৱল দর্শনতেই সীমাবদ্ধ হৈ থকা নাই।

অধ্যয়নৰ আন আন ক্ষেত্ৰতো অস্তিত্ববাদৰ বিভিন্ন দৃষ্টিভংগী তথা চিন্তাধাৰা মূল্যায়ণ কৰিব পাৰি। কিন্তু এটা কথা স্পষ্ট যে অতি প্ৰাচীন কালৰে পৰা মানৱ জীৱনৰ বিষয়টো দৰ্শন জড়িত হৈ আহিছে, যদিও 'অস্তিত্ববাদ' নাম দি এক বিশেষ গুৰুত্ব সহকাৰে ইয়াৰ বিষয়ে অধ্যয়ন বা আলোচনা কৰা হোৱা নাছিল। সমসাময়িক দৰ্শনৰ আগমণৰ লগে লগে চিন্তাবিদ সকলে গুণ (quality) আৰু প্ৰকৃত অস্তিত্বৰ ক্ষেত্ৰত মানৱ জীৱন অধ্যয়ন আৰু বিশ্লেষণ কৰিছে আৰু পিছলৈ তেওঁলোকক অস্তিত্ববাদী আৰু তেওঁলোকৰ মতবাদক অস্তিত্ববাদ বুলি কোৱা হয়।

১৯ শতিকাৰ ডেনিছ দাৰ্শনিক ছৰেণ কিয়েৰকেগার্ডক ১৮১৩-১৮৫৫ (Soren Kierkegaard) অস্তিত্ববাদী বিপ্লৱৰ পিতৃ বুলি বিবেচিত কৰা হয়। তেওঁ পৰম্পৰাগত দাৰ্শনিকসকলে জীৱন আৰু জগত সম্পৰ্কে আগবঢোৱা সংক্ষিপ্ত ধাৰণাৰ তীব্ৰ বিৰোধিতা কৰিছে। তেওঁ দেখুৱাব বিচাৰিছিল যে "সত্য প্ৰকৃত তথ্যযুক্ত"। নৈতিক আৰু আধ্যাত্মিক জীৱনত কিছু পৰিমাণে পোৱাৰ উপৰিও আমি আমাৰ দৈনন্দিন জীৱনতো এই বিষয়ে উপলব্ধি বা অভিজ্ঞতা লাভ কৰো ।

অস্তিত্ববাদে মনুষ্যত্বৰ সামান্য ধাৰণাতকৈ ভিন্ন ভিন্ন ব্যক্তিৰ বিশেষ অস্তিত্বৰ ওপৰত বেছি গুৰুত্ব প্ৰদান কৰিছে। এই ক্ষেত্ৰত ইয়াক ব্যক্তিবাদী দৰ্শন বুলিও কব পাৰি। অস্তিত্ববাদৰ ইতিহাস আলোচনা কৰিলে পোৱা যায় যে প্ৰথম বিশ্বযুদ্ধৰ ঠিক পিছে পিছে ছৰেণ কিয়েৰকেগার্ডে অস্তিত্ববাদৰ ওপৰত আগবঢোৱা মতসমূহ জার্মানী আৰু আমেৰিকাত বিস্তাৰিত হৈছিল। দ্বিতীয় বিশ্বযুদ্ধৰ পিছত অস্তিত্ববাদী বিপ্লৱক অধিক উপলব্ধি কৰা হৈছে। দুটা বিশ্বযুদ্ধৰ ধ্বংসাত্মক পৰিণামে মানৱ জীৱনৰ ওপৰত সীমাহীন দুখ যাতনা দিছিল, যাৰ প্ৰভাবে মানুহক পুনৰ চিন্তা কৰিবলৈ বাধ্য কৰোৱাৰ লগতে আত্ম সমালোচনা (self-criticism) আৰু আত্মবিশ্লেষণ (self analysis)ৰ ক্ষেত্ৰত মনোযোগ দিবলৈ প্ৰেৰণা যোগায়। চিন্তাবিদসকলে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ফলত হোৱা মানৱ মূল্যৰ খহনীয়তাৰ দৃশ্যৰ আগজাননী পাইছিল। বিজ্ঞান আৰু প্ৰযুক্তিৰ প্ৰয়োগৰ ফলত হোৱা মানৱ মূল্যৰ অৱক্ষয়ৰ ক্ষেত্ৰত তেওঁলোকে চিন্তিত হৈ পৰিছিল। অৰ্থাৎ তেতিয়া বিজ্ঞান আৰু প্ৰযুক্তিক মানৱ জীৱন ধ্বংস কৰিবলৈ ব্যৱহাৰ কৰা হৈছিল। কিন্তু এই জগতত মানৱ জীৱন হ'ল আটাইতকৈ মূল্যবান সম্পদ। সেয়ে এই চিন্তাবিদসকলে মানৱ সত্বাৰ (human existence)ৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰিছে।

দৰ্শন হিচাপে অস্তিত্ববাদ মানুহৰ ব্যক্তিগত অস্তিত্বৰ লগত জড়িত। অস্তিত্ববাদ এক ব্যক্তিবাদী দৰ্শন। অস্তিত্ববাদে মানুহৰ সামান্য ধাৰণাতকৈ বিভিন্ন ব্যক্তিৰ বিশেষ বিশেষ অস্তিত্বৰ ওপৰত অধিক গুৰুত্ব দিছে। এই মতবাদে সাধাৰণ দৃষ্টিভংগীৰে জগত বা মানুহ আৰু তাৰ স্বৰূপৰ বিষয়ে কেনেদৰে জ্ঞান লাভ কৰিব পাৰি তাতকৈ এজনব্যক্তিৰ বিশেষ গুণসমূহ আৰু তাৰ অস্তিত্বৰ ওপৰতহে অধিক গুৰুত্ব দিয়ে। অস্তিত্ববাদে মত পোষণ কৰে যে প্ৰত্যেকজন ব্যক্তিয়েই **অনন্য** আৰু অতুলনীয়। ব্যক্তি এজনৰ প্ৰকৃত স্বৰূপ তেওঁৰ অস্তিত্বৰ যোগেদি প্ৰকাশ পায় আৰু তেনেকৈয়ে তেওঁৰ প্ৰকৃত স্বৰূপ বুজিব পাৰি।

১২.৩ অস্তিত্ববাদৰ সমৰ্থকসকল

অস্তিত্ববাদৰ ক্ৰমবিকাশৰ ক্ষেত্ৰত কিছুসংখ্যক খ্যাতনামা মনীষীয়ে তেওঁলোকৰ যৌক্তিক, দাৰ্শনিক আৰু সাহিত্যিক লিখনিৰ দ্বাৰা উল্লেখযোগ্য বৰঙণি আগবঢ়াইছে। এই মনিষী সকলৰ ভিতৰত ছোৰেণ **কিয়েৰকেগার্ড**,

ফ্রেডৰিক **নীৎসে**, কার্ল জেচ্পার্ছ, গেব্রিয়েল মার্চেল, মার্টিন হাইডেগাৰ, জাঁ পল ছার্ত্র আদিৰ নাম বিশেষভাৱে উল্লেখ কৰিব পাৰি।

কিয়েৰকেগার্ডৰ মতে, জীৱনৰ মুখ্য লক্ষ্য হ'ল এজন খ্ৰীষ্টিয়ান হোৱা অথবা এজন সম্পূর্ণ মানুহ হোৱা। তেওঁৰ অস্তিত্ববাদ তলত দিয়া উপাদান সমূহৰ লগত জড়িত- মানুহৰ অস্তিত্ব, তেওঁৰ অবিনাশী আত্মা, তেওঁৰ অদৃষ্ট আৰু ইশ্বৰৰ সত্বা। কিয়েৰকেগার্ড খ্ৰীষ্টান ধর্মৰ দুটা পৰম শত্রু চিনাক্ত কৰিছিল ঃ ক) হেগেলীয় দর্শনৰ অমূর্ত চিন্তা (abstract thinking) খ) পৰম্পৰাগত ৰীতি-নীতি অনুযায়ী গীর্জালৈ যোৱা লোকসকল।

ইশ্বৰ আৰু জগত, সৃষ্টিকর্তা আৰু সৃষ্টিৰ মাজত থকা প্রগাঢ় বিভেদৰ সম্পর্কই মানুহৰ মনত বেদনা (anguish) কঢ়িয়ায়। এই পর্য্যায়ত মানুহৰ হতাশাই তেওঁক যুক্তি ত্যাগ কৰি বিশ্বাসক গ্রহণ কৰিবলৈ বাধ্য কৰায়। তেওঁ প্রকৃত সত্তালৈ গতি কৰোঁতে এটা 'বিশ্বাসৰ জাঁপ' (leap of faith) দিয়ে, কিয়েৰকেগার্ডে কয় যে এজন প্রকৃত দার্শনিকে অন্য মানুহ এজনক নিশ্চিতভাৱে ইশ্বৰৰ সৃষ্টি অর্থাৎ পৰম ক্ষমতাশালীৰ সৃষ্টি হিচাপে বিবেচনা কৰে।

কিয়েৰকেগার্ডে ঘোষণা কৰিলে যে সত্য সম্পূর্ণ ব্যক্তিনিষ্ঠ আৰু অন্তমুর্খী। ব্যক্তিনিষ্ঠ মনোভাৱৰে বিশ্বৰ সত্যতা নিৰূপন কৰা যায়। কিয়েৰকেগার্ডৰ মতে মানৱ চেতনা স্বাধীন। কিয়ৰকেগার্ডে কৈছে যে প্রত্যেক ব্যক্তিয়ে নিজকে স্বাধীন বুলি উপলব্ধি কৰে তেওঁৰ সন্মুখত এটা আদর্শ বা লক্ষ্য থাকে।

নীৎসে ঃ নীৎসেৰ অস্তিত্ববাদ তেওঁৰ শক্তি-ইচ্ছা (will to power), অতিমানৱ (Super man), নৈতিকতাৰ গৰাকী (morality of master), নৈতিকতাৰ দাস (morality of slaves) আদি ধাৰণা সমূহৰ লগত জড়িত। নীৎসেৰ **প্রটেষ্টাণ্ট খ্ৰীষ্টিয়ান** ধর্মৰে প্রতি থকা বিশ্বাসে তেওঁৰ অস্তিত্ববাদৰ ওপৰত প্রভাৱ পেলায়। যেতিয়া মানুহ এজনে কিবা জানিব বিচাৰে, কি উদ্দেশ্যে তেওঁ জানিব বিচাৰে তাৰ ওপৰত তেওঁ প্রশ্ন কৰে। যেতিয়া মানুহে জ্ঞান লাভ কৰে তেতিয়া তেওঁ পৰিবর্তনৰ (Becoming) প্রক্রিয়াত অস্তিত্বৰ স্থিতি গ্রহণ কৰে। কিন্তু জ্ঞাতাও এক প্রক্রিয়াহে। নীৎসেৰ মতে এই প্রক্রিয়া হ'ল এক চেষ্টা বা যত্ন (effort)। তেওঁ ইয়াক শক্তি-ইচ্ছা (will to power) বুলিও কয়। জ্ঞান সার্বিক বা সাধাৰণ হ'ব নোৱাৰে। জ্ঞানৰ ক্ষেত্রত কেৱল অদ্বিতীয় ব্যক্তি সম্পর্ক, ব্যাখ্যা আৰু মূল্যাংকণ সমূহহে পোৱা যায়। এই ক্ষেত্রত কোনো সাধাৰণ উপাদান নাথাকে, মাথো ব্যক্তি আৰু বিশেষ অস্তিত্বহে থাকে। নীৎসে জ্ঞানৰ আধ্যাত্মিকতাৰ মতৰ বিৰোধিতা কৰে। আমি যি জানো তাক আমি প্রত্যক্ষভাৱে পাওঁ। জ্ঞান লাভৰ ক্ষেত্রত বর্তমান অস্তিত্বৰ উর্দ্ধত একো নাই। সেয়েহে তেওঁ অস্তিত্ববান চিন্তা কৰোঁতাজনৰ ব্যক্তিগত সত্বাক গ্রহণ কৰে। নীৎসেৰ দর্শনক এখ ব্যাপক **বৌদ্ধিক** তথা সাংস্কৃতিক অৱস্থা বুলি আখ্যা দিয়া হয় যাক তেওঁ 'ঈশ্বৰৰ মৃত্যু' তথা **শূন্যবাদৰ** আৰম্ভণি বুলি ব্যাখ্যা কৰিছে।

কার্ল জেচ্পার্ছ (Karl Jaspers) ঃ জেচ্পাছে আধুনিক যান্ত্রিক সভ্যতাৰ তীব্র বিৰোধিতা কৰিছে। তেওঁৰ মতে সভ্যতাৰ হেঁচাত মানুহৰ আত্মা, অস্তিত্ব, স্বাধীনতা সকলো শেষ হৈ গৈছে। জেচ্পার্ছে 'সৎ জীৱন' (good life) আৰু সিদ্ধান্ত গ্রহণ কৰিব পৰা আত্মাৰ ওপৰত গুৰুত্ব দিয়ে। তেওঁৰ মতে দর্শনে মানুহক যুক্তিপূর্ণভাৱে বসবাস কৰা, অনুভৱ কৰা, সিদ্ধান্ত গ্রহণ কৰা আদিও অৰিহণা যোগায়। দ্রব্য, জীৱন, আত্মা, মন আদি গুণগতভাৱে ভিন্ন আৰু এইবোৰক কোনো সাধাৰণ শব্দলৈ ৰূপান্তৰিত কৰিব নোৱাৰি।

তলত উল্লেখিত বিষয়সমূহৰ দ্বাৰা মানুহ ব্যক্তিগত অস্তিত্বক বুজিব পাৰি—

ক) মানুহৰ নিজস্বতা বা আত্মত্বৰ তাৎক্ষণিক সচেতনতা।

খ) সামাজিক জীৱনত অন্য ব্যক্তিৰ লগত তেওঁৰ সম্পর্ক আৰু

গ) সমাজ জীৱনৰ বিভিন্ন ঐতিহাসিক গাঁথনি সমূহ যেনে নৈতিকতা, আইন, পৰিয়াল ৰাষ্ট্ৰ ইত্যাদি।

জগতৰ উৰ্দ্ধত আত্মাৰ কোনো বাস্তৱিকতা নাই, আত্মা হ'ল জগতৰ এটা অংশহে। আত্মা অকৃত্রিম, প্ৰকৃত; আত্মাই জীৱনৰ স্বৰূপ জ্ঞান দিয়ে। আত্মাৰ প্ৰকৃত অস্তিত্ব পৰিবেশ, দুখ, মৃত্যু আৰু অপৰাধ আদি বিভিন্ন অৱস্থাৰ জৰিয়তে বুজিব পাৰি।

গেব্ৰিয়েল মার্চেল ঃ ফৰাচী দার্শনিক মার্চেল ইশ্বৰবাদী অস্তিত্ববাদৰ এজন মুখ্য পৃষ্ঠপোষক। যদিও মার্চেল স্বাধীন মনোভাৱৰ এগৰাকী ধর্মপ্ৰাণ ব্যক্তি আছিল তথাপিও তেওঁৰ দৃষ্টিভংগী আছিল দার্শনিক। তেওঁৰ মতে দর্শনৰ মূল বিষয় হ'ল মানৱীয় সংকট। তেওঁ বিশেষকৈ দুটা প্ৰশ্নৰ লগত জড়িত ঃ মই কোন? আৰু অস্তিত্ব কি? চিন্তাৰ ক্ষেত্ৰত মার্চেলে দুটা উপাদানৰ মাজত পার্থক্য নির্ণয় কৰে। প্ৰথম উপাদানটো তেওঁ 'প্ৰথম প্ৰতিফলন' (first reflection) বুলি কৈছে যি পর্য্যবেক্ষণৰ অভিজ্ঞতা সমূহৰ দ্বাৰা গঠিত। এই ধৰণৰ প্ৰতিফলন সাধাৰণ মানুহৰ উপৰিও বৈজ্ঞানিক এজনৰ চিন্তাতো পোৱা যায়। দ্বিতীয় উপাদানটোক দ্বিতীয় প্ৰতিফলন (second reflection) বুলি কোৱা হয়। এই উপাদান বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উপৰিও বস্তুগত জ্ঞানৰ উৰ্দ্ধত। এই উপাদানে অর্থাৎ দ্বিতীয় প্ৰতিফলনে অস্তিত্বৰ পৰিসীমাৰ উৰ্দ্ধত প্ৰতিষ্ঠিত হ'বলৈ বিচাৰে। 'মই' আৰু 'মোৰ পৰা স্বতন্ত্ৰ'ৰ মাজত পার্থক্য আছে। অস্তিত্বই 'মই কি?' তাক বুজায় কিন্তু অস্তিত্বই 'মোৰ কি আছে' তাক নুবুজায়। এই অস্তিত্ব শ্ৰেষ্ঠতাৰ সৈতে প্ৰকৃতিৰ গভীৰতালৈ ধাৱমান হয় । এজন জীৱিত মানুহৰ বাবে তেওঁৰ জীৱনৰ পৰা এই সমূহ উঠাই লোৱাটো অবাঞ্চনীয়।

মার্চেলৰ মতে ঈশ্বৰৰ সৈতে একাত্মীয়তা (Communion) স্থাপনৰ জৰিয়তে ব্যক্তি এজনৰ অস্তিত্ব ব্যাখ্যা কৰিব পাৰি । ঈশ্বৰ সম্বন্ধে মানুহৰ অভিজ্ঞতা বর্ণনা কৰিবলৈ কোনো আনুষ্ঠানিক প্ৰমাণ বা ধাৰণাৰ প্ৰয়োজন নাই । মানুহ মুক্ত আৰু এই মুক্তিৰ অভিজ্ঞতা লাভ কৰিব পাৰি আশা, বিশ্বস্ততা আৰু প্ৰেমৰ জৰিয়তে।

মার্টিন হিডেগাৰ ঃ

মার্টিন হিডেগাৰৰ অস্তিত্ববাদ প্ৰধানকৈ তিনিটা বিষয়ত কেন্দ্ৰীভূত ঃ ১। মানৱ জীৱন ২) প্ৰকৃতি জগতত মানুহৰ অস্তিত্ব ৩) চৰম সত্বাৰ লগত মানুহৰ সম্পর্ক।

মার্চেলে কয় যে মানুহে নিশ্চিত ভাৱে বুজিব লাগে যে মানুহ সীমীবদ্ধ। মানুহ তেওঁৰ সন্মতিৰ অবিহনে এই জগতলৈ আহে। তেওঁ অন্তঃসাৰশূন্য জীৱন যাপন কৰা মানুহক আৰু বাহ্যিক বস্তু, গুণ আৰু ব্যক্তিগত শক্তিক অধিক গুৰুত্ব দিয়া মানুহক সমালোচনা কৰে। মানুহে তেওঁৰ কৃত্রিম অস্তিত্বক ত্যাগ কৰিবই লাগিব। কোনো একত্রিত দলৰ এজন সদস্য হোৱা স্বত্বেও, তেওঁ দলৰ মানসিকতাৰ মাজত থাকিব লাগিব। দৈনন্দিন জীৱনৰ বস্তু সমূহৰ প্ৰতি মানুহে তেওঁৰ মনটোক নিমগ্ন কৰা উচিত নহয়। যদি তেওঁ পচন্দ কৰে তেন্তে সত্যৰ ওপৰত কেন্দ্ৰ কৰি তেওঁ এক বিশুদ্ধ তথা প্ৰকৃত অস্তিত্বৰ জীৱন যাপন কৰিব পাৰে। ইয়াত সত্য মানে মার্চেলে বুজাইছে যে মানুহে তেওঁৰ জীৱনটোক এক নতুন দৃষ্টিভংগীৰে চাব লাগিব অর্থাৎ ইয়াক মৃত্যুৰ দিশৰ পৰাও চাব লাগিব। কিন্তু ব্যক্তি এজনে জীৱনৰ এই নতুন দৃশ্যটোক নাজানিবও পাৰে। তেওঁৰ জীৱনৰ চূড়ান্ত লক্ষ্য যিয়েই নহওঁক কিয় তেওঁ দৈনন্দিন জীৱনৰ সাংসাৰিক কাম কাজ সমূহৰ উৰ্দ্ধত নিজক স্থাপন কৰি এটা অধিক সুন্দৰ জীৱনৰ সন্ধান কৰিব লাগিব। এই অৱস্থাটোক মানুহৰ শৌর্যপূর্ণ তথা মহৎ অস্তিত্ব বুলি বিবেচনা কৰা হয়।

জাঁ-পল ছার্ত্ৰ ঃ

ছার্ত্রে তেওঁৰ *Existentialism and a Humanism* নামৰ বিখ্যাত বক্তৃতাত তেওঁৰ অস্তিত্ববাদ সম্পর্কে থকা মতসমূহ উল্লেখ কৰিছিল। এই বক্তৃতাত তেওঁ কয় যে "আমাৰ শব্দৰ সংজ্ঞাত অস্তিত্ববাদ হ'ল এটা মতবাদ যিয়ে মানৱ জীৱন সম্ভৱ কৰি তোলে।" তেওঁৰ গভীৰ বিশ্বাস এই যে আমি দাবী কৰাৰ দৰে বস্তু সমূহৰ প্ৰকৃততে কোনো আচল সত্তা নাই। তেওঁ মত পোষণ কৰে যে আমি যিটো জানো সেয়াই হ'ল মানৱীয় অস্তিত্ব। তেওঁ কয় যে 'অস্তিত্ব সাৰসত্বাৰ পূৰ্ববৰ্তী' (existence precedes essence)। ছার্ত্রেই ইশ্বৰৰ অস্তিত্ব অস্বীকাৰ কৰা ক্ষেত্ৰত নীৎসেক অনুসৰণ কৰে। ছার্ত্রেৰ মতে মানুহে নিজেই নিজক নিৰ্মাণ কৰে আৰু কি অৱস্থা বা পৰিস্থিতিত তেওঁ জীৱন নিৰ্বাহ কৰিব, সেয়া তেওঁ নিজেই পচন্দ কৰে। তেওঁৰ মতে মানৱ ব্যতীত কোনো মূল্যৰে অস্তিত্ব থাকিব নোৱাৰে, কিয়নো মূল্য সমূহৰ সৃষ্টিকৰ্তা হ'ল মানুহ নিজেই। মূল্যসমূহৰ কোনো স্থায়ী তথা বস্তুনিষ্ঠ ভিত্তি নাই। মানুহে নিঃসংগতা, শূন্যতা আৰু মৃত্যু আদিক ঘিণ কৰে। মানুহ সীমাহীনভাৱে মুক্ত। কিন্তু মানৱ জীৱন বিভিন্ন বাধা আৰু প্ৰতিৰোধক দ্বাৰা চিহ্নিত হয়। প্ৰতিৰোধসমূহ সৃষ্টিৰ ক্ষেত্ৰত মানুহৰ কোনো ভূমিকা নাই, অৰ্থাৎ মানুহে এইবোৰ সৃষ্টি নকৰে। কিন্তু এই বাধা আৰু প্ৰতিৰোধ সমূহৰ যোগেদিয়েই মানৱ জীৱন। কিন্তু এই ঘাত প্ৰতিঘাত তথা বাধাসমূহৰ বিপৰীতে মুক্ত পচন্দৰ অনুশীলনৰ জৰিয়তে মানৱ জীৱন অৰ্থপূৰ্ণ হৈ উঠে। এইদৰে মানৱ অস্তিত্বৰ মূল লক্ষ্য হ'ল আদৰ্শ ব্যক্তিত্ব বা আত্মাত উপনীত হোৱা। এই আদৰ্শ ব্যক্তিত্ব এজন স্বতন্ত্ৰ দায়িত্বশীল মানুহৰ প্ৰবল বিবেচনা শক্তি বা বোধ আৰু অস্তিত্বত প্ৰকাশ পায়। কিন্তু ছার্ত্রেৰ মতে স্বতন্ত্ৰতাৰ এই অনুসন্ধান সীমাহীন, সম্পূৰ্ণ ভ্ৰান্তিজনক আৰু অনৰ্থক । কিন্তু তথাপিও মানুহে স্বতন্ত্ৰতাৰ বাবে এই অনৰ্থক অনুধাৱনত তেওঁৰ অখণ্ডতা তথা সৱলতাক প্ৰমাণ কৰিব পাৰে ।

অনুশীলনী ঃ ১

* অস্তিত্ববাদী মতসমূহ অকল দৰ্শনতেই সীমাবদ্ধ বুলি আপুনি ভাবেনে?
* অস্তিত্ববাদী বিপ্লৱ ভাববাদৰ বিপৰীত এক প্ৰতিক্ৰিয়া? আপুনি কি ভাবে?

অগ্ৰগতি নিৰীক্ষণ ১

১। কেইগৰাকীমান অস্তিত্ববাদী দাৰ্শনিকৰ নাম লিখক।

২। 'ইশ্বৰ মৃত' বুলি কোনে কৈছে?

৩। কার্ল জেচ্পার্ছৰ মতে দৰ্শন কি?

৪। 'অস্তিত্ব সাৰসত্বাৰ পূৰ্ববৰ্তী' কোনে কৈছে?

৫। গেব্ৰিয়েল মার্চেল বিশেষকৈ দুটা প্ৰশ্নৰ লগত জড়িত। প্ৰশ্ন দুটা কি কি?

৬। অস্তিত্ববাদী বিপ্লৱৰ জনক বুলি সাধাৰণতে কাক কোৱা হয়?

৭। ছার্ত্রেৰ অস্তিত্ববাদৰ মূলভাৱ কি?

১২.৪ অস্তিত্ববাদৰ প্ৰধান বৈশিষ্ট্যসমূহ

১। অস্তিত্ববাদ হ'ল পৰম্পৰাগত দৰ্শন, পদ্ধতিকৰণ আৰু আধুনিক সমাজৰ কিছুমান বৈশিষ্ট্যৰ বিৰুদ্ধে কৰা এক প্ৰতিবাদী আন্দোলন। অস্তিত্ববাদে গ্ৰীক বুদ্ধিবাদ আৰু হেগেলৰ পৰমব্ৰহ্ম বা ভাববাদৰ বিৰোধিতা কৰে। অস্তিত্ববাদে প্ৰকৃতিবাদ (naturalism) ৰো বিৰোধিতা কৰে। অস্তিত্ববাদৰ মতে বিজ্ঞানে মানুহৰ সৃষ্টিশীলতা, মানৱমূল্য, ব্যক্তিগত স্বাধীনতা, মানুহৰ অনুভৱ আবেগ আদিক অবদমিত কৰি ৰাখে। সেইবাবে অস্তিত্ববাদে আধুনিক সমাজৰ বৈজ্ঞানিক সংস্কৃতিক সমালোচনা কৰে। এই অস্তিত্ববাদে লেখকসকলৰ উপৰিও কলা-কুশলীসকলকো মানৱ স্বাধীনতাৰ সম্বন্ধে সচেতন হ'বলৈ আৰু দুখ-যন্ত্ৰণা আৰু হতাশাৰ পৰা মানৱ জাতিক উদ্ধাৰ কৰিবলৈ আহ্বান জনায়।

২। পৰম্পৰাগত দাৰ্শনিক সকলৰ মতে মানুহ হ'ল বুদ্ধিবৃত্তি সম্পন্ন প্ৰাণী। কিন্তু অস্তিত্ববাদৰ মতে মানুহ আসক্তি, অনুৰাগৰ দ্বাৰা পৰিচালিত হয়; যুক্তি বা বুদ্ধিৰ দ্বাৰা নহয়। অস্তিত্ববাদে শক্তি-ইচ্ছা, আত্ম সচেতনতা, অনুভূতি, আবেগ, ব্যক্তিৰ পচন্দ আৰু অপচন্দৰ ওপৰত গুৰুত্ব দিয়ে।

৩। মানুহ আৰু প্ৰকৃতিৰ মাজৰ বিচ্ছিন্নতাই অস্তিত্ববাদী চিন্তাবিদ সকলক শংকিত কৰি তোলে। আধুনিক মানুহে প্ৰকৃতিক অৱজ্ঞা কৰি নিজেই এটা যন্ত্ৰত পৰিণত হৈছে। নিজৰ অসহায় অৱস্থা আৰু অৰ্থহীন অস্তিত্বক উপলব্ধি কৰা স্বত্বেও তেওঁ এনে এটা অৱস্থাত উপনীত হয় যে তেওঁ অপৰাধবোধ, ভয়, হতাশা, বেদনা, আদিত ভোগে। যদিও ইয়াৰ একো প্ৰতিকাৰ কৰিব নোৱাৰে। কিছুমান অস্তিত্ববাদী দাৰ্শনিকৰ মতে দৰ্শনৰ লক্ষ্য হ'ল মানৱ জীৱনৰ প্ৰকৃত অৰ্থ অনুভৱ কৰা আৰু মানুহৰ অস্তিত্বক বিভিন্ন দুখ যাতনাৰ পৰা মুক্ত কৰা। অস্তিত্ববাদে মানুহৰ অকৃত্ৰিম প্ৰকৃত অস্তিত্বৰ ওপৰত গুৰুত্ব দিয়ে।

৪। অস্তিত্ববাদ হ'ল মানৱীয় সংশয় বা মানৱীয় দুখ-যন্ত্ৰণাৰ এক অনুসন্ধান আৰু বিশ্লেষণ ঃ- এই সংশয় মানুহ এজনৰ স্থিতি আৰু তেওঁৰ সম্ভাব্য ভৱিষ্যতক কেন্দ্ৰ কৰি। আচলতে যোৱা শতিকাৰ পৰাই মানুহে নিজৰ অস্তিত্বহীন অৱস্থাৰ কথা বৰকৈ অনুভৱ কৰিছে । মানুহে নিজকে বহিঃজগতৰ প্ৰাণী বুলি অনুভৱ কৰিছে, য'ত তেওঁ বসবাস কৰিবই লাগিব বুলি ভাবে । ১৯ শতিকাৰ পৰা কিয়ৰ্কেগার্ড, নীৎসে আৰু ডষ্টয়েভস্কিৰ উপৰিও আন বহুতো মানৱ দৰদী চিন্তাবিদে অবিৰতভাৱে এই জগতত মানুহৰ দুখ লগা অৱস্থাৰ বিষয়ে মাত মাতি আহিছে।

৫। অস্তিত্ববাদ অনুসৰি অস্তিত্ব সাৰসত্তাৰ পূৰ্ববৰ্তী (Existence precedes essence)। অস্তিত্ববাদীসকলে মত প্ৰকাশ কৰে যে সাৰসত্তাৰ আগত অস্তিত্ব থাকে। মানুহৰ অস্তিত্বৰ উৰ্দ্ধত একো নাই। মানুহৰ অস্তিত্ব সকলো গুণৰ ওপৰত। অস্তিত্ববাদীসকলৰ মতে মৌলিকত্বৰ আগতেই অস্তিত্ব থাকে। ব্যক্তিগত চেতনাৰ অস্তিত্ব অস্বীকাৰ কৰাটো স্ববিৰোধী। অস্তিত্ববাদৰ মতে ব্যক্তি চেতনাক কোনো সার্বিক ধাৰণাৰ বা মৌলিকত্বৰ দৃষ্টান্ত বুলি ভবাতো ভুল । ব্যক্তিৰ প্ৰকৃত অস্তিত্বক ধাৰণা কৰিব নোৱাৰি। ই এক অভিজ্ঞতা আৰু জীৱিকাৰ বিষয়। সেয়ে অস্তিত্ববাদীসকলে মানুহৰ অস্তিত্বৰ ওপৰত অধিক গুৰুত্ব দিছে।

৬। অস্তিত্ববাদী দাৰ্শনিকসকলে মানুহৰ আত্মনিষ্ঠতাৰ ওপৰত গুৰুত্ব দিয়ে। অস্তিত্ববাদে **জড়বাদ** আৰু **ভাববাদ** অস্বীকাৰ কৰে। সত্যতা হ'ল আত্মনিষ্ঠ আৰু সত্যতা ব্যক্তিৰ একান্ত অনুভব অবিহনে জানিব নোৱাৰে।

ব্যক্তিৰ তাৎক্ষণিক অনুভৱে সত্যতা প্ৰকাশ কৰে। সত্যতা হ'ল এক অভিজ্ঞতাৰ বিষয় ইয়াক কোনো বচনৰ জৰিয়তে ব্যাখ্যা কৰিব নোৱাৰি।

৭। অস্তিত্ববাদে ব্যক্তি স্বাধীনতাৰ ওপৰত গুৰুত্ব দিয়ে। মানুহ মুক্ত যদিও তেওঁ দুখ, ভয়, কষ্ট, আশংকা আৰু অপৰাধবোধৰৰ দ্বাৰা অবদমিত হৈ থাকে। এইবোৰ হ'ল **'জীৱনৰ সন্তাপ** (Angst of life)। মানুহে এই আবেগ, অনুভূতি আৰু যন্ত্ৰণা সমূহৰ কাৰণ উলিয়াব লাগে। নীৎসে কয় যে **'ইচ্ছাশক্তি'** (Will to power) আৰু 'আত্মবিশ্বাসে' জীৱনৰ সন্তাপসমূহৰ পৰা মুক্ত হ'বলৈ আমাক সহায় কৰে। মানুহে ঢুকি পাব পৰাতে মানুহৰ অপৰিসীম পছন্দৰ বিকল্প থাকিব পাৰে। মানুহে নিজৰ পছন্দ অনুযায়ী কাম কৰিব পাৰে। তাৰ দায়িত্ব তেওঁ নিজেই গ্ৰহণ কৰিব লাগে। এক অকৃত্ৰিম আত্মাৰ অস্তিত্ব আছে যি পছন্দ অনুযায়ী কাম কৰিব পাৰে, সিদ্ধান্ত গ্ৰহণ কৰিব পাৰে আৰু সেইসমূহৰ দায়িত্ব গ্ৰহণ কৰিব পাৰে। অস্তিত্ববাদৰ মতে মানুহে এনে এক অস্তিত্বৰ বাবেই যত্ন কৰা উচিত, যাৰ আনকি হতাশা আৰু আধুনিক সভ্যতাৰ নৈৰ্ব্যক্তিকতাৰ মাজতো হৰণভগন নহয়।

১২.৫ আস্তিক অস্তিত্ববাদ আৰু নাস্তিক অস্তিত্ববাদ

অস্তিত্ববাদত আমি দুই ধৰণৰ মতামত পাওঁ আস্তিক আৰু নাস্তিক। কিয়েৰকেগার্ড এজন গোড়া খ্ৰীষ্টিয়ান আছিল। তেওঁ মানুহে ইশ্বৰৰ সত্বাক বুজি পোৱাতো বিচাৰিছিল। তেওঁ খ্ৰীষ্টিয়ান ধৰ্মক যুক্তিসংগত বা বৌদ্ধিক চেষ্টাৰে ৰক্ষা কৰাৰ সকলো কামৰ বিৰোধিতা কৰিছে। তেওঁ পৰম্পৰাগতভাৱে গীৰ্জালৈ যোৱা মানুহবোৰৰো বিৰোধিতা কৰিছে। মানুহে জীৱনৰ প্ৰকৃত সত্য জানিবলৈ হ'লে তেওঁ কষ্ট আৰু হতাশাৰ মাজেৰে পাৰ হব লাগিব। ইয়ে তেওঁক 'বুদ্ধি' ত্যাগ কৰি 'বিশ্বাস' গ্ৰহণ কৰিবলৈ প্ৰস্তুত কৰে। এয়া হ'ল ব্যক্তি এজনৰ বিশ্বাসৰ জাঁপ (leap of faith).

নীৎসে এজন উল্লেখনীয় নাস্তিক অস্তিত্ববাদী। তেওঁ ঘোষণা কৰে যে ইশ্বৰ মৃত আৰু তেওঁ বিশ্বাস কৰে যে আমি মানুহেই ইশ্বৰক হত্যা কৰিছোঁ। ইয়াৰ পৰা আমি ক'ব পাৰো যে নীৎসে এটা সময়ত ইশ্বৰক বিশ্বাস কৰিছিল। কিন্তু পিছত ইশ্বৰৰ অস্তিত্বৰ বিৰোধিতা কৰে। তেওঁ বিশ্বাধিপতি (অতিমানৱ)ৰ উচ্চ গুণসমূহ চামিল কৰি উচ্চমানৱ (higher man) ৰ কথা কৈছে, **খৃষ্টান ধৰ্ম, গণতন্ত্ৰ, সমাজবাদে** দাঙি ধৰা অনুগ্ৰতা (mediocrity) ৰ গুণসমূহৰ কথা কোৱা নাই। তেওঁ পৰম্পৰাগত খৃষ্টান ধৰ্মৰ বিৰোধিতা কৰিছে। নীৎসে বিশ্বাস কৰে যে পৰম্পৰাগত খৃষ্টান ধৰ্মই এজন মানুহক নৈৰ্ব্যক্তিক, নিষ্ক্ৰিয়, উদাসীন কৰি তোলে।

হিডেগাৰ 'ইশ্বৰৰ অস্তিত্ব'ৰ প্ৰশ্ন সম্পৰ্কত সম্পূৰ্ণভাৱে নিৰপেক্ষ অথবা কিছু নিৰ্লিপ্ত আছিল। পৰম্পৰাগত দৰ্শন আৰু ধৰ্মত পোৱা ইশ্বৰৰ ধাৰণাটো সকলো বস্তুৰ আধাৰ হিচাপে বিবেচনা কৰা নাযায়। হিডেগাৰৰ মতে ইশ্বৰ হ'ল আন আন সত্বাৰ দৰে সাধাৰণ এক সত্বা।

জেচ্‌পার্ছ ইশ্বৰবাদী অস্তিত্ববাদৰ এজন প্ৰধান পৃষ্ঠপোষক। তেওঁৰ মতে আমি বিশ্বাস প্ৰেম আৰু অন্তৰ্দৃষ্টিৰ দ্বাৰা পৰিচালিত হওঁ। বহুক্ষেত্ৰত নীৎসেৰ দ্বাৰা প্ৰভাৱিত হ'লেও তেওঁ কিয়েৰকেগার্ডৰহে বেছি ঘনিষ্ঠ আছিল। জেচ্‌পার্ছে খ্ৰীষ্টান বিৰোধী ধাৰণা বা কিয়েৰকেগার্ডৰ **'বিশ্বাসৰ জাপ'** কোনো এটাকে গ্ৰহণ কৰা নাই।

জার্মান দার্শনিক জেচপার্ছৰ দৰে ফৰাছী দার্শনিক মার্চেলো এজন অস্তিত্ববাদৰ পৃষ্ঠপোষক। মার্চেলৰ মতে আমি চৰম বাস্তৱবাদক অতিক্ৰম কৰিব পাৰোঁ। আমি প্ৰার্থনা, ধ্যান আদিত অংশ গ্ৰহণ কৰিব পাৰোঁ য'ত আমি হঠাৎ

এটা প্রকৃত আৰু অতীন্দ্রিয় সত্বাৰ মুখামুখি হও। স্বয়ম্ভূ ইশ্বৰ আৰু এটা সীমিত তথা মূর্ত আত্মা বা ইশ্বৰৰ মাজত পাৰস্পৰিক সম্পর্ক আছে। হেৰল্ড এইচ. টিটাচ (Harold H Titus) য়ে *Living issues in Phiolosophy* নামৰ গ্রন্থত মার্চেলৰ মতসমূহৰ বিষয়ে কৈছে। 'ঈশ্বৰক অস্বীকাৰ কৰা মানে অস্তিত্বক অস্বীকাৰ কৰা'। যদিও মানুহে সঠিক ভাৱে ইশ্বৰৰ ধাৰণা ল'ব নোৱাৰে তথাপি যদি তেওঁ ইশ্বৰৰ উপস্থিতিৰ অভিজ্ঞতা লাভ কৰে তেনে ক্ষেত্রত ইশ্বৰ সম্বন্ধে তেওঁৰ লবলগীয়া কোনো ধাৰণাৰ প্রয়োজন নাই।

জাঁ পল ছার্ত্রৰ নাস্তিকবাদ তেওঁৰ *Being and Nothingnss* আৰু 'Existentislism and Humanism নামৰ লিখনি সমূহত পোৱা যায়। ছার্ত্রেৰ ইশ্বৰৰ অস্তিত্ব সম্বন্ধে থকা বিশ্বাস সাধাৰণতে গ্রহণ কৰা মত সমূহতকৈ-পৃথক। তেওঁ মানুহৰ ব্যক্তিগত স্বাধীনতাৰ ওপৰত বছিকৈ গুৰুত্ব প্রদান কৰিছে। ছার্ত্রেৰ মতে সৃষ্টিকর্তা হিচাপে ইশ্বৰ মানৰ স্বাধীনতাৰ লগত সম্পূর্ণ অসংগত। তেওঁৰ মতে মানুহৰ মৃত্যু কেতিয়া হব তাৰ সময় ইশ্বৰে নির্দ্ধাৰণ কৰিব নোৱাৰে। তেওঁ কয় যে ঈশ্বৰক লাভ কৰিবলৈ মানুহৰ এক একান্ত ইচ্ছা বা আশা থাকে আৰু ঈশ্বৰ এই আশাৰ অভিন্নৰূপৰ বাদে আন একো নহয়। মানুহে তেওঁৰ স্বতন্ত্রতা বা স্বাধীনতাৰ বাদে আন কোনো বাহ্যিক বিষয় বা ইশ্বৰৰ ওপৰত ভৰসা কৰিব নোৱাৰে।

দৰাচলতে আস্তিক অস্তিত্ববাদ আৰু নাস্তিক অস্তিত্ববাদৰ মাজত কোনো স্পষ্ট পার্থক্য নাই। অস্তিক আৰু নাস্তিকবাদী উভয়েই মানৰ অস্তিত্ব লগত জড়িত। এওঁলোকৰ মাজত কম সংখ্যকে ইশ্বৰক ইন্দ্রিয়াতীত অস্তিত্ব (transcendental) হিচাপে গ্রহণ কৰিবলৈ একমত পোষণ কৰিছে। কিন্তু নিশ্চিত ভাবে এক নিৰপেক্ষ দৃষ্টিভংগীৰ ফালৰ পৰা আমি কব পাৰো যে ইশ্বৰে মানৰ অস্তিত্ব মর্য্যদা উন্নত কৰাত সফল হৈছে। যদি ইশ্বৰে মানুহক তেওঁৰ দুর্দশাৰ পৰা উদ্ধাৰ কৰে আৰু তেওঁৰ জীৱনটো সুশোভিত কৰি তোলে তেনে ক্ষেত্রত, অস্তিত্ববাদত ইশ্বৰক এক যথার্থ উপাদান বুলি গ্রহণ কৰিব পাৰি।

অগ্রগতি নিৰীক্ষণ ২

১। বিশ্বাসৰ জাঁপ (leap of faith) কি?

২। দুজনকৈ আস্তিক আস্তিত্ববাদী আৰু নাস্তিক আস্তিত্ববাদীৰ নাম লিখক ।

৩। জীৱনৰ সন্তাপ (angst of life) কি ?

৪। শক্তি ইচ্ছা (will to power) ৰ বিষয়ে কোনে কৈছে ?

৫। 'Being and Nothingress' গ্রন্থখন কোনে লিখিছে ?

১২.৬ অস্তিত্ব সাৰসত্বাৰ পূর্ববর্ত্তী

অস্তিত্ববাদ নামটোৰ দ্বাৰা ইয়াকে বুজা যায় যে ই মানৰ অস্তিত্বৰ লগত জড়িত। কিন্তু এই অস্তিত্ব এক সাধাৰণ অস্তিত্ব নহয় এক অনন্য অস্তিত্ব যিয়ে ব্যক্তি এজনৰ **আত্মসচেতনতা** অন্তৰস্থ তাৎক্ষনিক অভিজ্ঞতাৰ প্রকাশ কৰে। মানুহৰ জীৱন গুৰুত্বপূর্ণ আৰু অর্থপূর্ণ হয় তেতিয়াহে যেতিয়া তেওঁ এজন অস্তিত্বশীল ব্যক্তি হিচাপে স্বীকৃত

হয়। অস্তিত্বশীল ব্যক্তি এজনে তেওঁৰ তাৎক্ষণিক বিবেচনা বা সজ্ঞানতা আধাৰহীন প্রত্যয়ৰ জৰিয়তে প্রকাশ কৰিব নোৱাৰে । **অমূর্ত চিন্তাই** মানুহক নৈর্ব্যক্তিক কৰি তোলে অৰু মানবীয় স্থিতি তথা মানবীয় সত্বাৰ পৰা দূৰত লৈ যায়।

জাঁ পল ছার্ত্রে আৰু আন কিছুমান দার্শনিকৰ মতে অস্তিত্ববাদৰ মূল 'অস্তিত্ব **সাৰসত্বাৰ** পূর্ববর্তী' - এই বাক্যটোত নিহিত হৈ আছে । তেওঁলোকে **অস্তিত্ব** আৰু সাৰসত্বাৰ মাজত পার্থক্য নির্ণয় কৰিছে । অস্তিত্ব মানে হল কোনো এটা বস্তু দেশ আৰু কালত অৱস্থান কৰা । দেশ কালত অৱস্থান কৰা প্রকৃত মানুহৰ অস্তিত্ব থাকে আৰু মনুষ্যত্ব হল মানুহৰ সাৰসত্বা । অস্তিত্ববাদীসকলৰ মতে ব্যক্তি এজনক তেতিয়াহে প্রকৃত অস্তিত্বশীল বুলি কোৱা হয় যেতিয়া তেওঁ ক্রমান্বয়ে বাঢ়ি আহা পৰিপূর্ণ আৱশ্যকীয় আৰু আত্মসচেতন জীৱন অতিবাহিত কৰে ।

আনহাতে সাৰসত্বা হৈছে বস্তুৰ সাধাৰণ ধর্ম, যি ধর্মই বস্তু এটাক অস্তিত্বশীল কৰি তোলে। এই সাৰসত্বা নিত্য আৰু অবিনাশী । এই সাৰসত্বাৰ দ্বাৰাই এটা বিশেষ বস্তুক অন্য বস্তুবোৰৰ পৰা পৃথক কৰা হয়। এই সাৰসত্বা সকলো বস্তুৰ মাজতেই নিহিত থাকে । পৰম্পৰাগত দার্শনিক সকলে সাৰসত্বাৰ ওপৰত বিশ্বাস ৰাখিছিল । প্লেটোৱে মানুহৰ ধাৰণাৰ ওপৰত বেছিকৈ গুৰুত্ব প্রদান কৰিছিল । তেওঁৰ এই গুৰুত্ব বিশেষকৈ সাধাৰণ মানুহৰ ওপৰতহে আছিল, কোনো এক বিশেষ ব্যক্তিৰ ওপৰত নহয় । তেওঁ ব্যক্তি বিশেষতকৈ সঠিক মানৱ অস্তিত্বক অধিক গুৰুত্ব দিছে । প্লেটোই ব্যক্তিগত মানৱ অস্তিত্বতকৈ সার্বিক মানৱৰ অস্তিত্বক অধিক গুৰুত্ব দিছে । অস্তিত্ববাদী দার্শনিক সকলে পৰম্পৰাগত দার্শনিক সকলৰ এই মতটোক অগ্রাহ্য কৰিছে। অস্তিত্ববাদী সকলৰ মতে সাৰসত্বাৰ আগতেই অস্তিত্ব থাকে। তেওঁলোকৰ মতে মানুহৰ অস্তিত্ব কোনো **ধাৰণা** বা অমূর্ত বিষয়বস্তু হ'ব নোৱাৰে। অস্তিত্বৰ বিষয়ে প্রকৃতৰূপে জানিবলৈ হ'লে ব্যক্তি এজনে ইয়াৰ অভিজ্ঞতা লাভ কৰিব লাগিব অথবা প্রকৃতৰূপে ইয়াৰ মাজেদি জীয়াই থাকিব লাগিব। ইয়াক বচনৰ জৰিয়তে সঠিকভাৱে প্রকাশ কৰিব নোৱাৰি। তেওঁলোকৰ মতে স্থিতাৱস্থা হ'ল পৰম কাল (Supra-Temporal) আৰু পৰম দেশতকৈ (Supra Empirical essence) মৌলিক অৱস্থা।

অগ্রগতি নিৰীক্ষণ ৩

১। অস্তিত্ব সাৰসত্বাৰ পূর্ববর্তী - কথাষাৰ প্রথমে কোনে কৈছে ?

২। অস্তিত্ব কি ?

৩। সাৰসত্বা কি ?

৪। কেৱল সাৰসত্বাৰ ওপৰত বিশ্বাস কৰা পৰম্পৰাগত দার্শনিকজনৰ নাম কি ?

১২.৭ বিচাৰমূলক মূল্যায়ন

অস্তিত্ববাদী দার্শনিক সকল যিটো বিষয়ত একমত হব বিচাৰিছে সেয়া হ'ল মানুহৰ দুখ যন্ত্রণা, মানুহৰ বিৰোধভাব তথা বিচ্ছিন্নতাবোধ, অন্তসত্তা, প্রকৃতি, সতীর্থ আৰু জগতৰ পৰা মানুহৰ বিচ্ছিন্নতা। অস্তিত্ববাদীসকলে মানুহৰ সম্পূর্ণ স্বাধীনতা আৰু দায়িত্বৰ ওপৰত গুৰুত্ব আৰোপ কৰি মানুহক এক নতুন স্থানত প্রতিষ্ঠিত কৰিছে।

এজন ব্যক্তি হিচাপে মানুহ কিহৰ সৈতে জড়িত- এই বিষটোৰ লগত দার্শনিক সকল জড়িত। সকলো অস্তিত্ববাদী দার্শনিকে পৰম্পৰাগত দর্শনক অস্বীকাৰ কৰিছে যি পৰম্পৰাগত দর্শনে মানুহৰ অস্তিত্বৰ মৌলিক সমস্যাসমূহৰ লগত বাহ্যিকভাৱেহে জড়িত। তেওঁলোকে বুদ্ধিক অস্বীকাৰ কৰিছে। তেওঁলোকে বিজ্ঞান, সমসাময়িক ভাষিক বিশ্লেষণ পদ্ধতি আৰু তর্কীয় প্রত্যক্ষবাদকো সমালোচনা কৰিছে। মানৱ অভিজ্ঞতা আৰু অস্তিত্বৰ বিভিন্ন সমসাময়িক সমস্যাসমূহ পোহৰলৈ অনাৰ উপৰিও কর্ম আৰু চিন্তাৰ মাজৰ অসংলগ্নতাৰ প্রতিও সচেতন হোৱাৰ বাবে অস্তিত্ববাদীসকল প্রশংসনীয়। তেওঁলোকে **হেগেল**, **মার্ক্স** আৰু **এংগেলচে** আগবঢ়োৱা দার্শনিক সমাধান সমূহৰ বিৰোধিতা কৰিছে। অস্তিত্ববাদী সকলৰ মতে এই দার্শনিক সকলৰ সমাধান সমূহে আধুনিক মানুহৰ চাহিদা পূৰণ কৰিব পৰা নাই। যোৱা শতিকাৰ পৰা মানুহে তেওঁৰ বিচ্ছেদমূলক বা সন্ত্রাৱ নোহোৱা অনুভৱ বিলাকৰ বাবে নৈর্ব্যক্তিক হৈ পৰিছে। বিজ্ঞান আৰু প্রযুক্তিৰ উন্নতিৰ লগে লগে উদ্যোগিক বিপ্লৱ সমূহৰ দ্বাৰা সৃষ্টি হোৱা ডাঙৰ ডাঙৰ চহৰৰ মানুহৰ যান্ত্রিকতা, সংঘবদ্ধ আন্দোলন সমূহ আৰু সৰু সৰু গোট সমূহৰ মাজত থকা অনৈক্যই মানুহৰ দুর্দশাৰ বাবে দায়ী। এই দুর্দশা মানুহৰ বাবে এক সংকট। মানুহক এনে এখন জগতত জীয়াই থাকিবলৈ আৰু বসবাস কৰিবলৈ বাধ্য কৰোৱা হয় য'ত তেওঁ সম্পূর্ণ ৰূপে অসুখী আৰু হতাশাগ্রস্ত।

কিন্তু অস্তিত্ববাদীসকলে অগ্রাহ্য কৰা বস্তুনিষ্ঠতা, যিয়ে বিশিষ্ট মানৱগুণসমূহক অস্বীকাৰ কৰে আৰু অবদমিত কৰি ৰাখে, সেই মত সকলোৰে বাবে গ্রহণযোগ্য নহয়। অস্তিত্ববাদে সকলো প্রকাৰৰ বস্তুনিষ্ঠতাকে অগ্রাহ্য কৰে। অস্তিত্ববাদীসকলে বিজ্ঞান, প্রকৃতি আৰু বাহ্যজগতৰ গুৰুত্ব অস্বীকাৰ কৰাৰ লগতে অন্যান্য বহুতো দার্শনিক তত্ত্বৰ বিষয়সমূহৰ প্রতিও অযুক্তিকৰ সমালোচনা আগবঢ়াইছে। সমালোচকসকলৰ প্রশ্ন হ'ল যদি বুদ্ধি বা যুক্তিয়ে মানুহৰ অস্তিত্বৰ সমস্যা সমাধান কৰিব নোৱাৰে, তেন্তে কেৱল অনুৰাগ বা আসক্তিয়ে ইয়াক সমাধান কৰিব পাৰিব বুলি ক'ব পাৰিনে?

জীৱন আৰু জগতক বুজিবলৈ যদি মানসিক অৱস্থা বা অনুভূতিক বেছি গুৰুত্ব দিয়া হয় তেন্তে ই অতিশয় আপত্তিজনক আৰু বিপদজ্জনক বুলি পৰিগণিত হ'ব। দৰাচলতে উদ্বেগ আৰু ভয়ৰ আবেগসমূহৰ ওপৰত প্রদান কৰা তেনে এক গুৰুত্বই মাথো বিসংগতি আৰু শূন্যতাৰ বোধহে সৃষ্টি কৰে। তথাপি আমি অস্তিত্ববাদক সন্মান প্রদান কৰিবই লাগিব। কিয়নো অস্তিত্ববাদে আমাক আধুনিক জীৱনৰ নানাধৰণৰ হতাশা, দুর্দশা, বিশৃংখলতা আদিৰ প্রতি আমাৰ মনোযোগ আকর্ষণ কৰিছে। দৰাচলতে আধুনিক সভ্যতাৰ উপৰিও মানৱ অস্তিত্বৰ মূল্যবান অৱস্থাৰ প্রতি আমাক সচেতন কৰাৰ বাবে অস্তিত্ববাদ বিশেষ সন্মানৰ প্রাপ্য।

এটা দার্শনিক ধাৰা হিচাপে অস্তিত্ববাদে বেছিদিন প্রভাৱ বিস্তাৰ কৰিব পৰা নাই। যদিও অস্তিত্ববাদে ছার্ত্রৰ 'অস্তিত্ব সাৰসত্বাৰ পূর্ববর্তী' আৰু নীৎসেৰ (ঈশ্বৰ মৃত) দৰে আন দার্শনিক সকলৰ লিখনিৰ দ্বাৰা জনপ্রিয়তা লাভ কৰিছিল তথাপি সকলো মূল্যৰ সৃষ্টিকর্তা হিচাপে মানুহৰ শ্রেষ্ঠতা বা আধিপত্যক দর্শনৰ প্রসঙ্গত সহজে গ্রহণ কৰিব নোৱাৰি। সেয়েহে সমালোচক সকলে অস্তিত্ববাদক তীব্র সমালোচনা কৰিছে। তথাপিও অস্তিত্ববাদে ব্যক্তি বিশেষৰ ওপৰত প্রাধান্য দি ব্যক্তিৰ অস্তিত্বক এক নতুন দৃষ্টিভংগী প্রদান কৰিছে। এই ক্ষেত্রত আস্তিক অস্তিত্ববাদ আৰু নাস্তিক অস্তিত্ববাদেও এক উল্লেখনীয় বিশ্লেষণ আগবঢ়াইছে আৰু সেয়েহে অস্তিত্ববাদ সমানে প্রশংসাৰো যোগ্য।

১২.৯ অধিক জানিবলৈ

১। পাশ্চাত্য দর্শন ঃ অঞ্জলী দেৱী

২। দর্শনৰ পৰিচয় ঃ ড° জোৎস্না ভট্টাচার্য্য

৩। D.R. Bali : Introduction to philosophy, sterling publishers private limited 1989.

৪। J.N. Sinha : Introduction to philosophy New central Book Agency, calcutta.

৫। D.K. Chakravorty : Fundamental Questions of Epistemology and Metaphysics Manthan Prakash, Guwahati, 1993.

১৮.১০ অগ্রগতিৰ খতিয়ান

অগ্রগতি নিৰীক্ষণ ১

১। চোৱেন কিয়েৰকেগার্ড, ফ্রেডৰিড নীৎসে, কার্ল জেচপার্চ, গেব্রিয়েল মার্চেল, মার্টিন হিডেগাৰ, জাঁ-পল ছার্ত্র।

২। নীৎসে

৩। জেচপার্ছৰ মতে দর্শন হ'ল যিয়ে মানুহক যুক্তিপূর্ণ ভাৱে বসবাস কৰা, অনুভৱ কৰা, সিদ্ধান্ত গ্রহণ কৰা আদিত অৱিহণা যোগায়।

৪। জাঁ পল ছার্ত্র

৫। প্রশ্ন দুটা হ'ল ঃ (i) মই কোন? (ii) অস্তিত্ব কি?

৬। কিয়েৰকেগার্ড

৭। ছার্ত্রৰ অস্তিত্ববাদৰ মূলভাৱ হ'ল মানৱতাবাদেই অস্তিত্ববাদ।

অগ্রগতি নিৰীক্ষণ ২

১। জীৱনৰ প্রকৃত সত্য জানিবলৈ হ'লে মানুহে কষ্ট আৰু হতাশাৰ মাজেৰে পাৰ হ'ব লাগিব। ইয়ে তেওঁক বুদ্ধি ত্যাগ কৰি 'বিশ্বাস' গ্রহণ কৰিবলৈ প্রস্তুত কৰে। এয়া হ'ল ব্যক্তি এজনৰ 'বিশ্বাসৰ জাপ' (leap of faith)

২। কিয়েৰকেগার্ড আৰু মার্চেল দুজন আস্তিক অস্তিত্ববাদী। নীৎসে আৰু ছার্ত্রে নাস্তিক অস্তিত্ববাদী দার্শনিক।

৩। মানুহ মুক্ত স্বাধীন যদিও তেওঁ দুখ যন্ত্রণা ভয়, হতাশা আদিৰ দৰে পৰিচালিত। এইবোৰ হ'ল 'জীৱনৰ সন্তাপ'

৪। নীৎসে

৫। ছার্ত্র

অগ্রগতি নিৰীক্ষণ ৩

১। জাঁ পল ছার্ত্র

২। অস্তিত্বই কোনো এটা বস্তু দেশ কালত অৱস্থান কৰাটো বুজায়।

৩। 'সাৰসত্বা'ই বস্তু এটা কি তাক বুজায়।

৪। প্লেটো

? ১২.১১ আহিঁ প্ৰশ্ন

১। কিয়েৰকেগার্ডৰ মতে খ্ৰীষ্টান ধৰ্মৰ দুটা প্ৰধান শত্ৰু কি?

২। নীৎসেৰ দৰ্শনৰ দুটা ধাৰণা উল্লেখ কৰা।

৩। কার্ল জেছপার্চৰ মতে দৰ্শন কি?

৪। গেব্ৰিয়েল মার্চেল প্ৰধানকৈ দুটা প্ৰশ্নৰ সৈতে ডড়িত। প্ৰশ্ন দুটা কি?

৫। চিন্তাৰ ক্ষেত্ৰত মার্চেলে আগবঢ়োৱা পাৰ্থক্য দুটা কি কি?

৬। হিডেগাৰৰ অস্তিত্ববাদৰ বিষয়ে লিখক।

৭। অস্তিত্ববাদৰ প্ৰধান বৈশিষ্ট্যসমূহ কি কি?

৮। অস্তিত্ববাদৰ বাবে 'স্বাধীনতা' কি?

৯। 'অস্তিত্ব সাৰসত্বাৰ পূৰ্ববৰ্তী'- আলোচনা কৰক।

*** **** ***

অধ্যায় ১৩ঃ ষ্ট্রচনৰ ব্যক্তিৰ ধাৰণা

অধ্যায় গাঁথনি

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য

১৩.২ পৰিচয়

১৩.৩ ব্যক্তিৰ ধাৰণা কি ?

১৩.৪ কর্তৃত্ববিহীন মতবাদ (No-ownership theory) সম্বন্ধে ষ্ট্রছনৰ অভিমত

১৩.৫ ডেকার্টপন্থী মতবাদ (Cartesianism) সম্বন্ধে ষ্ট্রছনৰ অভিমত

১৩.৬ P আৰু M বিধেয় সম্বন্ধে ষ্ট্রছনৰ অভিমত

১৩.৭ P- বিধেয় সম্বন্ধে ষ্ট্রছনৰ ধাৰণা

১৩.৮ ষ্ট্রছনৰ P- বিধেয়ৰ ধাৰণা সম্বন্ধে বার্নার্ড উইলিয়ামচৰ অভিমত

১৩.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৩.১০অধিক জানিবলৈ

১৩.১১ অগ্রগতিৰ খতিয়ান

১৩.১২ আৰ্হি প্রশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ণ কৰি আপুনি —

- ষ্ট্রছনৰ ব্যক্তিৰ ধাৰণা ব্যাখ্যা কৰিব পাৰিব,
- ডেকার্টপন্থীসকলৰ ব্যক্তিৰ ধাৰণা জানিব পাৰিব,
- কর্তৃত্ববিহীন মতবাদ বর্ণনা কৰিব পাৰিব,
- কর্তৃত্ববিহীন মতবাদৰ আসোঁৱাহ আলোচনা কৰিব পাৰিব,
- P- বিধেয়ৰ ধাৰণা ব্যাখ্যা কৰিব পাৰিব।
- P- আৰু M- বিধেয়ৰ মাজত পার্থক্য দেখুৱাব পাৰিব।

১৩.২ পৰিচয়

এই অধ্যায়টিত ষ্ট্রছনৰ (Strawson) ব্যক্তিৰ ধাৰণা সম্বন্ধে পৰিচয় আগবঢ়োৱা হৈছে। ষ্ট্রছনৰ ব্যক্তিৰ ধাৰণাটো তেওঁৰ বিখ্যাত গ্রন্থ 'Individuals' ৰ তৃতীয় অধ্যায় 'Essays in Descriptive Metaphysics'-ত

সন্নিৱিষ্ট কৰা হৈছে। তেওঁ ইয়াত জগত সম্বন্ধে আমাৰ চিন্তাৰ যথার্থ প্রকৃতি আৰু গঠন বর্ণনা কৰিছে। কিন্তু পুনৰীক্ষণ অধিবিদ্যাৰ (Revisionary Metaphysics) দৰে এক উন্নত পর্যায়ৰ গঠন আগবঢ়াবলৈ চেষ্টা কৰা নাই। এই অধ্যায়ত সন্নিৱিষ্ট কৰা মৌলিক ধাৰণাসমূহ হ'ল -

- ষ্ট্রছনৰ মতে ব্যক্তি কি?
- ডেকার্টৰ দ্বৈতবাদৰ সম্পর্কে ষ্ট্রচনৰ বিশ্লেষণ।
- ষ্ট্রছনৰ P আৰু M বিধেয়ৰ মাজৰ পার্থক্য।
- ষ্ট্রছনৰ P- বিধেয়ৰ ধাৰণাৰ বিষয়ে বার্নাড উইলিয়ামচৰ অভিমত।

১৩.৩ ব্যক্তিৰ ধাৰণা কি?

সাধাৰণতে 'ব্যক্তি' শব্দটো 'মানুহ' শব্দৰ সমার্থক হিচাপে ব্যৱহাৰ কৰা হয়। কিন্তু ষ্ট্রছনৰ দৃষ্টিভংগীত 'ব্যক্তি' শব্দটো এক বিশেষ অর্থত ব্যৱহাৰ কৰা হৈছে যদিও ই সাধাৰণ অর্থৰ পৰা পৃথক নহয়।

ষ্ট্রছনে প্রথমে ব্যক্তি (Persons) আৰু অব্যক্তি (Non-person) ৰ মাজত পার্থক্য নিৰূপণ কৰিবলৈ প্রয়াস কৰিছে। তেওঁ ব্যক্তি আৰু তেওঁলোকৰ অৱস্থাতিক বুজাবলৈ 'আমি নিজে আৰু আমাৰ নিজৰ অৱস্থিতি' (Ourselves and states of ourselves)- এই অভিব্যক্তিটো ব্যৱহাৰ কৰিছে। আনহাতে, 'যিটো আমাৰ নিজৰ নহয় অথবা নিজৰ অৱস্থিতি নহয়' (What is not ourselves or states of ourselves)- এই অভিব্যক্তিটো অব্যক্তি আৰু তেওঁলোকৰ অৱস্থিতিক বুজাবলৈ ব্যৱহাৰ কৰিছে। সাধাৰণতে আমি যেতিয়া নিজৰ কথা কওঁ তেতিয়া আমাৰ নিজৰ ক্ষেত্রত বহুতো বস্তু আৰোপ কৰোঁ। যেনে- ক্রিয়া আৰু অভিপ্রায় (মই ভাবো, মোৰ ভোক লাগিছে), প্রত্যক্ষ আৰু স্মৃতি (মই এইটো দেখো, মনত ৰাখো) ইত্যাদি। আকৌ, আমি কিছুমান আকস্মিক ক্রিয়া যেনে- সংবেদন, প্রত্যক্ষ আৰু অনুভৱৰ মাধ্যমেৰে কেৱল আমাৰ নিজৰ কথাকে নকওঁ, আনকি, উচ্চতা, ওজন, ৰৱণ, আকাৰ, আকৃতি আদি তুলনামূলকভাৱে স্থায়ী বৈশিষ্ট্যৰ মাধ্যমেৰেও আমি আমাৰ নিজৰ কথা কওঁ। যেনে- মই পাঁচফুট ওখ, মোৰ ওজন ৫০ কিলোগ্রাম, মই বগা আদি।

ষ্ট্রছনে উল্লেখ কৰিছে যে আমাৰ নিজৰ বিষয়ে কোৱাৰ এই ধৰণ দুটাৰ মাজত পার্থক্য আছে। উচ্চতা, ওজন, ৰৱণ, আকাৰ আৰু আকৃতিৰ মাধ্যমত আমাৰ নিজৰ বিষয়ে উল্লেখ কৰাৰ দ্বিতীয় বিধ প্রকাৰত আমি জড় বস্তুৰ কথা উল্লেখ কৰাৰ দৰে হয় (খৰিডাল পাঁচফুট ওখ, ইয়াৰ ওজন ৫০ কিলো, ইয়াৰ ৰৱণ মুগা)। কিন্তু ক্রিয়া আৰু অভিপ্রায়, সংবেদনশীলতা, চিন্তা আৰু অনুভৱ আদিৰ মাধ্যমত নিজৰ বিষয়ে উল্লেখ কৰাৰ প্রথমবিধ প্রকাৰ জড় বস্তুৰ ক্ষেত্রত প্রযোজ্য নহয়। এই চেতনাযুক্ত অৱস্থাসমূহ কেৱল আমাৰ মাজতহে প্রযোজ্য। ষ্টছনে এই ক্ষেত্রত কৈছে যে যেতিয়া আমি নিজকে পাঁচফুট ওখ আৰু সুখী বা খঙাল বুলি কওঁ তেতিয়া আমি একেটা বস্তুতে দৈহিক গুণ আৰু চেতন অৱস্থা উভয়কে আৰোপ কৰোঁ। এইদৰে ষ্টছনে একে সময়তে একে অর্থত দৈহিক অৱস্থা আৰু চেতন অৱস্থা উভয়কে স্বীকাৰ কৰিছে। আন কথাত ক'বলৈ হ'লে আমি ক'ব পাৰো যে ষ্ট্রছনে শৰীৰ আৰু

মনৰ মাজৰ দ্বৈতবাদ স্বীকাৰ নকৰে, যিহেতু একেজন ব্যক্তিকে তেওঁৰ চিন্তা আৰু অনুভৱ অথবা তেওঁৰ উচ্চতা আৰু ওজন উভয় অৱস্থাৰ মাজেৰেই উল্লেখ কৰিব পৰা যায়।

ষ্ট্রছনৰ মূল ধাৰণাটো হ'ল একে সময়তে একেটা বস্তুত অর্থাৎ ব্যক্তিৰ ক্ষেত্রত দৈহিক গুণ আৰু চেতন অৱস্থা- উভয়কে আৰোপ কৰিব পাৰি। তেওঁৰ এই মূল ধাৰণাটো দুটা সম্ভাব্য প্রতিক্রিয়া (reaction) ষ্ট্রছনে আলোচনা কৰিছে। এই অভিযোগ বা প্রতিক্রিয়া কেইটাই উল্লেখ কৰিছে যে একেটা বস্তুতে যে আমি উভয় অৱস্থাকে আৰোপ কৰো, সেয়া হ'ল এক ভাষিক ভ্রম (Linguistic illusion)। ষ্ট্রছনে আলোচনা কৰা প্রথম অভিযোগটো ডেকার্টপন্থীসকলৰ পৰা আহিছে। তেওঁলোকৰ মতে, প্রকৃতার্থত এজন ব্যক্তি হ'ল দুটা স্বতন্ত্র পদার্থ বা বস্তুৰ সমাহাৰ। ইয়াৰ প্রত্যেকৰে নিজা গুণ আৰু বৈশিষ্ট্য আছে। এই পদার্থ বা বস্তুৰ কোনো গুণ বা বৈশিষ্ট্যই আনটোৰ গাত থাকিব নোৱাৰে। সেয়েহে একেটা বস্তুতে দৈহিক গুণ আৰু চেতন অৱস্থা উভয়কে আৰোপ কৰিব পাৰি বুলি কোৱা ষ্ট্রছনৰ অভিমতৰ বিৰুদ্ধে ডেকার্ট পন্থীসকলে অভিযোগ কৰিছে। তেওঁলোকে কৈছে যে চেতন অৱস্থা এটা দ্রব্যৰ ক্ষেত্রত আৰোপ কৰা হয় আনহাতে, দৈহিক গুণ বা অৱস্থা আনটো দ্রব্যৰ ক্ষেত্রত আৰোপ কৰা হয়।

১৩.৪ কর্তৃত্ববিহীন মতবাদ সম্বন্ধে ষ্ট্রচনৰ অভিমত

ষ্ট্রছনে কৈছে যে তেওঁৰ ধাৰণাৰ বিৰুদ্ধে দ্বিতীয় অভিযোগটো উইট্‌গেনষ্টাইন (Wittgenstein) আৰু শ্লিক (Mortiz Schlick)ৰ ফালৰ পৰা আহিছে। এই অভিযোগ অনুসৰি, আমাৰ চেতন অৱস্থাসমূহ কোনো বস্তুতেই আৰোপ কৰিব নোৱাৰি। এই অভিমতটোকে ষ্ট্রছনে নিজৰ কর্তৃত্ববিহীন (No-ownership) অথবা 'উদ্দেশ্যহীন' (No-subject) মতবাদ বুলি কৈছে। এই কর্তৃত্ববিহীনতাৰ মতবাদ বিশ্লেষণ কৰিবলৈ যাওঁতে ষ্ট্রছনে উইট্‌গেনষ্টাইনে আগবঢ়োৱা এক দৃষ্টান্তৰ সহায় লৈছে। উইট্‌গেনষ্টাইনে দুটা বাক্যত ব্যৱহৃত হোৱা 'মই'ৰ ব্যৱহাৰ উল্লেখ কৰিছে। যেনে- 'মোৰ দাঁত বিষাইছে' (I have a toothache) আৰু মোৰ এটা বেয়া দাঁত আছে' (I have a bad tooth), এই বাক্য দুটা যদিও ব্যাকৰণৰ দিশৰ পৰা একে, তথাপি কিন্তু সিহঁত প্রকৃতিগতভাৱে সম্পূর্ণ পৃথক।

'মোৰ এটা বেয়া দাঁত আছে' (I have a bad tooth) বাক্যটোৱে বুজাইছে যে মোৰ মুখত এটা বেয়া দাঁত আছে। যেতিয়া মই কওঁ 'মোৰ এটা জুইশলা আছে (I have a match box) তেতিয়া মোৰ এটা জুইশলা বাকচ থকাৰ দৰে একে অর্থত মোৰ এটা বেয়া দাঁত থকা কথাটো বুজোৱা হৈছে। এই বাক্যটোৰ উল্লেখিত 'মই বা মোৰ' (I) যৌক্তিকভাৱে এজন পৃথক ব্যক্তি 'Skinner' ৰ সমার্থক। কাৰণ, Skinner ৰ এটা জুইশলা বাকচ থকা কথাটোতকৈ মোৰ এটা জুইশলা বাকচ থকা কথাটোৰ কোনো বিশেষ পার্থক্য নাই। ইয়াত 'I' আৰু 'Skinner' ক একে পর্যায়ত ৰাখিছোঁ তেতিয়া আমি কেৱল দৈহিক দিশটোৰ ওপৰতহে গুৰুত্ব প্রদান কৰিছোঁ। এইদৰেই সেই বাক্যটোত 'I' আৰু 'Skinner' উভয়কে কেৱল জড় বস্তু হিচাপেহে জ্ঞান কৰা হৈছে। 'I' শব্দটোৰ এই ব্যৱহাৰ 'থকা' অর্থত লোৱা হৈছে। কিন্তু 'I' ৰ থকা অর্থতো 'I have a toothache' বাক্যটোৰ দ্বাৰা নির্দেশিত অর্থতকৈ পৃথক। দাঁতৰ বিষ হ'ল এক অভিজ্ঞতা, ই এক চেতন অৱস্থাক বুজায়। কিন্তু উইট্‌গেনষ্টাইনৰ মতে এনে অভিজ্ঞতা কোনো লোকৰে থাকিব নোৱাৰে। সেয়েহে অভিজ্ঞতা আহৰণ কৰাৰ বাবে 'মই' (ego)ৰ কোনো স্থান নাই।

ষ্ট্রছনে উইট্‌গেনষ্টাইনৰ দৃষ্টিভংগীৰে 'থকা' ক্রিয়াৰ (the verb to have) দুটা অর্থৰ মাজত পার্থক্য নিৰূপণ কৰিছে (having and having)। 'থকা'ৰ প্রথম অর্থটোৱে এটা জুইশলা বাকচ অথবা এখন গাড়ীৰ নিচিনা যৌক্তিকভাৱে কর্তৃত্ব সলনি কৰিব পৰা কথাটোক বুজাইছে। কিন্তু দাঁতৰ বিষৰ দৰে কিছুমান অভিজ্ঞতা সেই একে অর্থত লাভ কৰিব নোৱাৰি কাৰণ, ইয়াৰ কর্তৃত্ব সলনি কৰিব নোৱাৰি। ই 'থকা'ৰ (having) দ্বিতীয় অর্থটোক বুজাইছে আৰু প্রকৃতার্থত ইয়াক থকা বুলি ক'ব নোৱাৰি। গতিকে, কোনো ব্যক্তিৰ দ্বাৰাই অভিজ্ঞতা আহৰণ কৰা নহয়, কেৱল যৌক্তিকভাৱে কোনো বিশেষ বস্তুৰ ওপৰত নির্ভৰ কৰা দৃষ্টিভংগীৰ ফালৰ পৰাহে ইয়াক মানি ল'ব পাৰি। কিন্তু ডেকার্টৰ দৃষ্টিভংগীত যৌক্তিকভাৱে কর্তৃত্ব সলনি কৰিব নোৱাৰা অর্থত এজন ব্যক্তিয়ে অভিজ্ঞতা আহৰণৰ কর্তৃত্ব প্রদান কৰাৰ ক্ষেত্রত 'মই'ক মিছা প্রতিপন্ন কৰা হৈছে। কিন্তু কর্তৃত্ববিহীন মতবাদৰ সমর্থকসকলে কয় যে যিহেতু সলনি কৰিব নোৱাৰা কর্তৃত্ব সম্ভৱ নহয়, গতিকে 'মই' (ego) বোলা ধাৰণাটো কল্পনা কৰি লোৱাৰ কোনো প্রয়োজন নাই আৰু সেয়ে 'মই' (ego)ক কর্তৃত্ব লাভ কৰাৰ ক্ষেত্রত অপসাৰণ বা বর্জন কৰাহে যুক্তিসংগত।

তথাপি কিন্তু ষ্ট্রছনে কর্তৃত্ববিহীন মতবাদটো আসোঁৱাহমুক্ত বুলি নাভাবে। তেওঁৰ মতে কর্তত্ববিহীন মতবাদে যৌক্তিকভাৱে সলনি কৰিব পৰা কর্তৃত্বৰ ওপৰতহে বিশ্বাস কৰে যাতে 'I have X (a match box)' উক্তিটো সম্ভাব্য হ'ব পাৰে, কাৰণ যিটো বস্তু বর্তমান মোৰ আছে সেই একেটা বস্তু অতীতত আন কাৰোবাৰো থাকিব পাৰে। তেওঁলোকেও বিশ্বাস কৰে যে আমাৰ অভিজ্ঞতাসমূহ আন কাৰোবাৰ থাকিব পাৰে এই অর্থতেই যে সেইবোৰ যৌক্তিকভাৱে কোনো এটা বিশেষ বস্তুৰ অৱস্থিতিৰ ওপৰত নির্ভৰশীল। গতিকে আমাৰ অভিজ্ঞতাসমূহ আহৰণ কৰা কথাটো নিশ্চিতভাৱে কর্তৃত্ব সলনি কৰিব পৰা অর্থতে গ্রহণ কৰিব লাগিব। ইয়াৰ দ্বাৰা বুজোৱা হৈছে 'I have a toothache' উক্তিটোও এটা সম্ভাব্য উক্তি। এই উক্তিটোৱে কর্তৃত্ববিহীন মতবাদৰ সমর্থক সকলৰ বাবে এনেধৰণৰ হ'ব ঃ " All my toothaches are bad by body B." ইয়াত ষ্ট্রছনে উল্লেখ কৰিছে যে তেওঁলোকৰ নিজৰ দৃষ্টিভংগীক বিৰোধিতা নকৰাকৈ থকা অর্থত 'মোৰ' (my) শব্দটো বর্জন কৰিব নোৱাৰে। এটা বস্তুৰ বাবে 'মোৰ' 'All toothaches are causally dependent upon the states of body B." কাৰণ ই স্বাভাৱিকতেই এটা অসত্য উক্তি। আনহাতে যদি এজন ব্যক্তিয়ে 'মোৰ' (my) শব্দটো স্থানান্তৰ ঘটাই "Person's" অভিব্যক্তি ব্যৱহাৰ কৰে তেতিয়াও তেওঁ সম্বন্ধবাচক শব্দৰ (possessive word) পৰা হাত সাৰিব নোৱাৰে। কিন্তু যদি তেওঁ সেই শব্দটো "body B's" লৈ ৰূপান্তৰ কৰে তেন্তে উক্তিটো হ'ব "All body B's toothaches are causally dependent upon the states of body B."। স্বাভাৱিকতেই এই উক্তিটো তেতিয়া স্বতঃসত্য বা অনিবার্য্য সত্য হ'ব। কিন্তু তেওঁলোকে কৈছে যে সম্বন্ধ প্রকাশক সকলো উক্তি বা বাক্যই সম্ভাব্য, কাৰণ তেওঁলোকে কর্তৃত্ব সলনি কৰিব নোৱাৰা কোনো ধৰণৰ সম্বন্ধতে বিশ্বাস নকৰে। এইদৰে দেখা যায় যে কর্তৃত্ববিহীন মতবাদৰ সমর্থক সকল সংকটত (Dilemma) পৰিছে। তেওঁলোকে সম্বন্ধবাচক শব্দ 'my' বর্জন কৰিব নোৱাৰে আনহাতে যদি বর্জন কৰে তেন্তে তেওঁলোকৰ নিজৰ অৱস্থিতি ধৰি ৰাখিব নোৱাৰে। তেওঁলোকৰ নিজৰ অৱস্থিতিটো হ'ল এয়ে যে- কর্তৃত্ব সদায় সলনি কৰিব পাৰি, যিহেতু সলনি কৰিব নোৱাৰা অর্থত 'মোৰ' (ego) দ্বাৰা অভিজ্ঞতা আহৰণ কৰা হয় বুলি কোৱা হয়, সেয়ে কোনো ব্যক্তিৰ দ্বাৰাই সেইবোৰ লাভ কৰা নহয়। অভিজ্ঞতা আহৰণ কৰা প্রসংগত 'মোৰ' শব্দটো অথবা আন যিকোনো সম্বন্ধবাচক শব্দ যেনে- তোমাৰ, তেওঁৰ, সিহঁতৰ, সেই লোকজনৰ আদি শব্দ বর্জন কৰিব নোৱাৰাৰ কাৰণ হ'ল দাঁতৰ বিষ, মূৰৰ বিষ, সুখ বা দুখ আদিৰ দৰে অভিজ্ঞতাবোৰ এজন ব্যক্তি বা লোকৰ প্রসংগ অবিহনে বুজিব নোৱাৰি। এইক্ষেত্রত ষ্ট্রছনে

কৈছে- "কোনো লোকে ক'ব পাৰে, অৱস্থা বা অভিজ্ঞতাসমূহেই বিশেষ বস্তু ৰূপে ব্যক্তিজনৰ পৰিচয় বহন কৰে আৰু সেইটোৱেই হ'ল তেওঁৰ অৱস্থা বা অভিজ্ঞতাসমূহ।" (Individuals () 97)

কর্তৃত্ববিহীন মতবাদৰ এনেধৰণৰ বিসংগতি উল্লেখ কৰি ষ্ট্রছনে প্রতিষ্ঠা কৰিবলৈ প্রয়াস কৰিছে যে যৌক্তিকভাৱে কর্তৃত্বহীনতাৰ অর্থত এজন বিশেষ ব্যক্তিৰ দ্বাৰা অভিজ্ঞতা আৰু চেতন অৱস্থাসমূহ অনিবার্যভাৱে আহৰণ কৰা হয়। কাৰণ, এয়া সম্ভৱ নহয় যে এজন ব্যক্তিৰ এক বিশেষ অৱস্থা বা অভিজ্ঞতা আন কাৰোবাৰো থাকিব লাগিব।

এই ক্ষেত্রত ষ্ট্রছনে আকৌ কৈছে যে এক অভিজ্ঞতা বা চেতনাৰ এক বিশেষ অৱস্থা আৰোপ কৰোঁতে ইয়াৰ দুটা দিশ দেখিবলৈ পোৱা যায়। এটা হৈছে নিজৰ ক্ষেত্রত আৰু দ্বিতীয়টো হৈছে আনৰ ক্ষেত্রত। দাঁতৰ বিষৰ অভিজ্ঞতাটো মোৰ নিজৰ ক্ষেত্রত আৰোপ কৰিব পাৰি যেতিয়া মই কওঁ "I have a toothache" আনহাতে, ইয়াক আনৰ ক্ষেত্রতো আৰোপ কৰিব পাৰি যেতিয়া কোৱা যায় 'Mr. X has a toothache' ইয়াত গুৰুত্বপূর্ণ কথাটো হ'ল এয়ে যে দুয়ো ধৰণৰ আৰোপ কৰাৰ ক্ষেত্রত ই একেটা অৱস্থাকে বুজাইছে। উভয় ক্ষেত্রতে দাঁতৰ বিষে একে অর্থকে বহন কৰিছে। অভিধানত দুই ধৰণৰ অর্থ দেখিবলৈ পোৱা নাযায়- এটা এক বিশেষ অৱস্থাৰ প্রথম পুৰুষ (First Person)ৰ বাবে আৰু আনটো দ্বিতীয় আৰু তৃতীয় পুৰুষৰ (Second and third person) এক বিশেষ অৱস্থাৰ বাবে।

আমি দেখিবলৈ পাওঁ যে অভিজ্ঞতা আৰু অৱস্থিতি আৰোপ কৰাৰ দ্বৈত পন্থা অৱলম্বন কৰি ষ্ট্রছনে কর্তৃত্ববিহীন মতবাদ আৰু ডেকার্টপন্থী মতবাদৰ দ্বাৰা উদ্ভুত আসোঁৱাহবোৰ আঁতৰ কৰিবলৈ প্রয়াস কৰিছে। লগতে আনৰ মনৰ সমস্যা (Problem of other minds) টোৰো সমাধান আগবঢ়াবলৈ চেষ্টা কৰা বুলি আমি ক'ব পাৰোঁ।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং১ঃ নিম্নলিখিত উক্তিসমূহ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰকঃ

(ক) ষ্ট্রছনৰ ব্যক্তিৰ ধাৰণাটো তেওঁৰ গ্রন্থ *'Individuals'*-ত পোৱা যায়। (শুদ্ধ/অশুদ্ধ)

(খ) ষ্ট্রছনে কৈছে যে দৈহিক গুণ আৰু চেতন অৱস্থা উভয়কে আমি একেটা বস্তুতে আৰোপ কৰোঁ। (শুদ্ধ /অশুদ্ধ)

(গ) ডেকার্টপন্থীসকলৰ মতে, এজন ব্যক্তি দুটা স্বতন্ত্র পদার্থ বা বস্তুৰ সমাহাৰ নহয়। (শুদ্ধ /অশুদ্ধ)

(ঘ) দ্বিতীয় প্রতিক্রিয়া মতে, আমাৰ চেতনাৰ অৱস্থাসমূহ যিকোনো ব্যক্তিৰ ক্ষেত্রতেই আৰোপ কৰিব নোৱাৰি। (শুদ্ধ /অশুদ্ধ)

(ঙ) ষ্ট্রছনে কৈছে যে কর্তৃত্ববিহীন মতবাদ আসোঁৱাহমুক্ত। (শুদ্ধ /অশুদ্ধ)

প্রশ্ন নং২ঃ ষ্ট্রছনৰ মতে ব্যক্তিৰ ধাৰণা বুলিলে আপুনি কি বুজে? (প্রায় ৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন নং৩ঃ ডেকার্টপন্থীসকলৰ ব্যক্তিৰ ধাৰণা বুলিলে আপুনি কি বুজে? (প্রায় ৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন নং৪ঃ কর্তৃত্ববিহীন মতবাদ কি? (প্রায় ৫০টা শব্দৰ ভিতৰত লিখক)

চিন্তা চর্চা কৰক ঃ ১৩.১

- কর্তৃত্ববিহীন মতবাদৰ কিবা আসোঁৱাহ আছেনে? আলোচনা কৰক।

১৩.৫ ডেকার্টপন্থী মতবাদৰ ওপৰত ষ্ট্রছনৰ অভিমত

ডেকার্টে দুবিধ দ্রব্যৰ কথা উল্লেখ কৰিছে - সেয়া হৈছে - মন আৰু শৰীৰ। ইহঁতৰ প্রত্যেকেই আনটোৰ পৰা স্বভাৱগতভাৱে পৃথক। মন হ'ল বিস্তৃতিহীন আৰু শৰীৰ হ'ল বিস্তৃতিযুক্ত। সেয়েহে তেওঁ কৈছে যে দৈর্ঘ, প্রস্থ, উচ্চতা, ওজন আদি যিকোনো দৈহিক গুণ মনৰ থাকিব নোৱাৰে। আকৌ চিন্তা, অনুভৱ, ইচ্ছা আদি যিকোনো চেতন অৱস্থাও শৰীৰৰ থাকিব নোৱাৰে। গতিকে, তেওঁৰ মতে একেটা বস্তুতে সেই দুয়ো ধৰণৰ গুণ আৰোপ কৰাটো মুঠেই সম্ভৱ নহয়। আমি ক'ব পাৰো যে অভিজ্ঞতা আৰু চেতনাৰ সকলো অৱস্থাই 'মই' (ego)ত আৰোপ কৰা হয়। এই 'মই' (ego)য়েই হ'ল আমাৰ অভিজ্ঞতাসমূহৰ গৰাকী।

কিন্তু আমাৰ অভিজ্ঞতা আহৰণ কৰাৰ ক্ষেত্রত ডেকার্টপন্থীসকলৰ মনৰ (ego) ধাৰণাটোৰ এটা অতি গুৰুত্বপূর্ণ অসুবিধা বুলি ষ্ট্রছনে আঙুলিয়াই দিছে। অসুবিধাটো এয়ে যে কোনো বস্তুৰ ক্ষেত্রত এক অভিজ্ঞতা বা অৱস্থা আৰোপ কৰিবলৈ হ'লে সেই বস্তুটো চিনাক্তকৰণ যোগ্য (identifiable) আৰু পৃথক অস্তিত্বযুক্ত (individualizable) হ'বই লাগিব। কিন্তু সমস্যাটো হ'ল এয়ে যে দৈহিক গুণ অবিহনে এটা মন (ego)ৰ চিনাক্তকৰণ কৰা সম্ভৱ নহয় আৰু তাৰ পৃথক অস্তিত্বও পাব নোৱাৰি; অর্থাৎ আমি মন (ego) বুলি কোনো বস্তুকে নির্দেশ কৰিব নোৱাৰোঁ। কাৰণ, আকাৰ, আকৃতি, ৰং বা অন্য দৈহিক গুণ অবিহনে কোনো বস্তুকে 'এইটো' (it) বুলি নির্দেশ কৰিব পৰা নাযায়। 'এইটো' মানে এটা বস্তুক বুজায় যি অন্য বস্তুবোৰৰ পৰা পৃথক। এই পৃথকত্বৰ মূল ভিত্তিটোৱে হ'ল ৰং, আকাৰ, আকৃতি আদিৰ দৰে দৈহিক গুণবোৰ। এটা বস্তু পৃথক বুলিলে ইয়াকে বুজা যায় যে ইয়াৰ বিশেষ অস্তিত্ব আৰু পৰিচয় আছে। কিন্তু আমাৰ মনক (ego) দৈহিক গুণ অবিহনে সেইদৰে চিনাক্ত কৰিব পৰা নাযায়। সেয়েহে আমাৰ মনৰ (ego) ওপৰত অভিজ্ঞতা আৰু অৱস্থাসমূহ আৰোপ কৰাটো যুক্তিসংগত নহয়।

ষ্ট্রছনে ডেকার্টপন্থী মতবাদৰ এক আসোঁৱাহ (defence) আলোচনা কৰিছে। আমাৰ চেতনাৰ ভিত্তি অথবা মনটোক বিশেষ শৰীৰৰ প্রসংগত পৰোক্ষভাৱে একে বুলি ভাবিব পাৰি, যাৰ লগত আমাৰ মনটোৰ এক বিশেষ সম্পর্ক থাকে। কিন্তু এনে ধৰণৰ সমাধান মূল্যহীন কাৰণ, তেতিয়া আমাৰ শৰীৰতকৈ মনটোৰ (ego) ওপৰত অভিজ্ঞতাসমূহ আৰোপ কৰাৰ কোনো ভিত্তি নাথাকিব। তাৰোপৰি একেটা শৰীৰৰ লগত জড়িত এটাতকৈ অধিক মনৰ সম্ভাৱনা আমি নুই কৰিব নোৱাৰো। তেওঁ কৈছে "শৰীৰৰ স্বকীয়তাই ডেকার্টৰ আত্মাৰ স্বকীয়তা সম্বন্ধে নিশ্চয়তা প্রদান কৰিব নোৱাৰে।" (*Individuals,* 101)

এই সমস্যাটোৰ পৰা পৰিত্রাণ পোৱাৰ উপায় হিচাপে ষ্ট্রছনে ব্যক্তিৰ ধাৰণাটোৰ মৌলিকত্ব স্বীকাৰ কৰিছে। তেওঁ কৈছে, "ব্যক্তিৰ ধাৰণা বুলিলে মই অস্তিত্ব(entity) সম্বন্ধীয় এক প্রকাৰ (type)ৰ ধাৰণাক বুজো য'ত চেতন

অৱস্থাসমূহ আৰু দৈহিক গুণ, দৈহিক অৱস্থিতি আদি উভয় প্ৰকাৰৰ বিধেয়ই সেই ধৰণৰ এজন নিৰ্দিষ্ট ব্যক্তিৰ ক্ষেত্ৰত সমানে প্ৰযোজ্য। (*Individuals,* (p) 101-102)

ষ্ট্ৰছনে যে ব্যক্তিৰ ধাৰণাটোক এক মৌলিক ধাৰণা বুলি কৈছে তাক ভাবিবলৈ বাধ্য- এহাতে অভিজ্ঞতাৰ এক বিষয় আৰু আনহাতে, দৈহিক গুণসমূহৰ এক বিষয়।" কিন্তু ষ্ট্ৰছনে এই দ্বৈততা প্ৰতিপন্ন কৰাৰ ক্ষেত্ৰত বহুতো অসুবিধা আঙুলিয়াই দিছে। সকলোবোৰ অসুবিধা বিবেচনা কৰি তেওঁ শেষত কৈছে যে ব্যক্তিৰ ধাৰণাটো হ'ল এক ব্যক্তিগত চেতনাতকৈ যৌক্তিকভাৱে পূৰ্ববৰ্তী ধাৰণা।

তেওঁ কৈছে, "ব্যক্তিৰ ধাৰণাটোক এক জীৱ দেহ অথবা এক উদ্ভাসিত জীৱ বুলি বিশ্লেষণ কৰিব নোৱাৰি" (individual)103। তথাপি কিন্তু তেওঁ গৌণ বস্তুৰূপে এটা মনৰ (ego) অস্তিত্বৰ সম্ভাৱনীয়তা নুই কৰা নাই। " এজন ব্যক্তি এক উদ্ভাসিত মন (ego) নহয়, কিন্তু এটা মন অনুদ্ভাষিত ব্যক্তি হ'ব পাৰে যেতিয়া ই এজন ব্যক্তিৰ পৰা যৌক্তিক ভাৱে ব্যক্তিত্বসূচক গুণ লাভ কৰে। (p) 103)

১৩.৬ P -আৰু M- বিধেয়ৰ মাজত ষ্ট্ৰছনৰ পাৰ্থক্য

ষ্ট্ৰছনে উল্লেখ কৰিছে যে এজন লোকে চেতন অৱস্থাসমূহ নিজৰ ক্ষেত্ৰত আৰোপ কৰিব পাৰে কেৱল তেতিয়াহে যেতিয়া তেওঁ সেইবোৰ আনৰ গাত আৰোপ কৰে বা আৰোপ কৰিবলৈ প্ৰস্তুত থাকে। নিজৰ লগতে আন সকলোবোৰেই হ'ল এক অস্তিত্বৰ প্ৰকাৰ যিয়ে একে সময়তে চেতন অৱস্থা আৰু দৈহিক গুণ উভয়কে প্ৰকাশ কৰিবই। ইয়াত ষ্ট্ৰছনে ব্যক্তিৰ ক্ষেত্ৰত প্ৰযোজ্য দুই ধৰণৰ বিধেয়ৰ মাজত পাৰ্থক্য নিৰূপণ কৰিছে। প্ৰথমবিধ বিধেয়ক জড় বস্তুৰ ক্ষেত্ৰত প্ৰয়োগ কৰিব পাৰি কিন্তু এই জড় বস্তুৰ ক্ষেত্ৰত চেতন অৱস্থা কেতিয়াও প্ৰয়োগ কৰিব নোৱাৰি। এই প্ৰথমবিধ বিধেয়ক তেওঁ M - বিধেয় বুলি কৈছে। ইয়াৰ উদাহৰণ হ'ল - 'দহোটা শিল জুখিছে', 'বহা কোঠাত আছে' আদি। ব্যক্তিৰ ক্ষেত্ৰত প্ৰযোজ্য আন সকলো বিধেয়ই দ্বিতীয়বিধ বিধেয়ৰ অন্তৰ্ভুক্ত। ইয়াৰ উদাহৰণ হ'ব- 'হাঁহি আছে', 'খোজ কাঢ়ি আছে', 'বিষাইছে', 'খুব চিন্তা কৰি আছে' আদি।

ষ্ট্ৰছনে স্পষ্টভাবে কৈছে যে এই দুয়ো ধৰণৰ বিধেয়কে একেটা বস্তু অৰ্থাৎ ব্যক্তিৰ ক্ষেত্ৰত আৰোপ কৰা হয়। ব্যক্তিৰ ধাৰণাটো এক মৌলিক ধাৰণা এই অৰ্থতেই যে ইয়াক মন আৰু শৰীৰলৈ বিশ্লেষণ কৰিব পৰা নাযায়, কাৰণ এজন ব্যক্তি এটা মন আৰু এটা শৰীৰৰ সমষ্টি নহয়। তেওঁ আকৌ কৈছে যে 'I' আৰু 'Smith' ৰ মাজত কোনো 'প্ৰকাৰৰ সন্দিগ্ধতা' (type ambiguity) নাই। অৰ্থাৎ 'I' আৰু 'Smith' দুটা বেলেগ প্ৰকাৰৰ ব্যক্তি নহয়। কিছুমান বিধেয় যেনে- 'বহা কোঠাত আছে', 'শিলেৰে আঘাত কৰা হৈছে' আদিৰ ক্ষেত্ৰত এনে ধৰণৰ 'প্ৰকাৰৰ সন্দিগ্ধতা' দেখা যায়, কাৰণ এনে ধৰণৰ বিধেয়সমূহ যেতিয়া ব্যক্তি আৰু জড় বস্তুৰ ক্ষেত্ৰত প্ৰয়োগ কৰা হয় তেতিয়া সিহঁতে সম্পূৰ্ণ পৃথক অৰ্থ বহন কৰে।

১৩.৭ P বিধেয় সম্বন্ধীয় ষ্ট্ৰছনৰ ধাৰণা

P- আৰু M - এই দুইধৰণৰ বিধেয়ৰ ভিতৰত M- বিধেয়ৰ ক্ষেত্ৰত কোনোধৰণৰ অসুবিধা দেখা নাযায়, ই হৈছে দৈহিক গুণ আৰোপ কৰা বিধেয়। কিন্তু P- বিধেয়ৰ দ্বাৰা ষ্ট্ৰছনে বুজোৱা কথাখিনিয়ে এক বিশেষ গুৰুত্ব বহন

কৰে। সেয়েহে জড়বস্তুৰ ক্ষেত্ৰত কোনো ধৰণে প্ৰয়োগ কৰিব নোৱাৰা সকলো ধৰণৰ গুণকে তেওঁ P- বিধেয়ৰ দ্বাৰা বুজাইছে। আন কথাত ক'বলৈ হ'লে P- বিধেয়সমূহ কেৱল ব্যক্তিৰ ক্ষেত্ৰতহে আৰোপ কৰা হয়। কিন্তু সকলো P- বিধেয়ই 'বুধিয়ক' অথবা 'বিষাদ অৱস্থাত আছে' আদিৰ দৰে চেতন অৱস্থা যুক্ত বিধেয় নহয়, তথাপি কিন্তু তেনে বিধেয়সমূহ আৰোপ কৰাৰ ক্ষেত্ৰত সিহঁতে এক চেতন অৱস্থাযুক্ত হৈ থকাৰ কথাকে সূচায়। সেয়েহে 'খোজ কাঢ়ি আছে' এবিধ চেতনযুক্ত বিধেয় নহয় যিহেতু চেতনাৰ লগত প্ৰত্যক্ষভাৱে ইয়াৰ কোনো সম্বন্ধ নাই, তথাপি কিন্তু ই এক প্ৰকাৰ P- বিধেয় কাৰণ ইয়াক স্পষ্টভাৱে ব্যক্তিৰ ক্ষেত্ৰতহে প্ৰয়োগ কৰা হয়, আন কোনো বস্তুৰ ক্ষেত্ৰত নহয়। এটা P- বিধেয় অন্য লোকৰ আচৰণ বা চৰিত্ৰৰ পৰ্যবেক্ষণৰ ভিত্তিত আনৰ ক্ষেত্ৰত আৰোপ কৰা হয়। কিন্তু অন্যলোকৰ ক্ষেত্ৰত দেখিবলৈ পোৱা এনে ধৰণৰ আচৰণেই কেৱল একমাত্ৰ ভিত্তি নহয় যাৰ বাবে চেতন অৱস্থাৰ উপস্থিতি অনুমান কৰিব পৰা যায়। ষ্ট্ৰছনে স্পষ্টভাৱে উল্লেখ কৰিছে যে আনৰ গাত P - বিধেয় আৰোপ কৰাৰ ক্ষেত্ৰত আচৰণেই হ'ল যুক্তিপূৰ্ণ যথাৰ্থ ভিত্তি। নিজৰ অৱস্থাৰ পৰা আনৰ ক্ষেত্ৰত চেতন অৱস্থা প্ৰয়োগ কৰাৰ যি সাদৃশ্য ভিত্তিক যুক্তি (Argument from Analogy) সি মুঠেই যুক্তিসংগত নহয়, কাৰণ ষ্ট্ৰছনে কৈছে যে এক দৈহিক শৰীৰ যুক্ত হৈ থাকিলেহে বস্তু এটা সহজে বোধগম্য হয়। গতিকে আনৰ গাত চেতন অৱস্থাৰ উপস্থিতি সম্বন্ধীয় সংশয়ৰ প্ৰশ্নই নুঠে। এজন লোকৰ আচৰণে তেওঁৰ গাত এক চেতন অৱস্থা আৰোপ কৰা কথাটো যৌক্তিকভাৱে সাব্যস্ত কৰে। কিন্তু নিজৰ ক্ষেত্ৰত কেতবোৰ P- বিধেয় প্ৰয়োগ কৰিবলৈ যাওঁতে তেওঁ এক ভিত্তি ৰূপে এই আচৰণৰ ওপৰত নিৰ্ভৰ নকৰে যেনে - 'খঙাল হয়', 'দুখিত হয়', 'সুখী হয়' আদি। কিন্তু চৰিত্ৰ অথবা ক্ষমতা নিৰ্দেশক কিছুমান অন্য ধৰণৰ P- বিধেয়ৰ ক্ষেত্ৰত এজন লোকে নিজৰ গাত প্ৰয়োগ কৰিবলৈ হ'লেও একেটা আচৰণৰ ওপৰত ভিত্তি কৰিব লগা হয়। ইয়াত ষ্ট্ৰছনে এটা সম্ভাব্য অসুবিধা বিবেচনা কৰিছে - সেয়া হ'ল উত্থাপিত প্ৰশ্নটো পুনৰ সমাধানৰ অসবিধাঃ P - বিধেয়সমূহৰ ভিতৰত প্ৰথম পুৰুষ নে তৃতীয় পুৰুষত আৰোপ কৰা বিধেয়সমূহ বেছি মৌলিক? ইয়াত দুটা বিপৰীত দৃষ্টিভংগী দেখা যায়। ধৰা হ'ল P - বিধেয় আৰোপ কৰা অভিব্যক্তিৰ সাৰ্বিক ৰূপটো আমি 'Px' বুলি লিখো। এতিয়া এটা দৃষ্টিভংগী অনুসৰি, সাধাৰণ অৰ্থত 'x' ৰ ঠাইত 'তেওঁ' (he), 'সেই লোকজন' (that person) আৰু আন তৃতীয় পুৰুষৰ সৰ্বনাম বা বিশেষ্য প্ৰতিস্থাপিত কৰা যায়। সেই ক্ষেত্ৰত 'x' ৰ ঠাইত 'I' ৰ ব্যৱহাৰ গৌণ হ'ব, ই যথোপযুক্ত নহ'ব। কিন্তু ষ্ট্ৰছনে কৈছে, " এই বিধেয়সমূহৰ এটা অনিবাৰ্য লক্ষণ হ'ল এয়ে যে সিহঁতৰ উভয়ৰে প্ৰথম আৰু তৃতীয় পুৰুষত আৰোপ কৰিব পৰা ব্যৱহাৰ আছে, সিহঁত উভয়কে নিজৰ ক্ষেত্ৰত আৰোপ কৰিব পৰা যায়— আৰু আনৰ ক্ষেত্ৰতো আৰোপ কৰিব পৰা যায়— " (P108)। সিহঁতৰ ব্যৱহাৰ জানিবলৈ হ'লে আমি সিহঁতৰ ব্যৱহাৰৰ উভয় দিশকে জানিব লাগিব। অৰ্থাৎ এই P- বিধেয়সমূহ নিজৰ ক্ষেত্ৰত আৰোপ কৰিবলৈ হ'লে তেওঁ সেইবোৰ আনৰ গাত কেনেদৰে আৰোপ কৰা হয় জানিব লাগিব। তেওঁ এইটোও ক'ব লাগিব যে আনলোকে সেইবোৰ তেওঁলোকৰ নিজৰ লগতে তেওঁলোকৰ পৰা পৃথক ব্যক্তিসকলৰ ক্ষেত্ৰতো আৰোপ কৰিব পাৰে। এনে ধৰণে আৰোপ কৰাৰ উভয় প্ৰকাৰতে ই একেটা বস্তুকে বুজাইছে। ষ্ট্ৰছনে এই ক্ষেত্ৰত হতাশাগ্ৰস্ত মানসিক অৱস্থাৰ উদাহৰণ আগবঢ়াইছে। যেতিয়া Mr. X এ কয়, "মই হতাশ হৈছোঁ", এয়া X ৰ এক অনুভৱ কিন্তু ই হ'ল আনৰ বাবে 'X' ৰ পৰ্যবেক্ষণমূলক আচৰণৰ এক বিশেষ অৱস্থা। কিন্তু উভয় ক্ষেত্ৰতে ই একেটা কথাকে বুজাইছে। ষ্ট্ৰছনে কৈছে, "X" ৰ হতাশা হৈছে একেটা বস্তু যিটো X ৰ দ্বাৰা অনুভৱ কৰা হৈছে কিন্তু পৰ্যবেক্ষণ কৰা হোৱা নাই, আনহাতে আনৰ দ্বাৰা সেয়া পৰ্যবেক্ষণ কৰা হৈছে, কিন্তু অনুভৱ

কৰা হোৱা নাই" P109। এনে ধৰণৰ দৃষ্টিভংগীয়ে আমাক দার্শনিক সংশয়বাদ আৰু দার্শনিক আচৰণবাদৰ মাজত থকা দ্বন্দ্বৰ পৰা বিৰত ৰাখিব পাৰে।

মুঠতে ষ্ট্রছনে প্রতিষ্ঠা কৰিবলৈ প্রয়াস কৰিছে যে চেতন অৱস্থাসমূহ আৰোপ কৰা একেটা বস্তুতে দৈহিক অৱস্থা বা গুণ ও আৰোপ কৰা হয়। এই চেতনাযুক্ত বিধেয়সমূহ আৰোপ কৰাৰ দুটা দিশ দেখা যায়- স্ব-আৰোপযোগ্য (self ascriptive) আৰু পৰাৰোপযোগ্য (other ascriptive)। যিহেতু উভয়ৰে স্থিতি একে সেয়ে কোনোটোৱে আনটোতকৈ মৌলিক নহয়। তাৰোপৰি তেওঁ কৈছে যে এনে ধৰণৰ দৃষ্টিভংগী তেতিয়াহে সম্ভৱ হৈ উঠিব যেতিয়া আমি ব্যক্তিৰ ধাৰণাৰ মৌলিকত্ব স্বীকাৰ কৰোঁ।

জানি থোৱা ভাল

সংশয়বাদঃ কিছুমান বিশেষ বিষয়বস্তু অথবা যিকোনো বস্তু সম্বন্ধীয় যৌক্তিক বিশ্বাস বা জ্ঞানক অসম্ভৱ বুলি স্বীকাৰ কৰা মতবাদকে সংশয়বাদ বোলে।

আচৰণবাদঃ এই মতবাদে কয় যে মানসিক অৱস্থাসমূহ হৈছে আমাৰ আচৰণগত স্বভাৱৰ যৌক্তিক ৰূপ। ই এজন ব্যক্তিৰ মানসিক দিশবোৰ বর্ণনা কৰে, সেয়ে ই হৈছে এজন ব্যক্তিৰ গাত দেখিবলৈ পোৱা আচৰণৰ বিভিন্ন প্রকৃতি বর্ণনা কৰাৰ এক সহজ পন্থা।

১৩.৮ ষ্ট্রছনৰ P- বিধেয় সম্বন্ধীয় ধাৰণাৰ ওপৰত বার্নাড উইলিয়াম্ছৰ অভিমত

বার্নাড উইলিয়াম্ছে তেওঁৰ গ্রন্থ 'Problems of the self' ত ষ্ট্রছনৰ P- বিধেয় সম্বন্ধীয় ধাৰণাৰ কিছুমান আসোৱাঁহ উল্লেখ কৰিছে। তেওঁ কৈছে যে কিছুমান P- বিধেয়ৰ চেতনাৰ লগত কোনো সম্পর্কই নাই যেনে- 'বল খেলি আছে', 'ৰছী এডাল মেৰিয়াই আছে' অথবা 'বহা কোঠাত আছে' আদি। তেওঁ কৈছে, "যিহেতু আমি দেখিবলৈ পাওঁ যে বহুতো P- বিধেয় বাৰুকৈয়ে দৈহিক গুণ সম্পন্ন, গতিকে কোনটো দৈহিক গুণ প্রকৃতার্থত M- বিধেয় সেয়া আমাৰ বাবে আশ্চর্যজনক কথা।" এই বিধেয়বোৰ প্রায়ে সেই ব্যক্তিজনৰ লগত জড়িত দৈহিক ক্রিয়াৰ দ্বাৰা পৰিচালিত হয়। গতিকে সেইবোৰ স্বভাৱগতভাৱে M- বিধেয়ৰ পৰা পৃথক নহয়। আকৌ, 'পাহাৰৰ নামনিলৈ গৈ আছে'- বিধেয়টো আমি এজন ব্যক্তি, এটা কুকুৰ আৰু আনকি এটা নদীৰ ক্ষেত্রতো প্রয়োগ কৰিব পাৰোঁ। এতিয়া ষ্ট্রছনৰ দৃষ্টিত এজন ব্যক্তিৰ ক্ষেত্রত ই P- বিধেয় হ'ব, আনহাতে আন দুটা ক্ষেত্রত ই M- বিধেয় হ'ব।

এয়া উল্লেখ কৰিব পাৰি যে- যেতিয়া এটা নদীৰ ক্ষেত্রত প্রয়োগ কৰা হয় তেতিয়া 'পাহাৰৰ নামনিলৈ গৈ আছে' বিধেয়টো হ'ল এক আলংকাৰিক প্রয়োগ যিটো এজন ব্যক্তিৰ ক্ষেত্রত ইয়াৰ মূলগত আৰু যথার্থ ব্যৱহাৰৰ পৰা নিসৃত কৰা হৈছে। তাৰোপৰি, এইটোও ক'ব পাৰি যে ষ্ট্রছনৰ এটা দোষ হ'ল - তেওঁ নিম্নখাপৰ প্রাণীসমূহৰ বিষয়ে একো কোৱা নাই। এজন মানুহৰ দৰে একেটা অর্থত এটা কুকুৰেও দৌৰে। কিন্তু নিম্নখাপৰ প্রাণীৰ ক্ষেত্রত প্রযোজ্য এটা বিধেয়ক আমি P- বিধেয় বুলি ক'ব পাৰো নে নোৱাৰো- এই ক্ষেত্রত ষ্ট্রছনে একো কোৱা নাই।

আকৌ, যদিও ষ্ট্রছনে ব্যক্তিৰ ধাৰণাটোক শৰীৰ আৰু মন ৰূপে বিশ্লেষণ কৰাৰ বিৰোধিতা কৰিছে, তথাপি তেওঁ কৈছে যে আমাৰ মনটোৰ যৌক্তিকভাৱে এক গৌণ প্রকাৰৰ অস্তিত্ব থাকিব পাৰে। ষ্ট্রছনে কৈছে, "এজন

ব্যক্তি এক উদ্ভাষিত মন (ego) নহয়, কিন্তু এটা মন অনুদ্ভাষিত মনৰ অস্তিত্বসূচক এই কথাটো তেওঁৰ পৃথক অস্তিত্ব আৰু চিনাক্তকৰণৰ ধাৰণাটোৰ লগত নিমিলে। কাৰণ এটা অনুদ্ভাষিত মনৰ কোনো দৈহিক গুণ নাথাকে আৰু সেয়ে ইয়াৰ পৃথক অস্তিত্ব থাকিব নোৱাৰে অথবা চিনাক্ত কৰিব পৰা নাযায়। আকৌ, ষ্ট্রছনে ব্যক্তিৰ সংজ্ঞা দি কৈছে যে এজন ব্যক্তিৰ গাত আমি একে সময়তে দৈহিক আৰু চেতন অৱস্থা উভয়কে আৰোপ কৰিব পাৰো। এই ক্ষেত্রতো আমি সম্ভৱতঃ এটা অনুদ্ভাষিত মনৰ কথা ক'ব নোৱাৰো যদিও মনটোৱে কোনো ধৰণৰ দৈহিক অৱস্থা উল্লেখ নকৰিলেও এজন ব্যক্তি থাকিব পাৰে।

এনেধৰণৰ আসোঁৱাহ থকা স্বত্বেও ষ্ট্রছনৰ ব্যক্তিৰ ধাৰণাটোৱে আধুনিক বিশ্লেষণাত্মক দর্শনত এক অতি গুৰুত্বপূর্ণ স্থান অধিকাৰ কৰি আছে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং১৪ ঃ তলৰ বাক্যসমূহ শুদ্ধ নে অশুদ্ধ বিচাৰ কৰকঃ

ক) ডেকার্টৰ মতে, একেটা বস্তুতে আমি দৈহিক গুণ আৰু চেতন অৱস্থা উভয়কে আৰোপ কৰিব নোৱাৰোঁ। (শুদ্ধ/অশুদ্ধ)

খ)ষ্ট্রছনে কৈছে যে ব্যক্তিৰ ধাৰণাটো এটা মৌলিক ধাৰণা (Primitive Concept)। (শুদ্ধ/অশুদ্ধ)

গ) ষ্ট্রছনৰ মতে, ব্যক্তিৰ ধাৰণাটো মন আৰু শৰীৰ ৰূপে বিশ্লেষণ কৰিব পাৰি। (শুদ্ধ/অশুদ্ধ)

ঘ)ষ্ট্রছনে কৈছে যে P - বিধেয়সমূহ কেৱল ব্যক্তিৰ ক্ষেত্রতহে প্রযোজ্য। (শুদ্ধ/অশুদ্ধ)

ঙ) বার্নাড উইলিয়ামচ্ এজন ষ্ট্রছনৰ ব্যক্তি সম্বন্ধীয় ধাৰণাৰ সমালোচক নহয়। (শুদ্ধ/অশুদ্ধ)

প্রশ্ন নং৬ ঃ ডেকার্টপন্থীসকলৰ মনৰ (ego) ধাৰণাটো ষ্ট্রছনে কিদৰে সমালোচনা কৰিছে? (৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন নং৭ঃ M - বিধেয় আৰু P- বিধেয়ৰ মাজত পার্থক্য নিৰূপণ কৰক। (৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন নং৮ঃ ষ্ট্রছনৰ P- বিধেয়ৰ ধাৰণা বুলিলে আপুনি কি বুজে? (৫০টা শব্দৰ ভিতৰত লিখক)

চিন্তা চর্চা কৰকঃ ১৩.২

- ষ্ট্রছনৰ ব্যক্তিৰ ধাৰণাটো সন্তোষজনক হয় নে? আলোচনা কৰক।
- ষ্ট্রছনৰ P- বিধেয়ৰ ধাৰণা সম্বন্ধে বার্নাড উইলিয়ামচৰ সমালোচনা আপুনি সমর্থন কৰেনে? আলোচনা কৰক।

১৩.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

ষ্ট্রছনে কৈছে যে একে সময়তে একেটা বস্তু অর্থাৎ ব্যক্তিৰ গাত দৈহিক গুণ আৰু চেতনা অৱস্থা উভয়কে আৰোপ কৰা হয়।

- ষ্ট্রছনৰ ব্যক্তিৰ ধাৰণাটো এটা মৌলিক ধাৰণা এই অর্থতেই যে ইয়াক এক বিশেষ চেতনা অৱস্থা (মন) আৰু শৰীৰলৈ বিশ্লেষণ কৰিব পৰা নাযায়। কাৰণ এজন ব্যক্তি মন আৰু শৰীৰৰ সমাহাৰ নহয়। তেওঁ আকৌ কৈছে যে 'I' আৰু 'Smith' ৰ মাজত কোনো প্রকাৰৰ দ্ব্যর্থকতা (Type ambiguity) নাই। অর্থাৎ 'I' আৰু 'Smith দুজন স্বতন্ত্র প্রকাৰৰ ব্যক্তি নহয়।
- ডেকার্টপন্থীসকলৰ মতে, এজন ব্যক্তি প্রকৃতার্থত দুটা স্বতন্ত্র দ্রব্য - মন আৰু শৰীৰৰ এক সমাহাৰ। ইহঁতৰ প্রত্যেকৰে স্বকীয় বৈশিষ্ট্য আছে।
- কর্তৃত্ববিহীন মতবাদৰ মতে, আমাৰ চেতন অৱস্থাসমূহ কোনো বস্তুতে আৰোপ কৰিব নোৱাৰি।
- ষ্ট্রছনে প্রতিষ্ঠা কৰিবলৈ প্রয়াস কৰিছে যে যৌক্তিকভাৱে অ- কর্তৃত্বশীল দৃষ্টিভংগীৰ ফালৰ পৰা এজন বিশেষ ব্যক্তিৰ গাত অভিজ্ঞতা আৰু চেতন অৱস্থাসমূহ অনিবার্যভাৱে বিৰাজ কৰে।
- ষ্ট্রছনে উল্লেখ কৰিছে যে অভিজ্ঞতা আৰু চেতনাৰ এক বিশেষ অৱস্থা আৰোপ কৰাৰ দুটা দিশ দেখা যায় - এটা হৈছে নিজৰ ক্ষেত্রত আৰু আনটো হৈছে অন্য লোকৰ ক্ষেত্রত।
- ষ্ট্রছনৰ মতে, ব্যক্তিৰ ধাৰণাটো হ'ল প্রকৃত দ্রব্য বা অস্তিত্বৰ এক প্রকাৰ (Type)-ৰ ধাৰণা। অর্থাৎ একেজন ব্যক্তিৰ ক্ষেত্রত দৈহিক আৰু মানসিক গুণ উভয়ে সমানে প্রযোজ্য হয়।
- ষ্ট্রছনে M- বিধেয় আৰু P - বিধেয়ৰ মাজত পার্থক্য নিৰূপণ কৰিছে। M - বিধেয়বোৰ জড় শৰীৰত (material bodies) প্রয়োগ কৰিব পাৰি কিন্তু তাত চেতন অৱস্থাসমূহ কেতিয়াও প্রয়োগ কৰিব পৰা নাযায়। P - বিধেয় বুলিলে আমি হঁহা, খোজকঢ়া, চিন্তা কৰা আদি সকলো ধৰণৰ বিধেয়কে বুজোঁ আৰু এইবোৰ আমি ব্যক্তিৰ গাত আৰোপ কৰোঁ।
- ষ্ট্রছনে স্পষ্টভাবে কৈছে M- বিধেয় আৰু P- বিধেয় উভয়কে একেটা বস্তু অর্থাৎ ব্যক্তিৰ ক্ষেত্রত আৰোপ কৰা হয়।
- ষ্ট্রছনৰ ব্যক্তিৰ ধাৰণাটো যদিও আসোঁৱাহমুক্ত নহয়, তথাপি কিন্তু ই আধুনিক বিশ্লেষণাত্মক দর্শনত এক সুকীয়া স্থান লাভ কৰিবলৈ সক্ষম হৈছে।

১৩.১০ অধিক জানিবলৈ

1. Sen, P.K. & Verma, R.R. (1995, ed): *The Philosophy of P.F. Strawson,* New Delhi: I.C.P.R.
2. Strawson, P.F. (1974): *Freedom and Resentment and Other Essays,* London: Metheun & Co.Ltd.

3. Shaffer, J.A. (1988): *Philosophy of Mind,* New Delhi: Prentice Hall of India Pvt. Ltd.
4. Ghose, R. (1990) : *The Idea of a Person,* Calcutta: Puthi Pustak

১৩.১১ অগ্রগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ (ক) শুদ্ধ (খ) শুদ্ধ (গ) শুদ্ধ (ঘ) শুদ্ধ (ঙ) শুদ্ধ

২নং প্ৰশ্নৰ উত্তৰ ঃ ষ্ট্রছনৰ মতে ব্যক্তিৰ ধাৰণাটো হ'ল এক মৌলিক ধাৰণা (primitive concept)। কাৰণ, ইয়াক এক বিশেষ মন আৰু শৰীৰলৈ বিশ্লেষণ কৰিব নোৱাৰি। তেওঁ কৈছে যে একেটা বস্তু অৰ্থাৎ ব্যক্তিৰ ক্ষেত্ৰত M - বিধেয় আৰু P - বিধেয় উভয়কে আৰোপ কৰিব পাৰি। এজন ব্যক্তি মন আৰু শৰীৰৰ এক সমষ্টি নহয়। ব্যক্তিৰ ধাৰণাটো যৌক্তিকভাৱে এক বিশেষ চেতন সত্তাৰ পূৰ্বৱৰ্তী ধাৰণা। ইয়াক জীৱন্ত শৰীৰ অথবা উদ্ভাসিত জীৱ হিচাপে বিশ্লেষণ কৰিব নোৱাৰি।

৩নং প্ৰশ্নৰ উত্তৰ ঃ ডেকার্টপন্থীসকলৰ মতে এজন ব্যক্তি হ'ল প্ৰকৃতাৰ্থত দুটা স্বতন্ত্ৰ দ্ৰব্যৰ সমষ্টি। এই দ্ৰব্য দুবিধ হ'ল- মন আৰু শৰীৰ। ইহঁতৰ প্ৰত্যেকৰে সুকীয়া বৈশিষ্ট্য আৰু গুণ আছে। তেওঁলোকে কৈছে যে চেতন অৱস্থাসমূহ এটা দ্ৰব্যৰ গাত আৰোপ কৰা হয়। আনহাতে, দৈহিক গুণ আৰু অৱস্থাসমূহ আনটোৰ গাত আৰোপ কৰা হয়।

৪নং প্ৰশ্নৰ উত্তৰ ঃ উইটগেনষ্টাইন আৰু শ্লিকে (Mortic Schlick) অভিমত আগবঢ়াই কৈছে যে আমাৰ চেতনাৰ অৱস্থাসমূহ কোনো বস্তুতেই আৰোপ কৰিব পৰা নাযায় আৰু এই অভিমতকে ষ্ট্রছনে আত্মাৰ 'কৰ্তৃত্ববিহীন মতবাদ' বুলি অভিহিত কৰিছে। 'I' ৰ দুটা ব্যৱহাৰ সম্বন্ধীয় এটা উদাহৰণৰ সহায়ত আমি 'কৰ্তৃত্ববিহীন মতবাদ'টো বিশ্লেষণ কৰি দেখুৱাব পাৰোঁ। 'I have a toothache' আৰু 'I have a bad tooth'- এই বাক্য যদিও ব্যাকৰণৰ দিশৰ পৰা একে, তথাপি কিন্তু সিহঁত প্ৰকৃতিগতভাৱে সম্পূৰ্ণ পৃথক। 'I have a bad tooth'- বাক্যটোত আমি কেৱল দৈহিক দিশৰ ওপৰতহে গুৰুত্ব প্ৰদান কৰিছোঁ। কিন্তু উইটগেনষ্টাইনে কৈছে যে দাঁতৰ বিষ (toothache) হ'ল এক অভিজ্ঞতা, এক চেতন অৱস্থা, যিকোনো লোকৰে থাকিব নোৱাৰে।

৫নং প্ৰশ্নৰ উত্তৰ ঃ (ক) শুদ্ধ (খ) শুদ্ধ (গ) অশুদ্ধ (ঘ) শুদ্ধ (ঙ) শুদ্ধ।

৬নং প্ৰশ্নৰ উত্তৰ ঃ ডেকার্টপন্থীসকলৰ মতে অভিজ্ঞতা আৰু চেতনাৰ সকলো অৱস্থাকে মনৰ (ego) ক্ষেত্ৰত আৰোপ কৰিব পাৰি। কিন্তু ষ্ট্রছনে এই ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ অভিযোগ উত্থাপন কৰিছে। তেওঁ কৈছে যে কোনো এটা বস্তুৰ গাত এক অভিজ্ঞতা বা অৱস্থা আৰোপ কৰিবলৈ হ'লে সেই বস্তুটো চিনাক্তকৰণ যোগ্য আৰু বিশেষ অস্তিত্বশীলযুক্ত হ'বই লাগিব। কিন্তু অসুবিধাটো হ'ল এয়ে যে যিকোনো দৈহিক গুণ অবিহনে এজন ব্যক্তিৰ মনটো (ego) চিনাক্ত কৰিব নোৱাৰি আৰু ইয়াৰ বিশেষ অস্তিত্ব বুজিব নোৱাৰি। কাৰণ, আকাৰ, আকৃতি, ৰং অথবা অন্য দৈহিক গুণ অবিহনে যিকোনো বস্তুকে 'এইটো' (it) বুলি নিৰ্দেশ কৰিব নোৱাৰি। গতিকে, দৈহিক গুণ অবিহনে আমাৰ মনটোক চিনাক্ত কৰিব পৰা নাযায়। সেয়েহে আমাৰ মনৰ (ego) ওপৰত অভিজ্ঞতা আৰু অৱস্থাসমূহ আৰোপ কৰাটো যুক্তিসংগত নহয়।

৭নং প্রশ্নৰ উত্তৰ ঃ ষ্ট্রছনে M- বিধেয় আৰু P- বিধেয়ৰ মাজত পার্থক্য নিৰূপণ কৰিছে। M - বিধেয় হ'ল দৈহিক গুণ আৰোপ কৰা বিধেয়। M- বিধেয়সমূহ জড় বস্তুৰ ক্ষেত্রতো প্রয়োগ কৰিব পাৰি কিন্তু তাত চেতন অৱস্থাসমূহ কেতিয়াও প্রয়োগ কৰিব পৰা নাযায়। আনহাতে P- বিধেয়সমূহ হ'ল কেৱল ব্যক্তিৰ ক্ষেত্রত আৰোপ কৰিব

পৰা এক প্রকাৰ গুণ। P - বিধেয় বুলিলে আমি আন সকলো বিধেয়কে বুজো যিবোৰ আমি ব্যক্তিৰ ক্ষেত্রত প্রয়োগ কৰোঁ। কিছুমান M- বিধেয়ৰ উদাহৰণ হ'ল - 'দহোটা শিল জুখিছে', 'শোৱনি কোঠাত আছে' আদি। আনহাতে কিছুমান P- বিধেয়ৰ উদাহৰণ হ'ল - 'হাঁহি আছে', 'খোজ কাঢ়ি আছে, 'বিষাইছে', 'খুব চিন্তা

কৰি আছে' আদি। এইদৰে দেখা যায় যে P- বিধেয়সমূহ কেৱল ব্যক্তিৰ ক্ষেত্রতহে আৰোপ কৰিব পাৰি, আনহাতে M- বিধেয়সমূহ ব্যক্তি আৰু জড় বস্তু উভয়ৰে ক্ষেত্রত আৰোপ কৰিব পাৰি।

৮নং প্রশ্নৰ উত্তৰ ঃ ষ্ট্রছনৰ মতে P - বিধেয়সমূহ হ'ল কেৱল ব্যক্তিৰ ক্ষেত্রত আৰোপ কৰিব পৰা কিছুমান গুণ। P- বিধেয়ই কেৱল ব্যক্তিৰ ক্ষেত্রত আৰোপ কৰিব পৰা সকলো ধৰণৰ গুণকে বুজায়। সেইবোৰ কেতিয়াও জড় বস্তুৰ গাত আৰোপ কৰিব নোৱাৰি। তথাপি কিন্তু সকলো P- বিধেয়ই 'বুধিয়ক হয়', 'বিমর্ষ অৱস্থাত আছে' আদিৰ দৰে

চেতনাযুক্ত বিধেয় নহয়। তেওঁ কৈছে যে 'খোজ কাঢ়ি আছে'- এটা চেতনাযুক্ত বিধেয় নহয় যিহেতু চেতন অৱস্থাৰ লগত প্রত্যক্ষভাৱে ইয়াৰ কোনো সম্বন্ধ নাই। তথাপি কিন্তু ই এক প্রকাৰ P- বিধেয় কাৰণ, ই এজন ব্যক্তিৰ ক্ষেত্রত অভিব্যাপী অর্থত প্রযোজ্য, ই আন কোনো বস্তুৰ ক্ষেত্রতে নহয়।

? ১৩.১২ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ঃ ডেকার্টৰ মতে স্বতন্ত্র দ্রব্য দুবিধ কি কি?

প্রশ্ন ২ঃ P- বিধেয়ৰ উদাহৰণ দিয়ক।

প্রশ্ন ৩ঃ M বিধেয়ৰ উদাহৰণ দিয়ক

প্রশ্ন ৪ঃ মনৰ বৈশিষ্ট্য কি?

প্রশ্ন ৫ঃ 'কর্তৃত্ববিহীন মতবাদ' কোনে আগবঢ়াইছে?

(খ) চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ ষ্ট্রছনে আলোচনা কৰা প্রতিক্রিয়া কেইটা কি কি?

প্রশ্ন ২ঃ ষ্টছনৰ মতে ব্যক্তি কি?

প্রশ্ন ৩ঃ M - বিধেয় কি?

প্রশ্ন ৪ঃ P- বিধেয় কি?

প্রশ্ন ৫ঃ চেতনাযুক্ত গুণসমূহ আৰোপ কৰাৰ দিশ দুটা কি কি?

প্রশ্ন ৬ঃ কর্তৃত্ববিহীন মতবাদ কি?

প্রশ্ন ৭ঃ 'ব্যক্তিৰ ধাৰণাটো এটা মৌলিক ধাৰণা' - ইয়াৰ যথার্থতা বিচাৰ কৰক।

গ) পার্থক্য নির্ণয় কৰক (১৫০ টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ ব্যক্তি সম্বন্ধীয় প্রথম প্রতিক্রিয়া আৰু দ্বিতীয় প্রতিক্রিয়া

প্রশ্ন ২ঃ M- বিধেয় আৰু P- বিধেয়

প্রশ্ন ৩ঃ ডেকার্টপন্থী মতবাদ আৰু কর্তৃত্ববিহীন মতবাদ

ঘ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ কর্তৃত্ববিহীন মতবাদটো সমালোচনামূলকভাৱে আলোচনা কৰক।

প্রশ্ন ২ঃ ষ্টছনৰ দৃষ্টিভংগীৰে ডেকার্টপন্থী মতবাদটো আলোচনা কৰক।

প্রশ্ন ৩ঃ ষ্টছনৰ P- বিধেয়ৰ ধাৰণাটো সমালোচনামূলকভাৱে আলোচনা কৰক।

প্রশ্ন ৪ঃ ব্যক্তি সম্বন্ধীয় প্রথম আৰু দ্বিতীয় প্রতিক্রিয়াৰ মাজৰ বিবাদ আপুনি কিদৰে সমাধান কৰিব?আলোচনা কৰক।

প্রশ্ন ৫ঃ ষ্টছনৰ ব্যক্তিসম্বন্ধীয় ধাৰণাটো আপুনি সন্তোষজনক বুলি ভাবেনে? আপোনাৰ উত্তৰৰ সমর্থনত যুক্তি দর্শাওক।

*** **** ***

অধ্যায় ১৪ঃ শাস্তিতত্ত্ব

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য

১৪.২ পৰিচয়

১৪.৩ অপৰাধ আৰু শাস্তিৰ ধাৰণা

১৪.৪ শাস্তি সম্পৰ্কীয় মতবাদ

১৪.৫ প্ৰতিষেধমূলক মতবাদ

১৪.৬ সংশোধনমূলক মতবাদ

১৪.৭ প্ৰতিশোধমূলক মতবাদ

১৪.৮ প্ৰাণদণ্ড শাস্তিতত্ত্ব

১৪.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৪.১০ অগ্ৰগতিৰ খতিয়ান

১৪.১১ অধিক জানিবলৈ

১৪.১২ আৰ্হি প্ৰশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ণ কৰি আপুনি —

- অপৰাধ আৰু শাস্তিৰ বিষয়ে আলোচনা কৰিব পাৰিব,
- প্ৰতিৰোধাত্মক বা নিষেধক মতবাদৰ বিৱৰণ দিব পাৰিব,
- সংশোধনাত্মক মতবাদৰ আলোচনা কৰিব পাৰিব,
- প্ৰতিকাৰাত্মক বা প্ৰতিশোধাত্মক মতবাদৰ আলোচনা আগবঢ়াব পাৰিব,
- শাস্তিতত্ত্ব সম্পৰ্কীয় মতবাদ সমূহৰ মাজত পাৰ্থক্য নিৰ্ণয় কৰিব পাৰিব,
- ভিন্ ভিন্ শাস্তিতত্ত্ব সম্পৰ্কীয় মতবাদৰ আলোচনা কৰিব পাৰিব।

১৪.২ পৰিচয়

শাস্তি সম্পৰ্কীয় মতবাদে শাস্তিক অমংগল বুলি স্বীকাৰ কৰে। মানুহে কৰা ভুলৰ পৰিণামৰ বাবে শাস্তি দিয়া হয়। এই শাস্তি হয়তো আইন সংগত বা ঐশ্বৰিক হব পাৰে। আইনসংগত ভাবে দিয়া শাস্তিক অপৰাধ বা পাপ বুলি কোৱা হয়। সমাজৰ পক্ষে ক্ষতিকৰ যিকোনো কার্যকে অপৰাধ বোলা হয় আৰু এনে ধৰণৰ অপৰাধীকে শাস্তিপ্রদান কৰা হয়। অপৰাধীয়ে নৈতিক নিয়মৰ অমান্য ফল স্বৰূপে শাস্তি অর্জন কৰে। ভাল কামৰ বাবে ভাল ফল পায়, আনহাতে অসৎ কর্মৰ বাবে সদায় বেয়া ফল পোৱা দেখা যায়। ন্যায়পৰায়ণতাৰ দাবীতেই অপৰাধীক শাস্তি দিয়া হয়। ন্যায় পৰায়ণতা অনুযায়ী শাস্তিৰ দুটা ৰূপ আছে— পৰিণাম সাপেক্ষ নীতিবিদ্যা (Teleological) আৰু আনটো পৰিণাম নিৰপেক্ষ নীতিবিদ্যা (deontological)। পৰিণাম সাপেক্ষ অনুযায়ী মানুহৰ ফল সদায় ভাল কর্মৰ ওপৰত নির্ভৰ কৰে। আনহাতে পৰিণাম নিৰপেক্ষ নীতিবিদ্যা মতে মানুহৰ ভাল কর্মৰ ওপৰত ফল নির্ভৰ নকৰে। পৰিণাম নিৰপেক্ষ দিশৰ পৰা প্রতিকাৰাত্মক মতবাদ আলোচনা কৰা হৈছে। আকৌ পৰিণাম সাপেক্ষ ফালৰ পৰা প্রতিৰোধক আৰু সংশোধনাত্মক মতবাদ আলোচনা কৰা হৈছে।

১৪.৩ অপৰাধ আৰু শাস্তিৰ ধাৰণা

সাধাৰণ অর্থত কবলৈ হ'লে অপৰাধ হৈছে সমাজ বিৰোধী কার্যকলাপ। কিন্তু সকলো প্রকাৰৰ দোষ আকৌ অপৰাধ নহয়। যিবিলাক দোষ ৰাষ্ট্রৰ দ্বাৰা শাস্তিযোগ্য তাকেই অপৰাধ বুলি গণ্য কৰা হয়। উদাহৰণস্বৰূপে, অকৃতজ্ঞতা হ'ল পাপ। অকৃতজ্ঞতাৰ কাৰণে ৰাষ্ট্রই কোনো শাস্তি দিব নোৱাৰে। কিয়নো কোনোবাই যদি উপকাৰীৰ ওচৰত কৃতজ্ঞ নহয়, তেন্তে ৰাষ্ট্রই একো কৰিব নোৱাৰে, কিন্তু সমাজে নিশ্চয় এনে ব্যক্তিৰ নিন্দা কৰিব পাৰে। আনহাতে চুৰ কৰা হ'ল অপৰাধ কিয়নো ৰাষ্ট্রই চুৰ কৰিবলৈ নিষেধ কৰে আৰু চুৰিৰ কাৰণে শাস্তিও দিয়া হয়। ব্যাপক অর্থত, সমাজৰ পক্ষে ক্ষতিকৰ যিকোনো কার্যকে অপৰাধ বোলা হয়। আনহাতে সংকীর্ণ অর্থত, 'অপৰাধ' বুলি কলে সেই বোৰ আচৰণক বুজায়, যি ৰাষ্ট্র, সমাজ বা কোনো প্রতিষ্ঠানৰ আদেশ লংঘন কৰি অন্যায়ৰ সৃষ্টি কৰে।

অপৰাধৰ বাবে শাস্তি বিধান কৰা উচিত। ন্যায় পৰায়ণতাৰ দাবীতেই অপৰাধীক শাস্তি দিয়া হয়। মানুহৰ কর্মফল অনুযায়ী পুৰস্কৃত কৰা হয়। সৎ ব্যক্তি সৎ কার্যৰ বাবে পুৰস্কৃত হয়। একেদৰে অপৰাধীকও তেওঁৰ অপৰাধৰ বাবে শাস্তি প্রদান কৰা হয়। যেতিয়াই এজন মানুহে সামাজিক নিয়ম লংঘন কৰে তেতিয়া সমাজে অন্যায়কাৰিক শাস্তিবিধান কৰে। গতিকে শাস্তি হৈছে মানুহৰ আচৰণক নিয়ন্ত্রন কৰাৰ একমাত্র উপায়। সমাজৰ শান্তি-শৃংখলা সাব্যস্ত কৰাৰ উদ্দেশ্যে আইন অমান্যকাৰীক শাস্তি দি সমাজৰ অন্তর্গত মানুহৰ আচৰণক নিয়ন্ত্রন কৰাৰ ব্যৱস্থা কৰা হয়। অন্যায়কাৰীসকলে যদি শাস্তি নাপায়, তেওঁলোকক যদি সংযত কৰাৰ কোনো ব্যৱস্থা নাথাকিলহেঁতেন তেন্তে আমাৰ ন্যায় বোধৰ ক্ষেত্রত পীড়াদায়ক হোৱাৰ সম্ভাৱনা থাকে। সেয়েহে শাস্তি বিধানৰ প্রয়োজনীয়তা থাকিবই। শাস্তি সম্পৰ্কীয় বিভিন্ন মতবাদ আছে। এই শাস্তি সম্পৰ্কীয় মতবাদ সমূহ দুটা দিশত আলোচনা কৰা যায়— উপযোগিতা (Utilitarian) আৰু প্রতিকাৰাত্মক (Retributive)। উপযোগিতাবাদৰ ক্ষেত্রত অপৰাধীয়ে যাতে

ভৱিষ্যতে আৰু ভুল নকৰে তাৰ বাবে শাস্তি দিয়া হয়। আনহাতে প্রতিকাৰাত্মক মতবাদ অনুযায়ী অপৰাধী শাস্তিৰ যোগ্য বাবে শাস্তি দিয়া হয়।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ তলৰ বাক্যবোৰ শুদ্ধ নে অশুদ্ধ নির্ণয় কৰক ঃ

ক) আইন সংগতভাৱে শাস্তি দিয়া প্রথাক অপৰাধ বুলি কোৱা হয়। (শুদ্ধ/অশুদ্ধ)

খ) ধর্মতত্ত্বৰ বা ঈশ্বৰ তত্ত্ব ক্ষেত্রত শাস্তিক পাপ বুলি গণ্য কৰা হয়। (শুদ্ধ/অশুদ্ধ)

গ) ন্যায়পৰায়ণতা অনুযায়ী শাস্তিৰ দুটা দিশ হ'ল— পৰিণাম সাপেক্ষ (Teleological) আৰু পৰিণাম নিৰপেক্ষ নীতিবিদ্যা (Deontological)। (শুদ্ধ/অশুদ্ধ)

ঘ) পৰিণাম নিৰপেক্ষ নীতিবিদ্যাৰ মতে মানুহৰ কর্ম মানে ভাল বা শুদ্ধ কর্মৰ কথাকে বুজোৱা হয়। (শুদ্ধ/অশুদ্ধ)

প্রশ্ন নং ২ ঃ খালী ঠাই পূৰণ কৰক ঃ

ক) ..... মতে মানুহৰ ভাল কর্মৰ ওপৰত ফল নির্ভৰশীল নহয়।

খ) ..... মতে মানুহৰ ফল ভাল কর্মৰ ওপৰত নির্ভৰ কৰে।

গ) শাস্তি শব্দটো .....কৈ সংকীর্ণ অর্থত ব্যৱহাৰ কৰা হয়।

প্রশ্ন নং ৩ ঃ অপৰাধ কি?

প্রশ্ন নং ৪ ঃ শাস্তি সর্ম্পকীয় মতবাদ কেইটা কি? কি?

চিন্তা চর্চা কৰক ঃ ১৪.১

ক) অপৰাধ আৰু পাপৰ মাজত পার্থক্য আছেনে? আলোচনা কৰক।

খ) 'অপৰাধ' শব্দটো পাপতকৈ সংকীর্ণ অর্থত ব্যৱহ্যৰ কৰা হয় নেকি? আপুনি কি ভাবে।

১৪.৪ শাস্তি সর্ম্পকীয় মতবাদ

শাস্তি সম্পর্কীয় মতবাদ সমূহৰ ভিতৰত তিনিটি মতবাদকে মুখ্য বা প্রধান বুলি ধৰা হয়। এই কেইটা হ'ল—

১) প্রতিষেধমূলক মতবাদ (Preventive theory)

২) সংশোধনমূলক মতবাদ (The Educative theory)

৩) প্রতিশোধমূলক মতবাদ (The Rebributive theory)

এতিয়া উক্ত মতবাদকেইটি বিশদভাৱে আলোচনা কৰা হ'ল।

১৪.৫ প্রতিশোধমূলক মতবাদ

এই মতবাদ অনুযায়ী শাস্তি দিয়াৰ উদ্দেশ্য হ'ল— অপৰাধীক এনে শাস্তি দিয়া উচিত যাতে অন্যবিলাক মানুহে এই ধৰণৰ অপৰাধ কৰিবলৈ সাহস নাপায়। এই মতবাদৰ ক্ষেত্রত এটি মর্মকথা সুস্পষ্টভাৱে প্রকাশ কৰা হয়। বাণীতি হ'ল— "তুমি ভেড়া চুৰ কৰিছা কাৰণে তোমাক শাস্তি দিয়া হোৱা নাই। তোমাক শাস্তি দিয়া হৈছে এই কাৰণে যে ভৱিষ্যতে যাতে আন কোনেও ভেড়া চুৰ নকৰে।" (You are not punished for stealing sheep; but in order that sheep may not be stolen) প্রতিষেধমূলক মতবাদৰ দুটা দিশ আছে— (ক) ব্যক্তিগত প্রতিষেধমূলক আৰু (খ) সার্বিক প্রতিষেধমূলক

ব্যক্তিগত প্রতিৰোধাত্মক মতবাদৰ ক্ষেত্রত এজন অপৰাধীক তেওঁ কৰা ভুলৰ বাবে শাস্তি দিয়া হয় । ব্যক্তিগত প্রতিৰোধাত্মক মতবাদৰ দুটা দিশ আছে প্রথমটো হ'ল— নির্দিষ্ট সময়লৈকে এজন অপৰাধীক জেলত ৰখা হয়,যাতে তেওঁ/তাই অন্য বেলেগ আৰু অপৰাধ কৰিব নোৱাৰে।

দ্বিতীয়টো হ'ল— অপৰাধীক শাস্তি দিয়াৰ উদ্দেশ্য নিজক সংশোধন কৰা বাবে নহয়, অন্যথা আনৰ কল্যাণৰ বাবে শাস্তি দিয়া হয়। আনহাতে, সার্বিক প্রতিৰোধাত্মক মতবাদৰ ক্ষেত্রত আনক অন্যায় কামৰ পৰা বিৰত ৰখাই অপৰাধীক শাস্তি দিয়াই হৈছে মূল উদ্দেশ্য। মানুহে দেখি শিকে, গতিকে কাৰোবাক যদি কোনো অপৰাধৰ কাৰণে শাস্তি দিয়া হয়, তেন্তে আনবিলাকে অপৰাধীৰ শাস্তি দেখি সেই অপৰাধ আৰু নকৰিব। এই মতবাদ অনুসাৰে শাস্তি হ'ব দৃষ্টান্তমূলক, যিটো দেখি অপৰাধপ্রবণ অন্যান্য মানুহে ভয় খাই সেই অপৰাধ আৰু নকৰিব।

এই মতবাদে অপৰাধীৰ প্রাণদণ্ড সমর্থন কৰে। ভৱিষ্যতে আৰু একেধৰণৰ অপৰাধ সংঘটিত নহ'বৰ কাৰণে মৃত্যুদণ্ড সমর্থন কৰে। উদাহৰণস্বৰূপে, যদি কোনো মানুহে হত্যাৰ অপৰাধ কৰে তেন্তে এনে অপৰাধ বন্ধ কৰা উচিত। এনে ক্ষেত্রত এই মতবাদে ক'ব বিচাৰে যে এনেকুৱা অপৰাধী আনকি জীয়াই থকাৰ অধিকাৰও নাই। সেয়েহে তেওঁক মৃত্যুদণ্ড দিব লাগে বুলি গণ্য কৰে। আচলতে শাস্তি দৃষ্টান্তমূলক হ'ব লাগে যাতে আনবিলাকে একে ধৰণৰ অপৰাধ আৰু নকৰে। এই মতবাদ অনুযায়ী অপৰাধীক উদ্দেশ্য সাধনৰ উপায় শচপ্লস্ক্রুব্দগ্ন হিচাপে ব্যৱহাৰ কৰা হয়। কিন্তু এই মতবাদ সম্পূর্ণৰূপে গ্রহণযোগ্য নহয় কিয়নো ইয়াত অপৰাধ নিবাৰণৰ উপায় হিচাপে অপৰাধীক ব্যৱহাৰ কৰা হৈছে। কিয়নো অপৰাধীৰ যি ব্যক্তি সত্তা আছে সেয়া অস্বীকাৰ কৰাটো সহজ নহয়। এই প্রকাৰৰ শাস্তিত অপৰাধীৰ কল্যাণৰ কথা ভবা হোৱা নাই, আনৰ কল্যাণৰ কাৰণে যন্ত্র হিচাপে তেওঁক ব্যৱহাৰ কৰা হৈছে। সেয়েহে দৃষ্টান্তমূলক শাস্তিৰ ভয়ত যে মানুহে অপৰাধমূলক কার্যৰ পৰা বিৰত থাকিব তেনে নহয়। সেয়েহে মানুহৰ ভিতৰত নীতিবোধ জগাই তুলি অপৰাধমূলক কামৰ পৰা বিৰত ৰখাই অধিক গ্রহণযোগ্য বুলি স্বীকাৰ কৰা হয়।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ তলৰ বাক্যবোৰ শুদ্ধ নে অশুদ্ধ নির্ণয় কৰক ঃ

ক) প্রতিষেধমূলক মতবাদৰ দুটা দিশ আছে—

১) ব্যক্তিগত প্রতিষেধমূলক

২) সার্বিক প্রতিষেধমূলক

খ) প্রতিষেধমূলক মতবাদটোৱে প্রাণদণ্ডৰ বিষয়টো সমর্থন কৰে।

চিন্তা চর্চা কৰকঃ ১৪.২

ক) আপুনি প্রতিষেধমূলক মতবাদক সমর্থন কৰেনে? আলোচনা কৰক।

খ)প্রাণদণ্ডৰ বিষয়টো প্রতিষেধমূলক মতবাদত অনিবার্য নেকি? আলোচনা কৰক।

১৪.৬ সংশোধনমূলক মতবাদ

এই মতবাদৰ সমর্থকসকলৰ মতে শাস্তিৰ উদ্দেশ্য হল অপৰাধীক সংশোধন কৰা। এই মত অনুযায়ী অপৰাধীক আনৰ কল্যাণৰ বাবে শাস্তি দিয়া নহয়। অপৰাধীয়ে যাতে ভবিষ্যতে নিজকে সংশোধন কৰিব পাৰে, নিজকে নৈতিক নিয়ম সম্পর্কে শিক্ষিত কৰি তুলিব পাৰে সেই কাৰণেহে তেওঁক শাস্তি দিয়া হয়। এই ক্ষেত্রত অপৰাধীৰ নিজৰ কল্যাণৰ কাৰণেহে শাস্তি দিয়া হয়। প্রতিৰোধাত্মক মতবাদৰ নিচিনাকৈ এই মতবাদে কিন্তু অপৰাধীৰ প্রাণদণ্ড সমর্থন নকৰে। কিয়নো সংশোধনাত্মক মতবাদ অনুযায়ী অপৰাধীক সংশোধন কৰাৰ বাবে শাস্তি দিয়া হয়। কিন্তু সকলো সময়তে শাস্তি দিলেও অপৰাধী সংশোধন নহ'বও পাৰে। সেয়েহে শাস্তিৰ পৰিৱর্তে অপৰাধীক সংশোধন কৰা হয়। কিন্তু এইটো সত্য যে, সংশোধনাত্মক মতবাদে প্রাণদণ্ড সমর্থন যোগ্য নহয় বুলি স্বীকাৰ কৰে। সেয়েহে এই মতবাদটো শৰীৰ তত্ত্ববিদ (physiologists), সমাজ বিজ্ঞানী (sociologists) আৰু মনোবিজ্ঞানী (pscychologists)সকলে সমর্থন কৰে।

ক) শৰীৰতত্ত্ব বিজ্ঞানীসকলে সংশোধনাত্মক মতবাদ সমর্থন কৰে। এওঁলোকৰ মতে, যিকোনো অপৰাধেই এক ধৰণৰ মানসিক ৰোগ বা শাৰীৰিক কোনো বৈকল্যৰ ফলস্বৰূপ। সেয়েহে অপৰাধীক শাস্তি দিয়া অনুচিত। অন্যথা শাস্তিৰ পৰিৱর্তে তেঁওলোকৰ মানসিক, শাৰীৰিক ত্রুটিৰ চিকিৎসা কৰাহে দৰকাৰ। physiologistsসকলে কয় যে অপৰাধ নৈতিক নিয়মৰ স্বেচ্ছাকৃত লংঘন নহয়। শাৰীৰিক আৰু মানসিক ত্রুটিৰ বাবে ব্যক্তি অপৰাধ কার্যত লিপ্ত হ'ব লগাত পৰে। গতিকে এনেবোৰ অপৰাধীক শাস্তি দিয়া উচিত নহয়। তেওঁলোকক বৰঞ্চ মানসিক ৰোগৰ চিকিৎসালয়ত বা কোনো সংশোধনাগাৰত ভর্তি কৰাটো প্রয়োজনীয়। কিন্তু এদল অপৰাধী আছে যিয়ে ইচ্ছাকৃতভাৱে নৈতিক নিয়ম লংঘন কৰা দেখা যায়। এনে অপৰাধীসকল শাস্তিৰ যোগ্য। উদাহৰণস্বৰূপে আমি দোষীসকলৰ

কথা উল্লেখ কৰিব পাৰো। কিছুমান ব্যৱসায়িয়ে অত্যাধিক লাভৰ কাৰণে খাদ্য দ্রব্য ভেজাল কৰে। গতিকে তেওঁলোক নিশ্চয় শাস্তিৰ যোগ্য।

খ) সমাজবিজ্ঞানীসকলেও সংশোধনাত্মক মতবাদ সমর্থন কৰে। তেওঁলোকৰ মতে, প্রতিকুল সামাজিক অৱস্থাৰ কাৰণে মানুহে অপৰাধ কৰে। সামাজিক বৈষম্য, মানুহৰ আর্থিক অসমর্থ, নানান সামাজিক দুর্নীতিয়ে মানুহক অপৰাধ কৰিবলৈ যেন বাধ্য কৰায়। উদাহৰণস্বৰূপে চুৰ কৰাটো অপৰাধ। আমাৰ বিধান অনুযায়ী চুৰ কৰি জীৱন নির্বাহ কৰা মানুহক শাস্তি দিয়া দেখা যায়। কিন্তু আমি ভালদৰে লক্ষ্য কৰিলে গম পাম যে চুৰ কৰাৰ প্রধান কাৰণ হ'ল আর্থিক দুর্বলতা। গতিকে সমস্ত অপৰাধৰ মূলতে হ'ল দৰিদ্র। সমাজ বিজ্ঞানী সকলে মন্তব্য কৰে যে অপৰাধ নুই কৰিবলৈ হ'লে সমাজে সাধাৰণ মানুহৰ আর্থিক অৱস্থাৰ উন্নতিৰ কথা ভাবিব লাগিব। গতিকে সাম্য ন্যায় আৰু মৈত্রিৰ ভিত্তিত যদি সমাজ গঢ়ি উঠে তেন্তে অপৰাধ লুপ্ত হ'ব পাৰে।

গ) মনোবিজ্ঞানী (pscychologists)সকলেও অপৰাধ সম্পর্কীয় সংশোধনাত্মক মতবাদ সমর্থন কৰে। তেওঁলোকৰ মতে অপৰাধ নৈতিক নিয়মৰ স্বেচ্ছাকৃত লংঘন নহয়। মানসিক ব্যাধিৰ বাবেহে অপৰাধ হোৱা দেখা যায়। সেয়েহে অপৰাধীক শাস্তি দিয়া অনুচিত। এওঁলোকক বৰঞ্চ মানসিক ৰোগৰ চিকিৎসালয়ত ভর্তি কৰাবহে লাগে। ফ্রয়েডৰ (Freud) মতে, অদমিত যৌন ইচ্ছাই অপৰাধৰ মূল কাৰণ। অপৰাধিক যৌন ইচ্ছা সম্পর্কে সচেতন কৰি অপৰাধ প্রৱণতা দূৰ কৰিব পৰা যায়। সেয়েহে মনোবিজ্ঞানীসকলে অপৰাধীক শাস্তি দিয়াৰ পৰিৱর্তে তেওঁক শিক্ষা আৰু চিকিৎসা দিয়াহে উচিত ব্যৱস্থা বুলি গণ্য কৰে। এইটো সঁচা যে সংশোধনাত্মক মতবাদৰ ফলত অপৰাধীক কিছু পৰিমাণে হ'লেও সংশোধন কৰিব পৰা যায়। কিন্তু সকলো ক্ষেত্রতে এই মতবাদ গ্রহণ যোগ্য নহয়। কিয়নো সকলো অপৰাধীক শাৰীৰিক বা মানসিক বৈকল্যৰ ফল বুলি স্বীকাৰ কৰিব নোৱাৰি।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ছ ঃ খালী ঠাই পূৰণ কৰক ঃ

ক) ..... মতে শাস্তিৰ উদ্দেশ্য হ'ল অপৰাধীক সংশোধন কৰা।

খ) সংশোধনমূলক মতবাদে ..... আইনসম্মত বুলি নাভাবে।

গ) ..... মতে অপৰাধ মানসিক ৰোগ বা উন্মত্ততাৰ ফলস্বৰূপ।

চিন্তা চর্চা কৰকঃ ১৪.৩

ক) সংশোধনমূলক মতবাদে প্রাণদণ্ড সমর্থন কৰেনে? আলোচনা কৰক।

খ) সংশোধনমূলক মতবাদ সম্পূর্ণৰূপে গ্রহণযোগ্য হয় নে? আলোচনা কৰক।

১৪.৭ প্রতিশোধমূলক মতবাদ

এই মতবাদ অনুসাৰে অপৰাধীক জানিব দিব লাগিব যে তেওঁ কৰা অপৰাধৰ ফলত কেৱল আনৰে যে দুর্ভোগ হ'ব এনে নহয়, নিজেও দুর্ভোগ ভুগিব লাগিব। সেয়েহে অপৰাধীয়ে অপৰাধৰ ফল ভোগ কৰিবই লাগিব। এই মত অনুযায়ী শাস্তি হ'ল ন্যায়পৰায়ণতাৰ ব্যৱহাৰিক প্ৰয়োগ। নৈতিক নিয়ম লংঘন কৰিলে অপৰাধীয়ে শাস্তি পোৱা উচিত। সেয়েহে ন্যায়বোধে দাবী কৰে যে অপৰাধীয়ে তেওঁৰ অপৰাধৰ দ্বাৰা নৈতিক নিয়ম ভংগ কৰাৰ বাবে তেওঁ শাস্তিৰ যোগ্য। আনহাতে সমাজৰ নিয়ম লংঘন কৰাৰ বাবে কোনো ধৰণৰ শাস্তি নাথাকিলে মানুহে নিয়ম মানিবলৈ অবাধ্য হব। গতিকে নৈতিক নিয়ম অমান্য কৰা মানুহ শাস্তিৰ যোগ্য। আকৌ অপৰাধ কৰি যদি অপৰাধীয়ে শাস্তি নাপায় তেন্তে নৈতিক নিয়মৰ সার্বভৌমত্ব আৰু বাধ্যবাধকতা নাথাকিব। সেয়েহে অপৰাধীয়ে যি নৈতিক নিয়মৰ আঘাত কৰে সেই নিয়ম পুনৰ প্ৰতিষ্ঠিত কৰাৰ কাৰণে অপৰাধীক শাস্তিৰ প্ৰয়োজন হয়। প্ৰতিশোধমূলক মতবাদে অৱস্থা বিশেষে প্ৰাণদণ্ডও সমর্থন কৰে। এই মতবাদ মতে অপৰাধীয়ে যেতিয়া কাৰোবাক হত্যা কৰে তেনে ক্ষেত্ৰত ন্যায়পৰায়ণতাই দাবী কৰে যে অপৰাধী জীয়াই থকাৰ কোনো অধিকাৰ নাই।

প্ৰতিশোধমূলক মতবাদটি এৰিষ্টটলে (Aristotle), *কাণ্ট* (Kant), আৰু *ব্ৰেডলিয়ে*ও (Bradlee) সমর্থন কৰে। এৰিষ্টটলৰ মতে মানুহে অপৰাধ মূলক কামত লিপ্ত হ'লে তেওঁক নঞৰ্থক পুৰস্কাৰ দিয়া হয়। অপৰাধীয়ে নৈতিক নিয়ম ভংগ কৰে বাবে তেওঁ পুৰস্কাৰৰ অধিকাৰী হয় আৰু এই পুৰস্কাৰ হ'ল— নেতিবাচক পুৰস্কাৰ। কাণ্টৰ মতে অপৰাধীয়ে নৈতিক নিয়ম ভংগ কৰিলে তেওঁ শাস্তিৰ যোগ্য হ'বই। অপৰাধীয়ে কেতিয়াও আনৰ হিত চিন্তা নকৰে। সেয়েহে কাণ্টে কয় যে শাস্তি অপৰাধীৰ বা সমাজৰ কল্যাণৰ কাৰণে নহয় ৱৰঞ্চ শাস্তিৰ কাৰণেই শাস্তি দিয়া আৱশ্যক। *হেগেলে* (Hegel) কৈছে যে অপৰাধীয়ে তেওঁৰ দুষ্কৰ্মৰ বাবে শাস্তি অর্জন কৰে। শাস্তি হ'ল কৃতকৰ্মৰ পুৰস্কাৰ। ব্ৰেডলিৰ মতে নৈতিক নিয়মৰ মর্যাদা বজাই ৰাখিবলৈ শাস্তিৰ প্ৰয়োজন হয়।

প্ৰতিশোধমূলক মতবাদৰ দুটা ৰূপ আছে— (ক) কঠোৰ (Rigoristic) আৰু (খ) কোমল বা লঘু (Mollified)।

ক) কঠোৰ প্ৰতিশোধমূলক মতবাদ অনুসাৰে অপৰাধৰ গুৰুত্ব অনুযায়ী শাস্তি বিধান কৰা উচিত। অপৰাধ কম হ'লে শাস্তিও কম ধৰণৰ হ'ব লাগে আৰু অপৰাধ যদি গুৰুতৰ হয় তেন্তে শাস্তিও কঠোৰ হোৱা উচিত। যদিহে অপৰাধীয়ে কাৰোবাৰ প্ৰাণ নাশ কৰে তেন্তে সেইজন অপৰাধীকো প্ৰাণদণ্ড লাগে বুলি গণ্য কৰা হয়। শাস্তি সম্বন্ধীয় এই মতবাদটি বিশেষকৈ আদিম যুগৰ Judeo-christian Bibleত পোৱা যায়। "হত্যাৰ সলনি হত্যা", যেনেকৈ "চকুৰ সলনি চকু", "দাতৰ সলনি দাত" (an eye for an eye, a tooth for a tooth) —এয়া হ'ল কঠোৰ প্ৰতিশোধমূলক মতবাদৰ মূল নীতি।

খ) আনহাতে, কোমল প্ৰতিশোধমূলক মতবাদ অনুযায়ী শাস্তি দিয়াৰ ক্ষেত্ৰত অপৰাধীৰ পৰিস্থিতিৰ বুজ লোৱাৰ দৰকাৰ বুলি গণ্য কৰা হয়। অর্থাৎ অপৰাধৰ লগত যিবিলাক পাৰিপার্শ্বিক অৱস্থা যুক্ত হৈ থাকে, সেই বিলাক বিবেচনা কৰি অপৰাধীৰ শাস্তিৰ মাত্ৰা ঠিক কৰিব লাগে। কোন অৱস্থাত অপৰাধ সংঘটিত হৈছে, অপৰাধ অনুষ্ঠানৰ সময়ত অপৰাধীৰ মানসিক অৱস্থা, অপৰাধীৰ বয়স, অপৰাধীৰ

অভিপ্রায় ইত্যাদি অৱস্থা সমূহ বিচাৰ কৰি অপৰাধীক শাস্তি দিব লাগে বুলি এই মতবাদে অভিমত দাঙি ধৰে। কঠোৰ প্রতিৰোধমূলক মতবাদৰ দৰে এই মতবাদে অপৰাধীয়ে কাৰোবাৰ প্রাণ নাশ কৰিলে অপৰাধীয়ে প্রাণ দিব লাগে বুলি নাভাবে।

শাস্তি সম্পর্কীয় উক্ত তিনিটি মতবাদৰ ভিতৰত প্রতিশোধমূলক মতবাদৰ কোমল ৰূপটোকে সন্তোষজনক আৰু গ্রহণযোগ্য বুলি স্বীকাৰ কৰা হয়। প্রতিশোধমূলক মতবাদৰ প্রধান বৈশিষ্ট্য হৈছে— শাস্তি হ'ল ন্যায়পৰায়নতাৰ ব্যৱহাৰিক প্রয়োগ। অপৰাধীয়ে নৈতিক নিয়ম লংঘন কৰি যি পাপ কৰে তাৰ বিনিময়ত তেওঁ শাস্তি ভুগিবই লাগিব। সেয়েহে প্রতিশোধমূলক মতবাদটি অন্য দুটি মতবাদতকৈ অধিক গ্রহণ যোগ্যবুলি স্বীকাৰ কৰা হয়। মেকেঞ্জীয়েও (Mekenzie) কৈছে যে সংশোধনমূলক মতবাদে (নিজৰ কল্যাণৰ কাৰণে শাস্তি দিয়া হয়) নাইবা প্রতিষেধমূলক মতবাদে (আনৰ কল্যাণৰ কাৰণে শাস্তি হয়) নৈতিক নিয়মৰ ওপৰত গুৰুত্ব দিয়া দেখা নাযায়। কেৱল প্রতিশোধমূলক মতবাদেহে নৈতিক নিয়মৰ ওপৰত গুৰুত্ব দি শাস্তি প্রদান কৰে। যাৰ কাৰণে এই মতবাদ অধিক গ্রহণযোগ্য বুলি মতপোষণ কৰা হয়।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ ঃ তলৰ বাক্যবোৰ শুদ্ধ নে অশুদ্ধ নির্ণয় কৰক ঃ

ক) প্রতিশোধমূলক মতবাদে প্রাণদণ্ড সমর্থন কৰে।

(শুদ্ধ/অশুদ্ধ)

খ) প্রতিশোধমূলক মতবাদ অনুযায়ী শাস্তি দিয়াৰ উদ্দেশ্য হ'ল নৈতিক নিয়মৰ মর্যাদা বজাই ৰখা।

(শুদ্ধ/অশুদ্ধ)

গ) এৰিষ্টটল, কাণ্ট, হেগেল আৰু ব্রেডলি প্রতিশোধমূলক মতবাদৰ সমর্থক। (শুদ্ধ/অশুদ্ধ)

প্রশ্ন নং ৮ ঃপ্রতিশোধমূলক মতবাদৰ দুটা ৰূপ কি? কি?

প্রশ্ন নং ৯ ঃকোমল প্রতিশোধমূলক মতবাদ কি?

প্রশ্ন নং **১০** ঃ প্রতিশোধমূলক মতবাদৰ Motto মানে কি বুজে?

চিন্তা-চর্চা কৰক ১৪.৪

ক) আপুনি প্রতিশোধমূলক মতবাদটি সমর্থন কৰেনে? আলোচনা কৰক।

খ) প্রাণদণ্ড মতবাদটি প্রতিশোধমূলক মতবাদত অনুমোদন কৰা হয়নে? আলোচনা কৰক।

১৪.৮ প্রাণদণ্ড সমর্থন যোগ্যনে?

প্রাণদণ্ড বুলিলে অপৰাধীক শাস্তি হিচাপে মৃত্যুদণ্ড দিয়াকে বুজায়। শাস্তি হিচাপে প্রাণদণ্ড দিয়া বিষয়টোক লৈ বিতর্কৰ সৃষ্টি হয় কিয়নো বহুতে প্রাণদণ্ড দিয়াটো সমর্থন নকৰে। আনহাতে আমাৰ ভাৰতবর্ষতে বহুতে আকৌ প্রাণদণ্ড দিয়াটো গ্রহণ যোগ্য বুলি মানি লয়। প্রাণদণ্ডৰ বিপক্ষে যিয়ে মত প্রকাশ কৰিছে তেওঁলোকৰ মতে মানুহে জন্মতে অপৰাধী হিচাপে জন্ম গ্রহণ নকৰে। কোনো ব্যক্তিয়ে যেতিয়া হত্যা জাতীয় অপৰাধ কৰে, তেতিয়া তেওঁ সামাজিকভাৱে নিজৰ বিচাৰ বিবেচনাৰ ওপৰত কর্তৃত্ব হেৰুৱাই পেলায়। শীতল মগজুৰে কোনেও কাকো হত্যা কৰিব নোৱাৰে। সেয়েহে আমি চালি-জাৰি চোৱা উচিত যে কিয় তেওঁ এনেকুৱা অপৰাধ বাছি ল'বলগীয়া হ'ল। নিশ্চয় তাত কাৰণ থাকিবই। অভাৱেই মানুহৰ স্বভাৱ নষ্ট কৰে। এই ক্ষেত্রতো অপৰাধীৰ শিক্ষাৰ অভাৱ, সুস্থ পৰিবেশ আৰু অভিভাৱকৰ অভাৱৰ ফলতেই হয়তো এনে কর্ম কৰিবলৈ বাধ্য হয়।

শাস্তি হিচাপে প্রাণদণ্ড দিয়া বিষয়টোক লৈ হোৱা বিতর্কৰ ক্ষেত্রত সংশোধনমূলক আৰু কোমল প্রতিশোধমূলক মতবাদৰ কথা উল্লেখ কৰিব পৰা যায়। সংশোধনমূলক মতবাদ অনুযায়ী অপৰাধীৰ চৰিত্র সংশোধন কৰাই শাস্তিদানৰ মূল উদ্দেশ্য। সেয়েহে এই মতবাদে প্রাণদণ্ড দিয়াটো সমর্থন নকৰে। এই মতবাদ মতে যদি অপৰাধীক মৃত্যুদণ্ড দিয়া হয় তেন্তে অপৰাধীৰ চৰিত্র সংশোধন কৰা সম্ভৱপৰ নহয়।

কোমল প্রতিশোধমূলক মতবাদে শাস্তি হিচাপে প্রাণদণ্ড দিয়াটো সমর্থন নকৰে। এই মতবাদ মতে অপৰাধীক শাস্তি দিয়াৰ ক্ষেত্রত অপৰাধীৰ মানসিক অৱস্থাৰ বুজ লোৱাৰ দৰকাৰ হৈ পৰে। সেয়েহে বর্তমান সময়ত এই দুয়োটা মতবাদক অধিক গ্রহণযোগ্য বুলি স্বীকাৰ কৰা হয়।

১৪.৯ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ

- ন্যায় পৰায়ণতা অনুযায়ী শাস্তিৰ দুটা ৰূপ আছে— পৰিণাম সাপেক্ষ নীতিবিদ্যা। (Teleological) আৰু আনটো পৰিণাম নিৰপেক্ষ নীতিবিদ্যা (deontological)
- পৰিণাম সাপেক্ষ অনুযায়ী মানুহৰ ফল সদায় ভাল কর্মৰ ওপৰত নির্ভৰ কৰে। আনহাতে পৰিণাম নিৰপেক্ষ নীতিবিদ্যা মতে মানুহৰ ভাল কর্মৰ ওপৰত ফল নির্ভৰ নকৰে। পৰিণাম নিৰপেক্ষ দিশৰ পৰা প্রতিকাৰাত্মক মতবাদ আলোচনা কৰা হৈছে। আকৌ পৰিণাম সাপেক্ষ ফালৰ পৰা প্রতিৰোধক আৰু সংশোধনাত্মক মতবাদ আলোচনা কৰা হৈছে।
- শাস্তি সম্পর্কীয় মতবাদসমূহ দুটা দিশত আলোচনা কৰা যায়— উপযোগিতা (Utilitarian) আৰু প্রতিকাৰাত্মক (Retributive)। উপযোগিতাবাদৰ ক্ষেত্রত অপৰাধীয়ে যাতে ভৱিষ্যতে আৰু ভুল নকৰে তাৰ বাবে শাস্তি দিয়া হয়। আনহাতে প্রতিকাৰাত্মক মতবাদ অনুযায়ী অপৰাধী শাস্তিৰ যোগ্য বাবে শাস্তি দিয়া হয়।
- প্রতিষেধমূলক মতবাদ অনুযায়ী শাস্তিৰ উদ্দেশ্য হ'ল— অপৰাধীক এনে শাস্তি দিয়া উচিত যাতে অন্যবিলাক মানুহে এই ধৰণৰ অপৰাধ কৰিবলৈ সাহস নাপায়।

- এই মতবাদৰ বাণীটি হ'ল— "তুমি ভেড়া চুৰ কৰিছা কাৰণে তোমাক শাস্তি দিয়া হোৱা নাই। তোমাক শাস্তি দিয়া হৈছে এই কাৰণে যে ভৱিষ্যতে যাতে আন কোনেও ভেড়া চুৰ নকৰে।" এই মতবাদৰ দুটা দিশ আছে— (ক) ব্যক্তিগত প্রতিষেধমূলক আৰু (খ) সার্বিক প্রতিষেধমূলক
- সংশোধনমূলক মতবাদৰ মতে শাস্তিৰ উদ্দেশ্য হ'ল অপৰাধীক সংশোধন কৰা নতুবা শিক্ষাৰ সুবিধা প্রদান কৰা।
- সংশোধনমূলক মতবাদে অপৰাধীৰ প্রাণদণ্ড সমর্থন নকৰে। কিয়নো সংশোধনাত্মক মতবাদ অনুযায়ী অপৰাধীক সংশোধন কৰাৰ বাবে শাস্তি দিয়া হয়। কিন্তু সকলো সময়তে শাস্তি দিলেও অপৰাধী সংশোধন নহ'বও পাৰে। সেয়েহে শাস্তিৰ পৰিৱর্তে অপৰাধীক সংশোধন কৰা হয়।
- প্রতিশোধমূলক মত অনুযায়ী শাস্তি হ'ল ন্যায়পৰায়ণতাৰ ব্যৱহাৰিক প্রয়োগ।
- প্রতিশোধমূলক মতবাদ অনুসাৰে অপৰাধীক জানিব দিব লাগিব যে তেওঁ কৰা অপৰাধৰ ফলত কেৱল আনৰে যে দুর্ভোগ হ'ব এনে নহয়, নিজেও দুর্ভোগ ভুগিব লাগিব। সেয়েহে অপৰাধীয়ে অপৰাধৰ ফল ভোগ কৰিবই লাগিব। নৈতিক নিয়ম লংঘন কৰিলে অপৰাধীয়ে শাস্তি পোৱা উচিত। সেয়েহে ন্যায়বোধে দাবী কৰে যে অপৰাধীয়ে তেওঁৰ অপৰাধৰ দ্বাৰা নৈতিক নিয়ম ভংগ কৰাৰ বাবে তেওঁ শাস্তিৰ যোগ্য।
- প্রতিশোধমূলক মতবাদৰ দুটা ৰূপ আছে– (ক) কঠোৰ (Rigoristic) আৰু (খ) কোমল বা লঘু (Mollified)। কঠোৰ প্রতিশোধমূলক মতবাদ অনুসাৰে অপৰাধৰ গুৰুত্ব অনুযায়ী শাস্তি বিধান কৰা উচিত। আনহাতে, কোমল প্রতিশোধমূলক মতবাদ অনুযায়ী শাস্তি দিয়াৰ ক্ষেত্রত অপৰাধীৰ পৰিস্থিতিৰ বুজ লোৱাৰ দৰকাৰ বুলি গণ্য কৰা হয়। অর্থাৎ অপৰাধৰ লগত যিবিলাক পাৰিপার্শ্বিক অৱস্থা যুক্ত হৈ থাকে, সেই বিলাক বিবেচনা কৰি অপৰাধীৰ শাস্তিৰ মাত্রা ঠিক কৰিব লাগে।কোন অৱস্থাত অপৰাধ সংঘটিত হৈছে, অপৰাধ অনুষ্ঠানৰ সময়ত অপৰাধীৰ মানসিক অৱস্থা, অপৰাধীৰ বয়স, অপৰাধীৰ অভিপ্রায় ইত্যাদি অৱস্থা সমূহ বিচাৰ কৰি অপৰাধীক শাস্তি দিব লাগে বুলি এই মতবাদে অভিমত দাঙি ধৰে।
- মেকেঞ্জীয়েও (Mekenzie) কৈছে যে সংশোধনমূলক মতবাদে (নিজৰ কল্যাণৰ কাৰণে শাস্তি দিয়া হয়) নাইবা প্রতিষেধমূলক মতবাদে (আনৰ কল্যাণৰ কাৰণে শাস্তি হয়) নৈতিক নিয়মৰ ওপৰত গুৰুত্ব দিয়া দেখা নাযায়। কেৱল প্রতিশোধমূলক মতবাদেহে নৈতিক নিয়মৰ ওপৰত গুৰুত্ব দি শাস্তি প্রদান কৰে। যাৰ কাৰণে এই মতবাদ অধিক গ্রহণযোগ্য বুলি মতপোষণ কৰা হয়।

১৪.১০ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) ড° জ্যোৎস্না ভট্টাচার্য্য —*নীতিবিজ্ঞান*

২) ড° গিৰিশ বৰুৱা —*নীতিবিজ্ঞান*

৩) ড° কালিচৰণ দাস —*নীতিবিজ্ঞান*

১৪.১১ অগ্রগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ ক) শুদ্ধ খ) শুদ্ধ গ) শুদ্ধ ঘ) শুদ্ধ

২নং প্ৰশ্নৰ উত্তৰ ঃ

ক) পৰিণাম নিৰপেক্ষ নীতিবিদ্যা

খ) পৰিণাম সাপেক্ষ নীতিবিদ্যা

৩নং প্ৰশ্নৰ উত্তৰ ঃ সাধাৰণ অৰ্থত অপৰাধ হৈছে সমাজবিৰোধী কাৰ্য কলাপ।

৪নং প্ৰশ্নৰ উত্তৰ ঃ শাস্তি সম্পৰ্কীয় তিনিপ্ৰকাৰৰ মতবাদ হ'ল—

ক) প্ৰতিৰোধাত্মক মতবাদ

খ) সংশোধাত্মক মতবাদ

গ) প্ৰতিকাৰাত্মক মতবাদ

৫নং প্ৰশ্নৰ উত্তৰ ঃ ক) শুদ্ধ খ) শুদ্ধ

৬নং প্ৰশ্নৰ উত্তৰ ঃ ক) প্ৰতিষেধমূলক মতবাদ

খ) প্ৰাণদণ্ড শাস্তি

গ) মনোবিজ্ঞানী

৭নং প্ৰশ্নৰ উত্তৰ ঃ ক) শুদ্ধ খ) শুদ্ধ গ) শুদ্ধ

৮নং প্ৰশ্নৰ উত্তৰ ঃ কোমল আৰু কঠোৰ শাস্তি।

৯নং প্ৰশ্নৰ উত্তৰ ঃ কোমল প্ৰতিশোধাত্মক মতবাদ অনুযায়ী অপৰাধীক শাস্তি দিয়াৰ ক্ষেত্ৰত অপৰাধীৰ পৰিস্থিতিৰ বুজ লোৱাৰ প্ৰয়োজন হয়।

১০নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰতিশোধমূলক মতবাদৰ উদ্দেশ্য হ'ল নৈতিক নিয়ম ৰক্ষা কৰা।

১৪.১২ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন (৫০টা শব্দৰ ভিতৰত)

প্ৰশ্ন নং ১ ঃ পৰিমাণ সাপেক্ষে নীতিবিদ্যা কি?

প্ৰশ্ন নং ২ ঃ শাস্তিতত্ত্বৰ মূল তিনিটা তত্ত্ব কি কি?

প্ৰশ্ন নং ৩ ঃ প্ৰতিশোধমূলক শাস্তিতত্ত্ব কি?

প্ৰশ্ন নং ৪ ঃ প্ৰতিশোধমূলক শাস্তিতত্ত্বৰ লক্ষ্য কি?

প্ৰশ্ন নং ৫ ঃ কোমল প্ৰতিশোধমূলক মতবাদ কি?

প্রশ্ন নং ৬ ঃ প্রতিশোধমূলক তত্ত্বৰ দুটা প্ৰকাৰ কি কি?

খ) চমু প্রশ্ন (১৫০-৩০০টা শব্দৰ ভিতৰত)

প্রশ্ন নং ১ ঃ চমুটোকা লিখক—

ক) প্রাণদণ্ড শাস্তি

খ) প্রতিষেধমূলক মতবাদ

গ) সংশোধনমূলক মতবাদ

ঘ) প্রতিশোধমূলক মতবাদ

ঙ) অপৰাধ আৰু শাস্তি

চ) কোমল প্রতিশোধমূলক মতবাদ

ছ) কঠোৰ প্রতিশোধমূলক মতবাদ

প্রশ্ন নং ২ ঃ প্রতিৰোধমূলক তত্ত্ব সম্পর্কে চমুকৈ লিখক।

প্রশ্ন নং ৩ ঃ শাস্তিৰ সংশোধনমূলক তত্ত্ব কি? চমুকৈ ব্যাখ্যা আগবঢ়াওক।

প্রশ্ন নং ৪ ঃ প্রতিৰোধমূলক তত্ত্বৰ চমু বিৱৰণ আগবঢ়াওক।

প্রশ্ন নং ৫ ঃ প্রতিৰোধমূলক তত্ত্বৰ প্রকাৰ কি কি? আপুনি কোনটো পছন্দ কৰে চমুকৈ আলোচনা কৰক।

গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০টা শব্দৰ ভিতৰত)

প্রশ্ন নং ১ ঃ অপৰাধ কি? অপৰাধ আৰু পাপৰ মাজত পার্থক্য আছে নেকি? নিৰূপন কৰক।

প্রশ্ন নং ২ ঃ শাস্তি সম্পর্কীয় মতবাদ কেইটা কি? কি? প্রতিশেষমূলক মতবাদটি আলোচনা কৰক। এই মতবাদটি গ্রহণযোগ্যনে?

প্রশ্ন নং ৩ ঃ সংশোধমূলক মতবাদটি আলোচনা কৰক। এই মতবাদটো সমর্থন যোগ্যনে?

প্রশ্ন নং ৪ ঃ প্রতিশোধমূলক মতবাদটি আলোচনা কৰক। এইটো গ্রহণযোগ্য হয়নে?

প্রশ্ন নং ৫ ঃ প্রাণদণ্ড শাস্তি বুলিলে কি বুজে? প্রাণদণ্ড সমর্থনযোগ্য হয়নে?

প্রশ্ন নং ৬ ঃ প্রতিশোধমূলক মতবাদৰ ৰূপ দুটা কি? কি? আলোচনা কৰক।

প্রশ্ন নং ৭ ঃ কোমল প্রতিশোধমূলক শাস্তি আপুনি সমর্থন কৰেনে? যদি কৰে সমর্থনত যুক্তি দিয়ক।

প্রশ্ন নং ৮ ঃ সংশোধনমূলক আৰু প্রতিশোধমূলক মতবাদৰ মাজত পার্থক্য দেখিবলৈ পোৱা যায়নে? আলোচনা কৰক।

*** **** ***

অধ্যায় ১৫ঃ ব্যক্তি আৰু সমাজ

অধ্যায় গাঁথনি

১৫.১ উদ্দেশ্য

১৫.২ পৰিচয়

১৫.৩ সামাজিক চুক্তি তত্ত্ব

১৫.৩.১ সামাজিক চুক্তি তত্ত্বৰ সমালোচনা

১৫.৪ জৈৱিক তত্ত্ব

১৫.৪.১ জৈৱিক তত্ত্বৰ সমালোচনা

১৫.৫ দলীয় মনৰ তত্ত্ব

১৫.৫.১ দলীয় মনৰ তত্ত্বৰ সমালোচনা

১৫.৬ ব্যক্তি আৰু সমাজ ঃ সাম্প্রতিক বিৰ্তক

১৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৫.৮ অধিক জানিবলৈ

১৫.৯ অগ্রগতিৰ খতিয়ান

১৫.১০ আৰ্হি প্রশ্ন

১৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ণ কৰি আপুনি —

- ব্যক্তি আৰু সমাজৰ সম্পর্কটো আলোচনা কৰিব পাৰিব,
- সামাজিক চুক্তি তত্ত্বটো ব্যাখ্যা কৰিব পাৰিব,
- সামাজিক জৈৱিক তত্ত্বটোৰ বর্ণনা দিব পাৰিব,
- দলীয় মনৰ তত্ত্বটো বিতংকৈ জানিব পাৰিব,
- ব্যক্তি আৰু সমাজৰ এক সাম্প্রতিক বিৰ্তকৰ মূল্যাংকন কৰিব পাৰিব।

১৫.২ পৰিচয়

চিন্তাবিদসকলে ব্যক্তি আৰু সমাজৰ সম্পর্ককলৈ বিভিন্ন গুৰুত্বপূর্ণ মতামত আগবঢ়াইছে। যদিওবা আমি ব্যক্তি আৰু সমাজৰ আলোচনাক কেন্দ্র কৰি বিভিন্ন মতামত পাওঁ, তথাপি ব্যক্তি আৰু সমাজ পৰস্পৰে এটাই

আনটোৰ ওপৰত নির্ভৰশীল অর্থাৎ এটাক বাদ দি আনটোৰ কথা ভাৱিব নোৱাৰি। ব্যক্তি আৰু সমাজক কেন্দ্ৰ কৰি অৱতাৰণা হোৱা গুৰুত্বপূর্ণ প্রশ্নকেইটা হ'ল, কেনেকৈ সমাজ সৃষ্টি হ'ল? আৰু সমাজ সৃষ্টিত ব্যক্তিৰ ধাৰণাটো প্রথমতে আহিল নে সমাজৰ ধাৰণাটো, এই বিষয়টোক লৈ সমাজ বিজ্ঞানী আৰু দার্শনিকসকলে বিভিন্ন ধৰণৰ মতামত আগবঢ়াইছে। সেয়েহে আমি ব্যক্তি আৰু সমাজক কেন্দ্ৰ কৰি বিভিন্ন তত্ত্ব পাওঁ। এই অধ্যায়টিত আপোনালোকে ব্যক্তি আৰু সমাজক লৈ দার্শনিক আৰু সমাজ বিজ্ঞানীসকলে আগবঢ়োৱা তত্ত্বসমূহ পাব। প্রথমতে দার্শনিক সকলে আগবঢ়োৱা তিনিটা গুৰুত্বপূর্ণ তত্ত্বৰ আলোচনা আগবঢ়োৱা হ'ব। সেইকেইটা হ'ল —

(ক) **সামাজিক চুক্তি তত্ত্ব ঃ** এই তত্ত্বমতে সমাজ হ'ল ব্যক্তিৰ চাহিদা পূৰণ কৰা কৃত্রিমভাৱে সৃষ্ট এটা অৱয়ব বা সংগঠন। সামাজিক চুক্তিৰ প্রৱর্তক কেইজন হ'ল হবচ্, ৰুছো, আৰু জনল'ক। এই তত্ত্বটোক সাম্প্রতিক কালত গঠনবাদ বা সংগঠন বা অৱয়ব বাদ বুলি জনা যায়।

(খ) **জৈৱিক তত্ত্ব ঃ** এই তত্ত্বমতে সমাজক জীৱদেহৰ লগত তুলনা কৰা হয়। যেনেকৈ এটা জীৱদেহ বিভিন্ন স্বতন্ত্র অংশৰে সৈতে মিলিত হৈ একক ভাৱে কাম কৰি থাকে, ঠিক তেনেকৈ সমাজ হ'ল বিভিন্ন ব্যক্তিৰ যৌথ প্রচেষ্টাত সৃষ্টি হোৱা এক দেহ বা অৱয়ব। এই তত্ত্বমতে সমাজ আৰু ব্যক্তি পৰস্পৰে এটাই আনটোৰ ওপৰত নির্ভৰশীল।

(গ) **দলীয় মনৰ তত্ত্ব ঃ** এই তত্ত্বমতে মানুহ সামাজিক প্রাণী। সামাজিক সত্তাক (Social self) সমাজৰ আধাৰত উপলব্ধি কৰা হয়। সেয়েহে সমাজ অবিহনে মানুহৰ প্রসঙ্গটো নিৰর্থক বা অর্থহীন।

— উল্লিখিত তত্ত্বকেইটাৰ উপৰিও আপোনালোকে ব্যক্তি আৰু সমাজ সম্পর্কে এক সাম্প্রতিক বির্তক বিষয়ক আলোচনা পাব। ইয়াৰ জৰিয়তে আপোনালোকে সাম্প্রতিক কালত সমাজ বিজ্ঞানীসকলে কেনেধৰণে ব্যক্তি আৰু সমাজ সম্পর্কে মতামত আগবঢ়াইছে তাক জানিবলৈ পাব।

এতিয়া আমি দার্শনিক সকলে আগবঢ়োৱা তত্ত্বকেইটা বহলাই আলোচনা কৰো।

১৫.৩ সামাজিক চুক্তি তত্ত্ব

ব্যক্তি আৰু সমাজ সম্পর্কে পোৱা তত্ত্বসমূহৰ ভিতৰত সামাজিক চুক্তিটোক এক গুৰুত্বপূর্ণ তত্ত্ব বুলি বিবেচনা কৰা হয়। এই তত্ত্বমতে সমাজ কৃত্রিমভাৱে সৃষ্টি হোৱা এটা ঘটনা। এই তত্ত্বমতে মানুহে স্বাধীন ভাৱে কোনো পাৰস্পৰিক সম্পর্ক অবিহনে জীৱন নির্বাহ কৰিছিল। প্রত্যেকেই স্বয়ংসম্পূর্ণভাৱে জীৱন নির্বাহ কৰিব পাৰি বুলি ভাবিছিল, কিন্তু কালক্রমত তেওঁলোকে ব্যক্তিগত সুবিধাৰ প্রতি লক্ষ্য ৰাখি ইজনে সিজনৰ কায চাপিছিল। এই তত্ত্বৰ সমর্থকসকল হ'ল টমাচ্ হবচ্, ৰুছো আৰু জনলক। এতিয়া আমি এই তত্ত্বৰ অন্তর্ভুক্ত সমর্থনকাৰীৰ বিভিন্ন মতবোৰ আলোচনা কৰিব।

টমাচ্ হবচ্ (১৫৮৮-১৬৭৯) হবচ্ (Thomas Hobbes) লিভিয়াথান (Leviathan) নামৰ কিতাপখনত ব্যক্ত কৰিছে যে মানুহ স্বার্থপৰ, দন্দুৰা আৰু আক্রমণাত্মক। মানুহ স্বভাৱতে স্বার্থবাদী। সেয়েহে মানুহে ভাৱে যে যিয়েই কর্ম কৰা হয় সেই সকলোবোৰেই সম্পূর্ণভাৱে শুদ্ধ। গতিকে মানুহৰ এই প্রৱণতাটোৱেই মানুহৰ মাজত ঘটা সংঘাতৰ প্রধান আৰু একমাত্র কাৰণ।

হবচ্ৰ মতে মানুহৰ জীৱন অকলশৰীয়া, দুখ লগা, বৰ্বৰ আৰু ক্ষন্তেকীয়া। প্ৰত্যেক মানুহেই স্বাধীন, গতিকে এজনে আন এজনৰ লগত সম্বন্ধ কৰিব লগা অৱস্থা এটা সৃষ্টি হোৱা দেখা নাছিল। কিন্তু মানুহৰ এই অকলশৰীয়া জীৱন বৰ সুবিধাজনক নোহোৱা বাবে মানুহে এটা সময়ত স্বাধীন চেতীয়া জীৱন এটা কটোৱাৰ পৰিবৰ্তে এটা সামাজিক জীৱনৰ অৰ্থাৎ পাৰস্পৰিক বুজাবুজিৰ ভাৱ এটা মনলৈ আনিলে আৰু ইয়াৰ ফলস্বৰূপেই সমাজৰ ধাৰণা মানুহৰ মনলৈ আহিল।

জনল'ক (১৬৩২-১৭০৪) জনল'কে হবচ্ৰ মত বিৰোধিতা কৰি মন্তব্য আগবঢ়ায় যে মানুহৰ জীৱন যুদ্ধৰ পৰিপন্থী নহয়। মানুহৰ জীৱন শান্তি আৰু সদইচ্ছাৰ বাহক। ইয়াৰ পৰা এইটোকে বুজিব পাৰি যে **মানুহে প্ৰকৃতিক নিয়ন্ত্ৰণ কৰা ধাৰণাটো লকে খণ্ডন কৰে আৰু মত দিয়ে** যে প্ৰকৃতি নিজৰ বিধি অনুযায়ী চালিত হয়। সেয়েহে ল'কৰ মতে মানুহৰ জীৱন প্ৰকৃতিৰ নিয়মৰ অধীন। হবচ্ৰ দৰে ল'কেওঁ মত দিয়ে যে মানুহৰ জীৱন মুক্ত। গতিকে সকলোৱে সমভাৱে প্ৰকৃতিত জন্ম লয়। সেয়েহে মানুহে প্ৰকৃতিৰ নিষ্ঠুৰ পৰিস্থিতিৰ পৰা মুক্ত হোৱাৰ অৰ্থে পাৰস্পৰিক সম্পৰ্ক আৰম্ভ কৰে আৰু ইয়াৰ ফলস্বৰূপে সভ্য সমাজৰ সৃষ্টি হ'ল। সমাজ সৃষ্টিৰ লগে লগে প্ৰত্যেকেই এটা চুক্তিত অন্তৰ্ভুক্ত হৈ সকলোৱে ন্যায়ৰ বাবে নিয়ম সৃষ্টি কৰি চৰকাৰ গঠন কৰাৰ পৃষ্ঠপোষকতা কৰিলে।

জিন জ্যাক ৰুছো (১৭১২-১৭৭৮)

ৰুচোৰ মতে প্ৰকৃতিত পাৰস্পৰিক বুজাবুজি বা সদইচ্ছা, আৰু সুখৰ অৱস্থা আছিল, কিন্তু জনসংখ্যা বৃদ্ধিৰ লগে লগে মানুহৰ ইচ্ছাৰ পৰিসৰ অৰ্থাৎ ধন বা সম্পত্তি আহৰণ কৰাৰ প্ৰৱণতা মানুহৰ মনলৈ অহাৰ ফলতেই সংঘাতৰ সূত্ৰপাত হ'ল। সেয়েহে মানুহে পাৰস্পৰিক সংঘৰ্ষৰ পৰা পৰিত্ৰাণ পোৱাৰ অৰ্থে আৰু নিজৰ সম্পত্তি আৰু নিৰাপত্তা সংৰক্ষিত কৰাৰ উদ্দেশ্যে মানুহ সংঘবদ্ধ হ'ল। কিন্তু চুক্তিৰ এই প্ৰক্ৰিয়াটো কেৱলমাত্ৰ সম্পত্তি সুৰক্ষা আৰু নিৰাপত্তাৰ বাবে হোৱা নাছিল, ইয়াৰ পৰিবৰ্তে চুক্তিৰ প্ৰক্ৰিয়াটো মানুহৰ মাজত সমন্বয়, সহযোগিতা আৰু পাৰস্পৰিক বুজাবুজিৰ বাবে হৈছিল যাতে প্ৰত্যেকেই ইজনে-সিজনৰ কাষ চাপিব পাৰে। সেয়েহে চমুকৈ ক'ব পাৰি যে মানুহৰ মাজত এটা সামূহিক পাৰস্পৰিক বুজাবুজি বা সামাজিক ঐক্য সৃষ্টি কৰাই সামাজিক চুক্তি তত্ত্বৰ প্ৰধান উদ্দেশ্য আছিল। গতিকে ক'ব পাৰি যে সমাজৰ চেতনা মানুহৰ মনলৈ এনেধৰণে আহিল।

আনহাতে বিখ্যাত অৰ্থনীতিবিদ আদাম স্মিথে মন্তব্য কৰে যে মানুহৰ মাজত পাৰস্পৰিক ব্যয়ৰ লেনদেন ঠিক কৰাৰ কাৰণে সামাজিক চুক্তিৰ সৃষ্টি হ'ল। সেয়েহে তেওঁ মত দিয়ে যে সমাজ মানুহৰ দ্বাৰা সৃষ্ট এক কৃত্ৰিক কাৰ্য প্ৰণালী।

১৫.৩.১ সামাজিক চুক্তি তত্ত্বৰ সমালোচনা

সামাজিক চুক্তি তত্ত্বৰ সমৰ্থনকাৰীসকলে যদিওঁ বিভিন্ন ধৰণে এই তত্ত্বটো আলোচনা কৰিছে তথাপি এই চুক্তি তত্ত্বটো ঐতিহাসিক আৰু লৌকিক সত্যৰ ভিত্তিত প্ৰতিষ্ঠিত নহয়। মানুহে সমাজ অবিহনে বাস কৰিব পৰা ধাৰণাটো এই তত্ত্বমতে সহজে মানি ল'ব নোৱাৰি।

সামাজিক ব্যৱস্থাৰ অবিহনে প্ৰকৃতিৰ অৱস্থা সম্পৰ্কে কৰা ব্যক্তি আৰু সমাজৰ ধাৰণাওঁ কোনো পধ্যে মানি ল'ব নোৱাৰি। ইয়াৰ উপৰিও মানুহৰ সম্পত্তি আৰু নিৰাপত্তা জনিত কাৰণত সমাজৰ সৃষ্টিৰ ধাৰণাটো সহজে স্বীকাৰ কৰি ল'ব নোৱাৰি।

দ্বিতীয়তে, সামাজিক চুক্তিৰ আগেয়ে প্ৰকৃতিৰ অৱস্থা সম্পৰ্কে কৰা পূৰ্ব ধাৰণাবোৰ যেনে - মানুহ স্বাথান্বেষী, অমানবীয় ইত্যাদি ধাৰণা মানি ল'ব নোৱাৰি। কাৰণ মানুহক সম্পূৰ্ণৰূপে স্বাথান্বেষী অথবা পৰিহিতকাৰী বুলিও ক'ব নোৱাৰি। আকৌ মানুহক অহংভাৱপূৰ্ণ আৰু হিতকাৰী বা পৰাৰ্থবাদী বুলি কৰা ধাৰণাটোও সহজে উপেক্ষা কৰিব নোৱাৰি।

তৃতীয়তে এই তত্ত্বটো যুক্তিৰ আধাৰত প্ৰতিষ্ঠিত নহয়। কাৰণ সামাজিক চুক্তিতত্ত্বটোৱে ৰাজনৈতিক চেতনাবোধক সমাজ সৃষ্টিত পূৰ্ব নিদ্ধাৰিত বুলি কৰা ধাৰণাটো দোষমুক্ত নহয়। কাৰণ প্ৰকৃতিৰ আদিম অৱস্থাত মানুহৰ মনত ৰাজনৈতিক চেতনাবোধৰ আবিৰ্ভাবৰ প্ৰক্ৰিয়াটো সহজে মানি ল'ব নোৱাৰি। সেয়েহে সমাজ সৃষ্টিৰ আৰম্ভণিতে সামাজিক চুক্তিতত্ত্বটো গ্ৰহণযোগ্য নহয়। শেষত ক'ব পাৰি যে সামাজিক চুক্তিতত্ত্বটো ব্যক্তি আৰু সমাজ সম্পৰ্কে কৰা এটা সুক্ষ্ম আলোচনাৰ বাদে আন একো নহয়। সেয়েহে এই চুক্তিয়ে বান্ধি দিয়া কাৰণবোৰ গ্ৰহণযোগ্য নহয়। তথাপি এই চুক্তিটোৰ দ্বাৰা সমাজতত্ত্ববিদ সকলে ব্যক্তি আৰু সমাজ সম্পৰ্কে এটা সুক্ষ্ম আলোচনা দাঙি ধৰিবলৈ সক্ষম হৈছে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ খালী ঠাই পূৰণ কৰক --

(ক) ..... সমাজ হ'ল কৃত্ৰিম ভাৱে সৃষ্ট ঘটনা।

(খ) জনল'ক ..... বাদৰ সমৰ্থক

(গ) হবচ্ৰ মতে মানুহ স্বভাৱতে .....।

(ঘ) হবচ্ৰ মতে প্ৰকৃতিৰ আদিম অৱস্থাটো ..... আৰু .....।

প্ৰশ্ন নং ২ঃ শুদ্ধ উত্তৰ বাছি উলিয়াওক ঃ

(ক)ৰুছো/ল'ক/হবচ্ লিভিয়াথান নাম কিতাপ ৰচোতা।

(খ)মানুহৰ জীৱন নিসংগ, দুৰ্বল, আসুৰিক, অমানবীয় আৰু চুটি উক্তিটো ল'ক/ৰুছো/হবচ্ে আগবঢ়াইছে।

অনুশীলনী ঃ ১৫.১

- সামাজিক চুক্তি তত্ত্বটো সন্তোষজনক নহয়। এই উক্তিটোৰ বিষয়ে আপুনি কি ভাবে। আলোচনা কৰক।

১৫.৪ জৈৱিক তত্ত্ববাদ

এই তত্ত্বটোৱে সমাজক এটা জীৱদেহৰ অৱয়বৰ লগত তুলনা কৰে। যিদৰে মানৱীয় দেহ এটা ইয়াৰ বিভিন্ন অংশৰ লগত সম্বন্ধ থাকে আৰু জীৱদেহ এটা যেনেকৈ ইয়াৰ বিভিন্ন অংশৰ অবিহনে কল্পনা কৰিব নোৱাৰি ঠিক তেনেকৈ সমাজ বুলি ক'লে দৰাচলতে মানুহ বা ব্যক্তিৰ কথা আমাৰ মনলৈ আহে। জৈৱিক তত্ত্ববাদৰ সমর্থক হার্বাট স্পেনচাৰে বক্তব্য আগবঢ়াইছে যে "সমাজৰ গাঁথনিক বা অৱয়বক জীৱদেহৰ লগত তুলনা কৰিব পাৰি। জন্তুৰ খাদ্য সংগ্রহৰ পদ্ধতিটো সমাজএখনৰ উদ্যোগিক আৰু কৃষি- পদ্ধতিৰ সৈতে তুলনা কৰিব পাৰি। যেনেকৈ জীৱদেহৰ সঞ্চালন পদ্ধতিটো যাতায়ত আৰু পৰিবহন, আৰু স্নায়ুতন্ত্রক চৰকাৰ এখনৰ লগত তুলনা কৰিব পাৰি ইত্যাদি"। জৈৱিক তত্ত্বটোৱে মানুহৰ সামাজিক গাঁথনিটোৰ কথা সূচায়। মানুহ সামাজিক প্রাণী সেয়েহে মানুহে সংগ বিচাৰে। সমাজত পাৰস্পৰিক বুজাবুজিৰ ভাবধাৰাটোৱে মানুহৰ আসুৰিক আৰু স্বার্থবাদী প্রকৃতিটো দূৰ কৰে আৰু ইয়াৰ ফলস্বৰূপে মানুহে সমাজ পাতি বাস কৰিবলৈ চুক্তিবদ্ধ হয়। কিন্তু সামাজিক চুক্তিতত্ত্বটোক ব্যক্তি আৰু সমাজ সম্পর্কে ব্যাখ্যা দিয়া একমাত্র তত্ত্ব বুলি গ্রহণ কৰিব নোৱাৰি।

জৈৱিক তত্ত্বটোক ব্যক্তি আৰু সমাজ সম্পর্কে আগবঢ়োৱা তত্ত্বসমূহৰ ভিতৰত উন্নতমানৰ তত্ত্ব বুলি ধৰা হয়। এই তত্ত্বটোৰ মতে প্রত্যেক ব্যক্তিয়েই স্বাধীন আৰু ইয়াৰ বাবে মানুহে ইজনে সিজনৰ লগত পাৰস্পৰিক সম্পর্ক বা লেনদেন কৰিবলৈ বিচাৰে। সেয়েহে সমাজ অবিহনে মানুহৰ ধাৰণা আধাৰহীন প্রত্যয় বুলি ধৰা হয়। চিন্তা, অনুভৱ আৰু ইচ্ছাক মানুহ এজনৰ গুৰুত্বপূর্ণ বিষয়বস্তু হিচাপে স্বীকৃতি দিয়া হয়।

সেয়েহে এই ক্ষেত্রত গুৰুত্বপূর্ণ প্রশ্ন এটা স্বাভাৱিক ভাৱে আমাৰ মনলৈ আহে। সেইটো হ'ল সমাজ অবিহনে ব্যক্তি বা মানুহৰ কথা ভাৱিব পৰা যায় নে? এই তত্ত্ব মতে মানুহৰ চিন্তা, অনুভৱ আৰু ইচ্ছা সমাজত প্রতিফলন হয়, সেয়েহে সমাজ অবিহনে মানুহৰ অস্তিত্ব থাকিব নোৱাৰে। সেয়েহে ক'ব পাৰি যে মানুহ আৰু সমাজ পৰস্পৰে এটাই আনটোৰ ওপৰত নির্ভৰশীল। মানুহক বা ব্যক্তিক সমাজৰ এক গুৰুত্বপূর্ণ অংশ হিচাবে ধৰা হয়, সেয়েহে এই তত্ত্ব মতে মানুহ আৰু সমাজক এটাক আনটোৰ পৰা পৃথক কৰিব নোৱাৰি। গতিকে এই তত্ত্বই সামাজিক চুক্তিটোৰ বিৰোধিতা কৰি সমাজক জীৱদেহৰ লগত তুলনা কৰাৰ পোষকতা কৰে।

জানি থোৱা ভাল

কার্যবাদক সমাজতত্ত্বত পুৰণি আৰু গুৰুত্বপূর্ণ তত্ত্ব হিচাপে ধৰা হয়। কার্যবাদৰ ধাৰণাই দুটা দিশত গুৰুত্ব প্রদান কৰে। শ্চনগ্ন বৈজ্ঞানিক পদ্ধতিৰ প্রয়োগে সামাজিক পৃথিৱীখনক বস্তুগতভাৱে অধ্যয়ন কৰাত সহায় কৰে। শ্চনগ্ন সমাজক জীৱদেহৰ লগত তুলনা কৰি ব্যক্তি আৰু সমাজৰ সম্পর্ক দেহ আৰু ইয়াৰ বিভিন্ন অংগৰে সৈতে বিজোৱা হয়। ইমলিডাৰখেম আৰু টেলকট্ পাৰচনচ্ কার্যবাদৰ সমর্থক। তেওঁলোকে মত দিয়ে যে সামাজিক পৃথিৱীখন বস্তুনিষ্ঠভাৱে সত্য। কার্যবাদীসকলে সমাজক এটা জীৱদেহৰ লগত তুলনা কৰে। তেওঁলোকে ভাবে যে সমাজৰ অনুষ্ঠানসমূহ যেনে পৰিয়াল, শিক্ষা, ধর্ম, আইন, আৰু গণমাধ্যমৰ দ্বাৰা সমাজ সুন্দৰভাৱে পৰিচালিত হয়।

১৫.৪.১ জৈৱিক তত্ত্বৰ সমালোচনা

যদিওবা এই তত্ত্বটো সামাজিক চুক্তিতত্ত্বৰ এক উন্নতৰূপ তথাপি এই তত্ত্বটো সমালোচনাৰপৰা মুক্ত নহয়।

প্ৰথমতে, এই তত্ত্বই সমাজক জীৱদেহ এটাৰ লগত তুলনা কৰে। কিন্তু প্ৰকৃতাৰ্থত ব্যক্তি আৰু সমাজৰ সম্পৰ্ক জীৱদেহ আৰু ইয়াৰ বিভিন্ন অংগৰ দৰে নহয়, কাৰণ এই তত্ত্বটোত এটা উপমাৰ দ্বাৰা ব্যক্তি আৰু সমাজৰ সম্পৰ্কটো দাঙি ধৰা হৈছে। ব্যক্তি আৰু সমাজৰ সম্পৰ্ক কোনো কৃত্ৰিম পদ্ধতিৰে দেখুৱাব নোৱাৰি। কাৰণ সমাজ মানুহৰ নিজৰ প্ৰয়োজনৰ বাবেহে সৃষ্টি হৈছে।

দ্বিতীয়তে, জৈৱিক তত্ত্বটোৱে সমাজ সম্পৰ্কে সঠিক ব্যাখ্যা দাঙি ধৰিব পৰা নাই। মানৱ দেহৰ অংগৰ পতন ঘটে কিন্তু সমাজ এখন ধ্বংস নহয়। সেয়েহে সমাজ আৰু জীৱদেহৰ সম্পৰ্ক ব্যক্তি আৰু সমাজৰ আলোচনাত গুৰুত্বপূৰ্ণ নহয়। গতিকে সমালোচকসকলে এই তত্ত্বটোক এক সন্তোষজনক মত বুলি বিবেচনা নকৰে।

চমুকৈ ক'ব পাৰি যে এই তত্ত্বটোৱে আমাক আদিম যুগৰ ব্যক্তি আৰু সমাজৰ ধাৰণাক পৰিহাৰ কৰি ব্যক্তি আৰু সমাজৰ পৰস্পৰ নিৰ্ভৰশীল ধাৰণাটোৰ ব্যাখ্যা আগবঢ়ায়। ইয়াৰ উপৰি এই তত্ত্বটোৱে দৃঢ়ভাৱে বক্তব্য কৰে যে ব্যক্তি সমাজ অবিহনে বাস কৰিব নোৱাৰে আৰু সমাজৰ ধাৰণা ব্যক্তি অবিহনে অৰ্থহীন। সেয়েহে ব্যক্তি আৰু সমাজৰ ধাৰণা পৰস্পৰ নিৰ্ভৰশীল।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ জৈৱিক তত্ত্বটো কি?

প্ৰশ্ন নং ৪ঃ ব্যক্তি অবিহনে সমাজৰ কথা ভাবিব পাৰিনে?

প্ৰশ্ন নং ৫ঃ জৈৱিক তত্ত্বৰ সমৰ্থক সকল কোন কোন?

প্ৰশ্ন নং ৬ঃ সচাঁ/মিছা নিৰ্ণয় কৰক-

(ক) জৈৱিক তত্ত্বই দেখুৱায় যে ব্যক্তি আৰু সমাজ পৰস্পৰ নিৰ্ভৰশীল। (সঁচা/মিছা)

(খ) জৈৱিক তত্ত্বটো সন্তোষজনক। (সঁচা /মিছা)

(গ) সামাজিক চুক্তি তত্ত্বই সমাজৰ কৃত্ৰিম মতামতটোক সমৰ্থন কৰে। (সঁচা/মিছা)

চিন্তা চৰ্চা কৰকঃ ১৫.২

- জৈৱিক তত্ত্বটোত ব্যক্তি আৰু সমাজৰ ধাৰণাটো কৃত্ৰিম নহয়। আলোচনা কৰক।
- জৈৱিক তত্ত্বটো ব্যক্তি আৰু সমাজৰ এক সন্তোষজনক মতামত। আপুনি কি ভাবে?

১৫.৫ দলীয় মনোগত তত্ত্ব

এই তত্ত্বমতে মানুহ সামাজিক প্ৰাণী। যৌক্তিক আত্মা অথবা ভাবগত আত্মাক এই তত্ত্বত সামাজিক সত্তা হিচাপে ধৰা হয়। প্ৰত্যেক ব্যক্তিৰেই এটা যৌক্তি ক সত্তা আছে যি সমাজৰ অন্তৰ্ভূক্ত। সেয়েহে সামাজিক সত্তা আৰু যৌক্তিক সত্তা সমাজৰে সদস্য। নৈতিকতা আৰু আধ্যাত্মিকতা সমাজৰে অন্তৰ্ভূক্ত বিষয় আৰু সমাজতে উপলব্ধি কৰা হয়। এই তত্ত্বমতে সামাজিক সত্তাৰ উপলব্ধিৰ বিষয়টো এক বিশেষ লক্ষ্য হিচাবে সমাজত বিবেচনা কৰা হয়। সেয়েহে সমাজক সামাজিক সত্তাৰ উপলব্ধিৰ ক্ষেত্ৰত মাধ্যম হিচাপে ব্যৱহাৰ কৰা হয়। আচলতে সামাজিক সত্তা প্ৰত্যেক ব্যক্তিৰ সত্তাতে বা আত্মাতে নিহিত হৈ থাকে। প্ৰত্যেক ব্যক্তিয়েই নিজৰ মাজত নিহিত থকা সামাজিক সত্ত্বাক উপলব্ধি কৰিব পাৰে। সেয়েহে এইটোকে ক'ব পাৰি যে প্ৰত্যেক মানুহৰে 'সাামজিক সত্ত্বাক' উপলব্ধি কৰাৰ বাবে এটা হাবিয়াস থাকে আৰু সমাজত বাস কৰিয়েই মানুহে নিজৰ লক্ষ্যত উপনীত হ'ব পাৰে। সেয়েহে প্ৰখ্যাত সমাজ বিজ্ঞানী ডাৰখেমে মত দিয়ে যে ঃ "সামাজিক সত্তাটো ব্যক্তিসত্তাৰ পৰা পৃথক আৰু শ্ৰেষ্ঠতৰ আৰু এই সামাজিক সত্তাটোক আত্মা সম্বন্ধীয় জীৱনতকৈ শ্ৰেষ্ঠ বুলি ধৰা হয়।"

ডাৰখেমৰ বক্তব্যৰ পৰা ক'ব পাৰি যে প্ৰত্যক ব্যক্তিয়েই সামাজিক সত্তাৰ পৰা পৃথক। সেয়েহে বস্তুনিষ্ঠ সত্তাক সামাজিক সত্তাৰ মাধ্যমেদি উপলব্ধি কৰা হয়। ইয়াক প্ৰত্যেক ব্যক্তি সত্তাৰ বা ভাবগত সত্তাৰ আন্তঃসত্তা বা সাৰবস্তু বুলিও কোৱা হয়। প্ৰত্যেক ব্যক্তিয়েই সমাজত পৰস্পৰে পৰস্পৰৰ ওপৰত নিৰ্ভৰশীল। কোনো ব্যক্তিয়েই নৈতিক, আধ্যাত্মিক আৰু সাৰ্বিক বা বস্তুনিষ্ঠ সত্তাটো স্বতন্ত্ৰভাৱে অৰ্থাৎ আন ব্যক্তিসত্তাৰ অবিহনে উপলব্ধি কৰিব নোৱাৰে। সামাজিক সত্তাক শ্ৰেষ্ঠ সত্তা বুলি কোৱা হয়। ব্যক্তি সত্তাই সামাজিক সত্তা বা সাৰ্বিক বা সাধাৰণ সত্তাটো সমাজত থাকিয়েই উপলব্ধি কৰিব বিচাৰে। ইয়াকে প্ৰত্যেক ব্যক্তি সত্তাৰ চৰম লক্ষ্য বা আদৰ্শ বুলি বিবেচনা কৰা হয়।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ঃ দলীয় মনোগত তত্ত্বৰ প্ৰধান উদ্দেশ্যটো কি?

প্ৰশ্ন নং ৮ঃ সামাজিক সত্তা বুলিলে কি বুজা যায়?

প্ৰশ্ন নং ৯ঃ সঁচা /মিছা নিৰ্ণয় কৰক -

(ক) দলীয় মনোগত তত্ত্ব মতে , 'মানুহ সামাজিক প্ৰাণী'। (সঁচা/মিছা)

(খ) ডাৰখেমে বক্তব্য কৰে যে ব্যক্তিসত্তা সামাজিক সত্তাৰ পৰা পৃথক। (সঁচা/মিছা)

(গ) দলীয় মনোগত তত্ত্বই মত দিয়ে যে সামাজিক সত্তা সমাজ অবিহনে উপলব্ধি কৰিব পাৰি। (সঁচা/মিছা)

চিন্তা-চর্চা কৰক ১৫.৩

- দলীয় মনোগত তত্ত্বটো সন্তোষজনক হয়নে? যুক্তি দিয়ক
- ব্যক্তি সত্তা আৰু সামাজিক সত্তাৰ মাজত কিবা পার্থক্য আছেনে? আলোচনা কৰক।

১৫.৬ সাম্প্রতিক সম্পর্ক ঃ ব্যক্তি আৰু সমাজ

ব্যক্তি আৰু সমাজৰ সম্পর্কটো সমসাময়িক বা আধুনিক সমাজ বিজ্ঞানত চাৰিটা ভাগত শ্রেণীবিভাজন কৰিব পাৰি। সেইকেইটা হ'ল ----

- নামবাদ (নামমাত্রবাদ)
- পৰস্পৰ ক্রিয়াপদ (অন্যোন্যবাদ)
- নব্য - নামবাদ
- বাস্তৱবাদ

নামবাদ ঃ নামবাদৰ মতে ব্যক্তিয়েই হ'ল একমাত্র সত্তা। সাধাৰণ ধাৰণাবোৰ যেনে সমাজ, দল, কৃষ্টি-সংস্কৃতি আৰু মূল্য ইত্যাদি মানুহৰ ব্যৱহাৰ অধ্যয়ন কৰাৰ কাৰণে ব্যৱহাৰ কৰা নহয়। কিন্তু নামবাদে কেৱল মানুহৰ ব্যৱহাৰৰ অধ্যয়নতহে গুৰুত্ব দিয়ে। সেয়েহে ইয়াক ব্যক্তি মনস্তত্ত্ব বুলি কোৱা হয়। ব্যক্তি মনস্তত্ত্বৰ মাধ্যমেদি এজন মানুহৰ ব্যৱহাৰ বিভিন্ন দিশৰ পৰা জানি আন এজন মানুহৰ ব্যৱহাৰৰ বিষয়ে আগতীয়াকৈ ক'ব পাৰি। সেয়েহে দলীয় মনোগত সত্তাৰ প্রসঙ্গটো বাস্তৱ সত্তা নহয়। আচলতে দলীয় মনোগত সত্তা বুলি ক'লে বিভিন্ন ব্যক্তিৰ সাধাৰণ সত্তাকহে বুজা যায়।

নামবাদৰ লগত সামাজিক চুক্তি তত্ত্বৰ মিল আছে। এই তত্ত্বই সমাজক এক কৃত্রিম প্রতিবদ্ধ ঘটনা বুলি মন্তব্য কৰে। সমাজক প্রাকৃতিক ঘটনা বুলি ধৰা নহয় কাৰণ মানুহে বিভিন্ন প্রাকৃতিক দুর্যোগ যেনে- বানপানী, ভূমিকম্প, বিভিন্ন বেমাৰ আজাৰ আদিৰ পৰা পৰিত্রাণ পোৱাৰ মানসেৰে সকলোৱে একেলগ হৈ এটা চুক্তি তত্ত্বত স্বাক্ষৰ কৰাৰ প্রয়োজনীয়তা অনুভৱ কৰিছিল। গতিকে এই তত্ত্বই ইংগিত দিব যে সমাজত ব্যক্তিৰ এক গুৰুত্বপূর্ণ ভূমিকা আছে। কাৰণ ব্যক্তি অবিহনে সমাজৰ কোনো স্বতন্ত্র অস্তিত্ব থাকিব নোৱাৰে। সামাজিক চুক্তিতত্ত্বৰ নিচিনাকৈ নামবাদে বক্তব্য কৰে যে ব্যক্তি বা মানুহ সমাজৰ ধাৰণাতকৈ আগতে মনলৈ অহা এটা ধাৰণা।

পৰস্পৰ ক্রিয়াবাদ ঃ এই তত্ত্বই মত দিয়ে যে ব্যক্তি আৰু সমাজক স্বতন্ত্রভাৱে আলোচনা কৰিব নোৱাৰি। ব্যক্তি আৰু সমাজ পৰস্পৰে পৰস্পৰৰ ক্রিয়াকৰণৰ বাবে এটাক আনটোৰ পৰা পৃথক কৰিব নোৱাৰি। এই তত্ত্বৰ মতে সমাজ- মনস্তত্ত্ব আকাৰৰ সৈতে জড়িত হৈ আছে । তাৰোপৰি এই তত্ত্বই প্রত্যেক ব্যক্তিৰ মাজৰ সার্বিক বা সামাজিক সত্তাক অস্বীকাৰ কৰে। আনহাতে এই তত্ত্বই এটা বিশেষ কৃষ্টি সংস্কৃতি বা সামাজিক প্রসঙ্গত মানুহ বা ব্যক্তি শ্রেণীৰ সামান্যতাৰ লগত জড়িত হৈ থাকে।

এই ধাৰণাৰ জৈৱিক তত্ত্ব লগত মিল আছে। এই তত্ত্বই ব্যক্তি আৰু সমাজৰ গুৰুত্বপূৰ্ণ সম্পৰ্কটোৰ কথাকে বুজায়। জৈৱিক তত্ত্ব মতে ব্যক্তি আৰু সমাজ পৰস্পৰে এটাই আনটোৰ ওপৰত নিৰ্ভৰশীল। সেয়েহে এটাক বাদ দি আনটোৰ আলোচনা কৰিব নোৱাৰি। এই তত্ত্বই সমাজক জীৱদেহৰ লগত তুলনা কৰে। যেনেকৈ এটা জীৱদেহ ইয়াৰ বিভিন্ন অংগৰ সৈতে সাঙোৰ খাই থাকে ঠিক তেনেকৈ ব্যক্তি আৰু সমাজ এটাই আনটোৰ লগত এৰাব নোৱাৰাকৈ বান্ধ খাই থাকে।

নব্য-নামবাদ ঃ এই তত্ত্বই দলীয় মনোগত সত্তাৰ অস্তিত্বক বস্তুনিষ্ঠ সত্তা হিচাবে গ্ৰহণ কৰে। এই সত্তাৰ মতে সমাজ ব্যক্তি সত্তাৰ এক সংগঠিত ৰূপ আৰু সমাজ বুলি ক'লে আমি মানুহৰ মনত তাৎক্ষনিক ভাৱে ওপজা এক ধাৰণাৰ কথা বুজো। সেয়েহে সামাজিক ঘটনা প্ৰবাহ ব্যক্তিৰ ঘটনাৰ আলমত ব্যাখ্যা কৰিব পাৰি। এই ধাৰণাই সমাজক কৃত্ৰিমভাৱে উদ্ভৱ হোৱা প্ৰতিসিদ্ধ ঘটনাৰ ধাৰণাক সংশোধন কৰে। এই তত্ত্বৰ মতে সমাজ ব্যক্তিসত্তাৰ এক সংগঠিত ৰূপ। সেয়েহে সমাজ কেতিয়াও কৃত্ৰিমভাৱে উদ্ভৱ হোৱা ধাৰণা হ'ব নোৱাৰে। অলপৰ্ট (Allport) আৰু হোমানচ্ (Homans) নব্য নামবাদৰ সমৰ্থক। নব্য নামবাদী অথবা অব্যাখ্যাবাদী মনস্তাত্তিক সমাজ বিজ্ঞানী সকলে মত দিয়ে যে "সামাজিক গাথঁনিটো একপ্ৰকাৰ সুচলভাৱে মানুহে নিজৰ সুবিধাৰ্থে কৰা মনেসজা কাহিনী। তদুপৰি ব্যক্তিৰ আচৰণসমূহ একেলগ কৰি একপ্ৰকাৰ সংক্ষেপে দিয়া সংজ্ঞা।" এই ধাৰণাটোৰ লগত দলীয় মনোগত তত্ত্বৰ মিল আছে। কাৰণ এই তত্ত্বই সামাজিক গাথঁনিৰ ওপৰত ব্যক্তি স্বতন্ত্ৰ মনোভাৱৰ ধাৰণাটোক সমালোচনা কৰে। এই তত্ত্বৰ মতে সামাজিক সত্তাৰ লগত ব্যক্তি সত্তাৰ মিল আছে। সাধাৰণতে সামাজিক সত্তাক ব্যক্তিগত সত্তাৰ এক সমষ্টি বোলা হয়। সেয়েহে এই ধাৰণাই ব্যক্তি আৰু সমাজৰ সম্পৰ্কটোক ব্যাখ্যা কৰিবলৈ গৈ সামাজিক ব্যৱহাৰৰ ওপৰত গুৰুত্ব দিছে।

বাস্তৱবাদ ঃ এই মতবাদ মতে দলীয় মনোগত সত্তা আৰু ব্যক্তি সত্তা উভয়ে বাস্তৱ। এই মতবাদে সামাজিক ব্যৱস্থা আৰু ইয়াৰ উপাদানসমূহৰ জৰিয়তে দলীয় মনোগত সত্তাক বুজিব পাৰি বুলি মন্তব্য আগবঢ়ায়। কিন্তু দলীয় মনোগত সত্তাক ব্যক্তিৰ আচৰণৰ মাধ্যমেদি ব্যাখ্যা কৰিব পৰা নাযায়। ডাৰখেমে বক্তব্য আগবঢ়ায় যে সামাজিক ব্যৱস্থাসমূহ মানুহৰ ইচ্ছাৰ নিয়ন্ত্ৰণাধীন নহয়। সেয়েহে ক'ব পাৰি যে সামাজিক ঘটনাসমূহ ব্যক্তিগত ঘটনা প্ৰবাহলৈ ৰূপান্তৰিত কৰিব নোৱাৰি। সেয়েহে সমাজ কেতিয়াও ইয়াৰ অংশৰ লগত এক বুলি ক'ব নোৱাৰি। সেয়েহে সমাজ কেতিয়াও আংশিকভাৱে ব্যক্তিৰ সমষ্টি হ'ব নোৱাৰে। এইটো কোৱা হয় যে সামাজিক ঘটনাসমূহ উৎপত্তিগত দিশৰ পৰা মনস্তাত্ত্বিক বুলি ভবা হয়। কাৰণ যিবোৰ উপাদান লগলাগি সমাজ এখন গঠিত হয় সেই উপাদানসমূহ ব্যক্তি - বিশেষ বুলি কোৱা হয়। ব্যক্তি - বিশেষে এটা বিশেষ বৈশিষ্ট্য বা গুণক সূচায়। গতিকে এইটো কোৱা হয় যে ব্যক্তি চেতনাৰ অবিহনে সাধাৰণতে ব্যক্তি বিশেষৰ কথা চিন্তা কৰিব নোৱাৰি। কিন্তু ব্যক্তিগত চেতনাই কোনো বিশেষ বৈশিষ্ট্য বা গুণক নুসূচায়।

মনোগত উপাদানৰ মাধ্যমেৰে সামাজিক জীৱনক ব্যাখ্যা কৰাৰ প্ৰৱণতাটোক এটা শুদ্ধ ব্যাখ্যা বুলি কোৱা নহয়। যদিওবা বিশেষ গুণবোৰ যেনে পিতৃ-মাতৃ স্নেহ, লিঙ্গগত ঈৰ্ষা, ইত্যাদিক অন্তঃৰ্জাত বুলি কোৱা হয়। তথাপি উল্লিখিত বিশেষ গুণবোৰ সামাজিক প্ৰক্ৰিয়াৰ ফলাফল বুলি ধৰা হয়। সেয়েহে সামাজিক জীৱনটো ব্যক্তিগত জীৱনৰ পৰা নিঃসৃত কৰিব নোৱাৰি। সামাজিক জীৱনটো ব্যক্তিগত জীৱনৰ পৰা নিঃসৃত নহয় যদিওঁ ব্যক্তিগত জীৱনৰ পৰা সামাজিক জীৱনৰ ছবি এটা অংকণ কৰিব পৰা যায়। এজন সমাজ বিজ্ঞানীয়ে সামাজিক তথ্যসমূহ ব্যাখ্যা কৰাৰ ক্ষেত্ৰত মনোবৈজ্ঞানিক অনুশীলনৰ আশ্ৰয় লয়। যদিওবা মনোবিজ্ঞানীয়ে মনোবৈজ্ঞানিক অনুশীলনৰ

আশ্রয় লয় তথাপি সামাজিক তথ্যসমূহৰ ওপৰত সমানে গুৰুত্ব দিয়ে। এইটো ডাৰখেমৰ মত বুলি সমাজ বিজ্ঞানত ধৰা হয়। জর্জ হোমানচৰ মতে সমাজবিজ্ঞান মনোবিজ্ঞানৰ পৰা নিঃসৃত কৰা হয়। সমাজ সম্পর্কে দিয়া তেওঁৰ ধাৰণাটো আচৰণগত মনোবিজ্ঞানৰ ফাললৈ গতি কৰে। এই মতবাদ মতে সমাজৰ ধাৰণাবোৰ আচৰণগত মনোবিজ্ঞানৰ ভাবধাৰাৰ মাজেদি প্রকাশ কৰা হয়।

উল্লিখিত সমাজ বিজ্ঞানীসকলে মনোগত আৰু সামাজিক মনোগত ঘটনাসমূহৰ ওপৰত গুৰুত্ব প্রদান কৰে। এইটোৱে নিসন্দেহে সমাজবিজ্ঞানৰ এটা বিশেষ গৱেষণাৰ ওপৰতহে দৃষ্টি নিক্ষেপ কৰে। এই ক্ষেত্রত আন এজন বিশিষ্ট সমাজবিজ্ঞানী টাৰনাৰে মত দিয়ে যে হোমানচে সামাজিক বিষয়বোৰ আচৰণগত মনোবিজ্ঞানৰ ভাৱধাৰালৈ ৰূপান্তৰিত কৰিছে। কিন্তু আমেৰিকান সমাজবিজ্ঞানী লেচলি হোৱাইটৰ মতে ব্যক্তিৰ ব্যৱহাৰ বা আচৰণ আৰু সামাজিক অনুষ্ঠানসমূহ কৃষ্টি-সংস্কৃতিৰ মাধ্যমতে ব্যাখ্যা কৰিব পাৰি। তেওঁৰ মতে মানুহৰ চিন্তা, ভাৱনা আৰু ইচ্ছা শক্তিক কৃষ্টি সংস্কৃতিৰ দ্বাৰাহে ব্যাখ্যা কৰা হয়। কিন্তু আন কিছুমান সমাজবিজ্ঞানী যেনে- চার্লচ হৰটন, কুলি, জেনেকিয়ে মত দিয়ে যে ব্যক্তি আৰু সমাজ এটা সত্তাৰে দুটা পিঠি বুলি ধৰা হয়। টমাচ আৰু জেনেকিৰ মতে ব্যক্তি কেৱল সামাজিক আৱেষ্টনীৰ উৎপাদিত ফচল নতুবা সামাজিক বেষ্টনী ব্যক্তিৰ দ্বাৰা সৃষ্টি হোৱা ধাৰণাৰ পৰিবর্তে ব্যক্তি আৰু সমাজ দুয়োটাই এটাই আনটোৰ ওপৰত পৰস্পৰ নির্ভৰশীল বুলি কোৱাই যুগুত। আন এজন বিখ্যাত পণ্ডিত হোৱাইটৰ ভাষাত ব্যক্তিৰ পৰিৰ্বতে কৃষ্টি আৰু সংস্কৃতিক প্রকৃত সত্তা বুলি বিবেচনা কৰা হয়।

সামাজিক ঘটনা প্রবাহ সমূহক মনোবৈজ্ঞানিক ঘটনাসমূহলৈ ৰূপান্তৰিত কৰাৰ ধাৰণাটো আধুনিক সমাজবিজ্ঞানত এক গুৰুত্বপূর্ণ প্রশ্ন হিচাপে পৰিগণিত হৈছে। এই ক্ষেত্রত অব্যাখ্যাবাদী তত্ত্বই আমাক ব্যক্তি আৰু সমাজ সম্পর্কে এক যথার্থ ব্যাখ্যা দিব পৰা নাই। বৰঞ্চ এই ক্ষেত্রত অব্যাখ্যাবাদী তত্ত্বই মূল বিষয়ৰ পৰা আঁতৰি গৈছে। ব্যক্তিক কেৱল মনোবৈজ্ঞানিক দিশৰ পৰা বিশ্লেষণ কৰি এটা যথার্থ ব্যাখ্যা দিব নোৱাৰি। কাৰণ ব্যক্তি বা মানুহক কৃষ্টি বা সংস্কৃতিৰ দ্বাৰা উৎপাদিত ফচল বুলিহে ধৰা হয়। আকৌ সমাজ এখন ব্যক্তিৰ সমষ্টি বুলি ক'লেও সহজে মানি ল'ব নোৱাৰি।

গতিকে ব্যক্তি সত্তাটো ব্যক্তিৰ পৰা সমাজলৈ যোৱা এক গুণগত জাঁপ বুলি কোৱা হয়। সেয়েহে সামাজিক ঘটনা প্রবাহক মনোবৈজ্ঞানিক ভাবধাৰালৈ আৰু মনোবৈজ্ঞানিক ভাবধাৰাক সামাজিক দিশৰ পৰা ব্যাখ্যা কৰাৰ কৌশলটো ব্যক্তি আৰু সমাজৰ আলোচনাৰ প্রসঙ্গত সন্তোষজনক নহয়।

এন্থনী গিডনচ্ৰ অৱয়ববাদ সম্পর্কে মতামত

ব্যক্তি আৰু সমাজৰ বিস্তৃত আলোচনাৰ পৰা ব্যক্তি চেতনা বা মনস্তত্ত্ব আৰু সামাজিক ঘটনা প্রৱাহ উভয়ে পৰস্পৰ পৰিপূৰক। কিন্তু সামাজিক গাথনিয়ে ব্যক্তিৰ কাম-কাজ ব্যাখ্যা কৰাত কেনেধৰণৰ ভূমিকা লয়? এই ক্ষেত্রত বিখ্যাত সমাজ বিজ্ঞানী এন্থনী গিডেনচ্ মত দিয়ে যে ঃ প্রাচীন সমাজ বিজ্ঞানী সকলৰ মতে সামাজিক গাথনিয়ে ব্যক্তিৰ কার্য নির্ণয় কৰে। ইয়াক দ্বৈতবাদ বুলি কোৱা হয়। বিখ্যাত আমেৰিকান সমাজবিজ্ঞানী পিটাৰ কিভেষ্টৰ মতে অৱয়ব তত্ত্বটো আচলতে সমাজবিজ্ঞানক দ্বৈতবাদৰ প্রভাৱৰ পৰা মুক্ত কৰাৰ এক প্রচেষ্টা। তেওঁৰ মতে দ্বৈতবাদে কর্তা অথবা সামাজিক গাথনিকে প্রাধান্য দিয়ে। সামাজিক অৱয়ব বা গাথনি মানুহৰ দ্বাৰাই সৃষ্ট, সেয়েহে সামাজিক গাঁথনি বা অৱয়বটো মানুহৰ দ্বাৰাই শাসিত বা চালিত হয়। গতিকে কোৱা হয় যে সামাজিক গাথনিৰ বাবেই মানুহৰ কাম-কাজ নিয়ন্ত্রণাধীন হয় আৰু চালিত হয়।"

দ্বৈতবাদৰ সংজ্ঞা অনুসৰি, দ্বৈতবাদ, সামাজিক অৱয়ব আৰু ব্যক্তিৰ সম্পৰ্কৰ ওপৰত নিৰ্ভৰ কৰে। যেনেদৰে সামাজিক অৱয়বটো মানুহৰ দ্বাৰাই সৃষ্টি হয় ঠিক তেনেকৈ মানুহৰ কাম-কাজবোৰো সামাজিক অৱয়ব বা গাঁথনিৰ দ্বাৰা শাসিত হয় বা দমন হয়।

গিডেনচ্‌ৰ প্ৰশ্ন হ'ল, সমাজখন মানুহৰ বা ব্যক্তিৰ কৰ্মৰ দ্বাৰাই গঠিত হয় নে? অথবা সমাজখন ব্যক্তিৰ কৰ্মৰ উদ্ধত নেকি? আৰু সামাজিক অবয়বটো ব্যক্তিৰ কাম কাজৰ পৰা স্বতন্ত্ৰ নেকি? গিডেনচে্ এই ক্ষেত্ৰত সামাজিক গাঁথনি বা অৱয়ব সম্পৰ্কে কিছুমান বিশেষ বৈশিষ্ট্যৰ কথা উল্লেখ কৰিছে। বৈশিষ্ট্যসমূহ হ'ল ঃ

- সামাজিক অৱয়ব বা গাথঁনিটো মানুহৰ স্মৃতিত সোমাই থাকে।
- অৱয়ব বা গাথঁনিটো অনুশীলন বা কৰ্মৰ জৰিয়তে জনা যায়। সামাজিক অৱয়ব বা গাঠনিবোৰ ব্যক্তিৰ দ্বাৰাই উৎপন্ন হয়।
- সামাজিক গাথঁনিয়ে বা অৱয়বে মানুহক বা ব্যক্তিক কাম-কাজবোৰ সূচাৰূপে পালন কৰাত সক্ষম কৰে। ইয়াৰ উপৰি সামাজিক গাথঁনিয়ে ব্যক্তিৰ কাম-কাজবোৰ নিয়ন্ত্ৰণ কৰে।
- সামাজিক গাথঁনি নিয়ম বা অনুশাসন আৰু সম্পদৰ দ্বাৰা একেলগ হৈ থাকে। ব্যক্তিয়ে সামাজিক গাথঁনিৰ অন্তৰ্গত নিয়মকানুন আৰু সম্পদসমূহক সামাজিক কৰ্ম আৰু সম্পাদন আৰু পুনঃ সম্পাদন কৰাত ব্যৱহাৰ কৰে।

গিডেনচ্‌ৰ (Giddens) মতে সামাজিক অৱয়ব আৰু ব্যক্তিৰ সামাজিক সম্পৰ্কটো দ্বৈতবাদ হিচাপে বিবেচনা কৰা নহয়। যেনেকৈ ব্যক্তি বা কৰ্ত্তাক সামাজিক অৱয়ব বা গাথঁনিৰ মাধ্যমেদি ব্যাখ্যা কৰা নহয়। ঠিক তেনেকৈ সামাজিক গাথঁনি বা অৱয়বক ব্যক্তিৰ দ্বাৰাই ব্যাখ্যা কৰা নহয়।তেওঁ মত দিয়ে যে অৱয়ব বা গাথঁনিয়ে অন্তঃনিৰ্হিতভাৱে অৱয়ব বা গাথঁনিৰে উদ্ভৱ কৰে। ব্যক্তিয়ে বা কৰ্ত্তাই কিছুমান কাম সম্পাদন কৰে আৰু কৰ্মৰ দ্বাৰাই ব্যক্তিয়ে অৱয়ব বা গাথঁনিৰ উদ্ভৱ কৰে। সেয়েহে অৱয়ব নিৰ্মাণ বা সৌধ মানে সাধাৰণতে অৱয়ব বা গাথঁনিকে সূচায়। সেয়েহে গাথঁনিৰ পুনঃ উদ্ভৱ বা পুনঃ নিৰ্মাণ মানে আচলতে হ'ল অৱয়ব সজ্জা বা অৱয়ব সৌধ।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১০ঃ নামবাদ কি?

প্ৰশ্ন নং ১১ঃ পৰস্পৰ ক্ৰিয়াবাদ কি?

প্ৰশ্ন নং ১২ঃ নব্যবাদৰ সমৰ্থক সকল কোন কোন?

প্ৰশ্ন নং ১৩ঃ বাস্তৱবাদ কি?

১৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি ব্যক্তি আৰু সমাজ সম্পৰ্কে থকা তত্ত্বসমূহ জানিবলৈ পাব। তদুপৰি এই তত্ত্বসমূহ কেনেধৰণে প্ৰাচীনৰ পৰা আধুনিকতালৈ গতি কৰিছে তাকো জানিবলৈ সক্ষম হ'ব। ব্যক্তি আৰু

সমাজ সম্পর্কে পোৱা তত্ত্ব প্ৰাচীন স্তৰত আমি কেৱল মূখ্যত তিনিটা তত্ত্ব বিষয়ে পাওঁ। সেইকেইটা হ'ল সামাজিক চুক্তিতত্ত্ব ; জৈৱিক তত্ত্ব আৰু দলীয় মনোগত তত্ত্ব। এই তত্ত্বকেইটাই ব্যক্তি আৰু সমাজৰ সম্পর্কটো বিতংকৈ বুজাত সহায় কৰিব। সংক্ষেপে তত্ত্বসমূহ এনেদৰে আলোচনা কৰিব পাৰি।

- সামাজিক চুক্তি তত্ত্বমতে সমাজ প্ৰাকৃতিভাৱে সৃষ্টি হোৱা ঘটনা নহয়। মানুহে দুখ- কষ্টৰ পৰা পৰিত্ৰাণৰ অৰ্থে এটা চুক্তি তত্ত্বৰ মাধ্যমেদি সকলোৱে একেলগ হোৱা আৱশ্যকতা অনুভৱ কৰিছিল।
- জৈৱিক তত্ত্ব মতে ব্যক্তি আৰু সমাজ পৰস্পৰে পৰস্পৰৰ ওপৰত নিৰ্ভৰশীল। যেনেকৈ দেহৰ প্ৰতিটো অংগই এটাই আনটোৰ সৈতে সম্পৰ্কিত হৈ থাকে ঠিক তেনেদৰে ব্যক্তি আৰু সমাজ উভয়ে পৰস্পৰ নিৰ্ভৰশীল।
- দলীয় মনোগত তত্ত্বমতে প্ৰত্যেক ব্যক্তিয়েই সমাজৰ সদস্য। সেয়েহে সমাজ অবিহনে ব্যক্তি এক আধাৰহীন প্ৰত্যয় বা ধাৰণা। এই তত্ত্বই মানুহৰ জীৱনৰ এটা পৰম লক্ষ্যক নিৰ্দ্দেশ কৰে। সামাজিক সত্তাক উপলব্ধি কৰাটোৱেই হ'ল ব্যক্তিৰ জীৱনৰ চৰম লক্ষ্য। গতিকে এই তত্ত্বমতে ব্যক্তি আৰু সমাজ উভয়ে পৰস্পৰে এটাই আনটোৰ ওপৰত নিৰ্ভৰশীল।
- **নামবাদ ঃ** এই তত্ত্বমতে ব্যক্তিয়েই একমাত্ৰ সত্তা। এই তত্ত্বত সমাজ, কৃষ্টি আৰু মূল্যৰ বিষয়ে কোনো সামান্য ধাৰণা পোৱা নাযায়। এই মতবাদ অনুসৰি মানুহে এজন ব্যক্তিৰ আচৰণৰ কথা জানি আনৰ আচৰণ সম্পর্কে জ্ঞাত হ'ব পাৰে। এই তত্ত্ব বা মতৰ লগত সামাজিক চুক্তি তত্ত্বৰ মিল থকা দেখা যায়। কাৰণ সামাজিক চুক্তি তত্ত্বৰ মতেও ব্যক্তিক একমাত্ৰ সত্তা বুলি ধৰা হয়।
- **পৰস্পৰ ক্ৰিয়াবাদ ঃ** এই তত্ত্বই জৈৱিক ক্ৰিয়াবাদৰ দৰে ব্যক্তি আৰু সমাজ পৰস্পৰে এটাই যে আনটোৰ ওপৰত নিৰ্ভৰশীল তাকে সূচায়।
- **নব্য নামবাদ ঃ** নব্য নামবাদ নামবাদৰ এক সংশোধিত ৰূপ। এই তত্ত্বই ব্যক্তি আৰু দলীয় মন উভয়কে মৌলিক একক হিচাপে বিবেচনা কৰে। এই তত্ত্বমতে ব্যক্তি আৰু সমাজ পৰস্পৰে যে এটাই আনটোৰ ওপৰত নিৰ্ভৰশীল তাক সামাজিক সত্তাৰ মাধ্যমেদি প্ৰকাশ কৰা হয়।
- **বাস্তৱবাদ ঃ** যদিওবা ব্যক্তিৰ আচৰণ বা চেতনাই সামাজিক জীৱনত এক ভূমিকা লয় তথাপি এই তত্ত্বমতে সামাজিক সত্তাক ব্যক্তিগত সত্তাৰ জৰিয়তে ব্যাখ্যা কৰিব নোৱাৰি। ব্যক্তি আৰু সমাজ সম্পর্কে কৰা আলোচনাত এই তত্ত্বই কৃষ্টি- সংস্কৃতি, ব্যক্তি-মনস্তত্ত্ব, সামাজিক সত্তা আৰু পৰমশ্ৰেয়ৰ ওপৰত গুৰুত্ব প্ৰদান কৰে।

১৫.৮ অধিক জানিবলৈ

১) Sinha , J.N.(2004) *A Manual of Ethics*. surjeet prglications.

২) Rawat, H.K.(2007) *Socialogy*. Ra wat publications.

৩) Mackenzie, Johns. (2004) *A Manual of Ethics*, surject publications.

১৫.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ (ক) সামাজিক চুক্তি তত্ব।

(খ) সামাজিক চুক্তি তত্ত্ব।

(গ) স্বার্থবাদী বা স্বহিতবাদী বা অহংবাদী।

(ঘ) পাৰস্পৰিক শুভেচ্ছা আৰু সুখৰ অৱস্থা।

২ নং প্রশ্নৰ উত্তৰঃ (ক) হবচ্, (খ) হবচ্।

৩ নং প্রশ্নৰ উত্তৰঃ এই তত্ত্বমতে সমাজক জীৱদেহৰ লগত তুলনা কৰা হয়। যেনেকৈ জীৱদেহ এটা ইয়াৰ বিভিন্ন অংগ প্রত্যংগৰ সৈতে পৰস্পৰে এটাই আনটোৰ ওপৰত নির্ভৰশীল।

৪ নং প্রশ্নৰ উত্তৰঃ জীৱদেহৰ তত্ত্বমতে ব্যক্তি অবিহনে সমাজৰ কথা ভাবিব নোৱাৰি। সামাজিক তত্ত্বৰ ফালৰ পৰা, উদাহৰণস্বৰূপে, পৰস্পৰ ক্রিয়াবাদৰ অনুসৰি ব্যক্তি আৰু সমাজ উভয়ে পৰস্পৰে এটাই আনটোৰ ওপৰত নির্ভৰশীল।

৫ নং প্রশ্নৰ উত্তৰঃ হাৰ্বাট স্পেন্সাৰ, ইমলি ডাৰখেম্ জৈৱিক তত্ত্বৰ সমর্থক।

৬ নং প্রশ্নৰ উত্তৰঃ (ক) শুদ্ধ, (খ) অশুদ্ধ, (গ) অশুদ্ধ।

৭ নং প্রশ্নৰ উত্তৰঃ দলীয় মনোগত তত্ত্বমতে সামাাজিক সত্তাক উপলব্ধি কৰাই হ'ল এই তত্ত্বৰ প্রধান উদ্দেশ্য।

৮ নং প্রশ্নৰ উত্তৰঃ সামাজিক সত্তাক ব্যক্তিগত সত্ত্বাৰ মাজত নিহিত হৈ থকা আত্মাৰ পৰম ৰূপ বুলি ক'ব পাৰি।

৯ নং প্রশ্নৰ উত্তৰঃ (ক) সত্য, (খ) সত্য, (গ) সত্য

১০ নং প্রশ্নৰ উত্তৰঃ নামবাদৰ মতে ব্যক্তিয়েই হ'ল একমাত্র সত্তা।

১১ নং প্রশ্নৰ উত্তৰঃ পৰস্পৰ ক্রিয়াবাদ অনুসৰি ব্যক্তি আৰু সমাজ পৰস্পৰে এটাই আনটোৰ ওপৰতে নির্ভৰশীল।

১২ নং প্রশ্নৰ উত্তৰঃ অলপর্ট (Allport) আৰু হোমানচ্ (Hamans) নব্য নামবাদৰ সমর্থক।

১৩ নং প্রশ্নৰ উত্তৰঃ দর্শনৰ বাস্তৱবাদ অনুসৰি দলীয়মন আৰু ব্যক্তি উভয়ে বাস্তৱ বা সৎ।

১৫.১০ আৰ্হি প্রশ্ন

(ক) অতি চমু প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৫০ শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ জৈৱিক তত্ত্বৰ সংজ্ঞা দিয়ক।

প্রশ্ন ২ঃ সামাজিক চুক্তি কি?

প্রশ্ন ৩ঃ পৰস্পৰ ক্রিয়াবাদ বুলিলে কি বুজে?

প্রশ্ন ৪ঃ সামাজিক চুক্তি তত্ত্বৰ সমর্থকসকলৰ নাম লিখক।

প্রশ্ন ৫ঃ নব্য নাম বাদ কি?

প্ৰশ্ন ৬ঃ বাস্তৱবাদ কি?

(খ) চমু প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ সামাজিক চুক্তি তত্ত্বৰ চমুকৈ ব্যাখ্যা আগবঢ়াওক।

প্ৰশ্ন ২ঃ জৈৱিক তত্ত্বটো কি? চমুকৈ ব্যাখ্যা আগবঢ়াওক।

প্ৰশ্ন ৩ঃ পৰস্পৰ ক্ৰিয়াবাদ সম্পৰ্কে চমুকৈ ব্যাখ্যা আগবঢ়াওক।?

প্ৰশ্ন ৪ঃ দলীয় মনোগত তত্ত্ব বুলিলে কি বুজে? চমুকৈ ব্যাখ্যা কৰক।

প্ৰশ্ন ৫ঃ নব্য নামবাদ সম্পৰ্কে এটি চমুটোকা লিখক।

প্ৰশ্ন ৬ঃ বাস্তৱবাদ সম্পৰ্কে চমু ব্যাখ্যা আগবঢ়াওক।

(গ) দীঘলীয়া প্ৰশ্ন (৩০০-৫০০) শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ ব্যক্তি আৰু সমাজ সম্পৰ্কে থকা তত্ত্ববোৰ কি? কি? আপুনি কোনটো তত্ত্ব বেছি সন্তোষজনক বুলি ভাবে? ব্যাখ্যা কৰক।

প্ৰশ্ন ২ঃ সামাজিক তত্ত্ব মানে কি? আলোচনা কৰক।

প্ৰশ্ন ৩ঃ জীৱদেহ তত্ত্ব মানে কি? ব্যাখ্যা কৰক।

প্ৰশ্ন ৪ঃ দলীয় মনোগত তত্ত্ব বুলিলে কি বুজা যায়? এই তত্ত্ব সন্তোষজনককনে? ব্যাখ্যা কৰক।

প্ৰশ্ন ৫ঃ ব্যক্তি আৰু সমাজ সম্পৰ্কে পোৱা ধাৰণাবোৰ কি কি? ধাৰণাবোৰ সন্তোষজনক নে? আলোচনা কৰক।

প্ৰশ্ন ৬ঃ নামবাদ মানে কি? নামবাদ আৰু সামাজিক চুক্তি তত্ত্বৰ মাজত আপুনি কিবা মিল দেখেনে? আলোচনা কৰক।

প্ৰশ্ন ৭ঃ সমাজবাদত পৰস্পৰ ক্ৰিয়াবাদ বুলিলে কি বুজা যায়? এই তত্ত্বটোত জীৱদেহৰ তত্ত্বৰ লগত মিল আছেনে? আলোচনা কৰক।

প্ৰশ্ন ৮ঃ নব্য নামবাদ বুলিলে কি বুজা যায়? আপুনি নামবাদ আৰু দলীয় মনোগত তত্ত্বৰ মাজত মিল পায়নে? আলোচনা কৰক ।

প্ৰশ্ন ৯ঃ বাস্তৱবাদ কি? এই তত্ত্বটোৱে ব্যক্তি বা সমাজ সম্পৰ্কে দিয়া ধাৰণাটো যথাৰ্থনে? আলোচনা কৰক।

প্ৰশ্ন ১০ঃ অব্যাখ্যাবাদ কি? সমাজ সম্পৰ্কে এইটো সন্তোষজনক ধাৰণা হয়নে? আলোচনা কৰক।

*** **** ***